# চেক্সপীয়েৰ প্ৰতিভা

Call No ........

জীৱনাথ হাজৰিকা, এম. এ.
মুখ্য অধ্যাপক, ইংৰাজী বিভাগ,
ডি. কে. ডি. কলেজ, দেৰগাঁও

লক্ষ্মীকান্ত মহন্ত, এম এ.
মুখ্য অধ্যাপক, অসমীয়া বিভাগ
ডি কে. ডি কলেজ, দেৰগাঁও

DIRECTOR, LIBRARY SERVICES * ASSAM, GAUHATI *

বনলতা
নতুন বজাৰ, ডিব্ৰুগড়

'SHAKESPEARE PRATIVA'—A book on Shakespeare in Assamese, written by J. N. Hazarika and L. K. Mahanta, D. K. D. College, Dargaon and Published by Makhan Hazarika, Banalata, Dibrugarh. Price Rs. Twenty Five only.

---

প্ৰকাশক
শ্ৰীমাখন হাজৰিকা
বনলতা, ডিব্ৰুগড়
অসম

প্ৰথম সংস্কৰণ : ১৯৭৩
দ্বিতীয় সংস্কৰণ : ১৯৮৯

বেটুপাত :
শ্ৰীঅনিল দাস

মূল্য : পঁচিশ টকা

মুদ্ৰক :
শ্ৰীবিষ্ণুপদ পাণ্ডা
[illegible]
৭১, কৈলাস বোস ষ্ট্ৰীট
কলিকতা-৭০০ ০০৬

## • দ্বিতীয় সংস্কৰণৰ বিষয়ে •

'চেক্সপীয়েৰ প্ৰতিভা' কিতাপখন প্ৰথম প্ৰকাশ হোৱাৰ কেইবাবছৰো হ'ল। কিতাপখনৰ যোগেদি পঢ়ুৱৈ সমাজক চেক্সপীয়েৰ সম্পৰ্কে নিচেই সাধাৰণ ধাৰণা এটা দিবলৈহে মাথোন চেষ্টা কৰা হৈছিল। কিতাপখনৰ দ্বিতীয় সংস্কৰণ প্ৰকাশৰ কাৰণে আমাক দুই এজনে মাজে সময়ে কৈ থকা সত্ত্বেও ই কাৰ্য্যত পৰিণত হৈ উঠা নাছিল। এতিয়া ডিব্ৰুগড়ৰ উদ্যোগী প্ৰকাশক শ্ৰীমাখন হাজৰিকাই কিতাপখনৰ দ্বিতীয় সংস্কৰণ প্ৰকাশ কৰিবলৈ লোৱাত আমি নথৈ সুখী হৈছোঁহঁক আৰু তেখেতলৈ আমাৰ আন্তৰিক শলাগ আগবঢ়ালো।

প্ৰথম সংস্কৰণত থাকি যোৱা দুই এটি ছপাৰ ভুল এই সংস্কৰণত শুদ্ধ কৰি দিবলৈ যত্ন লোৱাৰ লগতে "হেমলেট নাটকৰ সাধাৰণ পৰ্য্যালোচনা" শীৰ্ষক চমু আলচ এটিও সংযোগ কৰি দিয়া হৈছে।

দেৰগাঁও

২৩ এপ্ৰিল, ১৯৮৯

গ্ৰন্থকাৰদ্বয়

LIBRARY SERVICES
ASSAM GUWAHATI

# সূচীপত্ৰ

## প্ৰথম ভাগ


১। চেক্সপীয়েৰ—তেওঁৰ জীৱন আৰু প্ৰতিভা … ১
২। চেক্সপীয়ৰৰ আধ্যাত্মিক চেতনা … ১১
৩। ট্ৰেজেদি … ২৫
৪। 'হেমলেট' নাটকৰ ওপৰত এটা পৰ্য্যালোচনা … ৩৩
৫। ছনেট … ৫২


## দ্বিতীয় ভাগ


১। ডেনমাৰ্কৰ ৰাজকোঁৱৰ হেমলেট … ৬৯
২। ৰজা লিয়েৰ … ৮৫
৩। অথেলো … ১০৩
৪। মেকবেথ … ১৩৬
৫। এজ ইউ লাইক ইট্ … ১৫২
৬। মিড্ ছামাৰছ নাইট্‌ছ ড্ৰিম … ১৬৬
৭। টেম্‌পেষ্ট … ১৭৮



# চেক্সপীয়েৰ–তেওঁৰ জীৱন আৰু প্ৰতিভা

“পবিত্ৰ বাইবেলৰ এটি সংস্কৰণ আৰু চেক্সপীয়েৰৰ গ্ৰন্থাৱলীৰ এটি সঙ্কলনৰ অবিহনে পৃথিৱীৰ ইংৰাজী ভাষাভাষী কোনো লোকৰ গৃহস্থালীয়েই সম্পূৰ্ণ বুলি স্বীকৃতি পাব নোৱাৰে। এই দুয়োখন গ্ৰন্থ জীৱনৰ পূৰ্ণবয়সত পঢ়া নিতান্ত উপযোগী বুলি ভবা হয়তো নহয়, কিন্তু ধৰ্ম আৰু ইংলণ্ডৰ সংস্কৃতিৰ প্ৰতীক স্বৰূপে দুয়োখনেই অপৰিহাৰ্য।” এয়া সমালোচক জি. বি. হেৰিচনৰ অভিমত। সঁচাকৈয়ে এই দুখন গ্ৰন্থৰপৰা আজিলৈকে যিমান উদ্ধৃতি দিয়া হৈছে আন কোনো গ্ৰন্থৰপৰা দিয়া হোৱা নাই; আৰু এই দুখন গ্ৰন্থই পৃথিৱীৰ সৰহ সংখ্যক ভাষালৈ অনূদিত হৈছে। শুনি হয়তো আচৰিত যেন লাগিব যে যিজন লেখকৰ ৰচনাৱলীয়ে এখন দেশৰ এটা জাতিৰ সংস্কৃতিৰ প্ৰতীক স্বৰূপে স্বীকৃতি পাব পাৰে, যাৰ লেখা মানৱ মনৰ এক চৰম প্ৰকাশ, আৰু যাৰ সৃষ্টিৰ গভীৰতা আৰু মানৱীয় আবেদনে আমাৰ মনত জগাই তোলে হৰ্ষ-বিষাদসিক্ত এক অভূতপূৰ্ব বিস্ময়ৰ ভাব, সেই অমৰ নাট্যকাৰ উইলিয়াম চেক্সপীয়েৰৰ জীৱনৰ সৰহভাগ কথাই অনুমান আৰু কল্পনাৰ ভিত্তিত প্ৰতিষ্ঠিত। ৰচনাৱলীৰ মাজেৰে নিজৰ মনটোক ধৰা নিদিয়া এই মহান শিল্পীগৰাকীয়ে হয়তো তেওঁৰ ব্যক্তিগত জীৱনকো আনৰপৰা আঁতৰত ৰখাই শ্ৰেয় বিবেচনা কৰিলে। তেওঁৰ মৃত্যুৰ পিছৰপৰা যোৱা চাৰিশ বছৰ ধৰি তেওঁৰ জীৱন আৰু কলাৰ ওপৰত হোৱা পাণ্ডিত্যপূৰ্ণ আলোচনা আৰু গৱেষণাসমূহে তেওঁৰ জীৱনৰ ওপৰত যে সময়ে সময়ে পোহৰ পেলোৱা নাই এনে নহয়। কিন্তু এইগৰাকী শিল্পীৰ বিষয়ে জানিবৰ ইচ্ছা হোৱা সকলো কথা আমি আজিও জানিব পৰা নাই আৰু তেওঁৰ জীৱনৰ বিষয়ে আমাৰ জ্ঞান আজিও সীমিত।

চেক্সপীয়েৰে তেওঁৰ বন্ধু-বান্ধৱ বা আত্মীয়-স্বজনলৈ লিখা কোনো চিঠি আজিলৈকে উদ্ধাৰ হোৱা নাই, যিবিলাকে হয়তো তেওঁৰ ব্যক্তিগত জীৱনৰ বহুত কথা আমাৰ আগত দাঙি ধৰিলেহেঁতেন। যদিওবা তেওঁৰ চিঠিপত্ৰ তেওঁ

লিখিছিল সংৰক্ষণৰ অভাৱত সেইবিলাক নিশ্চিহ্ন হৈ যোৱাতো স্বাভাৱিক। চেক্সপীয়েৰে তেওঁৰ দৈনন্দিন জীৱনৰ ওপৰত লিখা কোনো ডায়েৰী আদিও আমাৰ বাবে এৰি যোৱা নাই। জীৱিতকালত তেওঁ ইমানেই অখ্যাত আছিল যে তেওঁ কোনো জীৱনী লেখকৰ দৃষ্টি আৰু আগ্ৰহ আকৰ্ষণ কৰিবলৈ সফল নহৈছিল। তাৰ উপৰি ষোল আৰু সোতৰ শতিকাৰ ইংলণ্ডৰ সমাজত কেৱল নাট্যকাৰ আৰু অভিনেতাই নহয়, থিয়েটাৰৰ জগত জড়িত সকলোকে নৈতিক চৰিত্ৰহীন বুলি হেয়জ্ঞান কৰা হৈছিল। এনে স্থলত নাট্যকাৰ চেক্সপীয়েৰৰ জীৱনী লেখাৰ প্ৰয়োজন বোধ নকৰাতো স্বাভাৱিক।

চেক্সপীয়েৰৰ ৰচনাৰ মাজত তেওঁৰ ব্যক্তিগত জীৱনৰ ৰহস্য আংশিকভাৱে হলেও আৱিষ্কাৰ কৰাৰ হেপাহ অনেকৰ মনতেই জাগে। বহুতে এইবিষয়ে গৱেষণাও কৰিছে। কিন্তু ই আমাক একো অভিনৱত্ব দিবা পৰা নাই। তদুপৰি চেক্সপীয়েৰৰ দৰে বস্তুনিষ্ঠ কবিৰ লেখনিৰ মাজত লেখকৰ জীৱনৰ আঁত বিচাৰি উলিওৱা অসম্ভৱ বুলি কলেও বঢ়াই কোৱা নহয়। চেক্সপীয়েৰ মানুহজনে যেতিয়া স্ৰষ্টা চেক্সপীয়েৰৰ সৃজনী শক্তিৰ অলৌকিক মহত্বৰ আগত নিজক এৰি দিয়ে, তেতিয়া তেওঁৰ সৃষ্ট চৰিত্ৰসমূহৰ মাজত নিজকে তেওঁ এনেভাৱে বিলাই দিয়ে যে প্ৰত্যেকটি চৰিত্ৰকে তেওঁৰ ব্যক্তিত্বৰ ছাঁই আৱৰি পেলায়। আনহাতে চেক্সপীয়েৰৰ কোনো দুটি চৰিত্ৰই একে নহয়। প্ৰত্যেকৰ স্বকীয়া বৈশিষ্ট্য আছে, ব্যক্তিত্ব আছে। মন কৰিব লগা কথা যে তেওঁৰ চৰিত্ৰবিলাকৰ ব্যক্তিত্ব নিজ ব্যক্তিত্বৰ প্ৰভাৱেৰে মণ্ডিত হলেও, চেক্সপীয়েৰ সদায় এই চৰিত্ৰসমূহৰপৰা আঁতৰত। অৰ্থাৎ তেওঁ জড়িত হৈও নিৰ্লিপ্ত, যাক আমি ইংৰাজীত *detached involvement* বুলি কব পাৰোঁ। এইখিনিতে তেওঁৰ কলাৰ মহত্ব ফুটি ওলাইছে। এতেকে তেওঁৰ সৃষ্ট চৰিত্ৰসমূহ আৰু সিহঁতৰ নাটকীয় উক্তিবোৰ নাট্যকাৰৰ জীৱনৰ সম্বল হিচাপে কিমানদূৰ নিৰ্ভৰযোগ্য ই সহজেই অনুমেয়; কিন্তু তেওঁৰ লেখাসমূহৰ ওপৰত ভিত্তি কৰি কোনো কোনোৱে কয় যে চেক্সপীয়েৰৰ সমুদ্ৰ, সমুদ্ৰযাত্ৰা আৰু নৌজীৱনৰ যি জ্ঞান আমি তেওঁৰ ৰচনাৱলীত দেখা পাওঁ ইয়াৰদ্বাৰা এইটো হয়তো কব পাৰি যে চেক্সপীয়েৰ নিশ্চয় জীৱনৰ কোনো সময়ত নাবিক আছিল। ঠিক একেদৰেই আইনবিদ্যা বা চিকিৎসা বিদ্যাৰ যি জ্ঞান তেওঁৰ নাটসমূহৰ ভিতৰেদি ফুটি ওলাইছে তাৰ ওপৰত ভিত্তি কৰি কোনোৱে তেওঁক আইনজ্ঞ আৰু কোনোৱে চিকিৎসকৰ ৰূপত লেখিছে।

কিন্তু এজন সমালোচকে কেৱলৰ মতে সেই একে যুক্তিৰ ওপৰতে ভিত্তি কৰি আমি এইটোও কব পাৰোঁ যে চেক্সপীয়েৰ পুৰুষ নহয়, নাৰীহে আছিল। এই মন্তব্যই চেক্সপীয়েৰৰ কলা আৰু ব্যক্তিগত জীৱনৰ লগত সম্বন্ধ বিচৰাতো অসাৰ্থক বুলি প্ৰমাণ কৰে। কিন্তু চেক্সপীয়েৰৰ লেখাৰ ওপৰত ভিত্তি কৰি আমি এই কথা কব পাৰোঁ যে তেওঁৰ জীৱন আৰু চিন্তা কোনো ঠেক মানসিক, ৰাজনৈতিক অথবা সামাজিক গণ্ডীৰ মাজত সীমিত নাছিল। সেয়েহে ১৬৬৮ খ্ৰীষ্টাব্দত কবি সমালোচক ড্ৰাইডেনে চেক্সপীয়েৰৰ মন আৰু চিন্তাৰ দিগন্ত তেওঁৰ আগৰ আৰু পিছৰ সকলো কবিতকৈ বিশাল বুলি মত প্ৰকাশ কৰিছিল। কাৰণ বিজন লেখকৰ উপলব্ধিৰ পৰিধিয়ে বিভিন্ন অভিজ্ঞতা আৰু মনৰ বিভিন্ন দিশক সামৰি লব পাৰিছিল জীৱনৰ সকলো দিশৰ লগতে তেওঁৰ সম্বন্ধ নিবিড় বুলি ভাবিবলৈ আমি বাধ্য। অৱশ্যে তেওঁৰ শিল্পী মনটোক কেনেধৰণৰ প্ৰভাৱে গঢ় দিছিল বা তেওঁৰ লেখা আৰু ব্যক্তিগত জীৱনৰ মাজত সম্বন্ধ কিমান গাঢ় এইবোৰ প্ৰশ্নৰ সন্তোষজনক ব্যাখ্যা বিচাৰি পোৱাৰ উপায় আমাৰ নাই।

ষ্ট্ৰেটফৰ্ড-অন-এভন, ইংলণ্ডৰ এই সৰু চহৰখনৰ কোনো এক অখ্যাত প্ৰান্তত ১৫৬৪ চনৰ ২৪ এপ্ৰিলৰ দিনা জন্মগ্ৰহণ কৰিছিল উইলিয়ম চেক্সপীয়েৰে। মেৰী আৰু আৰু জন চেক্সপীয়েৰৰ আঠোটি সন্তানৰ ভিতৰত উইলিয়ম চেক্সপীয়েৰ আছিল তৃতীয় সন্তান আৰু প্ৰথম পুত্ৰ। তেওঁৰ বাল্যকালৰ কোনো বিশদ বিৱৰণ পোৱা নাযায়। তেওঁৰ শিক্ষা সম্বন্ধে প্ৰায় সকলোবোৰ কথাই অনুমানসিদ্ধ। কিছুদিনৰ আগলৈকে চেক্সপীয়েৰৰ শিক্ষা ক্ৰমেই সামান্য বা একেবাৰেই নাছিল বুলিয়েই ধাৰণা আছিল। ওঠৰ শতিকাত লেখানিয়েল ৰোএ ঘোষণা কৰে যে চেক্সপীয়েৰৰ প্ৰকৃত শিক্ষা একো নাছিল আৰু তেওঁ লিখিছিল এক অলৌকিক শক্তিৰ বলত। চেক্সপীয়েৰৰ সমসাময়িক নাট্যকাৰ বেন্ জনচনৰ মতে চেক্সপীয়েৰে লেটিন আৰু গ্ৰীক ভাষা-সাহিত্যৰ প্ৰাথমিক জ্ঞান আহৰণ কৰাৰ সুবিধাহে পাইছিল, আন হাতে সোতৰ শতিকাৰ জন আব্ৰে নামৰ এজন সংগ্ৰাহকে চেক্সপীয়েৰ এসময়ত ষ্ট্ৰেটফোৰ্ড নগৰৰ এজন স্কুল শিক্ষক আছিল বুলি তেওঁৰ টোকাত উল্লেখ কৰি গৈছে। যি কি নহওক, চেক্সপীয়েৰৰ কলা আৰু জীৱন সম্বন্ধে গৱেষণা কৰা বৰ্তমান সময়ৰ পণ্ডিত-সকলে তেওঁৰ শিক্ষা লাভৰ সুযোগ পোৱা নাছিল বুলি স্বীকাৰ নকৰে। কাৰণ চেক্সপীয়েৰৰ দেউতাক জন চেক্সপীয়েৰ ষ্ট্ৰেটফোৰ্ড নগৰৰ এজন বিশিষ্ট নাগৰিক,

শস্য, ঊল, মাংস আৰু কাঠৰ ব্যৱসায়ী আৰু নগৰ সভাৰ এজন সক্ৰিয় সভ্য আছিল। এনে স্থলত, আৰু সেই সময়ত ষ্ট্ৰেটফোৰ্ড নগৰত শিক্ষাৰ যাৱতীয় সুবিধা থকা সত্বেও চেক্সপীয়েৰে শিক্ষা লাভৰ সুযোগ নোপোৱাতো মানি লবলৈ নিশ্চয় টান। তাৰ উপৰি তেওঁৰ ৰচনাৱলী যে গভীৰ জ্ঞান আৰু সুদূৰ প্ৰসাৰী চিন্তাৰ পৰিচায়ক ই সকলোৱে স্বীকাৰ্য। মানুহৰ জীৱনৰ সূক্ষ্মতম আবেগ অনুভূতিসমূহৰ বিষয়ে তেওঁৰ যি জ্ঞান, সভ্যতা সংস্কৃতিৰ ইতিহাসকে আদি কৰি চিকিৎসাবিদ্যা, উদ্ভিদ আৰু প্ৰাণীজগত, বিজ্ঞান, দৰ্শন আদিৰপৰা লোৱা বিষয়-বিলাক উল্লেখ আৰু উপমাই তেওঁৰ ৰচনাৱলীত স্থান পাইছে তালৈ চাই চেক্সপীয়েৰৰ শিক্ষাৰ পৰিধি যে অতি বিশাল আছিল তাক অস্বীকাৰ কৰাৰ সাহস আমাৰ নহয়। সেয়েহে বোধকৰোঁ কোনো কোনো সমালোচকে তেওঁক সেই সময়ৰ যশস্বী শিক্ষাবিদ্ জনচন্ আদিৰ শাৰীতহে স্থান দিব খোজে। চেক্সপীয়েৰৰ এই জ্ঞান ক'ৰপৰা কেনেকৈ আহিল তাৰো বিশ্বাসযোগ্য ব্যাখ্যা অৱশ্যে আজিলৈকে কোনেও দিব পৰা নাই।

জন্ চেক্সপীয়েৰৰ ব্যৱসায় চেক্সপীয়েৰৰ জন্মৰপৰা তেৰ বছৰ কাল সুন্দৰভাৱে চলিছিল। কিন্তু আনুমানিক ১৫৭৮ খ্ৰীষ্টাব্দৰপৰা তেওঁৰ ব্যৱসায়ত অৱনতি আৰম্ভ হয়। সেই বছৰতে তেওঁৰ পত্নীয়ে উত্তৰাধিকাৰী সূত্ৰে পোৱা মূল্যবান সম্পত্তি বন্ধক দিয়ে আৰু ধাৰ কৰিব লগাত পৰে। এই সময়তে চেক্সপীয়েৰেও স্কুল এৰি মাংসৰ ব্যৱসায়ত হাত দিয়ে বুলি কোনো কোনো সমালোচকে বিশ্বাস কৰে। ১৫৮২ চনৰ নৱেম্বৰ মাহত ওঠৰ বছৰ বয়সীয়া চেক্সপীয়েৰে তেওঁলোকৰ পৰিয়ালৰ পুৰণি বন্ধু ৰিচাৰ্ড হেঠওৱেৰ কন্যা ছাব্বিশ বছৰ বয়সীয়া এনী হেঠওৱেৰ লগত বিবাহ পাশত আবদ্ধ হয় আৰু বিয়াৰ প্ৰায় পাঁচ মাহৰ পিছতে তেওঁলোকৰ প্ৰথম সন্তান চুজানৰ জন্ম হয়। দেউতাকৰ ব্যৱসায়ৰ অৱনতিৰ পিছত তেওঁলোকৰ পৰিয়ালৰ ভৰণ-পোষণৰ কাৰণে চেক্সপীয়েৰে কি কৰিছিল সেইকথা সঠিককৈ কোৱা টান। হয়তো এই সময়তে তেওঁ শিক্ষকতা কৰি উপাৰ্জনৰ পথ মুকলি কৰিছিল। আন এটি প্ৰচলিত বিশ্বাসমতে আনুমানিক ১৫৮৪ খ্ৰীষ্টাব্দত সেই অঞ্চলৰ ক্ষমতাপন্ন নাগৰিক চাৰ্ টমাচ্ লুচিৰ বাগানৰপৰা পহু চুৰি কৰা অপৰাধত চেক্সপীয়েৰক আইনমতে শাস্তি দিয়া হয় আৰু এই ঘটনাৰ প্ৰায় লগে লগে পৰিয়ালবৰ্গক ষ্ট্ৰেটফোৰ্ডতে এৰি চেক্সপীয়েৰে ভাগ্য-অন্বেষণত লণ্ডন অভিমুখে যাত্ৰা কৰে। এই ঘটনাৰ সত্যতা নিৰ্ণয় কৰা টান,

কিন্তু কোনো কোনো সমালোচকৰ মতে এই সমস্ত ষ্ট্ৰেটফৰ্ড বা তাৰ আশে পাশে কোনো পশু উদ্যান নাছিল আৰু চুৰি পৰিয়ালে বহুবছৰৰ পিছতহে এনে উদ্যান তাত স্থাপন কৰে।

যিয়েই নহওক লাগে, লণ্ডন মহানগৰীয়েই শিল্পী চেক্সপীয়েৰ জন্মস্থান। ১৫৮৪ খ্ৰীঃৰপৰা প্ৰায় সাত বছৰ কাল চেক্সপীয়েৰে কি কৰিছিল সবিশেষ জনা নাযায়। প্ৰবাদ আছে যে তেওঁ এটি অতি সাধাৰণ কাম লৈ মঞ্চ জগতত প্ৰবেশ কৰে আৰু অতি কমদিনৰ ভিতৰতে নিজ দক্ষতাৰ বলত অভিনেতাৰ শাৰীত স্থান পায়। ৰহস্যময় এই গোপনীয়তাৰ কালছোৱাই বোধহয় চেক্সপীয়েৰৰ জীৱনৰ পৰম সাধনাৰ সময়। মহৎ ৰচনাসমূহ সৃষ্টি কৰাৰ আগভাগত বোধহয় তেওঁ জীৱনক বুজাৰ আৰু প্ৰকৃতিৰ ৰহস্য উপলব্ধি কৰাৰ কঠোৰ সাধনাত ব্ৰতী আছিল।

এইখিনিতে উল্লেখ কৰিবলগীয়া কথা যে ছাদাম্পটনৰ আৰ্ল হেনৰীৰ নামত উছৰ্গা কৰা তেওঁৰ প্ৰথম দুটা কবিতা 'ভেনাচ এণ্ড এড নিচ' আৰু 'ৰেপ অব লুক্ৰেচ' প্ৰকাশ হোৱাৰ সময়ত (১৫৯৩—৯৪) চেক্সপীয়েৰে প্ৰচুৰ সম্ভাবনা-পূৰ্ণ কবি বুলি স্বীকৃতি পায়। সেয়েহে সমসাময়িক নাট্যকাৰ ৰবাৰ্ট গ্ৰীণে ১৫৯২ খ্ৰীঃত চেক্সপীয়েৰক 'এন্ আপষ্টাৰ্ট ক্ৰ' বুলি কোৱা কথাষাৰ বিশেষ তাৎপৰ্যপূৰ্ণ। গ্ৰীণৰ এই মন্তব্য চেক্সপীয়েৰৰ প্ৰতি তেওঁ পোষণ কৰা ঘৃণা ভাবৰ প্ৰকাশ মাথোন। কাৰণ চেক্সপীয়েৰৰ জনপ্ৰিয়তা আৰু মঞ্চসফলতাই চাই গ্ৰীণৰ দৰে নাট্যকাৰসকলৰ উপাৰ্জনৰ পথত অন্তৰায় সৃষ্টি কৰাতো একো অস্বাভাৱিক নহয়। কিন্তু সেয়ে বুলে চেক্সপীয়েৰৰদ্বাৰা ৰচিত নাটক ১৫৯২ খ্ৰীষ্টাব্দৰ আগৰতে মঞ্চস্থ হব লাগিব। এইবিলাক কাৰণতে চেক্সপীয়েৰৰ প্ৰথম ট্ৰেজেডি "টিটাচ এণ্ড্ৰনিকাচ" আৰু কমেডি, "লাভচ লেবাৰ্চ লষ্ট" "টেমিং অব দি শ্ৰু" "টু জেন্টল মেন্ অব ভেৰোনা" আৰু ঐতিহাসিক নাট "চতুৰ্থ হেনৰী"ৰ তিনিও ভাগ আৰু "তৃতীয় ৰিচাৰ্ড" এই কেইখন নাটকক ১৫৮৮ ৰপৰা ১৫৯২ৰ ভিতৰত ৰচনা কৰা বুলি ভাবিবৰ থল আছে, যদিও এই নাট কেইখনৰ এখনো ১৫৯৪ চনৰ আগত প্ৰকাশ হোৱা নাছিল। চেক্সপীয়েৰৰ দিনত তেওঁৰ নিচিনা অভিনেতা লেখকসকলে প্ৰকাশকৰ সংৰক্ষণৰ সুব্যৱস্থা নথকাৰ কাৰণে তেওঁ-লোকৰ নাটবোৰ প্ৰকাশ কৰিবলৈ আগ্ৰহান্বিত নাছিল। তাৰ উপৰি প্ৰকাশ হৈ যোৱাৰ পিছত নাটবোৰক মঞ্চত প্ৰদৰ্শিত কৰাৰ আগ্ৰহ কমি যায় বুলি তেওঁলোকে সন্দেহ কৰিছিল। এনে হলেও চেক্সপীয়েৰে তেওঁৰ নাটকসমূহ

প্ৰকাশ কৰিবলৈ ইচ্ছুক নোহোৱাৰ যুক্তি নিতান্ত বিশ্বাসযোগ্য। চেক্সপীয়েৰৰ পৰিণত কলাৰ বৈশিষ্ট্যসমূহ এই সময়ত ৰচনা কৰা নাটসমূহত পোৱা নাযায়, আৰু এনে হোৱাই নিতান্ত স্বাভাবিক। কাৰণ এই সময়ছোৱা তেওঁৰ সাহিত্যিক জীৱনৰ প্ৰাথমিক প্ৰস্তুতিৰ কাল। বিখ্যাত সমালোচক এড্‌ওৱাৰ্ড ডাওডেনে সেয়েহে এই কালছোৱাক 'ইন দি ওৱৰ্কচপ' আখ্যা দিছে। সমসাময়িক নাট্যকাৰ ক্ৰিষ্টফাৰ মাৰ্লো আৰু জন্ লিলিৰ আদৰ্শৰে প্ৰভাৱান্বিত এই ৰচনা-সমূহ ডেকা কবি চেক্সপীয়েৰৰ যৌৱনোচ্ছল মনৰ প্ৰকাশ মাথোন। ইয়াত বাস্তৱতাতকৈ অলীকতাৰ স্থানেই বেছি, আৰু উপযুক্ত নাটকীয় অৱস্থাৰ পৰিবৰ্তে বিসঙ্গতিপূৰ্ণ অৱস্থাৰ অৱতাৰণাহে পোৱা যায়। এই নাটকসমূহ চেক্সপীয়েৰৰ অপৰিপক্ক নাট্যকলাৰ প্ৰকাশ আৰু বাহ্যিক জীৱনৰ কাব্যিক উপলব্ধিৰ প্ৰচেষ্টা মাথোন।

১৫৯৩ চনত দেখা দিয়া প্লেগ বেমাৰে ইংলণ্ডত যি সন্ত্ৰাসৰ সৃষ্টি কৰিছিল তাৰ ফলত সেই সময়ৰ প্ৰায়বোৰ থিয়েটাৰ দলেই থান্‌বান হৈ পৰিছিল। ১৫৯৪ চনত এই মহামাৰী শাম কটাৰ পিছত এই দলবোৰৰ সংগঠনৰ কাম পুনৰ আৰম্ভ হয়। এই সময়তে চেক্সপীয়েৰক ইংলণ্ডৰ বিখ্যাত লৰ্ড চেম্বাৰলেইন থিয়েটাৰ কোম্পানীৰ সভ্য হিচাপে গ্ৰহণ কৰা হয়। চেক্সপীয়েৰৰ ট্ৰেজেডিসমূহৰ নায়কসকলৰ বিভিন্ন ভূমিকাত একাধিকবাৰ মৰ্মস্পৰ্শী অভিনয় কৰি যোৱা সেই যুগৰ শ্ৰেষ্ঠ অভিনেতা ৰিচাৰ্ড বাৰবেজ এই থিয়েটাৰ কোম্পানীৰে এজন সভ্য আছিল। চেক্সপীয়েৰৰ সাহিত্যিক জীৱনৰ দ্বিতীয়ছোৱা (১৫৯৪-১৬০০) এই থিয়েটাৰ কোম্পানীৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। হৱহৱ জোৰা এই সময়ছোৱাৰ প্ৰথম সৃষ্টি হ'ল বাস্তৱতা আৰু অলীক কল্পনাৰ অদ্ভুত সমাবেশত গঢ়ি উঠা স্বপ্নমধুৰ কাব্যিক নাট "এ মিড্‌ চামাৰ্‌ নাইটচ্‌ ড্ৰীম।" চেক্সপীয়েৰৰ প্ৰথম শ্ৰেষ্ঠ কমেডি হিচাপে স্বীকৃতি পোৱা এই নাটখনি তেওঁৰ নাট্যকলা যে পূৰ্ণ বিকাশৰ পথত আগবাঢ়িছে তাৰ সুস্পষ্ট প্ৰমাণ। এই সময়তে ৰচিত "মাৰ্চেণ্ট অব্‌ ভেনিচ, "মেৰী ওৱাইভ্‌চ অব উইণ্ডচৰ," "এজ ইউ লাইক ইট" আৰু "মাচ এডু এবাউট নাথিং" এই কমেডিসমূহৰ মাজেৰে চেক্সপীয়েৰৰ কলাৰ স্বকীয় প্ৰতিভা সুন্দৰভাৱে প্ৰকাশ পাইছে। এই নাটসমূহত আমি দেখা পাওঁ চৰিত্ৰ সৃষ্টিৰ দক্ষতা, ভাষাৰ মাধুৰ্য্যপূৰ্ণ ব্যৱহাৰ আৰু বাস্তৱ জীৱনৰ জটিলতাৰ সুন্দৰ উপলব্ধি। এই সময়ৰে "ৰোমিও জুলিয়েট" নাটকখনিও উল্লেখ

প্ৰেম আৰু ভালপোৱাৰ এক কৰুণ আৰু বিড়ম্বনাপূৰ্ণ কাহিনী ৰূপায়িত কৰিছে। এই সময়ৰ ঐতিহাসিক নাটসমূহ হ'ল "দ্বিতীয় ৰিচাৰ্ড", "পঞ্চম হেনৰী" আৰু "চতুৰ্থ হেনৰীৰ" দুয়োভাগ।

ষোলশতিকাৰ শেষৰ কেইবছৰতে চেক্সপীয়েৰৰ স্থান ইংলণ্ডৰ নাট্য জগতত নিৰ্ণয় হৈ যায়। ১৫৯৮ চনত ফ্ৰান্সিচ মিয়েৰচ নামৰ এজন ডেকা ছাত্ৰই এক সমালোচনাৰ প্ৰসঙ্গত চেক্সপীয়েৰক সমসাময়িক নাট্যকাৰসকলৰ ভিতৰত শ্ৰেষ্ঠ আসন দিয়ে; আৰু ট্ৰেজেদি আৰু কমেদি দুয়োশ্ৰেণীৰ নাটতে তেওঁৰ পাৰদৰ্শিতা অপূৰ্ব বুলি স্বীকাৰ কৰে। ইতিমধ্যে চেক্সপীয়েৰৰ আৰ্থিক অৱস্থাৰো যথেষ্ট উন্নতি হয়। ১৫৯৭ চনত তেওঁ ষ্ট্ৰেটফোৰ্ড নগৰত "নিউপ্লেচ" নামৰ এটি ভৱন কিনি লয়।

এই সময়ৰে অন্যতম স্মৰণীয় কৃতি হ'ল চেক্সপীয়েৰৰ চনেটসমূহ। সমসাময়িক জনপ্ৰিয়তা লাভ কৰা ইটালীয় আৰ্হি গ্ৰহণ নকৰি নিজস্ব নতুন আৰ্হিত ৰচনা কৰা এই চনেটসমূহত বিস্তুৰিত হৈ আছে কবিৰ অন্তৰৰ কোমল অনুভূতিৰাশি, তেওঁৰ ব্যক্তিগত জীৱনৰ হাঁহি আৰু চমুনিয়াহ। চেক্সপীয়েৰৰ ব্যক্তিগত জীৱনৰ অভিজ্ঞতাৰ কাব্যিক ৰূপায়ণ বুলি বিবেচিত এই চনেটসমূহ তেওঁৰ জীৱন সম্বন্ধীয় গৱেষণাৰেই নহয়, সমগ্ৰ ইংৰাজী সাহিত্যৰে এক অমূল্য সম্পদ।

চেক্সপীয়েৰৰ সেউতাক জন চেক্সপীয়েৰৰ মৃত্যুৰ বছৰ ১৬০১ চনৰ পৰা তেওঁৰ মাতৃ বিয়োগৰ বছৰ ১৬০৮ চনলৈকে এই আঠ বছৰ কাল তেওঁৰ কলা আৰু প্ৰতিভাৰ পূৰ্ণতম বিকাশৰ সময়। চেক্সপীয়েৰৰ কলা এতিয়া স্বকীয় প্ৰতিভাৰে মণ্ডিত। তেওঁ এইবাৰ এক নতুন আৰু দুৰ্গম পথৰ পথিক, যৌৱন আৰু প্ৰেমৰ আভাৰে দীপ্ত, বামধেনুৰ ৰাঙলীৰেণুৰে উদ্ভাসিত 'এ মিড চামাৰ নাইটচ ড্ৰিম' আৰু 'এজ ইউ লাইক ইট'ৰ স্বপ্নমধুৰ পৰিবেশ এৰি দি তেওঁ এতিয়া কল্পনাৰ পানচৈ এৰি দিলে সৎ আৰু অসৎ, আবেগ আৰু বিবেকৰ প্ৰচণ্ড সংঘৰ্ষত সৃষ্টি হোৱা ধুমুহাই কোবোৱা উত্তাল মন জগতৰ মাজে মাজে। জীৱনৰ বিড়ম্বনাপূৰ্ণ ৰহস্য আৰু বিচিত্ৰতাময় জটিলতাক উপলব্ধি কৰা আৰু সেই উপলব্ধ অভিজ্ঞতাক কাব্যিক ৰূপ দিয়াৰ ক্ষমতা তেওঁ ইতিমধ্যে আয়ত্ত কৰি লৈছিলে। এই সময়ৰে অভিনব সৃষ্টি হ'ল তেওঁৰ চাৰিখন অবিস্মৰণীয় ট্ৰেজেদি, "হেমলেট", "কিং লিয়েৰ," "অথেলো" আৰু "মেকবেথ"। এই ট্ৰেজেদিসমূহত আছে [illegible]

পাওঁ মানুহৰ জীৱনৰ কৰুণ বিনাশ আৰু আনহাতে সেই মানৱ জীৱনৰে বিজয় দুন্দুভি। আন চাৰিখন ট্ৰেজেডি, "জুলিয়াচ চিজাৰ", "টাইমন অব এথেন্স", "এণ্টনি এণ্ড ক্লিওপেট্ৰা" আৰু "কৰিওলেনাচো" এই সময়ৰে ৰচনা। এই-ছোৱা কালত তেওঁ কোনো ঐতিহাসিক নাট ৰচনাত মনোনিবেশ কৰা নাছিল, আৰু "মেজাৰ ফৰ মেজাৰ" "অলচ্ ওৱেল দেট এণ্ডচ্ ওৱেল," "ট্ৰইলাচ এণ্ড ক্ৰেচীদা" আৰু "টুৱেলফ্থ্ নাইট" আদি যি চাৰিখন কমেদি লিখিছে তাতো কৱিৰ মনৰ বিষণ্ণতা সুস্পষ্টভাৱে পৰিলক্ষিত হয়। চেক্সপীয়েৰৰ মনৰ এই অভূতপূৰ্ব পৰিবৰ্তনৰ কাৰণ সম্বন্ধে অনেক আলোচনা হৈছে, কিন্তু সন্তোষজনক ব্যাখ্যা আজিলৈকে কোনেও দিব পৰা নাই। অনুমানৰ অৱশ্যে অভাৱ নাই। কিন্তু এনে আবেদনপূৰ্ণ সাৰ্বজনীন কলাৰ ক্ষেত্ৰত কেৱল অনুমানৰ ওপৰতে ভিত্তি কৰি কলা আৰু কলাকাৰৰ ব্যক্তিগত জীৱনৰ মাজত সম্বন্ধ স্থাপন কৰিব'ল যোৱাটো বিপদজনক। এই সময়তে চেক্সপীয়েৰ এক জটিল আধ্যাত্মিক সঙ্কটৰ সন্মুখীন হৈছিল বুলি প্ৰচলিত বিশ্বাসৰ সত্যতা হয়তো আছে, কিন্তু এই সঙ্কটৰ কাৰণ আৰু প্ৰকৃত স্বৰূপ আৰু নাটসমূহৰ ওপৰত ইয়াৰ সম্বন্ধ নিৰ্ধাৰণ কৰাৰ কোনো উপায় নাই।

এই নাটসমূহৰ বিশেষকৈ তেওঁৰ ট্ৰেজেডিসমূহৰ প্ৰধান বৈশিষ্ট্য হ'ল বিভিন্ন ধৰণৰ চৰিত্ৰৰ প্ৰাচুৰ্য, মন গহনৰ গভীৰ আবেগ অনুভূতিসমূহ বিশ্লেষণ কৰাৰ অদ্ভুত শক্তি, জীৱন আৰু মানুহৰ প্ৰকৃতিৰ সুস্থ সবল উপলব্ধি, শব্দ প্ৰয়োগ আৰু কল্পচিত্ৰ সৃষ্টিৰ অপূৰ্ব ক্ষমতা আৰু বাৰিষাৰ খৰস্ৰোতা নদীৰ স্পন্দনেৰে স্পন্দিত কবিতা, এয়ে চেক্সপীয়েৰৰ নাট্যকলাৰ পূৰ্ণতম বিকাশ, তেওঁ সুদীৰ্ঘ কঠোৰ সাধনাৰ পূৰ্ণতা প্ৰাপ্তি।

চেক্সপীয়েৰৰ জীৱনৰ নিয়তি পৰত লেখা ৰোমান্স কেইখন এই ট্ৰেজেডিসমূহৰে অপভ্ৰংশ বুলি কলেও ভুল হয়তো নহব। ১৬০৮ চনৰপৰা ১৬১০ চনৰ ভিতৰত তেওঁ ৰচনা কৰে তেওঁৰ শেষ ঐতিহাসিক নাট "অষ্টম হেনেৰী" আৰু চাৰিখন ৰোমান্স—"পেৰিক্লিচ", "চিম্বেলীন", "উইন্টাৰ্চ টেল" আৰু সৰ্বতোকৈ সুন্দৰ মনোমোহা "টেম্পেষ্ট"। এই শেষৰখন নাটকক আমি এক মধুৰ জীৱনৰ কাব্যিক প্ৰতিৰূপ বুলি ক'ব পাৰোঁ। ট্ৰেজেডিসমূহৰ [illegible] কেঁচুৱাৰ ধুমুহা শেষ হোৱা নাই [illegible], আকাশ [illegible]; [illegible] মানুহ [illegible] এটি [illegible] এই ৰোমান্স কেইখনত পৰিস্ফুট। [illegible] শেষ

সময়ত এই নাটসমূহৰ য়্যাক্তেৰে চেক্সপীয়েৰে হয়তো কব খুজিছিল যে মানুহ দেৱতা নহ'লেও পশু হব কাহানিও নোৱাৰে। অসতৰ ঘোৰ অন্ধকাৰিণী আঁতৰাই জীৱন আৰু জগতলৈ সৎ আৰু নতুনৰ পোহৰ আনিব পাৰি মানুহৰ মহানুভৱতাৰ মাজেৰেই। এই নাটসমূহে কিমানলৈ মঙ্গলাকাংক্ষা লাভ কৰে কোৱা টান। এই নাটবোৰৰ ক্ষেত্ৰত অভিনয়তকৈ উপলব্ধি আৰু চিন্তাৰ প্ৰয়োজনহে যেছি যেন লাগে।

১৫৯৯ চনত লৰ্ড চেম্বাৰলেইনৰ কোম্পানীৰদ্বাৰা স্থাপিত বিখ্যাত গ্লোব থিয়েটাৰ ১৬১৩ চনত এক অগ্নিদুৰ্ঘটনাত ভস্মীভূত হয়। এই গ্লোব থিয়েটাৰৰ নাম ইংলণ্ডৰ নাট্য আন্দোলনৰ ইতিহাসত চিৰযুগমীয়া হৈ ৰব। কাৰণ ইয়াতেই প্ৰথম অভিনীত হয় চেক্সপীয়েৰৰ বিখ্যাত ট্ৰেজেদিসমূহ। চেক্সপীয়েৰৰ সাহিত্যিক জীৱনৰ অৱসান হোৱাৰ এবছৰ পিছতে এই থিয়েটাৰৰ ধ্বংসত যেন কিবা এক তাৎপৰ্য লুকাই আছে। জীৱনৰ শেষৰ তিনিটা বছৰ চেক্সপীয়েৰে তেওঁৰ জন্মস্থান ষ্ট্ৰেটফোৰ্ড নগৰৰ শান্তিময় পৰিবেশৰ মাজত কটাই দিয়ে। ১৬১৬ চনৰ পঁচিশ মাৰ্চৰ দিনা তেওঁ তেওঁৰ ইচ্ছাপত্ৰ সম্পূৰ্ণ কৰে আৰু সেই বছৰৰে ২৩ এপ্ৰিলৰ দিনা এই অমৰ কবি নাট্যকাৰজনৰ মাত্ৰ বাবন্ন বছৰ বয়সত মৃত্যু হয়। মৃত্যুৰ সময়ত ইংৰাজী তথা বিশ্ব সাহিত্যলৈ চেক্সপীয়েৰৰ অপূৰ্ব অৱদান সাতত্ৰিশখন নাটক, এশ চৌবন্নটি চনেট আৰু চাৰিটি দীঘল কবিতা।

১৫৯৮ চনত ফ্ৰান্সিচ মিয়েৰচে চেক্সপীয়েৰক সমসাময়িক নাট্যকাৰসকলৰ ভিতৰত শ্ৰেষ্ঠ আসন দিয়াৰ পিছৰপৰা যোৱা সুদীৰ্ঘ চাৰিশ বছৰে বিশ্বৰ বিভিন্ন পণ্ডিত আৰু মনীষীসকলে এই গৰাকী মহান শিল্পীক শ্ৰদ্ধা কৰি আহিছে, তেওঁৰ মৃত্যুৰ পিছত বেন্ জনচনে চেক্সপীয়েৰৰ স্মৃতিত লিখা এটি কবিতাত চেক্সপীয়েৰক "এটা যুগৰ কাৰণে নহয়, সৰ্বকালৰ নিমিত্তে" বুলি শ্ৰদ্ধা জনায়; যদিও বেন্ জনচন চেক্সপীয়েৰৰ নাটকাৱলীৰ বোমাণ্টিচিজিমৰ পক্ষপাতী নাছিল। ১৭০৯ চনত নেথানিয়েল ৰো সম্পাদিত চেক্সপীয়েৰৰ গ্ৰন্থাৱলীৰে সম্পূৰ্ণ সঙ্কলন প্ৰকাশ পোৱাৰ লগে লগে চেক্সপীয়েৰ 'ক্লাচিক' বুলি পৰিগণিত হয়। ওঠৰ শতিকাৰ কবি আৰু সমালোচক আলেকজেণ্ডাৰ পোপৰ মতে চেক্সপীয়েৰক প্ৰতিভাসম্পন্ন কবি বুলি স্বীকৃতি দিব পাৰি। সেই সময়ৰে বিখ্যাত সমালোচক ডঃ চেমুৱেল জনচনে চেক্সপীয়েৰৰ সাৰ্বজনীনতাৰ বিষয়ে উল্লেখিয়াই কয় যে তেওঁৰ ৰচনাৱলী মানুহৰ স্বভাৱ আৰু প্ৰকৃতিৰ স্বচ্ছ প্ৰতিফলন। যোৱা শতিকাত চেক্সপীয়েৰ

অলৌকিক শক্তিসম্পন্ন অতিমানৱ হিচাপে পৰিগণিত হয়। এই সময়ৰ জাৰ্মান মনীষী গেটেই কয়, "আন কোনো গ্ৰন্থ, লিখক বা জীৱনৰ অভিজ্ঞতাই চেক্সপীয়েৰৰ নাটকসমূহে মোৰ মনত এৰি যোৱাৰ সমান গভীৰ চাপ পেলাইছে বুলি মই নাভাবো।" ষ্টীঙ বাৰ্গৰ মতে "ভগৱানক অস্বীকাৰ কৰিব পাৰি, কিন্তু চেক্সপীয়েৰক অসম্ভৱ।" আজি চেক্সপীয়েৰ হয়তো অতিমানৱ নহয়, কিন্তু তেওঁৰ সৃষ্টিৰ সাৰ্বজনীন মহত্বক সকলোৱে একমুখে স্বীকাৰ কৰিছে।

চেক্সপীয়েৰে তেওঁৰ অমৰ গ্ৰন্থাৱলী ৰচনা কৰি যোৱাৰ পিছত যোৱা চাৰিশ বছৰে মানুহৰ জীৱনৰ আৰু সমাজৰ আমূল পৰিবৰ্তন ঘটিছে; কিন্তু চেক্সপীয়েৰৰ ৰচনাৱলীৰ অভূতপূৰ্ব আবেদন আজিও অম্লান। কাৰণ কাল বা স্থানৰ পৰিবৰ্তনে মানুহৰ স্বভাৱৰ মূল উপাদনসমূহৰ কোনো পৰিবৰ্তন আনিব নোৱাৰে আৰু মানুহৰ স্বভাৱৰ এই মূল উপাদানসমূহেই হৈছে চেক্সপীয়েৰ ৰচনাৱলীৰ মূল বিষয়বস্তু। তেওঁৰ গ্ৰন্থৰাজিত আমি পাওঁ জীৱন সঙ্গীতৰ চিৰন্তন সুৰ যাৰ আদি নাই, অন্ত নাই। মানুহৰ জীৱনৰ মহাগীতি আৰু বিশ্ব প্ৰকৃতিৰ অভেদ্য ৰহস্য উদ্ভাৱিত কৰি ৰচি যোৱা তেওঁৰ গ্ৰন্থাৱলী বিশ্বসাহিত্যৰ অমূল্য সম্পদ। সাহিত্যানুৰাগী সকলোৰে অন্তৰত এই গৰাকী মহান শিল্পীৰ স্থান চিৰযুগমীয়া হৈ ৰ'ব।



# চেক্সপীয়েৰৰ আধ্যাত্মিক চেতনা

এজন লেখকৰ ৰচনা যিমানেই যুগজয়ী আৰু সাৰ্বজনীন নহওক লাগে, এই কথা সদায় মনত ৰাখিব লাগিব যে এই ৰচনা এক বিশেষ যুগৰ সৃষ্টি। যুগৰ চিন্তাধাৰা আৰু পৰিবেশৰ লগত এই ৰচনা ওতঃপ্ৰোতভাৱে জড়িত। সমাজ ব্যৱস্থা আৰু যুগৰ চিন্তাধাৰাই সাহিত্যৰ স্বৰূপ নিৰ্ণয় কৰে, ইয়াৰ বৈশিষ্ট্যক গঢ় দিয়ে। মহৎ সাহিত্যৰ বৈশিষ্ট্য এইখিনিতেই ফুটি ওলাই যে নিজৰ যুগৰ উপাদানসমূহেৰে পুষ্ট হৈয়ো যুগক অতিক্ৰম কৰি অন্যযুগৰ পৰিবৰ্তিত সমাজ ব্যৱস্থা আৰু সাংস্কৃতিক পৰিবেশৰ মাজত বাস কৰা মানুহৰ অন্তৰত আলোড়নৰ সৃষ্টি কৰিব পাৰে। এনে সাহিত্যই যুগজয়ী বা সাৰ্বজনীন সাহিত্য হিচাপে স্বীকৃতি পায়। ওঠৰ শতিকাৰ ইংৰাজী সাহিত্যৰ বিখ্যাত কবি আলেকজেণ্ডাৰ পোপৰ নিজৰ যুগক ইমান নিখুঁতভাৱে অঙ্কিত কৰিব পৰা কবিতাবাজিয়ে ইংৰাজী-সাহিত্যৰ ছাত্ৰৰ বাহিৰে কিমানৰ মন আকৰ্ষণ কৰিব পাৰে ই সন্দেহৰ কথা। কাৰণ তেওঁৰ কবিতা সেই যুগৰ মানুহৰ জীৱনৰ বাহ্যিকতাৰ লগত ইমানেই বেছি সম্বন্ধ যে সময় আৰু সমাজ ব্যৱস্থাৰ পৰিবৰ্তনৰ লগে লগে সেই কবিতাৰ আকৰ্ষণ ক্ৰমে নোহোৱা হৈ পৰিছে। আনহাতে চেক্সপীয়েৰৰ গ্ৰন্থাৱলী কেৱল ইংৰাজ জাতিৰে নহয় সমৌ বিশ্ববাসীৰে আজিও উমৈহতীয়া সম্পত্তি হৈ বিৰাজমান।

তথাপি আমি এই কথা পাহৰি যোৱা উচিত নহব যে চেক্সপীয়েৰেও এক বিশেষ যুগত, এক বিশেষ সমাজ ব্যৱস্থা আৰু এক সাংস্কৃতিক পটভূমিৰ পৰিপ্ৰেক্ষিততহে তেওঁৰ অমৰ গ্ৰন্থাৱলী ৰচনা কৰিছিল। তেওঁৰ মনৰ আৰু দৃষ্টিৰ ওপৰত যুগৰ প্ৰভাৱ নপৰাকৈ নাছিল আৰু এই প্ৰভাৱে তেওঁৰ ৰচনাৰ স্বৰূপ নিৰ্ণয়ত অৱদান নোযোগোৱাকৈ নাছিল। খুব স্পষ্ট আৰু সহজবোধ্য নহলেও তেওঁৰ ৰচনাৱলীত সেই যুগৰ এখনি ছবি নিশ্চয় ফুটি উঠিছে। বেন জনচনে যদিও চেক্সপীয়েৰক সৰ্বকালৰ বুলি ভাবিছিল সেইবুলি তেওঁ এই কথাও নভবাকৈ নাছিল যে চেক্সপীয়েৰ এলিজাবেথৰ যুগৰ নাট্যকাৰ। কাৰণ যিটো কবিতাত বেন্ জনচনে চেক্সপীয়েৰক 'সৰ্বকালীন' বুলি কৈছে সেই একেটা কবিতাতে তেওঁ চেক্সপীয়েৰক "যুগৰ প্ৰাণ স্বৰূপ" বুলিও অভিহিত কৰিছে। বেন্ জনচনে

হয়তো ইয়াকে কব বিচাৰিছিল যে চেক্সপীয়েৰৰ আবেদন কেৱল তেওঁৰ যুগৰ মানুহৰ বাবেই নহয়, সকলো যুগৰ সকলো মানুহৰ বাবে।

চেক্সপীয়েৰৰ যুগটো অৰ্থাৎ ৰাণী প্ৰথম এলিজাবেথৰ ৰাজত্ব কালডোখৰক ইংলণ্ডৰ ইতিহাসৰ বিস্ময়ৰ যুগ বুলি সাধাৰণতে জনা যায়। ইংলণ্ডত তেতিয়া নৱজাগৰণৰ পূৰ্ণ পয়োভৰ। এই নৱজাগৰণে মানুহৰ মনোজগতৰ আমূল পৰিবৰ্তন সাধন কৰিছিল। প্ৰাচীন গ্ৰীক আৰু লেটিন ভাষা সাহিত্যৰ প্ৰতি জাগ্ৰত হোৱা আগ্ৰহে মানুহক বুজাই দিলে যে খৃষ্টান কলা আৰু সংস্কৃতিয়েই মানুহৰ জ্ঞানৰ প্ৰথম পৰিচ্ছেদ নহয়। মধ্যযুগৰ অজ্ঞতা আৰু অন্ধ বিশ্বাসে আবৰি ৰখা মানুহৰ মনৰ দিগন্তত পৰিল নতুন জ্ঞানৰ পোহৰ। টলেমীয়ে প্ৰচাৰ কৰা পৃথিৱীয়েই সৌৰমণ্ডলৰ কেন্দ্ৰ বুলি প্ৰচলিত বিশ্বাসৰ অসত্যতা কোপাৰনিকাচে প্ৰমাণ কৰি দেখুওৱাৰেপৰা নতুন আশ্চৰ্যকৰ আৱিষ্কাৰৰ কাহিনীয়ে মানুহৰ মনলৈ আনি দিলে অভূতপূৰ্ব বিস্ময়ৰ ভাব। ইয়াৰ বলত বলীয়ান মানুহৰ মনত জাগিল অবোধ্যক বুজাৰ, নজনাক জনাৰ এক দুৰ্বাৰ বাসনা। এই দুৰ্নিবাৰ তৃষ্ণাই ফ্ৰান্সিচ্ ড্ৰেকৰ দৰে নাবিকসকলক লৈ গ'ল সীমাহীন সমুদ্ৰৰ বুকুলৈ নতুনৰ সন্ধানত, বিশ্ব ৰহস্য উদ্‌ঘাটনৰ অভিযানত। আনহাতে এই পিপাসু মনটোৱে প্ৰকাশ লাভ কৰিলে সেই যুগৰ সাহিত্যৰ বুকুত। বেকনে তেওঁৰ ৰচনাৱলীৰ মাজেৰে বিজ্ঞানৰ সহায়ত বহিঃপ্ৰকৃতিক আয়ত্বাধীন কৰিবলৈ আমন্ত্ৰণ জনালে তেওঁৰ যুগক। খ্ৰীষ্টফাৰ মাৰ্লোৰ মৰ্মস্পৰ্শী ট্ৰেজেদি "ডঃ ফা'ষ্টাচ্"ৰ নায়ক ফা'ষ্টাচ্‌ৰ যাদুবিদ্যাত পটুতা অৰ্জন কৰি প্ৰকৃতিৰ ৰহস্য উদ্‌ঘাটন কৰাৰ আৰু সমাজৰ, জীৱনৰ সকলো বাধা অতিক্ৰম কৰি বিশ্বপতি হোৱাৰ যি স্বপ্ন ইও এই অদম্য আকাঙ্খাৰ স্বৰূপ মাথোন। চাৰিওফালে যেন প্ৰচুৰ সম্ভাৱনাপূৰ্ণ মানৱাত্মাৰ জয়গান। গোটেই পৰিবেশতে ৰোমান্সৰ গোন্ধ, নতুনৰ্কৈ সজীৱতা লাভ কৰা মানুহৰ কল্পনাই প্ৰকাশ লাভৰ ভিন্ ভিন্ পথ বাছি ললে। জলকুঁৱৰী, বনদেৱী, পৰী, প্ৰেতাত্মা আদি সাহিত্য আৰু মানুহৰ অভিজ্ঞতাৰ এক বিশেষ অঙ্গৰূপে পৰিগণিত হ'ল।

এনে এক পৰিবেশত ৰোমান্সৰ মায়াকল্পাই চেক্সপীয়েৰৰ কল্পনাক চুই যোৱাটো নিতান্ত স্বাভাৱিক। সেয়েহে তেওঁৰ নাটসমূহত ৰোমান্টিচিজিমৰ ইমান প্ৰাচুৰ্য্য। "এ মিড ছামাৰ নাইট্চ ড্ৰিম"ৰ পটভূমি যি দৰে পৰীৰ ৰাজ্য সেইদৰেই "এজ ইউ লাইক ইট" নাটকৰ পটভূমি হ'ল মনোমোহা আৰ্ডেন

অৰণ্য। তেওঁৰ "টেম্পেষ্ট" নাটকত আমি লগ পাওঁ অশৰীৰী এৰিয়েলক আৰু নিজৰ মন আৰু যাদুবিদ্যাৰ সহায়ত বহিঃপ্ৰকৃতিৰ ওপৰত প্ৰভুত্ব স্থাপন কৰিব বিচৰা যাদুকৰ প্ৰছপাৰক। চেক্সপীয়েৰৰ ট্ৰেজেডিসমূহৰ দূৰ অতীতৰ এক ৰহস্যময় পৰিবেশত সংঘটিত পাপ আৰু প্ৰায়শ্চিত্তৰ করুণ ৰূপায়ণ। "মেকবেথ"ৰ ডাইনী কেইজনী, "হেমলেট" আৰু "জুলিয়াচ চিজাৰ"ৰ প্ৰেতাত্মাৰ সুকীয়া নাটকীয় তাৎপৰ্য আছে সঁচা, কিন্তু সেয়াও যে যুগৰ এই পৰিবেশৰে প্ৰভাৱ সেই বিষয়ে অকণো সন্দেহ নাই। তাৰ উপৰি তেওঁৰ নাটকৰ বিভীষিকাময় যুদ্ধ, পাশৱিক হত্যাকাণ্ড আৰু করুণ আত্মহত্যাৰ যি করুণ চিত্ৰ আমি পাওঁ সি যুগৰ ধাৰাৰেই প্ৰতীক। চেক্সপীয়েৰৰ নাটকত সমুদ্ৰ আৰু সমুদ্ৰযাত্ৰাৰ স্থান মনকৰিব লগীয়া, এইবিলাকৰো সুকীয়া প্ৰয়োজন নোহোৱা নহয়, কিন্তু তাৰ বাহিৰেও এইবিলাক এফালে সেই যুগৰ ৰোমাঞ্চকৰ অভিযানসমূহৰ আৰু আনফালে সমসাময়িক বাণিজ্যজীৱী সমাজখনৰ প্ৰতিফলন। যুগৰ মানুহে যি বিচাৰিছিল বা যি-বিলাকত বিশ্বাস কৰিছিল, যুগজয়ী নাট্যকাৰ যদিও চেক্সপীয়েৰে সেইবিলাকক অস্বীকাৰ কৰিব নোৱাৰিছিল।

চেক্সপীয়েৰৰ যুগ ইংৰাজী সাহিত্যৰ প্ৰণয় কবিতাৰ যুগ, এই যুগৰ আগতে বা পিছত যে প্ৰণয় কবিতা ৰচনা কৰা হোৱা নাছিল এনে নহয়, কিন্তু এই যুগতে প্ৰণয় কবিতাৰ প্ৰাধান্য বেছি, আনন্দমুখৰ ৰোমাঞ্চকৰ পৰিবেশৰ মাজত ফিলিপ চিড্নী আৰু স্পেন্সাৰকে মুখ্য কৰি অনেক সৰু ডাঙৰ কবিয়ে প্ৰেয়সীৰ সাগৰনীলা চকু আৰু স্বৰ্ণবৰ্ণীয়া চুলি সুঁৱৰি মিলনৰ আনন্দ আৰু বিচ্ছেদৰ জ্বালা প্ৰকাশ কৰি চনেটৰ পাছত চনেট ৰচনা কৰিছিল। নবযৌৱন প্ৰাপ্ত এটা জাতিৰ হিয়া আৰু মনৰ এয়া যেন চৰম প্ৰকাশ। যৌৱন উচ্ছল ডেকা কবি চেক্সপীয়েৰেও তেওঁৰ মন প্ৰাণ ঢালি দিলে যুগৰ সোঁতৰ লগত। প্ৰেমকেই তেওঁ বাছি ললে তেওঁৰ নাটকৰ, বিশেষকৈ তেওঁৰ কমেডিসমূহৰ প্ৰধান বিষয়বস্তু হিচাপে, "ৰোমিও জুলিয়েট" যি দৰে সৰল অথচ গভীৰ প্ৰেমৰ বিড়ম্বনা-পূৰ্ণ পৰিসমাপ্তিৰ করুণ কাহিনী, "এন্টনী এণ্ড ক্লিওপেট্ৰা"ও সেই দৰে মানুহৰ অন্তৰৰ এই ৰহস্যময় অনুভূতিৰেই জয়গান। "এ মিড্চামাৰ নাইট্চ্ ড্ৰিম"ৰ বিসঙ্গতিপূৰ্ণ অনভিজ্ঞ প্ৰেমখেলা শেষ বয়সৰ নাটসমূহৰ পতি-পত্নীৰ আৰু সন্তান-পিতৃ-মাতৃৰ পৱিত্ৰ ভালপোৱাতকৈ তেওঁৰ প্ৰত্যেকখন কমেডিতেই প্ৰেমৰ বিভিন্ন ৰূপ আৰু মহিমা ফুটি উঠিছে। যদিও "টু জেন্টলমেন অৱ ভেৰোনা"ৰ

ভেলেন্টাইনে প্ৰেমত পৰাটো সূক্ষ্ম বুদ্ধি আৰু হিতাহিত জ্ঞানশূন্যতাৰ পৰিচায়কৰ বুলি কৈছে, যদিও "এ মিড্ ছামাৰ নাইটচ্ ড্ৰিম"ৰ থিচিয়াচে প্ৰেমিকপ্ৰেমিকাৰ পৰস্পৰৰ প্ৰতি থকা আকৰ্ষণক উন্মত্ত মনৰ কল্পনাৰ প্ৰকাশ মাথোন বুলি কৈছে, তথাপি চেক্সপীয়েৰৰ কমেদিসমূহত নৰ-নাৰীৰ প্ৰেম আৰু ভালপোৱাই কেন্দ্ৰস্থান অধিকাৰ কৰিছে। এটা সুখী আৰু মাধুৰ্যপূৰ্ণ জীৱনৰ পৰিপুৰক হিচাপে সুস্থ আৰু পৰিণত প্ৰেমে মানুহৰ জীৱনলৈ যি অৱদান আগবঢ়াই তাকেই হয়তো চেক্সপীয়েৰে এই নাটকসমূহত স্বীকাৰ কৰি গৈছে।

ষোল শতিকাৰ নৱজাগৰণৰ প্ৰধান বৈশিষ্ট্য হ'ল ইয়াৰ মানৱতাবাদ। "মানুহ হিচাপে মোৰ কাৰণে মানুহ সম্বন্ধীয় কোনো কথাই অপ্ৰিয় নহয়।" এই বাক্যাটিয়েই মানৱতাবাদৰ মূল তত্ত্ব প্ৰকাশ কৰে। মানৱ জীৱনৰ প্ৰতি মধ্যযুগীয় দৃষ্টি ভঙ্গীত নিহিত হৈ আছিল এক মানৱ বিদ্বেষী ভাৱ। কাৰণ বাইবেলত বৰ্ণনা কৰা মানুহৰ পতনৰ কাহিনীয়ে মানুহৰ মনত সেই সময়ত গভীৰ প্ৰভাৱ বিস্তাৰ কৰিছিল। ভগৱানৰ আদেশ অমান্য কৰাৰ অপৰাধত স্বৰ্গৰাজ্যৰপৰা বহিষ্কৃত সৃষ্টিৰ প্ৰথম পুৰুষ আৰু নাৰী আদাম আৰু ইভে তেওঁলোকৰ পাপেৰে তেওঁলোকৰ সন্তান সমগ্ৰ মানৱ জাতিকে অভিশপ্ত কৰি গ'ল। এই পাপেৰে কলঙ্কিত মানৱ জাতি পতিত আৰু ভ্ৰষ্ট, আৰু এই পাপৰ একমাত্ৰ প্ৰায়শ্চিত্তৰ পথ কঠোৰ সংযম আৰু সন্ন্যাসধৰ্ম।

মানৱতাবাদে প্ৰচলিত এই বিশ্বাসৰ অৱসান ঘটালে। মানৱজীৱনৰ মহিমা আৰু মানুহৰ আত্মাক স্বীকৃতি দিয়াই হ'ল মানৱতাবাদৰ মূল তত্ত্ব। মানৱতাবাদে প্ৰচাৰ কৰিলে যে চৰম উৎকৰ্ষ আৰু সৌন্দৰ্যৰ প্ৰতীক নহলেও মানুহ কেতিয়াও ভ্ৰষ্ট বা পতিত হব নোৱাৰে। মানুহৰ জীৱনৰ উৎকৰ্ষ সাধনত আৰু নিজৰ ভাগ্য নিয়ন্ত্ৰণত বাহ্যিক কোনো শক্তিতকৈ মানুহৰ নিজৰ অৱদান অনেক বেছি। চৰিত্ৰৰ বদগুণসমূহক নিজৰ আয়ত্তাধীন কৰি সদ্গুণসমূহৰ বিকাশ সাধন কৰাই এই উৎকৰ্ষ সাধনৰ পিছত দৃঢ় পদক্ষেপ। কাৰণ মানুহৰ অন্তৰ প্ৰচুৰ সম্ভাৱনাৰে পৰিপূৰ্ণ। যেনেকৈ মানুহে দেৱত্বৰ গৰিমা অৰ্জন কৰিব পাৰে, সেইদৰে শঠতা আৰু পাপকো নিঃসঙ্কোচে আঁকোৱালি লব পাৰে, চৰিত্ৰৰ সৎ আৰু অসৎ প্ৰকৃতিৰ মাজত সমতা স্থাপন কৰিব পৰাটোৱেই মানুহৰ জীৱনৰ প্ৰকৃত আদৰ্শ হোৱা উচিত।

মানৱতাবাদৰ এই তত্ত্বৰ ভেটিতেই এলিজাবেথৰ যুগৰ সাহিত্য প্ৰতিষ্ঠিত।

মানুহৰ ঐহিক জীৱনৰ উৎকৰ্ষ সাধনৰ পথ বিচাৰি উলিওৱাই এই সাহিত্যৰ উদ্দেশ্য, পাৰলৌকিক জীৱনৰ দুৱাৰ মুকলি কৰি দিয়া নহয়। মানুহ আৰু মানুহৰ জীৱন লৈ খেলা কৰা অদৃষ্টবাদী গ্ৰীক নাটসমূহৰ ৰহস্যময় নিয়তিৰ স্থান ইয়াত সেয়েহে খুব কম। এলিজাবেথীয় নাট্যসাহিত্যই দৈৱ শক্তিক সম্পূৰ্ণ অস্বীকাৰ কৰিব পৰা নাছিল সঁচা, কিন্তু মানুহৰ জীৱনত ইয়াৰ স্থান খুব বেছি বুলিও স্বীকাৰ কৰি লোৱা নাছিল। আকস্মিক ঘটনা বা দৈৱ শক্তিয়ে হয়তো জীৱনৰ ট্ৰেজেদিক বহু সময়ত সুকীয়া ৰূপ দিয়ে, কিন্তু ই ট্ৰেজেদিৰ উৎস কেতিয়াও হব নোৱাৰে। মানুহৰ ভাগ্য যিহেতু নিজৰ হাতত, জীৱনৰ সুখ-দুখ নিজৰ কৰ্মৰ বা চৰিত্ৰৰ ফল মাথোন। অসৎ কাৰ্যত প্ৰবৃত্ত হোৱা চেক্সপীয়েৰৰ চৰিত্ৰসমূহ তেওঁলোকৰ জীৱনলৈ নামি অহা ট্ৰেজেদিৰ কাৰণে নৈতিকভাৱে তেওঁলোক নিজেই দায়ী। তেওঁলোকৰ নৈতিকতাৰ যি স্খলন হয়, তাক তেওঁলোকে উপলব্ধি নকৰাকৈ নাথাকে। তাৰ উপৰি আবেগৰ প্ৰৰোচনাত অকল্যাণক আদৰি লোৱাৰ আগমুহূৰ্ত্তত বেঙ্কোই মেকবেথক আৰু কেণ্টে লিয়েৰক দিয়াৰ দৰে তেওঁলোকক সদায় সতৰ্ক কৰি দিয়া হয়। এইখিনিতে যদি সংযমৰ বান্ধ হেৰাই যায়, জীৱনত ট্ৰেজেদি অনিবাৰ্য। মানুহৰ চৰিত্ৰত অসৎৰ প্ৰভাৱ বেছি হয় বিবেকৰ ওপৰত যেতিয়া আবেগৰ প্ৰভুত্ব চলে আৰু তেতিয়াই জীৱনলৈ নামি আহে ট্ৰেজেদিৰ ক'লীয়া ডাৱৰ। এনে মুহূৰ্ত্তত ট্ৰেজেদিৰ প্ৰচণ্ড প্লাৱনে লিয়েৰ, মেকবেথ, অথেলো আদি মূলতঃ সৎ মানুহকো উটুৱাই লৈ যায়। চৰিত্ৰৰ পবিত্ৰতা, আন্তৰিক প্ৰেম, সংযম আৰু সত্যতা, ন্যায়শীলতা আৰু সহিষ্ণুতা আদি প্ৰত্যেক গুণেই আদৰ্শ মানৱ চৰিত্ৰৰ মূল উপাদান। এইবিলাকৰ বিকাশৰ লগে লগে হিংসা, দ্বেষ, স্বাৰ্থপৰতা, অহমিকা দুৰাকাঙ্ক্ষা আদি দোষবোৰ আয়ত্তাধীন কৰিব পৰাটোৱেই জীৱনৰ পূৰ্ণতা আৰু উৎকৰ্ষৰ পৰিচায়ক। প্ৰকৃতিয়ে সদায় বিচাৰে আবেগ আৰু বিবেকৰ সমতা, কাৰণ আবেগ বিবেকতকৈ বলী হোৱাৰ বাবেই ইয়াৰ প্ৰভাৱো মানৱ চৰিত্ৰৰ ওপৰত সাধাৰণতে বেছি হয়, যাৰ চৰিত্ৰত এই সমতা আছে তেওঁৱেই "জুলিয়াচ চিজাৰ"ত এণ্টনিয়ে ব্ৰুটাচক কোৱাৰ দৰে প্ৰকৃত মানৱ বুলি স্বীকৃতি পাবৰ যোগ্য।

এইখিনিতে আমি দেখা পাওঁ চেক্সপীয়েৰৰ তথা তেওঁৰ সাহিত্যৰ নৈতিকতাৰ প্ৰভাৱ। চেক্সপীয়েৰক অনেকে নীতিবিহীন বুলি ভাবিলে ভাবৰ ভুল কৰা হব।

ধৰ্ম বা নৈতিকতাৰ ঠেক গণ্ডীৰ মাজত তেওঁ নিজকে কেতিয়াও আবদ্ধ কৰি ৰখা নাছিল। মানুহৰ ঐহিক জীৱনৰ চিৰন্তন অভিজ্ঞতাসমূহক ৰূপায়িত কৰাই তেওঁৰ কলাৰ বৈশিষ্ট্য তথাপি তেওঁৰ নাটসমূহৰ নৈতিক তাৎপৰ্য আমাৰ চকুত ধৰা নপৰাকৈ নাথাকে। এটা সুন্দৰ আৰু আদৰ্শ জীৱনৰ পথ প্ৰদৰ্শন কৰা এলিজাবেথীয় সাহিত্যৰ মূল উদ্দেশ্য আৰু ইয়াৰ প্ৰভাৱ যে অন্তঃসলিলা ফল্গুৰ দৰে চেক্সপীয়েৰৰ প্ৰত্যেক নাটকতে প্ৰবাহিত হৈ আছে সেই বিষয়ে সন্দেহ থাকিব নোৱাৰে।

চেক্সপীয়েৰৰ নাটকত অসৎৰ স্থান সদায় আছে। মানুহৰ জীৱনত পৰস্পৰ পৰিপূৰক হিচাপে সৎ আৰু অসৎ দুয়োকো চেক্সপীয়েৰে স্বীকাৰ কৰি লৈছে। সৎ অৰ্থাৎ দেৱত্বৰ বিকাশ আৰু অসৎ পশুত্বৰ দমনেই জীৱনৰ চৰম লক্ষ্য হোৱা উচিত আৰু এই উদ্দেশ্যত উপনীত হোৱা প্ৰচ্ছপাৰো মানৱত্বৰ আদৰ্শ স্বৰূপ। চেক্সপীয়েৰে যদিও অসৎক সম্পূৰ্ণৰূপে স্বীকাৰ কৰি গৈছে, তেওঁ মানুহক কেতিয়াও আশাতীতভাৱে অসৎ কৰি অংকণ কৰা নাই। মানুহ দেৱতা নহয়, কিন্তু পশুও নহয়। তেওঁৰ সৃষ্ট ৰজা পঞ্চম হেনৰীৰ লগতে চেক্সপীয়েৰেও হয়তো বুজিছিল যে অসৎৰ গৰ্ভতো সৌন্দৰ্যৰ অঙ্কুৰ নিহিত হৈ আছে, পাপ আৰু অপবিত্ৰতাৰ ছাঁ নপৰা নিষ্কলঙ্ক, সৰ্বাঙ্গ সুন্দৰ জীৱন মানুহৰ ক্ষেত্ৰত প্ৰায় অসম্ভৱ বুলিয়েই চেক্সপীয়েৰে হয়তো ভাবিছিল। মেকবেথ ৰক্তপিপাসু, নিষ্ঠুৰ হত্যাকাৰী, কিন্তু তেওঁৰ অন্তৰ মানৱীয় অনুকম্পাৰে সিক্ত, আৰু তেওঁৰো জীৱন যেন কিবা এক আচৰিত গৰিমাৰে আবৃত, সেয়েহে সুন্দৰৰ প্ৰচুৰ সম্ভাৱনাৰে পৰিপূৰ্ণ অথচ ন্যায় পথৰপৰা পিচলি পৰা এই মানুহজনৰ পতনে আমাৰ মনলৈ তৃপ্তিৰ পৰিবৰ্তে আনে এক অভূতপূৰ্ব বিস্ময়ৰ ভাৱ। অথেলোৰ অসৎৰ হোতা ইয়াগো, কিন্তু তেওঁৰো কি অদ্ভুত বুদ্ধিমত্তা! আমি মাথোঁ ভাবিবলৈ বাধ্য হওঁ ইয়াগোই যদি এই বুদ্ধি সৎ পথত প্ৰয়োগ কৰিলেহেঁতেন! এই ভাব আমাৰ মনলৈ নাহিল-হেঁতেন যদিহে ইয়াগোক আশাতীতভাৱে অসৎ কৰি দেখুৱা হ'লহেতেন। চেক্সপীয়েৰৰ মানৱতাবাদে, তেওঁৰ উপলব্ধিৰ প্ৰাচুৰ্যই চেক্সপীয়েৰক হয়তো শিকাইছিল যে মানুহ যিয়েই নহওক লাগে মানুহ সদায় মানুহেই আৰু এইদৰেই তেওঁক গ্ৰহণ কৰা আৰু উপলব্ধি কৰিবলৈ চেষ্টা কৰাই শ্ৰেয়।

চেক্সপীয়েৰৰ কলা জগতত পাপ জীৱনৰ এক চৰম সত্য, কিন্তু পাপৰ উৎস বিচাৰি ধৰ্মীয় বা কোনো দাৰ্শনিক তত্ত্বক ইয়াৰ ব্যাখ্যা দিয়াৰ বিষয়ে তেওঁ

উদাসীন। মানুহৰ অন্তৰত পাপৰ ক্রিয়া-প্রতিক্রিয়া, পাপ চেতনাৰ ফলত হোৱা অন্তর্দাহ আৰু পাপৰ পৰিণতি কলাৰ মাজেৰে ফুটাই তোলাই চেক্সপীয়েৰৰ সাহিত্যৰ বিশেষত্ব। তেওঁৰ কলাৰ জগতত ধর্মৰ অৱশ্যে সদায়েই জয়, কিন্তু ধর্মৰ বিজয়ে যে পাপ পঙ্কিলভাৱে ভৰা পৃথিৱীখনৰ সকলো কলুষ কালিমা ধুই নিকা কৰি নিব তেনে কোনো প্রতিশ্রুতি চেক্সপীয়েৰে আমাক দিয়া নাই। পাপ যদি সত্য হয়, প্রায়শ্চিত্তক আনুষঙ্গিক সত্য বুলি স্বীকাৰ কৰিব লাগিব। পাপত প্রবৃত্ত হোৱাৰ পিছত যি ঘটনা সৃষ্টি হয় তাৰপৰা চেক্সপীয়েৰৰ নাটকৰ নায়কে মুক্তি পোৱাৰ একমাত্র পথ হ'ল প্রায়শ্চিত্ত। এই প্রায়শ্চিত্তৰ মূল্য চৰম; কেতিয়াবা ই হয়তো পাপৰ গুৰুত্বকো চেৰাই যায়; আৰু ইয়েই মানুহৰ জীৱনৰ অবোধ্য ৰহস্য। নির্দোষী আৰু নিষ্পাপীয়েও পাপীৰ লগত প্রায়শ্চিত্তৰ জ্বলন্ত অগ্নিকুণ্ডত পৰি নিঃশেষ হৈ গৈছে। ইয়ো জীৱনৰ এক ৰহস্য আৰু চেক্সপীয়েৰৰ কলাজগতৰ ধর্ম।

পাপ আৰু অসৎৰ উৎস বিচাৰি যোৱাৰ পৰিবর্তে চেক্সপীয়েৰে আমাৰ আগত দাঙি ধৰিছে মানুহৰ জীৱন বিষাক্ত কৰি পেলোৱা অসৎ লক্ষণসমূহ, মানৱ অন্তৰৰ প্রেম আৰু অনুকম্পা যি দৰে সত্তৰ সুন্দৰতম প্রকাশ, কৃতঘ্নতা আৰু বিশ্বাসঘাতকতা সেইদৰে অসত্তৰ কদর্য প্রকাশ। "টুৱেলভ্‌থ্ নাইট"ত ভায়োলাই কৃতঘ্নতাক সকলো পাপৰ ভিতৰতে জঘন্যতম বুলি বিবেচনা কৰিছে। কাৰণ ই মানৱ হৃদয়ৰ অনুকম্পাহীনতাৰ পৰিচায়ক। অনুকম্পাহীনতাই মানুহৰ নৈতিক দৈন্য আৰু ইয়েই মানুহক পশুত পৰিণত কৰে। চেক্সপীয়েৰৰ নাটকত সেয়েহে প্রেম আৰু অনুকম্পাই কেন্দ্রস্থান অধিকাৰ কৰিছে। অসত্তৰ আন্ধাৰে আবৰা জগতখনত ইয়েই হ'ল একমাত্র উজ্জ্বল জ্যোতি, মানুহৰ আশাৰ স্থল। এই জ্যোতি সময়ে সময়ে হয়তো নিষ্প্রভ হৈ পৰে, কিন্তু ই কেতিয়াও নির্বাপিত হৈ নাযায়। শ্রদ্ধা, ভক্তি, দয়া, ক্ষমা, স্বার্থহীনতা সহিষ্ণুতা আদি গুণবোৰ প্রেমৰেই বিভিন্ন ৰূপ মাথোন। মানুহৰ অন্তৰত প্রেম আৰু অনুকম্পাৰ যেতিয়ালৈকে অভাৱ নহয় তেতিয়ালৈকে অসত্তৰ প্রভাৱ যিমানেই প্রকট নহওক, জীৱনৰ প্রতিশ্রুতি কেতিয়াও হেৰাই যাব নোৱাৰে। এই প্রতিশ্রুতিকে আমি বিচাৰোঁ আৰু এই প্রতিশ্রুতি চেক্সপীয়েৰে আমাক নিদিয়াকৈ থকা নাই।

প্রেম আৰু অনুকম্পাৰ অবিহনে ব্যক্তিগত আৰু সামাজিক জীৱনৰ সকলো

বান্ধ ঠানবান হৈ পৰে, সৃষ্টি হয় এক ভয়াবহ বিশৃঙ্খলাৰ। "কিং লিয়েৰ" নাটকৰ প্ৰচণ্ড ধুমুহাৰ তাণ্ডৱলীলা যেন এনে এক বিশ্বব্যাপী দুৰ্যোগৰ আগজাননী। কিন্তু এই দুৰ্যোগৰ মুহূৰ্ততো বৃদ্ধ লিয়েৰ মানসিক আৰু শাৰীৰিক যন্ত্ৰণাত জৰ্জৰিত হৈছে যদিও আত্মপ্ৰীতিত আপ্লুত হৈ নিজকে হেৰুৱাই পেলোৱা নাই। পীড়িত মানৱৰ প্ৰতি নিজৰ কৰ্তব্য সম্বন্ধে সজাগ হৈ উঠিছে। অনুকম্পা আৰু মানৱ প্ৰেমত অভিভূত লিয়েৰে জীৰ্ণমানুহ আৰু গৃহহীন দৈন্যৰ উদ্দেশ্যে কৰা প্ৰাৰ্থনা বিশ্বপ্ৰেমৰ এক মনোৰম প্ৰকাশ। এয়ে চেক্সপীয়েৰৰ মানুহৰ মহত্বৰ ওপৰত থকা গভীৰ আস্থাৰ মৰ্মস্পৰ্শী প্ৰকাশ। এনে মহত্বৰ মহিমাৰে মণ্ডিত মানুহৰ পৃথিৱীত সত্য আৰু সুন্দৰৰ জয় অৱশ্যম্ভাৱী।

খ্ৰীষ্টফাৰ মাৰ্লোৰ "ডঃ ফ'ষ্টাচ্"ৰ নায়ক ফষ্টাচে যাদুৰ বলত ক্ষমতাৰ উচ্চতম শিখৰত অধিষ্ঠিত হোৱাৰ স্বপ্নত উন্মত্ত হৈ নৰকৰাজ লুচিফাৰৰ হাতত নিজ আত্মা সমৰ্পণ কৰি যাদুবিদ্যা আহৰণ কৰাৰ পিছত বুজি উঠে যে তেওঁৰ এই পাপে তেওঁক কেৱল ভগৱানৰ কৃপাৰপৰাই বঞ্চিত কৰা নাই, তেওঁৰ স্বৰ্গৰ দুৱাৰো চিৰদিনৰ কাৰণে বন্ধ কৰি দিছে। এই পাপ চেতনাই হ'ল তেওঁৰ অন্তৰ্দাহৰ কাৰণ আৰু এই চেতনা যিমানেই গাঢ় হৈ আহিল সিমানেই তেওঁ অনুশোচনাৰ জ্বলা জুইত চট্‌ফটাবলৈ ধৰিলে। চেক্সপীয়েৰৰ নাটকৰ নায়কৰো অন্তৰ্দাহৰ কাৰণ পাপ বা অপৰাধবোধ। কিন্তু চেক্সপীয়েৰৰ কোনো চৰিত্ৰই অসৎ কাৰ্যৰ কাৰণে ভগৱানৰ কৃপাৰপৰা বঞ্চিত হোৱা বুলি অনুশোচনা কৰা নাই। ডান্‌কানক হত্যা কৰাৰ পিছৰপৰা ইটোৰ পিছত সিটোকৈ মেকবেথে যি কদৰ্য হত্যাকাণ্ডত লিপ্ত হৈ পৰে তাৰ পিছত তেওঁ বুজি উঠে যে তেওঁৰ কৰ্মৰদ্বাৰা তেওঁ কেৱল মানসিক সুখ শান্তিকেই হেৰুউৱা নাই, আৰু হেৰুৱাইছে মানুহৰ আস্থা। মানুহে পাপ কৰে মানুহৰ বিপক্ষে, এতেকে পাপে মানুহক মানুহৰপৰাহে আঁতৰাই নিয়ে। ভগৱানৰপৰা আঁতৰাই নিয়ে নে নিনিয়ে সেই সম্পৰ্কে চেক্সপীয়েৰ নিমাত। "কিং লিয়েৰ"ত অসতৰ পাণ্ডা এড্‌মাণ্ডে সূচনা কৰা ধ্বংসলীলাই তেওঁৰ নিজৰ জীৱনলৈকো নমাই আনে মৃত্যুৰ বিভীষিকা, কিন্তু এয়া তেওঁৰ কাৰণে ভগৱানৰ শাস্তি নহয়, শৰতৰ পিছত শীত অহাদিয়েই তেওঁৰ পাপ কাৰ্যৰ স্বাভাৱিক পৰিসমাপ্তি। মানুহে মানুহৰ বিপক্ষে কৰা পাপৰ ফল ভোগ কৰে মানুহে, শাস্তিও দিয়ে মানুহে আৰু সেয়েহে পাপৰ ক্ষমাও বিচাৰিব লাগিব মানুহৰ ওচৰতহে, ঈশ্বৰৰ ওচৰত নহয়।

চেক্সপীয়েৰে যদিও মানুহৰ জীৱন আৰু মানুহৰ কৰ্ম, আৱেগ, অনুভূতি-সমূহক লৈয়ে তেওঁৰ নাটসমূহ ৰচনা কৰিছিল, মানুহৰ অভিজ্ঞতা তেওঁ ৰূপায়িত কৰিছে জীৱন পৰিধিৰ শেষ সীমালৈকে, তাৰ সিপাৰত নহয়। চেক্সপীয়েৰ তথা তেওঁৰ যুগৰ সাহিত্যৰ ঐহিকতাৰ বিষয়ে আগতে উল্লেখ কৰি অহা হৈছে। ঐহিক জীৱন আৰু ইয়াৰ অভিজ্ঞতাসমূহেই মানুহৰ কাৰণে চৰম সত্য। ইয়াৰ বাহিৰে আৰু কি সত্য আছে তাক বিচাৰি উলিওৱা সম্পৰ্কে চেক্সপীয়েৰ উদাসীন। মানৱ জীৱনৰ ক্লেশ, ক্লান্তি, অৱসাদ আৰু যন্ত্ৰণা তেওঁ ৰূপায়িত কৰিছে, কিন্তু এইবিলাক ৰহস্যৰ সমাধান তেওঁ দিয়া নাই। হয়তো তেওঁ বুজিছিল যে কোনো ধৰণৰ দাৰ্শনিক ব্যাখ্যাই জীৱনৰ ৰহস্যময় বৈচিত্ৰ্যৰ শেষ সমাধান দিব নোৱাৰে। সেয়েহে ইন্দ্ৰিয়াতীত দাৰ্শনিক উপলব্ধিৰপৰা আঁতৰত থাকি চকুৰে দেখা, ইন্দ্ৰিয়সমূহেৰে উপলব্ধি কৰিব পৰা বাস্তৱ জগতৰ হাঁহি আৰু কান্দোনৰ চিৰন্তন জীৱন-নাটিকা যিভাৱে তেওঁ দেখিছিল সেই দৰেই আঁকি গৈছে। এজন সমালোচকৰ মতে তেওঁৰ ট্ৰেজেদিসমূহৰ চেক্সপীয়েৰে মৰ্যাদাপূৰ্ণ আৰু সুন্দৰ মানৱসত্তাৰ বিশ্লেষণ কৰিছে মৃত্যুৰ অন্ধকাৰত মানুহৰ জীৱন নিঃশেষ হৈ যোৱা মুহূৰ্তলৈকেহে, আৰু তাতেই তেওঁ শেষ কৰিছে অতীতক সুঁৱৰি, ভৱিষ্যতলৈ চাই নহয়। পৰলোকৰ ৰহস্যই হতবুদ্ধি কৰা হেমলেটৰ বাবে ক্লেশশ্ৰান্ত জীৱনৰ পৰিসমাপ্তি হিচাপে মৃত্যু চিৰবাঞ্ছিত হলেও, পৰপাৰৰ অজানা ভয়ক সাৱটি লোৱাতকৈ সংসাৰ চক্ৰৰ নিকাৰ সহিষ্ণুতাৰে স্বীকাৰ কৰি লোৱাই শ্ৰেয়। চেক্সপীয়েৰৰ নাটকত মৃত্যুৰ ওপৰত বিভিন্ন উক্তি পোৱা যায়। বিভিন্ন মনোভাৱৰ বিভিন্ন চৰিত্ৰই নিজ নিজ জীৱনৰ আৰু অভিজ্ঞতাৰ পৰিপ্ৰেক্ষিতত মৃত্যুক বিভিন্ন দৃষ্টিকোণৰপৰা চাইছে। হলেও সকলোৰে কাৰণে ই এক সত্য, জীৱন জ্যোতি নিৰ্বাপিত কৰি নমাই আনে এক গভীৰ অন্ধকাৰ, সেইবুলি পাৰলৌকিক জীৱনৰ শলিতা নজ্বলায়। চেক্সপীয়েৰে আমাক হতাশাৰ ডুমুনিয়াহৰ মাজত এৰি যোৱা বুলি ভাবিলে ভুল কৰা হব। মানুহৰ অন্তৰৰ প্ৰেম আৰু ভাল পোৱাই, দয়া আৰু ক্ষমাই মানুহৰ ক্ষন্তেকীয়া জীৱনক দেৱলোকৰ উজ্জ্বল জ্যোতিৰে আলোকিত কৰি যাব পাৰে। মানৱ সত্তাৰ যি মহিমা আৰু মহত্ব তাক মৃত্যুৱে নিঃশেষ কৰিব নোৱাৰে। তেওঁৰ শেষ বয়সৰ ৰচনাসমূহৰ নিৰ্মলতা আৰু সৌম্য হয়তো মানুহৰ মহত্বৰ ওপৰত ক্ৰমাৎ গঢ় লৈ উঠা তেওঁৰ এই বিশ্বাসৰে পৰিচায়ক। মানুহৰ জীৱন তেনেহলে যেকোনো দেখাৰ

দৰে বাতুলৰ প্ৰলাপ নহয় বা প্ৰচ্‌পাৰোই কোৱাৰ দৰে অলীক স্বপ্নও নহয়, ই চিৰন্তন সত্যৰ এক বিচিত্ৰ অভিজ্ঞতা।

ইয়াৰ উপৰিও চেক্সপীয়েৰৰ ৰচনাৱলীৰ, বিশেষকৈ তেওঁৰ ট্ৰেজেডিসমূহৰ মাজত যে বিশ্বজগতৰ এক বিশেষ ৰূপসত্তা নিহিত হৈ আছে সেই কথা বৰ্তমান যুগৰ সমালোচকসকলে আঙুলিয়াই দেখুৱাইছে। তেওঁলোকৰ মতে চেক্সপীয়েৰৰ কলাৰ মাজেৰে ফুটি উঠিছে জগত আৰু সৃষ্টিৰ প্ৰতি এক বিশেষ দৃষ্টিভঙ্গী। সেই দৃষ্টিভঙ্গী হৈছে—সৃষ্টি অপৰিকল্পিত বিশৃঙ্খলাৰ প্ৰকাশ নহয়, ইয়াৰো এক সুপৰিকল্পিত আৰু সুসঙ্গত ৰূপসত্তা আছে। এয়া চেক্সপীয়েৰৰ যুগত দৃষ্টিভঙ্গী, আৰু বিশ্ব প্ৰকৃতিৰ যি ৰূপ যুগৰ মানুহে সত্য বুলি স্বীকাৰ কৰি লৈছিল, সেই ৰূপেই চেক্সপীয়েৰৰ ৰচনাৱলীত পৰিস্ফুটিত হৈছিল।

এলিজাবেথৰ যুগৰ মানুহৰ সৃষ্টিৰ সুপৰিকল্পিত আঁচনিৰ ওপৰত গভীৰ আস্থা আছিল। তেওঁলোকে বিশ্বাস কৰিছিল এক স্তৰীভূত বিশ্বজগত আৰু এই বিশ্বজগতৰ বিভিন্ন স্তৰসমূহক সৃষ্টিৰ ঐক্য আৰু শৃঙ্খলাৰ অনন্ত সূত্ৰই একত্ৰিত কৰি বান্ধিছে। এই স্তৰীভূত জগতত মানুহে মধ্যস্থান অধিকাৰ কৰিছে মানুহৰ ওপৰত আছে দেৱ সমাজ আৰু তলত ক্ৰমে ইতৰজগত, উদ্ভিদ জগত আৰু জড়-জগত। এই স্তৰবিলাকৰ ভিতৰতে আকৌ পদমৰ্যাদা অনুসাৰে বিভক্ত কিছুমান শ্ৰেণী পোৱা যায়। দেৱদূতসকলৰ ভিতৰত যেনেকৈ 'আৰ্চ এঞ্জেল'সকলেই শ্ৰেষ্ঠ, মানুহৰ সমাজত ৰজা সেইদৰে উচ্চতম স্তৰত অধিষ্ঠিত আৰু পিছতে ক্ৰমে প্ৰজা, পিতৃ আৰু পুত্ৰৰ স্থান। এইদৰে স্তৰীভূত জগতত সকলোৰে নিজস্ব স্থান আছে, সকলোৰে ক্ৰম বিকাশৰ স্বকীয়া পথ আৰু সুবিধা আছে। নিজৰ স্থানত থাকি নিজ কৰ্তব্য কৰি যোৱাই সৃষ্টিৰ শৃঙ্খলা ৰক্ষা কৰাৰ একমাত্ৰ উপায়। আনহাতে নিজৰ স্থান অতিক্ৰম কৰি আগৰ স্তৰত বলেৰে স্থান লবলৈ প্ৰয়াস কৰাই হ'ল পাপ, আৰু এই পাপেই সৃষ্টি কৰে জীৱন আৰু সমাজৰ সকলো দিশকেই বিষাক্ত কৰি পেলোৱা বিশৃঙ্খলাৰ প্ৰলয় বিভীষিকা। শৃঙ্খলা আৰু বিশৃঙ্খলাৰ এই বিৰোধে ট্ৰেজেডিসমূহত এক বিশেষ স্থান অধিকাৰ কৰিছে। শৃঙ্খলাৰ বান্ধ শিথিল হৈ পৰিলে যি এক ভয়াবহ অৱস্থাৰ সৃষ্টি হয় তাক তেওঁৰ নাটকসমূহৰ মাজেৰে প্ৰকাশ কৰি চেক্সপীয়েৰে যে শৃঙ্খলা ৰক্ষা কৰাৰ প্ৰয়োজনীয়তাকে দোহাৰিছে সেই বিষয়ে কোনো সন্দেহ কৰিব লগীয়া একো নাই।

"হেমলেট"ত ৰাজভ্ৰাতা ক্লডিয়াচে ৰজা হেমলেটক নিৰ্মমভাৱে হত্যা কৰি

ডেনমাৰ্কৰ সিংহাসন অধিকাৰ কৰাৰ লগে লগে তেওঁ নিজৰ নিৰ্ধাৰিত স্থান অতিক্ৰম কৰি অন্যায়ভাৱে অন্য এক স্তৰত নিজক প্ৰতিষ্ঠা কৰিছে। ই কেৱল মানুহৰ বিপক্ষে পাপেই নহয়, সমাজৰ তথা সৃষ্টিৰ নিয়মৰ চৰম অৱমাননা। এনে-স্থলত বিশৃঙ্খলা অনিবাৰ্য আৰু বিশৃঙ্খলাৰ দুৰ্যোগে কেৱল পাপমতি ক্লডিয়াচ আৰু তেওঁৰ কুকৰ্মৰ সঙ্গী ৰাণী গ্ৰাৰট্ৰুডকে চুইছে এনে নহয়, তেওঁলোকৰ লগতে ৰাজকুমাৰ হেমলেট, তেওঁৰ প্ৰেমিকা অফেলিয়া, পলনিয়াচ আৰু লাৰটিচকো ভস্মীভূত কৰি পেলাইছে। এই পৰিণাম হয়তো অতি গুৰুতৰ, কিন্তু ই অনিবাৰ্য। কাৰণ প্ৰকৃতিৰ নিয়ম লঙ্ঘন কৰাৰ পৰিণাম সদায়েই ভয়ঙ্কৰ। ঠিক সেই দৰে মেকবেথে ন্যায়সঙ্গত ৰজা ডানকানক বিশ্বাসঘাতকতা কৰি যি পাপত প্ৰবৃত্ত হ'ল ইয়াৰ ফলস্বৰূপে মেকবেথৰ জীৱনলৈ নামি আহিল ভয়াবহ অমঙ্গল আৰু সমাজত সূচনা হ'ল অন্তহীন গ্লানি আৰু অৱক্ষয়ৰ। এই ভয়াবহ বিসঙ্গতিৰ প্ৰতিক্ৰিয়া কেৱল মানুহৰ সমাজতে নহয়, ইতৰ জগততো প্ৰতিফলিত হৈ উঠে। ডানকানৰ হত্যাৰ পিছত ফেঁচাই শেনচৰাইক হত্যা কৰে আৰু ডানকানৰ শান্ত আৰু বাধ্য ঘোঁৰাবোৰ হঠাৎ উন্মাদ হৈ উঠে আৰু ইটোৱে সিটোক কামুৰি খোৱাৰ দৰে কৰে। প্ৰজা হৈ মেকবেথে ৰজা ডানকানক হত্যা কৰাটো যি দৰে স্বাভাৱিক নিয়মৰ পৰিপন্থী, ঠিক একেদৰেই ফেঁচাই শেনচৰাইক হত্যা কৰা আৰু মানুহৰ বাধ্য ঘোঁৰাই অবাধ্য হৈ পৰি স্বজাতিৰ মঙহ কামোৰা প্ৰকৃতিৰ নিয়মৰ পৰিপন্থী। সৃষ্টিৰ বিভিন্ন স্তৰবোৰ পৰস্পৰৰ প্ৰতিৰূপ আৰু সেয়েহে এটা স্তৰত সংঘটিত অন্যায় আৰু বিশৃঙ্খলাৰ প্ৰতিক্ৰিয়া অন্যস্তৰলৈ বিস্তাৰিত হোৱাটো অনিবাৰ্য। ঠিক সেইদৰে "জুলিয়াচ চিজাৰ"ত ৰোমৰ অপ্ৰতিদ্বন্দ্বী ৰাষ্ট্ৰনায়ক জুলিয়াচ চিজাৰক হত্যা কৰাৰ আগমুহূৰ্তত সিংহীয়ে ৰাজপথত প্ৰসৱ কৰা, প্ৰজ্বলিত শৰীৰেৰে কোনো কোনো লোকৰ ৰাজপথত অবাধ বিচৰণ, আকাশত নেজাল তৰা আৰু ধূমকেতু আদিৰ আৱিৰ্ভাৱৰ দৰে যি দুই এক আশ্চৰ্যকৰ ঘটনাৰ বিৱৰণ পোৱা যায় সি ৰোমান সাম্ৰাজ্যৰ আগন্তুক বিপদৰ আগজাননী, আৰু চিজাৰৰ পত্নী কালপুৰ্ণিয়াই আমাক জনাইছে যে ৰজা মহাৰাজৰ মৃত্যুৰ সংকেত আকাশমণ্ডলতো পৰিলক্ষিত হয়। কিন্তু বিশ্ববিয়পা এই শৃঙ্খলাহীনতাই ভয়াবহ ৰূপ লৈছে "কিং লিয়েৰ" নাটকখনিত। নাটকৰ আৰম্ভণিতে গ্লচটাৰে অসময়ত সংঘটিত চন্দ্ৰ আৰু সূৰ্য গ্ৰহণৰ বিষয়ে উল্লেখ কৰি কৈছে যে এইবিলাক কেতিয়াও মানুহৰ কল্যাণ আৰু মঙ্গলৰ পৰিচায়ক হব নোৱাৰে। গ্লচটাৰৰ এই মন্তব্য পুনৰ আমাৰ মনলৈ ঘূৰি আহে যেতিয়া নাটখনিৰ

মাজভাগত মানুহৰ সমাজত সন্তানৰ পিতৃৰ বিপক্ষে কুচক্ৰান্ত, ভাতৃ বিৰোধ, বন্ধ বিচ্ছেদ আৰু বিবাহিত স্ত্ৰীৰ ব্যভিচাৰে সৃষ্টি কৰা ভয়াবহ পাপাগ্নি প্ৰজ্বলিত হৈ উঠে। গ্লচটাৰৰ উক্তিত যে এই আগন্তুক দুৰ্যোগৰ ইঙ্গিত নিহিত হৈ আছে সেই বিষয়ে সন্দেহ নাই। মানৱ সমাজৰ অনৈক্য আৰু প্ৰলয়ঙ্কাৰী অসংলগ্নতাৰে যেন এয়া অন্ত স্তৰত প্ৰতিফলন। প্ৰকৃতিৰ বুকুতো এই প্ৰলয়ৰ প্ৰতিক্ৰিয়া ফুটি উঠিছে প্ৰচণ্ড ধুমুহাৰ ধ্বংস লীলাৰ মাজেৰে। যন্ত্ৰণাকাতৰ আৰু মানসিক স্থিৰতা হেৰুৱাই পেলোৱা লিয়েৰ, অন্ধ গ্লচটাৰ আৰু পগলাৰ ৰূপত ছদ্মবেশী এড্গাৰৰ সমাবেশত সৃষ্টি হোৱা এক দুঃস্বপ্নময় পৰিবেশত আমাৰ চকুৰ আগত ভাঁহি উঠে উন্মাদ পৃথিবীৰ এক ভয়াবহ ৰূপ। প্ৰকৃতিৰ আঁচনিৰ বিৰুদ্ধে কৰা মানুহৰ পাপ কাযৰ ফলত সংঘটিত এই মহা প্ৰলয়ে যেন সমগ্ৰ পৃথিৱীকে ভস্মীভূত কৰি পেলাবৰ উপক্ৰম কৰিছে। প্ৰকৃতিৰ নিয়ম উলঙ্ঘা কৰাৰ পৰিণাম ভয়াবহ আৰু প্ৰতিক্ৰিয়া সুদূৰ প্ৰসাৰী। শৃঙ্খলাৰ বান্ধোন এবাৰ ছিগিলে পুনৰ প্ৰতিষ্ঠা কৰিব পৰা যায়, কিন্তু জীৱনৰ সৌন্দৰ্য আৰু মাধুৰ্যৰ চৰম মূল্যৰ বিনিময়তহে। কাৰণ শৃঙ্খলাহীনতাৰ বলিয়া বানে কেৱল পাপী আৰু দোষীকেই নহয়, নিষ্পাপী আৰু নিৰ্দোষীকো উটুৱাই লৈ যায়। সৃষ্টিৰ শৃঙ্খলা যেন বিভিন্ন বাদ্যৰ সমাবেশত গঢ়ি উঠা অনন্ত সঙ্গীতৰ এক মধুৰ মূৰ্ছনা, আৰু এজন বাদ্যকাৰৰ ভুলৰ কাৰণে এই সঙ্গীতৰ সমন্বয় হেৰাই ছন্দ পতন হোৱাটো নিতান্ত স্বাভাৱিক। সেয়েহে ব্যক্তিকেন্দ্ৰী কোনো আদৰ্শৰ স্থান ইয়াত থাকিব নোৱাৰে। প্ৰাণীসমূহে পৰস্পৰে পৰস্পৰৰ লগত সমন্বয় ৰক্ষা কৰাৰ ওপৰতে সৃষ্টিৰ স্থিৰতা নিৰ্ভৰ কৰিছে। বিশ্বজগতৰ এনে এক ৰূপসত্তাই চেক্সপীয়েৰৰ ৰচনাৱলীৰ মাজেৰে ফুটি ওলাইছে।

চেক্সপীয়েৰৰ দৰে জীৱনক গভীৰভাৱে উপলব্ধি কৰা এজন মহান শিল্পীৰ জীৱন আৰু সংসাৰৰ প্ৰতি মনোভাৱ কেনে বা জীৱনৰ অবোধ্য ৰহস্যবোৰৰ কি সমাধান তেওঁ বিচাৰি পাইছিল, এনে ধৰণৰ প্ৰশ্নবোৰৰ উত্তৰ তেওঁৰ লেখাৰ মাজত বিচাৰি যোৱাটো নিতান্ত স্বাভাৱিক, কিন্তু আগতে কৈ অহা হৈছে যে চেক্সপীয়েৰৰ দৰে এজন বস্তুনিষ্ঠ কবিৰ লেখাৰ মাজত তেওঁৰ জীৱন দৰ্শনৰ আঁত বিচাৰি উলিওৱা দুঃসাধ্য। ইংৰাজ কবি ব্ৰাউনিঙে তেওঁৰ এটি কবিতাত প্ৰেমক মকৰা জালৰ সূতাৰ লগত তুলনা কৰি কৈছে যে আমি ধৰিব খোজা এই সূতাডাল হাতৰ স্পৰ্শ পোৱাৰ লগে লগে ছিন্ন ভিন্ন হৈ শূন্যত উৰি যোৱাৰ দৰেই প্ৰেমৰ ৰহস্য উপলব্ধি কৰিবলৈ কৰা আমাৰ সকলো চেষ্টা শূন্যত বিলীন হৈ যায়।

কাৰণ মানুহৰ সীমিত জ্ঞানেৰে প্ৰেমৰ দৰে এক চিৰন্তন সত্তাৰ গোপন ৰহস্য উদ্‌ঘাটন কৰিব পৰাটো সম্ভৱ নহয়। চেক্সপীয়েৰৰ দৰ্শনো যেন মকৰা জালৰ এডাল সূতা, এই সূতাক বিচাৰি পোৱাতো কেতিয়াবা সম্ভৱ যেন লাগিলেও হঠাতে ই যেন ক'ৰবাত লুকাই পৰে। তেওঁৰ ৰচনাৱলী গভীৰ মনোযোগেৰে অধ্যয়ন কৰা সমালোচকসকলে দেখুৱাইছে যে চেক্সপীয়েৰৰ ৰচনাৱলীত দাৰ্শনিক তত্ত্বৰ অভাৱ বুলি কলে ডাঙৰ ভুল কৰা হব। তেওঁৰ ৰচনাৱলীত যে আমি এক গভীৰ চিন্তাশীল মনৰ পৰিচয় পাইছোঁ এই কথা সকলোৱে স্বীকাৰ্য। কিন্তু তেওঁৰ উপলব্ধি আৰু চিন্তাৰ প্ৰাচুৰ্য ইমান বেছি যে তেওঁৰ চিন্তাধাৰাক এক সুনিৰ্দিষ্ট দাৰ্শনিক আধাৰত আৱদ্ধ কৰিব পৰাটো সম্ভৱ নহয়।

চেক্সপীয়েৰৰ কলাক ইন্দ্ৰিয় প্ৰত্যক্ষবাদী বা ভৌতিকবাদী কলা বুলি কলে ভুল হয়তো নহব। তেওঁৰ ৰচনাৱলী সকলো ধৰণৰ ইন্দ্ৰিয়াতীত উপলব্ধিৰপৰা মুক্ত। চকুৰে দেখা, ইন্দ্ৰিয়সমূহৰদ্বাৰা উপলব্ধি কৰিব পৰা বাস্তৱ জগতেই চেক্সপীয়েৰৰ কল্পনাৰ জগত, হেমলেটেও আমাক সোঁৱৰাই দিছে যে জীৱন আৰু জগতৰ ৰহস্যময় তাৎপৰ্যসমূহ দাৰ্শনিক উপলব্ধিৰ আয়ত্তৰ বাহিৰত। তদুপৰি চেক্সপীয়েৰে হয়তো বুজিছিল যে মানুহৰ জীৱন আৰু জগতৰ প্ৰতি মনোভাৱ গঢ় লৈ উঠে ব্যক্তিগত জীৱনৰ অভিজ্ঞতাৰ পৰিপ্ৰেক্ষিতত। এতেকে এজন মানুহৰ জীৱন দৰ্শন অন্য এজন মানুহৰ ওপৰত জাপি দিয়াটো অস্বাভাৱিক নহয়। চেক্সপীয়েৰৰ চৰিত্ৰবোৰত জীৱন আৰু জগতক নিজ নিজ দৃষ্টিভঙ্গীৰে বিচাৰ কৰিছে। এফালে হেমলেটে যেনেকৈ আমাৰ জীৱন এক মহৎ শক্তিৰদ্বাৰা নিয়ন্ত্ৰিত বুলি ভাবিছে, ঠিক সেইদৰেই "কিং লিয়েৰ" নাটকৰ গ্লচ্‌টাৰৰ ধাৰণাত মানুহ নিষ্ঠুৰ দেৱতাৰ খেলাৰ পুতলা মাত্ৰ। আৰু কেণ্টৰ মতে আমাৰ জীৱনৰ স্বৰূপ নিৰ্ণীত হয় গ্ৰহ-নক্ষত্ৰাদিৰ প্ৰভাৱত। সেই একেখন নাটকতে আকৌ এডমাণ্ডেও কৈছে যে জীৱনৰ সুখদুখ বা কৰ্মসমূহৰ ফলাফলৰ কাৰণে গ্ৰহৰ প্ৰভাৱক দোষাৰোপ কৰাটো চৰম মূৰ্খামিৰ পৰিচায়ক। আমি এই কথা পাহৰি যোৱা উচিত নহব যে এইবিলাক ক্ৰমে হেমলেট, গ্লচ্‌টাৰ, কেণ্ট আৰু এডমাণ্ডৰ এক বিশেষ বিশেষ নাটকীয় অৱস্থাৰ উক্তি মাথোন, চেক্সপীয়েৰৰ নহয়। এই উক্তিবোৰৰ নাটকীয় তাৎপৰ্য ইমান বেছি যে ইয়াৰ মাজত কিমানদূৰ লেখকৰ ব্যক্তিগত অভিজ্ঞতা আৰু বিশ্বাস প্ৰতিফলিত হৈছে সেই কথা নিৰ্ণয় কৰা অতি কঠিন। তদুপৰি চেক্সপীয়েৰে কেৱল কেইখনমান ট্ৰেজেডিকে ৰচনা

কৰি এৰা নাছিল তেওঁৰ কমেদি আৰু ঐতিহাসিক নাটকসমূহো যে এক বিশেষ প্ৰতিভাৰ প্ৰকাশ সেই বিষয়ে সন্দেহ নাই। ট্ৰেজেদিৰ মাজেৰে জীৱনৰ সমগ্ৰ অভিজ্ঞতাৰ সম্পূৰ্ণ ছবি ফুটি উঠিব নোৱাৰে, কাৰণ ই জীৱনৰ অভিজ্ঞতাৰ এটা অংশহে মাথোন ৰূপায়িত কৰিব পাৰে। সেয়েহে কেৱল ট্ৰেজেদিসমূহৰ ওপৰত ভিত্তি কৰি বা কেৱল কমেদিসমূহৰ ওপৰত ভিত্তি কৰিয়েই চেক্সপীয়েৰৰ জীৱন দৰ্শন বিচাৰ কৰিবলৈ যোৱাতো উচিত নহব।

নিশাৰ আকাশত বিচ্ছুৰিত হৈ থকা তাৰকামণ্ডলীক আমি বিশেষ কোনো নিয়ম নমনাকৈ বিশৃঙ্খলভাৱে অ'ত ত'ত সিঁচৰিত হৈ থকা যেন দেখোঁ। কিন্তু এই তাৰকাৰাশিৰ মাজত ঐক্য আৰু সমন্বয় নোহোৱা নহয়। বিশ্ব আকাশৰ এই গোপন সঙ্গতিৰ সুৰ উদ্ঘাটন কৰি সকলোৰে সহজবোধ্য কৰি তোলাটো হয়তো সম্ভৱপৰ নহয়, কাৰণ ইয়াৰ অন্তৰালত নিহিত হৈ আছে বিশ্বসৃষ্টিৰ ৰহস্য আৰু প্ৰাচুৰ্য। চেক্সপীয়েৰৰ ৰচনাৱলীৰ মাজত বিচ্ছুৰিত হৈ থকা দাৰ্শনিক ভাবৰাশিকো সেইদৰেই দৰ্শনৰ ঠেক গণ্ডীৰ মাজত আবদ্ধ কৰিব পৰাটো হয়তো সহজসাধ্য নহয়। কাৰণ ইয়াৰ অন্তৰালতো আছে মহৎ কলাৰ প্ৰাচুৰ্য আৰু সৃষ্টি ৰহস্য।



# ট্ৰেজেডি

চেক্সপীয়েৰৰ মৌলিক প্ৰতিভা আৰু পৰিণত নাট্যকলাৰ সুন্দৰতম প্ৰকাশ তেওঁৰ ট্ৰেজেডিসমূহক কলাজগতৰ এক বিস্ময় বুলি কলেও হয়তো বঢ়াই কোৱা নহয়। আন সকলোবোৰ নাটকক বাদ দি কেৱল ট্ৰেজেডিসমূহেই ইংৰাজী সাহিত্যৰ শ্ৰেষ্ঠ নাট্যকাৰ হিচাপে চেক্সপীয়েৰৰ খ্যাতি চিৰদিনলৈ ঘোষণা কৰিব। এই ট্ৰেজেডিবিলাক জীৱনৰ শাশ্বত সত্য আৰু বিশ্ব প্ৰকৃতিৰ ৰহস্য অন্বেষণৰ এক মহান প্ৰচেষ্টা। সেয়েহে বিখ্যাত সমালোচক জন ডভাৰ উইলচনে চেক্সপীয়েৰৰ ট্ৰেজেডিসমূহক মানুহৰ জীৱনৰ তথা বিশ্ব প্ৰকৃতিৰ প্ৰকৃত অৰ্থ আৱিষ্কাৰৰ অভূতপূৰ্ব প্ৰচেষ্টা বুলি অভিহিত কৰিছে। কিন্তু জীৱন সদায়েই জটিল, সৃষ্টিৰ ৰহস্য সদায়েই ৰহস্যময়। কোনো বিশেষ ধৰণৰ ব্যাখ্যাই এই জটিলতা আৰু ৰহস্যৰ শেষ সমাধান আনি দিব নোৱাৰে। জীৱন আৰু জগতৰ বিষয়ে দিয়া ব্যাখ্যাবোৰৰ কোনো এটাই আন এটাৰ অসাৰ্থকতা প্ৰমাণ নকৰে. বৰং পৰস্পৰৰ পৰিপূৰক হিচাপেহে কাম কৰে। সেইদৰে চেক্সপীয়েৰৰ ট্ৰেজেডিৰ বিষয়ে হোৱা বিভিন্ন বিশ্লেষণবোৰ পৰস্পৰ পৰিপূৰক, আৰু এটা ব্যাখ্যাৰদ্বাৰা ইয়াৰ স্বৰূপ নিৰ্ণয় কৰিবলৈ যোৱাটো অমূলক। পৃথিৱীৰ বিভিন্ন দেশৰ সমালোচকসকলে বিভিন্ন দৃষ্টিভঙ্গীৰে এই ট্ৰেজেডিসমূহ বিচাৰ কৰিছে, এই-বিলাকৰ মাজত বিভিন্ন ধৰণৰ তাৎপৰ্য বিচাৰি পাইছে। কিন্তু তেওঁলোকে দিয়া বিশ্লেষণবোৰৰ কোনোটোৱেই চেক্সপীয়েৰৰ ট্ৰেজেডিৰ এখনি পূৰ্ণাঙ্গ ছবি আঁকিব পৰা নাই। আনহাতে এই ব্যাখ্যাবোৰৰ প্ৰত্যেকটোৰে স্বকীয় মূল্য আছে, কাৰণ প্ৰত্যেক নতুন নতুন ব্যাখ্যাই আমাক বুজাইছে আগেয়ে নুবুজা কিবা এটা, প্ৰত্যেকটোৱেই দিছে নতুনৰ সোৱাদ। চেক্সপীয়েৰৰ ট্ৰেজেডিৰ আবেদন যে চিৰ নতুন এই কথা কুটি উলাইছে চেক্সপীয়েৰৰ বিখ্যাত ট্ৰেজেডি "কিং লিয়েৰ"ৰ ওপৰত ডভাৰ উইলচনে দিয়া এইষাৰ মন্তব্যত—সৃষ্টিৰ অৰ্থৰ ব্যাখ্যা বিচৰাৰ দৰে মানুহে অনন্ত কাললৈকে "কিং লিয়েৰ"ৰ অৰ্থৰ ব্যাখ্যাও বিচাৰিব, কাৰণ দুয়োৰে মাজত একে ৰহস্য নিহিত হৈ আছে।

এই সৰু কিতাপখনিৰ এটা মাত্ৰ অধ্যায়ত এনে মহান সাহিত্যৰ আলোচনা

কৰিবলৈ কৰা যি কোনো প্ৰচেষ্টাই যে আধকৰা হৈ ৰব সেই কথা দোহাৰিবৰ প্ৰয়োজন নাই। সেই কাৰণে সকলো ধৰণৰ জটিল আলোচনাৰপৰা বিৰত থাকি ইয়াত কেৱল চেক্সপীয়েৰৰ ট্ৰেজেদিৰ কেইটিমান প্ৰধান বৈশিষ্ট্য যথাসম্ভৱ দাঙি ধৰিবলৈ চেষ্টা কৰা হব।

উচ্চ বংশজাত আৰু সন্মানৰ উচ্চ স্তৰত অধিষ্ঠিত ব্যক্তি বিশেষৰ অধঃপতন আৰু মৃত্যুৰ শোকাবহ কাহিনীয়েই চেক্সপীয়েৰৰ ট্ৰেজেদিৰ মূল বিষয়বস্তু। এই ব্যক্তি বিশেষৰ, অৰ্থাৎ চেক্সপীয়েৰৰ ট্ৰেজেদিৰ নায়কৰ অধঃপতন তেওঁৰ নিজ কৰ্মফল আৰু তেওঁৰ মৃত্যু ইয়াৰ অৱশ্যম্ভাৱী পৰিসমাপ্তি। কাৰ্য আৰু কাৰণৰ এই সমন্বয়ক চেক্সপীয়েৰে অপূৰ্ব কলাকুশলতাৰে তেওঁৰ ট্ৰেজেদিসমূহত প্ৰয়োগ কৰিছে। তেওঁৰ নায়কক চেক্সপীয়েৰে কেতিয়াও প্ৰাচীন গ্ৰীক ট্ৰেজেদিৰ নায়কৰ দৰে মানুহৰ জীৱনৰ প্ৰতি উদাসীন দৈৱ শক্তিৰ হাতৰ পুতলা বা অৱস্থাৰ দাস হিচাপে ৰূপায়িত কৰা নাই। অৱশ্যেই মানুহৰ জীৱনলৈ যি ট্ৰেজেদি নমাই আনে সি মানুহৰ ভুলৰ পৰিণাম মাথোন। অন্তৰৰ আবেগ আৰু চৰিত্ৰৰ দুৰ্বলতা মানৱীয়, আৰু ই কেতিয়াও পাপ বুলি পৰিগণিত হব নোৱাৰে। সেয়েহে "এণ্টনি এণ্ড ক্লিওপেট্ৰা" নাটকত ৰোমান সাম্ৰাজ্যৰ অন্যতম ৰাষ্ট্ৰনায়ক মাৰ্ক এণ্টনিৰ মৃত্যুতে এগ্ৰিপাই কৈছে যে (এণ্টনিতকৈ) মহত্তৰ আন কোনো ব্যক্তিৰদ্বাৰা মানুহৰ জীৱন পৰিচালিত হোৱা নাই, কিন্তু দেৱতাসকলে দিয়া চৰিত্ৰৰ দুৰ্বলতাৰ বাবেই আমি মানুহ। কিন্তু আবেগৰ প্ৰৰোচনাত দুৰ্বলতাক প্ৰশ্ৰয় দিলেই উদ্ভৱ হয় পাপৰ, আৰু চেক্সপীয়েৰৰ ট্ৰেজেদিৰ নায়কে সদায় এনে দুৰ্বলতাৰ মাজত নিজক হেৰুৱাই ভাবিব নোৱাৰা কিবা এটা ভুল কৰি নিজৰ সৰ্বনাশ মাতি আনিছে। এইখিনিতে আমি পাওঁ চেক্সপীয়েৰৰ নাটকৰ চৰিত্ৰৰ সৰ্বনাশী ছিদ্ৰ। "কিং লিয়েৰ"ৰ নায়ক লিয়েৰৰ জীৱনৰ কাৰুণ্যৰ কাৰণ তেওঁৰ অহমিকা ভাব আৰু মানসিক অন্ধতা। দুশ্চৰিত্ৰা আৰু কপটীয়া গনেৰিল আৰু ৰিগেনক বিশ্বাস কৰি সিহঁতৰ হাতত ৰাজ্যভাৰ সমৰ্পণ কৰি তেওঁ যি মহাভুল কৰি পেলাইছে সিয়েই তেওঁৰ জীৱনলৈ নমাই আনিছে ট্ৰেজেদিৰ প্ৰচণ্ড ধুমুহা। ঠিক সেইদৰে নিজৰ ঈৰ্ষা আৰু সন্দিগ্ধ মনটোক প্ৰশ্ৰয় দি "ওথেলো" নাটকৰ নায়ক ওথেলোৱে কেৱল তেওঁৰ নৱ-বিবাহিতা পত্নী নিষ্কলঙ্কিনী ডেচডিমনাৰো চিতাগ্নি ৰচনা কৰিছে। চেক্সপীয়েৰৰ ট্ৰেজেদিৰ কিছুমান গুৰুত্বপূৰ্ণ মুহূৰ্তত দৈৱশক্তিৰ প্ৰভাৱে বা আকস্মিক ঘটনাই যে

ট্ৰেজেদিৰ ইন্ধন যোগোৱা নাই এনে নহয়, কিন্তু নায়কৰ ইচ্ছা আৰু বিবেচনা শক্তিৰ স্বাধীনতা চেক্সপীয়েৰে স্পষ্টভাৱে ফুটাই তুলিছে। নিজৰ অভিষ্ট সিদ্ধিৰ কাৰণে মানুহে যি পথ বাছি লয় সিয়েই তেওঁৰ কাৰ্যৰ শেষ ফলাফল নিৰ্ণয় কৰে। "মেকবেথ"ৰ ডাইনীয়ে মেকবেথক কেৱল স্কটলেণ্ডৰ ভাবী ৰজা বুলি অভিবাদনহে জনাইছিল, পাশৱিক হত্যাকাণ্ডৰে সিংহাসন অধিকাৰ কৰাৰ পথ দেখুৱাই দিয়া নাছিল। মেকবেথৰ চৰিত্ৰৰ ছিদ্ৰ তেওঁৰ উচ্চাকাঙ্ক্ষাক এই অভিবাদনে দুগুণে জ্বলাই তোলে আৰু ইয়াৰ বশৱৰ্তী হৈ তেওঁ বিবেককো অস্বীকাৰ কৰি ডানকানক হত্যা কৰে। ইয়াৰদ্বাৰা তেওঁ যি সঙ্কটৰ সৃষ্টি কৰে সি ক্ৰমাৎ বঢ়ুমলাৰ দৰেই মেকবেথৰ সমস্ত সত্তাক মেৰিয়াই পেলায়। চেক্সপীয়েৰৰ ট্ৰেজেদিৰ নায়কসকলৰ ভিতৰত সকলোতকৈ বেছি উজ্বল হেমলেট। তেওঁৰ মনত আমি দেখা পাওঁ দাৰ্শনিক চিন্তাৰ প্ৰাচুৰ্য। তেওঁৰ ব্যক্তিত্ব কল্পনাৰ প্ৰাণৰসেৰে সিক্ত। তাৰউপৰি তেওঁৰ ট্ৰেজেদিৰ উৎস স্বৰূপ যি অৱস্থা বিশেষ সেয়া তেওঁৰদ্বাৰা সৃষ্টি নহয়। তেওঁৰ সন্মুখত দেখা সঙ্কটৰ সমাধান কৰিবলৈ সময়ে তেওঁক আহ্বান জনাইছে। সময়ে সময়ে তেওঁক অৱস্থাৰ দাস যেন লাগিলেও আমি এই কথা পাহৰি যোৱা উচিত নহব যে তেওঁৰ ইচ্ছাৰ স্বাধীনতা নথকা নহয় বৰং এই ইচ্ছা শক্তি কোনো বাহ্যিক শক্তিৰদ্বাৰা নিয়ন্ত্ৰিত নহয়, ইচ্ছা কৰা হলে যি কোনো সময়তে হেমলেটে তেওঁৰ সন্মুখত দেখা দিয়া সঙ্কটৰ সমাধান আনিব পাৰিলেহেঁতেন। কিন্তু সময়ৰ দাবী যেতিয়া মনৰ দৃঢ়তা আৰু সঙ্কল্পৰ স্থিৰতা, সেইসময়তে হেমলেটৰ মনলৈ আহিছে নানাধৰণৰ দাৰ্শনিক চিন্তাৰ বা-মাৰলি আৰু সেই বা-মাৰলিৰ আঘাতত তেওঁৰ সঙ্কল্প হৈ উঠিছে শিথিল। উপযুক্ত সময়ত সাহস আৰু দৃঢ়তাৰে কৰ্তব্য সমাধান কৰিবলৈ অপাৰগ হেমলেটে ঘটনাচক্ৰৰ মাজত ক্ৰমাৎ এনেভাৱে আবদ্ধ হৈ পৰে যে ইয়াৰপৰা মুক্তি পোৱাৰ একমাত্ৰ পথ হ'ল মৃত্যু। এয়ে হেমলেটৰ জীৱনৰ মৰ্মস্পৰ্শী ট্ৰেজেদি।

মানুহৰ জীৱনত চৰিত্ৰৰ এই সৰ্বনাশী ছিদ্ৰৰ স্থান হেমলেটে নিজেই সুন্দৰভাৱে বৰ্ণনা কৰিছে। মানৱ চৰিত্ৰৰ এই অভাৱনীয় দুৰ্বলতা আজন্ম আৰু সেয়েহে মানুহে কোনোৰকমেই ইয়াৰ হাত সাৰিব নোৱাৰে। অপৰিসীম গুণ গৰিমাৰে বিভূষিত হৈও বহু সময়ত মানুহে এই দুৰ্বলতাক জয় কৰিব নোৱাৰে; আনকি বিবেকৰ সকলো বাধা নিষেধক নেওচিও মানুহ মৃত্যুৰ মুখলৈ আগবাঢ়ি গুচি যায়। এই কাৰণেই নিজৰ ভুলৰদ্বাৰা নিজৰ সমাধি ৰচনা কৰা সত্ত্বেও

চেক্সপীয়েৰৰ ট্ৰেজেদিৰ নায়কৰ পতনে আমাৰ মনলৈ দোষীয়ে উপযুক্ত শাস্তি পালে অহা সন্তুষ্টিৰ পৰিবৰ্তে আনে গভীৰ সহানুভূতি। মৃত্যুৰ মাজেৰে হেমলেটে মুক্তি পাইছে সঁচা, কিন্তু এই মৃত্যুৱে তেওঁৰ মানৱীয় সৌন্দৰ্য আৰু মহত্বৰো বিনাশ ঘটাইছে। সময়ৰ আহ্বানক সাহসেৰে গ্ৰহণ কৰিবলৈ অপাৰগ হোৱা হেমলেটক মৃত্যুৱে তেওঁৰ সকলো মানসিক জ্বালা যন্ত্ৰণাৰপৰা উদ্ধাৰ কৰিছে, আৰু লগে লগে শেষ হৈ গৈছে জীৱন আৰু জগতৰ কিছুমান সনাতন সত্য উপলব্ধি কৰিব পৰা এটি মন। মানৱীয় সৌন্দৰ্যৰ এই বিনাশ সৎ আৰু অসতৰ সংঘৰ্ষৰ বিড়ম্বনাময় পৰিণতি, আৰু এই করুণ বিনাশৰ ভাব (sense of tragic waste) চেক্সপীয়েৰৰ ট্ৰেজেদিৰ অন্যতম বৈশিষ্ট্য। ক্ষন্তেকৰ উত্তেজনাৰ বশৱৰ্তী হৈ চেক্সপীয়েৰৰ নায়কে যি ভুল কৰি পেলায় তাৰ প্ৰায়শ্চিত্ত তেওঁলোকে কৰিছে চৰম মূল্যৰ বিনিময়ত, কিন্তু মৃত্যুৱে তেওঁলোকৰ চৰিত্ৰৰ অহিতকাৰক দোষ-বোৰৰ লগে লগে মানুহ আৰু জগতৰ কল্যাণকাৰক তেওঁলোকৰ সদ্‌গুণ-বোৰৰো বিনাশ ঘটাইছে। জীৱনৰ এই মহতী বিনষ্টি চেক্সপীয়েৰৰ প্ৰতিজন নায়কৰ পতনত নিহিত হৈ আছে।

চেক্সপীয়েৰৰ ট্ৰেজেদিত অসতৰ সমস্যা (problem of evil) ই প্ৰকট হৈ উঠিছে আৰু জটিল ৰূপ পৰিগ্ৰহ কৰিছে। এই ট্ৰেজেদিসমূহ অসতৰ শক্তি আৰু প্ৰাচুৰ্যৰ চৰম প্ৰকাশ। সেয়েহে ডঃ জনচনে অভিযোগ কৰিছে যে চেক্সপীয়েৰৰ ট্ৰেজেদিত শঠতাই সাফল্য লাভ কৰে। মানুহৰ শঠতা আৰু ঘৃণনীয় পাপে মঙ্গলকাৰক সকলো আদৰ্শ নিৰ্মূল কৰি নৈতিক আৰু সামাজিক ব্যভিচাৰৰ মাজেৰে সৃষ্টি কৰা অমানিশাময় বিভীষিকাৰ মাজত জীৱন আৰু জগতৰ সকলো অৰ্থ যেন শেষ কৰি পেলাইছে। প্ৰেম, দয়া আৰু ন্যায়ৰ প্ৰতিমূৰ্তি স্বৰূপ কোনো দেৱ শক্তিৰ ইঙ্গিত ইয়াত নাই। সময়ে সময়ে আমাৰ এনে ভাব হয় যে মানুহৰ জীৱনৰ সকলো আশা ভৰসা আৰু কামনা বাসনাৰ প্ৰতিকূলে কাম কৰা নিষ্ঠুৰ নিয়তিৰদ্বাৰা পৰিচালিত এই সৃষ্টিত মানুহৰ জীৱনৰ যেন কোনো সাৰ্থকতা নাই। অসৎৰ প্ৰভাৱত মানৱতাৰ মহত্বৰ যি বিনাশ ঘটিছে ই বহুসময়ত আমাৰ ধৰ্ম পিপাসু মনত গভীৰ অসন্তুষ্টিৰ ভাব জগাই তোলে। তাৰউপৰি সৎ আৰু কল্যাণৰ এই বিনাশ কেৱল ট্ৰেজেদিৰ নায়কসকলৰ পতনতেই আৱদ্ধ হৈ থকা নাই। নিজেৰ আৰু আনলোকৰ দোষে নায়কে সৃষ্টি কৰা ঘটনাৰ পাকচক্ৰত তেওঁলোকৰ জীৱনৰ লগত জড়িত থকা কোনো নিৰপৰাধী লোকো হেৰাই যাব

লগা হৈছে। লিয়েৰে সূচনা কৰা ঘটনা চক্ৰই তেওঁৰ লগতে হৃদয়ৰ পবিত্ৰতা আৰু নিস্বাৰ্থ প্ৰেমৰ প্ৰতীক স্বৰূপ কৰডেলিয়াকো ধ্বংস কৰি দিছে। সেইদৰে অথেলোই ইয়াগোৰ 'সাধুতা'ক বিশ্বাস কৰি তেওঁৰ জীৱনলৈ মাতি অনা ট্ৰেজেডিয়ে শেষ কৰি দিছে নিষ্পাপী ডেচডিমোনাক। মেকবেথ বা লিয়েৰৰ ক্ষেত্ৰত হোৱাৰ দৰে হেমলেটৰ জীৱনৰ ট্ৰেজেডিৰ মূল কাৰণ তেওঁৰ জীৱনৰ ভুলৰ মাজত সম্পূৰ্ণৰূপে সৃষ্টি হৈ উঠা নাই। লম্পট ক্লডিয়াছে সৃষ্টি কৰা সঙ্কটৰপৰা ডেনমাৰ্কক উদ্ধাৰ কৰাৰ ভাৰ পৰিছে তেওঁৰ গাত। সেয়েহে বহুসময়ত হেমলেটৰ মৃত্যু আমাৰ ধৰ্মচেতনাৰ পৰিপন্থী যেন অনুভূত হয়। তথাপি স্বীকাৰ কৰিব লাগিব যে তেওঁৰ ট্ৰেজেডিৰ কৰুণ পৰিসমাপ্তিত হেমলেটৰ নিজ চৰিত্ৰৰ বা কাৰ্যৰ অৱদান নোহোৱা নহয়। কিন্তু অফেলিয়াৰ এনে শোকাবহ মৃত্যুৰ ব্যাখ্যা ক'ত? কৰডেলিয়াৰ স্পষ্টবাদিতা, ডেচডিমোনাৰ নাৰীসুলভ কোমলতা আৰু সংকোচ, আৰু অফেলিয়াৰ হেমলেটৰ প্ৰতি থকা গভীৰ ভাল পোৱাই যদি তেওঁলোকৰ মৃত্যুৰ কাৰণ হয়, তেন্তে সেইখন জগতত কাব্যিক ধৰ্ম ( poetic justice )-ৰ স্থান ক'ত?

পাপৰ গুৰুত্ব অনুপাতে পাপীৰ শাস্তি আৰু সন্তৰ সৎকাৰ্যৰ উপযুক্ত সুফল হোৱাটোৱেই কাব্যিক ধৰ্মই বিচাৰে। কিন্তু এনে কাব্যিক ধৰ্ম, আদৰ্শ আৰু ন্যায় বিচৰা মানৱ মনৰ অলীক কল্পনা মাথোন ; বাস্তৱ জগতত ইয়াৰ উদাহৰণ অতি বিৰল। বাস্তৱৰ অভিজ্ঞতাসমূহ যে সদায় কাব্যিক ধৰ্ম সাপেক্ষ হব এই অঙ্গীকাৰ আমি জীৱনৰপৰাও পোৱা নাই। নিৰীহ আৰু নিষ্পাপীৰ মৃত্যুত আমাৰ ন্যায় পিপাসু মনে বিদ্ৰোহ কৰি উঠেই আচৰিত নহয়। ভাগ্যৰ এই বিড়ম্বনাই যে জীৱনৰ চৰম ট্ৰেজেডি। জীৱন আৰু জগতৰ ৰহস্যময় বৈচিত্ৰসমূহ চেক্সপীয়েৰে সুন্দৰভাৱে ৰূপায়িত কৰিছে ; কিন্তু ইয়াৰ সমাধান তেওঁ দিয়া নাই। ৰহস্যই যদি নাথাকে ট্ৰেজেডিত পোৱা গভীৰ চিন্তা আৰু ভাবৰো সৃষ্টি হ'ব নোৱাৰে। জীৱনৰ সত্যই হ'ল চেক্সপীয়েৰৰ কলাজগতৰ ধৰ্ম, আৰু সেই-বাবেই বোধকৰোঁ কাব্যিক ধৰ্মৰ স্থান তেওঁৰ ট্ৰেজেডিসমূহত নাই।

নায়কৰ নিজৰ ভুলে যদিও চেক্সপীয়েৰৰ ট্ৰেজেডিৰ নাটকীয় অবস্থাত সৃষ্টি কৰে, এই ভুল ট্ৰেজেডিৰ শোকাবহ পৰিণতিৰ একমাত্ৰ কাৰণ নহয়। কাৰণ ট্ৰেজেডিৰ ঘটনা প্ৰবাহক নিজৰ ইচ্ছাৰ অনুকূলে নিয়ন্ত্ৰিত কৰাৰ শক্তি চেক্সপীয়েৰৰ নায়কৰ নাই। "হেমলেট"ৰ এটি সৰু চৰিত্ৰই কৈছে যে তাৰ যদিও আমাৰ

এই ভাৱৰ বাস্তৱ ৰূপায়ণ কাৰ্যসমূহৰ ফলাফল আমাৰ আয়ত্তৰ বাহিৰত। মানুহৰ উদ্দেশ্য যিয়েই নহওক লাগে এই উদ্দেশ্যৰ ফলাফল মানুহৰ হাতত নাই। চেক্সপীয়েৰৰ নায়কসকলৰ ভিতৰত ব্ৰুটাচৰ লক্ষ্যই সকলোতকৈ সজ, তেওঁৰ উদ্দেশ্য আছিল ৰোমৰ জনগণক চিজাৰৰ স্বেচ্ছাচাৰিতাৰপৰা উদ্ধাৰ কৰা। ব্ৰুটাচে ভাবিছিল চিজাৰৰ হত্যায়েই এই উদ্দেশ্য সাধনৰ একমাত্ৰ পথ, কিন্তু চিজাৰৰ হত্যাই সৃষ্টি কৰা ঘটনাপ্ৰৱাহৰ মাজত ব্ৰুটাচ নিজেই হেৰাই যাব লগা হ'ল। নিজৰ সৈন্যবাহিনীৰ পৰাজয়ৰ পিছত হাতত শিকলি পিন্ধি কৰডেলিয়াই কৈছে, সজ উদ্দেশ্য সত্বেও দুৰ্ভাগ্য মাত্তি অনা আমিয়েই প্ৰথম নহয়। এইখিনিতে আমি চেক্সপীয়েৰৰ ট্ৰেজেদিৰ অতিমানৱীয় এক শক্তিৰ ৰহস্যময় প্ৰভাৱ দেখা পাওঁ।

দেৱতাৰ বিচাৰ সদায়েই ন্যায় আৰু মানুহৰ নিজৰ ভুলেই যন্ত্ৰণাৰ কাৰণ বুলি "কিং লিয়েৰ" নাটকত যদিও এড্‌গাৰে কৈছে, তথাপি চেক্সপীয়েৰে মিল্টনৰ দৰে মানুহৰ প্ৰতি ভগৱানৰ বিচাৰক ন্যায় বুলি প্ৰতিপন্ন কৰাৰ উদ্দেশ্যেৰে অনু-প্ৰাণিত হৈ লিখা নাছিল বুলি কলে ভুল বোধকৰোঁ নহব। মানুহৰ মঙ্গলকামী কোনো শক্তিৰ কথা তেওঁৰ ট্ৰেজেদিত নাই। কিন্তু চেক্সপীয়েৰেও যেহেতু অন্যান্য মহৎ কলাকাৰসকলৰ দৰে মানুহক অসীমৰ পৰিপ্ৰেক্ষিতত ৰূপায়িত কৰিছে, সেয়ে মানুহৰ পৃথিৱীতকৈও বৃহত্তৰ আৰু মানুহতকৈ অধিক ক্ষমতাসম্পন্ন এক শক্তিৰ প্ৰভাৱ আমি তেওঁৰ ট্ৰেজেদিত দেখা পাওঁ। এই শক্তিকেই চেক্সপীয়েৰৰ ট্ৰেজেদি জগতৰ আত্মাশক্তিও বুলি কব পাৰি। কাৰণ ইয়েই ট্ৰেজেদিৰ শেষ ফলাফল নিৰ্ণয় কৰে। এই শক্তিৰ প্ৰকৃত স্বৰূপ যদিও চেক্সপীয়েৰে নিৰ্ণয় কৰা নাই, তথাপি ট্ৰেজেদিসমূহত আমি দেখিছোঁ যে এই শক্তি সৎ আৰু অসতৰ সঙ্ঘৰ্ষত নিৰপেক্ষ আৰু উদাসীন যেন লাগিলেও শেষ আলোচনাত ই সদায় সতৰেই অনুকূল। সেয়ে নোজোৰা হলে চেক্সপীয়েৰৰ ট্ৰেজেদি গভীৰ নিৰাশাবাদ প্ৰকাশ বুলি বিবেচিত হ'লহেঁতেন।

সৎ আদৰ্শৰ যে সদায় সুফল হব এই প্ৰতিশ্ৰুতি চেক্সপীয়েৰে আমাক দিয়া নাই, কিন্তু শঠতাৰ পৰিণাম যে সদায়েই শোচনীয় সেই কথা তেওঁ স্বীকাৰ নকৰাকৈ থকা নাই। এজন সমালোচকে কোৱাৰ দৰে সতৰ বিনিময়ত অসতৰ স্বীকৃতি দিয়াটোহে প্ৰকৃত নিৰাশাবাদৰ পৰিচায়ক আৰু চেক্সপীয়েৰে সৎ আৰু ন্যায়ৰ মৰ্য্যাদাক কাহানিও অস্বীকাৰ কৰা নাই। যিথন পৃথিৱীত ইয়াগোৰ দৰে, এড্‌মাণ্ড, গনেৰিল আৰু ৰীগেনৰ দৰে অশিষ্টসকলৰ জন্ম হৈছে সেই একেখন

পৃথিৱীতে জন্ম হৈছে কৰডেলিয়া আৰু ডেচডিমোনাৰ অফেলিয়া আৰু হৰটিওৰ, কেণ্ট, এড্‌গাৰ আৰু "ফুল"ৰ। যদিও অসত্যৰ প্ৰচুৰ ধ্বংসাত্মক শক্তি আছে, ই সদায়েই ধ্বংসশীল। চেক্সপীয়েৰৰ নায়কসকলে যি দৰে কাৰ্য আৰু কাৰণৰ হাত সাৰিব পৰা নাই, সেইদৰে ভিলেইন্ সকলেও নিজৰ শঠতাৰদ্বাৰা নিজৰ পতন মাতি আনিছে। ক্লডিয়াচে হেমলেটৰ বাবে আৰু ইয়াগোই অথেলোৰ বাবে ৰচনা কৰা চক্ৰবেহুত তেওঁলোক নিজেও শেষ হৈ যাব লগা হৈছে। লিয়েৰ আৰু গ্লচেষ্টাৰৰ বাবে ৰচনা-কৰা নৰককুণ্ডত এড্‌মাণ্ড, গনেৰিল আৰু ৰিগোনা ভস্মীভূত হৈ গৈছে। সৎ আৰু অসতৰ চিৰন্তন সংঘৰ্ষত সতৰ জয় অনিবাৰ্য। কিন্তু এই জয় যে সহজসাধ্য হব তাৰ অঙ্গীকাৰ চেক্সপীয়েৰৰ ট্ৰেজেডিৰ পাতত নাই। প্ৰচণ্ড ধুমুহাই নিৰাপিত কৰিব খোজা চাকিটিয়ে যেনেকৈ ধুমুহাৰ শেষৰ ধীৰ পোহৰ বিলায়, সেইদৰেই চেক্সপীয়েৰৰ ট্ৰেজেডিৰ সামৰণি সতৰ জ্যোতিৰ গাম্ভীৰ্যপূৰ্ণ উজ্জলভাৱে আলোকিত হৈ আছে। চেক্সপীয়েৰৰ ট্ৰেজেডিৰ বিখ্যাত সমালোচক ব্ৰেডলীয়ে এই কথা সুন্দৰভাৱে প্ৰকাশ কৰিছে, চেক্সপীয়েৰৰ ট্ৰেজেডিৰ সত্য-শিৱ-সুন্দৰৰ মহত্বৰে মহীয়ান হোৱা অবাৰিত সংগ্ৰামত ৰত এনে এখন জগতৰ দুৰ্বোধ্য সত্য আমি উপলব্ধি কৰোঁ। যিখন জগতত সতৰ মহিমাৰ লগত অসতৰ কলুষো সৃষ্টি হৈছে, আৰু সৎ আৰু মাহাত্ম্যৰ এক বিশেষ অংশৰ ক্ষয় আৰু বিনাশৰ বিনিময়তহে এই অসৎ শক্তিৰ প্ৰতিৰোধ সম্ভৱপৰ হৈছে। এই সত্যই ট্ৰেজেডিৰ প্ৰকৃত অস্তিত্ব।

তদুপৰি অপৰিসীম সম্ভাৱনাপূৰ্ণ মানৱাত্মাৰ গৰিমা চেক্সপীয়েৰে অকুণ্ঠচিত্তে ঘোষণা কৰিছে। আত্ম-উপলব্ধিৰ ক্ষমতা হেৰুৱাই মানুহে ভুল কৰিছে, পশুত্বৰ ওচৰত ধৰা দি অভাবনীয় পাপতো লিপ্ত হৈছে, কিন্তু মানৱাত্মাৰ গৰিমা অক্ষয় হৈয়ে ৰৈছে। কাৰণ এই আত্ম-উপলব্ধিৰ ক্ষমতা তেওঁ ঘূৰাই পাইছে ভুলৰ সংশোধন আৰু পাপৰ প্ৰায়শ্চিত্তৰ মাজেৰে। মানুহক চেক্সপীয়েৰে অক্ষয়লোকৰ সুখৰ সপোন দেখুউৱা নাই, ঐহিক জীৱনত কৰা ভুলৰ প্ৰায়শ্চিত্ত তেওঁ মানুহৰ পৃথিৱীতে দেখুৱাইছে। নাৰকীয় যন্ত্ৰণাৰ মাজেৰে জীৱনৰ শাশ্বত সত্যৰ ওচৰত অপূৰ্ব কাব্যিক ৰূপায়ণ। যাতনাৰ জীয়া জুইয়ে একালে, যেনেকৈ লিয়েৰক ভস্মীভূত কৰি পেলাইছে, আনহাতে সেইদৰে তেওঁৰ সত্তাক জুইয়ে পোৰা সোণৰ দৰে উজ্জল কৰি তুলিছে। এই যাতনাৰ মাজেৰেই তেওঁ শিকিছে অহংবুদ্ধিৰ পৰিণম আৰু প্ৰেমৰ মোহন গৌৰৱ। লিয়েৰৰ দৰে দূৰদৃষ্টিহীন আৰু দাম্ভিকজনো যে এনে

চৰম উপলব্ধিৰ গৰাকী হব পাৰে ই মানৱ সত্তাৰ মহত্বকে সূচায়। সেয়েহে নাট-খনিৰ শেষৰফালে এসময়ৰ দাম্ভিক লিয়েৰ কন্যা কৰডেলিয়াৰ ওচৰত ক্ষমা আৰু প্ৰেমৰ ভিক্ষাৰী। তেওঁ বুজিছে যে তেওঁৰ ৰাজ্য আৰু ৰাজক্ষমতাৰ বাহিৰেও জীৱনত আৰু কিছু সত্য আছে আৰু সেই সত্যাইহে প্ৰকৃত সত্য। জীৱনৰ চৰম দুৰ্যোগৰ সময়তো লিয়েৰে ৰাজ্য বিচৰা নাই, ক্ষমতা বিচৰা নাই, কাৰণ কৰডেলিয়াৰ অকপট প্ৰেমৰ মাজত তেওঁ বিচাৰি পাইছে জীৱনৰ পৰম অৰ্থৰ সন্ধান। পৰাজয়ৰ গ্লানিৰ মাজতো অন্ধকাৰময় পোতাশালতে কৰডেলিয়াৰ সান্নিধ্যত লিয়েৰে মধুৰ জীৱনৰ সপোন ৰচনা কৰিছে। মানৱ হৃদয়ৰ উজ্জ্বল জ্যোতিৰে উদ্ভাষিত এনে মহান ত্যাগৰ দৃষ্টান্ত বিৰল, আৰু হয়তো লিয়েৰে কোৱাৰ দৰে এনে ত্যাগত স্বয়ং দেৱতাসকলে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। লিয়েৰৰ এই সপোন মানৱ প্ৰাণৰ সত্য আৰু সুন্দৰৰ প্ৰতি থকা আদিম আৰু চিৰন্তন বাসনাৰ মূৰ্ত্ত প্ৰকাশ। এনে মহিমামণ্ডিত মানৱ সত্তাক মৃত্যুৱে বিনাশ ঘটাব নোৱাৰে, আৰু এই মহিমাৰ অধিকাৰী মানুহৰ পৃথিৱীত জীৱনৰ সাৰ্থকতাও হেৰাই যাব নোৱাৰে। সেইদৰে নাৰকীয় পাপত লিপ্ত থকা মেকবেথৰ সত্তাৰ মৰ্যাদাও তেওঁৰ পাপে ম্লান কৰিব পৰা নাই। বৰং ধৰ্মভ্ৰষ্ট মেকবেথৰ চৰিত্ৰ আৰু বাসনা এক বিশেষ গৰিমাৰে জ্যোতিষ্মান। তীব্ৰ অন্তৰ্দ্বন্দ্ব আৰু মানসিক যাতনাৰ মাজেৰে আহে জীৱনৰ চৰম উপলব্ধি আৰু এই উপলব্ধিয়ে মানুহক লৈ যায় আধ্যাত্মিক গৰিমাৰ উচ্চতম শিখৰলৈ। মৃত্যুৰ গম্ভীৰ নীৰৱতা ভেদ কৰিও লিয়েৰ আৰু মেকবেথে যেন এই কথাকেই আজিও বিজ্ঞিয়াই কয়।



# হেমলেট নাটকৰ ওপৰত এটা পৰ্য্যালোচনা

চেক্সপীয়েৰৰ চাৰিখন বিখ্যাত আৰু মহান ট্ৰেজেডি হেমলেট, অথেলো, কিং লিয়েৰ আৰু মেকবেথৰ ভিতৰত ৰচনাৰ সময়ৰ ফালৰ পৰা 'হেমলেট' খনেই প্ৰথম। অৱশ্যে এই চাৰিওখন ট্ৰেজেডি তেওঁৰ সাহিত্যিক জীৱনৰ একেছোৱা সময়তে ৰচনা কৰা।

টিটাচ এণ্ড্ৰনিকাচ, ঐতিহাসিক ট্ৰেজেডি তৃতীয় ৰিচাৰ্ড তেওঁৰ সাহিত্যিক জীৱনৰ প্ৰথমছোৱাৰ ৰচনা। ৰোমিও জুলিয়েটকো বহুতে প্ৰথমছোৱাৰে ৰচনা বুলি কয়। বহুতে অৱশ্যে এইখনক দ্বিতীয়ছোৱাৰ বুলিহে কয়। গতিকে ৰোমিও জুলিয়েটক যদি তেওঁৰ সাহিত্যিক জীৱনৰ প্ৰথমছোৱাৰ ৰচনা বুলি ধৰা হয় তেতিয়া হলে দেখা যায় যে তেওঁৰ দ্বিতীয়ছোৱা সাহিত্যিক জীৱনত চেক্সপীয়েৰে কোনো ট্ৰেজেডি ৰচনা কৰা নাছিল।

তেওঁৰ সাহিত্যিক জীৱনৰ তৃতীয়ছোৱা কাল, অৰ্থাৎ ১৬০১ৰ পৰা ১৬০৮ লৈকে, এইছোৱাই আছিল চেক্সপীয়েৰৰ সাহিত্যিক জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু মানৱ সংস্কৃতিৰ ইতিহাসৰ কাৰণে পৰম মহিমামণ্ডিত সময়। এই সময়ছোৱাৰ ভিতৰতে চেক্সপীয়েৰে সৃষ্টি কৰি গৈছিল এখনৰ পিছত এখনকৈ তেওঁৰ ট্ৰেজেডিসমূহ। এই বিলাকৰ ভিতৰত তেওঁৰ চাৰিখন বিখ্যাত ট্ৰেজেডিৰ বাহিৰেও আছিল বাকী কেইখন ট্ৰেজেডি জুলিয়াচ চিজাৰ, টাইমন অব এথেন্স, এণ্টনি এণ্ড ক্লিওপেট্ৰা আৰু কৰিওলেনাচ। মন কৰিবলগীয়া কথা যে চেক্সপীয়েৰে তেওঁৰ সাহিত্যিক জীৱনৰ শেষৰছোৱা কালত (১৬০৮—১৬১২) কোনো ট্ৰেজেডি ৰচনা কৰা নাছিল।

চাৰিখন বিখ্যাত ট্ৰেজেডিৰ ভিতৰত যে হেমলেটখনেই প্ৰথম সেই বিষয়ে সমালোচক সকলৰ মতভেদ নাই। হেমলেট ৰচনাৰ আগতেই যে জুলিয়াচ চিজাৰ ৰচনা কৰিছিল সেই বিষয়েও সমালোচকসকল একমত। হেমলেট নাটকৰ হেমলেটৰ চৰিত্ৰ আৰু জুলিয়াচ চিজাৰ নাটকৰ ব্ৰুটাচৰ চৰিত্ৰৰ মাজত বহু মিল আছে। হেমলেটৰ দৰেই ব্ৰুটাচৰ চৰিত্ৰতো আমি নৈতিক আদৰ্শবাদৰ কৰুণ পৰিণতি লক্ষ্য কৰো। ব্ৰুটাচ আৰু হেমলেট দুয়োজনেই দাৰ্শনিক ভাবাপন্ন আৰু বৌদ্ধিকভাবে অনুসন্ধিৎসু লোক। দুয়োজনৰেই আধ্যাত্মিক আদৰ্শই বাস্তৱৰ

কঠিন শিলাখণ্ডত দুৰ্বাৰভাৱে উজুটি খাইছে। তদুপৰি 'হেমলেট' নাটকত আমি জুলিয়াচ চিজাৰৰ উল্লেখ পাওঁ। 'হেমলেট' নাটকত চেক্সপীয়েৰৰ হাতত অমিত্ৰাক্ষৰ ছন্দই লাভ কৰা পাৰদৰ্শিতালৈ লক্ষ্য কৰিও কব পাৰি যে তেওঁৰ সাহিত্যিক প্ৰতিভাই বঢ়িয়াকৈ পৰিপক্কতা লাভ কৰাৰ সময়তহে চেক্সপীয়েৰে এই নাটক ৰচনা কৰিছিল।

নাটকখনৰ বিষয়ে এটি সাধাৰণ আলোচনা আগবঢ়াবৰ কাৰণেও আমি নাটকৰ প্ৰতিটো অঙ্কৰে প্ৰতিটো দৃশ্যৰ ঘটনাপ্ৰবাহৰ ওপৰত চমুকৈ হলেও চকু ফুৰাব লাগিব।

॥ এক ॥

প্ৰথম অঙ্কৰ প্ৰথম দৃশ্য আৰম্ভ হৈছে ডেনমাৰ্কৰ সাগৰীয় বন্দৰ এলচিনৰ দুৰ্গৰ মুক্ত প্ৰাঙ্গণত। মাজনিশা কেউফালে নীৰৱ, প্ৰশান্ত। ফ্ৰান্সিচকোক পহৰা দিয়া কাৰ্য্যৰ পৰা সলনি দিবলৈ আহিছে বাৰ্ণাৰ্ডো। মাৰ্চিলাচ আৰু হৰচিও তেওঁলোকৰ লগ লাগিছে। হৰচিও হেমলেটৰ বন্ধু। তেওঁলোকে ডেনমাৰ্কৰ মৃত ৰজাৰ ছায়ামূৰ্ত্তিয়ে আগনিশা তেওঁলোকৰ আগত দেখা দিয়াৰ কথা পাতে। হৰচিওৱে ছায়ামূৰ্ত্তিৰ আবিৰ্ভাৱৰ বিষয়ে পতিয়ন যাবলৈ টান পায়। ঠিক সেই সময়তে ছায়ামূৰ্ত্তিৰ আবিৰ্ভাৱ হয়। হৰচিওৱে ছায়ামূৰ্ত্তিক সম্বোধন কৰে, কিন্তু ছায়ামূৰ্ত্তি অন্তৰ্ধান হয়। তেওঁলোকে এই কথা হেমলেটক জনাবলৈ সিদ্ধান্ত কৰে।

দ্বিতীয় দৃশ্যত দেখা পোৱা হয় মৃত ৰজাৰ ভাতৃ ক্লডিয়াচ। তেওঁ এতিয়া ডেনমাৰ্কৰ ৰজা। মৃতৰজাৰ পত্নী হেমলেটৰ মাতৃ গাৰট্ৰুড এতিয়া ক্লডিয়াচৰ পত্নী। ৰাজসভাৰ জাকজমকতাৰ মাজত পিতৃবিয়োগত ম্ৰিয়মান হেমলেটক শোকবস্ত্ৰ পৰিধান কৰা অৱস্থাত দেখা যায়।

ক্লডিয়াচে লৰিটিচক ফ্ৰান্সলৈ পুনৰ পঠোৱাৰ নিচিনা দুই এটা ৰাজকীয় কাম কৰাৰ পিচত হেমলেটৰ প্ৰতি মনোযোগ দি হেমলেটে বিষাদমলিন অৱস্থাত সময় কটোৱাৰ বাবে আক্ষেপ প্ৰকাশ কৰে। ৰাণী গাৰট্ৰুডেও হেমলেটক সান্ত্বনা দিছে যে মৃত্যু সকলোৰে কাৰণে অনিবাৰ্য্য। হেমলেটৰ মনৰ ভাবিবো ভাবিব যি বিষাদ তাৰ সন্তেদ পোৱা ৰজা ৰাণীৰ কাৰণে অসম্ভৱ। ৰজা আৰু ৰাণী দুয়ো হেমলেটক অনুৰোধ কৰিলে তেওঁ যাতে আৰু উইটেনবাৰ্গলৈ নাযায়, বৰং ৰাজপ্ৰাসাদতে থাকে। হেমলেটে তাকে কৰিবলৈ মান্তি হোৱাত ৰজা-ৰাণীৰ আনন্দৰ পাৰ নাইকিয়া হ'ল। সেই উপলক্ষে ৰজাই ঘোষণা কৰিলে হেমলেটৰ

সেই সিদ্ধান্ত বন্দুকৰ গুলী ফুটাই আৰু অন্যান্য আনন্দ আহ্লাদৰে উদ্‌যাপিত কৰিব লাগে।

ৰজা, ৰাণী আৰু সভাসদসকল যোৱাৰ পিচত অকলশৰীয়া অৱস্থাতে হেমলেটে প্ৰথম চলিলকি ( soliloquy ) ৰ যোগেদি তেওঁৰ মনোজগতক উদ্‌ঘাটন কৰি তোলা গভীৰ বিষাদৰ কথা প্ৰকাশ কৰে। তেওঁ উইটেনবাৰ্গৰ বিশ্ববিদ্যালয়ৰ পৰা এলচিনৰলৈ আহিছিল দেউতাকৰ অন্ত্যেষ্টিক্ৰিয়াত যোগ দিবৰ কাৰণে। কিন্তু তেওঁ কেতিয়াও ভবা নাছিল যে দেউতাকৰ মৃত্যুৰ মাথোন এমাহৰ ভিতৰতে তেওঁ মাকৰ বিবাহ উৎসৱতো যোগদান কৰিব লাগিব।

অতিশয় তীব্ৰ মনোবেদনাত তেওঁ চিৎকাৰ কৰি উঠিছিল।

'...... আৰু তাৰ পিচত, এমাহৰ ভিতৰতে, এই কথা মই আৰু মনলৈ আনিব নোখোজোঁ—দুৰ্ব্বলতা—তোমাৰ নামেই নাৰী।'

সেই সময়তে হৰচিও মাৰ্চিলাচ আৰু বাৰ্ণাড আহি উপস্থিত হয় আৰু মাজনিশা দুৰ্গৰ প্ৰাঙ্গণত একেলেথাৰিয়ে দুই তিনি নিশা হোৱা তেওঁলোকৰ সেই অভিজ্ঞতাৰ কথা কয়। তেওঁৰ মৃত পিতাকৰ ছায়ামূৰ্ত্তিৰ কথা শুনি হেমলেটে সেই ৰাতিয়েই সেই ছায়ামূৰ্ত্তি আকৌ ওলাবনে নোলাই সেই কথা তেওঁ চাব বুলি কয়।

তৃতীয় দৃশ্যত আমি ৰজাৰ প্ৰধান উপদেষ্টা পলনিয়াচ পলনিয়াচৰ পুত্ৰ লৰিটিচ আৰু অফেলিয়াক লগ পাওঁ। লৰিটিচ আৰু অফেলিয়াই হেমলেটৰ প্ৰতি থকা অফেলিয়াৰ ভালপোৱাৰ কথা পাতে। পলনিয়াচে সেই কথা বতৰাৰ মাজতে অংশ গ্ৰহণ কৰি লৰিটিচক পেৰিচত পঢ়িবলৈ যোৱাৰ ক্ষেত্ৰত পলম নকৰিবলৈ কয় আৰু বিদেশলৈ যোৱাৰ আগমুহূৰ্ত্তত তেওঁক কিছু উপদেশ দিয়ে। তাৰ পিচত জীয়েকৰ লগত কথাবতৰা পাতি পলনিয়াচে অফেলিয়াক হেমলেটৰ লগত প্ৰেমৰ সম্পৰ্ক নাৰাখিবলৈ কয়। কিয়নো, ৰাজকোঁৱৰ হেমলেটে তাইক কেতিয়াও গ্ৰহণ কৰিব নোৱাৰিব। পিতৃৰ প্ৰতি অতিশয় অনুগতা অফেলিয়াইও দেউতাকৰ পৰামৰ্শ মানি চলাৰ প্ৰতিশ্ৰুতি দিয়ে।

চতুৰ্থ দৃশ্যত মাজনিশা এলচিনৰ দুৰ্গৰ প্ৰাঙ্গণত হেম্‌লেট, হৰচিও, আৰু মাৰ্চিলাচৰ সন্মুখত মৃতৰজাৰ গ'ষ্ট (ghost) বা ছায়ামূৰ্ত্তিৰ আবিৰ্ভাৱ হয়। ছায়ামূৰ্ত্তিয়ে হেমলেটক আঁতৰি আহিবলৈ ইঙ্গিত দিয়ে। হৰচিও আৰু মাৰ্চিলাচে হেমলেটক ছায়ামূৰ্ত্তিৰ ইঙ্গিত মতে আঁতৰি নাযাবলৈ কাকুতি মিনতি কৰা সত্বেও হেমলেটে তেওঁলোকৰ কথা নুশুনি ছায়ামূৰ্ত্তিক অনুসৰণ কৰে।

পঞ্চম দৃশ্যত ছায়ামূৰ্ত্তিয়ে হেমলেটক নিৰ্জ্জন ঠাই এটুকুৰালৈ নি নিজকে মৃতৰজাৰ ছায়ামূৰ্ত্তি বুলি চিনাকি দিলে আৰু ক্লডিয়াচে কেনেকৈ তেওঁক শুই থাকোতে কাণত বিহ ঢালি মৃত্যু ঘটোৱালে সেই কথা বিবৰি কলে। ছায়ামূৰ্ত্তিয়ে হেমলেটক, পিতৃৰ প্ৰতি যদি তেওঁৰ অকনমানো মৰম আছে, তেনেহলে পিতৃহত্যাৰ প্ৰতিশোধ লবলৈ কয়; কিন্তু লগতে মাকৰ বিৰুদ্ধে একো ব্যৱস্থা যাতে নলয় সেই কথাও কয়। যাবৰ সময়ত ছায়ামূৰ্ত্তিয়ে কৈ যায়, "বিদায়, বিদায়, বিদায় , মোৰ কথা মনত ৰাখিবা।"

পিতৃহত্যাৰ এই গোপন কাহিনীয়ে হেমলেটৰ দেহ মন বিতত কৰি তোলে। কিন্তু পিচ মুহূৰ্ত্ততে তেওঁ মন স্থিৰ কৰে আৰু পিতৃহত্যাৰ প্ৰতিশোধৰ কাৰণে দৃঢ়প্ৰতিজ্ঞ হয়। হৰেচিও আৰু মাৰ্চিলাচক লগ ধৰি তেওঁলোকে সেই ছায়ামূৰ্ত্তি দেখাৰ কথা যাতে কাকো নকয়—সেই কথাৰ শপত খুৱাই লয়।

দ্বিতীয় অঙ্কৰ প্ৰথম দৃশ্যত পলনিয়াচে ৰেইনণ্ডক প্যাৰিছলৈ পঠাইছে পেৰিচত থকা পুত্ৰৰ ওচৰলৈ, পুত্ৰক পা-পইচা দিবৰ কাৰণে। কিন্তু অফেলিয়াই আহি দেউতাকক হেমলেটৰ অদ্ভুত ব্যৱহাৰৰ কথা কয়; অসংলগ্ন পোছাক-পাতিৰে তেওঁৰ কোঠালৈ সোমাই আহি হেমলেটে তেওঁৰ মুখলৈ এনেকৈ চাইছিল যেন তেওঁক "আঁকিহে পেলাব" আৰু তাৰ পিচত এনে এক হতাশাগ্ৰস্ত ভাব প্ৰকাশ কৰিলে আৰু গভীৰ হুমুনিয়াহ পেলালে যেন তাৰ যোগেদি তেওঁ নিজৰ অস্তিত্বকে নিঃশেষ কৰি দিব বিচাৰিছিল।

পলনিয়াচে বুজিলে তেওঁৰ দুহিতাৰ প্ৰতি থকা হেমলেটৰ প্ৰেম প্ৰকৃততে গভীৰ আৰু আন্তৰিক। ব্যৰ্থ প্ৰেমৰ হতাশাই হেমলেটক সেইদৰে উন্মাদ কৰি তুলিছে। কিয়নো দেউতাকৰ কথা শুনিয়েই অফেলিয়াই হেমলেটৰ প্ৰতি থকা তেওঁৰ ভালপোৱা সম্বৰণ কৰিছিল।

দ্বিতীয় দৃশ্যত ৰজা আৰু ৰাণীয়ে হেমলেটৰ লগত একেলগে পঢ়া ৰজেনক্ৰেন্ট্জ্ আৰু গিল্ডাৰষ্টাৰ্নক হেমলেটৰ মনৰ বিষাদগ্ৰস্ততাৰ কাৰণ জানিবৰ বাবে নিয়োগ কৰে। পলনিয়াচে আহি ৰজা আৰু ৰাণীক অফেলিয়াৰ প্ৰতি থকা প্ৰেমৰ ক্ষেত্ৰত অহা বাধাইযে হেমলেটৰ মানসিক অসুস্থতাৰ কাৰণ সেই কথা কয়। তেওঁৰ কথা শুনি অফেলিয়াই হেমলেটৰ প্ৰেম প্ৰত্যাখ্যান কৰাৰ পিচত হেমলেটে কেনেকৈ উদ্‌ভ্ৰান্ত ভাবে অফেলিয়াৰ কোঠাত সোমাই অশান্ত মনৰ পৰিচয় দিয়ে সেই কথা পলনিয়াচে ক'লে। ব্যৰ্থ প্ৰেমেই হেমলেটৰ বলিয়ালিৰ কাৰণ হয়নে নহয় সেই কথা ৰজাই প্ৰমাণ কৰি চাব বুলি ক'লে।

ৰজেনক্ৰেণ্টজ্‌ আৰু গিল্ডষ্টাৰ্ণে হেমলেটক লগ ধৰিলে। কিন্তু হেমলেটৰ পৰা কোনো কথা উলিয়াব নোৱাৰিলে। পলনিয়াচেও হেমলেটক লগ ধৰিছিল। কিন্তু হেমলেটৰ পৰা কোনো কথা উলিয়াব নোৱাৰিলে। পলনিয়াচেও হেমলেটক লগ ধৰিছিল। কিন্তু হেমলেটে তেওঁক মূৰ্খহে সজালে। ইতিমধ্যে সেই সময়ত নাট্য দল এটাৰ চাৰিজন লোক আহি হেমলেটক লগ ধৰিলে। হেমলেটে তেওঁলোকৰ মুখত নাটকৰ বচনৰ প্ৰাণস্পৰ্শী আবৃত্তি শুনি তেওঁলোকক পিচদিনাই নিৰ্ব্বাচিত দৰ্শকমণ্ডলীৰ আগত "গঞ্জাগোৰ হত্যা" নামৰ নাটকখনৰ অভিনয় কৰিবলৈ নিৰ্দ্দেশ দিলে। সন্মতি প্ৰকাশ কৰি নাট্যদলটি গ'ল। হেমলেট অকলশৰীয়া হ'ল আৰু তেওঁৰ মনলৈ বিভিন্ন ভাবৰ জোৱাৰ এক স্বগতোক্তিৰ দ্বাৰা তেওঁ প্ৰকাশ কৰিলে। পিতৃহত্যাৰ প্ৰতিশোধৰ দৰে এক পবিত্ৰ কৰ্ত্তব্যত পলম কৰাৰ কাৰণে তেওঁ নিজকে এজন ভীৰু আৰু অকৰ্মণ্য বুলি আত্মগ্লানিত নিমজ্জিত হৈ পৰিল। কিন্তু লগে লগে তেওঁৰ মনলৈ এই কথাও আহিল যে মৃত পিতৃৰ যি ছায়ামূৰ্ত্তি তেওঁ দেখিছিল সেইয়াতো তেওঁক পাপত নিমজ্জিত কৰিবৰ কাৰণে অসৎ শক্তিৰ চাতুৰীও হব পাৰে। তেওঁ ঠিক কৰিলে যে তেওঁ ৰজা ক্লডিয়াচক "গঞ্জাগোৰ হত্যা" নাটকৰ অভিনয় চাবৰ কাৰণে আমন্ত্ৰণ জনাব। অভিনয় উপভোগ কৰাৰ সময়ত যদি ৰজাৰ মুখমণ্ডলত অপৰাধী মনৰ পৰিচয় পায়, তেতিয়া তেওঁ নিজৰ কাৰ্য্যপন্থা নিৰ্দ্ধাৰণ কৰিব পাৰিব। হেমলেটে ক'লে— 'নাটকখনেই কথা—য'ত মই ৰজাৰ বিবেকৰ উমান লব পাৰিম।'

তৃতীয় অঙ্কৰ প্ৰথম দৃশ্যৰ আৰম্ভণিতে হেমলেটৰ সেই বিখ্যাত চলিলকিটো পোৱা যায়। 'টু বি অৰ নট্ টু বি, দেট ইজ দি কুৱেচেন ," জীয়াই থকাটোনে, জীয়াই নথকাটো, সেইয়াই মূল প্ৰশ্ন। হেমলেটে এই স্বগতোক্তিত জীৱন আৰু মৃত্যুৰ প্ৰশ্নটো দাঙি ধৰিছে। অৱহেলিত প্ৰেমৰ কাৰুণ্য, পাৰ্থিব মান-সন্মানে সৃষ্ট কৰা ঔদ্ধত্য আৰু অন্যান্য দুৰ্ভাগ্যৰ বিষয়ে তেওঁৰ মনোভাব প্ৰকাশ কৰি কৈছে যে মৃত্যুৰ পিচৰ জগতৰ অজানা বস্তুই আমাক এই জীৱনৰ অন্ত পেলোৱাত বাধা প্ৰদান কৰে।

সেই সময়তে এক পূৰ্ব্ব নিৰ্দ্ধাৰিত আঁচনি মতে অফেলিয়াই হেমলেটক লগ কৰে। ক্লডিয়াচ আৰু পলনিয়াচ পৰ্দ্দাৰ পিছফালে লুকাই থাকি সকলো লক্ষ্য কৰে। হেমলেটে প্ৰথমে অফেলিয়াৰ লগত মৰমেৰেই কথা-বতৰা আৰম্ভ কৰে। কিন্তু অফেলিয়াই হেমলেটে তেওঁক দিয়া উপহাৰ আৰু চিঠিসমূহ হেমলেটক ঘূৰাই

দিয়ে। তেতিয়া হেমলেট অফেলিয়াৰ প্ৰতি ৰূঢ় হৈ পৰে আৰু পবিত্ৰতা ৰক্ষা কৰিবৰ কাৰণে তাইক তপস্বিনীৰ আশ্ৰমলৈ যাবলৈ কয়। লগতে হেমলেটে এই কথাও ক'লে যে যিসকল ইতিমধ্যেই বিবাহিত—এজনৰ বাহিৰে সকলো জীয়াই থাকিব। হেমলেটৰ মুখৰ এই কথা শুনি ক্লডিয়াচে বুজিলে যে হেমলেটৰ মনোজগতত কিবা সাংঘাতিক কথাই ঠাই পাইছে। সেইয়ে তেওঁ হেমলেটক ইংলণ্ডলৈ পঠাবলৈ ঠিক কৰিলে।

দ্বিতীয় দৃশ্যত হেমলেটৰ অনুৰোধ মতে ৰজা আৰু ৰাণী 'গঞ্জাগোৰ হত্যা' নাটকৰ অভিনয় চাবৰ কাৰণে আহিল। গঞ্জাগো আৰু তেঁওৰ পত্নীৰ কথা বতৰাৰে নাটক আৰম্ভ হ'ল। তাৰ পাচত ৰজাৰ ( নাটকত ) বাগিচাতে টোপনি গ'ল। তেওঁৰ ভতিজাকে ৰজাৰ কাণত বিহ ঢালি দিছে! নাটকৰ ঘটনাৰ লগত তেওঁৰ দুষ্কৃত অবিকল মিলি যোৱা দেখি ক্লডিয়াচ অতিষ্ঠ হ'ল আৰু হঠাৎ অভিনয স্থান ত্যাগ কৰিলে। হেমলেট এতিয়া নিশ্চিত হ'ল যে ক্লডিয়াচেই তেওঁৰ পিতৃৰ হত্যাকাৰী হয়। পলনিয়াচে আহি তেওঁক জনালে যে ৰাণীয়ে নিজ কক্ষত হেমলেটক লগ পাব বিচাৰিছে।

তৃতীয় দৃশ্যত ৰজাই হেমলেটক ইংলণ্ডলৈ পঠোৱাৰ সিদ্ধান্ত কৰি হেমলেটৰ লগত যাবৰ কাৰণে ৰজেনক্ৰেণ্ট্‌জ্‌ আৰু গিল্ডাৰষ্টাৰ্ণক সাজু হবলৈ কয়। তেওঁলোক দুজন আঁতৰি যোৱাৰ পিচত ৰজাই তেওঁ কৰা পাপৰ কাৰণে আঁঠুকাঢ় কেইমুহূৰ্তমান ভগৱানক প্ৰাৰ্থনা কৰিছে। ঠিক সেই সময়তে হেমলেট আহিছে মাকৰ কোঠাত মাকক লগ কৰিবৰ কাৰণে। তেওঁ দদায়েকক প্ৰাৰ্থনাৰত অৱস্থাত দেখা পাইছে, এতিয়াই তেওঁ ৰজাক হত্যা কৰিব পাৰে। কিন্তু তেওঁ মনতে গমি পিতি চালে যে তেওঁৰ দেউতাকক প্ৰাৰ্থনা কৰিবলৈ সময় নিদিয়াকৈয়ে হত্যা কৰা হৈছিল। এতিয়া দেউতাকৰ সেই হত্যাকাৰীক প্ৰাৰ্থনাৰত অৱস্থাত হত্যা কৰি প্ৰতিশোধ লব নোৱাৰি। সেয়া হব উপহাৰহে, শাস্তি নহব। দাদায়েকক অব্যাহতি দি হেমলেট মাকৰ কোঠালৈ আগবাঢ়িল

চতুৰ্থ দৃশ্যত হেমলেটে মাকক লগ কৰিছে। মাক-পুতেকৰ এই লগালগিৰ ব্যৱস্থা কৰা হৈছে ক্লডিয়াচৰ নিৰ্দ্দেশমতেই। মাক পুতেকৰ কথা বতৰাৰ ভু-লবলৈ আৰু পিচত ক্লডিয়াচক জনাবলৈ পলনিয়াচ পৰ্দাৰ আঁৰত লুকাই আছে। ৰাণীয়ে কয়—হেমলেটে তেওঁৰ পিতৃক অৰ্থাৎ ক্লডিয়াচক অৱমাননা কৰিছে। হেমলেটে কয় ৰাণীয়ে তেওঁৰ পিতৃক অৰ্থাৎ মৃত ৰজাক অৱমাননা কৰিছে। দুয়োৰে মাজৰ বাক্যবিনিময় উত্তপ্ত হোৱাত ৰাণীয়ে ভয় খাই সহায়ৰ কাৰণে চিঞৰ বাখৰ লগালে

লগে লগে পৰ্দ্দাৰ আঁৰৰপৰা একেদৰেই সহায়ৰ আহ্বান জনোৱা শুনা গ'ল। হঠাৎ আবেগৰ বশৱৰ্ত্তী হৈ হেমলেটে তৰোৱাল উলিয়াই ল'লে আৰু পৰ্দ্দাৰ আঁৰৰপৰাই খাপ মাৰি দিলে। পলনিয়াচৰ খিতাতে মৃত্যু হ'ল।

হেমলেটে মাকক ক্লডিয়াচৰ প্ৰতি থকা উন্মাদ প্ৰেমৰ কাৰণে তিৰস্কাৰ কৰিবলৈ ধৰিলে। লগে লগেই ছায়ামূৰ্ত্তিৰ পুনৰ আৱিৰ্ভাৱ হ'ল আৰু হেমলেটক তেওঁৰ অপূৰ্ণ হৈ থকা প্ৰতিজ্ঞাৰ কথা সোঁৱৰাই দি মাকৰ প্ৰতি মৃদু ব্যৱহাৰ কৰিবৰ কাৰণে সঁকিয়াই দি শূণ্যতে নাইকিয়া হ'ল। ৰাণীয়ে ছায়ামূৰ্ত্তিক দেখা নাই আৰু সেয়ে হেমলেটৰ সেয়া মনৰ অস্থিৰ পৰা সৃষ্টি হোৱা মানসিক ভ্ৰান্তি বুলি ভাবিলে। হেমলেটে কিন্তু ক'লে যে তেওঁ সম্পূৰ্ণ সজ্ঞান আৰু মাকে নিজে কৰা দোষৰ কথা কেতিয়াও পাহৰিব নালাগে। সেইদৰে কৈ তেওঁ মাকৰ পৰা বিদায় লৈ পলনিয়াচৰ মৃতদেহ লৈ প্ৰস্থান কৰিলে।

চতুৰ্থ অঙ্কৰ প্ৰথম দৃশ্যত ৰাণীয়ে ৰজাক হেমলেটে পলনিয়াচক হত্যা কৰাৰ বাতৰি দিয়ে। ৰজাই ৰজেনক্ৰেণ্ট্‌জ্‌ আৰু গিল্ডাৰষ্টাৰ্ণক হেমলেটক তেওঁৰ ওচৰলৈ আহিবলৈ নিৰ্দ্দেশ দিয়ে।

দ্বিতীয় দৃশ্যত ৰাজনক্ৰেণ্ট্‌জ্‌ আৰু গিল্ডাৰষ্টাৰ্ণে হেমলেটক লগ ধৰি ৰজাই তেওঁক বিচৰাৰ কথা কয় আৰু পলনিয়াচৰ মৃতদেহৰ কথা সোধে। হেমলেটে ৰজাক লগ ধৰিবলৈ সন্মত হয় কিন্তু মৃতদেহৰ কথা এৰাই চলে।

তৃতীয় দৃশ্যত ৰজাই হেমলেটক পলনিয়াচৰ মৃত দেহৰ কথা সোধাত হেমলেটে অৱশেষত ষ্টেয়াৰকেচৰ তলতে মৃতদেহ থকাৰ কথা কয়। ৰজাই মৃতদেহ আনিবৰ কাৰণে মানুহ পঠায়।

ৰজাই হেমলেটক তেওঁৰ নিৰাপত্তাৰ কাৰণেই ইংলণ্ডলৈ যাবলৈ কয়। হেমলেট মান্তি হয়। হেমলেটৰ লগত যাব লগা দুইজন ভুৱা বন্ধু ৰাজেনক্ৰেণ্ট্‌জ্‌ আৰু গিল্ডাৰষ্টাৰ্ণৰ হাতত ইংলণ্ডৰ ৰজালৈ ক্লডিয়াচে দিয়া চিঠিত ইংলণ্ড পোৱা মাত্ৰেই হেমলেটক মৃত্যুদণ্ড দিবৰ কাৰণে নিৰ্দ্দেশ দিয়ে।

চতুৰ্থ দৃশ্যত ইংলণ্ডলৈ যোৱাৰ পথত হেমলেটে নৰওৱে বাহিনীৰ কেপ্টেইনজনক লগ পায়। কেপ্টেইনৰ পৰা হেমলেটে জানিব পাৰিলে যে ডেনমাৰ্ক বাহিনীয়ে পোলেণ্ডৰ বিৰুদ্ধে যুদ্ধলৈ আগবাঢ়িছে, অকনমানি ভূখণ্ডৰ কাৰণে। হেমলেটে আকৌ তেওঁৰ অকৰ্ম্মণ্যতাৰ বিষয়ে চিন্তা কৰিবলৈ ধৰিলে। তেওঁ পুনৰ মন বান্ধিলে যে ভৱিষ্যতে তেওঁ ৰজাৰ বাহিৰে অন্য কথা একো নাভাৱে।

পঞ্চম দৃশ্যত অফেলিয়াক উন্মাদিনী অৱস্থাত দেখা যায়। মৃতদেহৰ গাত ফুল ছটিওৱাই গান গাই তাই ইঙ্গিত দিব খোজে তাই দেউতাকৰ শৱদেহৰ ওপৰত ফুল ছটিয়াইছে। পিচ মুহূৰ্ত্ততে অস্ত্ৰ-শস্ত্ৰৰে সুসজ্জিত হৈ কেইজনমান ডেনিচ লোকৰ সৈতে লৰিটিচ সোমাই আহে আৰু ৰজাৰ পৰা তেওঁৰ পিতৃ পলনিয়াচৰ মৃত্যুৰ কাৰণ জানিব বিচাৰে। ৰজাই খুব কৌশলেৰে লৰিটিচক বুজাই যে তেওঁলোক উভয়ৰে শত্ৰু হেমলেটেইহে তেওঁৰ পিতৃৰ মৃত্যুৰ কাৰণে দায়ী। পিচ মুহূৰ্তে অস্থিৰ অৱস্থাৰ অফেলিয়াক দেখি লৰিটিচ আৰু মৰ্ম্মাহত হয়।

ষষ্ঠ দৃশ্যত হেমলেটে এখন চিঠিৰ দ্বাৰা হৰচিওক জনায় যে তেওঁ ডেনমাৰ্কলৈ ঘূৰি আহিছে। লগতে এই কথাও জনায় যে চিঠি কঢ়িয়াই নিয়া নাবিককেইজনেই হৰচিওক তেওঁৰ ওচৰলৈ লৈ আহিব।

সপ্তম দৃশ্যত ৰজাই লৰিটিচক সম্পূৰ্ণ তেওঁৰ ফলীয়া কৰিবলৈ সক্ষম হোৱা দেখা গৈছে। ৰজাৰ কথা অনুযায়ী লৰিটিচৰ ধাৰণা হ'ল যে হেমলেটেই তেওঁৰ দেউতাকৰ মৃত্যু আৰু অফেলিয়াৰ উন্মাদ অৱস্থাৰ কাৰণে জগৰীয়া। এইসময়তে ৰজাই হেমলেটৰ পৰা চিঠি পাই যে হেমলেট ডেনমাৰ্কলৈ ঘূৰি আহিছে। ৰজাই তেতিয়াই লৰিটিচক হেমলেটৰ লগত এখন বন্ধুত্বপূৰ্ণ তৰোৱাল যুদ্ধত প্ৰবৃত্ত হবৰ কাৰণে সৈমান কৰায় আৰু এখন ধাৰ থকা তৰোৱাল লবৰ কাৰণে কয়। লৰিটিচে সম্মতি জনোৱাৰ উপৰিও তৰোৱালত বিহ সানি লোৱাৰ কথা কয়, যাতে সামান্য আঘাটতে হেমলেটৰ মৃত্যু হয়। ক্লডিয়াচে ষড়যন্ত্ৰৰ জাল আৰু নিখুঁত কৰিবৰ কাৰণে কয় যে তেওঁ এগিলাচ বিহ মিহলোৱা পানী সাজু কৰি থব যাতে প্ৰয়োজন পৰিলে সেই গিলাচ খাবলৈ দি হেমলেটৰ সৰ্ব্বনাশ ঘটাব পাৰি।

হঠাৎ ৰাণীয়ে আহি খবৰ দিলে যে পানীত পৰি অফেলিয়াৰ মৃত্যু ঘটিছে। ঘটনাৰ এনে দ্ৰুত পৰিবৰ্ত্তনত ৰজা ক্লডিয়াচ উদ্বিগ্ন হয় আৰু ৰজা ৰাণী দুয়ো শোকত বিহ্বল হৈ গুচি যোৱা লৰিটিচৰ পিচ লয়।

পঞ্চম অঙ্কৰ প্ৰথম দৃশ্যত দুজন ধেমেলীয়া স্বভাৱৰ মানুহে শ্মশান থলীত গান গাই কথা পাতি কোৰেৰে কিবা খান্দি-কুৰুকি আছে। হৰচিও আৰু হেমলেটে এই শ্মশান খাণ্ডোতা দুজনৰ লগত কথা আৰম্ভ কৰে। হেমলেটে মানব জীৱনৰ ক্ষণ-ভঙুৰতাৰ বিষয়ে কিছু দাৰ্শনিক মন্তব্য আগবঢ়ায়। সেই সময়তে এক শৱ-যাত্ৰা অহা দেখি হেমলেট আৰু হৰচিওৱে আত্মগোপন কৰে।

লৰিটিচে অফেলিয়াক উপযুক্ত ৰীতি-নীতিৰে সমাধিস্থ নকৰাত পুৰোহিতৰ লগত তৰ্ক কৰিছে, সেই কথা শুনি হেমলেটে জানিব পাৰিলে যে সেয়া অফেলিয়াৰ

মৃতদেহ। অফেলিয়া আৰু জীয়াই থকা নাই জানি হেমলেট শোকত বিহ্বল হৈ পৰিল। শোকাকুল লৰিটিচে শ্মশান ক্ষেত্ৰত জপিয়াই পৰি কফলৈ ধৰিছে ভনীয়েকৰ লগতে তেওঁকো সমাধিস্থ কৰিব লাগে। লুকাই থকাৰ পৰা হেমলেট ওলাই আহিল। তেওঁ নিজকে 'এজন ডেনমাৰ্কৰ লোক হেমলেট' বুলি পৰিচয় দিলে আৰু সমাধি ক্ষেত্ৰলৈ নামি গ'ল। সমাধি ক্ষেত্ৰতে লৰিটিচ আৰু হেমলেটৰ ডবৰাডবৰি লাগে, অৱশ্যে উপস্থিত থকা সকলে এৰুৱাই দিলে। সমাধি ক্ষেত্ৰৰ পৰা ওলাই আহি হেমলেটে ঘোষণা কৰিলে যে তেওঁ অফেলিয়াক ইমান ভাল পাইছিল, চল্লিশ হাজাৰ ভাতৃৰ ভালপোৱাও তেওঁৰ ভালপোৱাৰ সমান হব নোৱাৰে। অফেলিয়াৰ কাৰণে যি কোনো কৰিবলৈ সাজু আছে বুলি কৈ হেমলেটে লৰিটিচক ভৎসৰ্না কৰি সেই ঠাইৰ পৰা হৰেচিওৰ সৈতে আঁতৰি গ'ল।

পঞ্চম অঙ্কৰ দ্বিতীয় দৃশ্যই নাটকৰ শেষ দৃশ্য। হেমলেটে ভাগ্যৰ বলত কেনেকৈ জীৱন ৰক্ষা কৰিবলৈ সক্ষম হ'ল সেই কথা কবলৈ গৈ হৰেচিওৰ আগত ৰজেনক্ৰেণ্টজ আৰু গিল্ডাৰ্ষ্টাৰ্ণৰ হাতত ইংলণ্ডৰ ৰজালৈ পঠিয়াচে দিয়া চিঠিখন পোৱাৰ কথা ক'লে। সেই চিঠিত ইংলণ্ড পোৱা মাত্ৰেই হেমলেটক হত্যা কৰিবলৈ লিখা হৈছিল। তেওঁ তেওঁৰ নামৰ ঠাইত ভুৱা বন্ধু দুজনৰ নাম ভৰাই চিঠিখন আকৌ বন্ধ কৰি থলে। তাৰ পাচত জলদস্যুয়ে তেওঁলোকৰ জাহাজ আক্ৰমণ কৰাত হেমলেট শত্ৰুৰ জাহাজত জপিয়াই পৰিল আৰু তেওঁলোকৰ হাতত বন্দী হ'ল। কিন্তু জলদস্যুযে ৰাজকোঁৱৰক চিনি পাই তেওক আটাইতকৈ ওচৰত থকা ডেনমাৰ্কৰ বন্দৰটোত নমাই থৈ গ'ল।

সেই সময়তে ৰজাৰ পৰা বতৰা লৈ অছৰিক আহি হেমলেটক জনালে যে হেমলেট আৰু লৰিটিচ দুয়ো মতভেদ পাহৰি বন্ধু হব লাগে। আৰু এই লক্ষ্যত উপনীত হবলৈ তেওঁলোক দুয়ো এখন বন্ধুত্বপূৰ্ণ তৰোৱাল যুদ্ধত প্ৰবৃত্ত হব লাগে।

হেমলেটে লগে লগেই সম্মতি জনালে। পিচ মুহূৰ্ত্ততে ৰজা, ৰাণী, অছৰিক, লৰিটিচ আদি মঞ্চলৈ সোমাই আহে। হেমলেট আৰু লৰিটিচে কৰমৰ্দ্দন কৰি তৰোৱাল চালনাত প্ৰবৃত্ত হয়। প্ৰথমতে হেমলেটে কেইটামান নম্বৰ পায়। লৰিটিচে তেওঁৰ মনৰ দ্বিধাভাব ত্যাগ কৰি হঠাৎ তেওঁৰ বিহসনা তৰোৱালেৰে হেমলেটক সজোৰে আঘাট কৰে। আঘাট পাই হেমলেটৰ খং উঠে। তাৰ পিচত হতাহতি লাগি তেওঁলোকৰ তৰোৱাল দুখন মাটিত পৰি যায়। পিচত বুটলি লওঁতে দুয়োৰে তৰোৱাল সলনি হয়। লৰিটিচৰ বিহসনা তৰোৱাল এইবাৰ হেমলেটৰ হাতলৈ আহে আৰু এই তৰোৱালেৰে হেমলেটে লৰিটিচক আঘাত

কৰে। লৰিটিচে বুজিলে যে হেমলেট আৰু তেওঁ নিজে, উভয়েই বিহসনা তৰোৱালেৰে আঘাতপ্ৰাপ্ত হৈছে ; তেওঁলোক আৰু বেচি পৰ জীয়াই নাথাকে। কিন্তু হেমলেটে সেইকথা একো নাজানে। ইতিমধ্যে ৰজাই হেমলেটৰ কাৰণে সাজু কৰি থোৱা বিহ মিহলোৱা পানী গিলাচ ৰাণীয়ে খালে। তেওঁ মাটিত পৰি গ'ল। ৰজাই কব বিচাৰিছে যে তৰোৱাল যুঁজ কৰা দুজনৰ দেহৰ পৰা তেজ ওলোৱা দেখি ৰাণী মূৰ্চ্ছা গৈছে। ৰাণীয়ে চিঞৰি উঠিল, "নহয়, নহয়, সেই পানী গিলাচ, অ, মৰমৰ হেমলেট, মোক বিহ খুউৱা হ'ল।" হেমলেটে চিঞৰি উঠিল যে এইয়া চৰম বিশ্বাসঘাটকতা, ইয়াৰ বিচাৰ হব লাগিব। খৰধৰকৈ কৰা অসৎকৰ্ম্মৰ কাৰণে লৰিটিচ অনুতপ্ত হ'ল। তেওঁ হেমলেটক বিহসনা তৰোৱাল, বিহ মিহলোৱা পানী আদি গোটেই কথাখিনি ভাঙিপাতি ক'লে। ৰজাই যে ইয়াৰ কাৰণে দোষী সেই কথাও ক'লে। মুহূৰ্ত্তৰ ভিতৰতে হেমলেট এজন সম্পূৰ্ণ বেলেগ মানুহত পৰিণত হ'ল। তেওঁ এতিয়া এজন সম্পূৰ্ণৰূপে কামৰ মানুহ হৈ পৰিল, আৰু বিহমিহলোৱা তৰোৱালেৰে ৰজাক আঘাট কৰিলে। তাৰ পিচত ক্লডিয়াচৰ মুখখন মেলি ধৰি বিহপাত্ৰৰ বাকী থকা খিনি তেওঁৰ ডিঙিত ঢালি দিলে। অৱশেষত দেউতাকৰ ছায়ামূৰ্ত্তিৰ আগত কৰা তেওঁৰ প্ৰতিজ্ঞা হেমলেটে পূৰণ কৰিলে। কিন্তু বিহৰ ক্ৰিয়া তেওঁৰ দেহতো আৰম্ভ হ'ল আৰু হেমলেটে হৰচিত্তক বিহপান কৰাৰ পৰা বিৰত থাকিবলৈ অনুৰোধ কৰি চিৰ বিদায় মাগিলে।

এইদৰেই পঞ্চম অঙ্কৰ দ্বিতীয় দৃশ্যত নাটকৰ সামৰণি পৰে।

## দুই

নাটকখনৰ বিষয়ে একো নজনা মানুহ এজনক যদি নাটকখনৰ কাহিনীটো কোৱা হয়, আৰু যদি হেমলেটৰ চৰিত্ৰটোৰ বিষয়ে একো কোৱা নহয়, মানুহজনৰ স্বাভাৱিকতে ধাৰণা হব যে এইটো এটা বেচ চাঞ্চল্যকৰ আখ্যান। কাহিনীটোত আঠজনৰ অস্বাভাৱিক ভাবে মৃত্যু ঘটিছে। তদুপৰি ব্যভিচাৰ আছে, এটা ছায়ামূৰ্ত্তি আছে, এজনী উন্মাদ গাভৰু আছে, মৰিশালিত হতাহতিৰ ঘটনা আছে। গতিকে এইখন ৰক্তপাত আৰু ভয়াবহতাৰ এখন ট্ৰেজিক নাটক। কিন্তু চেক্সপীয়েৰে এলিজাবেথান যুগৰ ভেনেজৰণৰ নাটকৰ পৰা ইংৰাজী নাট্য-সাহিত্যক মুক্ত কৰিলে বুলিহে কোৱা হয়। তেনেস্থলত চেক্সপীয়েৰে নিজেই তেনে নাটক কিয় লিখিলে ! মানুহজনৰ দ্বিতীয় প্ৰশ্নটো হয়তো হব, হেমলেটে

ছায়ামূৰ্ত্তিৰ ওচৰত কৰা প্ৰতিজ্ঞা লগে লগে পূৰণ নকৰিলে কিয়? তাকে কৰা হলে আঠজনৰ ভিতৰত অন্ততঃ সাতজনৰ জীৱন তেওঁ ৰক্ষা কৰিব পাৰিলেহেঁতেন।

মানুহজনৰ সেই ধাৰণা আৰু সেই প্ৰশ্ন দুয়োটাই একেটা কথাকে সূচায়। নাটকখনৰ গোটেই কাহিনীটো বিবৰ্ত্তিত আৰু বিন্যাসিত হৈছে হেমলেটৰ চৰিত্ৰৰ আনৰ লগত নিমিলা এই বিশেষ গুণখিনিৰ কাৰণেই। হেমলেটৰ চৰিত্ৰৰ অবিহনে নাটকখনৰ কাহিনী সঁচাকৈয়ে চাঞ্চল্যকৰ আৰু ভয়াবহ হৈ পৰিলহেঁতেন। কিন্তু প্ৰকৃততে হেমলেট নাটকখন চাঞ্চল্যকৰ বা ভয়াবহ ধৰণৰ ট্ৰেজিক নাটক নহয়। আনকি চেক্সপীয়েৰৰ আন তিনিখন বিখ্যাত ট্ৰেজেদি অথেলো, কিংলিয়েৰ আৰু মেকবেথতকৈও 'হেমলেট'ৰ ফলশ্ৰুতি কম ভয়াবহ। আকৌ হেমলেট চৰিত্ৰটিৰ আনৰ লগত নিমিলা এই বিশেষ গুণখিনিৰ কথা নাজানিলে নাটকখনৰ কাহিনীটো ভালকৈ বুজি পাবও নোৱাৰি। চৰিত্ৰটোৰ কাৰ্য্য সম্বন্ধে সেই আশ্চৰ্য্য প্ৰকাশ কৰিবলগীয়া প্ৰশ্নটোৱেই মনলৈ আহিব। কিন্তু আন তিনিখন নাটকৰ কাহিনীভাগ যথেষ্ট সহজবোধ্য আৰু তেনে ধৰণৰ প্ৰশ্ন উদয় হোৱাৰ কোনো সম্ভাৱনা নাথাকে। এইটোও মন কৰিবলগীয়া কথা যে চেক্সপীয়েৰৰ হাতত নাটকখনৰ কাহিনীটো যেনেকৈ প্ৰস্ফুটিত হৈ উঠিছে, তাৰ মাজত হেমলেটৰ চৰিত্ৰটোৱে এক নতুন ৰূপ পৰিগ্ৰহ কৰিছে, আৰু হেমলেটৰ চৰিত্ৰৰ বিলম্বৰ যি সমস্যা (problem of delay) সেইয়াও প্ৰাচীন আখ্যানটোত চেক্সপীয়েৰৰ এক মোহময় সংযোজন। 'হেমলেট' আলোচনা কৰোতে আৰু এটা কথা আমাৰ চকুত পৰে, নাটকখনত নায়কৰ বাহিৰে শোকাবহ ভাবমূৰ্ত্তি জগাই তুলিব পৰা অন্য কোনো চৰিত্ৰ আমি লগ নাপাওঁ। 'মেকবেথ'ত মেকবেথৰ লগতে লেডী মেকবেথক পাওঁ; 'অথেলো'ও অথেলোৰ লগতে ইয়াগ'ক পাওঁ; 'কিংলিয়েৰ'ত কিং লিয়েৰৰ লগতে কৰ্ডেলিয়াক পাওঁ। কিন্তু 'হেমলেট' নাটকত হেমলেটৰ চৰিত্ৰটোৰ অবিহনে নাটকখনত চেক্সপীয়েৰৰ ট্ৰেজেদিৰ মহত্ব প্ৰস্ফুটিত হৈ নুঠে। গতিকে দেখা গ'ল যে হেমলেটৰ চৰিত্ৰটো বাদ দিলে হেমলেট নাটকখন এক অদ্ভুত ৰূপত পৰ্য্যবসিত হব।

সেই কাৰণেই চেক্সপীয়েৰৰ হেমলেট চৰিত্ৰটি আটাইতকৈ জনপ্ৰিয় আৰু খুব সম্ভৱ বিশ্বসাহিত্যত আটাইতকৈ বেচি আলোচিত চৰিত্ৰটিও এই হেমলেট চৰিত্ৰই।

## ॥ তিনি ॥

মৃত ৰজাৰ ছায়ামূৰ্ত্তিয়ে হেমলেটৰ আগত যেতিয়া প্ৰকাশ কৰিলে যে হেমলেটৰ পিতৃৰ স্বাভাৱিক ভাবে বা দুৰ্ঘটনাবশতঃ মৃত্যু হোৱা নাছিল, হেমলেটে সম্পূৰ্ণ কথাখিনি জানিবৰ কাৰণে অতিশয় ব্যগ্ৰ হৈ পৰিল।

যেতিয়া ছায়ামূৰ্ত্তিৰ পৰা হেমলেটে মৃত পিতৃক অস্বাভাৱিকভাবে হত্যা কৰাৰ কথা জানিব পাৰিলে আৰু যেতিয়া ছায়ামূৰ্ত্তিয়ে হেমলেটক পিতৃহত্যাৰ প্ৰতিশোধ লবলৈ আহ্বান জনালে, হেমলেটে দীপ্তকণ্ঠে নিজৰ দৃঢ়তা প্ৰকাশ কৰিলে, "মই মোৰ স্মৃতিৰ বুকুৰ পৰা সকলো সৰু-সুৰা কথা বাদ দিম ।' আৰু ক'লে, "কেৱল তোমাৰ নিৰ্দ্দেশেই হব মোৰ একমাত্ৰ কথা।"

তথাপিও, এই দৃঢ়তা প্ৰকাশ কৰাৰ দুমাহৰ পিচতো হেমলেটে নিজৰ দীৰ্ঘসূত্ৰিতাৰ কাৰণে নিজক গঞ্জনা দিয়াৰ বাহিৰে একো কৰা নাছিল। ছায়ামূৰ্ত্তিৰ আগত পৰম পবিত্ৰতাৰে কৰা তেওঁৰ প্ৰতিজ্ঞা শেষ সময়লৈকে অসম্পাদিত হৈ ৰ'ল আৰু যেতিয়া তেওঁ প্ৰতিজ্ঞা পূৰণ কৰিলে, সেইয়া অতি পলম হৈ গ'ল। তাৰ পিচতেই তেওঁ এই ধৰা বুকুৰ পৰা চিৰ বিদায় লব লগা হ'ল। প্ৰতিজ্ঞা পূৰণৰ এই কাম পিচলৈ পেলাই থোৱাৰ অৰ্থাৎ এই দীৰ্ঘসূত্ৰিতাৰ কাৰণ কি? এই 'ডি প্ৰব্লেম্ অৱ্ ডিলে' বা "দীৰ্ঘসূত্ৰিতাই সমস্যা"ই হেমলেট নাটকৰ আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰশ্ন আৰু নাটকখনৰ কেন্দ্ৰীয় বিষয়বস্তু। কেৱল সিমানেই নহয়, হেমলেট নাটকক বিশ্বসাহিত্যত মনোৰমতকৈও মনোৰম কৰি তোলা হেমলেট চৰিত্ৰটি বিশ্লেষণৰ বেলিকাও এই দীৰ্ঘসূত্ৰিতাৰ প্ৰশ্নই মূল প্ৰশ্ন।

এই পিচলৈ পেলাই থোৱাৰ বা দীৰ্ঘসূত্ৰিতাৰ সমস্যাটো লৈ সমালোচক সকলেও ভিন্নমত পোষণ কৰা দেখা গৈছে। দুই এগৰাকী সমালোচকে অৱশ্যে বিলম্বৰ কথাটোকে অস্বীকাৰ কৰে। আই, এম্, ৰবাৰ্টচনৰ মতে প্ৰথম অঙ্ক আৰু দ্বিতীয় অঙ্কৰ মাজত থকা সময়ৰ ব্যৱধানৰ বাহিৰে বিশেষ বিলম্বৰ কথা নাহে। নাট্য দলটি অহাৰ পিচদিনাই নাটকৰ অভিনয় হৈছে আৰু সেই দিনাই আন কি হেমলেটক বিদেশলৈ পঠোৱাৰ সিদ্ধান্ত লোৱা হয়। মাথোন হেমলেটৰ মুখত দিয়া চলিলকি সমূহে এই বিলম্বৰ ধাৰণা আনি দিছে। আন এজন সমালোচক ই. ই. ষ্টলেও একে ধৰণৰ মতকে পোষণ কৰে।

কিন্তু সৰহভাগ সমালোচকেই এই কথাত একমত যে মৃত পিতৃৰ ছায়ামূৰ্ত্তিয়ে তেওঁৰ ওপৰত আৰোপ কৰা কাৰ্য্য সম্পাদন কৰাত হেমলেটে যথেষ্ট পলম

কৰিছিল। কিন্তু এই পিচপৰি পেলাই থোৱাৰ কাৰণসমূহ কি? এই লৈ সমালোচক সকলৰ মাজত নানা মত দেখা যায়। বহুতৰ মতে এই দীৰ্ঘসূত্ৰিতাৰ কাৰণসমূহ আছিল বাহিৰৰ, হেমলেটৰ মনৰ ভিতৰৰ নহয়। কাৰণ ৰজা ক্লডিয়াচ সদায় ৰখীয়া পহৰীয়াৰে সজ্জিত হৈ থাকে, গতিকে হেমলেটে ছায়ামূৰ্ত্তিৰ পৰা গম পোৱাৰ পিচতে ক্লডিয়াচক হত্যা কৰাতো সম্ভৱ নাছিল। আকৌ হেমলেটে ৰাজহুৱা ন্যায় বিচাৰিছিল, কেৱল ব্যক্তিগত প্ৰতিশোধ লোৱাতে তেওঁ আবদ্ধ থাকিব খোজা নাছিল; অৰ্থাৎ ৰজাৰ দুষ্কৃতিৰ কথা ৰাজহুৱাভাৱে প্ৰচাৰ কৰি দিয়াতো তেওঁ বিচাৰিছিল। ছায়ামূৰ্ত্তিৰ অৱস্থিতিও তেওঁ সন্দেহ কৰা নাছিল যদিও ছায়ামূৰ্ত্তিৰ কথাৰ সত্যাসত্যৰ ওপৰত তেওঁৰ সন্দেহ আছিল। সেই কাৰণে নাট্যদলৰ হতুৱাই থিয়েটাৰ প্ৰদৰ্শন কৰোৱাই সেই কথাৰ প্ৰমাণ লব বিচাৰিছিল। সেইদৰে প্ৰমাণ পোৱাৰ পিচতে তেওঁ ভুলক্ৰমে পল-নিয়াচক হত্যা কৰিব লগা হ'ল, যি কাৰণে ৰজাই তেওঁক ইংলণ্ডলৈ পঠোৱাৰ সুযোগ গ্ৰহণ কৰিবলৈ সুবিধা পালে। সেই কাৰণে ছায়ামূৰ্ত্তিক দিয়া প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ তেওঁ সময়কে পোৱা নাছিল। ডেনমাৰ্কলৈ ঘূৰি আহি হয়তো তেওঁ ৰজাৰ দোষৰ কথা ৰাজহুৱাভাৱে প্ৰচাৰ কৰিলেহেঁতেন। কিন্তু ঘটনাৰ গতি এনে দ্ৰুতভাৱে সলনি হ'ল যে তাকে কৰিবলৈ তেওঁ সময় নাপালে। আৰু যেতিয়া তেওঁ ৰজাক হত্যা কৰে, তেতিয়া ইতিমধ্যে সময় বহুত অতীত হৈ গ'ল।

এই মতবাদ সত্য যেনেই লাগে। কিন্তু নাটকখনৰ পাঠ মনোযোগ দি পঢ়িলে এই মতবাদ মানি লব নোৱাৰি। নাটকখনৰ ক'তোৱেই বাহিৰৰ এই অসুবিধাসমূহৰ কথাৰ উল্লেখ নাই। এই বহিঃ অসুবিধাসমূহ যদি সত্য হ'লহেঁতেন হেমলেটৰ চলিলকি সমূহত এইবোৰৰ উল্লেখ এবাৰলৈ হলেও নিশ্চয় থাকিলহেঁতেন। কিন্তু তেওঁৰ চলিলকি সমূহৰ একোতেই এনে বাহিৰৰ শক্তিৰ উল্লেখ নাই; বৰং এই চলিলকি সমূহৰ পৰা আমি সম্পূৰ্ণ বেলেগ ধাৰণা এটাহে পাওঁ। চতুৰ্থ অঙ্কৰ চতুৰ্থ দৃশ্যত নৰৱেৰ ৰজাৰ ভতিজা ফৰ্টিনবাচ'ৰ সৈন্যবাহিনীৰ কেপ্তেইন জনক লগ পোৱাৰ পিচত হেমলেটে কৈছে—

> I do not know
> why yet I live to say 'This thing is to do'
> Sith I have cause and will and strength and means.
> To do it.

( মই কব নোৱাৰো মই লাগে কিয় জিয়াই আছো "এইটো কৰিব লাগে"।

কিয়নো এইটো মোৰ কৰণীয় আৰু এইটো কৰিবৰ কাৰণে মোৰ শক্তি আছে আৰু উপায়ো আছে।)

নিজৰ শক্তি সামৰ্থ্য লৈ এয়া হেমলেটৰ মিছা অহঙ্কাৰ নহয়। তেওঁ আছিল সকলোৰে প্ৰিয় ৰাজকুমাৰ। ক্লডিয়াচক প্ৰত্যাহ্বান জনোৱা হলে, প্ৰজাসাধাৰণে হেমলেটক নিশ্চয় সমৰ্থন জনালেহেঁতেন। পলনিয়াচৰ মৃত্যুৰ সংবাদ পাই লৰিটিচে ৰজাৰ ওচৰত কেনেকৈ নিজ শক্তিমত্তাৰে দেউতাকৰ মৃত্যুৰ কাৰণ দাবী কৰিছে, সেই কথা আমি দেখিছো। হেমলেটেও পাৰিলেহেঁতেন, বৰং বেচিকৈহে পাৰিলেহেঁতেন, যদিহে তেওঁৰ সিদ্ধান্ত কাৰ্য্যকৰী কৰা ইচ্ছা তেওঁৰ থাকিলহেঁতেন। এইটো কথা নহয় যে হেমলেটে জনসাধাৰণৰ ওচৰত তেওঁৰ কৰণীয় কামৰ যে ন্যায়সঙ্গত সেইকথা প্ৰতিষ্ঠা কৰিব বিচাৰিছিল। অভিনয় দৃশ্যৰ তেওঁ অৱতাৰণা কৰিছিল নিজৰ মনক ছায়ামূৰ্ত্তিৰ কথাৰ নিৰ্ভৰযোগ্যতা সম্পৰ্কে পতিয়ন নিয়াবলৈহে। জনসাধাৰণৰ আগত তেওঁৰ কৰ্ত্তব্য যে ন্যায়সঙ্গত সেইকথা প্ৰতীয়মান কৰিবলৈ নহয়।

গতিকে এই কথা ঠিক যে হেমলেটৰ সমস্যা আছিল নিজৰ মনোজগতৰহে, বাহিৰৰ শক্তিৰ নহয়। কিন্তু তেওঁৰ মনৰ ভিতৰৰ সমস্যাৰ ধৰণ সম্পৰ্কেও সমালোচকৰ ভিন্ন মত আছে।

এই সম্পৰ্কে এটা মতবাদ হৈছে বিবেকৰ মতবাদ। এই মতবাদৰ প্ৰবৰ্ত্তক হৈছে Ulrici। আন এগৰাকী সমালোচক Hudsonয়েও এই মত পোষণ কৰে। তেওঁলোকৰ মত হৈছে হেমলেটৰ কাৰণে প্ৰতিশোধ লোৱা কথাটো হেমলেটৰ বিবেকে মানি লব নোখোজে। সেইয়ে, দদাইদেৱেকক হত্যা কৰা কথাৰ তেওঁ কোনো নৈতিক ন্যায়নিষ্ঠতা বিচাৰি নাপায়। হাডচনে কৈছে বুজোতে তেওঁ ঠিকেই বুজে, হয়, দেউতাকৰ হত্যাকাৰীৰ ওপৰত প্ৰতিশোধ লোৱা উচিত। কিন্তু তথাপিও তেওঁ মনৰ তলীৰো তলীৰ পৰা যেন কিবা স্বৰ্গীয় শক্তিৰ প্ৰভাৱ অনুভৱ কৰে আৰু তেওঁৰ মনৰ সঙ্কল্প শিথিল হৈ পৰে। এই মতবাদ মানি লব পৰাকৈ নাটক খনত কোনো সাক্ষ্য নাই। হেমলেটে বহুবাৰ কৈছে যে তেওঁ পিতৃহত্যাৰ প্ৰতিশোধ লবই লাগিব। সেই পবিত্ৰ কৰ্ত্তব্য সম্পাদন কৰিবলৈ অসমৰ্থ হোৱাত তেওঁক আত্মনিন্দাত প্ৰবৃত্ত হোৱা দেখা গৈছে। আমি কুৰি শতিকাৰ মাপকাঠিৰে পুৰণি দিনৰ প্ৰতিশোধ আৰু শাস্তিক জুখিবলৈ যাব নোৱাৰো। প্ৰাৰ্থনাৰ দৃশ্যত হেমলেটে ক্লডিয়াচক সুযোগ পাইও হত্যা নকৰিলে। কাৰণ প্ৰাৰ্থনা কৰি থকা অৱস্থাত ৰজাক হত্যা কৰিলে ৰজাৰ আত্মাই মুক্তি পাব।

মৃত্যুৰ পিচত ৰজাৰ আত্মাই শান্তিলাভ কৰাটোও তেওঁ বিচৰা নাছিল। বিবেকৰ দ্বাৰা পৰিচালিত হোৱা হ'লে এইদৰে কেতিয়াও নাভাবিলেহেঁতেন।

অন্য এটা মতবাদ হ'ল ভাবপ্ৰবণতাৰ মতবাদ, 'চেন্টিমেণ্টেল থিয়ৰি'। এই মতবাদৰ প্ৰবৰ্ত্তক বিখ্যাত জাৰ্মান কবি ইয়োহান ভলফগাং গ্যেটে। প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে চেক্সপীয়েৰক বহুতে হোমাৰৰ লগত তুলনা কৰিলেও, তেওঁৰ হেমলেট চৰিত্ৰটি কেৱল গ্যেটেৰ ফাউষ্ট চৰিত্ৰৰ লগতহে তুলনা কৰিব পাৰি। অন্য কথাত হেমলেটৰ লগত ফেৰ মাৰিব পৰা চৰিত্ৰ বিশ্বসাহিত্যত কেৱল গ্যেটেৰ হাততেইহে সৃষ্টি হৈছিল। গ্যেটেৰ মতে হেমলেটৰ ব্যক্তিত্ব অতিশয় সুকোমল, পবিত্ৰ আৰু দৃঢ় নৈতিকতাৰ ভেটিত সুপ্ৰতিষ্ঠিত। কিন্তু চৰিত্ৰটিয়ে এনে এক বোজাৰ হেঁচা বহন কৰিবলগীয়া হৈছে যি বোজা তেওঁ বহনো কৰিব নোৱাৰে আৰু আঁতৰাইও পেলাব নোৱাৰে। নাটকৰ নায়ক হব পৰাকৈ চৰিত্ৰটিৰ মানসিক শক্তিৰ অভাৱ। এই মত অনুযায়ী হেমলেটৰ চৰিত্ৰ এইদৰে কোমল, পৰিশীলিত আৰু ঠুনুকা হোৱাৰ কাৰণেই দদায়েকক হত্যা কৰাৰ দৰে এক নিষ্ঠুৰ আৰু অবিবেচক কাৰ্য্য তেওঁ সম্পাদন কৰিব নোৱাৰে। সেইকাৰণেই ছায়ামূৰ্ত্তিয়ে তেওঁৰ ওপৰত অৰ্পণ কৰা দায়িত্ব পালন কৰাৰ ক্ষেত্ৰত তেওঁ এইদৰে হোঁহকা পিছলা কৰি আছিল।

এই মতবাদে হেমলেটৰ চৰিত্ৰৰ এটা দিশত অধিক গুৰুত্ব দিছে। হেমলেট সূক্ষ্ম অনুভূতিসম্পন্ন আৰু সংস্কৃতিবান লোক আছিল সঁচা, সেইবুলি তেওঁ কেতিয়াও দুৰ্বলচিত্তৰ লোক বা কাপুৰুষ নাছিল। সময়ে সময়ে তেওঁ সাহসী ভয়াবহ আৰু নিষ্ঠুৰো হব পাৰিছিল। মাজনিশা ছায়ামূৰ্তিৰ ইঙ্গিতত তেওঁ আঁতৰি যাব খোজাত বন্ধুৱে বাধা দিওঁতে তেওঁ কৈছে।

Unhand me, gentle men

By heaven ! I will make a ghost of him that lets me.

( ঈশ্বৰৰ শপত, ভদ্ৰলোকসকল, মোক এৰি দিয়া, মোক যি বাধা দিয়ে তেওঁক মই হত্যা কৰিম। )

একেদৰেই অফেলিয়াৰ সমাধিক্ষেত্ৰত তেওঁ জপিয়াই পৰিছে আৰু লৰিটিচৰ লগত হতাহতি যুদ্ধত প্ৰবৃত্ত হৈছে। একেদৰেই ইংলণ্ডৰ ৰজালৈ লিখা চিঠিত তেওঁ নিজৰ নামৰ ঠাইত ৰজেনক্ৰেট্‌জ আৰু গিল্ডেষ্টাৰ্ণৰ নাম ভৰাই দি সেই দুজনক মিপুৰীলৈ পঠোৱাৰ ব্যৱস্থা কৰিও তেওঁ অকনো অনুশোচনা অনুভৱ কৰা নাই। একেদৰেই তেওঁ নজনাকৈয়ে হত্যা কৰিছিল বৃদ্ধ পলনিয়াচৰ

মৃত্যুৰ পিচত হেমলেটৰ মনত লেশ মানো অনুতাপৰ সৃষ্টি হোৱা নাছিল। নাটকৰ শেষৰ দৃশ্যত আমি দেখা পাইছো হেমলেটে অতিশয় খৰখৰ ভাবে তীব্ৰ প্ৰতিশোধ পৰায়ণতাৰ ভাবেৰে তেওঁৰ কাম সম্পাদন কৰিছে। ৰজাক তৰোৱালেৰে আঘাত কৰিয়েই তেওঁ ক্ষান্ত হোৱা নাই, ৰজাৰ মুখত বিহ পাত্ৰৰ বাকী থকাখিনি বাকী দি ৰজাক কোৱা কথা কেইষাৰত তেওঁৰ হৃদয়ৰ গভীৰ প্ৰতিশোধ পৰায়ণতাৰ ভাব ফুটি উঠিছে।

> 'এইয়া খা, অবৈধ যৌনসঙ্গমত দোষী,
> হত্যাকাৰী, ৰসাতলে যোৱা ডেন্,
> এইয়া বিহ পান কৰ,
> তোৰ মিলনানন্দ কি ইয়াতেই শেষ ?
> যা, মোৰ মাতৃক অনুসৰণ কৰ।'

যদি হেমলেটে এইখিনি কৰিব পাৰিছিল, পিতৃহন্তাৰ ওপৰত প্ৰতিশোধ লবও পাৰিলেহেঁতেন বহুত আগতেই। কিন্তু হেমলেটৰ চৰিত্ৰত এনে কিবা আছে যিটোৱে তেওঁক এইদৰে কৰ্ত্তব্যৰ পৰা আঁতৰাই ৰাখিছে।

আৰু এটা মতবাদ আছে; সেইটো হৈছে "ইচ্ছাশক্তিৰ দুৰ্বলতা"। এই মতবাদৰ লগত শ্লেগেল ( schlegal ) আৰু কলৰিজ আছে। এই মত অনুযায়ী হেমলেটৰ বিলম্বৰ কাৰণ হৈছে তেওঁৰ সঙ্কল্পৰ স্থিৰতাহীনতা, আৰু সঙ্কল্পৰ এই স্থিৰতাহীনতা হৈছে তেওঁৰ চিন্তাপ্ৰৱণ মনৰ ফলশ্ৰুতি। যেতিয়াই তেওঁৰ সন্মুখলৈ কিবা এটা কাম আহে, তেওঁ কামটোৰ বিষয়ে অন্তহীন ভাবে চিন্তা ভাবনা কৰিবলৈ আৰম্ভ কৰে। অতিমাত্ৰা ভাবনা আৰু চিন্তাই সঙ্কল্পৰ শিথিলতা আনে আৰু কাম কৰাৰ ক্ষমতা নাইকিয়া কৰে। কামটো সম্পৰ্কে মনোযোগ দিওঁতে কামটোৰ ফলাফল কি হব সেই সম্পৰ্কে ভাবোতে ভাবোতে কাম কৰাৰ দৃঢ়তা হেৰাই যায়। ফলস্বৰূপে আমি দেখা পাওঁ যে হেমলেটে হঠাৎ আবেগৰ বশৱৰ্ত্তী হৈহে কিবা কৰিব পাৰে; কোনো এটা কামৰ ওপৰত ভবা চিন্তা কৰি সেই কাম কৰিব নোৱাৰে, ভবা চিন্তা কৰোতেই যায়। কলৰিজৰ মতে হেমলেটৰ অপৰিসীম বৌদ্ধিক ক্ষমতা আছিল। কিন্তু প্ৰকৃত কাম কৰাৰ প্ৰতি একেমতকে পোষণ কৰে। তেওঁৰ মতে হেমলেটৰ বৌদ্ধিক বিচাৰ বিশ্লেষণ, কাম কৰাৰ অক্ষমতা, অধিকভাৱে প্ৰয়োগ কৰা কল্পনা ক্ষমতা, অধিক পৰিমাণৰ যুক্তিপ্ৰদৰ্শনৰ ক্ষমতা—এই সকলোবোৰ মিলি তেওঁক দৈনন্দিন কাম কাজৰ কাৰণে অনুপযুক্ত কৰি তুলিছিল।

হেমলেটৰ চৰিত্ৰৰ দীৰ্ঘসূত্ৰিতাৰ সমস্যা সম্পৰ্কে কলৰিজে দিয়া মতামতখিনি যথেষ্ট সাৰগৰ্ভপূৰ্ণ। এই মত অনুযায়ী হেমলেট প্ৰকৃততে এজন চিন্তাশীল আৰু ভাবুক ব্যক্তি। তেওঁৰ চিন্তা আৰু ভাবনাৰ গণ্ডী ৰবৰ্টিনব্ৰাচ বা লৰিটিচৰ চিন্তাৰ গণ্ডীতকৈ অধিক বিশাল আছিল। হেমলেটৰ চৰিত্ৰৰ এই দিশটোৰ ওপৰত কলৰিজে ঠিকমতেই গুৰুত্ব দিছে। কলৰিজ নিজেও এজন তেনেকুৱা প্ৰকৃতিৰ লোকেই আছিল। তেওঁৰ বৌদ্ধিক চিন্তাভাবনাৰ ক্ষমতা অতিশয় বিশাল আছিল। কিন্তু বেচিকৈ চিন্তাভাবনা কৰিলেই এজন মানুহ কৰ্ম্ম সম্পাদনত ব্যৰ্থ হুবলগীয়া হোৱা কথাষাৰ কিমানদূৰ সত্য ভাবি চাবলগীয়া। মুঠতে, কলৰিজে হেমলেটৰ চৰিত্ৰৰ বৌদ্ধিক দিশৰ প্ৰতি গুৰুত্ব ঠিকেই দিলে, কিন্তু অন্য এটা দিশৰ কথা আওকাণ কৰিলে। সেইটো হৈছে হেমলেটৰ চৰিত্ৰৰ আবেগৰ দিশটোৰ। সমালোচক ডাউডেনে (Dowden) ঠিকেই আঙুলিয়াই দিছে, "হেমলেট মুখ্যতঃ বা মাথোন যে বৌদ্ধিক ক্ষমতাৰ লোকেই আছিল এনে নহয়, তেওঁৰ চৰিত্ৰৰ আবেগৰ দিশটোও বুদ্ধিমত্তাৰ দিশটোৰ দৰে সমানেই গুৰুত্বপূৰ্ণ। তেওঁৰ দুখৰ কাৰণ তেওঁৰ চিন্তাৰ জগততে নিহিত থকাৰ দৰেই তেওঁৰ অনুভূতিৰ জগত আৰু হৃদয় জগততো নিহিত আছিল।"

হেমলেটৰ হৃদয়তে যে তেওঁৰ দুখৰ কাৰণ নিহিত আছিল সেই কথাষাৰে আমাক আৰু এজন বিখ্যাত চেক্সপীয়েৰীয় সমালোচক ব্ৰেডলিৰ মতবাদৰ কাষ চপাই আনে। হেমলেটৰ কাৰ্য্য সম্পাদনৰ লেহেম গতিৰ অন্তৰালত ব্ৰেডলিয়ে বিষাদগ্ৰস্ততা (Melancholy)ৰ মতবাদ আগবঢ়াইছে। কামনকৰাৰ কাৰণে যে হেমলেটে কৰ নোৱাৰাকৈয়ে অজুহাত সৃষ্টি কৰে, তেওঁৰ গভীৰ আত্মনিন্দা আৰু আত্মগ্লানি, এইবিলাকেই তেওঁৰ বিষাদ গ্ৰস্ততাৰ উপাদান। এহাতে হেমলেটৰ কল্পনাপ্ৰৱণ আৰু চিন্তাশীল প্ৰতিভা, আনহাতে হেমলেটৰ নৈতিক আদৰ্শবাদ (moral idealism) এই দুয়োটোৰ সংযোগ সাধন কৰি ব্ৰেডলিয়ে তেওঁৰ বিষাদগ্ৰস্ততাৰ মতবাদ বিশ্লেষণ কৰিছে। ব্ৰেডলিৰ মতে হেমলেটৰ এই বিষাদগ্ৰস্ততা তেওঁৰ স্বভাবজাত নাছিল। অৱস্থাৰ হেঁচাত পৰিহে হেমলেটৰ চৰিত্ৰত এই বিষাদবোধে শিপা মেলে। হেমলেটৰ পিতৃৰ মৃত্যুৰ আগৰ অৱস্থাৰ কথা ভাবিলেই এই কথাৰ উমানিহ ওলাব। নাটকখনৰ পাঠত ক'তো এই কথা নাই যে হেমলেট প্ৰকৃতিগতভাবেই কামৰ প্ৰতি উদাসীন, ভাবুক প্ৰকৃতিৰ মানুহ। বৰং আমি এই কথাহে জানো যে তেওঁ এজন সৈনিক আছিল আৰু খেলাধূলাৰ প্ৰতি অনুৰক্ত আছিল। তেওঁৰ অভিজ্ঞত খাপ আছিল, অসি

—৪

চালনাত পাৰ্গত আছিল, বন্ধুৰ লগত হাঁহি তামাচা কৰি ভাল পাইছিল, হাঁহি উঠা কথা কৈও ভাল পাইছিল। মানুহৰ সাধুতা আৰু সহানুভৱতাত তেওঁৰ অফুৰন্ত বিশ্বাস আছিল। মানুহ সম্পৰ্কে হেমলেটৰ ধাৰণা এই কথা কেই যাৰতে ভালকৈ ফুটি উঠিছে,

"What a piece of work is a man! how noble in reason! how infinite in faculty! in form and moving how express and admirable! in action how like an angel! in opprenhension how like a god! the beauty of the world! the paragon of animals!"

ব্ৰেডলিৰ মতে হেমলেটৰ জীৱনৰ শোকাবহ ব্যৰ্থতাৰ কাৰণ তেওঁৰ চিন্তাশীল স্বভাব নহয়, এলচিনৰলৈ আহি তেওঁৰ নৈতিক আদৰ্শবাদে যি এক গভীৰ আঘাট পালে, সেই আঘাতেইহে এই ব্যৰ্থতাৰ কাৰণে দায়ী। কিন্তু হেমলেট নৈতিক অনুভূতিৰ জগতত এক বিশেষ বৈশিষ্ট্য আছিল। এই বৈশিষ্ট্য হৈছে যে জীৱনে কঢ়িয়াই অনা যি কোনো বিপদে ইয়াত প্ৰবল জোকাৰণিৰ সৃষ্টি কৰিব পাৰিছিল। তেওঁৰ যি নৈতিক জগত এই নৈতিক জগতৰ যি ভাব-অনুভূতি, এইবিলাকে যি কোনো ধৰণৰ প্ৰবল খুন্দা পালে বেচি তীব্ৰভাবে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল। এনে গভীৰ আঘাত যেতিয়া তীব্ৰভাবে অনুভৱ কৰা যায়, তেতিয়া ফল শোকাবহ হৈ উঠিব পাৰে। হেমলেটৰ ক্ষেত্ৰত সেয়ে হ'ল। সেই কাৰণে ব্ৰেডলিয়ে কৈছে যে হেমলেটৰ ট্ৰেজেদিক আমি 'ট্ৰেজেদি অব্‌ ৰিফ্লেকচন' অৰ্থাৎ চিন্তাৰ ট্ৰেজেদি বুলি 'ট্ৰেজেদি অব্‌ মৰেল আইডিয়েলিজম্' বা নৈতিক আদৰ্শবাদৰ ট্ৰেজেদিকে বুলিম।

স্বামীৰ মৃত্যুৰ পিচত অতি খৰখেদাকৈ যে হেমলেটৰ মাকে পুনৰ বিবাহত আবদ্ধ হ'ল, সেই কথাই হেমলেটৰ নৈতিক ভাব অনুভূতিৰ জগতত প্ৰবল আঘাত হানিলে। হেমলেটৰ কাৰণে তেওঁৰ মাক আছিল তেওঁৰ আদৰ্শৰ একমাত্ৰ মাতৃ। স্বামীৰ প্ৰতি তেওঁৰ মাক খুব অনুৰক্তা আছিল। স্বামীৰ মৃত্যুও তেওঁ শৱদেহৰ পাছে পাছে চকুৰ পানীৰে গা তিয়াই লাগি গৈছিল। গতিকে মাকৰ মাজতে হেমলেট আদৰ্শ মাতৃ, আদৰ্শ পত্নীৰ ছবি এখন মূৰ্ত্তভাবে প্ৰকাশ পোৱা অনুভৱ কৰিছিল। কিন্তু সেই মাতৃয়ে যেতিয়া ইমান খৰখেদাকৈ মৃত স্বামীৰ ভাতৃক বিবাহ কৰালে, হেমলেটৰ মনৰ পৰা আদৰ্শ নাৰীৰ সকলো ভাব আদৰ্শ চূৰমাৰ হৈ গ'ল। গাৰট্ৰুডে, ইমান সোনকালে তেওঁৰ ভালপোৱা আৰু আনুগত্য

অন্য এজন লোকৰ ওচৰত অৰ্পণ কৰিব পাৰিলে, হেমলেটে ভাবি বিচুৰ্ত্তি খালে। তেওঁৰ মনৰ পৰা আদৰ্শ মাতৃ, আদৰ্শ পত্নী বা নাৰীত্ব গৰিমাৰ প্ৰতি থকা তেওঁৰ ধ্যান ধাৰণা গাৰট্ৰুডৰ এই বিশ্বাসঘাটকতাই চূৰ্ণবিচূৰ্ণ কৰি পেলালে। তদুপৰি মৃত ৰজাৰ তুলনাত ক্লডিয়াচ আছিল এজন চেট্যাৰ ( satyr ), অৰ্দ্ধ মানব, অৰ্দ্ধ জন্তু বিশেষ প্ৰাণীস্বৰূপ। মৃত স্বামীৰ পৰা ইমান সোনকালে যে গাৰট্ৰুডে ক্লডিয়াচৰ দৰে এজন লোকক বিয়া কৰালে, হেমলেটৰ মন আকাশে নাৰীত্বৰ অধঃপতনত হাঁহাকাৰ কৰি উঠিল। লগে লগে তেওঁৰ মনলৈ বিষাদৰ কলীয়া ডাৱৰ নামি আহিল। আৰু মনৰ এই বিষাদগ্ৰস্ততাৰ লক্ষণসমূহে লাহে লাহে আত্মপ্ৰকাশ কৰিবলৈ ধৰিলে ; সেইবিলাক হ'ল — জীৱনক লৈ এক আমনিবোধৰ ভাব, মৃত্যুৰ প্ৰতি আকুতি, আত্মনিন্দা আৰু জীৱন আৰু জগতৰ প্ৰতি বীতশ্ৰদ্ধ ভাব।

পিচৰ ঘটনাসমূহে এই বিষাদময় অবস্থাক আৰু গভীৰ কৰি তুলিলে। ছায়ামূৰ্ত্তিয়ে মৃতৰজাক কেনেকৈ হত্যা কৰা হৈছিল সেই ভয়াবহ বতৰা হেমলেটক দিলে। গাৰট্ৰুডে যে মৃতৰজাক বিশ্বাসঘাটকতা কৰিলে সেই কথাও ইঙ্গিত ছায়ামূৰ্ত্তিয়েই দিলে। এই বতৰাই হেমলেটৰ নৈতিক আদৰ্শৰ জগতখনত আৰু এটা প্ৰবল আঘাত হানিলে। এই সময়ত হেমলেটক তেওঁৰ এই মানসিক ভাবসাম্যহীনতাপূৰ্ণ অস্থিৰ অবস্থাৰ পৰা ৰক্ষা কৰিব পৰা সম্পদ এটিয়েই আছিল — সেইয়াই হৈছে অফেলিয়াৰ প্ৰতি থকা তেওঁৰ অন্তৰৰ নিভাঁজ আৰু প্ৰকৃত ভালপোৱা। যদি অফেলিয়াই সচাঁকৈয়ে তেওঁক ভাল পাই থাকিলহেঁতেন, হেমলেটৰ নৈতিক আদৰ্শবাদৰ জগতখনত হয়তো অবলম্বনৰ অবকাশ থাকিলহেঁতেন। মানুহৰ মাজত যে সাধুতা, পবিত্ৰতা আৰু জীৱনৰ সৌন্দৰ্য্যৰ পোহৰ তেতিয়াও আছে, সেই কথা তেওঁ ভাবিব পাৰিলেহেঁতেন। তেওঁৰ নৈতিক আদৰ্শৰ জগতখন কিছু স্থিৰ হৈ থাকিলহেঁতেন। কিন্তু হেমলেটৰ প্ৰেমৰ প্ৰতি অফেলিয়াৰ আকস্মিক, অভাবনীয় আৰু কাৰণবিহীন পৰিবৰ্ত্তনে হেমলেটৰ মনোজগতৰ পৰা আশাৰ শেষ বাতিচৰকণো থহাই পেলালে। হেমলেটৰ মনোজগতৰ পৰা আশাৰ শেষ পোহৰকনো বিচ্ছুৰিত হৈ গ'ল। তেওঁৰ মন আকাশ বিষাদৰ মলিন ডাৱৰে ছাটি ধৰিলে। এই বিষাদ গ্ৰস্ততাই হেমলেটৰ দীৰ্ঘসূত্ৰিতাৰ কাৰণে দায়ী, আৰু হেমলেটৰ জীৱনৰ কৰুণ পৰিণতিৰ প্ৰকৃত কাৰণ।

এই বিষাদগ্ৰস্ততাই হেমলেটক কাৰ্য্যসম্পাদনৰ প্ৰতি নিস্পৃহ কৰি তুলিলে। ইয়াৰ ফলস্বৰূপে তেওঁ জীৱনৰ সকলো উপাদান সম্পৰ্কে এক বিৰাগৰ ভাব পোষণ

কৰিবলৈ লগে। এই বিৰাগৰ ভাবে কেতিয়াবা ইয়াৰ চৰম অৱস্থা পায়গৈ ; তেতিয়া তেওঁ মৃত্যুৰ কথা ভাবে। সাধাৰণভাবে এই বিৰাগৰ ভাব থাকেই আৰু ই তেওঁক জীৱন সম্পৰ্কে উদাসীন কৰি তোলে। কেতিয়াবা এই বিৰাগৰ ভাবে তেওঁক এৰা দিয়ে। কিন্তু খুব কম সময়ৰ কাৰণেহে। স্বাভাৱিকতেই এনেকুৱা মানসিকতাত ভোগা এজন মানুহে আগৰে পৰা ভাবিচিন্তি ঠিক ঠাক কৰি লৈ কাৰ্য্যসম্পাদন কৰিব কেতিয়াও নোৱাৰে।

ব্ৰেডলিয়ে আগবঢ়োৱা এই বিষাদগ্ৰস্ততাৰ মতবাদটোৱেই হেমলেট চৰিত্ৰৰ দীৰ্ঘসূত্ৰিতাৰ কাৰণ ব্যাখ্যা দিয়াত সফল হৈছে বুলি কব পাৰি। বিষাদৰ ভাব যেতিয়া অসম্ভ প্ৰবল হৈ উঠে, ইয়েই মানুহক বেচিকৈ ভাবুক কৰি তোলে। এনে ধৰণৰ ভাবনাই মানুহৰ মনৰ শক্তি অবাবতে অন্তহীন ভাবনাত চিন্তাত ক্ষয় কৰে। এইদৰে ভাবোতে ভাবোতে কাম নকৰাৰ কিছুমান চেনু, ওজৰ আৰু অজুহাত নিজে কব নোৱাৰাকৈয়ে সৃষ্টি কৰি লয়। এনে বিষাদ গ্ৰস্ততাৰ দ্বাৰা আক্ৰান্ত এজন মানুহে, খন্তেকীয়া আবেগৰ বশবৰ্ত্তী হৈ যি কোনো কাৰ্য্য সম্পাদন কৰিব পাৰে, কিন্তু শান্তভাবে ভাবিচিন্তি সিদ্ধান্ত লৈ কোনো কাৰ্য্য সম্পাদন কৰিব নোৱাৰে। হেমলেটৰ ক্ষেত্ৰত সেয়ে হ'ল।



# ছনেট

চেক্সপীয়েৰৰ ছনেটসমূহক তেওঁৰ বিখ্যাত জীৱনী লেখক চাৰ ওৱাল্টাৰ ৰেলীয়ে এক ৰহস্যৰ গুহা বুলি অভিহিত কৰিছে। কাৰণ এই ছনেটসমূহৰ মাজত চেক্সপীয়েৰৰ জীৱনৰ এক গোপন অধ্যায় লুকাই আছে বুলি বহুতৰে ধাৰণা। এই ৰহস্য উদঘাটনৰ স্পৃহাই সমালোচকসকলক বহুত ধৰণৰ ধ্যান-ধাৰণাত লিপ্ত হবৰ বাবে প্ৰেৰণা যোগাই আহিছে। বহুতেই কয় যে এই ছনেট-সমূহ চেক্সপীয়েৰৰ ব্যক্তিগত জীৱনৰ সুখ-দুখ, আশা-নিৰাশাৰ অভিজ্ঞতাই জগাই তোলা ভাৱৰাশিৰ উন্মুক্ত প্ৰকাশ মাথোন। কিন্তু এনে অনুমান কিমান-দূৰ সঁচা সেই কথা জনাৰ উপায় চেক্সপীয়েৰে তেওঁৰ জীৱনৰ যিটো অধ্যায়ৰ অস্পষ্ট ইঙ্গিত এই ছনেটসমূহৰ মাজেৰে আমাক দিছে, সেই গোপন অধ্যায়ৰ বিষয়ে অভিনৱ কিবা কথা সমালোচকসকলে যে আমাক কৈছে সিও নহয়। যিবিলাক ব্যক্তি আৰু ঘটনাৰ আভাস চেক্সপীয়েৰে তেওঁৰ ছনেটত দিয়া বুলি কোৱা হয়, সেইবিলাক সঁচাকৈয়ে কবিজনাৰ জীৱনৰ লগত জড়িত আছিল নে নাই। যদি আছিল সেইবিলাকে তেওঁৰ মন কেনেধৰণে চুই গৈছিল, এইবিলাক প্ৰশ্নৰ উত্তৰ বিচাৰি যোৱা সকল এক প্ৰকাৰ হতাশ হৈছে বুলিয়ে কব পাৰি। এইবিলাক প্ৰশ্নই যদিও পাঠকসকলক সময়ে সময়ে বিমোৰত পেলাইছে, আনহাতে এইটোও ঠিক যে এইবিলাক প্ৰশ্নৰ ওপৰত বৰ বেছি গুৰুত্ব আৰোপ নকৰাকৈয়ে চেক্সপীয়েৰৰ ছনেটসমূহ উপভোগ কৰাটো নিতান্ত সহজ। সেয়েহে কোনো কোনো সমালোচকে কয় যে কোনো ধৰণৰ উপৰুৱা জটিল প্ৰশ্নৰ মাজত নোসোমাই ছনেটসমূহত পোৱা ভাবৰ সমন্বয়ৰ ভিত্তিতেই এই ছনেটবিলাক বুজিবলৈ আৰু বিচাৰ কৰিবলৈ চেষ্টা কৰা উচিত।

যি কি নহওক এই ছনেটসমূহ যে চেক্সপীয়েৰৰ বহুমুখী প্ৰতিভাৰ অন্যতম প্ৰকাশ সেইকথা সকলোৱে একমুখে স্বীকাৰ কৰিছে। ইয়াত বিজুৰিত হৈ আছে কবি চেতনা সম্পন্ন এটি মনৰ আবেগ অনুভূতি, আৰু এক স্নিগ্ধ কোমল সৌন্দৰ্য। ভাবৰ অভিনৱত্বতকৈও প্ৰকাশ ভংগীৰ সৌন্দৰ্য, ছন্দৰ লালিত্য আৰু উপমা-কল্পচিত্ৰ আদিৰ ৰূপলাৱণ্যৰ গুণতে এই ছনেটসমূহ [illegible] [illegible]

সকলো প্ৰণয় কবিতাৰ ভিতৰত শীৰ্ষস্থান অধিকাৰ কৰিছে। চেক্সপীয়েৰৰ বিষয়-বস্তু সাধাৰণ—কোনোবা এজন সুন্দৰ যুৱক বন্ধুৰ প্ৰতি কবিৰ গভীৰ ভালপোৱা আৰু ভালপোৱাৰ আনুষঙ্গিক আশা-নিৰাশা, দুখ-বেদনাৰ অভিজ্ঞতা। এই-খিনিতে প্ৰশ্ন হয় কোন সেই অজ্ঞাত যুৱক যাৰ বন্ধুত্ব আৰু বিচ্ছেদে এই ছনেট-বিলাকৰ বাবে প্ৰেৰণা যোগাইছিল? এই বিষয়ে বিভিন্ন সমালোচকে বিভিন্ন ধৰণৰ মতামত প্ৰকাশ কৰিছে। যি দৰে কোনো কোনোৰ মতে এই যুৱক কবিৰ এক কাল্পনিক চৰিত্ৰ মাথোন, ঠিক সেইদৰে এই বন্ধুজন আদৰ্শ মানৱ চৰিত্ৰৰ প্ৰতীক বুলি কোৱা সমালোচকৰো অভাৱ নাই। চেক্সপীয়েৰৰ ছনেট ১৬০৯ খৃঃত প্ৰথম প্ৰকাশ হয়। এই সংস্কৰণটিৰ উচৰ্গা পত্ৰত কোনোবা এজন এইচ. ডব্লিউ. (HW) এই ছনেটসমূহৰ প্ৰেৰণাৰ উৎস বুলি উল্লেখ আছে। বহুতে ভাবে এই এইচ. ডব্লিউ, হাম্পটনৰ আৰ্ল হেনৰী ৰিকলেৰ (Henry Wriothesley) বাহিৰে অন্য কোনো নহয়। কিন্তু আৰু এক শ্ৰেণীৰ সমালোচকে এওঁক পেমব্ৰকৰ আৰ্ল উইলিয়াম হাৰবাৰ্ট বুলি বিশ্বাস কৰে। সম্প্ৰতি এই বিশ্বাসেই বেছি জনপ্ৰিয় যেন লাগে। এই অজ্ঞাত বন্ধুজন ৰিকলেই হওক বা হাৰবাৰ্টেই হওক তেওঁ যে উচ্চ বংশজাত আৰু অপৰূপ দেহ সৌন্দৰ্যৰ গৰাকী সেই বিষয়ে কোনো সন্দেহ থাকিব নোৱাৰে। আনকি তেওঁৰ এটি ছনেটত চেক্সপীয়েৰে এই যুৱকৰ মুখমণ্ডলত নাৰীসুলভ সৌন্দৰ্য প্ৰকৃতিয়ে নিজহাতে আঁকি দিয়া বুলি উল্লেখ কৰিছে। চেক্সপীয়েৰে এইটোও স্পষ্টভাৱে দেখুৱাইছে যে পদমৰ্যাদা আৰু সম্মানত সেই যুৱক তেওঁতকৈ শ্ৰেষ্ঠ। সামাজিক হীনতাৰ এই ভাবে যে মাজে মাজে কবিৰ মন চুই গৈছিল সেই কথাও ছনেটসমূহৰ মাজেৰেই ফুটি ওলাইছে।

চেক্সপীয়েৰে তেওঁৰ প্ৰথম সোতৰটা ছনেটত বিভিন্ন ধৰণৰ যুক্তি দেখুৱাই তেওঁৰ বন্ধুক বিবাহ পাশত আবদ্ধ হৈ সন্তানৰ মাজেৰে তেওঁৰ অপৰূপ দেহলাৱণ্য যুগমীয়া কৰি ৰাখিবলৈ আহ্বান জনাইছে। প্ৰথম ছনেটটোত তেওঁ কৈছে যে সুন্দৰৰ বিস্তাৰ সকলোৰে কাম্য, কাৰণ ইয়াৰদ্বাৰাইহে সৌন্দৰ্যৰ গোলাপ পাহি জীয়াই ৰাখিব পাৰি। প্ৰকৃতিৰ অনুগ্ৰহত যিসকল লোক শাৰীৰিক আৰু মানসিক সৌন্দৰ্যৰ অধিকাৰী হয় তেওঁলোকে সেই সৌন্দৰ্য অপব্যয় কৰাটো দোষণীয়। সেইবুলি অতি সঞ্চয় কৰাটোও প্ৰশংসনীয় নহয়। এতেকে সেই যুৱকে স্বকীয় মহান কাৰ্যত তেওঁৰ সৌন্দৰ্য প্ৰয়োগ নকৰি প্ৰকৃতিৰ দানৰ অবক্ষয়

মাতি অনাতো তেওঁৰ কেন্দ্ৰত নৈতিক অপৰাধ বুলিয়ে ধৰিব লাগিব। ছনেট চাৰিত কবিয়ে কৈছে যে পুবাৰ আকাশত ৰেঙণীয়া ৰঙণ সানি ওলাই আহি শক্তিমান সূৰ্যৰ জেউতিয়ে মানুহৰ চকুত চমক লগাই বহুতো সশ্ৰদ্ধ দৃষ্টি আকৰ্ষণ কৰে। কিন্তু বিয়লিৰ সূৰ্যৰ দুৰ্বল জ্যোতিয়ে মন আকৰ্ষণ কৰিব নোৱাৰে। সেই দৰে জীৱনৰ বিয়লিৰ পৰত সেই যুৱকেও সন্তানৰ অবিহনে বৰ্তমানত সকলো শ্ৰদ্ধা আৰু প্ৰশংসাৰপৰা বঞ্চিত আৰু অৱহেলিত হৈ মৰণৰ কালে আগুৱাই যাব লাগিব। ছনেট ন-ত কবিয়ে কৈছে যে কোনোবা নাৰীৰ জীৱনলৈ বৈধব্যৰ অভিশাপ নমাই অনাৰ ভয়তেই যদি সেই যুৱকে নিঃসঙ্গতাৰ মাজেৰে তেওঁৰ এই নিঃসঙ্গ জীৱনৰ অন্তত প্ৰকৃতিয়েও জানো নিঃসন্তান বিধবাৰ দৰে চকুলো সুটুকিব। ছনেট সোতৰত কবিয়ে তেওঁৰ বন্ধুক সোঁৱৰাই দিছে যে কবিয়ে যদিও তেওঁৰ কবিতাত সেই যুৱকৰ ৰূপ লাৱণ্যৰ ছবি ৰূপায়িত কৰিছে, মৰণশীল মানুহ যে এনে অপূৰ্ব সৌন্দৰ্যৰ গৰাকী হব পাৰে সেই কথা দূৰ ভৱিষ্যতত জানো কোনোবাই বিশ্বাস কৰিব। তেওঁৰ সৌন্দৰ্যৰ প্ৰাপ্য গৌৰৱো অস্বীকাৰ কৰি মানুহে হয়তো কব ই কোনোবা কবিৰ উন্মত্ত মনৰ ভ্ৰান্ত কল্পনা মাথোন। কিন্তু সেই সময়ত তেওঁৰ যদি কোনো সন্তান থাকে সেই যুৱকে দুটি জীৱন লাভ কৰিব পাৰিব। তেওঁৰ সন্তান আৰু কবিৰ কবিতা।

এইদৰে চেক্সপীয়েৰে তেওঁৰ যুৱক বন্ধুক বিবাহৰ মাজেৰে তেওঁৰ নাম আৰু সৌন্দৰ্য সংসাৰত জীয়াই ৰাখিবলৈ অনুৰোধ জনাইছে। বন্ধুৰ প্ৰতি চেক্সপীয়েৰে ঠিক কেনে ধৰণৰ ভালপোৱা পোষণ কৰিছিল তাক সঠিককৈ কোৱা টান। কিন্তু এই ভালপোৱা যে সুগভীৰ আৰু পাৰস্পৰিক আছিল সেই বিষয়ে কোনো সন্দেহ থাকিব নোৱাৰে। আনফালে এইটোও ঠিক যে উচ্চ বংশজাত ঐশ্বৰ্যশীল সেই যুৱকক চেক্সপীয়েৰে তেওঁৰ কবিতাৰ মাজেৰে তোষামোদ কৰা নাছিল। বন্ধুৰ ব্যক্তিত্বক কবিয়ে শ্ৰদ্ধা কৰিছিল, তেওঁৰ সৌন্দৰ্যই কবিৰ মনত অনিৰ্বচনীয় আনন্দৰ শিহৰণ তুলিছিল। আৰু হয়তো তেওঁলোকৰ পৰস্পৰৰ প্ৰতি থকা ভালপোৱাই কবিৰ বাবে এই পৃথিৱীখন ৰোমাঞ্চকৰ কৰি তুলিছিল। ভাগ্যৰ বিড়ম্বনাত সমাজৰদ্বাৰা পৰিত্যক্ত কবিয়ে নিঃসঙ্গতাৰ মাজত আনৰ সৌন্দৰ্য চাই চাই যেতিয়া চকুলো টোকে ( ছনেট উনত্ৰিশ ), বা অকালতে ভাগি যোৱা অতীতৰ সোণালী মপোনবোৰৰ স্মৃতিয়ে আৰু কালৰ বুকুত হেৰাই যোৱা আপোনজনৰ চিন্তাই যেতিয়া তেওঁৰ মনলৈ বিষাদৰ আন্ধাৰ নমায়, নোপোৱাৰ বেদনাই

যেতিয়া তেওঁৰ মন হতাশাৰে ভৰাই পেলায়, সেই সময়তো কবিৰ একমাত্ৰ আশ্ৰয়ৰ স্থল তেওঁৰ বন্ধুৰ ভালপোৱা আৰু সেই ভালপোৱাই কবিৰ মনলৈ নমাই আনে অনাবিল আনন্দৰ বন্যা ( ছনেট ত্ৰিশ )। এই ছনেটবোৰৰ মাজেদি প্ৰিয়জনৰ অনুগত আৰু নিষ্ঠাবান এজন লোকৰ কোমল অনুভূতিৰে ভৰা মনটো খুব সুন্দৰভাৱে ধৰা পৰে। কবিৰ বাবে এই প্ৰেম, এই আনুগত্য এক মহান সত্য, আৰু জীৱন পথৰ উপলব্ধিৰ ই মূল্যবান আহিলা। কবিয়ে বাৰে বাৰে দোহাৰিছে যে সময়ৰ পৰিবৰ্তনে তেওঁৰ ভালপোৱাৰ কোনো পৰিবৰ্তন আনিব নোৱাৰে, ই সময়ৰ প্ৰভাৱৰপৰা মুক্ত। তেওঁৰ বিখ্যাত ছনেট এশ-চৌবিশত চেক্সপীয়েৰে কৈছে যে ভাগ্য বা কৌশলৰ বলত মানুহ সাধাৰণতে সন্মান আৰু গৌৰৱৰ অধিকাৰী হয়, আৰু সেই কাৰণেই এনে সন্মান আৰু গৌৰৱ সময়ৰ দাস মাথোন। কাৰণ অনুকূল সময়ে যি দৰে মানুহক উন্নতিৰ উচ্চতম শিখৰলৈ লৈ যায়, প্ৰতিকূল সময়ে সেই দৰে মানুহক ধ্বংসৰ মুখলৈ ঠেলি লৈ যায়। সৌভাগ্যৰ মুহূৰ্তত ঐশ্বৰ্য, মৰ্যাদা, ক্ষমতা আদি সুন্দৰ ফুলৰ দৰেই আকৰ্ষণীয়, কিন্তু দুৰ্ভাগ্য নামি অহাৰ লগে লগে এইবিলাক সাধাৰণ ঘাঁহ বনৰ দৰেই মূল্যহীন হৈ পৰে। কিন্তু ঘাঁহেই হওক বা ফুলেই হওক সময়ত এইবিলাক মৰহি যোৱাটো স্বাভাৱিক। এতেকে বাহ্যিকতাৰ ৰূপৰেখাত মোহান্ধ লোকৰ ভালপোৱাও সময়ৰ দাস মাথোন। এনে ভালপোৱাৰপৰা ভালপোৱা জন যি কোনো মুহূৰ্ততে বঞ্চিত হ'ব পাৰে। কিন্তু কবিৰ স্বকীয় মহিমাৰে মণ্ডিত; সৌভাগ্যই যি দৰে ইয়াৰ গভীৰতা বঢ়াব নোৱাৰে, দুৰ্ভাগ্যইও একেদৰেই ইয়াৰ উচ্চতা কমাব নোৱাৰে। ভাল পোৱাক স্বাৰ্থপূৰণৰ কৌশল হিচাপে প্ৰয়োগ কৰা সুবিধাবাদীসকল সদায়েই সময়ৰদ্বাৰা প্ৰভাৱিত হয়। তেওঁলোকে তেতিয়াহে বুজে তেওঁলোকৰ ভাল পোৱাৰ মূল্য কিমান।

কুৰি শতিকাৰ দুজন বিখ্যাত সমালোচক লুইচ আৰু লেভাৰে চেক্সপীয়েৰৰ ছনেটসমূহে প্ৰণয় কবিতাৰ এক নতুন দিগন্ত সূচনা কৰা বুলি মত প্ৰকাশ কৰি কৈছে যে প্ৰেমৰ বেদীত অকুণ্ঠ চিত্তে আৰু সম্পূৰ্ণৰূপে নিজক বিলাই দিব পৰা যি ক্ষমতাৰ আভাস এই ছনেটসমূহত পোৱা যায়, সেইটো আন কোনো প্ৰণয় কবিতাত পোৱা নাযায়। কবিৰ ভালপোৱা যে নিকাম, এই ভালপোৱা সকলো ত্যাগৰ বাবে প্ৰস্তুত হৈও যে কাহানিও প্ৰতিদান বিচাৰি ব্যাকুল হৈ উঠা নাছিল সেই কথা ছনেটসমূহেই সুন্দৰভাৱে প্ৰমাণ কৰে। অতৃপ্তিৰ অভিশাপত

পৰু হৈ পৰা কবিয়ে তেওঁৰ বন্ধুৰ বংশ মৰ্য্যাদা, ঐশ্বৰ্য, দৈহিক সৌন্দৰ্য, শিক্ষা আৰু সৌজন্যবে শ্ৰেষ্ঠত্ব স্বীকাৰ কৰিছে, আৰু পদমৰ্য্যাদাত হীন কৰিয়ে সেই কাৰণেই তেওঁৰ বন্ধুক সোঁৱৰাই দিছে যে নিঃকিন কবিৰ বন্ধুত্ব স্বীকাৰ কৰি তেওঁ সমাজৰ চকুত হেয় হোৱাটো তেওঁ (কবিয়ে) কামনা নকৰে (ছনেট ছয়ত্ৰিশ)।

মৃত্যুৰ পিছত কবিৰ স্মৃতি যদি তেওঁ প্ৰিয়জনৰ মনোকষ্টৰ কাৰণ হয়, বা কবিৰ ভালপোৱা সুঁৱৰি যদি তেওঁ সম্মান হেৰুৱাব লগা হয়, তেন্তে তেওঁৰ সকলো স্মৃতি মনৰপৰা মচি পেলাবলৈ কবিয়ে তেওঁৰ বন্ধুক অনুৰোধ জনাইছে (ছনেট একসত্তৰ)।

এই যুৱকৰ প্ৰতি কবিৰ ভালপোৱাৰ আন এটি দিশ প্ৰকাশ পাইছে —বিচ্ছেদৰ ছনেট কেইটাত (ছনেট তিয়াল্লিশৰপৰা আঠাৱলৈ) বন্ধুৰপৰা বহু আঁতৰত থকা কবিৰ মনৰ বিচ্ছেদৰ বেদনাই ছনেট কেইটাৰ প্ৰেৰণা। এই ছনেটসমূহে সুন্দৰভাৱে প্ৰমাণ কৰে যে এই যুৱকৰ প্ৰতি কবিৰ ভালপোৱাই তেওঁৰ সম্পূৰ্ণ সত্তাকে আৱৰি ৰাখিছিল। প্ৰথম পাচোটা ছনেটত কবিয়ে বন্ধুৰ প্ৰতি তেওঁৰ ভালপোৱা বিভিন্ন ধৰণে প্ৰকাশ কৰিছে। তেওঁ কৈছে যে চকুৰ আঁতৰ হৈও তেওঁ বন্ধুৰ মনৰ আঁতৰ হোৱা নাই। কাৰণ প্ৰতি মুহূৰ্ত্তে তেওঁৰ ছবিখনিয়ে কবিৰ মনত লুকা ভাকু খেলিছে, কিন্তু কবিৰ বাবে এই বিচ্ছেদ যে কেৱল বেদনাদায়কেই এনে নহয় (ছনেট বাৱন্ন): কাৰণ বন্ধুৰ স্মৃতিয়ে সময়ে সময়ে কবিৰ মনলৈ অপাৰ্থিব আনন্দ আনি দিয়ে। ইয়াৰ পিছৰ ছনেটটোত কবিয়ে কৈছে যে পুৰুষ সৌন্দৰ্যৰ আদৰ্শৰ প্ৰতীক এডনিচ আৰু নাৰী সৌন্দৰ্যৰ চৰম প্ৰকাশ হেলেন—এওঁলোক দুয়োৰো ৰূপজ্যোতি তেওঁৰ বন্ধুৰ ৰূপ লাৱণ্যৰ আগত নিষ্প্ৰভ হৈ পৰিব। বসন্তৰ সৌন্দৰ্য আৰু শৰতৰ প্ৰাচুৰ্য্যও কবিৰ বন্ধুৰ সৌন্দৰ্য আৰু উদাৰতাৰেই প্ৰকাশ মাথোন। সেই যুৱক যেন সুন্দৰৰ জীৱন্ত প্ৰতিৰূপ আৰু আমি চকুৰে দেখা সকলো বস্তু সেই সুন্দৰৰ জেউতিৰে দুৰ্বল প্ৰতিফলন মাথোন। অৱশেষত কবিয়ে তেওঁৰ বন্ধুক সোঁৱৰাই দিছে যে ভাল পোৱাৰ ঐকান্তিকতাই এই সৌন্দৰ্যৰ জেউতি দুগুণে বঢ়াই তুলিব পাৰে। ছনেট চৌৱন্নত কবিয়ে গোলাপ ফুলক প্ৰতীক হিচাপে লৈ দেখুৱাইছে যে অবিচলি মন আৰু ভালপোৱাৰ পবিত্ৰতাই দৈহিক সৌন্দৰ্যৰ শোভাবৰ্ধন কৰিব। গোলাপ ফুলপাহি কেৱল দেখাতেই সুন্দৰ নহয়, ইয়াৰ অন্তৰ্নিহিত সৌৰভ। গোলাপৰ দৰে সুন্দৰ বহুতো ফুল আছে, কিন্তু সেই

সিহঁতৰ নাই এই ফুল সকলোৱে অৱহেলিত হৈ সময়ত নিঃচিহ্ন হৈ পৰে। কিন্তু গোলাপ কাহানিও অৱহেলিত নহয়। কাৰণ শুকাই যোৱা গোলাপ পাহিয়েও তাৰ মিঠা গোন্ধেৰে প্ৰাণ টানি ধৰে। কবিয়ে আশা কৰিছে যে সেই যুৱকৰ যৌৱনশ্ৰী হেৰাই যোৱাৰ পিছতো তেওঁৰ মন আৰু ব্যক্তিত্বৰ ৰূপ-সৌন্দৰ্য কবিৰ কবিতাত চিৰযুগমীয়া হৈ ৰব।

এই ছনেটসমূহ ৰচনা কৰা সময়ত শঙ্কাই হয়তো চেক্সপীয়েৰৰ মন সময়ে সময়ে কঁপাই তুলিছিল। কবিয়ে ভয় কৰিছিল কিজানিবা এই বিচ্ছেদেই তেওঁৰপৰা তেওঁৰ বন্ধুক চিৰদিনৰ কাৰণে আঁতৰাই নিয়ে। কিজানিবা আন কাৰোবাৰ মৰমৰ মাজত কবিক তেওঁ পাহৰি যায়।

চেক্সপীয়েৰৰ মনৰ এই শঙ্কা সত্যতেই পৰিণত হ'ল। তেওঁৰ নিৰ্মল ভাল পোৱা অৱজ্ঞা কৰি সেই যুৱকে কবিৰ প্ৰেমিকা কোনো এক শ্যামবৰণীয়া সুন্দৰীৰ ( ডাৰ্ক লেডী ) প্ৰেম-পৰশত আবদ্ধ হৈ পৰিল। এই নিদাৰুণ আঘাতত কবিৰ মন বেদনাত ভাগি পৰিল। বন্ধুৰ প্ৰতি বিক্ষোভৰ ভাৱে তেওঁৰ অন্তৰ ভৰাই পেলালে। ছনেট একষষ্ঠিত কবিয়ে যি নিদ্ৰাহীন নিশাৰ কথা উল্লেখ কৰিছে সেই নিশাই বোধকৰোঁ তেওঁ প্ৰথমবাৰৰ কাৰণে উপলব্ধি কৰিলে যে তেওঁৰ প্ৰিয়তম বন্ধু আৰু সুন্দৰী প্ৰেমিকাৰদ্বাৰা তেওঁ প্ৰতাৰিত। সেই নিশা কবিয়ে মৰ্মে মৰ্মে উপলব্ধি কৰিলে যে তেওঁৰ বন্ধুৰ ভালপোৱা মহান হৈও গভীৰ হব নোৱাৰিলে। এই ঘটনাই চেক্সপীয়েৰৰ দুভাগ ছনেটৰ ৰচনাৰ মূল প্ৰেৰণা, প্ৰথমভাগ তেওঁৰ বন্ধুৰ উদ্দেশ্যে ৰচিত আৰু আনভাগৰ লক্ষ্য কবিৰ সেই শ্যাম-বৰণীয়া প্ৰেমিকা বা ডাৰ্ক লেডী। এই ছনেটসমূহৰ যোগেদি যদিও চেক্সপীয়েৰে অস্পষ্ট ইঙ্গিতৰ মাজেৰে ঘটনাৰ আভাস মাথোন আমাৰ আগত দাঙি ধৰিছে। ছনেটসমূহৰপৰা এইটো বুজিব পাৰি যে এই দুয়োভাগ ছনেট কবিয়ে দুটা সুকীয়া মানসিক অৱস্থাত ৰচনা কৰিছিল।

এই তিক্ত অভিজ্ঞতাই কবিৰ মনত কিমান গভীৰভাৱে ৰেখাপাত কৰিছিল সেইটো ছনেটসমূহত স্পষ্টভাৱে প্ৰকাশ পাইছে। বন্ধুৰ প্ৰতি কবিৰ মনত জাগৰিত হোৱা বিক্ষোভৰ ভাব সুন্দৰভাৱে ফুটি ওলাইছে ছনেট চল্লিশত। কবিয়ে তেওঁৰ বন্ধুৰ মঙ্গলৰ কাৰণে জীৱনৰ সকলো দিবলৈ প্ৰস্তুত। তদুপৰি তেওঁৰ অন্তৰৰ অকপট ভালপোৱা সেই বন্ধুৰ কাৰণে সদায়ে আছিল। সেই ভালপোৱাক অৱহেলা কৰি তেওঁৰ বন্ধুৱে এনে কোনো নাৰীৰ প্ৰেম লাভ কৰা

নাই বিটোক তেওঁ পবিত্ৰ বুলি কব পাৰে বা বিশ্বাস কৰিব পাৰে। কবিৰ ভাল পোৱাৰ পৰিবৰ্তে কবিয়ে ভালপোৱা সেই সুন্দৰীৰ প্ৰেম যদি তেওঁ আন্তৰিকতাৰে সৈতে গ্ৰহণ কৰিব পাৰিছে, তেনেহলে কবিৰ কোনো আক্ষেপ নাই। কিন্তু কেৱলমাত্ৰ যদি সাময়িক সুখৰ কাৰণহে তেওঁ সেই সুন্দৰীৰ বাহুবন্ধনত নিজকে বিলাই দি কবিক ছলনা কৰিছে, তেন্তে তেওঁ কবিৰ প্ৰতি চৰম অন্যায় কৰিছে। কবিয়ে হয়তো তেওঁৰ বন্ধুক ক্ষমাই কৰিব। কিন্তু তথাপি তেওঁ সুঁৱৰিছে যে প্ৰিয়জনৰ গোপন অন্যায় শত্ৰুৰ প্ৰত্যক্ষ অন্যায়তকৈও নিষ্ঠুৰ। কবিয়ে তেওঁৰ বন্ধুক অনুৰোধ কৰিছে, তেওঁৰ প্ৰতি যদি বন্ধুৰ অন্তৰত ঘৃণাও ঠাই লয়, তথাপি তেওঁ যেন তেওঁলোকৰ মাধুৰ্যপূৰ্ণ বন্ধুত্বক অসন্মান নকৰায়। ইয়াৰ পিছৰ ছনেটটোত কবিয়ে কৈছে যে তেওঁৰ বন্ধু সৎপথৰপৰা পিছলি পৰা বাবে হয়তো বন্ধুৰ অপৰূপ সৌন্দৰ্য আৰু উন্মাদ যৌৱনেই দায়ী। কাৰণ তেওঁৰ দৰে উচ্ছলৰূপ যৌৱনৰ অধিকাৰী এজন পুৰুষৰ সান্নিধ্য সকলো নাৰীৰে কাম্য। নাৰীৰ প্ৰেম নিবেদনক উপেক্ষা কৰাটো প্ৰায় অসম্ভৱ বুলিয়েই কবিয়ে ভাবে, কিন্তু এই পৃথিৱীত সেই সুন্দৰীয়েই আছিল একমাত্ৰ নাৰী যাক কবিয়ে ভাল পাইছিল, যাৰ প্ৰেমৰ ওপৰত তেওঁৰ ন্যায্য দাবী আছিল, আৰু সেই নাৰীৰ সংস্পৰ্শৰপৰা আঁতৰি থকাটো তেওঁৰ বন্ধুৰ নৈতিক কৰ্তব্য আছিল বুলি তেওঁ ভাবে। কিন্তু সেই নাৰীক কবিৰ বন্ধুৱে তেওঁৰ সৌন্দৰ্যৰদ্বাৰা প্ৰলোভিত কৰি, সেই সুন্দৰীৰ কবিৰ প্ৰতি থকা ভালপোৱাক নিঃশেষ কৰি দি এৰা নাই, লগে লগে বন্ধুত্বৰ মৰ্যাদাৰো অৱমাননা কৰিছে।

প্ৰত্যাশিত কবিয়ে মনৰ সকলো আবেগ দি ৰচনা কৰা এই ছনেট কেইটা তেওঁৰ বন্ধুৰ প্ৰতি জাগ্ৰত হোৱা তেওঁৰ মনৰ বিদ্বেষ আৰু লগতে তেওঁৰ মনত সৃষ্টি হোৱা চিৰন্তন প্ৰেমৰ বিৰোধৰ মূৰ্ত প্ৰকাশ। ভালপোৱা আৰু ঘৃণাৰ এই বিৰোধে কবিৰ মনত সৃষ্টি কৰা তীব্ৰ অন্তৰ্দ্বন্দ্বৰ জ্বালাত কবিৰ মন জৰ্জৰিত হৈ পৰিছিল। এই বিদ্বেষৰ ভাবে কবিৰ ভাষা নিন্দাসূচক কৰি তুলিলেও তেওঁৰ ভালপোৱাক শেষ কৰি দিব পৰা নাছিল। উদাহৰণ স্বৰূপে ছনেট তেত্ৰিশত কবিয়ে কৈছে যে সুউচ্চ গিৰিশিখৰ, সেউজীয়া পথাৰ আৰু বৈ যোৱা নিজৰাৰ পানীত সোণোৱালী বৰণ ছটিয়াই দিয়া পুৱাৰ সূৰুযে আন্ধাৰ ক'লা ডাৱৰৰ মাজত নিজৰ উজ্জ্বল জ্যোতি হেৰুৱাই পেলোৱাৰ দৰে, কবিৰ মন-আকাশৰ সূৰ্যৰ জ্যোতিও কালিমাৰ ক'লা ডাৱৰৰ মাজত ম্লান হৈ পৰাতো

তেওঁৰ বাবে অতিশয় বেদনাদায়ক। কিন্তু সৰগৰ জ্যোতি যদি নোহোৱা হৈ যাব পাৰে মৰতৰ সৌন্দৰ্য্যৰ জেউতি নিষ্প্ৰভ হৈ পৰাত অস্বাভাৱিকতা নাই। ছনেট পঞ্চত্ৰিশত কবিয়ে তেওঁৰ বন্ধুক বিচাৰ কৰিছে মানৱ চৰিত্ৰৰ চিৰন্তন দুৰ্ব্বলতাসমূহৰ আধাৰত। কৃতকৰ্ম্মৰ বাবে আৰু দুখ নকৰিবলৈ অনুৰোধ কৰি কবিয়ে তেওঁৰ বন্ধুক কৈছে যে ধুনীয়া গোলাপবো কাঁইট আছে, ৰূপোৱালী নিজৰাও ক্লেদাক্ত হৈ পৰে, ডাৱৰৰ মাজত চন্দ্ৰ সূৰ্য্যৰ উজ্জ্বল পোহৰো নোহোৱা হৈ যায় আৰু সুন্দৰ ফুল পাহিতো বিষাক্ত কীটে বাহ সাজে। সকলো মানুহেই ভুল কৰে, আৰু বন্ধুৰ পাপ কাৰ্য্যৰ গুৰুত্ব পাতলাবলৈ গৈ কবিয়ে জানো নিজৰ মনো কলুষিত কৰি পেলোৱা নাই? কবিৰ মন বন্ধুৰ প্ৰতি থকা ভালপোৱা আৰু ঘৃণা ভাবৰ বিৰোধত ক্লান্ত হৈ পৰিছে। আৰু সেই কাৰণেই বন্ধুৰ সৌন্দৰ্য্য অমৃতৰ লগতে সেই সৌন্দৰ্য্যৰপৰা নিৰ্গত হোৱা বিষ পান কৰিবলৈকো তেওঁ বাধ্য হৈছে।

কোনোবা এক দুৰ্ব্বল মুহূৰ্ত্তত সংযমৰ বান্ধ হেৰুৱাই কবিৰ বন্ধুৱে যি মহাভুল কৰি কবিৰ মনত নিষ্ঠুৰ আঘাত হানিলে, সেই কথা সুঁৱৰি তেওঁ হয়তো অনুতপ্ত হৈ উঠিছিল। তেওঁলোকৰ বন্ধুত্বৰ মৰ্য্যাদা যাতে ক্ষুণ্ণ নহয় তাৰ বাবে তেওঁ হয়তো পৰম আন্তৰিকতাৰে চেষ্টা কৰিছিল। সেই কাৰণেই হয়তো ছনেট চৌত্ৰিশত কবিয়ে কৈছে যে অনিষ্টকাৰীজনৰ অনুতাপে বেদনাৰে চূৰ্ণ হৈ পৰা অন্তৰৰ শোক জানো কমাব পাৰে। আত্মগ্লানিৰদ্বাৰা তেওঁ জানো কবিৰ হেৰোৱা সন্মান পুনৰ ঘূৰাই আনিব পাৰিব? বন্ধু অনুতপ্ত হলেও কবিয়ে প্ৰেমিকাৰ মৰমৰপৰা বঞ্চিত হোৱা বেদনা পাহৰিব পৰা নাই। কিন্তু হঠাৎ কবিয়ে অনুভৱ কৰিলে যে তেওঁৰ অভিযোগ যুক্তিসঙ্গত হোৱা নাই। অনুতপ্ত বন্ধুৰ চকুলো যে কবিৰ প্ৰতি তেওঁৰ ভালপোৱাৰেই পৰিচায়ক, আৰু সেই চকুলোৰেই বন্ধুৰ কুকাৰ্য্যৰ উপযুক্ত প্ৰায়শ্চিত্ত। সঁচাকৈয়ে ছনেট চল্লিশত কবিয়ে কোৱাৰ দৰে তেওঁৰ প্ৰেম ইমানেই সবল যে এই প্ৰেমৰ কাৰণে প্ৰিয়জনৰ কুকাৰ্য্যৰ নিন্দা কৰিবলৈ তেওঁ অপাৰগ। এই দৰে চেক্সপীয়েৰে ঘৃণা আৰু ভালপোৱা, নিন্দা আৰু ক্ষমা এই পৰস্পৰ বিৰোধীভাৱে তেওঁৰ মনত সৃষ্টি কৰা সংঘাত ছনেটসমূহৰ মাজেৰে ফুটাই তুলিছে। প্ৰেম আৰু ক্ষমাই হয়তো বুজিছিল যে ভালপোৱাৰ ঐকান্তিকতাই এই মৰণশীল জগতত জীৱনৰ একমাত্ৰ আশ্ৰয়, ক্ষমাই হয়তো অন্যায়ৰ যোগ্য প্ৰতিবিধান। কিন্তু তেওঁৰ সাৰ্বজনীন

প্ৰেমৰ আত্মাভিমানৰ এই তিক্ত অভিজ্ঞতাই যে তেওঁৰ অন্তৰত ধুমুহাৰ সৃষ্টি কৰিছিল, আৰু এই ধুমুহাই যে তেওঁৰ সমগ্ৰ সত্তা কঁপাই তুলিছিল এই বিষয়ে কোনো সন্দেহ থাকিব নোৱাৰে।

প্লেটোৱে এঠাইত কৈছে যে যিসকল লোকে প্ৰকৃত অৰ্থত চাব জানে তেওঁলোকৰ চকুত সদায় শাৰীৰিক সৌন্দৰ্য আৰু চৰিত্ৰৰ পবিত্ৰতাৰ সংমিশ্ৰণত গঢ় লৈ উঠা মানৱ চৰিত্ৰই সবাতোকৈ উজ্জ্বল হৈ দেখা দিয়ে। প্লেটোৰ কথাষাৰ চেক্সপীয়েৰৰ অৱগত আছিল নে নাই কোৱা টান, আৰু সেইকথা জনাৰ প্ৰয়োজনো বোধকৰো নাই, কিন্তু তেওঁৰ ছনেটসমূহৰ মাজেৰে চেক্সপীয়েৰে এই একে ভাবকে একাধিকবাৰ প্ৰকাশ কৰিছে। এই ভাবেৰে অনুপ্ৰাণিত ছনেট কেইটাও কবিয়ে তেওঁৰ সেই যুৱক বন্ধুৰ উদ্দেশ্যেই ৰচনা কৰিছিল। কোনো এক সময়ত হয়তো সেই যুৱক নৈতিকতাৰ পথৰপৰা পিছলি পৰিছিল আৰু তেওঁ চৰিত্ৰৰ চৰিত্ৰতা হেৰুৱাই পেলাইছিল। চেক্সপীয়েৰে তুবাৰ বন্ধুক “কামাৰ্ত” বুলি অভিহিত কৰিছে। এই ‘কামাৰ্ত” শব্দটোত নিন্দা আৰু গভীৰ পৰিতাপৰ ভাৱ নিহিত হৈ আছে। সেই বন্ধুৰ দৰে এজন সুন্দৰ আৰু আকৰ্ষণীয় ব্যক্তিৰ যুৱকৰ এই নৈতিক ব্যভিচাৰে নিশ্চয় কবিৰ মনত অতিশয় আঘাত হানিছিল। এই ছনেটবোৰৰ মাজেৰে চেক্সপীয়েৰে তেওঁৰ বন্ধুৰ অপকৰ্মসমূহৰ নিন্দা কৰাৰ লগে লগে সেই ভুল পথেৰে যাতে তেওঁ আৰু অগ্ৰসৰ নহয় তাৰ কাৰণে উপদেশো দিছিল। এই ছনেটবিলাকৰ মাজেদি বিভিন্ন উপমাৰ সহায়ত কবিয়ে দেখুৱাবলৈ যত্ন কৰিছে যে বাহ্যিক ৰূপতকৈও অন্তৰ্নিহিত সৌন্দৰ্যহে শ্ৰেষ্ঠ, লগে লগে কবিৰ মনৰ ঘৃণা আৰু ভালপোৱাৰ দুই বিপৰীতমুখী ভাব এই ছনেটসমূহৰ মাজেদি সুন্দৰভাৱে ফুটি উঠিছে। সুন্দৰ আৰু সুগন্ধি ফুল এই ছনেটসমূহত সততাৰ প্ৰতীক আৰু সুগন্ধহীন বা বেয়া গন্ধযুক্ত বৰ্ণ মানসিক কলুষতাৰ প্ৰতীক। এই ছনেটবোৰত কবিয়ে কব খুজিছে যে সৌন্দৰ্যৰ প্ৰাণকেন্দ্ৰ সততা আৰু এই সততাৰ অবিহনে সৌন্দৰ্যও অকালতে মৰহি যায়। কবিৰ ভাষাও সময়ে সময়ে শ্লেষপূৰ্ণ হৈ উঠিছে, কাৰণ বন্ধুৰ দৈহিক সৌন্দৰ্যত মুগ্ধ হলেও তেওঁৰ নৈতিক ব্যভিচাৰত কবি অতিশয় বিৰক্ত হৈ পৰিছে। ছনেট উনসত্তৰত কবিয়ে সেই যুৱকক কৈছে যে তেওঁৰ শাৰীৰিক সৌন্দৰ্য যে অতুলনীয় আৰু কল্পনাৰ ভুলিকায়ো সেই সৌন্দৰ্যৰ শোভা যে বৰ্ণনাৰ নোৱাৰে সেই কথা সমাজে স্বীকাৰ কৰে। এই প্ৰশংসা তেওঁক সমাজে নিঃসংকোচে দিছে, ই তেওঁৰ ন্যায্য প্ৰাপ্য,

কিন্তু তেওঁৰ ৰূপমুগ্ধ যিসকলে মুখেৰে তেওঁক এই ভূষণ পিন্ধাইছে, মনেৰে তেওঁলোকেই সেই ভূষণৰপৰা তেওঁক বঞ্চিত কৰিছে। কাৰণ তেওঁলোক কেৱল দৈহিক সৌন্দৰ্যৰ বিচাৰতে সন্তুষ্ট হোৱা নাই, তেওঁলোকে সেই যুৱকৰ মনৰ সৌন্দৰ্যৰো বিচাৰ কৰি চাইছে। তেওঁৰ মনৰ প্ৰকৃত ৰূপৰ প্ৰতিফলন সমাজে তেওঁৰ কৰ্মসমূহৰ মাজতেই দেখা পাইছে। চকুৰে যি দেখি হয়তো তেওঁলোকে প্ৰশংসা কৰিছে, মনেৰে তাৰ বিপৰীত উপলব্ধি কৰি তেওঁলোকৰ মন ঘৃণাৰে ভৰি পৰিছে। ধুনীয়া ফুলৰ দৰে সুন্দৰ সেই দেহাত তেওঁলোকে পাইছে সাধাৰণ বনৰীয়া বনৰ কুৎসিৎ ঘ্ৰাণ। পঙ্কিল পৰিবেশত ফুলা ফুল পচি সাধাৰণতে অসৎ গন্ধযুক্ত হৈ উঠাৰ সেই যুৱকৰ নৈতিক ব্যভিচাৰে তেওঁকো দিনে দিনে সমাজৰ চকুত অৱজ্ঞাৰ পাত্ৰ কৰি তুলিছে।

বাহ্যিক ৰূপ আৰু অন্তৰ্নিহিত সৌন্দৰ্যক লৈ ৰচনা কৰা চেক্সপীয়েৰৰ সকলোবোৰ ছনেটৰ ভিতৰত ছনেট চৌৰান্নৈয়ে হ'ল আটাইতকৈ ভাবোদ্দীপক আৰু মনোমোহা। সততাৰ বিকৃত ৰূপ কুৎসিৎতকৈও ভয়াবহ—এয়ে হ'ল এই বিখ্যাত ছনেটটোৰ মূল ভাব। এই ছনেটটোত কবিয়ে আদৰ্শ মানব চৰিত্ৰৰ এখনি ছবি অঙ্কিত কৰিছে, আৰু লগে লগে সততাৰ অধঃপতন কিমান ঘৃণনীয় হব পাৰে সেইটো আঙুলিয়াই দেখুৱাইছে। আনক শাৰীৰিক মানসিক আঘাত দিব পৰা বা আনৰ অন্যায় কৰিব পৰা ক্ষমতা লাভ কৰিও যিসকলে এনে কামত তেওঁলোকৰ ক্ষমতা প্ৰয়োগ কৰাৰপৰা বিৰত থাকে, যিসকলে লোক চক্ষুত যিটো কৰা দেখুৱায় কিন্তু প্ৰকৃততে সেইটো নকৰে, যিসকলে আনৰ মনত প্ৰশংসাভাব, প্ৰণয়াবেগ জগাই তুলিব পাৰে কিন্তু নিজকে সেইবিলাকৰ মাজত বিলাই নিদিয়ে, আৰু যিসকলে আনক প্ৰলোভিত কৰিব পাৰিলেও নিজে সাধাৰণতে প্ৰলোভনৰ ওচৰত ধৰা নিদিয়ে, তেওঁলোকেই প্ৰকৃতিৰ আশীষ স্বৰূপ সৎগুণবোৰৰ অধিকাৰী। কবিয়ে হয়তো বিশ্বাস কৰিছিল যে এই ক্ষমতা এই সকল লোকে পদমৰ্যাদা বংশ বা ঐশ্বৰ্যৰ গৌৰৱতকৈও ব্যক্তিত্বৰ মহত্বৰপৰা, অৰ্থাৎ শাৰীৰিক সৌন্দৰ্য, মানসিক পৱিত্ৰতা, সৌজন্য আদিৰপৰাহে পায়। এই সৎগুণবোৰৰ সুব্যৱহাৰ যিহেতু তেওঁলোকে জানে, সাধাৰণতে তেওঁলোকেই প্ৰকৃতিৰ দানৰ ওপৰত তেওঁলোকৰ আয়ত্ব স্থাপন কৰিব পাৰে। এইসকল লোক হয়তো আত্মকেন্দ্ৰী, নিজৰ বাবেই হয়তো এওঁলোক জীয়াই থাকে, কাৰণ তেওঁলোকৰ শক্তি বা গুণ কাৰ্যক্ষেত্ৰত প্ৰয়োগ কৰিবলৈ তেওঁলোক খুব আগ্ৰহান্বিত

নহয়। কিন্তু বসন্তকালৰ ফুলপাহো নিজৰ বাবেই জীয়াই নাথাকে। জন্ম আৰু মৃত্যুৰ বাহিৰে সেই ফুলপাহৰ বাবে আৰু জানো কিবা অস্তিত্ব আছে। কিন্তু নীৰৱে ফুলি নীৰৱেই মৰহি যোৱা সেই ফুলপাহিৰ যিহেতু সৌন্দৰ্য আছে, চাৰিওকালৰ পৰিবেশটোৰ শোভা বৰ্ধন কৰাত নিজৰ অজ্ঞাতেই ই বৰঙণি যোগায়। অৰ্থাৎ অলস হৈয়ো সেই ফুলপাহি কাৰ্যৰত। কিন্তু সেই ধুনীয়া ফুলপাহিত যেতিয়া অনিষ্টকাৰী পোকে বাহ লয়, তেতিয়াই সৌন্দৰ্যহীন বনৰীয়া বনতকৈও হীন হৈ পৰে। যি দৰে ধুনীয়া সুগন্ধি লিলি ফুলপাহি উৰলি গলে বেয়াগন্ধযুক্ত বনতকৈও বিষাক্ত হৈ পৰে সেইদৰে কুকৰ্মবদ্ধাৰা বিকৃত হৈ পৰা সততা-শঠতাতকৈও ভয়াবহ হৈ পৰে।

ফুলৰ প্ৰকৃত মূল্য তাৰ সৌৰভত আৰু মানুহৰ মূল্য চৰিত্ৰৰ নিৰ্মলতাত। আৰু এই নিৰ্মলতাৰ অবিহনে মানুহৰ সকলো সৌন্দৰ্য অৰ্থহীন হৈ পৰে। প্ৰকৃতিৰ কৃপাত সুন্দৰ ব্যক্তিত্বৰ অধিকাৰী হৈও যিসকলে নিজক পাহৰি নাযায়, তেওঁলোক সুন্দৰ লিলি ফুলপাহিৰ দৰেই আকৰ্ষণীয়। কিন্তু তেনেলোকৰ নৈতিকতাৰ যেতিয়া অৱনতি ঘটে, তেওঁলোক তেতিয়া কুৎসিৎ ঘ্ৰাণযুক্ত ঘাঁহৰ দৰেই ঘৃণনীয় হৈ পৰে।

সেই যুৱকে যদিও অতিশয় ইন্দ্ৰিয় পৰায়ণতাৰ মাজেৰে তেওঁৰ নৈতিক অৱনতি মাতি আনিছিল, এইটোও ঠিক যে তেওঁৰ ব্যক্তিত্বত এক আচৰিত শক্তি আছিল। সেয়ে নোহোৱা হলে চেক্সপীয়েৰে ছনেট এশ ছাব্বিছত তেওঁক প্ৰকৃতিৰ গৌৰৱ বুলি নিশ্চয় নকলেহেঁতেন। ছনেট পচান্নবৈতো কবিয়ে সেই যুৱকৰ দোষবোৰ পূৰ্ণবিকশিত গোলাপৰ মাজত বাহ সজা বিষাক্ত কীটৰ লগত তুলনা কৰি কৈছে যে তেওঁৰ ব্যক্তিত্বৰ প্ৰতি শ্ৰদ্ধা নজনোৱাকৈ সেই দোষবোৰ নিন্দা কৰা অতিশয় কঠিন। ছনেট ছয়ানব্বৈত সেই দৰে তেওঁ কৈছে যে সীহৰ আঙঠিয়ে যি দৰে সুন্দৰী ৰাজৰাণীৰ আঙুলিত সুন্দৰ হৈ পৰে সেইদৰে সেই যুৱকৰ দোষবোৰ তেওঁৰ ব্যক্তিত্বৰ জেউতিৰে পোহৰাই তুলিছে। কিন্তু বিদ্ৰূপৰ সুৰত কবিয়ে এইটো সোঁৱৰাই দিছে যে নিৰীহ ভেৰাৰ মুখা পিন্ধি বাঘে অতি সহজেই অসংখ্য ভেৰাৰ অনিষ্ট সাধিব পাৰে।

এইখিনিতে ছনেট এশ সাতাইশৰপৰা এশচৌৱন্নলৈকে এই আঠাইকেইটা ছনেট বিচাৰ কৰি চোৱাটো নিশ্চয় অপ্ৰাসঙ্গিক নহব। এই কেইটা ছনেটৰ বিষয়-বস্তু চমুকৈ কবলৈ হলে চেক্সপীয়েৰৰ প্ৰেমিকা এক সুন্দৰী নাৰী—যাক ইংৰাজী

সাহিত্যত 'ডাৰ্ক লেডী' বুলি জনা যায়। এই নাৰী কোন আছিল স্থিৰ কৰা অতি কঠিন। সেই কাৰণেই এই নাৰীক বিচাৰি চাব লাগিব এই ছনেটসমূহৰ মাজতেই। ছনেট সমূহৰপৰা আমি এইটোৱেই জানিব পাৰোঁ যে তেওঁক চেক্সপীয়েৰে গভীৰভাৱে ভাল পাইছিল। তেওঁৰ ক'লা চকু আৰু চুলিটাৰিয়ে আছিল চেক্সপীয়েৰৰ বাবে বিশেষ আকৰ্ষণ। কথাবতৰাত তেওঁ বৰ কৌতুকপ্ৰিয় আৰু বসাল আছিল। আমি আৰু জানিব পাৰোঁ যে কবিৰ এই প্ৰেমিক আছিল বিবাহিতা। কাৰণ সেই নাৰীয়ে যে বৈবাহিক জীৱনৰ পণ ভঙ্গ কৰি কবিৰ প্ৰেমৰ মাজত নিজকে বিলাই দিছিল সেই ছনেট এশবাৰতত উল্লেখ আছে। কিন্তু বৈবাহিক জীৱনৰ পণ ভঙ্গ কৰিও তেওঁ কবিক যি একনিষ্ঠ ভালপোৱাৰ প্ৰতিশ্ৰুতি দিছিল সেই প্ৰতিশ্ৰুতিত বিশ্বাস কৰা কবিয়ে এদিন বুজিছিল তেওঁৰ বিশ্বাস কিমান ভ্ৰান্ত। যি মুহূৰ্ত্ততে এই নাৰী কবিৰ বন্ধুৰ প্ৰেম পাশত আবদ্ধ হৈ পৰিল সেই মুহূৰ্ত্তৰপৰাই কবিৰ আৰু তেওঁৰ বন্ধুৰ পাৰস্পৰিক ভালপোৱাৰ ঠাই ললে পাৰস্পৰিক ঈৰ্ষাই। অৱশেষত এই ঈৰ্ষাই কবিৰ বাবে তীব্ৰ মানসিক বেদনাত পৰিণত হ'ল। কিন্তু অকল সেয়ে নহয়। সেই নাৰীয়ে হয়তো আন আন পুৰুষৰ সৈতেও গোপন সম্পৰ্ক গঢ়ি তুলিছিল; ছনেট এশপয়ত্ৰিশ, এশ সাতত্ৰিশত আৰু এশ বিয়াল্লিশত ইয়াৰ ইঙ্গিত পোৱা যায়। ই আছিল চেক্সপীয়েৰৰ বাবে তেওঁৰ ঐকান্তিক ভালপোৱাৰ চৰম পৰাজয়। এই পৰাজয়ৰ বেদনা চেক্সপীয়েৰে মৰ্মে মৰ্মে উপলব্ধি কৰিছিল। সুন্দৰ প্ৰতিশ্ৰুতি আৰু মধুৰ প্ৰেমালাপত মোহান্ধ কবিৰ চকু মেল খালে। বাস্তৱৰ নিষ্ঠুৰতাই তেওঁৰ মন প্ৰাণ কঁপাই তুলিলে। সুকোমল সৌন্দৰ্য্যৰ আঁৰতো যে অগাধ ভালপোৱাক ভৰিৰে মোহাৰি প্ৰৱঞ্চনা কৰিব পৰা নিষ্ঠুৰতা লুকাই থাকিব পাৰে এই উপলব্ধিয়ে কবিৰ মন ভাঙি দিলে (ছনেট এশ একত্ৰিশ)।

কিন্তু চেক্সপীয়েৰৰ কাৰণে তেওঁৰ প্ৰেমিকাৰ প্ৰতাৰণাতকৈও বন্ধু বিচ্ছেদৰ বেদনা আছিল অধিক মৰ্মন্তুদ। সৌন্দৰ্যৰ মায়াজাল ৰচনা কৰি সেই সুন্দৰীয়ে কেৱল কবিকেই ছলনা কৰা নাই, লগে লগে কবিৰ মৰমৰ বন্ধুক সেই মায়াজালত বন্দী কৰি কবিক বন্ধু প্ৰেমৰপৰাও বঞ্চিত কৰিছে। কবিয়ে এই নিৰ্মম প্ৰৱঞ্চনাৰ সকলো যাতনা লাঞ্ছনা সুখ শান্তি সবটৈ প্ৰস্তুত, যদিহে তাৰ বিনিময়ত তেওঁ বন্ধুক সেই নাৰীৰ মায়াজালৰপৰা মুক্ত কৰিব পাৰে। কবিক লাগে লাগে তেওঁৰ বন্ধুৰ ভালপোৱা, যি ভালপোৱা তেওঁৰ জীৱনত একমাত্ৰ আশ্ৰয়ৰ স্থল, যি ভাল

পোৱাৰ মাজত তেওঁ শুনিবলৈ পায় জীৱন ছন্দৰ মধুৰ মূৰ্চ্ছনা। চেক্সপীয়েৰে এই কথাও বুজিছিল যে সেই সুন্দৰীৰ প্ৰেম-পাশৰপৰা তেওঁৰ বন্ধুৰ মুক্তি অসম্ভৱ (ছনেট এশচৌত্ৰিশ)। কাৰণ সেই নাৰীৰ আছে প্ৰেম লিপ্সা যিহৰ উপশম নাই, আৰু কবিৰ বন্ধুৰ আছে অন্তৰৰ কোমলতা, যি কোমলতাৰ বাবে তেওঁৰ মনত প্ৰভুত্ব স্থাপন কৰা সেই নাৰীৰ বাবে সহজ হৈ পৰিছে। কিন্তু তেওঁৰ বন্ধু যদিও সেই সুন্দৰীৰ প্ৰেমত বন্দী কবিয়ে নিজকো সেই সুন্দৰী নাৰীৰ প্ৰেম বন্ধনৰপৰা মুক্ত কৰিব পৰা নাছিল। কাৰণ কবিয়ে যদিও বুজিছিল যে সেই প্ৰেম ভুৱা, তথাপি বিবেকৰ সকলো বাধা ওফৰাই আবেগৰ জোৱাৰে সেই সুন্দৰীৰ সান্নিধ্যলৈ পুনঃ পুনঃ তেওঁক লৈ গৈছিল (ছনেট এশ সাতচল্লিশ)।

এই অন্তৰ্দ্বন্দ্বৰ মুহূৰ্ততে চেক্সপীয়েৰে তেওঁৰ অন্য এটি বিখ্যাত ছনেট (ছনেট এশ চৌৱাল্লিশ) ৰচনা কৰে। কবিৰ ভালপোৱাৰ আনুষঙ্গিক সান্ত্বনা আৰু হতাশাৰ বিবোধ এই ছনেটত সুন্দৰভাৱে প্ৰকাশ পাইছে। বন্ধুৰ প্ৰতি থকা কবিৰ পবিত্ৰ ভালপোৱাই এহাতে যেনেকৈ কবিৰ মনত আনন্দৰ জোৱাৰ তুলিছিল, আনহাতে সেই ভালপোৱাৰ ব্যৰ্থতাই তেওঁক হিৰ্মচৈচা হতাশাৰ মাজলৈ ঠেলি লৈ গৈছিল। ভুৱা প্ৰেমৰ প্ৰতিশ্ৰুতিৰে কবিৰ মনত নিষ্ঠুৰ আঘাত হনা সেই সুন্দৰীক কবিয়ে অভিশাপ দিছে; সৌন্দৰ্য্যৰ মায়াজালেৰে তেওঁৰ বন্ধুক আবদ্ধ কৰি তেওঁৰ মনৰ আৰু চৰিত্ৰৰ পবিত্ৰতা ধ্বংস কৰি এক পঙ্কিলময় জীৱনৰ মাজলৈ ঠেলি লৈ যোৱাৰ সেই নাৰীৰ ঘৃণনীয় প্ৰচেষ্টাক শ্লেষ-পূৰ্ণ ভাষাৰে দাঙি ধৰিছে। সান্ত্বনা আৰু হতাশাৰ বিবোধকে চেক্সপীয়েৰে তেওঁৰ বন্ধু আৰু প্ৰেমিকাক লৈ ৰচনা কৰা ছনেটসমূহৰ প্ৰধান বৈশিষ্ট্য বুলি কব পাৰি।

এই সময়ৰে আৰু এটি ঘটনা চেক্সপীয়েৰৰ বাবে বিশেষ মনোকষ্টৰ কাৰণ হৈ পৰিছিল। চেক্সপীয়েৰৰ ছনেটসমূহত এজন প্ৰতিদ্বন্দ্বী কবিৰ উল্লেখ পোৱা যায়। এই অজ্ঞাতনামা কবিজন কোন সেই বিষয়ে সমালোচকসকলে বিস্তৃত আলোচনা কৰিছে যদিও চেক্সপীয়েৰৰ লগত প্ৰতিদ্বন্দ্বিতা কৰিব পৰা এই কবিজন প্ৰকৃততে কোন সেইটো নিশ্চিতভাৱে কোনেও কব পৰা নাই। কোনো কোনোৱে কয় যে এই ছনেট কেইটা (ছনেট আঠসত্তৰৰপৰা ছিয়াশীলৈকে) কোনো বিশেষ কবিৰ বিষয়ে লিখা নহয়। সেই সময়ত জনপ্ৰিয়তা লাভ কৰা কবিতা ৰচনাৰ নতুন পদ্ধতিৰ ওপৰত চেক্সপীয়েৰৰ ব্যঙ্গাত্মক ভাৱধাৰাৰ প্ৰকাশ মাথোন।

সি যি নহওক, প্ৰিয়জনৰ মৰমৰপৰা বঞ্চিত হোৱাৰ অভিযোগেই এই ছনেট-সমূহৰ বিষয়বস্তু। ইয়াত যদিও কবিৰ আত্মলঘিমাৰ ভাব প্ৰকাশ পাইছে, তেওঁ তেওঁৰ কবিতাৰ শ্ৰেষ্ঠত্ব মুক্তকণ্ঠে স্বীকাৰ কৰিছে। ছনেট আঠসত্তৰত প্ৰথমবাৰৰ কাৰণে কবিয়ে আক্ষেপ কৰিছে যে তেওঁৰ বন্ধু তেওঁৰ প্ৰতিদ্বন্দ্বীৰ কবিতা আৰু শিক্ষা সৌজন্যত মুগ্ধ হৈ কবিৰ প্ৰতি উদাস হৈ পৰিছে। ছনেট আশীত কবিয়ে সংশয় প্ৰকাশ কৰিছে যে তেওঁতকৈ যোগ্যতৰ এজন ব্যক্তিয়ে সেই সুন্দৰ যুৱকক লৈয়ে কবিতা ৰচনা কৰা বুলি কবিয়ে যেতিয়া জানে, তেতিয়া যেন এক মানসিক অলসতাই তেওঁৰ কাব্যিক প্ৰেৰণা নিঃশেষ কৰি দিয়ে। ছনেট ছয়াশীত কবিয়ে কৈছে যে তেওঁৰ প্ৰতিদ্বন্দ্বীৰ বাগাড়ম্বৰপূৰ্ণ কবিতাৰ বিশাল তৰিথনিৰ লক্ষ্য সেই যুৱকৰ অনুগ্ৰহ হৈ পৰাটোৱেই হয়তো কবিৰ কাব্যিক অনুভূতিবোৰেও সৌৰভ বিলাবলৈ পোৱাৰ আগতেই মৰহি যোৱা ফুলৰ দৰেই অকালতে মৰহি গৈছে। তেওঁৰ বন্ধুকো কবিয়ে বিদ্ৰূপৰ সুৰত সোঁৱৰাই দিছে যে তেওঁৰ তোষামোদপ্ৰিয়তা আৰু সুৰুচিহীনতাইহে তেওঁক এনে অসুন্দৰ কবিতাৰ পৃষ্ঠ-পোষক কৰি তুলিছে।

এই কবি প্ৰতিদ্বন্দ্বীৰ আৱিৰ্ভাব আৰু তেওঁৰ প্ৰতি সেই যুৱকে দেখুওৱা অনুগ্ৰহ যদিও চেক্সপীয়েৰৰ কাৰণে তীব্ৰ মানসিক সংঘাতৰ কাৰণ হৈ পৰিছিল, চেক্সপীয়েৰে ক'তো বন্ধুৰদ্বাৰা সম্পূৰ্ণৰূপে বৰ্জিত হৈ পৰা বুলি অভিযোগ কৰা নাই। তথাপি চেক্সপীয়েৰে তেওঁৰ বন্ধুৰ ভালপোৱাৰ শীতলতা উপলব্ধি কৰিছিল, আৰু স্পষ্টভাৱে নকলেও নিজকে যে অবহেলিত যেন অনুভৱ কৰিছিল সেইটো বিদায়ৰ ছনেট কেইটাত ( ছনেট সাতাশীৰপৰা বিৰানব্বৈলৈকে ) ফুটি ওলাইছে। এই ছনেট কেইটা বিশেষত্ব হ'ল কবিৰ আত্মবিলুপ্তিৰ ক্ষমতা আৰু আত্ম-লঘিমা। উদাহৰণ স্বৰূপে ছনেট সাতাশীত কবিয়ে পৰম নিৰাসক্ত ভাব বেদনা বিহ্বল কণ্ঠেৰে তেওঁৰ বন্ধুক বিদায় জনাইছে যে সেই যুৱকৰ ভালপোৱা কবিৰ জীৱনৰ সাহস আৰু প্ৰেৰণাৰ উৎস হলেও সেয়া তেওঁৰ বাবে অতিশয় দুৰ্লভ। কবিৰ প্ৰতি তেওঁৰ বন্ধুৰ ইচ্ছাকৃত দান সেই প্ৰেম ঘুৰাই নিয়াৰ অধিকাৰ তেওঁৰ বন্ধুৰ নিশ্চয় আছে। তদুপৰি কবি হয়তো সেই প্ৰেমৰ যোগ্য পাত্ৰও নহয়। সেইদৰে ছনেট বিৰানব্বৈত কবিয়ে কৈছে যে তেওঁৰ বন্ধুৰ প্ৰেমৰ মাজত কবিয়ে বিচাৰি পাইছিল জীৱনৰ মোহ। তেওঁৰ জীৱনলৈ মৃত্যুৰ অন্ধকাৰ নমাই আনিব আৰু সেই অন্ধকাৰৰ মাজত মানসিক শোক তাপ সকলোবোৰ হেৰাই যাব।

সেয়েহে কবিয়ে দুৰ্ভগীয়া প্ৰবঞ্চিত স্বামীৰ দৰে তেওঁৰ বন্ধুৰ প্ৰেমৰ ওপৰত আস্থা ৰাখিয়ে বন্ধুক ভাল পাই যায়।

চেক্সপীয়েৰৰ মনৰ এই সংঘাত কিমান স্থায়ী আছিল সেয়া ঠাৱৰ কৰা সহজ নহয়। কিন্তু ছনেট সাতাসৰৈৰ পৰা এশ চাব্বিশলৈকে এই ত্ৰিশটা ছনেটৰ ওপৰত ভিত্তি কৰি এই কথা কব পাৰি যে যি সূৰ্যৰ জ্যোতি হেৰাই যোৱাৰ ফলত কবিৰ মনোজগত আন্ধাৰে আৱৰি পেলোৱাৰ কথা ছনেট তেত্ৰিশত উল্লেখ আছে, সেই সূৰ্যৰ পোহৰে পুনৰ এদিন কবিৰ মন উজ্জলাই তুলিছিল। তেওঁৰ মনৰ বেদনাৰ ডাৱৰবোৰ হয়তো এদিন নাইকিয়া হৈছিল আৰু বন্ধুৰ সৈতে থকা পুৰণি সহৃদয়তা ঘূৰিও আহিছিল। ছনেট সাতাসৰৈৰপৰা আমি বুজিব পাৰোঁ যে চেক্সপীয়েৰ কিছুদিনৰ কাৰণে তেওঁৰ বন্ধুৰপৰা আঁতৰি আছিল। এই বিচ্ছেদৰ বেদনা তেওঁ শীতকালৰ হিমচেঁচা বতাহৰ দৰেই অনুভৱ কৰিছিল। হয়তো এই সময়ত তেওঁ তেওঁৰ বন্ধুৰ উদ্দেশ্যে কোনো কবিতাও ৰচনা কৰা নাছিল। কাৰণ ছনেট এশত কবিয়ে তেওঁৰ কাব্যিক প্ৰেৰণাৰ উৎস সেই যুৱকক পাহৰি থাকি মানসিক অলসতাৰ মাজেৰে দিনবোৰ কটাই দিয়াৰ বাবে অনুশোচনা কৰিছে, আৰু সেই যুৱকৰ ভালপোৱাই পুনৰ তেওঁৰ সুপ্ত কাব্যিক অনুভূতিসমূহ জগাই তোলাতো কামনা কৰিছে। ছনেট এশদুইত কবিয়ে এই বুলিও সকিয়াইছে যে দেখাত দুৰ্বল হৈ পৰা যেন লাগিলেও বন্ধুৰ প্ৰতি তেওঁৰ ভালপোৱা ক্ৰমাত গভীৰতৰ হৈহে উঠিছে। ইয়াৰ পাছৰ ছনেটবোৰত চেক্সপীয়েৰে মুক্তকণ্ঠে গাই গৈছে তেওঁৰ বন্ধুৰ ৰূপ আৰু ব্যক্তিত্বৰ জয়গান। অভিজ্ঞতাৰ স্মৃতি এই ছনেটবোৰৰপৰা সমূলি নোহোৱা হৈ যোৱা নাই যদিও সেই অভিজ্ঞতাৰ আনুষঙ্গিক বিদ্ৰূপ শ্লেষ, ক্ষোভ, অভিমান, দুখ, বেজাৰৰ স্থান ইয়াত নাই। অতীতৰ সেই শোকতাপ, দুখ, বেজাৰৰ বিনিময়ত যদি কবি আৰু তেওঁৰ বন্ধুৰ মাজৰ পূৰ্বৰ পবিত্ৰ পাৰস্পৰিক ভালপোৱা পুনৰ ঘূৰি আহিছিল, আৰু সেয়াই আছিল চেক্সপীয়েৰৰ বাবে চৰম পৰিতৃপ্তিৰ বিষয়। নিষ্ঠুৰ প্ৰতাৰণাৰ ক'লা দাগ হিয়াৰ মাজত লৈ চেক্সপীয়েৰে হয়তো তেওঁৰ জীৱনৰ এক কৰুণ অধ্যায়ৰ অন্তত পুনৰ পাইছিল পোহৰৰ ৰেঙণি আৰু তেওঁৰ চিৰবাঞ্ছিত আশ্ৰয়ৰ হৃদ। এই ছনেট কেইটা এনে শান্তোজ্জ্বল আনন্দৰ অনুভূতিৰ মধুৰ প্ৰকাশ। ছনেটসমূহ ৰচনা কৰাৰ পৰৱৰ্তী কালছোৱাতে চেক্সপীয়েৰে তেওঁৰ ট্ৰেজেদি কেইখন লিখিছিল। তেওঁৰ অনুভূতি প্ৰৱণ মনটোক আঁচুৰি যোৱা এই অভিজ্ঞতাবোৰে

ট্ৰেজেদিসমূহৰ ওপৰত কেনেধৰণৰ প্ৰভাৱ পেলাইছিল সেই বিষয়ে নিশ্চিতভাৱে কিবা এষাৰ কৈ পেলোৱা সহজ নহয়। কিন্তু ব্যক্তিগত জীৱনত এই ধুমুহাই কোবাই যোৱা চেক্সপীয়েৰৰ বেদনাসিক্ত মনটোতেই ট্ৰেজেদিসমূহৰ বীজ অঙ্কুৰিত হৈছিল। এটা দিশৰপৰা চালে ছনেটসমূহৰ মাজত যি কাহিনীৰ আভাস আমি পাওঁ সেই কাহিনী, চেক্সপীয়েৰৰ সাহিত্যিক জীৱনৰ এক প্ৰতিৰূপ যেন লাগে। চেক্সপীয়েৰে তেওঁৰ সাহিত্য সাধনা আৰম্ভ কৰিছিল কমেদিৰে, অৰ্থাৎ জীৱনৰ এক আনন্দমধুৰ কাব্যিক উপলব্ধিৰ মাজেৰে, ইয়াৰ পিছত মানৱ জীৱনৰ চিৰন্তন দুখবেদনাত ক্ষতবিক্ষত হৈ পৰা মানৱ হৃদয়ৰ স্পন্দন ধ্বনিত কৰি ৰচনা কৰিছিল তেওঁৰ বিখ্যাত ট্ৰেজেদিসমূহ। সৰ্বশেষত ৰচনা কৰা ৰোমান্স কেইখনত ট্ৰেজেদি নাই যদিও, আছে এনে এক সৌম্য যি সৌম্যৰ মাজত নিহিত হৈ আছে গভীৰ কাৰুণ্যৰ চাপ। ছনেটসমূহতো কবিৰ ভাবাবেগৰ এনে পৰিবৰ্তনেই পৰিলক্ষিত হয়, আৰু সেয়েহে এই পৰিবৰ্তন সহজেই চকুত পৰে।



# ডেনমাৰ্কৰ ৰাজকোঁৱৰ হেমলেট

চুবুৰীয়া ৰাজ্য নৰওৱেৰ ৰজা ফৰ্টিনবাছে সদায় ডেনমাৰ্কৰ সিংহাসনলৈ লোলুপ দৃষ্টিৰে চাই আছিল। ডেনমাৰ্কৰ সাহসী বীৰ ৰজা হেমলেটৰ এই কথা কোনো পধ্যেই সহ্য নহ'ল। সেই কাৰণে তেওঁ ফৰ্টিনবাছক মুষ্টি যুদ্ধলৈ—আহ্বান জনালে। মুষ্টি যুদ্ধৰ আগতে দুয়ো এই বুলি প্ৰতিজ্ঞাবদ্ধ হ'ল যে যি-জনেই যুদ্ধত জয়ী হয় তেওঁৰ হাতলৈ পৰাজিত জনৰ ৰাজমুকুট আৰু ৰাজ্য সম্পদ আহিব। ৰজা হেমলেটৰ হাতত ফৰ্টিনবাছৰ মৃত্যু ঘটিল ; ফল স্বৰূপে গোটেই নৰওৱে ৰাজ্য ৰজা হেমলেটৰ হাতলৈ আহিল। বীৰত্ব সন্মানেৰে ভূষিত হৈ ৰজা হেমলেটে ৰাজ্য শাসন কৰিবলৈ ধৰিলে আৰু ডেনমাৰ্কৰ প্ৰজাসাধাৰণে নিজ ৰজাৰ বীৰত্বত গৌৰৱ বোধ কৰিলে।

কিন্তু হঠাতে এক বিষাদৰ খবৰে ডেনমাৰ্কবাসীক বিস্মিত কৰি তুলিলে। সদায় ভাত খাই উঠি আবেলি অকণমান সময় ফুলনিবাৰীত জিৰণি লোৱা ৰজা হেমলেটৰ অভ্যাস আছিল। সেই দৰেই ফুলনিবাৰীত শুই থকা অৱস্থাত এদিন ৰজাক মৃত অৱস্থাত পোৱা হ'ল। ৰজাৰ দেহৰ ক'তো কোনো ধৰণৰ অস্ত্ৰাঘাতৰ চিন নাছিল। প্ৰকাশ কৰা হ'ল যে ৰজাক টোপনি অৱস্থাত সৰ্পে দংশন কৰি মৃত্যু ঘটালে।

ৰাজ্যৰ বৃদ্ধ মন্ত্ৰী পলনিয়াচৰ সহযোগত মৃত ৰজাৰ ভায়েক ক্লডিয়াচ ডেনমাৰ্কৰ ৰজা হ'ল। ইতিমধ্যে নৰওৱেৰ মৃত ৰজাৰ পুত্ৰেক কোঁৱৰ ফৰ্টিনবাৰ্সে এদল সৈন্য লৈ নৰওৱেৰ অভিমুখে অহাৰ বাতৰি আহিল। তেওঁৰ দাবী, ৰজা হেমলেটে নৰওৱেৰ ৰাজমুকুট পুনৰ ঘূৰাই দিব লাগে, নহলে যুদ্ধৰ কাৰণে সাজু হব লাগে। সেয়ে ডেনমাৰ্কবাসী নৰওৱেৰ সৈন্যে যুদ্ধ দিবৰ কাৰণে সাজু হব লগা হ'ল। ডেনমাৰ্কৰ ৰজা প্ৰজা সকলোৰে মনত প্ৰতি মুহূৰ্ততে নৰওৱেৰ আক্ৰমণৰ আশঙ্কা। ডেনমাৰ্কৰ ৰাজধানী, ৰাজপ্ৰাসাদ সকলো অস্ত্ৰৰ জন্ জন্ জান্ জান্ শব্দৰ মুখৰিত হৈ উঠিল। ডেনমাৰ্কৰ সৈন্য বাহিনী, চোৰাং-চোৱা বাহিনী, পাজি-প্ৰহৰী সকলো সজাগ হৈ উঠিল।

ৰজা হেমলেটৰ মৃত্যুৰ ব্যাখ্যা কৰি দিয়া হ'ল যদিও সেই কথা বহুতৰ কাৰণে

ৰহস্য হৈ থাকিল। কেৱল ৰজা হেমলেটৰ মৃত্যুৱেই নহয়, ডেনমাৰ্কৰ ৰাজধানীত এনে কিছুমান ঘটনা সংঘটিত হব ধৰিলে যিবিলাকে ডেনমাৰ্কৰ বহুতকে সন্দেহৰ মাজলৈ টানি আনিলে। এইবিলাক ঘটনাই আটাইতকৈ বেছি আঘাত দিলে ডেনমাৰ্কৰ ডেকা ৰাজকোঁৱৰ হেমলেটৰ অন্তৰত। ডেৰকুৰি বৰষা গছকি গছকি জীৱনৰ ৰাজপথলৈ আগবাঢ়ি অহা হেমলেটে অতিশয় বেজাৰ পালে দেউতাকৰ মৃত্যু সংবাদত। তাতোকৈও বেছি বেজাৰ পালে আৰু অতিশয় আচৰিত হ'ল যেতিয়া তেওঁৰ মাতৃ গাৰট্ৰুড়ে দেউতাকৰ স্মৃতিক ভৰিৰে মোহাৰি দদাই-দেৱেক আৰু ডেনমাৰ্কৰ নতুন ৰজা ক্লডিয়াচৰ লগত আকৌ বিবাহপাশত আবদ্ধ হ'ল। এনে থৰথৰকৈ তেওঁলোকৰ বিবাহ সম্পাদিত হ'ল, ভাবিলে ধাৰণা হয় যেন এই বিবাহ পূৰ্ব পৰিকল্পিত। নহলেনো ৰাজপ্ৰাসাদৰপৰা বেজাৰৰ পৰিবেশ সাম কটাৰ আগতেই কেনেকৈ বিবাহৰ আনন্দ উৎসৱ আৰম্ভ হব পাৰে।

ক্লডিয়াচে তেওঁৰ সৈন্য বাহিনীক সাজু হৈ থাকিবলৈ নিৰ্দেশ দিছে যি কোনো মুহূৰ্ততে নৰওৱেৰপৰা যুদ্ধৰ আহ্বান আহিব পাৰে। ৰাজ্যৰ সীমান্ত অঞ্চলত নানা ধৰণৰ ৰখীয়া পৰীয়াৰ ব্যৱস্থা কৰা হৈছে। ৰাজ্যৰ প্ৰধান দুৰ্গ আৰু ৰাজ প্ৰাসাদ এলচিনৰৰ ৰখীয়া-প্ৰহৰীবোৰ প্ৰতি মুহূৰ্তৰ কাৰণে সজাগ হৈ আছে। বাল্টিক সাগৰ আৰু উত্তৰ সাগৰৰ সঙ্গম অঞ্চলৰ এক শিলাময় পৃষ্ঠভূমিত এই দুৰ্গ অৱস্থিত। এলচিনৰপৰা সাগৰৰ ঢৌৰ শব্দ প্ৰায়ে শুনা যায়।

গভীৰ অন্ধকাৰ ৰাতি। নিজুম। ফ্ৰান্সিচক' নামৰ সৈনিকজন সেইদিনা এলচিনৰ দুৰ্গৰ ৰখীয়া। ক'তো কাৰো একো সাৰ সুৰ নাই। মাজে মাজে বতাহৰ সোঁ সোঁ শব্দ আৰু দুৰণিত সাগৰৰ ঢৌৰ শব্দই সেই নীৰৱতা ভঙ্গ কৰিছে মাথোঁ। এটা ভয় ভয় ভাবে ফ্ৰান্সিচক'ক মাজে মাজে অধীৰ কৰি তোলে। এই ভয়ৰ ভাব নৰওৱেৰ সৈন্যৰ ভয়ৰ ভাব নহয়, অন্য এক ৰহস্যজনক ঘটনাৰহে; তেওঁৰ পহৰা দিয়া সময়ৰ সামৰণি পৰা সঙ্কেত দিয়া বাৰ বজাৰ ঘন্টা মৰা হৈ গ'ল। ফ্ৰান্সিচক'ই কিন্তু কৰই নোৱাৰে। তেওঁক সলনি দিবলৈ অহা বাৰণাৰ্ড নামৰ সৈনিকজন লাহে লাহে আহিছে। হঠাৎ এটা খুটাৰ দৰে বৈ থকা ফ্ৰান্সিচক'ক দেখি তেওঁ মাত দিলে—কোন সেয়া! আচলতে সেই আষাৰ কব লাগিছিল ফ্ৰান্সিচক'ই। কিন্তু ভয় ভয় ভাবৰ তাড়নাত দুই জনেই ভুল কৰিলে। টোপনিৰপৰা সাৰপোৱা মানুহৰ দৰে থকমককৈ মাত দিছে। নহয়, মোক কোৱা তুমি কোন। তাৰ পিছত লৰালৰিকৈ বাৰণাৰ্ডই সুধিছে

সেইদিনাৰ পহৰাত ভয় খাব লগা কিবা ঘটনা ঘটিছে নেকি ; আৰু ফ্ৰান্সিচক' যাওঁতে তেওঁ কৈ পঠিয়াইছে সোনকালে যেন হৰেচিঅ' আৰু মাৰ্চেলাচক তেওঁ ওচৰলৈ পঠাই দিয়ে। কাৰণ তেওঁলোক দুজনে সেই ৰাতিৰ কাৰণে তেওঁৰ (বাৰণাৰ্ডৰ) লগত পহৰা দিবলৈ মান্তি হৈছে। বহুত দিন ডেনমাৰ্কৰপৰা আঁতৰি থকাৰ পিছত হৰেচিঅ'ও আহিছে আৰু এলছিনৰত ঘটা নানা ঘটনাৰ বিষয়ে তেওঁ যাৰে তাৰেপৰা ভু-ভা লৈছে। হৰেচিঅ'ক বাৰণাৰ্ডই লাহে লাহে সেই ৰহস্যজনক দৃশ্যটোৰ কথা কলে যিটো দৃশ্যই তেওঁলোকৰ ৰখীয়াসকলক ভয় বিহ্বল কৰি তুলিছে আৰু যি কাৰণত মাজ নিশাৰ সেই পহৰাত অংশীদাৰ হবলৈ তেওঁকো (হৰেচিঅ'কো) মাতি অনা হৈছে। এটুকুৰা ঠাইত তিনিও একেলগে বহি লৈ বাৰণাৰ্ডই আকাশৰ এচুকত তিৰ্‌বিৰাই থকা তৰা এটালৈ আঙুলিয়াই সেই ৰহস্যজনক দৃশ্যৰ কথা কবলৈ আৰম্ভ কৰোঁতেই মাৰ্চেলাচে চিঞৰি উঠিল— আৰু আন্ধাৰৰ মাজৰপৰা লাহে লাহে যুঁজাৰুৰ বেশত এক ছায়ামূৰ্তি এখোজ দুখোজ কৰি আহিব ধৰিলে। তেওঁলোকে দেখি বিস্মিত হ'ল যে ছায়ামূৰ্তিটো সাইলাখ মৃত ৰজাৰ দৰে। ফুটা হুফুটা মাতেৰে বাৰণাৰ্ডই কৈ উঠিল, "মৃত ৰজাৰ দৰেই, একেবাৰে একে" হৰেচিঅ'ই অলপ আগলৈকে যি ছায়ামূৰ্তিৰ কথা বিশ্বাস কৰিবলৈ টান পাইছিল এতিয়া চকুৰ আগতে দেখি ভয় আৰু আশ্চৰ্যত বিহ্বল হৈ পৰিল। তেওঁ বুজিলে তেওঁলোক যিজনৰ শোকত অভিভূত হৈ পৰিছে সেই মৃত ৰজাৰ বেশেৰে ছলনা কৰিবলৈ অহা ই কোনোবা ৰহস্যজনক শক্তি। ভয়তে একেবাৰে শেঁতা পৰি কঁপি কঁপি ছায়ামূৰ্তিক উদ্দেশ্য কৰি তেওঁ সুধিলে, "তুমি কোন......ঈশ্বৰৰ শপত মই সুধিছোঁ, তুমি কোন, তুমি কোন?" ছায়ামূৰ্তিয়ে কোনো উত্তৰ নিদিলে, লাহে লাহে মাথোঁ অন্ধকাৰৰ মাজত বিলীন হৈ গ'ল। তেওঁলোক তিনিও ফুচ্‌ফুচাই কথা পাতিব ধৰিলে। হঠাতে হৰেচিঅ'ই চিঞৰ মাৰি দিলে, ছায়ামূৰ্তিটো আকৌ ওলাল। হৰেচিঅ'ই আকৌ ছায়ামূৰ্তিক আহ্বান জনালে কথা কবৰ কাৰণে। ছায়ামূৰ্তিটোৱে তেওঁলোকক কিবা এষাৰ কব খুজিছে মাথোন, হঠাৎ কাউৰীৰ কা কা শব্দই ৰাতিপুৱাৰ বাতৰি দিলে। মুহূৰ্তও অপেক্ষা নকৰি ছায়ামূৰ্তি অন্তৰ্ধান হ'ল। ৰাতিপুৱাৰ সোণোৱালী কিৰণে কুঁৱলীৰ লগত খেলা আৰম্ভ কৰিলে। হৰেচিঅ'ই বাৰণাৰ্ড আৰু মাৰ্চেলাচক কলে যে তেওঁলোকে এই ছায়ামূৰ্তিৰ বাতৰি নিশ্চয় ৰাজকুমাৰ হেমলেটক দিব লাগিব। তেওঁ লগতে এই আশাও প্ৰকাশ নকৰাকৈ নাথাকিল যে এই

ছায়ামূৰ্তিয়ে হয়তো হেমলেটৰ সৈতে কথা কব আৰু হয়তো নিশ্চয় কিবা গুৰুত্বপূৰ্ণ বাতৰি যোগাব।

ইপিনে এলচিনৰৰ প্ৰাসাদত ক্লডিয়াচ আৰু গাৰট্ৰুডে আনন্দ আৰু আহ্লাদৰ সপোন ৰচনা কৰিছে। ৰাজসিংহাসনত বহি ৰজা ক্লডিয়াচে কৰ্ণেলিয়াচ আৰু ভল্টিমান্দক নৰওৱেৰ ৰাষ্ট্ৰদূত কৰি পঠাইছে। ৰাজ্যৰ বুঢ়ামন্ত্ৰী পলনিয়াচৰ পুত্ৰ লেয়েৰটিচক পেৰিচলৈ যাবলৈ অনুমতি দিছে।

লাহে লাহে ৰাজকোঁৱৰ হেমলেট আহি সভাস্থলীত উপস্থিত হৈছে। তেওঁৰ মন বিষাদে ভৰা। ৰজা আৰু ৰাণীয়ে তেওঁক যিমান পাৰে বুজনি দিছে তেওঁ যাতে দেউতাকৰ মৃত্যুৰ বিষয়ে ভাবি আৰু অনাহকত নিজৰ দেহ মনক কষ্ট নিদিয়ে। তেওঁলোক দুয়ো তেওঁক সোঁৱৰাই দিছে যে ডেনমাৰ্কৰ প্ৰতি তেওঁৰ দায়িত্ব এতিয়া আগতকৈ বাঢ়িছে। সেই কাৰণে তেওঁলোকে হেমলেটক উইটেনবাৰ্গলৈ উলটি নাযাবৰ কাৰণে টানি অনুৰোধ জনালে। অৱশেষত হেমলেটেও ডেনমাৰ্কত থাকিবৰ কাৰণে সন্মতি প্ৰকাশ কৰিলে। ক্লডিয়াচে হেমলেটৰ এই কথাত অতিশয় আনন্দিত হৈ সেই ৰাতিয়েই হেমলেটৰ নামত এক ভোজৰ আয়োজন কৰিবলৈ কৈ সভা ভঙ্গ কৰি দিলে।

হেমলেটৰ কাৰণে দেউতাকৰ মৃত্যু ডাঙৰ কথা নহয়, ডাঙৰ কথা হৈছে মাক গাৰট্ৰুডৰ অসৎ কাৰ্য। কেনেকৈ বাৰু গাৰট্ৰুডে ৰজা হেমলেটৰ মৃত্যুৰ মাথোন এমাহ পিছতে ক্লডিয়াচক বিয়া কৰালে? তেওঁ আচৰিত হ'ল নাৰীহৃদয়ৰ এই চিৰন্তন দুৰ্বলতাৰ কথা ভাবি। সংসাৰখনৰ প্ৰতি হেমলেটৰ গভীৰ বিৰক্তি উপজিল। পৃথিৱীখন তেওঁৰ কাৰণে এখন কাঁইটীয়া কানন যেন লাগিল।

হঠাৎ হৰেচিঅ'ৰ মাত শুনি হেমলেটৰ চিন্তাৰ সোঁত ছিগি গ'ল। হৰেচিঅ'ক তেওঁ অলপতে মাথোন উইটেনবাৰ্গত দেখি আহিছে। মাৰ্চেলোচ আৰু হৰেচিঅ'ই হেমলেটক মাজৰাতি ৰাজপ্ৰাসাদৰ চোতালত ওলোৱা ছায়ামূৰ্তিৰ বতৰা দিবলৈ আহিছে; হঠাৎ হেমলেটে নিজে নিজেই কৈ উঠিল, "মোৰ ধাৰণা হৈছে মই যেন মোৰ দেউতাক দেখিছোঁ।" হৰেচিঅ' আৰু মাৰ্চেলোচৰ এনে ধাৰণা হৈছে সঁচাকৈ যেন হেমলেটে তেওঁৰ দেউতাকক দেখিছে। কিন্তু পিছ মুহূৰ্ততে হেমলেটে তেওঁলোকৰ সন্দেহ ভঞ্জন কৰি কৈ দিলে, তেওঁ মনৰ চকুৰেহে দেউতাকক দেখিছিল।

হৰেচিঅ'ৰ মুখত ছায়ামূৰ্তিৰ কথা শুনি হেমলেট অতিশয় মুগ্ধ হ'ল আৰু সেই ৰাতিলৈকে প্ৰাসাদৰ চোতালত তেওঁ ছায়ামূৰ্তিৰ অপেক্ষাত পহৰা দিবলৈ সাজু হ'ল। ক্লডিয়াচ আৰু মাকৰ বিশ্বাসঘাতকতাৰ সন্দেহে তেওঁৰ মনত আগৰে-পৰাই পোখাই আছিল, এতিয়া যেন সন্দেহৰ সেই পহুজোপা ডাঙৰ হৈ উঠিল। ৰাতি প্ৰাসাদত তেওঁৰ সম্মানাৰ্থে দিয়া ভোজৰ আয়োজন চলিছে আৰু কোঁৱৰ হেমলেটে অপেক্ষা কৰিছে মাজৰাতিৰ মুহূৰ্তলৈ। মাজৰাতিৰ আগতে মাৰ্চেলাচ, হৰেচিঅ' আৰু হেমলেট নিৰ্দিষ্ট স্থানত উপস্থিত হ'লহি। হেমলেটে মনে মনে ঠিক কৰিলে যি কোনো উপায়ে তেওঁ সেই ছায়ামূৰ্তিৰ লগত কথা পাতিবই। বাৰ বজাৰ ঘণ্টা পৰিল। চাৰিওফালে নিজম্ নিতাল। "ভূত, প্ৰেত ওলোবাৰ সময় ওচৰ চাপি আহিছে আৰু।" হৰেচিঅ'ই কথাষাৰ কোৱা শেষ কৰিয়েই আকৌ কৈ উঠিল, "কোঁৱৰ চাওক, আহিছে"।

অস্পষ্ট ছায়ামূৰ্তিলৈ চাই চাই হেমলেটে মাত দিলে, "সম্ৰাট! দেউতা, মোৰ লগত কথা কওক।"

হেমলেটৰ কথাৰ উত্তৰত ছায়ামূৰ্তিটোৱে হেমলেটক আঁতৰি যাবলৈ ইঙ্গিত দিলে। মুহূৰ্তও অপেক্ষা নকৰি হেমলেট যাবলৈ সাজু হ'ল। হৰেচিঅ'ই তেওঁক বাধা দিছিল; কিন্তু হেমলেটে তেওঁৰ বাধা নামানি কৈ উঠিল, "কিয়? কিয় মই ভয় কৰিম। মোৰ জীৱনলৈ মোৰ অকণো মোহ নাই। মোৰ ধ্বংসহীন আত্মাকতো ই একো কৰিব নোৱাৰে।" মাৰ্চেলাচে হাতেৰে বাধা দিও হেমলেটক ৰাখিব নোৱাৰিলে, ছায়ামূৰ্তিৰ লগত তেওঁ চোতালৰ অন্য এক স্থানলৈ আঁতৰি গ'ল।

দেউতাকৰ ছায়ামূৰ্তিয়ে হেমলেটক কবলৈ আৰম্ভ কৰিলে কেনেকৈ ৰজা হেমলেটক আবেলি বাগানত শুই থাকোঁতে ক্লডিয়াচে কাণত বিহঢালি হত্যা কৰিলে আৰু বাহিৰত মিছাকৈ প্ৰচাৰ কৰি দিলে যে বিষাক্ত সৰ্পৰ দংশনত ৰজা হেমলেটৰ মৃত্যু হৈছে। ছায়ামূৰ্তিয়ে হেমলেটক ক্লডিয়াচৰ ওপৰত প্ৰতিশোধ লবৰ কাৰণে নিৰ্দেশ দিলে। কিন্তু ৰাণী গাৰট্ৰুডৰ ওপৰত যাতে কোনো ধৰণৰ প্ৰতিশোধ লোৱা নহয় সেই বিষয়ে টানি অনুৰোধ জনালে।

ছায়ামূৰ্তি আঁতৰি যোৱাৰ লগে লগে হেমলেটৰ মনৰ মাজত তাৰৰ জোঁৱাৰ উঠিল। ছায়ামূৰ্তিয়ে কৈ যোৱা কথাৰ বাহিৰে যেন তেওঁ মনৰপৰা সকলো কথা দূৰ কৰি পেলাব। মাৰ্চেলাচ আৰু হৰেচিঅ'ৰ লগ হৈ এই সকলো কথা কওঁতে

হেমলেটৰ মনৰ দাৰুণ অৱস্থাৰ কথা তেওঁলোক দুয়ো অনুভৱ কৰিব পাৰিছিল। হেমলেটৰ সঙ্গতিহীন কথাই তেওঁলোকক আচৰিত কৰি তুলিছিল। হেমলেটে তেওঁলোক দুয়োকো গোটেই কথাখিনি বিবৰি কলে, লগতে তেওঁলোকক শপত খুৱালে যাতে তেওঁলোকে কাৰো আগত এই কথা প্ৰকাশ নকৰে।

হেমলেটৰ মনত নানা চিন্তাৰ হেন্দোলনি উঠিবলৈ ধৰিলে। দেউতাকৰ মৃত্যু সম্পৰ্কে তেওঁৰ মনত নানা ধৰণৰ সন্দেহ জাগিবলৈ ধৰিলে। মাকৰ বিশ্বাস-হীনতাৰ কথাও তেওঁ আগেয়ে ভাবিছিল, এতিয়া ছায়ামূৰ্তিৰ কথাই তেওঁ সন্দেহক আৰু দৃঢ় কৰিলে। তথাপি তেওঁৰ মনত সন্দেহ উপস্থিত হ'ল। কিজানি ছায়ামূৰ্তিয়ে তেওঁক পাপত লিপ্ত কৰাবলৈকে এনে কৰাইছে। তেওঁৰ সন্দেহেই কিজানি ছায়মূৰ্তিৰ কথাৰ মাজেদি প্ৰকাশ হৈছে মাথোন। তেতিয়া হলে কেৱল ছায়মূৰ্তিৰ কথাৰ ওপৰতে বিশ্বাস কৰি ক্লডিয়াচৰ ওপৰত প্ৰতিশোধ লবলৈ চেষ্টা কৰা উচিত হব জানো! তেনে কাৰ্যৰদ্বাৰা কিজানি তেওঁৰ আত্মাক অন্তহীন পাপৰ বোকাত ডুবাই দিয়াহে হব—য'ৰপৰা তেওঁ আৰু মুক্তি পাব নোৱাৰিব। তেতিয়া হলে। তেতিয়া হলে কি কৰা যায়। এয়ে হ'ল হেমলেটৰ সমস্যা। তেওঁ ঠিক কৰিলে ছায়ামূৰ্তিৰ কথা সঁচা নে মিছা তাৰ তেওঁ প্ৰমাণ লব লাগিব। কিন্তু তাকে কৰিবলৈ যাওঁতে তেওঁ খুব সাৱধানে খোজ দিব লাগিব যাতে ক্লডিয়াচৰ চকুত তেওঁৰ আচৰণ আদি ধৰা নপৰে। নিজৰ পাপ কাৰ্য প্ৰকাশ হোৱাৰ ভয়ত ৰজা ক্লডিয়াচে যে হেমলেটৰ ওপৰত চোকা নজৰ ৰাখিব সেই কথা হেমলেটে জানে। গতিকে তেওঁ যি কাৰ্য পদ্ধতিকে অনুসৰণ নকৰক খুব সাৱধানে আগবাঢ়িব লাগিব। ক্লডিয়াচৰ চকুত ধূলি দি তেওঁ কেনেকৈ ছায়ামূৰ্তিৰ কথাৰ সত্যাসত্য নিৰূপণ কৰিব পাৰে সেয়ে হ'ল হেমলেটৰ সমস্যা। প্ৰথমে তেওঁ হৰেচিঅ' আৰু মাৰ্চেলাচক সাৱধান কৰি দিলে যাতে সেই ছায়ামূৰ্তিৰ ৰহস্যজনক উক্তিৰ কথা তেওঁলোকে কাৰো আগত প্ৰকাশ নকৰে। তাৰ পিছত হেমলেটে ঠিক কৰিলে যে তেওঁ বলিয়াৰ ভাও ধৰিব। বলিয়াৰ ভাও ধৰি ক্লডিয়াচৰ চকুৰ আঁৰত থাকি গোপনে আগবাঢ়িব নিজ উদ্দেশ্য সিদ্ধিৰ পথত। অলপো সময় খৰচ নকৰি হেমলেট নিজৰ পথত আগবাঢ়িল।

ক্লডিয়াচৰ সৌহাৰ্দ স্বৰূপ ৰাজ্যৰ বৃদ্ধ মন্ত্ৰী পলনিয়াচৰ ৰূপহী কন্যা অফেলিয়াৰ লগত হেমলেট কিছুদিনৰ আগৰেপৰাই প্ৰণয় পাশত আবদ্ধ আছিল। পতুমৰ দৰে নিষ্কলুষ আৰু পবিত্ৰ অন্তৰৰ অফেলিয়াই ৰাজকোঁৱৰৰ প্ৰেম নিবেদনত

নিজক সপি দিছিল। ক্ল'ডিয়াচে সিংহাসন লাভ কৰাৰ পিছত মন্ত্ৰী পলনিয়াছে ভাবিলে যে ৰাজকোঁৱৰ হেমলেটে তেওঁৰ দদাইদেৱেকৰ মন্ত্ৰীৰ কন্যাৰ লগত কেতিয়াও বিবাহ পাশত সাঙোৰ নাখাব। সেই কাৰণে তেওঁ নিজ ছুহিতাক সাৱধান কৰি দিলে যাতে হেমলেটৰ লগত তেওঁ কোনো সম্পৰ্ক নাৰাখে। হঠাৎ এদিন হেমলেটে অসংযত পোছাক পৰিচ্ছদৰে অফেলিয়াৰ কক্ষত প্ৰৱেশ কৰে। সেইদিনা কোঁৱৰৰ কথা আৰু ব্যৱহাৰত অফেলিয়া অতিশয় আচৰিত হৈছিল। কিন্তু এই ঘটনাৰ কথা জানিব পাৰি পলনিয়াচ আনন্দত উৎফুল্লিত হ'ল আৰু ক্লডিয়াচক আথেবেথে জনালেগৈ যে হেমলেটৰ বলিয়ালিৰ কাৰণ ব্যৰ্থ প্ৰেমৰ বাহিৰে অন্য একো নহয়। ইতিমধ্যে হেমলেটৰ আচৰণ বিচৰণ আৰু গতি প্ৰকৃতিৰ এনে অদ্ভুত পৰিবৰ্তন দেখি ৰজা ক্ল'ডিয়াচে ৰজেনক্ৰেট আৰু গিল্ডাৰষ্টন নামৰ হেমলেটৰ দুজন সহপাঠী ছাত্ৰক বন্ধুত্বৰ সুযোগতে হেমলেটৰ মনৰ বুজ লবলৈ পাঠিছিল। কিন্তু হেমলেটৰ মনৰ মাজলৈ প্ৰৱেশ কৰাতো ইমান সহজ নাছিল। প্ৰথমবাৰতে তেওঁলোক হেমলেটৰ কাষৰপৰা উফৰি পৰিছিল। হেমলেটে পেঁপা এটা লৈ বজাইছিল আৰু সেই সহপাঠী ছাত্ৰ দুজনকো বজাই চাবলৈ দিছিল। কিন্তু গিল্ডাৰষ্টনে বজাব নাজানো বুলি কলে। হেমলেটে বুজাই-দিলে কেনেকৈ পেঁপাৰ ফুটা কেইটাত আঙুলি বুলাব লাগে, কেনেকৈ মুখেৰে ফু দিব লাগে। তথাপি গিল্ডাৰষ্টনে পেঁপাত কোনো ধৰণৰ সুৰৰ সমলয় সৃষ্টি কৰিবলৈ নোৱাৰিলে। কাৰণ তেওঁ পেঁপা বজাব নাজানে। তেতিয়া হেমলেটে নানা ককৰ্থনাৰে তেওঁলোক দুজনক থকা সৰকা কৰিলে। সামান্য পেঁপা এটাত সুৰ সৃষ্টি কৰিব নোৱাৰা মানুহ দুজনে তেওঁৰ অন্তৰৰ গোপন ৰহস্যৰ সুৰ যে উদ্ধাৰ কৰিব নোৱাৰে সেইকথা তেওঁলোকক শ্লেষ মিহলি কথাৰে বুজালে।

হেমলেটে সেইদিনা অফেলিয়াৰ আগত কেৱল অসংযত ব্যৱহাৰ প্ৰদৰ্শন কৰিয়েই ক্ষান্ত নাথাকিল। অফেলিয়ালৈ তেওঁ এখন প্ৰেমপত্ৰ লিখিলে। চিঠিখন আৰম্ভ কৰিলে এইদৰে—অপাৰ্থিৱ গুণৰ অধিকাৰী মোৰ প্ৰাণৰো প্ৰাণৰ, লাৱণ্যময়ী অফেলিয়ালৈ, তাৰ পিছত লিখিলে,

আকাশৰ তৰাবিলাকক জুই বুলি সন্দেহ কৰিলেও
সূৰ্যক গতিশীল বুলি সন্দেহ কৰিলেও
সত্যক প্ৰৱঞ্চক বুলি সন্দেহ কৰিলেও
তোমাৰ প্ৰতি থকা মোৰ প্ৰেমক সন্দেহ নকৰিবা।

মৰমৰ অফেলিয়া, তোমালৈ এই কেইশাৰী লিখিব লগীয়া হোৱাত মই মৰ্মান্তিক বেদনা পাইছোঁ, মোৰ মনৰ দুখ প্ৰকাশ কৰিব পৰা ক্ষমতা মোৰ নাই ; তথাপি, মই যে তোমাক ভাল পাওঁ, প্ৰাণভৰি ভাল পাওঁ, সেই কথা যেন তুমি কেতিয়াও অবিশ্বাস নকৰা, আজিলৈ আছোঁ ।......হেমলেট ।

সৰল চিতীয়া অফেলিয়াই কৰ্তব্য পৰায়ণ দুহিতা হিচাপে এই চিঠিখন দেউতাকৰ হাতত সমৰ্পণ কৰিলে। এই চিঠি পোৱাৰ পিছত হেমলেটৰ বলিয়ালিৰ কাৰণ সম্পৰ্কত পলনিয়াচৰ মনত আৰু অলপো সন্দেহ নাথাকিল। অফেলিয়াৰ ওচৰত প্ৰেম নিবেদনত ব্যৰ্থ হৈ তেওঁ অৱশেষত বলিয়া হৈ পৰিছে ; এই সিদ্ধান্ত পলনিয়াচে মনে মনে কৰি পেলালে। ৰজা ক্লডিয়াচ আৰু ৰাণী গাৰট্ৰুডে কিন্তু এই কথাত পলনিয়াচৰ লগত সম্পূৰ্ণ ৰূপে একমত হব পৰা নাই। সেই কাৰণে পলনিয়াচে হেমলেট আৰু অফেলিয়াই কথা পাতোতে ৰজা-ৰাণীক লুকাই থাকি এই কথাৰ প্ৰমাণ লবলৈ পৰামৰ্শ আগবঢ়াইছে।

ইতিমধ্যে হেমলেট বহি থকা নাই। ছায়ামূৰ্তিৰ কথাৰ প্ৰমাণ লবৰ কাৰণে তেওঁৰ হাতত এটা বঢ়িয়া সুযোগ আহি পৰিছে। ৰাজপ্ৰসাদত অভিনয় প্ৰদৰ্শনৰ কাৰণে থিয়েটাৰ কোম্পানী এটা আহিছে। হেমলেটে ভাবিলে অভিনয় উপভোগ কৰাৰ সুযোগতে ক্লডিয়াচৰ কলুষিত মনৰ উমান লোৱাৰ ই এক সুৱৰ্ণ-সুযোগ। থিয়েটাৰ কোম্পানীত থকা শিল্পীসকল আছিল হেমলেটৰ পুৰণি চিনাকি। তেওঁলোকক হেমলেটে 'গঞ্জেগোৰ হত্যা' নামৰ নাটকখন অভিনয় কৰিবলৈ কলে। সেই নাটকখনতে হেমলেটে যোলশাৰী মানৰ বচন এফাকিও লেখি দিলে। নাটকৰ মূল বিষয়বস্তু আছিল ভিয়েনাৰ ডিউক গঞ্জেগোৰ হত্যা আৰু তেওঁৰ বিধবা পত্নীৰ পুনৰ বিবাহ। হেমলেটৰ নিৰ্দেশ মতে এতিয়া ভিয়েনাৰ ডিউকক আবেলি শুই থাকোঁতে তেওঁৰ কাণত বিহ ঢালি হত্যা কৰা হব। ছায়ামূৰ্তিৰ মুখত দেউতাকক হত্যা কৰাৰ যি বৰ্ণনা হেমলেটে শুনিছিল সেই বৰ্ণনাকো সম্পূৰ্ণৰূপে মানি লবলৈ ৰাজী হোৱা নাই, কিজানি দেউতাকক ছায়ামূৰ্তিৰ বেশ ধৰি কিবা অসৎ শক্তিয়ে তেওঁক পাপৰ বোজালৈ নমাই নিবলৈ এই ষড়যন্ত্ৰ কৰিছে, সেই সন্দেহে তেওঁক মাজে মাজে আমনি কৰিছে। সেয়ে এতিয়া গঞ্জেগোৰ হত্যা নাটৰ অভিনয়ৰ আয়োজন। অভিনয়ত ফুলনিত শুই থাকোঁতে গঞ্জেগোৰ কাণত বিহ ঢালি দিয়া দৃশ্য চাওঁতে ক্লডিয়াচৰ মনত নিশ্চয় প্ৰতিক্ৰিয়া হব, যদিহে সঁচাকৈয়ে তেওঁ ৰজা হেমলেটক একেখৰেই হত্যা

কৰিছিল। সেই কাৰণেই নাটকৰ অভিনয়ৰ আগত হেমলেটে নিজে নিজে কৈ উঠিছিল – নাটকখনেই মূল কথা, ইয়াৰদ্বাৰাই মই ৰজাৰ বিবেক সম্বন্ধে জানিব পাৰিম।

আগৰ বন্দোবস্ত মতে পলনিয়াচ আৰু ৰজা গোপনে লুকাই থাকি অফেলিয়াক হেমলেটৰ লগ লগাই দিলে। ঠিক অফেলিয়াক লগ পোৱাৰ আগমুহূৰ্তত হেমলেটে তেওঁৰ মনৰ জটিল অৱস্থাত চট্‌ফটাই ফুৰিছে। জীৱন আৰু জগতৰ নানা সমস্যাই তেওঁৰ মনক অধীৰ কৰি তুলিছে। বাৰে বাৰে তেওঁৰ মনলৈ আহিছে আত্মধ্বংসৰ কথা। কিন্তু আত্মধ্বংসৰ চিন্তাই মনলৈ লৈ আহে মৃত্যুৰ পিছৰ এখন নেদেখা ৰাজ্যৰ ভয়াবহ ছবি, যি ৰাজ্যলৈ যোৱাসকলৰ আজিলৈকে কোনো ঘূৰি অহা নাই। সেইহে হৱলা মানুহে সেই অচিনাকি বিপদৰ আতঙ্কত চিনাকি পৃথিৱীখনৰ সকলোখিনি কলুষতাকে সাৱটি ধৰি থাকে। এইদৰেই বিবেকৰ দংশনত মানুহ কাপুৰুষ হৈ পৰে আৰু আমাৰ মনৰ দৃঢ়তাৰ ৰঙ বিবেচনাৰ শেঁতা পৰশত জহি গৈ কৰ্মহীনতাৰ গলিত নিশ্চিহ্ন হৈ পৰে। এইদৰে ভাবিচিন্তি থাকোঁতে হঠাতে হেমলেটে দেখিলে তেওঁৰ সন্মুখত অফেলিয়া। হেমলেটে হয়তো গোপনে লুকাই থকা ৰজা আৰু পলনিয়াচৰ কথাও জানিছিল। হেমলেটে ভালপোৱাৰ চিন স্বৰূপে দিয়া সকলো উপহাৰ অফেলিয়াই আজি লৈ আহিছে হেমলেটক ঘূৰাই দিবৰ কাৰণে। কাৰণ, এদিন যদয়ৰ সৰ্বস্ব দি ভাল পোৱা হেমলেটক এতিয়া তেওঁৰ পিতৃৰ সাৱধানবাণী শুনি সন্দেহ কৰিবলৈ বাধ্য হৈছে। "এয়া তোমাৰ উপহাৰ ঘূৰাই লোৱা, এটি সৰল মনৰ ওচৰত মূল্যবান উপহাৰো মূল্যহীন হৈ পৰে যদিহে দিওঁতাই হৃদয়হীনতাৰ পৰিচয় দিয়ে।" অফেলিয়াৰ এই কঠোৰ ব্যৱহাৰত হেমলেট অতিশয় ক্ষুব্ধ হ'ল আৰু কঠোৰ ভাষাৰে অফেলিয়াক তিৰস্কাৰ কৰিলে। আৰু হেমলেটৰ মনৰ ভাৱভঙ্গী বুজিবৰ কাৰণে গোপনে লুকাই থকা পলনিয়াচৰ কাৰণে এয়াই হ'ল হেমলেটৰ বলিয়ালিৰ উৎকৃষ্ট প্ৰমাণ। কিন্তু ব্যৰ্থ প্ৰেমেই যে হেমলেটৰ বলিয়ালিৰ কাৰণ সেই কথাৰ ইঙ্গিত হলে একো নাপালে।

এই ঘটনাই কিন্তু ক্লডিয়াচৰ অন্তৰাত্মা কঁপাই তুলিলে। নিজৰ পাপকাৰ্য ঢাকিবৰ কাৰণে প্ৰতিমুহূৰ্ততে সতৰ্ক হৈ থকা ক্লডিয়াচ শিয়ৰি উঠিল। হেমলেটে যেন তেওঁৰ পাপ কাৰ্যৰ সন্ধান পাইছে এই আশংকা। গতিকে যি কোনো প্ৰকাৰে হেমলেটক ডেনমাৰ্কৰ পৰা আঁতৰাব লাগিব, এয়া হ'ল ক্লডিয়াচৰ চিন্তা। কিন্তু

হেমলেটক প্ৰজা সাধাৰণে প্ৰাণভৰি ভাল পায়। সেই কাৰণে হেমলেটক জখেমধে আঁতৰ কৰিব নোৱাৰি। তথাপি ক্লডিয়াচে বুদ্ধি উলিয়ালে। ৰাজকীয় কাৰ্যৰ অজুহাতত হেমলেটক ইংলণ্ডলৈ পঠাবলৈ ঠিক কৰিলে। তাৰ আগতে ৰজা আৰু মন্ত্ৰী পলনিয়াচৰ মন্ত্ৰণামতে এবাৰ অন্তঃত ৰাণী গাৰট্ৰুডে হেমলেটক লগ ধৰি হেমলেটৰ মনৰ এই ৰহস্যময় বিষাদৰ ভু লোৱাতো ঠিক কৰিলে।

হেমলেটৰ নেতৃত্বত মঞ্চশিল্পীদলে ৰাজপ্ৰাসাদত নাটক অভিনয়ৰ কাৰণে সাজু হ'ল। এলচিনৰৰ প্ৰকাণ্ড হলটোকে থিয়েটাৰ হল হিচাপে ব্যৱহাৰ কৰা হ'ল। অভিনয় চাবৰ কাৰণে ৰজা ৰাণীকে আদি কৰি প্ৰাসাদৰ সকলোকে নিমন্ত্ৰণ জনোৱা হ'ল। থিয়েটাৰ আৰম্ভ হোৱাৰ আগতে তেওঁৰ পৰম আস্থাভাজন অভিন্ন হৃদয়ৰ অন্তৰঙ্গ বন্ধু হৰেচিঅ'ক একাষৰীয়াকৈ মাতি আনি তেওঁৰ উদ্দেশ্যৰ কথা জনালে। অভিনয়ৰ বিশেষ মুহূৰ্ত্ত কেইটাত যাতে হৰেচিঅ'ই একান্তমনে ক্লডিয়াচৰ মনোভাৱ লক্ষ্য কৰে। হেমলেটে নিজেও ক্লডিয়াচৰ মনোভাব লক্ষ্য কৰিব। ছায়ামূৰ্তিয়ে কোৱাৰ দৰে ক্লডিয়াচেই যদি তেওঁৰ পিতৃৰ হত্যাকাৰী হয় তেতিয়াহলে মঞ্চত যেতিয়া তেওঁ কৰাৰ দৰে একে ধৰণৰ পাপ কাৰ্য সংঘটিত হব, তেতিয়া ক্লডিয়াচৰ মুখত নিশ্চয় অপৰাধী মনৰ ভাব ফুটি উঠিব। ক্লডিয়াচৰ মনোভাব অধ্যয়নৰপৰা আহৰণ কৰা তেওঁলোক দুয়োজনৰ ধাৰণা যদি মিলি যায় তেতিয়াহলে তেওঁলোকে নিঃসন্দেহে ধৰি লব পাৰিব যে ছায়ামূৰ্তিয়ে কোৱা কথা সঁচা। ক্লডিয়াচেই ৰজাৰ হত্যাকাৰী হয়। হৰেচিঅ'ই হেমলেটৰ কথামতেই কাম কৰিবলৈ সম্মতি প্ৰকাশ কৰিলে। অভিনয় আৰম্ভ হবৰ হ'ল। ৰজা-ৰাণী আহি নিজ আসনত বহিল। হেমলেটেও অফেলিয়াক মাত এষাৰ লগাই একেই অসংযত ব্যৱহাৰৰ সৈতে অফেলিয়াৰ কাষে ৰাগ এখন আঁৰি ক্লডিয়াচৰ মুখত চকু পৰাকৈ নিজৰ আসন গ্ৰহণ কৰিলে। প্ৰথমে মূক চিত্ৰৰদ্বাৰা অভিনয় আৰম্ভ হৈছে। ৰজা গঞ্জেলো আৰু তেওঁৰ ৰাণীয়ে আবেলি ফুলনিত একেলগে বহি কথা পাতি আছে। লাহে লাহে ৰজাৰ টোপনি আহিল। ৰাণী তেওঁৰ কাষতে বহি থাকিল। খন্তেক পিছতে ৰাণী সেই ঠাইৰপৰা উঠি গ'ল। এইবাৰ খুব সন্তৰ্পণে এজন মানুহ সোমাই আহিল। তেওঁ ৰজাৰ মুকুটটোত চুমা এটা খালে। তাৰ পিছত বিহৰ বটল এটাৰপৰা এটোপ দুটোপ কৰি নিদ্ৰামগ্ন ৰজাৰ কাণত বিহ ঢালি দিলে আৰু লাহে লাহে কোঠাৰপৰা ওলাই গ'ল। পিছ মুহূৰ্ততে ৰাণী সোমাই আহিল আৰু ৰজাক মৃত অৱস্থাত পাই চিঞৰি উঠিল।

ৰাণীৰ চিঞৰত বিহ দিয়া মানুহজন আকৌ সোমাই আহিল। ৰজাৰ মৃত্যুৰ খবৰ বিয়পি গ'ল। ৰজাৰ মৃতদেহ সমাধিলৈ নিয়াৰ পিছত আকৌ সেই বিহ ঢলা মানুহজন ৰাণীৰ ওচৰলৈ আহি তেওঁক প্ৰেম নিবেদন কৰিলে। প্ৰথমে ৰাণীয়ে অলপ ইতস্ততঃ কৰিছিল। কিন্তু অৱশেষত তেওঁৰ ওচৰত আত্মনিবেদন কৰিলে। নিৰ্বাক চিন শেষ হ'ল। এইবাৰ অভিনেতাসকলৰ সংলাপ আৰম্ভ হ'ল।

ইতিমধ্যে দৰ্শকৰ মাজত বহি থকা ক্লডিয়াচৰ চট্‌ফটনি লাগিল। বিবেক দংশনত তেওঁৰ অন্তৰত উমি উমি জ্বলি থকা জুইকুৰা যেন ভমক ভমককৈ জ্বলি উঠি তেওঁক যেন অতীষ্ঠ কৰি তুলিছে। কিবা এক অদৃশ্য শক্তিৰ ভয়ৰ হেঁচাত তেওঁৰ চেতন শক্তি যেন নিঃসাৰ হৈ উঠিছে। বহি থকা আসনতে তেওঁ উচ্‌পিচাবলৈ ধৰিলে। আৰু তেওঁৰ ফালে একেথৰে চাই থকা হেমলেটৰ দৃষ্টিৰ উত্তাপত যেন তেওঁৰ হৃদয় জ্বলিব ধৰিছে। অৱশেষত পোহৰ পোহৰ বুলি চিঞৰি বহি থকাৰ পৰা ক্লডিয়াচ উঠি জঁপিয়াই বাহিৰলৈ গুচি আহিবলৈ বাধ্য হ'ল। সভাসদসকলো ৰজাৰ লগতে হুলস্থূল কৰি হলৰপৰা ওলাই আহিল।

হেমলেট এতিয়া নিশ্চিত হ'ল যে ক্লডিয়াচেই তেওঁৰ দেউতাকৰ প্ৰকৃত হত্যাকাৰী। ছায়ামূৰ্তিৰ কথা আখৰে আখৰে সঁচা। হৰেচিঅ'ই বুজিলে এলচিনৰৰ সেই ভয়াবহ হত্যাকাণ্ড ক্লডিয়াচৰদ্বাৰাই সংঘটিত হৈছিল।

পলনিয়াচৰ অনুৰোধক্ৰমে হেমলেটে ৰাণীৰ লগত দেখা সাক্ষাত কৰিবলৈ সম্মত হ'ল।

ৰাণীৰ কোঠালৈ যাওঁতে বাটতে কোঠা এটাৰ কাষত থন্তেক বৈ হেমলেটে দেখা পালে যে ক্লডিয়াচ প্ৰাৰ্থনা কৰাৰ ভঙ্গীত আঁঠু কাঢ়ি বৈ আছে। হেমলেটে দেখিলে ক্লডিয়াচৰ মুখ মৰাশৰ দৰে শেঁতা, চকুত পানী আৰু গোটেই দেহ অনুশোচনাত যেন জৰ্জৰিত। হয়তো অনুশোচনাৰদ্বাৰা ক্লডিয়াচে নিজক শুদ্ধ কৰিব বিচাৰিছে, কিন্তু পৰা নাই। কাৰণ সেই দৰে শুদ্ধ হবৰ কাৰণে অন্যায় কৰি লাভ কৰা সম্পদ ত্যাগ কৰিব পাৰিব লাগিব। কিন্তু তেনে ত্যাগৰ কাৰণে ক্লডিয়াচ এতিয়াও সক্ষম হোৱা নাই। এবাৰ হেমলেটৰ মনলৈ ভাব আহিছিল আঁঠুকাঢ়ি থকা অৱস্থাতে গাত তৰোৱাল বহুৱাই দি ক্লডিয়াচক নিঃশেষ কৰি দিব নেকি! কিন্তু পিছ মুহূৰ্ত্ততে ভাবিলে আত্মশুদ্ধিৰ কাৰণে চেষ্টা কৰা অৱস্থাত হত্যা কৰি সেই পাপাত্মাক পৰলোকৰ শান্তিৰ কাৰণে পথ সুকলি কৰি দিয়াই শ্ৰেয়।

এইদৰেই ক্লডিয়াচৰ ওপৰত প্ৰতিশোধ লোৱাৰপৰা বিৰত থাকি হেমলেটে মাকৰ কোঠাত প্ৰৱেশ কৰিলে। মাকৰ অসৎ আচৰণত হেমলেটে মৰ্মান্তিক বেজাৰ পাইছে। সেই কাৰণে তেওঁ মাকক কঠোৰ ভাষাৰে আক্ৰমণ কৰিলে। হেমলেটৰ কথা আৰু চাৱনিত থিৰেৰে থৰ লোৱাৰি ৰাণীয়ে ভয়ৰ আশংকা কৰি "ৰক্ষা কৰা, ৰক্ষা কৰা" বুলি চিঞৰি দিলে। পৰ্দাৰ আঁৰত মাক-পুতেকৰ কথা শুনিবলৈ গোপনে লুকাই থকা পলনিয়াচে নিজৰ গোপনতাৰ বিষয়ে পাহৰি গৈ একেদৰেই চিঞৰি দিলে, "ৰক্ষা কৰা, ৰক্ষা কৰা"। হেমলেটে সেই শব্দ ক্লডিয়াচৰ বুলি ভাবি পৰ্দাৰ ইপাৰৰপৰাই তৰোৱালেৰে আঘাত কৰিলে। পিছ মুহূৰ্ত্ততে দেখিলে যে তেওঁৰ তৰোৱালৰ আঘাতত মৃত্যু যোৱাজন পাপী ক্লডিয়াচ নহয়, অফেলিয়াৰ দেউতাক বৃদ্ধ মন্ত্ৰী পলনিয়াচহে। ভয়ত কঁপি থকা গাৰট্ৰুডক এইবাৰ হেমলেটে বিশ্বাস ঘাতকী ক্লডিয়াচে কেনেকৈ ষড়যন্ত্ৰ কৰি ৰজা হেমলেটক হত্যা কৰিলে সেই কথা বিবৰি কলে। এই বৰ্ণনা দি হেমলেটে মাকৰ কালে এনে চাৱনিৰে চালে যে মাকে চিঞৰি উঠিল—

হেমলেট! আৰু কথা নকবি। তোৰ কথাই মোৰ অন্তৰ আত্মাক মোৰ চকুৰ আগত দাঙি ধৰিছে। আৰু তাত এনে কিছুমান ক'লা ক'লা দাগ দেখিছোঁ, মোৰ সন্দেহ হয়, কিজানি কাহানিও আৰু সেইবোৰ মুগুচিব।

লাহে লাহে হেমলেটে নিজৰ ওপৰত সকলো সংযম হেৰুৱাই পেলালে। ৰাণীৰ সমুখতে তেওঁ ক্লডিয়াচক হত্যাকাৰী, পাপী, ৰাজমুকুটৰ চোৰ বুলি নিন্দা কৰিবলৈ ধৰিলে। লাহে লাহে তেওঁৰ চকুৰ আগত দেউতাকৰ সেই ছায়ামূৰ্ত্তি মূৰ্ত্তিমান হৈ পৰিল। ছায়ামূৰ্ত্তিয়ে হেমলেটক সোঁৱৰাই দিবলৈ আহিছিল যাতে হেমলেটে মাকৰ ওপৰত কোনো ধৰণৰ প্ৰতিশোধ নলয়। ৰাণীয়ে কিন্তু ছায়া-মূৰ্ত্তিক দেখা নাপালে। হেমলেটে শূন্যৰ লগত কথা পাতি থকা দেখি সেয়া তেওঁ হেমলেটৰ বলিয়ালি বুলিয়েই ভাবিছিল।

এইখিনি ঘটনা ঘটি যোৱাৰ পিছত ক্লডিয়াচে হেমলেটক অতি সোনকালেই ইংলণ্ডলৈ পঠাই দিয়াৰ ব্যৱস্থা কৰে।

কাৰ্য প্ৰণয়ৰ বিষাদত ম্ৰিয়মান হৈ থকা অৱস্থাতে অফেলিয়াই দেউতাকৰ মৃত্যুৰ বতৰা পালে। দেউতাকৰ মৃত্যু হ'ল হেমলেটৰ হাতত বিজন হেমলেটক তেওঁ প্ৰাণকৰি ভাল পাইছিল! অফেলিয়াই চাৰিওফালে অন্ধকাৰ দেখিলে। বেদনাৰ তীব্ৰ বেদনাত কাতৰ হৈ অফেলিয়াই গান গাই গাই পাগলীৰ দৰে ঘূৰি-

প্ৰাসাদৰ বাৰাণ্ডাত ঘূৰি ফুৰিছে। ইপিনে পেৰিচত পঢ়ি থকা অফেলিয়াৰ ককায়েক লৰেটিছে শুনিলে যে তেওঁৰ দেউতাকক হেমলেটে হত্যা কৰিলে। এই বতৰাত অধৈৰ্য হৈ লৰেটিচ এলচিনৰলৈ ঘূৰি আহিল। এলচিনৰত পলনিয়াচৰ মৃত্যুৰ প্ৰকৃত বিবৰণ শুনি উঠোতেই লৰেটিচে দেখিলে হাতত ফুলৰ থোপা লৈ আউলি বাউলি হৈ পাগলীৰ দৰে গান গাই গাই অফেলিয়া প্ৰাসাদলৈ আহিছে আৰু ৰজা-ৰাণীৰ হাতত একোপাহ ফুল দি গুচি গৈছে। সদায় ফুৰিবলৈ যোৱা জুৰি এটাৰ কাষলৈ গৈ গান গাই গাই জুৰিৰ পানীৰ সোঁতত অফেলিয়া উটি গ'ল। অৱশেষত সোঁতৰ মাজতে কণ্ঠৰ সঙ্গীত কণ্ঠতে লৈ অফেলিয়া উটি গ'ল মৃত্যুৰ দেশলৈ। সকলোৱে বুজিলে হৃদয়ে বব নোৱাৰা বেদনাত কাতৰ হৈ অফেলিয়াই আত্মহত্যা কৰিলে। নিৰ্দিষ্ট সময়ত তেওঁক সমাধিস্থ কৰিবৰ কাৰণে নিয়া হ'ল।

ক্লডিয়াচৰ আদেশ মতে ইংলণ্ডলৈ বুলি হেমলেট জাহাজত উঠিল। লগত গ'ল ৰজেনক্ৰেণ্ট আৰু গিল্ডাৰষ্টন। বাটতে তেওঁলোকৰ জাহাজ জলদস্যুৱে আক্ৰমণ কৰিলে। হাতত খোলা তৰোৱাল লৈ হেমলেট ড'কাতৰ জাহাজত জপিয়াই পৰিল। পিছমুহূৰ্ততে ডকাইতে হেমলেটক চিনি পালে। সেইজন দেখোন ডেনমাৰ্কৰ ৰাজকোঁৱৰ হেমলেট। সিহঁতে হেমলেটৰ ওচৰত ক্ষমা খুজিলে। শেষত সিহঁতে হেমলেটক ডেনমাৰ্কৰ উপকূলত নমাই দিবলৈ মান্তি হ'ল। ডেনমাৰ্কৰ মাটিত ভৰি দিয়েই হেমলেটে হৰেচিঅ'লৈ খবৰ পঠালে তেওঁক লগ ধৰিবৰ কাৰণে। আৰু ৰজা ক্লডিয়াচলৈ এখন চিঠি লিখিলে এই দৰে :

"....মই এতিয়া তোমাৰ ৰাজ্যত। কালিলৈ তোমাৰ সন্মুখত থিয় হৈ মোৰ অস্বাভাৱিক আৰু আকস্মিক আবিৰ্ভাৱৰ কথা জনাম।" হেমলেট।

হৰেচিঅ'ই আহি হেমলেটক লগ ধৰিলেহি। প্ৰাচীন গীৰ্জা এটাৰ প্ৰাঙ্গণত বহি দুয়ো কথা পাতি আছে। অদূৰত থকা সমাধি স্থানৰপৰা কবৰ দিওঁতা মানুহৰ গানৰ শব্দ আহি তেওঁলোকৰ কাণত পৰিছেহি। হেমলেটে তেওঁৰ বন্ধুক সুধিলে, "কবৰ দিওঁতেনো মানুহে গান গায় নে?" কবৰখানাতে গান গাই থাকি কষ্টৰ লাঘৱ অনুভৱ কৰাতো তেওঁলোকৰ অভ্যাস হৈ পৰিছে। দুয়ো বন্ধু কথা পাতি আহি মৰিশালিৰ ওচৰ পালেহি। কবৰ খান্দোতা মানুহ এজনৰ কোৰৰ আগত মানুহৰ লাওখোলা এটা উফৰি পৰিছে। হেমলেটে সেইটো কাৰ লাওখোলা জানিব বিচৰাত কবৰ খান্দোতা মানুহজনে কৈছে যে সেইটো

লাওখোলা ডেনমাৰ্কৰ মৃত ৰজা হেমলেটৰ ৰাজসভাৰ এজন ৰসিক পাৰিষদৰ। তৎক্ষণাত হেমলেটৰ মনলৈ সেই অতীতৰ দিনবোৰৰ স্মৃতি ভাঁহি উঠিল। সেই ৰসিক পাৰিষদজনৰ বোকোচাত উঠি তেওঁ যে কিমান দিন ক'ত ৰকমৰ ধেমালি কৰিছিল। হঠাতে শৱযাত্ৰী এদলৰ পদ শব্দ আহি তেওঁলোকৰ কাণত পৰিল। ক্ষন্তেক পিছতে দেখিলে ৰজা ক্লডিয়াচ আৰু ৰাণীও সেই শ যাত্ৰী দলৰ লগতে আহিছে। মৃতকলৈ চাই গাৰট্ৰুডে কৈছে, "ফুলৰ দৰে সুকোমল অফেলিয়া, তোমাৰ বিবাহ বেদীলৈ মই ফুল চটিয়াবলৈ নাপালোঁ, আজি তোমাৰ সমাধিলৈ দলিয়াইছোঁ।" হেমলেটৰ জানিবলৈ আৰু বাকী নাথাকিল যে সেই কবৰ স্থান অফেলিয়াৰ। তেওঁ দেখা পাইছে কবৰলৈ জাপ মাৰি লৰেটিচে তেওঁৰ প্ৰাণহীন দেহটোক শেষবাৰৰ কাৰণে আকোঁৱালি লব বিচাৰিছে। অলপো সময় নষ্ট নকৰি কবৰৰ ওপৰত হেমলেট জঁপিয়াই পৰিল। লৰেটিছে দেখিলে যে তেওঁৰ পিতৃৰ হত্যাকাৰী আৰু ভগ্নীৰ মৃত্যুৰ কাৰণ স্বৰূপ হেমলেট তেওঁৰ সম্মুখতে। এই হেমলেটকতো তেওঁ কেতিয়াও ক্ষমা কৰিব নোৱাৰে। হেমলেট আৰু লৰেটিচৰ মাজত হতাহতি আৰম্ভ হ'ল। অৱশ্যে উপস্থিত থকা অন্যান্য মানুহে যেনিবা সেই অশুভ কালৰ যুদ্ধখন বেছি হবলৈ নিদি সিমানতে এৰুৱাই দিলে।

সেই ৰাতিয়েই হেমলেটে হৰেচিঅ'ক কেনেকৈ ক্লডিয়াচে ইংলণ্ডৰ ৰজালৈ, তেওঁ ইংলণ্ড পোৱা মাত্ৰেই হত্যা কৰিবলৈ লিখি পঠাইছিল সেই ষড়যন্ত্ৰৰ কথা জনালে। লগতে এই কথাও ক'লে যে সেই চিঠি তেওঁ গোপনে পঢ়ি তাত তেওঁৰ নামৰ ঠাইত ৰজেনক্ৰেট আৰু গিল্ড'ষ্টনৰ নাম ভৰ্তি কৰি দিছিল। ডকাইটৰ জাহাজত জাপ মাৰি পৰাৰ লগে লগে সেই জাহাজে তেওঁক এৰি গুচি গৈছিল। দুৰ্ভগীয়া সেই লোক দুজনে চাগৈ ইংলণ্ডত তেওঁলোকৰ প্ৰাপ্য সন্মান নিশ্চয় পালে।

হেমলেটক হত্যা কৰাৰ প্ৰচেষ্টাত ব্যৰ্থ হ'ল যদিও ৰজা ক্লডিয়াচ ক্ষান্ত নাথাকিল। এইবাৰ তেওঁ লৰেটিচক মাতি আনি হেমলেটৰ লগত এখন বন্ধুত্ব-পূৰ্ণ অসি-যুদ্ধ আহ্বান কৰাৰ কথা কলে। হেমলেটৰ বিপক্ষে প্ৰতিহিংসাৰ ভাৱ লৈ থকা লৰেটিচে ৰজাৰ এই প্ৰস্তাৱত সম্মতি জনালে। তেওঁক ক্লডিয়াচক ইয়াকো জনালে যে বিহ লগোৱা তৰোৱালৰ এটা সামান্য আঘাততে তেওঁ হেমলেটক মৃত্যুমুখী কৰিব। অচৰিক নামৰ ধূৰ্ত কৰ্মচাৰীয়ে হেমলেটক এই

প্ৰস্তাৱৰ কথা জনালে। আনন্দমনেৰে হেমলেটে এই প্ৰস্তাৱত সন্মতি জনালে। তৰোৱাল যুদ্ধৰ আগমুহূৰ্তত বলিয়ালিৰে তেওঁ লৰেটিচক কৰা অপমানৰ কাৰণে ক্ষমা বিচাৰিলে। ৰজা, ৰাণী আদি দৰ্শকসকলৰ সন্মুখত তৰোৱাল যুদ্ধ চলি আছে। লৰেটিচে জানে যে তেওঁৰ হাতত থকা বিষাক্ত তৰোৱালৰ এটা সামান্য আঘাততে হেমলেটৰ মৃত্যু হব পাৰে। সেয়ে হেমলেটক সামান্য ধৰণে আঘাত কৰিবৰ কাৰণেও তেওঁ সংকোচ কৰিছে।

ক্লডিয়াচৰ মনতো এই চিন্তা নোহোৱাকৈ থকা নাই। কিজানি লৰেটিচে হেমলেটক আঘাত নকৰে। সেই কাৰণে তেওঁ এগিলাচ বিহ মিহলোৱা পানী ঠিক কৰি থৈছে। প্ৰয়োজন হলে সেই পানী গিলাচকে হেমলেটক খাবলৈ দিব। ক্লডিয়াচৰ এই গোপন ষড়যন্ত্ৰৰ কথা আনকি ৰাণীয়েও নাজানে।

হঠাতে এবাৰ লৰেটিচে হেমলেটক তৰোৱালেৰে আঘাত কৰিলে। লৰেটিচৰ এই ব্যৱহাৰত ক্ষুণ্ণ হৈ হেমলেটেও বেছি জোৰেৰে যুদ্ধত প্ৰবৃত্ত হ'ল। তৰোৱাল পেলাই তেওঁলোক হাত যুদ্ধত লাগিল। পুনৰ যেতিয়া তেওঁলোকে তৰোৱাল তুলি লয়, ভুলতে এইবাৰ হেমলেটৰ হাতলৈ আহিল লৰেটিচৰ তৰোৱাল। লৰেটিচৰ হাতলৈ গ'ল হেমলেটৰ তৰোৱাল। অলপো সময় খৰচ নকৰি হেমলেটেও লৰেটিচক তৰোৱালেৰে আঘাত কৰিলে। দুয়ো যুঁজাৰুৰ দেহেৰে তেজ ববলৈ ধৰিলে। হঠাতে ৰাণী গাৰট্ৰুড আসনৰপৰা মাটিত বাগৰি পৰিল। ৰজাই ভাবিলে যুঁজাৰুৰ দেহত তেজ দেখি ৰাণী মূৰ্চ্ছা গৈছে, সেয়ে তেওঁ চিঞৰিবলৈ ধৰিলে। লগতে ৰাণীয়েও চিঞৰিবলৈ ধৰিলে, "নহয়, নহয়, সেই পানী গিলাচ, সেই পানী গিলাচ; অ' মৰমৰ হেমলেট, সেই পানী গিলাচ, পানী গিলাচ,—অস মই বিহ খালোঁ।"

অলপ আগতে ৰাণীয়ে হেমলেটৰ কাৰণে ৰজাই সাজু কৰি থোৱা পানী গিলাচ খাইছিল। ৰজাৰ বাধা নামানিও তেওঁ সেই পানী খাইছিল।

ৰাণীয়ে শেষ নিশ্বাস এৰিছেহে মাথোন, লৰেটিচে চিঞৰি উঠিল—"হেমলেট, তুমিও আৰু বেছি সময় জীয়াই নাথাকা। পৃথিৱীৰ কোনো ঔষধে তোমাক আৰোগ্য কৰিব নোৱাৰে। সেই বিশ্বাস ঘাতকী অস্ত্ৰপাত তোমাৰ হাততেই আছে। সেইখন বিহ লগোৱা তৰোৱাল, নিজ পাপ কাৰ্যৰদ্বাৰাই ময়ো মৃত্যুমুখী হলোঁ। মই আৰু একো কব নোৱাৰোঁ, মোৰ সময় শেষ হৈ আহিল। ৰাণীয়ে বিহ খাইছে। ইয়াৰ কাৰণে জগৰীয়া অন্য কোনো নহয়, ৰজা, ৰজা ক্লডিয়াচ।'

হাতত থকা বিহমিহলোৱা তৰোৱালখন হেমলেটে সিংহাসনত বহি থকা ৰজাৰ বুকুত বহুৱাই দিলে। পিছ মুহূৰ্ত্ততেই তেওঁ মাটিত বাগৰি পৰিল। বাহিৰত তেতিয়া কামানৰ শব্দ শুনা গৈছিল। যুদ্ধৰ বাদ্যসমূহ বাজি উঠিছিল। ফৰ্টিনবাছ আৰু ইংলণ্ডৰ ৰাজদূতে সৈন্য বাহিনী লৈ দুৰ্গৰ ভিতৰ সোমাবলৈ চেষ্টা চলাইছে।

কিন্তু সেই সময়ত সেইবোৰলৈ চকু দিবলৈ কাৰো সময় নাছিল। মাটিত বাগৰি পৰা হেমলেটৰ কাযতে বহি থকা তেওঁৰ অন্তৰঙ্গ বন্ধু হৰেচিঅ'ই হেমলেটৰ মূৰটো নিজৰ কোলাত তুলি ললে আৰু বন্ধুৰ লগতে নিজেও মৃত্যু বৰণ কৰিবলৈ ওলাল। কিন্তু হেমলেটে তেওঁৰ বন্ধুক আত্মহত্যা কৰাৰপৰা বিৰত থাকিবলৈ অনুৰোধ জনালে। তেওঁৰ (হেমলেটৰ) জীৱন কাহিনী জগতবাসীক জনাবৰ কাৰণেই যেন তেওঁৰ বন্ধু অন্ততঃ জীয়াই থাকে। মৃত্যু ওচৰ চাপি অহাত হেমলেটৰ মুখৰ মাত ক্ৰমে নাইকিয়া হৈ আহিছিল। তথাপি সেহাই সেহাই তেওঁ কলে, "হৰেচিঅ' মই আহিলোঁ। তীব্ৰ বিষৰ জ্বালাই মোৰ সৰ্বশৰীৰ দহি আনিছে, ইংলণ্ডৰ খবৰ লবলৈ মই আৰু জীয়াই নাথাকো। কিন্তু ভৱিষ্যত বাণী কৰিছোঁ, ফৰ্টিনবাছৰ জয় হব, তেওঁলৈ মোৰ এয়ে শেষ কথা।"

হেমলেটৰ প্ৰাণবায়ু উৰি গ'ল। বন্ধুৰ নিষ্প্ৰাণ মুখখনলৈ চাই চাই হৰেচিঅ'ই কান্দি কান্দি চিঞৰি উঠিল:

"এখন সুন্দৰ হৃদয় ধৰাৰ বুকুৰপৰা নিঃশেষ হৈ গ'ল। বিদায়, মৰমৰ ৰাজকোঁৱৰ।

তোমাৰ আত্মাৰ শান্তিৰ কাৰণে দেৱদূতসকলেও সেয়া গীত জুৰিছে।"



# ৰজা লিয়েৰ

ইংলণ্ডৰ বৃদ্ধ ৰজা লিয়েৰে তেওঁৰ চাৰিকুৰি বছৰীয়া জীৱনৰ বিয়লি পৰত সকলো ৰাজকীয় কৰ্তব্য আৰু দায়িত্বৰ বোজাৰপৰা অব্যাহতি লবৰ ইচ্ছা কৰি তেওঁৰ তিনি কন্যাৰ মাজত গোটেই সাম্ৰাজ্যখন ভাগ কৰি দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই দৰে ৰাজ্যসম্পদ নিজ দুহিতাৰ হাতত সমৰ্পণ কৰি ৰাজকীয় গৌৰৱৰ চিন স্বৰূপে মাথোন নিজৰ লগত এশজন নাইট লৈ শেষ বয়সৰ সময়ছোৱা প্ৰত্যেকজনী জীয়েকৰ ঘৰতে থাকি থাকি শান্তিৰে কটাই দিব, এয়ে তেওঁৰ কামনা। ৰজাৰ বৰজীয়েক গনেৰিলক বিয়া কৰাইছে ডিউক অব এলবানিয়ে আৰু মাজু জীয়েক ৰেগানক বিয়া কৰাইছে ডিউক অব কৰ্ণওৱালে। সৰু জীয়েক কৰ্ডেলিয়াক বিয়া কৰাবৰ কাৰণে ডিউক অব বাৰ্গেন্ডি আৰু ফ্ৰান্সৰ ৰজা আহি ৰাজধানীতে আছেহি। তেওঁলোকৰ কোনোবা এজনে কৰ্ডেলিয়াক বিয়া কৰাব।

জীয়েকহঁতৰ মাজত সাম্ৰাজ্য বিতৰণৰ কাৰণে ৰজা লিয়েৰে ৰাজসভা আহ্বান কৰিছে। সভাত উপস্থিত আছে তেওঁৰ দুজনা মন্ত্ৰী গ্লষ্টাৰ আৰু কেণ্ট। সভাস্থলীত ৰজাই সকলোৰে আগতে নিজৰ জীয়েকহঁতক এই প্ৰশ্ন কৰিলে, "মই বাৰু কেনেকৈ জানিব পাৰিম তোমালোকৰ কোনে মোক আটাইতকৈ বেছি ভাল পোৱা, যাতে আমি তেওঁকেই সাম্ৰাজ্যৰ বৃহত্তম অংশ দান কৰিব পাৰোঁ, কাৰণ ৰাজসম্পদ পৰিচালনাৰ কাৰণে মানৱীয় গুণৰ প্ৰয়োজন।" লিয়েৰৰ এই প্ৰশ্ন নিতান্ত ল'ৰালি আৰু অৰ্থহীন। তথাপি বৰজীয়েক গনেৰিলে দেউতাকৰ এই প্ৰশ্নৰ উত্তৰ দিবলৈ লৰালৰিকৈ আগবাঢ়ি আহিল। তেওঁ কলে যে দেউতাকক তেওঁ ইমান বেছি ভাল পায় যে সেই ভালপোৱা কথাৰে প্ৰকাশ কৰা সম্ভৱ নহয়। দৃষ্টি শক্তি, স্বাধীনতা আৰু মুকলি আকাশতকৈও তেওঁৰ দেউতাক তেওঁৰ বেছি প্ৰিয়। স্বাস্থ্য, সম্পদ আৰু সৌন্দৰ্যৰে ভৰপূৰ নিজৰ জীৱনতকৈও তেওঁ দেউতাকক কোনো গুণেই কম ভাল নাপায়। বায়েকৰ সুৰতে সুৰ মিলাই মাজুজীয়েক ৰেগানেও কবলৈ ধৰিলে যে বায়েকৰ কথাতেই তেওঁৰ মনৰো সকলো ভাব প্ৰকাশ হৈ উঠিছে।

দেউতাকৰ চেনেহৰ বাহিৰে তেওঁ জীৱনৰ সকলো আনন্দ আহ্লাদকে তুচ্ছ জ্ঞান কৰে। দুই জীয়েকৰ এনে চাতুৰীপূৰ্ণ কথাৰ অন্তৰালত থকা তেওঁলোকৰ নিকৃষ্ট স্বাৰ্থপৰতা আৰু নাৰকীয় লোভৰ কথা ৰজা লিয়েৰে বুজিব নোৱাৰিলে। ৰাজসম্পদৰ অধিকাৰী হোৱাৰ অদম্য আকাঙ্খাৰ খাতিৰতহে যে তেওঁলোকে দেউতাকক এনে তোষামোদকাৰী আন্তৰিকতাবিহীন কথা কৈছিল সেই কথাৰ ভূ পাব পৰা ক্ষমতা ৰজা লিয়েৰৰ তেতিয়া নাছিল। কিন্তু ৰজাৰ সৰু জীয়েক কৰ্ডেলিয়াই বায়েকহঁতৰ এনে কপট বচন আৰু ভণ্ডামিক কোনোপধ্যেই গ্ৰহণ কৰিব নোৱাৰিলে। ৰাজসম্পদৰ গৰাকী হোৱাৰ আশাত উদবাউল হৈ নিজৰ গাভৰু হৃদয়ৰ গভীৰ কোণত পিতৃৰ প্ৰতি থকা পবিত্ৰ চেনেহ আৰু অকপট আন্তৰিকতাক এনে নিৰ্লজ্জভাৱে প্ৰকাশ কৰাৰ পক্ষপাতী তেওঁ নাছিল। সেযে গনেৰিল আৰু ৰেগানৰ কথাত অতিশয় আনন্দিত হৈ যেতিয়া লিয়েৰে কৰ্ডেলিয়াক সেই একে প্ৰশ্নকে কৰিলে তেতিয়া কৰ্ডেলিয়াই একে অ যাৰেই উত্তৰ দিছিল যে তেওঁৰ কবলৈ একো নাই। তেওঁ অন্তৰৰ কথা জিভাৰে প্ৰকাশ কৰিব নোৱাৰে। দেউতাক হিচাপে তেওঁ ৰজাক যেনেকৈ ভাল পাব লাগে সেই দৰেই ভাল পায়। কৰ্ডেলিয়াৰ এনে উত্তৰত অতিশয় আচৰিত হৈ তেওঁ জীয়েকক ভাবিচিন্তি চাই আকৌ উত্তৰ দিবলৈ কলে। অন্যথাই তেওঁৰ ভাগ্যপথ ৰুদ্ধ হৈ যাব পাৰে। তেতিয়া কৰ্ডেলিয়াই উত্তৰ দিলে যে তেওঁক পিতৃযে জন্ম দিছে, পিতৃৰ চেনেহত তেওঁ ডাঙৰ দীঘল হৈছে। একে দৰেই সন্তান হিচাপে তেওঁ পিতৃক শ্ৰদ্ধা কৰে, ভাল পায়, সততে তেওঁ পিতৃৰ বাধ্য। কিন্তু যেতিয়া তেওঁ এজন পুৰুষক বিয়া কৰাব তেওঁৰ আধা কৰ্তব্য, আধা দায়িত্ব আৰু আধা প্ৰেম পিতৃৰপৰা নি তেওঁৰ স্বামীক অৰ্পণ কৰিব। বাইদেৱেকহঁতৰ দৰে যদি বিয়াৰ পিছতো দেউতাককেই আটাইতকৈ বেছিকৈ ভাল পাই থাকিব লগা হয়, তেতিয়াহলে তেওঁ বিয়া নকৰায়। কৰ্ডেলিয়াৰ এনে উক্তিত ৰজা অতিশয় ক্ৰোধান্বিত হৈ উঠিল আৰু নিজক সংযত কৰিব নোৱাৰি এক মানসিক অন্ধকাৰৰ বশবৰ্তী হৈ কৰ্ডেলিয়াক কঠোৰ ভাষাৰে অভিশাপ দিলে আৰু ৰাজসম্পদৰ উত্তৰাধিকাৰী স্বত্বৰপৰা তেওঁক ( কৰ্ডেলিয়াক ) সমূলঞ্চে বঞ্চিত কৰিলে।

লিয়েৰৰ এনে অবিবেচনা প্ৰসূত ভ্ৰমাত্মক সিদ্ধান্তত ৰাজমন্ত্ৰী কেণ্টৰ মন অস্থিৰ হৈ উঠিল আৰু লিয়েৰক এনে অন্যায় কাৰ্যৰ তেওঁ দূৰ্যোৰ প্ৰতিবাদ জনালে। লিয়েৰে তেওঁৰ সিদ্ধান্তত এই দৰে হেতা ওপৰা কৰা বাবে "ড্ৰেগন আৰু

ড্ৰেগনৰ বিবৰ মাজত” খেলা কৰি আগবাঢ়ি নাহিব'ল কেণ্টক সাৱধান বাণী শুনাই দিলে। নিজৰ সিদ্ধান্তৰপৰা ৰজা এখোজো পিছ হুহকি নাহিল আৰু তেওঁৰ ৰাজ্যৰ বাকী অংশও গনেৰিল আৰু ৰেগানৰ মাজত ভগাই দি গৰ্বী কন্যা কৰ্ডেলিয়াক অহঙ্কাৰৰ লগতে বিবাহ সোমাব'লৈ নিৰ্দেশ দিলে। লগে লগে লিয়েৰে ৰাজমুকুট সোলোকাই আলবেনি আৰু কৰ্ণওৱালৰ হাতত অৰ্পণ কৰিলে। কেণ্ট কিন্তু সিমানতে ক্ষান্ত নাথাকিল। এনে দৰে মানসিক অন্ধতাত নিজক হেৰুৱাই পেলোৱা সিদ্ধান্তৰ কাৰণে তেওঁ ৰজাক কঠোৰ ভাষাৰে নিন্দা কৰিলে। সিমানতো কিন্তু ৰজা লিয়েৰৰ সুবিবেচনা ঘূৰি নাহিল। বৰং তেওঁৰ কাৰ্যত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰি নিজৰ ধ্বংস মাতি আনিবৰ কাৰণে কেণ্টক সাৱধান কৰি দিলে। কেণ্টে কিন্তু তেওঁৰ সংচিন্তাত আৰু বেছি আত্মস্থ হৈ কব'লৈ ধৰিলে, লিয়েৰে যেতিয়া নিজৰ মানসিক সুস্থতা হেৰুৱাই পেলাইছে, কেণ্টে তেতিয়া অশালীন ব্যৱহাৰ কৰিবই। “হেৰা বৃদ্ধ, তুমি এয়া কি কাম কৰিছা, তুমি ভাবিছা নে কি যে ক্ষমতাত অধিষ্ঠিতজনে তোষামোদৰ ওচৰত আত্ম-সমৰ্পণ কৰা দেখিলে কৰ্তব্যপৰায়ণজনে নিজ কৰ্তব্য সাধনৰপৰা বিৰত হৈ পৰিব! জানা, যেতিয়া উচ্চ পদত অধিষ্ঠিতজনে হীনতাৰ আশ্ৰয় লয়, মৰ্যাদাৰ মোল বুজা জনে তেতিয়া সৰলতাৰ পথকে বাছি লয়। আত্ম ধ্বংসৰ পথৰপৰা আপুনি উলটি আহক। আত্মস্থ হওক, ক্ষণিক উত্তেজনাৰ বশবৰ্ত্তী হৈ লোৱা আপোনাৰ এই সিদ্ধান্ত আপুনি বাতিল কৰক। ··· আপোনাৰ সৰু জীয়েকে আপোনাক ভাল নোপোৱা নহয়, আনকি আন ডাঙৰ জীয়েকেও, যাৰ নীচ কথাত যদিও অন্তঃসাৰশূন্যতা পৰিষ্কাৰ হৈ উঠিছে।”

কেণ্টৰ সুবিবেচনাপ্ৰসূত মন্তব্য শুনিব পৰা সুস্থ মানসিকতা লিয়েৰে ইতিমধ্যে হেৰুৱাই পেলাইছে। সেয়ে কেণ্টৰ কথাত তেওঁৰ খঙৰ মাত্ৰা চৰি গ'ল আৰু সকলো হিতাহিত জ্ঞান হেৰুৱাই পেলাই কেণ্টক আঘাত কৰিবৰ কাৰণে তৰোৱাল দাঙি ললে। কৰ্ণৱেল আৰু এলবানিৰ হস্তক্ষেপত তেওঁ কেণ্টক আঘাত কৰাৰ পৰা বিৰত থাকিল। কিন্তু ৰাজক্ষমতাত হস্তক্ষেপ কৰা অপচেষ্টাত অপৰাধী কৰি ৰাজ্যৰপৰা নিৰ্বাসনদণ্ড দিলে—সেই দিনাৰেপৰা ধৰি দহদিনৰ ভিতৰত যদি তেওঁক সেই ৰাজ্যৰ ভিতৰত পোৱা হয় তেওঁক হত্যা কৰা হব। ৰাজ আজ্ঞা শিৰত লৈ কেণ্টে বিদায় ললে। যাওঁতে কৰ্ডেলিয়াক কৈ গ'ল ন্যায়পৰায়ণতা আৰু সুবিবেচনাৰ পথ বাছি লোৱাৰ কাৰণে যেন তেওঁৰ কল্যাণ হয়।

কেণ্ট গুচি যোৱাৰ পিছতে গ্লষ্টাৰে বাৰ্গেনডি আৰু ফ্ৰান্সৰ ৰজাক ৰাজসভালৈ লৈ আহিছে। তেওঁলোক দুয়োজনেই কৰ্ডেলিয়াৰ পাণিপ্ৰাৰ্থী। প্ৰথমে বাৰ্গেনডিক সম্বোধন কৰি কৰ্ডেলিয়া যে ইতিমধ্যে পিতৃৰ অভিসম্পাত আৰু ঘৃণাৰ পাত্ৰী হৈছে সেই কথা জনালে। সেই কাৰণে কৰ্ডেলিয়াক বিয়া কৰোৱাজনে যে ৰাজকন্যাৰ লগত উপঢৌকন হিচাপে একো পাব নোৱাৰে সেই কথাও কলে। একে ধৰণেই ফ্ৰান্সৰ ৰজাক সম্বোধন কৰি তেওঁৰ ( ফ্ৰান্সৰ ৰজাৰ ) প্ৰেম যেন তেওঁৰ ( ৰজাৰ ) ঘৃণাৰ পাত্ৰীৰ ওপৰত প্ৰতিষ্ঠিত নহয় তাকে আশা কৰিলে। কিন্তু অলপ আগলৈকে যি কৰ্ডেলিয়া ৰজাৰ ইমান মৰমৰ আৰু ইমান চেনেহৰ আছিল হঠাতে কেনেকৈ সেই কৰ্ডেলিয়া ৰজাৰ ঘৃণাৰ পাত্ৰী হ'ল সেই কথা ফ্ৰান্সৰ ৰজাৰ কাৰণে বৰ আচৰিত যেন লাগিল। কিন্তু ফ্ৰান্সৰ ৰজাই যেতিয়া কৰ্ডেলিয়াৰ মুখেৰেই তেওঁৰ ( কৰ্ডেলিয়াৰ ) অপৰাধৰ কথা জানিব পাৰিলে, তেওঁ আনন্দচিত্তে বাৰ্গেনডিৰ-পৰা জানিব বিচাৰিলে তেওঁ ( বাৰ্গেনডিয়ে ) কৰ্ডেলিয়াক গ্ৰহণ কৰিব বিচাৰে নে নিবিচাৰে। পিতৃস্নেহৰপৰা বঞ্চিত কন্যা স্বামী লাভৰপৰাও বঞ্চিত হোৱাই ভাল বুলি বাৰ্গেনডি গুচি গ'ল। সম্পদৰ মোহত প্ৰেম বিচাৰি অভাজন তেওঁৰ স্বামী হোৱাৰ কাৰণে অনুপযুক্ত বুলি কৰ্ডেলিয়াইও তেওঁক আনন্দচিত্তে বিদায় দিলে। ফ্ৰান্সৰ ৰজাই কিন্তু কৰ্ডেলিয়াৰ দৰে অনুপম চৰিত্ৰৰ গাভৰু নিজেই শ্ৰেষ্ঠ উপঢৌকন বুলি ভাবি কৰ্ডেলিয়াক সাদৰেৰে তেওঁৰ পত্নী আৰু ফৰাচী জনসাধাৰণৰ ৰাজৰাণী কৰি আদৰি ললে। বায়েকহঁতৰপৰা বিদায় লৈ কৰ্ডেলিয়া আৰু ফ্ৰান্সৰ ৰজা গুচি গ'ল।

লিয়েৰৰ বৃদ্ধমন্ত্ৰী গ্লষ্টাৰৰ দুজন পুত্ৰ—এড্‌গাৰ আৰু এড্‌মাণ্ড। ৰৰপুত্ৰ এড্‌গাৰ এজন সজ চৰিত্ৰবান সাধু যুৱক। দয়াশীল সৰল অন্তঃকৰণৰ কাৰণে তেওঁ জীৱনত উপৰ্যুপৰি কষ্টভোগ কৰিব লগা হোৱা সত্ত্বেও ন্যায়ৰ পথৰপৰা কাহানিও বিচলিত হোৱা নাছিল। দ্বিতীয় পুত্ৰ এড্‌মাণ্ডে কিন্তু জন্মৰ লগতে এক সামাজিক কলঙ্কৰ ভাৰ বহন কৰিব লগা হৈছিল। তেওঁ আছিল দেউতাকৰ অবৈধ সন্তান। তেওঁ যে জাৰজ, সেই কাৰণেই তেওঁ সমাজৰ চকুত নিন্দনীয়, হেয়। এড্‌মাণ্ডে কিন্তু তেওঁৰ জীৱনৰ লগত সাঙোৰ খাই থকা এই সামাজিক কলঙ্কক কোনোপধ্যেই সহজে গ্ৰহণ কৰি লব নোৱাৰিছিল। তেওঁতকৈ বয়সত বাৰ চৌধ বছৰৰ ডাঙৰ এৰ্ডগাৰ সকলোৰে প্ৰিয়। তেওঁ

সেউতাকৰ বৈধ সন্তান। অথচ তেওঁ সমাজৰ চকুত নিন্দনীয়। কাৰণ, তেওঁ জাৰজ। কিয়! তেওঁৰ জন্মৰ কাৰণে জানো তেওঁ দায়ী! তেওঁৰ জন্মটো কোনো অপ্ৰাকৃতিক ঘটনা নহয়! তেতিয়াহলে প্ৰকৃতিয়েই তেওঁৰ আৰাধ্যা দেৱী। প্ৰকৃতিৰ বিধান মতেই তেওঁ কাম কৰি যাব। সেইকাৰণে, এড্‌মাণ্ডে যি কোনো প্ৰকাৰেই ককায়েক এড্‌গাৰৰ ওপৰত প্ৰতিশোধ লবই। তেওঁ নিজক এড্‌গাৰতকৈও শ্ৰেষ্ঠ কৰি প্ৰতিষ্ঠা কৰি সমাজক দেখুৱাব জাৰজ সন্তানৰো নিজৰ মানবীয় অধিকাৰ আছে। এনে উদ্দেশ্য সিদ্ধিৰ কাৰণে আগবঢ়া এড্‌মাণ্ডৰ মানসিক চিন্তা চৰ্চাৰো পথ সুকীয়া। মানুহৰ ব্যৰ্থতা আৰু জীৱনৰ গ্লানিৰ কাৰণে তেওঁ দেৱতাক জগৰীয়া নকৰে, ভাগ্যক দায়ী নকৰে। তেওঁ ভাবে যে মানুহৰ জীৱনলৈ সুফল কুফল আহে নিজৰ কৃতকৰ্মৰ ফলস্বৰূপে। আকাশৰ গ্ৰহ-নক্ষত্ৰৰ প্ৰভাৱত নহয়। সেইকাৰণেই তেওঁ ভাবে মানুহৰ কৰ্মৰ ওপৰত মানুহৰ শক্তিৰ বাহিৰে গ্ৰহ-নক্ষত্ৰ আৰু দেৱতাক বিশ্বাস কৰা সকলতকৈ আৰু মূৰ্খ কোনো নাই। এনে মানসিকতাৰ বশৱৰ্তী এড্‌মাণ্ডে তেওঁতকৈ শ্ৰেষ্ঠ আসনত থকা সকলোৰে বিপক্ষেই এক বিদ্ৰোহৰ ভাব পোষণ কৰিছিল। এড্‌মাণ্ডৰ চৰিত্ৰৰ অন্তৰ্নিহিত এই বিষ প্ৰবাহৰ কাৰণেই 'কিং লিয়েৰ' নাটকৰ ঘটনাই হিংসা বিদ্বেষ অকৃতজ্ঞতা আৰু হত্যাৰ মাজেদি এক ভয়াবহ ৰূপ ধাৰণ কৰিছে। প্ৰথমে তেওঁ ষড়যন্ত্ৰ কৰে নিজ ভাতৃ এড্‌গাৰৰ বিপক্ষে, যাৰ ফলত সৰল অন্তৰৰ এড্‌গাৰে নিজ ঘৰ ত্যাগ কৰি আত্মগোপন কৰি আত্মৰক্ষা কৰিব লগা হয়। লাহে লাহে এড্‌মাণ্ডৰ পাপকাৰ্যই এনে ভয়াবহ ৰূপ লয় যে তেওঁৰ নিজ পিতৃয়ে তেওঁৰ কাৰণেই দৃষ্টি শক্তি হেৰুৱাৰ দৰে চৰম শাস্তি ভোগ কৰিব লগা হয়। লাহে লাহে তেওঁৰ এই পাপ কাৰ্যত এলবানি আৰু কৰ্ণওৱালো লিপ্ত হয়। শেষত লিয়েৰ আৰু কৰ্ডেলিয়াৰ জীৱনলৈ মৃত্যুৰ অন্ধকাৰ নামি আহে এড্‌মাণ্ডৰ অসৎ আচৰণৰ কাৰণেই।

কৰ্ডেলিয়াক ফ্ৰান্সৰ ৰজাই লৈ যোৱাৰ পিছৰপৰাই নাটকৰ কাহিনীয়ে ভয়ঙ্কৰ আৰু শোকাবহৰ পৰিণতিৰ ফালে আগবাঢ়ে। ৰাজা লিয়েৰে লাহে লাহে বুজি উঠে যে তেওঁৰ ডুহিতা গনেৰিল আৰু ৰেগানৰ পিতৃ-ভক্তিৰ আঁৰত লুকাই থকা ভয়াবহ স্বাৰ্থপৰতাৰ কথা। গনেৰিল আৰু ৰেগানৰপৰা আশা কৰা ধৰণৰ আতিথ্যৰপৰা তেওঁ বঞ্চিত হবলৈ ধৰিলে। প্ৰথমে তেওঁ গনেৰিলৰ ঘৰত থাকিবলৈ লৈছিল। অতি সোন-

কালেই তেওঁ বুজি উঠিল যে গনেৰিলে যেন তেওঁক বেয়া পোৱা হৈছে। ৰাজকীয় মৰ্যাদাৰ শেষ চিহ্ন হিচাপে তেওঁৰ লগত থকা এশজন নাইটক গনেৰিলে তেওঁৰ চাকৰবিলাকক লগাই যেন সততে অপমান কৰায়। লাহে লাহে গনেৰিলৰ দেউতাকৰ প্ৰতি বিতৃষ্ণা আৰু ঘৃণাৰ ভাব ইমান প্ৰবল হ'ল যে তেওঁ দেউতাকক এজন অাদৰকাৰী এলেহুৱা বুঢা বুলি তিৰস্কাৰ কৰিবলৈকো কুণ্ঠাবোধ নকৰিলে। গনেৰিলৰ অচওৱাল্ড নামে এজন পৰিচাৰক আছিল। গনেৰিলৰ প্ৰৰোচনাত অচওৱাণ্ডে ৰজাক এনেধৰণে অৱহেলা কৰিবলৈ ধৰিলে যে ৰজাই তেনে অবজ্ঞাসূচক ব্যৱহাৰৰ প্ৰতিবাদ নকৰাকৈ নোৱাৰিলে। গনেৰিলৰ চাকৰ-বাকৰবিলাকে ৰজাৰ নাইটসকলক কৰা অপমানৰপৰা লিয়েৰৰ এই কথা বুজিবলৈ আৰু বাকী নাথাকিল যে গনেৰিলৰ কাৰণে যেন তেওঁ অপ্ৰয়োজনীয় বোজা মাথোন। তেওঁৰ উপস্থিতি যেন প্ৰাসাদত সকলোৰে কাৰণে অবাঞ্চিত।

লিয়েৰৰ এসময়ৰ বিশ্বাসী মন্ত্ৰী কেণ্টক কৰ্ডেলিয়াৰ সপক্ষে কোৱাৰ বাবে ৰজাই নিৰ্বাসন দণ্ড দিছিল। নিৰ্বাসন দণ্ডৰ আদেশেও কেণ্টৰ অন্তৰৰপৰা ৰজা লিয়েৰৰ প্ৰতি থকা গভীৰ শ্ৰদ্ধা আৰু আনুগত্যক নিশ্চিহ্ন কৰিব পৰা নাছিল। গ্ৰীষ্মৰ প্ৰথম সূৰ্য ৰশ্মিৰ দৰে নিৰ্মল অন্তৰৰ কেণ্টে সকলো সততাৰে আৰু পৰম নিষ্ঠাৰে নিভাঁজ প্ৰেমৰ সপক্ষে থিয় দিবৰ কাৰণে আৰু একেধৰণেই পাপ কাৰ্যৰ বিপক্ষে যুঁজিবৰ কাৰণে কাহানিও পাছ হোঁহকা নাছিল। ৰজা লিয়েৰৰ প্ৰতি থকা তেওঁৰ এই গভীৰ ভালপোৱা আৰু আনুগত্যৰ কাৰণে তেওঁ ছদ্মবেশে আহি গনেৰিলৰ ঘৰত ৰজাৰ ওচৰ চাপেহি আৰু এজন সামান্য অনুচৰ হিচাপে ৰজাৰ লগতে থাকিবলৈ অনুমতি বিচাৰে। ৰজাই সঁচাকৈয়ে এসময়ৰ তেওঁৰ বিশ্বাসী মন্ত্ৰী কেণ্টক চিনি নাপালে। এজন সামান্য অনুচৰ হিচাপেই কেণ্টক তেওঁৰ লগতে ৰাখিলে। গনেৰিলৰ ঘৰৰ প্ৰতিকূল পৰিবেশৰ মাজতো অতি কম সময়ৰ ভিতৰতে ৰজা কেণ্টৰ আনুগত্যৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিল। গনেৰিলৰ দুষ্ট ভৃত্য অচওৱাল্ডে কেণ্টৰ সন্মুখতে লিয়েৰক অপদস্থ কৰাৰ বাবে কেণ্টে অসহ্য হৈ অচওৱাল্ডক আঘাত কৰি মাটিত বগৰাই পেলায়। নিজ ভৃত্যৰ বিপদত গনেৰিলে ৰজাৰ ওচৰত তাৰ প্ৰতিবাদ কৰিবলৈ আহোঁতেও কেণ্টে ৰজাৰ কাষত নিৰ্ভয়ে থিয় দিছে। লিয়েৰৰ আৰু এজন অনুচৰ আছিল তাৰ নাম ফুল। এই ফুলৰ চৰিত্ৰ চেক্সপীয়েৰৰ প্ৰতিভাৰ এক বিস্ময় সৃষ্টি।

ফুলৰ কথা অসঙ্গতিপূৰ্ণ, কিন্তু চৰম বিপদৰ সময়তো ফুলৰ মুখত কথা আথৈ ফুটাদি ফুটে। সেই বুলি ফুলক বলিয়া বুলিব নোৱাৰি। ফুলৰ কথাৰ মাজেদি চেক্সপীয়েৰে যেন বিপৰ্যস্ত মানৱ আত্মাৰ এক করুণ জ্যোতি বিকিৰণ কৰিছে। ফলে ৰজা লিয়েৰক খুব ভাল পাইছিল আৰু সূক্ষ্ম অন্তৰ্দৃষ্টিৰ চোকেৰে ৰজা লিয়েৰৰ মনোজগতৰ দোষ খুঁতবোৰ বহুবাৰ চলতে আঙুলিয়াই দিছিল। ফুল যেন চেক্সপীয়েৰৰ সৃষ্টিৰ আটাইতকৈ সুকোমল আৰু বুদ্ধিদীপ্ত চৰিত্ৰ। ফুলৰ হাঁহি তামাচাৰ মাজতো যেন সদায় এক তীব্ৰ বেদনাৰ বেশ মিহলি হৈ থাকে, নিতান্ত ধেমালি আৰু বিদ্ৰূপৰ মাজতো থাকে এখন সুকোমল অন্তৰৰ উদ্দীপ্ত পৰশ। কেণ্ট আৰু ফুল বলীয়াৰ সাক্ষাততে গনেৰিলে ৰজাক শ্বেতৰ এশটা নাইটৰ প্ৰতি থকা অৰ্থহীন মোহৰ কাৰণে তিৰস্কাৰ কৰিলে। গনেৰিলে ৰজাক জনাই দিলে যে পঞ্চাশজন মানুহেই ৰজাৰ প্ৰয়োজনতকৈ অধিক, তেনে-স্থলত এশজন নাইট সম্পূৰ্ণ নিষ্প্ৰয়োজন। জীয়েকৰ এনে ঘৃণাসূচক কথা আৰু সৰ্প সদৃশ অকৃতজ্ঞতাত ৰজা লিয়েৰৰ হৃদয় কঁপি উঠিল আৰু তেওঁ সেই মুহূৰ্ততে গনেৰিলৰ প্ৰসাদ এৰি মাজু জীয়েক ৰিগানৰ ঘৰলৈ গুচি যোৱাটো ঠিক কৰিলে। তেওঁ ভাবিছিল যে ৰিগানে অন্ততঃ তেওঁক এনে ব্যৱহাৰ কেতিয়াও নকৰিব। অতিশয় ক্ষোভ আৰু বেজাৰত ৰজাই সন্তানৰ অকৃতজ্ঞতা সাপৰ দাঁততকৈও চোকা বুলি কৈ সেই মুহূৰ্ততেই গনেৰিলৰ ঘৰ এৰিলে। ৰেগানপৰা অন্ততঃ এনে ব্যৱহাৰ নাপাব বুলি ভাবি কেণ্টক ৰেগানৰ ওচৰলৈ এখন চিঠি দি পঠাই দিলে। আৰু পিছ মুহূৰ্ততে নিজেও লগৰ সকলোকে লৈ ৰেগানৰ ঘৰলৈ বুলি যাত্ৰা কৰিলে। ইতিমধ্যে গনেৰিলেও ৰেগানলৈ চিঠি এখন দি অচওৱাল্ডক পঠিয়াই দিলে। সেই চিঠিতে গনেৰিলে ৰেগানে যাতে লিয়েৰক কোনো পধ্যেই নিজৰ ঘৰত আশ্ৰয় নিদিয়ে সেই কথা সদৰি কৰি দিলে।

কেণ্টতকৈ অচওৱাল্ড আগেয়ে গৈ ৰেগানৰ ঘৰত উপস্থিত হ'ল আৰু গনেৰিলে দিয়া চিঠি ৰেগানৰ হাতত দি ওলাই আহোঁতেই চোতালতে কেণ্টৰ উদ্দেশ্যৰ কথা জানিব পাৰি অচওৱাল্ডে কেণ্টক দুই এষাৰ বিদ্ৰূপসূচক কথা কোৱাত কেণ্টেও সহ্য নকৰিলে। ফলস্বৰূপে দুয়োৰো মাজত হতাহতি আৰম্ভ হ'ল। ৰেগানৰ ঘৰৰ অন্যান্য সকলো লাগি কাজিয়াত যোগ দিয়ে আৰু কেণ্টক বান্ধি থয়।

একুঢ় আশা বুকুত বান্ধি লিয়েৰ আহি যেতিয়া মাজু জীয়েক ৰেগানৰ

চোতালত উপস্থিত হৈ দেখে যে তেওঁৰ প্ৰিয় ভৃত্য কেণ্টক ভৰিত ৰচি লগাই বান্ধি থোৱা আছে, কৰ্ণওৱাল আৰু ৰেগানৰ নিৰ্দেশ মতেই কেণ্টক তেনে দৰে বান্ধি থোৱা হৈছে বুলি জানিব পাৰি ৰজা অতিশয় ক্ষুণ্ণ হ'ল। পিছমুহূৰ্ত্তে ৰেগান আৰু কৰ্ণওৱালক লগ ধৰিব বিচৰাত ৰজাক গ্লষ্টাৰে জনালে যে ভ্ৰমণৰ অন্তত জিৰণিত থকা কাৰণে তেওঁলোকে ৰজাক লগ ধৰিব নোৱাৰে। অগত্যা তেওঁলোকক লগ ধৰিবলৈ হলে ৰজাই কিছু সময় অপেক্ষা কৰিব লাগিব। ৰেগান তেওঁৰ জীয়েক, সেই ৰেগানক লগ ধৰিবৰ কাৰণে তেওঁৰ অপেক্ষা কৰিব লাগে—এই কথা ভাবি ৰজাই মৰ্মান্তিক দুখ পালে। গনেৰিলৰ কাষত পাই অহা অপমানৰ কথা সুঁৱৰি সেই একে অপমানকে ৰেগানৰ কাষতো পোৱাৰ আশঙ্কাত ৰজাৰ মন শিয়ৰি উঠিল। অৱশেষত জীয়েক জোঁৱায়েক ওলাই আহিল, কিন্তু ৰজাৰ আগমনত আনন্দ পোৱা দৰৈত থাওক অসন্তুষ্ট হোৱাৰ দৰেহে কৰিলে। কথাবতৰা আৰম্ভ হোৱাৰ লগে লগেই ৰেগানে স্পষ্টভাৱে কৈ দিলে যে তেওঁ বায়েক গনেৰিলৰ বিপক্ষে ৰজাৰ মথৰপৰা কোনো কথা শুনিব নোখোজে। বৰং ৰজাই যে এতিয়া আৰু আগৰ দৰে নিজৰ কথা ৰজাই ৰাখিবলৈ নগৈ তেওঁলোকৰ কথামতেই চলিব লাগিব সেই কথাহে ক'লে। কাৰণ এতিয়া আৰু নিয়েৰৰ হাতত ৰাজ ক্ষমতা নাই।

ৰজাই ৰেগান আৰু কৰ্ণওৱালৰ লগত কথা পাতি থাকোঁতেই গনেৰিল আহি সেই ঠাইত উপস্থিত হ'ল আৰু ৰজাৰ উপস্থিতিলৈ ভ্ৰুক্ষেপ নকৰি ভনীয়েকৰ লগত কথা পতাত লাগি গ'ল। বায়েক ভনীয়েকৰ কথাৰপৰা ৰজাৰ বুজিবলৈ আৰু বাকী নাথাকিল যে তেওঁৰ দুই কন্যাই একেই অকৃতজ্ঞতা পথকে বাছি লৈছে। পিছ মুহূৰ্ত্তেই ৰেগানে ৰজাক জনাই দিলে যে পঞ্চাশ জন মানুহো ৰজাৰ কাৰণে খুব বেছি, সেয়ে পঁচিশ জন মানুহেই যথেষ্ট হব। ৰেগানৰ কথা শুনি ৰজাৰ ধাৰণা হ'ল ৰেগানতকৈ গনেৰিলেই যথেষ্ট উদাৰ। তাই অন্ততঃ পঞ্চাশজন মানুহ ৰাখিবলৈ সন্মত হৈছিল। সেয়ে অলপ ইতঃস্তত কৰি ৰজাই গনেৰিলৰ ঘৰলৈকে যোৱাৰ ইচ্ছা প্ৰকাশ কৰিলে। কিন্তু গনেৰিলে আগৰ মত সলনি কৰিছে। তেওঁ এতিয়া ৰজাৰ লগত দহজন বা বা পাঁচজন বা এজনো মানুহকাটোকে পচন্দ কৰে। জীয়েকৰ মুখৰ এনে নিদাৰুণ কথা শুনি লিয়েৰৰ বুকু ভাগি পৰিল। এসময়ত তেওঁ যে এক বিশাল সাম্ৰাজ্যৰ গৰাকী আছিল তাৰ চিন স্বৰূপে তেওঁৰ হাতত আছে মাথোন এশজন নাইট

কিন্তু যাক তেওঁ সেই বিশাল সাম্রাজ্য দি দিলে সেই জীয়েকহঁতৰ এতিয়া সেইটোৱো সহ্য হোৱা নাই। সেয়ে সিহঁতে তেওঁৰপৰা ৰাজক্ষমতাৰ শেষ চিনকণকো মচি দিব বিচাৰিছে।

গনেৰিলৰ কথাত যেতিয়া ৰেগানে কলে যে এজনৰনো কি প্রয়োজন তেতিয়া ৰজা আৰু ক্ষান্ত হৈ থাকিব নোৱাৰিলে। তেওঁৰ সমস্ত পিতৃহৃদয় বেজাৰ, ক্ষোভ আৰু দুখত জর্জৰিত হৈ পৰিল। কাতৰ কণ্ঠে তেওঁ চিএঞৰি উঠিছিল—

যুক্তি তর্কৰ আৰু প্রয়োজন নাই।
ক্ষুদ্র মগনীয়াৰ গাত থকা ফটাচিটা
কাপোৰখনৰনো কি প্রয়োজন।

সেই দৰে চাবলৈ গলে মানুহৰ জীৱন আৰু সামান্য পশুৰ জীৱনৰ মাজত কি পার্থক্য আছে। প্রকৃতি জগতৰ কি নিতান্ত প্রয়োজনীয়তাৰ বাহিৰে আৰু একোৱে প্রয়োজন নাই। যদি সঁচাকৈ একান্ত প্রয়োজনখিনিকেহে লাগে, তোমাৰ গাত এই জাকজমক পোছাকৰ কি প্রয়োজন, এইবিলাকে তোমাক অলপহে উত্তাপ যোগাব পাৰিছে।

এই দৰে অত্যন্ত বেজাৰত কথা কৈ কৈ ৰজা উন্মাদৰ দৰে হৈ যিহকে তিহকে কবলৈ ধৰিলে। তেওঁৰ মনত সদায় ভয়ৰ উদ্রেক কৰি থকা বলীয়া হোৱাৰ সম্ভাৱনাই যেন বন্য জন্তুৰ দৰে তেওঁৰ মনৰ মাজত গুজৰি উঠিল। ফুল বন্ধুৰাক সম্বোধন কৰি তেওঁ কবলৈ ধৰিলে তেওঁ বাৰু সঁচাকৈ বলীয়া হব নেকি! লগে লগে ফুল, গ্লষ্টাৰ আৰু কেণ্টৰ সৈতে ৰজাই সেই ঠাই ত্যাগ কৰিলে। ইতিমধ্যে সাগৰৰ ফালৰপৰা এচাটি ক'লা ডাৱৰে আকাশ চাটি আহিছে আৰু অদূৰত মেঘৰ গাজনিৰ ভয় লগা শব্দ আহি কাণত পৰিছেহি। বতাহ ধুমুহাৰ আশঙ্কা কৰি কর্ণওৱাল, ৰেগান আৰু গনেৰিল প্রাসাদৰ ভিতৰ সোমাল। প্রকৃতি জগতত হোৱা ধুমুহা-বতাহৰ লগতে যেন চেক্সপীয়েৰে বুঢ়া ৰজা লিয়েৰৰ মনোজগতত হোৱা ধুমুহা-বতাহৰো ইঙ্গিত দিছে।

লগৰ নাইটসকলক লগত লৈ লিয়েৰ ঘোঁৰাত উঠিলগৈ আৰু আগপাছ নভবাকৈ সন্মুখৰ বহল মুকলি উপত্যকালৈ ঘোঁৰা দৌৰাই দিলে। ইতিমধ্যে সন্ধিয়াৰ আকাশখন ক'লা ক'লা ডাৱৰৰ চপৰাই চাটী পেলাইছে আৰু মেঘৰ গাজনিৰ লগে লগে বিজুলীৰ তীব্র চকাবত আকাশ উদ্বেলিত হৈ উঠিছে।

নিশাৰ অন্ধকাৰ নামি আহিল। লগে লগে আৰম্ভ হ'ল প্ৰবল ধুমুহা বতাহ। বতাহ বৰষুণ গাজনি আৰু বিজুলীয়ে গোটেই উপত্যকা ঢাকি পেলালে, তাৰ মাজে মাজে এগৰাকী নাইটৰ সৈতে ঘোঁৰাত উঠি ৰজা লিয়েৰ, গোটেই অঞ্চলটোৰ ক'তো এজোপা সৰু গছো নাই। বতাহ বৰষুণৰ মাজত লিয়েৰৰ এগৰাকী অশ্বাৰোহী নাইট ছেদেলি ভেদেলি হৈ পৰিল। কিন্তু ইমান ধুমুহা বতাহৰ মাজতো লিয়েৰৰ কাষ এৰা নাই মূল বহুৱাই। বতাহ বৰষুণৰ মাজতে আন্ধাৰে-মুন্ধাৰে কেণ্টে ৰজাক বিচাৰি ফুৰোঁতে নাইট এজনক লগ পাই ৰজাৰ কথা সোধাত নাইটজনে অলপ আগতে খুব বেছিকৈ বতাহ বৰষুণ দি থকা ঠাই এটুকুৰাত ৰজাক লগ পোৱাৰ কথা কলে, লগতে কলে প্ৰায় উলঙ্গ অৱস্থাত মৰাপাটৰ ৰঙৰ চুলিকোছাক তীব্ৰ বতাহ বৰষুণৰ কোলাত এৰি দি লিয়েৰে উন্মাদৰ দৰে প্ৰকৃতি জগতৰ প্ৰচণ্ডতাৰ বিপক্ষে নিজৰ বিদ্ৰোহ ঘোষণা কৰিছে। আৰু ৰজাৰ কাষতে নানা ধৰণৰ কথা কৈ-মেলি আছে মূল বহুৱা। তথাপি, বতাহ বৰষুণৰ সেই দুৰ্ধৰ্ষ আক্ৰমণৰ মাজতো ৰজাৰ ভগা হৃদয় আৰু অস্থিৰ মনত বাৰে বাৰে জুমুৰি দি ধৰিছেহি, সেই একেটামাত্ৰ কথাই—নিজৰ জীয়েকহঁতৰ ভাবিব নোৱাৰা অকৃতজ্ঞতাই।" কথাকেইষাৰ কৈয়েই নাইনজন বতাহ-বৰষুণৰ মাজত কেনিবা নাইকিয়া হ'ল। কেণ্ট এজন খুব সাহসী যুঁজাৰু। ইতিমধ্যে বতাহ-বৰষুণ আৰু প্ৰচণ্ডভাৱে বলিবৈ'ল ধৰিছে। মাজে মাজে বিজুলী ঢেৰেকনিৰ শব্দই এনেকৈ কাণ তাল মাৰি যোৱা শব্দ কৰিছে, আৰু প্ৰলয়কালৰ ধুমুহাৰ দৰে বতাহে এনেকৈ সো-সোৱাব লাগিছে যে কেণ্টৰো অন্তৰত ভয় নোসোমোৱাকৈ থকা নাই। হঠাতে তেওঁ এটা চিঞৰ শুনিলে আৰু পিছমুহূৰ্ততে বিজুলীৰ পোহৰত দেখা পালে বৰষুণত তিতি বুৰি জুৰুলি জুপুৰি হৈ থিয় হৈ থকা ৰজা লিয়েৰ। হাতদুখন মুঠি মাৰি ধৰি ৰজাই আকাশলৈ চাই উন্মাদ কণ্ঠে কিবাকিবি বকিব লাগিছে। ৰজাৰ চাৰনিৰপৰা কেণ্টে বুজিব পাৰিছে যে ৰজাই মনৰ সুস্থতা ইতিমধ্যে হেৰুৱাই পেলাইছে। ৰজাই কোৱা কথা কেণ্টে শুনিছে,

বল বতাহ, বল, তীব্ৰ আঘাতেৰে তোৰ
নিজৰ মুখাবয়ৱ বিকৃত কৰি দে।
প্ৰবল বেগে বল।
......হেৰা বিশ্ব কঁপোৱা বজ্ৰ পৃথিৱীৰ এই গোলাকাৰ কঠিন ৰূপটোক

পিহি চেপেটা কৰি নিদিয়া কিয় ! প্ৰকৃতিৰ সকলো ৰূপ আকাৰক ভাঙি চুৰমাৰ কৰি দিয়া, অকৃতজ্ঞ মানুহবোৰৰ সকলো প্ৰজনন শক্তি ধৰাৰ বুকুৰপৰা বাহিৰ কৰি দিয়া।

যিমান পৰা অগ্নি প্ৰজ্বলিত হোৱা,

বৰষুণ কলহৰ মুখেৰে ঢালা,

বৰষুণ, বতাহ, বজ্ৰপাত বিজুলী চেৰেকণি কোনোৱেইতো মোৰ দুহিতা নোহোৱা।

প্ৰকৃতিৰহে বিভিন্ন গুণসমূহ তোমালোকক মই নিষ্ঠুৰতাৰ

দোষত দোষী নকৰোঁ।

তোমালোককতো মই মোৰ ৰাজসম্পদ দিয়া নাছিলোঁ, তোমালোকক

মোৰ সন্তান বোলা নাছিলোঁ।

তোমালোক মোৰ ওচৰত দায়গ্ৰস্ত নহয়।

তেতিয়াহলে তোমালোকৰ ভয়ঙ্কৰ আমোদ আৰম্ভ হওক

এয়া মই থিয় হৈ আছোঁ, তোমালোকৰ এজন দাস

এজন নিঃকিন, অকামিলা, দুৰ্বল, প্ৰয়োজনহীন বৃদ্ধ মানুহ

তথাপি মই তোমালোকক অসতৰ ভৃত্য বুলি কম

দুজনী কৃতঘ্নতাৰ পাপৰ বোকাত লুতুৰি পুতুৰি হোৱা কন্যাৰ

সৈতে লগ লাগি তোমালোকে এই সংগ্ৰাম

আৰম্ভ কৰিছা এনে এজন লোকৰ সৈতে

যি একেবাৰে বৃদ্ধ, যাৰ চুলিৰ ৰঙ একেবাৰে শুভ্ৰ,

অহ বিভৎস, অসহ্য।

ৰজাৰ এই অৱস্থা অতিশয় বেদনাদায়ক। কেণ্টে অন্তৰপৰা ৰজাই কোৱা সকলো কথা শুনি আছিল। চাৰি কুৰি বছৰৰ বোজা মূৰত কঢ়িয়াই অনা এইজন বৃদ্ধ এদিন আছিল ইংলণ্ডৰ ৰাজসিংহাসনৰ গৰাকী। এদিন তেওঁ যি সন্তানৰ কাৰণে এই ৰাজসিংহাসন আৰু ৰাজবৈভৱ ত্যাগ কৰিছিল অৱশেষত সেই সন্তানৰ কাষতে তেওঁ বঞ্চিত হ'ল অকণমান মৰম আৰু অকণমান আশ্ৰয়ৰপৰা। সেয়ে ক্ষুব্ধ হৈ, সন্তানৰ অকৃতজ্ঞতাৰ জীয়াজুইত নিজৰ মানসিক সুস্থতা হেৰুৱাই ধুমুহা-বতাহ, বজ্ৰপাত আৰু বিজুলী চেৰেকণিক আহ্বান কৰিছে নিজকে নিঃশেষ কৰিবলৈ।

ফুল বহুৱাই কিন্তু ৰজাক এই বিপদ কালতো এৰা দিয়া নাই। লাহে লাহে কেণ্টো ৰজাৰ কাষলৈ আহিল আৰু ওচৰতে থকা এটা মাটিৰ সৰু ঘৰত ৰজাক আশ্ৰয় দিব বিচাৰিলে, যাতে ধুমুহা বৰষুণৰ আঘাতৰপৰা ৰজাই পৰিত্ৰাণ পায়। ৰজা কিন্তু মাটিৰ ঘৰত আশ্ৰয় লবলৈ সন্মত নহ'ল। কাৰণ প্ৰকৃতি ৰাজ্যৰ ধুমুহা বতাহতকৈ তেওঁৰ মনোৰাজ্যৰ প্ৰকোপ বেছি।

মোৰ মনৰ মাজৰ ধুমুহাই মোৰ ইন্দ্ৰিয়ৰপৰা সকলো অনুভৱ ক্ষমতা নিঃশেষ কৰি দিছে। মই এতিয়া মাথোন অনুভৱ কৰিব পাৰিছোঁ মোৰ মনৰ তীব্ৰ জ্বালাহে। সন্তানৰ অকৃতজ্ঞতা! ইয়াৰ মানে জানো এয়াই নহয় যে মুখলৈ আহাৰ তুলি দিয়ে কাৰণে এই হাতখনক মুখে কামুৰি চিঙি পেলাব লাগে।

ৰজাক জোৰ কৰি মাটিৰ ঘৰটোলৈ লৈ যোৱা হ'ল। কিন্তু সেই ঘৰটোতে অন্ধকাৰৰ মাজত হঠাৎ বিজুলীৰ পোহৰত জিলিকি উঠা কিবা এটা মূৰ্তি দেখি ফুল বহুৱা উচাপ খাই উঠিল। প্ৰথমে সেই মূৰ্তিক তেওঁ কিবা ভূত-প্ৰেত বুলিয়েই শঙ্কা কৰিছিল। পিছত দেখা গ'ল ফটা কাপোৰ কানি পিন্ধা সেইজনো এজন বলীয়া মানুহ। প্ৰকৃততে তেওঁ বলীয়া মানুহ নহয়, আৰ্ল অব্ গ্লষ্টাৰৰ জ্যেষ্ঠ পুত্ৰ এড্গাৰ। কূট এড্মাণ্ডৰ চক্ৰান্তত পৰি পিতৃৰ ৰোষৰ পাত্ৰ হৈ তেওঁ এতিয়া বলীয়া মানুহৰ ভেশচন ধৰি আত্মগোপন কৰি ফুৰিছে। বতাহ ধুমুহাৰপৰা ৰক্ষা পাবৰ কাৰণে ঘটনাক্ৰমে তেওঁ সেই মাটিৰ ঘৰতে আশ্ৰয় লব লগা হৈছে। এড্গাৰৰ সেই বলীয়া ৰূপটো দেখি লিয়েৰে কৈছিল, তেওঁৰ জীয়েকহঁতৰ কাৰণে এনে অৱস্থা হৈছে নেকি!

তুমি নিজলৈ বুলি একোকে নাৰাখিলা নেকি? সিহঁতকে সকলো দি দিলা নেকি?

ফুল বহুৱাই উত্তৰ দিছিল, নহয় তেওঁ কম্বল এখন নিজলৈ বুলি ৰাখিলে। সেয়ে নোহোৱা হলে তেওঁক দেখি আমি সকলো লজ্জিত হলোহেঁতেন।

বাহিৰত তীব্ৰ গতিৰে বিজুলী ঢেৰেকণি আৰু বতাহ বৰষুণ আৰু সেই মাটিৰ ঘৰটোৰ ভিতৰত বলীয়া ভাওধৰা এড্গাৰ, সন্তানৰ অকৃতজ্ঞতাত মৰচাঁসঁচিকৈ বলীয়া হোৱা বুঢ়া ৰজা লিয়েৰ, ফুল বহুৱা, লগতে সহানুভূতিশীল আত্মগোপনকাৰী ৰাজমন্ত্ৰী কেণ্ট। এই দৃশ্যটো সঁচাকৈয়ে বিশ্ব সাহিত্যৰ এক শ্ৰেষ্ঠ অধ্যায়। মানুহৰ জীৱনৰ গভীৰ ট্ৰেজেডিক ইয়াত শব্দৰ মাজেদি এনেকৈ ফুটাই তোলা হৈছে যে সেয়া সম্ভৱ হৈছে চেক্সপীয়েৰৰ দৰে এজন মহৎ কবিৰ

কাৰণেহে। হঠাৎ উন্মাদনাৰ এক তীব্ৰ মুহূৰ্ত্তত লিয়েৰে গাত থকা সামান্য কাপোৰ কেইখনো ফালি চিৰি পেলাই একেবাৰে উদ্‌বাউল হৈ পৰিল।

ঠিক সেই সময়তে হাতত জোৰ এটা লৈ গ্লষ্টাৰ সেই মাটিৰ ঘৰটোৰ সম্মুখত উপস্থিত হ'ল। গনেৰিলে ৰিগানৰ আদেশ অমান্য কৰিও গ্লষ্টাৰে সেই ধুমুহা বতাহৰ মাজতে ৰজাক বিচাৰি আহিছে। আটাইকেইজন লগ লাগি অস্থিৰ আৰু উত্তপ্ত মনৰ লিয়েৰক অলপ শান্ত কৰিলে আৰু সেই মাটিৰ ঘৰটোৰপৰা ওচৰতে থকা খেতিয়কৰ থালী ঘৰ এটালৈ লৈ গ'ল। কিন্তু ইমান সময়ে একে লগে থকা সত্ত্বেও গ্লষ্টাৰে তেওঁৰ পুত্ৰ ছদ্মবেশত থকা এড্‌গাৰক চিনি নাপালে।

কেণ্টে লিয়েৰৰ এই শোকাবহ অৱস্থাৰ কথা জনাই ফ্ৰান্সৰ ৰজা আৰু কৰ্ডেলিয়াৰপৰা সহায় বিচাৰিলে। ফ্ৰান্সৰ ৰজাই সেই কথা শুনা মাত্ৰেই লৰালৰিকৈ ৰজা লিয়েৰৰ উদ্ধাৰৰ কাৰণে সসৈন্যে আগবাঢ়ি আহিল।

ইফালে কৰ্ণওৱাল আৰু ৰিগানে ৰজা লিয়েৰৰ অনুসন্ধান কৰিছে, পালেই হয়তো তেওঁক হত্যা কৰিব। তেনে অৱস্থাতে তেওঁলোকে ফ্ৰান্সৰ ৰজা সসৈন্যে অহাৰ কথা গম পালে। ফ্ৰান্সৰ ৰজালৈ খবৰ দিওঁতাজন গ্লষ্টাৰৰ বাহিৰে অন্য কোনো নহয় বুলি ভাবি গ্লষ্টাৰক বন্দী কৰিবৰ কাৰণে আদেশ দিলে। গ্লষ্টাৰক বন্দী কৰি কৰ্ণৱাল আৰু ৰিগানৰ সম্মুখলৈ অনা হ'ল। বিশ্বাসঘাতক বুলি তিৰস্কাৰ কৰাৰ উপৰিও ৰিগানে বন্দী গ্লষ্টাৰৰ গাত থুৱাই দিলে। এবাৰত তেওঁ গ্লষ্টাৰৰ ডাড়িকোছা উঘালি পেলালে। খঙৰ উত্তেজনাত কৰ্ণওৱালে গ্লষ্টাৰৰ চকু এটা কাঢ়ি পেলালে। গ্লষ্টাৰৰ ভৃত্যসকলে গৰাকীৰ ওপৰত কৰা এনে অত্যাচাৰ সহি থাকিব নোৱাৰি কৰ্ণওৱালক আক্ৰমণ কৰিলে। কিন্তু সেই আক্ৰমণৰ আঘাতপ্ৰাপ্ত হোৱাৰ আগতে তেওঁ গ্লষ্টাৰৰ আনটো চকুও কাঢ়ি পেলালে। দৃষ্টি শক্তিৰপৰা বঞ্চিত কৰি গ্লষ্টাৰক তেওঁৰ নিজৰ ঘৰৰপৰাই ৰাজপথলৈ ভিক্ষাৰী কৰি খেদি দিয়া হ'ল। তেজেৰে তুমৰলি হৈ পৰা গ্লষ্টাৰক চাকৰ এজনে হাতত ধৰি আগবঢ়াই নিওঁতে তেওঁলোকক দেখা পালে গ্লষ্টাৰৰ পুত্ৰ ছদ্মবেশী এড্‌গাৰে, যাক সকলোৱে টম্ বলীয়া বুলিহে চিনি পায়। চাকৰজন আঁতৰি গ'ল আৰু ছদ্মবেশী এড্‌গাৰে অন্ধ গ্লষ্টাৰক ডভাৰ শৃঙ্গলৈ লৈ যাবলৈ মান্তি হ'ল।

"মোক ডভাৰ শৃঙ্গলৈ লৈ ব'লা। ......তাৰপৰা আৰু মোক ক'লৈকো নিবৰ প্ৰয়োজন নহব।"

—৭

অন্ধ গ্লষ্টাৰ ইতিমধ্যে এক সাংঘাটিক সিদ্ধান্তলৈ আহিছে। তেওঁ মনে মনে ঠিক কৰিছে যে ডভাৰ শৃঙ্গৰপৰা তেওঁ সাগৰলৈ জাপ মাৰি দি দৃষ্টিহীনতাক মৃত্যুৰ গভীৰ অন্ধকাৰত বিলীন কৰি দিব। কিন্তু গ্লষ্টাৰৰ এই সিদ্ধান্তৰ উমান এডগাৰে নোপোৱাকৈ থকা নাই। সেয়ে তেওঁ দেউতাকক ডভাৰ শৃঙ্গলৈ নিনি অন্য এখন ঠাইলৈ লৈ গ'ল, অথচ অন্ধ দেউতাকক ডভাৰ শৃঙ্গত উপনীত হোৱা বুলি কলে। বৃদ্ধ গ্লষ্টাৰে তেওঁৰ দৃষ্টিহীন চকুহাল ওপৰলৈ দাঙি এটা চুটি প্ৰাৰ্থনাৰে ভগৱানৰ ওচৰত ক্ষমা বিচাৰি সন্মুখলৈ জাপ মাৰি দিলে। কিন্তু তেওঁ ভবাৰ দৰে তললৈ পৰি নগৈ সমান ঠাইতে ৰ'ল। তেতিয়াও, সেই ঠাই যে ডভাৰ শৃঙ্গ নহয় সেই কথা ভাঙি নকৈ এডগাৰে আচৰিত হোৱাৰ দৰে কলে যে সাগৰৰ কাষত বৈ থকাৰেপৰা তেও এটা ভূতৰ দৰে প্ৰাণীয়ে তেওঁৰ (গ্লষ্টাৰ) ওচৰতে থিয় হৈ থাকি সাগৰৰ তললৈ পৰি গৈছে।" ই নিশ্চয় কিবা প্ৰেতাত্মা হব। সি হয়তো হতাশাত জৰ্জৰিত হোৱা এজন মানুহক নিশ্চয়, আত্মহত্যাৰ দৰে পাপত লিপ্ত কৰিবলৈ চেষ্টা কৰিছিল।" এডগাৰৰ কথাৰপৰা গ্লষ্টাৰে বুজিলে কেনে এক কদৰ্য পাপৰ তেওঁ মন মেলিছিল। অনুতাপত দগ্ধ হৈ তেওঁ আকৌ মন দৃঢ় কৰিলে যেতিয়ালৈকে মৃত্যু নিজে নিজে নাহে, যিমানেই তীব্ৰ নহওক, সকলো যন্ত্ৰণা তেওঁ সহ্য কৰিবই লাগিব।

পিছ মুহূৰ্ত্ততে এডগাৰে দেখিবলৈ পালে যে অলপ আঁতৰতে কৰ্ডেলিয়াৰ নেতৃত্বত ফৰাচী সৈন্য বাহিনীয়ে শিবিৰ পাতিছেহি, আৰু সেই শিবিৰলৈকে কেণ্ট ৰজা লিয়েৰক লৈ আহিছে। কৰ্ডেলিয়াৰ নিৰ্দেশ ক্ৰমে পাগত চিকিৎসকসকলে লিয়েৰৰ উত্তপ্ত মগজু শান্ত কৰিবৰ কাৰণে চেষ্টা কৰিছে, কিন্তু পৰা নাই। এবাৰ কেনেবাকৈ লিয়েৰ শিবিৰৰপৰা ওলাই আহিল। গাত যিহকে তিহকে বনৰীয়া গছপাত লতা আৰু ফুল মেৰিয়াই লৈ অদ্ভূত বলিয়া লিয়েৰ আৰু অন্ধ গ্লষ্টাৰ সন্মুখা সন্মুখি হ'ল। অন্ধ গ্লষ্টাৰে লিয়েৰৰ মাত শুনিয়েই চিনি পালে। লিয়েৰে কবলৈ ধৰিলে,

মই তোমাক ভালকৈ চিনি পাইছো,
তোমাৰ নাম গ্লষ্টাৰ।
তুমি ধৈৰ্য ধৰিবই লাগিব, আমি এইখন পৃথিৱীলৈ কান্দি কান্দি আহিছিলোঁ,
জানো, প্ৰথম যেতিয়া আমি এই পৃথিৱীৰ বুকুত উশাহ লওঁ, আমি চিঞৰিছিলোঁ আৰু কান্দিছিলোঁ।

ৰবা মই তোমাক আজি শিকাব লাগিব, দীক্ষা দিব লাগিব শুনা--

লিয়েৰৰ এই বলিয়ালিৰ তুলনাত গ্লষ্টাৰৰ দৃষ্টিহীনতাৰ যন্ত্ৰণাও লঘু যেন লাগিল। আৰু হতাশাত তেওঁ কৈ উঠিল, "উঃ, কি নিৰ্মম নিয়তি।"

লিয়েৰে কৈয়ে থাকিল,

জন্মৰ সময়ত আমি কান্দিছিলোঁ, আমি কান্দিছিলোঁ এই কাৰণেই যে মূৰ্খৰ ৰঙ্গমঞ্চ এই পৃথিৱীখনলৈ আমি আহিছোঁ। কথা কৈ কৈ বলিয়ালিৰ হেঁচাত লিয়েৰ হঠাৎ সেই ঠাইৰপৰা আঁতৰ হৈ গ'ল। ইতিমধ্যে কৰ্ডেলিয়াৰ শিবিৰৰ-পৰা মানুহ আহি লিয়েৰক শিবিৰলৈ লৈ গ'ল আৰু শুশ্ৰূষা কৰিবলৈ ধৰিলে। অলপ শান্ত হৈ লিয়েৰৰ টোপনি আহিল। গভীৰ প্ৰশান্তিৰে ৰজা নিদ্ৰাদেৱীৰ কোলাত সোমাই পৰিল। সেই সময়তে লিয়েৰৰ গাৰ ফটা কানি-কাপোৰবোৰ সলাই তেওঁক ৰাজকীয় পোছাক পিন্ধোৱা হ'ল। মৰমী কৰ্ডেলিয়াই দেউতাকৰ কাষত বহি যিমান পাৰে সিমান তেওঁক মৰম কৰিবলৈ ধৰিলে। লোতক ভৰা নয়নেৰে কৰ্ডেলিয়াই দেউতাকৰ বিষাদগ্ৰস্ত মুখমণ্ডলত চেনেহৰ চুমা যাচি দিলে। টোপনিতে ৰজা মাজে মাজে অশান্ত হৈ পৰে। তেনে অৱস্থাত মৰম সনা কোমল কণ্ঠে লিয়েৰক কৰ্ডেলিয়াই শান্ত কৰিব খোজে। এদিন যি কৰ্ডেলিয়াক তেওঁ ৰাজকীয় উত্তৰাধিকাৰৰ পৰা বঞ্চিত কৰি থৈ দিছিল, সেই কৰ্ডেলিয়াই আজি তেওঁক বুকুত মূৰ সুমাই লৈছে। ৰজাৰ এনেহে লাগিল তেওঁ যেন পৃথিৱীত নাই, তেওঁ যেন কোন এক দেৱদূতীৰ কোলাতহে আশ্ৰয় পাইছে। লিয়েৰ বিছনাৰপৰা উঠিল আৰু কাৰ্ডেলিয়াৰ কাষত আঠু লব খুজিলে। বৃদ্ধ পিতাৰ এনে অভাৱনীয় ব্যৱহাৰত কৰ্ডেলিয়াৰ হৃদয় বেদনাত বিদীৰ্ণ হৈ পৰিল আৰু কাতৰ কণ্ঠে তেওঁ দেউতাকক কাকুতি কৰিবলৈ ধৰিলে।

মোলৈ মূৰ তুলি চাওক,
আপোনাৰ দুখনি হাত মোৰ শিৰত তুলি দি
মোক আশীৰ্বাদ কৰক।
উস্ দেউতা, মোৰ কাষত যে আপুনি আঠু কাঢ়িব
খুজিছে।
কেতিয়াও নহব দেউতা, উস দেউতা—

কিন্তু সাধ্বী কৰ্ডেলিয়াৰ এনে চেনেহসিক্ত কথাৰ অৰ্থ বুজিব পৰা ক্ষমতা লিয়েৰৰ তেতিয়া নাছিল। সেয়ে লিয়েৰে কবলৈ ধৰিলে—

মোক ঠাট্টা নকৰিবি আই,
মই এটা মূৰ্খ দুৰ্বল বুঢ়া মানুহ
চাৰি কুৰিতকৈও বেছি বছৰ কটিয়াই আনিছোঁ,
· ·· সঁচা কথা কবলৈ হলে, মই মোৰ
মগজৰ সুস্থতা হেৰুৱাই পেলাইছো।

পাৰ হৈ যোৱা নিশাটো তেওঁ ক'ত কটাইছিল সেই কথা মনত পেলাবৰ কাৰণে তেওঁ যত্ন কৰিছিল কিন্তু নোৱাৰিলে। অৱশেষে খুব লাহে লাহে হলেও ৰজাই যেন মনৰ স্থিৰতা অলপ ঘূৰাই পাইছিল। কিন্তু যেতিয়া তেওঁ কৰ্ডেলিয়াক চিনি পালে, নতুন আশঙ্কা আৰু উন্মাদনাই তেওঁক আকৌ জোকাৰি পেলালে। ৰিগান আৰু গনেৰিলতকৈও বেছিকৈ এইজনী কৰ্ডেলিয়াইহে তেওঁক ঘৃণা কৰাৰ যুক্তি আছিল বেছি। এইবাৰ কৰ্ডেলিয়াৰ মুখলৈ মূৰ তুলি চকু পানীৰে উপচি পৰা তাইৰ করুণ চকু হাললৈ চাই লিয়েৰে কবলৈ ধৰিলে—

তুমি মোৰ লগত থাকিবই লাগিব,
তোমাক মিনতি কৰিছোঁ, সকলো পাহৰি যোৱা আৰু মোক ক্ষমা কৰা,
মই এক মূৰ্খ বৃদ্ধ।

কৰ্ডেলিয়াই ৰজাক বুকুত সুমাই ললে, লাহে লাহে ৰজাৰ মনলৈ এনে এক গভীৰ আৰু স্নিগ্ধ প্ৰশান্তি নামি আহিল যেন সেয়া স্বৰ্গীয় গৰিমাৰে সমৃদ্ধ শান্তিৰ বাহিৰে অন্য একো নহয়। সন্তানৰ অকৃতজ্ঞতাৰ ফলত সৃষ্টি হোৱা গভীৰ বেদনাই লিয়েৰৰ মন থকাসৰকা কৰিছিল। তথাপি তেওঁৰ হৃদয়ৰ তলিৰো তলিৰ পবিত্ৰ ভালপোৱাৰ বাৰিধাৰা তেতিয়াও সম্পূৰ্ণৰূপে নিঃশেষিত হোৱা নাছিল। সেয়ে কৰ্ডেলিয়াৰ মৰমৰ মাজত সেই স্বৰ্গীয় প্ৰেমৰ জ্যোতিয়ে তেওঁৰ মনক অন্ততঃ এবাৰৰ কাৰণে পোহৰাই তুলিছে। কিন্তু সেই পোহৰ মাথোন কেইমুহূৰ্তমানৰ কাৰণেহে। কাৰণ নিষ্ঠুৰ নিয়তিৰ নিৰ্মম নিৰ্দেশত ভয়াবহ বিপদৰ যি চপৰা ক'লা ডাৱৰে লিয়েৰৰ জীৱন আকাশ চাটি আহিছে, তাৰ প্ৰলয় ক্ৰিয়াত লিয়েৰ লগতে কৰ্ডেলিয়াও নিঃশেষ হৈ যাব।

এডমাণ্ডে ইতিমধ্যে গনেৰিল আৰু ৰিগানৰ লগ হৈ এটা শক্তিশালী ফৌজেৰে সৈতে ফ্ৰান্সৰ ৰজাৰ শিবিৰ আক্ৰমণ কৰিলে। যুদ্ধত ফ্ৰান্সৰ ৰজাৰ পৰাজয় ঘটিল। কৰ্ডেলিয়া আৰু লিয়েৰক এডমাণ্ডে পোতাশালতে বন্দী কৰি

থলে। লিয়েৰৰ কিন্তু পোতাশালৰ বন্দীৰ প্ৰতিও মুঠেই ভ্ৰূক্ষেপ নাই। কাৰণ কৰ্ডেলিয়াৰ মৰমৰ মাজত তেওঁ এনে এক পবিত্ৰ আশ্ৰয় লাভ কৰিছে, সেয়া কোনো ধৰণৰ শাস্তিয়ে নাইকিয়া কৰিব নোৱাৰে। তেওঁৰ একমাত্ৰ কামনা, তেওঁ যেন কৰ্ডেলিয়াৰ কাষতে থাকিবলৈ পায়। কৰ্ডেলিয়াৰ অকণি আশ্ৰয়েই তেওঁৰ কাৰণে এতিয়া ৰাজমুকুট, ৰাজ অট্টালিকা আৰু ৰাজ্য সম্পদতকৈও অধিক মূল্যবান।

আহা, আমি পোতাশাললৈকে যাওঁ,
সজাত থকা মইনাৰ দৰে মনৰ উলাহ
ঢালি মনৰ কথা পাতি আমি দুয়ো তাতে
অকলে থাকিম।
তুমি মোৰপৰা আশীৰ্বাদ বিচাৰিবা,
আৰু মই তোমাৰ কাষত আঠু কাঢ়ি ক্ষমা বিচাৰিম।
আমি দুয়ো প্ৰাৰ্থনা গীত গাম, পুৰণি সাধু ক'ম
গীত গাম, উৰিফুৰা পাখিলা চাই হাঁহিম
আৰু কোনোবা মূৰ্খই যদি ৰাজসভাৰ কথা কয়, শুনিম।
কোন জিকিল, কোন হাৰিল, কোনে সিংহাসন ললে
কোনে হেৰুৱালে, সেইবোৰ কথাও তেওঁলোকৰ মুখৰপৰা শুনিম।
এই দৰে আমি ধৰাৰ বুকুৰ সকলো ৰহস্যৰ বুজ লম।
যেন আমি ঈশ্বৰৰ গুপ্তচৰ।· ··· ···

কিন্তু বৃদ্ধ ৰজা লিয়েৰৰ এই কাম সুখ আৰু প্ৰশান্তিৰ স্বপ্নও যেন ভগৱানৰ সহ্য নহ'ল।

কট এড্‌মাণ্ডে বাঢ়িয়াকৈ বুজিলে কৰ্ডেলিয়াক হত্যা নকৰিলে তেওঁৰ ৰাজসিংহাসন লাভ কৰাত প্ৰতিবন্ধক হব। সেয়ে তেওঁৰ বিশ্বাসী কেপ্টেইন এজনক নিয়োগ কৰিলে বন্দীশালত কৰ্ডেলিয়াক হত্যা কৰিবৰ কাৰণে।

হিংসা আৰু প্ৰলোভনৰ বিষক্ৰিয়া কেউফালে বিয়পি পৰিল। এলবানিৰ পত্নী গনেৰিলৰ অবৈধ প্ৰণয় আৰম্ভ হ'ল ভনীয়েকৰ গিৰিয়েক এড্‌মাণ্ডৰ লগত। ৰিগ'নক বিহ খুৱাই হত্যা কৰি, লগে লগে নিজৰ গিৰিয়েককো আঁতৰ কৰি এড্‌মাণ্ডক লাভ কৰিবৰ কাৰণে গনেৰিলে আঁচনি তৈয়াৰ কৰিলে। কিন্তু এলবানিয়ে এই গোপন ষড়যন্ত্ৰৰ কথা জানিব পাৰি এড্‌মাণ্ডক বিশ্বাসঘাটক বুলি

নিন্দা কৰিলে। লগে লগে এড মাণ্ডে নিজ মৰ্যাদা ৰক্ষাৰ কাৰণে এলবানিক যুদ্ধৰ কাৰণে প্ৰত্যাহ্বান জনালে। সেই আহ্বান গ্ৰহণ কৰি আগবাঢ়ি আহিল এজন অচিনাকি যুৱক। তেওঁৰ মতে এড মাণ্ড এজন বিশ্বাসঘাটক মিথ্যাবাদী অসং চৰিত্ৰৰ লোক। মৃত্যুৱেই তেওঁৰ একমাত্ৰ প্ৰায়শ্চিত্ত। সেইজন যুৱক অন্য কোনো নহয়, ছদ্মবেশী এড গাৰ। যুদ্ধত এড মাণ্ডে সাংঘাটিকৰূপে আঘাত পালে। কিন্তু মৃত্যুলৈ ম থোন কেইমুহূৰ্তমান থাকোঁতে তেওঁ এলবানিক মাতি আনি কলে যে এজন সৈনিকৰ হতুৱাই তেওঁ কৰ্ডেলিয়াক পোতাশালতে হত্যা কৰাৰ ব্যৱস্থা কৰিছে। মানুহে যাতে বুজে যে কৰ্ডেলিয়াই আত্মহত্যা কৰিছে সেই উদ্দেশ্যে তেওঁ মৰাশটোক চাতিত আঁৰি থোৱাৰ ব্যৱস্থাও কৰিছে।

এড মাণ্ডৰ মৃত্যুৰ পিছত এক ভয়াবহ দৃশ্য পৰিলক্ষিত হ'ল। কৰ্ডেলিয়াৰ মৃতদেহ কান্ধত লৈ উদভ্ৰান্তভাৱে লিযেৰ পোতাশালৰপৰা ওলাই আহিছে। কৰ্ডেলিযাৰ জ্যোতিহীন চকুযুৰিলৈ চাই কাতৰভাৱে আহ্বান জনাইছে যাতে কৰ্ডেলিযাই কোমল কণ্ঠে এবাৰ মাতে। কিন্তু সেই কোমল কণ্ঠী নাৰীৰ প্ৰাণ বায়ু ইতিমধ্যে দেহ সজাৰপৰা ওলাই গৈছে। জীৱনৰ সন্ধিযাপৰত নিজ কন্যাৰ কাষত লাভ কৰা অকণমান শান্তি আৰু অকণমান সুখৰপৰাও এই দৰে বঞ্চিত হৈ লিযেৰে মনৰ সুস্থতা আৰু কোনোপধ্যেই ৰক্ষা কৰিব নোৱাৰিলে। লাহে লাহে কৰ্ডেলিযাৰ মৃতদেহৰ কাষতে লিযেৰ ঢলি পৰিল আৰু "মূৰ্খৰ ৰঙ্গমঞ্চ" এই পৃথিৱীৰ বুকুৰপৰা চিৰদিনৰ কাৰণে বিদায় ললে। সংসাৰৰ চাকনৈযাত অসংখ্যবাৰ লাঞ্ছিত আৰু লুণ্ঠিত হৈ লিযেৰৰ আত্মাই মৃত্যুৰ মাজেদি চিৰশান্তি লাভ কৰিলে।



# অথেলো

জীৱনৰ নিষ্ঠুৰতা আৰু জগতৰ শঠতাৰ লগত অপৰিচিত, আদিম সৰলতাৰ প্ৰতীক স্বৰূপ অথেলোৰ জীৱন্ত ট্ৰেজেডিয়েই চেক্সপীয়েৰৰ অথেলো নাটখনিৰ কাহিনী। অথেলোৰ মন, তেওঁৰ কামনা বাসনা সকলোতে যি মহান সৰলতা পৰিলক্ষিত হয়, সেই সৰলতাৰেই অথেলোই জীৱনক বুজিছিল আৰু গ্ৰহণ কৰিছিল। বাস্তৱ জীৱনৰ জটিলতা আৰু মানুহৰ কপটতা বুজিবৰ কাৰণে প্ৰয়োজনীয় সূক্ষ্ম বিচাৰ শক্তি তেওঁৰ নাছিল। কিন্তু আনহাতে তেওঁৰ সৰলতাৰ মাজত লুকাই আছিল এখন উদ্দাম আবেগেৰে ভৰা হিয়া, আৰু আবেগৰ সেই জোৱাৰৰ মাজতে অথেলো ফেৰাই যাব লগা হ'ল।

উচ্চবংশজাত কৃষ্ণাঙ্গ অথেলোৰ ব্যক্তিত্ব এক আচৰিত মহত্বৰে মণ্ডিত। অথেলো এজন বীৰ যোদ্ধা, ভেনিচ নগৰৰ সেনানায়ক। যুদ্ধ তেওঁ ভাল পায়, বিপদ বিঘিনি তেওঁ অন্তৰেৰে সৈতে বিচাৰে। কাৰণ এইবিলাকেইতো বীৰ ব্যক্তিৰ জীৱনলৈ আনে খ্যাতি আৰু সন্মানৰ ভূষণ। দুৰ্গম গিৰি-গুহা আৰু জনপ্ৰাণীহীন মৰুভূমিৰ মাজৰ, ধুমুহাই কোবোৱা উত্তাল সাগৰৰ বুকুৰ অনেক ৰোমাঞ্চকৰ, লোমহৰ্ষক অভিযানত বাৰুবাৰ মৰণৰ সৈতে খেলা কৰা অথেলোৰ জীৱন অভূতপূৰ্ব বীৰত্ব আৰু সাহসৰ এক গৌৰৱময় ইতিহাস। ভেনিচৰ চিনেট সভাৰ সভ্য ব্ৰেবেনচিঅ'ৰ অনুৰোধত অথেলোই সেই বিপদসঙ্কুল ৰোমাঞ্চকৰ অভিযানসমূহৰ কাহিনী তেওঁক বহুবাৰ শুনাইছে, আৰু পিতাকৰ লগতে সেই কাহিনীবোৰ ব্ৰেবেনচিঅ'ৰ কন্যা ডেচডিমোনাইও শুনিছিল। সেই বৈচিত্ৰপূৰ্ণ অভিজ্ঞতাবোৰৰ কাহিনীয়ে যৌৱনৰ বিয়লি পৰত উপনীত হোৱা অথেলোৰ প্ৰতি সুন্দৰী ডেচডিমোনাৰ মন আকৰ্ষিত হৈছিল। তাৰ বৰ্ণনাই ডেচডিমোনাৰ অন্তৰত জগাই তুলিলে অথেলোৰ প্ৰতি এক গভীৰ সহানুভূতি। আৰু এই সহানুভূতিয়েই অৱশেষত প্ৰেমত পৰিণত হ'ল। কিন্তু অথেলো-ডেচডিমোনাৰ মিলন জানো বৃদ্ধ ব্ৰেবেনচি'অই স্বীকাৰ কৰি লব পাৰিব। কাৰণ, অথেলো কৃষ্ণাঙ্গ, শাৰীৰিক সৌন্দৰ্যত হীন; তাৰ উপৰি যৌৱনো তেওঁৰ শেষ হৈ গৈছে। আনহাতে ডেচডিমোনা যৌৱন আৰু নাৰীত্বৰ সকলো সম্ভাৰেৰে

বিভূষিতা সুন্দৰী যুৱতী। এনেস্থলত ষোড়শী ডেচডিমোনাৰ সৈতে তেওঁৰ পিতৃ হবৰ যোগ্য অথেলোৰ মিলন কেনেকৈ সম্ভৱ হব পাৰে? কিন্তু অথেলো-ডেচডিমোনাৰ গভীৰ ভালপোৱাই এই অন্তৰায়ৰ সন্মুখত বিদ্ৰোহ কৰি উঠিল, আৰু এক গহীন ৰাতি ডেচডিমোনাই পিতৃ-গৃহ ত্যাগ কৰি ব্ৰেবেন্‌চিঅ'ৰ অজ্ঞাতে অথেলোৰ লগত বিবাহ-পাশত আবদ্ধ হ'ল। পিতৃক ত্যাগ কৰি, আৰু পিতৃবন্ধুৰ বৰ্জিত হৈ ডেচডিমোনাই তেওঁৰ প্ৰাণৰ দেৱতা অথেলোৰ জীৱনৰ মাজত নিজকে বিলাই দিলে।

কিন্তু বিবাহৰ দিনাই অথেলোৰ সন্মুখত কৰ্তব্যৰ আহ্বান আহি প'ৰল। ভেনিচৰ অধীনত থকা চাইপ্ৰাচ হস্তগত কৰাৰ উদ্দেশ্যে তুৰস্ক দেশীয় নৌবাহিনী চাইপ্ৰাচ অভিমুখে অগ্ৰসৰ হোৱাৰ সংবাদে ভেনিচৰ ডিউক আৰু তেওঁৰ উপদেষ্টা বিষয়াসকলক চিন্তিত কৰি তুলিলে। তেওঁলোকে ভেনিচৰ বীৰ সেনানায়ক অথেলোৰ সমৰকুশলতা এই সময়ত নিতান্ত প্ৰয়োজনীয় বিবেচনা কৰি তেওঁক অনতিপলমে চাইপ্ৰাচ অভিমুখে যাত্ৰা কৰিবলৈ অনুৰোধ জনালে। যুদ্ধপ্ৰিয় অথেলোই তেওঁৰ নৱ-বিবাহিতা পত্নীৰ সান্নিধ্যও ত্যাগ কৰি কৰ্তব্যৰ এই আহ্বান গ্ৰহণ কৰিলে। কিন্তু ডেচডিমোনাইও তেওঁৰ স্বামীৰ লগত যোৱাৰ আগ্ৰহ প্ৰকাশ কৰাত, অথেলোই তেওঁৰ বাহিনীৰ এজন বিশেষ কৰ্মচাৰী ইয়াগোৰ হাতত ডেচডিমোনাৰ যাত্ৰাৰ দায়িত্ব অৰ্পণ কৰি চাইপ্ৰাচ অভিমুখে তেওঁৰ ৰণতৰী এৰি দিলে।

অথেলোই ইয়াগোক সদায় "সাধু ইয়াগো" বুলিয়ে বিবেচনা কৰি আহিছিল, আৰু সেয়েহে বিঘিনিৰে ভৰা সমুদ্ৰযাত্ৰাত তেওঁকেই ডেচডিমোনাৰ সহচৰ নিযুক্ত কৰিছিল। কিন্তু মূৰ্খৰ এই পৃথিৱীখনত নিজ স্বাৰ্থ-পূৰণৰ কাৰণে সাধুতাৰ মুখাখনৰ প্ৰয়োজন কিমান বেছি সেই কথা ইয়াগোই বুজে। সেয়েহে তেওঁ এই মূৰ্খবোৰক উপহাস কৰিয়ে হয়তো কৈছিল যে বাহিৰৰ ৰূপটোৱেই তেওঁৰ ব্যক্তিত্বৰ প্ৰকৃত স্বৰূপ নহয়। সাধু ধৰ্ম তেওঁৰ বাবে মূল্যহীন, মানুহৰ ইচ্ছাই হ'ল একমাত্ৰ ধৰ্ম। ইচ্ছাৰ পৰিতৃপ্তিৰ কাৰণে যি কোনো পথেই বাছি লোৱাৰ স্বাধীনতা ইয়াগোই স্বীকাৰ কৰে, কাৰণ জীৱনত কি কৰিব পাৰি বা কি হব পাৰি সি মানুহৰ ইচ্ছাৰ গতি আৰু সবলতাৰ ওপৰতে নিৰ্ভৰ কৰে। সেয়েহে ইয়াগো নিজৰ ইচ্ছাৰ বাহিৰে আন কাৰো দাস নহয়। শ্ৰদ্ধা বা কৰ্তব্যপৰায়ণতাৰ বশৱৰ্তী হৈ তেওঁ অথেলোক সেৱা কৰি অহা নাই; অথেলোৰ

প্ৰভুত্ব যদি তেওঁ মানি লৈছে, সিও তেওঁৰ স্বাৰ্থসাধনৰ পথৰ এক আহিলা মাথোন। অথেলোক তেওঁ অন্তৰেৰে সৈতে ঘিণ কৰে, কাৰণ তেওঁৰ ন্যায্য দাবী অস্বীকাৰ কৰি কেচিঅ'ক অথেলোই সহকাৰী সেনানায়কৰ পদত নিযুক্ত কৰে। ই ইয়াগোৰ বাবে তেওঁৰ যোগ্যতা আৰু দক্ষতাৰ চৰম অৱমাননা, আৰু এই অন্যায়ৰ প্ৰতিশোধ লবলৈ তেওঁ দৃঢ়প্ৰতিজ্ঞ। ইয়াগোৰ কৌশলী মনটোৱে ইতিমধ্যে তৈয়াৰ কৰি পেলাইছে এক বিৰাট ষড়যন্ত্ৰৰ আঁচনি। অথেলোৰ দুৰ্বলতা তেওঁ জানে। অথেলো স্বভাৱতে সৰলমনা আৰু মহান, বাহ্যিক ধৰ্মাচৰণে লুকুৱাই ৰখা শঠতা তেওঁৰ চকুত ধৰা নপৰে। ইয়াগোৰ এই পৰিকল্পিত দুষ্কৰ্মৰ পথত তেওঁৰ সহচৰ হব ডেচডিমোনাৰ এসময়ৰ পাণিপ্ৰাৰ্থী মূৰ্খ ৰ'ডাৰিগো। মানৱ চৰিত্ৰৰ বৈচিত্ৰপূৰ্ণ ৰহস্যৰ মূৰ্ত প্ৰকাশ, অপৰিসীম বুদ্ধিমত্তা আৰু চিন্তা স্বাৰ্থপৰতাৰ গৰাকী এই ইয়াগো অনংৰ পোষ্যপুত্ৰ— অথেলোৰ জীৱন বিষময় কৰি তোলা কালসৰ্প।

চাইপ্ৰাচৰপৰা আনহাতে বিনাযুদ্ধে শত্ৰুভয় আঁতৰি পৰিল। সাগৰৰ প্ৰচণ্ড ধুমুহাত তুৰস্কদেশীয় নৌবাহিনীৰ যি বিপৰ্যয় ঘটিল, তাৰ পিছত আৰু যুদ্ধৰ প্ৰয়োজন নহ'ল। সেই ধুমুহাত দিশাহাৰা অথেলোৰ সঙ্গ হেৰুৱাই চাইপ্ৰাচৰ উপকূলত অৱতীৰ্ণ হোৱা সহকাৰী সেনানায়ক মাইকেল কেচিঅ'ই চাইপ্ৰাচৰ শাসক মণ্টানোৰ সৈতে সমুদ্ৰতীৰত উদগ্ৰীৱ হৈ অথেলোৰ আগমন প্ৰতীক্ষা কৰি বাট চাই ৰ'ল। কিন্তু অথেলোৰ পৰিবৰ্তে তেওঁলোকে পালে ডেচডিমোনাৰ আগমনৰ শুভসংবাদ। হয়তো এই সংবাদ পাই কেচিঅ'ই কোৱাৰ দৰে ডেচডিমোনাৰ স্বৰ্গীয় সৌন্দৰ্যত বিমোহিত হৈ সাগৰৰ বলীয়া জলৰাশি আৰু প্ৰচণ্ড ধুমুহাইও সিহঁতৰ ধ্বংসাত্মক শক্তি পৰিহাৰ কৰি তেওঁৰ মঙ্গলৰ বাবেই পথ এৰি দিলে। অৱশেষত শুনা গ'ল সেনাধ্যক্ষ অথেলোৰ আগমনৰ সঙ্কেত-ধ্বনি। চাইপ্ৰাচৰ মাটিত ভৰি দিয়েই মৰমৰ পত্নী ডেচডিমোনাক দেখা পাই অথেলো আনন্দত অভিভূত হৈ পৰিল। আবেগ বিহ্বল অথেলোই তেওঁৰ সুদীৰ্ঘ সমুদ্ৰযাত্ৰাৰ দুখ-ভাগৰ পাহৰি পেলালে ডেচডিমোনাৰ সান্নিধ্যত—ধুমুহাই বলীয়া কৰি তোলা সাগৰৰ মাজে মাজে তেওঁৰ কণ্টকৰ যাত্ৰাৰ এয়া মধুৰ পৰি- সমাপ্তি। সাময়িক বিচ্ছেদৰ পিছত মিলনৰ এই শুভক্ষণত ডেচডিমোনাৰ সৰল নাৰী মনৰ একমাত্ৰ কামনা যে সময়ৰ পৰিবৰ্তনে যেন তেওঁলোকৰ এই প্ৰেমৰ বান্ধোন শিথিল কৰি নোতোলে।

শত্ৰু সৈন্যৰ বিপৰ্যয়ৰ সংবাদত আনন্দিত হৈ অথেলোই সেই দিনটো উৎসৱৰ দিন বুলি ঘোষণা কৰিলে। তাৰউপৰি সেই দিনাই হ'ল অথেলো-ডেচডিমোনাৰ মধু-মিলনৰ নিশা। সেই উপলক্ষে অথেলোই সেইদিনা নিশা দহ বজালৈকে নগৰবাসীসকলক আমোদ-প্ৰমোদৰ সম্পূৰ্ণ স্বাধীনতা দিলে আৰু উৎসৱমুখৰ নিশাটোত নগৰৰ শান্তি আৰু শৃঙ্খলা যাতে ভঙ্গ নহয় সেইবাবে চোকা নজৰ ৰাখিবলৈ মাইকেল কেচিঅ'ক নিৰ্দেশ দিলে।

অথেলোৰ এই ঘোষণাই ইয়াগোৰ কু-প্ৰবৃত্তি সজাগ কৰি তুলিলে, তেওঁৰ কৌশলী মনটো নাচি উঠিল, আৰু সেই নিশাই মূৰ্খ ৰ'ডাৰিগোৰ সহায়ত তেওঁৰ ষড়যন্ত্ৰৰ চিতাত অগ্নি সংযোগ কৰিবলৈ স্থিৰ কৰিলে। যোগ্যতাত তেওঁতকৈ হীন হৈও শ্ৰেষ্ঠ আসন লাভ কৰা কেচিঅ'ই হব এই ষড়যন্ত্ৰৰ প্ৰথম বলী। ইয়াগোই কেচিঅ'ৰ দুৰ্বলতা জানে—তেওঁ খুব সোনকালে উত্তেজিত হৈ পৰে আৰু খঙত সকলো পাহৰি যায়। সেই নিশা কেচিঅ'ক যি কোনো উপায়ে উত্তেজিত কৰি তোলাৰ ভাৰ ইয়াগোই ৰ'ডাৰিগোৰ হাতত অৰ্পণ কৰিলে। শান্তিৰক্ষক কেচিঅ'ই যদি খং আৰু উত্তেজনাৰ বশৱৰ্তী হৈ সামান্যভাৱেও নগৰৰ শান্তি ভঙ্গ কৰে, তেওঁৰ সেই অপৰাধ ইয়াগোই নগৰবাসীসকলৰ আগত এনেভাৱে দাঙি ধৰিব যে তেওঁলোকে কেচিঅ'ক পদচ্যুত নকৰালৈকে ক্ষান্ত নহব। ৰ'ডাৰিগোই যদি ডেচডিমোনাক লাভ কৰাটো একান্ত কামনা কৰে, তেন্তে কেচিঅ'ক আঁতৰোৱা অতি আৱশ্যকীয়। মূৰ্খ ৰ'ডাৰিগোক ইয়াগোই বুজালে যে তেওঁ ডেচডিমোনাক লাভ কৰাৰ পথত প্ৰধান অন্তৰায় হ'ল কেচিঅ'হে, অথেলো নহয়। মনে সজা কিছুমান ৰোমাঞ্চকৰ কাহিনী শুনাই যদিও অথেলোই ডেচডিমোনাৰ মন আকৰ্ষণ কৰিছে, ডেচডিমোনাই লাহে ল'হে বুজি উঠিব যে তেওঁৰ অথেলোৰ প্ৰতি হোৱা অনুৰাগ যৌৱনৰ এটা ভুল মাথোন। পূৰ্ণ যৌৱনা ডেচডিমোনাৰ উতলা পৰাণ, কৃষ্ণাঙ্গ, কুৰূপ আৰু যৌৱনৰ মাধুৰ্য হেৰুৱাই পেলোৱা অথেলোৰ সান্নিধ্যই কাহানিও চিৰদিনৰ বাবে শীতলাব নোৱাৰে। সময় বাগৰি যোৱাৰ লগে লগে ডেচডিমোনাৰ অতৃপ্ত মনটোৱে পূৰ্ণযৌৱনসম্পন্ন পুৰুষৰ সান্নিধ্য বিচাৰি আকুল হৈ উঠিব, আৰু হয়তো সুদৰ্শন যুৱক কেচিঅ'ই হব ডেচডিমোনাৰ যৌৱন আৰু সৌন্দৰ্যৰ নতুন পূজাৰী। চাইপ্ৰাচত ভৰি দিয়াৰ পিছত কেচিঅ'ই তেওঁৰ হাতত তুলি লোৱা ডেচডিমোনাৰ হাতত চুম্বন কৰি যি সম্ভাষণ জনাইছিল, সেইকথা সোঁৱৰাই দি

ইয়াগোই ৰ'ডৰিগোক ইয়াকে বুজাই দিলে যে কেচিঅ'ৰ ইতিমধ্যে ডেচডিমোনাৰ প্ৰতি অনুৰাগ উপজিছে, আৰু সময়ে ইয়াক গভীৰ কৰি তুলিব। ক্ষুদ্ৰমতি ৰ'ডাৰিগো ইয়াগোৰ কথাত সহজেই পতিয়ন গ'ল আৰু তেওঁৰ নিৰ্দেশ মতেই কাম কৰিবলৈ সন্মত হ'ল।

সেই দিনা প্ৰমোদ কক্ষত ইয়াগোই তেওঁৰ আৰু অন্যান্য বিষয়াসকলৰ সৈতে অথেলো ডেচডিমোনাৰ সন্মানাৰ্থে সুৰাপান কৰিবলৈ কেচিঅ'ক নিমন্ত্ৰণ জনালে। কুচক্ৰী ইয়াগোৰ কৌশলৰ অন্ত নাই. তেওঁ জানে যে সুৰাপানত অনভিজ্ঞ কেচিঅ'ই সুৰাৰ প্ৰভাৱত উত্তেজিত হৈ কোনো অপ্ৰীতিকৰ ঘটনাত লিপ্ত হৈ পৰাটো অতি স্বাভাৱিক। কেচিঅ'ই যদিও নিজৰ দুৰ্বলতা বজে, ইয়াগোৰ অনুৰোধ এৰাব নোৱাৰি খন্তেক আপত্তিৰ পিছত সেই নিমন্ত্ৰণ গ্ৰহণ কৰিলে, আৰু সুৰাপানত মত্ত হৈ পৰিল। সুৰাৰ ৰাগীত মানসিক স্থিৰতা হেৰুৱাই পেলোৱা কেচিঅ' নগৰৰ শান্তি ব্যৱস্থাৰ তত্বাৱধান কৰিবলৈ প্ৰমোদ কক্ষৰপৰা ওলাই যোৱাৰ পিছত চতুৰ ইয়াগোই মণ্টানোক কলে যে এই দুৰ্বল মুহূৰ্তবোৰত কেচিঅ'ই তেওঁৰ দায়িত্বজ্ঞান হেৰুৱাই গোটেই নগৰতে অশান্তিৰ সৃষ্টি কৰি পেলাব পাৰে। কেচিঅ'ৰ এই দুৰ্বলতাৰ কথা মণ্টানোই অথেলোৰ দৃষ্টিগোচৰ কৰাৰ ইচ্ছা প্ৰকাশ কৰিলে, কাৰণ এনে এজন মানুহৰ হাতত নগৰৰ শান্তিৰক্ষাৰ দৰে গুৰুত্বপূৰ্ণ ভাৰ অৰ্পণ কৰাটো উচিত হোৱা নাই। কিন্তু ইয়াগোই মণ্টানোৰ এই কথাৰ প্ৰতিবাদ কৰি কলে যে কেচিঅ'ৰ প্ৰতি তেওঁৰ শ্ৰদ্ধা অসীম, আৰু সেয়েহে বিপুল ঐশ্বৰ্যৰ বিনিময়তো তেওঁ কেচিঅ'ৰ বিপক্ষে এনে কাম কাহানিও কৰিব নোৱাৰে। ইয়াগো আৰু মণ্টানোৰ এই আলোচনাৰ মাজত হঠাৎ আঁতৰত কাৰোবাৰ চিঞৰ শুনা গ'ল, আৰু কিছু সময়ৰ পিছত তেওঁলোকৰ সন্মুখত আহি পৰিল ৰ'ডাৰিগো আৰু তেওঁৰ পাছে পাছে হাতত খোলা তৰোৱাল লৈ কেচিঅ'। মণ্টানোই অৱস্থাৰ গুৰুত্ব বুজি দুয়োৰে মাজত সোমাই পৰি কেচিঅ'ই এই হস্তক্ষেপত ক্ৰুদ্ধ হৈ মণ্টানোক তৰোৱালেৰে আঘাত কৰে। ইতিমধ্যে ইয়াগোৰ ইঙ্গিতত ৰ'ডাৰিগো পলাই গৈ নগৰৰ বিপদ সঙ্কেত ঘণ্টা বজাই খন্তেকৰ ভিতৰতে এক অশান্ত পৰিৱেশৰ সৃষ্টি কৰিলে। মাজনিশাৰ এই কোলাহলে গোটেই নগৰখনকে সজাগ কৰি তুলিলে আৰু সহচৰবৃন্দৰে সৈতে অথেলো আহি সেই ঠাইত উপস্থিত হৈ ঘটনাৰ বিশদ বিৱৰণ জনাবলৈ ইয়াগোক আদেশ কৰিলে। খন্তেক ইতস্ততঃ কৰি ইয়াগোই কলে

যে তেওঁ কব নোৱাৰে, কিন্তু তেওঁৰ বিশ্বাস যে সেই ঘটনাৰ সঁচা বিৱৰণে কেচিঅ'ৰ কোনো অনিষ্ট কৰিব নোৱাৰে। ইয়াৰ পিছত ইয়াগোৱে তেওঁৰ অভিমত অথেলোৰ আগত এনেভাৱে দাঙি ধৰিলে যে কেচিঅ'ৰ দোষৰ বিষয়ে কাৰো সন্দেহ নাথাকিল। কেচিঅ'ৰ এই গুৰুতৰ অপৰাধৰ শাস্তি স্বৰূপে অথেলোৱে তেওঁক তেতিয়াই পদচ্যুত কৰিলে, আৰু ইয়াগোৰ নিখুঁত পৰিচালনাত তেওঁৰ ষড়যন্ত্ৰৰ প্ৰথম অধ্যায় এই সুন্দৰ কৃতকাৰ্যতাৰে সামৰণি পৰিল।

সুৰাৰ প্ৰভাৱত পশুত্বক প্ৰশ্ৰয় দি খন্তেকৰ ভিতৰতে তেওঁৰ সন্মান আৰু সুনামত কেচিঅ'ই নিজেই কুঠাৰাঘাত কৰিলে সেই কথা সুঁৱৰি তেওঁৰ মনত নিজৰে প্ৰতি ধিক্কাৰ জন্মিল। ক্ষণিকৰ উত্তেজনাত ভূত-ভৱিষ্যত সকলো পাহৰি কেচিঅ'ই যি মহাভুল কৰি পেলালে, তাৰদ্বাৰা যে চৰিত্ৰৰ ভূষণ স্বৰূপ সন্মান তেওঁ চিৰদিনলৈ হেৰুৱালে সিয়ে তেওঁক মৰ্মান্তিক আঘাত দিলে। তেওঁৰ এই দুৰ্ভাগ্যৰ মুহূৰ্তত পুনৰ ইয়াগো তেওঁৰ শুভাকাঙ্খী বন্ধুৰ ৰূপত কেচিঅ'ৰ কাষ চাপিল। তেওঁ কেচিঅ'ক কলে যে মান-সন্মানৰ চিন্তা মানুহৰ মনৰ কিছুমান ভুল ধাৰণা মাথোন, কেতিয়াবা যেনেকৈ অকৰ্মণ্য লোক সন্মানৰ পাত্ৰ হয়, বহু সময়ত সেই দৰে যোগ্যজনো বিনাদোষত সন্মানৰপৰা বঞ্চিত হব লগা হয়। তাৰউপৰি সাময়িক উত্তেজনাৰ বশৱৰ্তী হৈ যদিও অথোলোৱে তেওঁক পদচ্যুত কৰিছে, কেচিঅ'ৰ বাবে তেওঁৰ হেৰোৱা সন্মান পুনৰ ঘূৰাই অনাৰ পথ বন্ধ হৈ যোৱা নাই। ইয়াগোৱে কেচিঅ'ক বুজালে যে অথোলোৰ পত্নীয়েই বৰ্তমান তেওঁলোকৰ গৰাকী, আৰু কেচিঅ'ই যদি ডেচডিমোনাৰ যোগেৰে নিজ দোষ স্বীকাৰ কৰি অথেলোক ক্ষমা প্ৰাৰ্থনা কৰে, তেওঁ অথেলোৰ অনুগ্ৰহ পুনৰ ঘূৰাই পোৱাৰ সম্ভাৱনা আছে। স্বভাৱতে মৰমিয়াল আৰু সহানুভূতিশীল ডেচডিমোনাই কেচিঅ'ৰ কাৰণে নিশ্চয় অথোলোৰ ওচৰত প্ৰাৰ্থনা জনাব। আৰু অথেলোৰ বাবেও তেওঁৰ মৰমৰ পত্নীৰ অনুৰোধ উপেক্ষা কৰা সহজ নহব। ইয়াগোৰ এই উপদেশ শুনি কেচিঅ' আশ্বস্ত হ'ল, তেওঁ ইয়াগোক ধন্যবাদ জনালে আৰু পিছদিনা পুৱাই ডেচডিমোনাক সাক্ষাৎ কৰিবলৈ সিদ্ধান্ত কৰিলে।

নিজৰ বুদ্ধিত ইয়াগোৰ অপৰিসীম বিশ্বাস: শঠতাৰ প্ৰকৃত স্বৰূপ বাহ্যিক ধৰ্মাচৰণৰ মাজত কেনেকৈ লুকাই ৰাখিব লাগে তেওঁ খুব ভাল দৰে জানে। তেওঁৰ উপদেশ কেচিঅ'ই ইমান সহজভাৱে গ্ৰহণ কৰা দেখি ইয়াগোৰ কপট মনটোত

হাঁহি উঠিল। ইমান সুন্দৰ উপদেশৰ আঁৰতো যে দুৰভিসন্ধি লুকাই থাকিব পাৰে সেই কথা জানো কোনোবাই ভাবিব পাৰে? তেওঁ কেচিঅ'ক কেৱল তেওঁৰ হেৰোৱা সন্মান ঘূৰাই অনাৰ পথ দেখুৱায়ে দিয়া নাই লগতে মুকলি কৰি দিছে তেওঁৰ নিজৰ বাবে অথেলোৰ ওপৰত প্ৰতিশোধ লোৱাৰ পথ, আৰু তেওঁৰ চক্ৰান্তৰ প্ৰথম বলী মাইকেল কেচিঅ'ই হব অথেলোৰ বিপক্ষে তেওঁৰ শাণিত অস্ত্ৰ।

কেচিঅ'ই ডেচডিমোনাৰ সৈতে তেওঁক দেখা কৰাই দিবলৈ ডেচডিমোনাৰ পৰিচাৰিকা আৰু ইয়াগোৰ পত্নী এমিলিয়াৰ কাষ চাপিবলৈ স্থিৰ কৰি পিছদিনা ধলপুৱাতে ইয়াগোৰ ঘৰৰ সন্মুখত উপস্থিত হ'ল। এই সময়তে পুনৰ ইয়াগোৰ লগত তেওঁৰ সাক্ষাৎ হয়, আৰু ইয়াগোই এমিলিয়াক অতি সোনকালে তেওঁৰ সাহায্যৰ কাৰণে কেচিঅ'ৰ ওচৰলৈ পঠাই দিবলৈ মান্তি হয়। ইয়াগোই কেচিঅ'ক আৰু কলে যে কিছু সময়ৰ কাৰণে তেওঁ অথেলোক চল কৰি প্ৰাসাদৰপৰা আঁতৰাই নিব যাতে কেচিঅ'ই ডেচডিমোনাৰ সৈতে নিভয়ে কথা-বতৰা হব পাৰে। আনহাতে দুষ্টমতি ইয়াগোই এইটোও ঠিক কৰি পেলালে যে তেওঁ অথেলোক এনে সময়ত পুনৰ প্ৰাসাদলৈ ঘূৰাই আনিব যাতে ডেচডি-মোনাই কেচিঅ'ৰ সৈতে কথা পাতি থকা তেওঁ স্বচক্ষে দেখা পায়।

প্ৰাসাদৰ উদ্যানত কেচিঅ'ক সাক্ষাৎ দান কৰি ডেচডিমোনাই কেচিঅ'ৰ দুৰ্ভাগ্যৰ কাহিনী সহানুভূতিৰে শুনিলে, আৰু কেচিঅ'ক আশ্বাস দিলে যে তেওঁৰ হেৰোৱা সন্মান পুনৰ ঘূৰাই আনিবলৈ ডেচডিমোনাই যৎপৰোনাস্তি চেষ্টা কৰিব। ঠিক এনে সময়তে আঁতৰত অথেলো আৰু ইয়াগোক সেইফালে অহা দেখা পাই ডেচডিমোনাৰ বাধাকো নামানি কেচিঅ' উদ্যানৰপৰা ওলাই যায়। ইয়াকে দেখি ইয়াগোই হঠাৎ কৈ উঠিল, "আহ! এই দৃশ্য দেখা পাম বুলি মই মুঠেই আশা কৰা নাছিলোঁ।" ইয়াগোৰ এই কথাত যেন কিহবাৰ অস্পষ্ট ইঙ্গিত সোমাই আছে, আৰু সেই কথা হয়তো অথেলোয়ো বুজিব নোৱাৰাকৈ থকা নাছিল। তেওঁ ইয়াগোক কি কৈছে বুলি সোধাত ইয়াগোই পুনৰ কৌতূহলপূৰ্ণ ভাষাৰেই উত্তৰ দিলে—

—নাই একো নাই; আৰু যদি····· মই নিজেই নাজানো কি কোৱা উচিত।

—মোৰ পত্নীৰ কাষৰপৰা আঁতৰি যোৱা সেইজন কেচিঅ' নহয় নে?

—কেচিঅ'! নহয় নিশ্চয় ; তেওঁ আপোনাক দেখা পাই এনেকৈ অপৰাধীৰ দৰে আঁতৰি যাব বুলি মোৰ বিশ্বাস নহয়।

—মোৰ ধাৰণা সেইজন কেচিঅ'ই হয়।

অথেলো কাষ চপাৰ লগে লগে সৰলমনা ডেচডিমোনাই অলপ আগতে কেচিঅ'ৰ সৈতে হৈ যোৱা আলোচনাৰ সবিশেষ নিঃসঙ্কোচে অথেলোক কলে, আৰু পত্নী হিচাপে তেওঁৰ প্ৰতি অথেলোৰ স্নেহৰ দোহাই দি কেচিঅ'ৰ আবেদন মঞ্জুৰ কৰিবলৈ তেওঁক সানুনয়ে অনুৰোধ জনালে। ডেচডিমোনাৰ মতে কেচিঅ'ৰ অপৰাধ অতি সামান্য ; আৰু গোপনে তিৰস্কাৰ কৰা হলেই তেওঁৰ উপযুক্ত শাস্তি হ'লহেঁতেন। তাৰউপৰি তেওঁৰ ভুলৰ বাবে কেচিঅ' অনুতপ্ত, আৰু সেয়েহে ক্ষমাৰ যোগ্য। ডেচডিমোনাই অথেলোক সোঁৱৰাই দিলে যে তেওঁৰ প্ৰণয় ভিক্ষা কৰাৰ সময়ত বিশ্বাসী বন্ধু হিচাপে কেচিঅ'ৰ সাহায্য অথেলোই গ্ৰহণ কৰিছিল, আৰু কেচিঅ'ই অথেলোৰ স্নেহ আৰু বিশ্বাসৰ উপযুক্ত প্ৰতিদান দিয়াৰ দৃষ্টান্তও নোহোৱা নহয়। এনেস্থলত তেওঁৰ অপৰাধ মাৰ্জনা কৰি কেচিঅ'ক পুনৰ তেওঁৰ পদত অধিষ্ঠিত কৰিবলৈ অস্বীকাৰ কৰা অথেলোৰ উচিত নহব। ডেচডিমোনাৰ মনৰ কোমলতা আৰু সৰলতাত মুগ্ধ অথেলোই এই আবেদন শুনি ডেচডিমোনাক কলে, "মই তোমাৰ কোনো কথাকেই নেপেলাওঁ। মোক মাত্ৰ অলপ সময় নিৰলে থাকিবলৈ দিয়া।' অথেলোৰ নিদেশমতে ডেচডিমোনাই এমিলিয়াৰ সৈতে উদ্যানৰপৰা গুলাই গ'ল। তেওঁৰ পত্নীৰ সৌন্দৰ্য আৰু কমনীয়তাত বিমোহিত অথেলোই ভাবিলে ডেচডিমোনাৰ প্ৰতি থকা তেওঁৰ ভালপোৱাৰ উষ্ণতাই যেন তেওঁৰ সত্তাক জীয়াই ৰাখিছে, আৰু এই ভালপোৱাৰ অবিহনে তেওঁৰ জীৱনৰ সকলো অৰ্থ ই হয়তো হেৰায় যাব।

ডেচডিমোনা আৰু এমিলিয়া আঁতৰি যোৱাৰ পিছত অথেলো-ডেচডিমোনাৰ প্ৰেমৰ কথা কেচিঅ'ই জনাৰ সুযোগ পাইছিল নেকি ইয়াগোই জানিব বিচাৰিলে, আৰু অথেলোই তেওঁক কলে যে তেওঁ আৰু ডেচডিমোনৰ প্ৰণয় কাহিনীৰ সৈতে কেচিঅ' খুব নিবিড়ভাৱে জড়িত। ইয়াগোই খুব সহজভাৱে উত্তৰ দিলে যে তেওঁৰ সামান্য কৌতূহল পূৰণ কৰাৰ বাহিৰে সেই কথা জানিবলৈ ইচ্ছা কৰা আন কোনো উদ্দেশ্য নাই। কাৰণ কেচিঅ' আৰু ডেচডিমোনা আগৰে-পৰাই পৰস্পৰৰ পৰিচিত আছিল বুলি তেওঁ নাজানিছিল। কিন্তু অথেলোই

কলে যে কেচিঅ'ই তেওঁলোকৰ প্ৰেমৰ কথা কেৱল জনাই নহয়, বহু সময়ত তেওঁলোকৰ ভাৱৰ আদান-প্ৰদানো কেচিঅ'ৰ যোগেদিয়ে হৈছিল। সঁচা ?"—ইয়াগো যেন আচৰিত হৈ গ'ল। অথেলোৰ মনত হঠাৎ এক কৌতূহল জন্মিল, ইয়াগোৰ কথাত যেন কিহবাৰ অস্পষ্ট ইংগিত। সেয়েহে তেওঁ সুধিলে, "এই কথাত তোমাৰ সন্দেহ কৰিব লগা কিবা আছে নেকি ? কেচিঅ' জানো সৎ প্ৰকৃতিৰ লোক নহয় ?"

—"সৎ !" পুনৰ ইয়াগোৰ চুটি অথচ তাৎপৰ্যপূৰ্ণ উত্তৰ।

—সৎ। হয় সৎ !

—মোৰ তেনে ধাৰণাই হয়।

—কি ধাৰণা হয় তোমাৰ ?

—কি ধাৰণা !

ইয়াগোৰ মুখত এইদৰে বাৰে বাৰে নিজৰ কথাৰ পুনৰুক্তিবোৰ শুনি অথেলোৰ কৌতূহল ক্ৰমে বাঢ়ি আহিল। ইয়াগোৰ—"আহ ! এই দৃশ্য দেখা পাম বুলি মই মুঠেই আশা কৰা নাছিলোঁ"—বোলা কথাষাৰে হয়তো ইতিমধ্যে অথেলোৰ মনত প্ৰতিক্ৰিয়া আৰম্ভ কৰি দিছিল। তেওঁ অতিষ্ঠ হৈ পৰিল। ইয়াগোই কি কব খুজিছে ? তেওঁৰ প্ৰশ্নবোৰৰ উদ্দেশ্য কি আৰু উত্তৰবোৰৰ অৰ্থ কি ? এই চুটি, অসম্পূৰ্ণ উক্তিবোৰ ইয়াগোৰ দৰে এজন সৎ প্ৰকৃতিৰ ব্যক্তিৰ ক্ষেত্ৰত যে প্ৰকাশৰ পথ বিচাৰি ফুৰা মনৰ ৰোষ আৰু ঘৃণাভাৱৰ পৰিচয় সেই বিষয়ে অথেলোৰ সন্দেহ নাই। ইয়াগোৰ সাধুতাত তেওঁৰ অটল বিশ্বাস আৰু সেই কাৰণেই তেওঁৰ প্ৰত্যেক কথাতে অথেলে ই গুৰুত্ব আৰোপ কৰে। তাৰ উপৰি তেওঁৰ বিশ্বাস যে ইয়াগোই তেওঁক ভাল পায়, শ্ৰদ্ধা কৰে, আৰু সেয়ে অথেলোই ইয়াগোৰ সেই শ্ৰদ্ধা আৰু ভালপোৱাৰ দোহাই দি তেওঁৰ মনৰ ভাব স্পষ্টভাৱে ব্যক্ত কৰিবলৈ অনুৰোধ জনালে।

ইয়াৰ উত্তৰত চতুৰ ইয়াগোই মাত্ৰ কলে যে কেচিঅ' যে সৎ স্বভাৱৰ ব্যক্তি সেই বিষয়ে তেওঁৰ কোনো সন্দেহ নাই। কাৰণ মানুহৰ বাহ্যিক ৰূপটোৱেই যদি তেওঁৰ চৰিত্ৰৰ প্ৰকৃত নিদৰ্শন হয়, তেন্তে কেচিঅ' কেতিয়াও অসৎ হব নোৱাৰে। ইয়াগোৰ এই কথাত অথেলো অধৈৰ্য আৰু উত্তেজিত হৈ উঠিল, আৰু মনৰ ভাব যদি অপ্ৰিয় হয় তাক অপ্ৰিয় ভাষাতেই প্ৰকাশ কৰিবলৈ ইয়াগোক দৃঢ়ভাৱে আদেশ কৰিলে। অথেলোই ইমানখিনি কোৱাৰ পিছতো

ইয়াগোই সঙ্কোচ কৰা যেন দেখুৱাই কলে যে অথেলোই যদিও তেওঁ স্পষ্টবাদী হোৱাটো বিচাৰে, তেওঁৰ মনৰ ভাব যদি অশ্লীল আৰু কুৎসিৎ হয় তাক জানো অথেলোই সহজভাৱে গ্ৰহণ কৰিব পাৰিব। মানুহৰ মন যিমানেই উচ্চ আৰু পবিত্ৰ নহওক, সময়ে সময়ে তেওঁৰ চিন্তা নীচ আৰু কুৎসিৎ হৈ পৰাটো একো অস্বাভাৱিক নহয়। ইয়াগোই আৰু কলে যে মানুহৰ দোষবোৰ যদিও তেওঁৰ খুব সোনকালে চকুত পৰে, বহু সময়ত তেওঁৰ অনুমান ভিত্তিহীন বুলি প্ৰমাণিত হয়। সেয়েহে তেওঁ অথেলোক অনুৰোধ কৰিলে যাতে তেওঁৰ কথাত কোনো বিশেষ ধৰণৰ গুৰুত্ব আৰোপ কৰা নহয়, আৰু অনুমান সিদ্ধ কিছুমান কথা কৈ অথেলোৰ মানসিক শান্তি নষ্ট কৰা তেওঁৰ উদ্দেশ্যও নহয়।

অথেলোৰ কৌতূহল কিন্তু ইয়াগোৰ এই কথাই দমাব নোৱাৰিলে, আৰু তেওঁ ইয়াগোৰ কথাৰ সম্পূৰ্ণ ব্যাখ্যা বিচাৰিলে। এইবাৰ ইয়াগোই তেওঁৰ প্ৰকৃত মনোভাৱ ব্যক্ত কৰিবলৈ উদ্যত হ'ল, আৰু সেই একেই কৌশল আৰু চতুৰালিৰে তেওঁ আগবাঢ়িল। তেওঁ কলে, "চৰিত্ৰৰ নিৰ্মলতা সকলো পুৰুষ আৰু নাৰীৰ জীৱনৰ অমূল্য ৰত্ন। ধন-সম্পত্তিৰপৰা বঞ্চিত হৈ মানুহ প্ৰকৃততে দুখীয়া নহয়; কাৰণ পাৰ্থিৱ সম্পত্তি আজি আছে কালিলৈ নাই। কিন্তু আনৰ সুনাম আৰু যশস্যা হৰণ কৰোঁতাজনে তাৰদ্বাৰা নিজৰ ব্যক্তিত্বৰ গৌৰৱ বঢ়াব নোৱাৰিলেও আনৰ যি ক্ষতি সাধন কৰে সি চিৰদিনৰ বাবে অপূৰণীয় হৈ ৰয়।" ইয়াৰ পিছত ইয়াগোই তেওঁৰ কথাৰ ধৰণ সলনি কৰি অথেলোক সাৱধান কৰি দিলে যে স্বামী-স্ত্ৰীৰ যেতিয়া পৰস্পৰৰ প্ৰতি ঈৰ্ষা আৰু সন্দেহৰ ভাব জাগে তেতিয়াই দাম্পত্য জীৱনৰ মাধুৰ্য শেষ হৈ যায়। পত্নীক গভীৰভাৱে ভাল পায়ো যি স্বামীয়ে বিশ্বাস কৰিব নোৱাৰে, তেওঁ কেতিয়াও সংশয় আৰু অনিশ্চয়তাৰপৰা হাত সাৰিব নোৱাৰে। বিপুল ঐশ্বৰ্যৰ গৰাকী হৈও সদায় দৰিদ্ৰতাৰ বিভীষিকা দেখা লোকৰ অন্তৰৰ দৰে তেওঁৰো অন্তৰৰ শীতকালৰ পৃথিৱীখনৰ দৰেই শুকান। আনহাতে যি মানুহৰ পৰিতোষ (পৰিতুষ্টি) ভাব আছে, তেওঁ পাৰ্থিৱ সম্পত্তিত হীন হৈও প্ৰকৃততে চহকী—কাৰণ তেওঁৰ আছে অন্তৰৰ উৰ্বৰতা আৰু মনৰ তৃপ্তি।

ইয়াগোৰ কথাৰ উদ্দেশ্য অথেলোই বুজা নহয়, আৰু সেয়েহে তেওঁ কলে যে সংশয় আৰু সন্দেহক সাৱটি লৈ অনিশ্চয়তা আৰু অশান্তিৰ মাজেৰে তেওঁ দিন অতিবাহিত কৰিব বুলি যদি ইয়াগোই ভাবিছে, তেন্তে সি তেওঁৰ ভুল

ধাৰণা। তেওঁ ইমান দুৰ্বল মনা নহয় যে মানুহৰ মুখৰ কথাত বিশ্বাস কৰি তেওঁ সন্দেহক প্ৰশ্ৰয় দিব। তেওঁৰ মনত নীচাশ্মিকা ভাৱ জগাই তুলিও কোনেও সংশয়ৰ সৃষ্টি কৰিব নোৱাৰে। যদি কেতিয়াবা তেওঁৰ মনলৈ সন্দেহৰ ভাৱ আহে তেওঁ উপযুক্ত প্ৰমাণৰ সহায়ত তাৰ সত্যাসত্য নিৰূপণ কৰি চিৰদিনলৈ অনিশ্চয়তাৰ অৱসান আনিব। এই কথা শুনি ইয়াগোই কলে, "আপোনাৰ কথা শুনি সন্তোষ পালোঁ। আপোনাৰ প্ৰতি থকা মোৰ শ্ৰদ্ধা আৰু কৰ্তব্য নিষ্ঠাৰ খাটিৰত মই এতিয়া মোৰ মনৰ ভাৱ নিঃসঙ্কোচে ব্যক্ত কৰিব পাৰোঁ।" কিন্তু তেওঁৰ কথাৰ প্ৰমাণ এতিয়াই নিবিচাৰিবলৈ তেওঁ অথেলোক অনুৰোধ জনালে, কাৰণ প্ৰমাণৰ বাবে সময় শেষ হৈ যোৱা নাই। ইমানকে কৈ ইয়াগোই অথেলোক ডেচডিমোনাৰ গতিবিধি, আৰু কেচিঅ'ৰ প্ৰতি তেওঁৰ আচাৰ ব্যৱহাৰ ভাল দৰে নিৰীক্ষণ কৰিবলৈ অনুৰোধ জনাই কলে যে তেওঁ ডেচডিমোনাক সন্দেহৰ চকুৰে চাবলৈ কোৱা নাই, খুব বিশ্বাস নকৰিবলৈহে সাৱধান কৰি দিছে, কাৰণ অথেলো তেওঁৰ মনৰ সৰলতা আৰু উদাৰতাৰ বাবে যাতে প্ৰতাৰিত হবলগীয়া নহয়, তাকেই ইয়াগোই কামনা কৰে। ইয়াগোই আৰু কলে যে তেওঁ তেওঁৰ দেশৰ মহিলাসকলৰ স্বভাৱ খুব ভাল দৰে জানে, অসৎ কামৰপৰা বিৰত থকাৰ পৰিবৰ্তে, তাক লুকাই ৰাখিহে তেওঁলোকে গৌৰৱ বোধ কৰে। ইয়াগোৰ কথা শুনি অথেলো হতভম্ব হৈ গল, মাত্ৰ কলে, "তোমাৰ এই কথা সঁচা?" নিৰ্বিকাৰভাৱে ইয়াগোই কলে, 'ডেচডিমোনাই পিতাকৰ অজ্ঞাতেই অথেলোৰ লগত বিবাহ পাশত আবদ্ধ হৈ বৃদ্ধ ব্ৰেবেনচিঅ'ক ফাঁকি দিয়া নাছিল জানো? অথেলোৰ প্ৰতি তেওঁৰ ভালপোৱা গভীৰ আছিল যেতিয়া তেওঁ অথেলোক ভয় কৰিছিল। "অথেলোয়ো ভাবিলে—ইয়াগোৰ কথা সঁচা, ডেচডিমোনাইতো ঠিক তাকেই কৰিছিল। ইয়াগোই আৰু কলে যে কোমল বয়সীয়া ডেচডিমোনাই নিজৰ সম্প্ৰদায়ৰ অলপ যোগ্যবান যুৱকৰ বিবাহ প্ৰস্তাৱ অস্বীকাৰ কৰি পিতাকৰ ইচ্ছাৰ বিৰুদ্ধে যোৱাটোৱেই তেওঁৰ চৰিত্ৰৰ অস্বাভাৱিকতা আৰু মনৰ অনভিজ্ঞতাৰ পৰিচয় দিয়ে। ডেচডিমোনাৰ চৰিত্ৰৰ এই দুৰ্বলতা সম্বন্ধে ইয়াগোই যদিও নিশ্চিত বুলি দাবী কৰিব নোৱাৰে, তথাপি তেওঁৰ ভয় হয় যে সময়ৰ লগে লগে ডেচডিমোনাৰ সুস্থ চিন্তাই তেওঁক অথেলোক বিয়া কৰোৱাৰ কাৰণে অনুতপ্ত কৰি তোলাটো একো অস্বাভাৱিক নহয়। ইয়াৰ পিছত কথাৰ সুৰ সলনি কৰি ইয়াগোই এই

বিষয়ে বেছি চিন্তা নকৰিবলৈ উপদেশ দি অথেলোক কলে যে সময়ে এই কথাৰ সত্যাসত্য নিশ্চয় প্ৰমাণ কৰিব। তেওঁ আৰু কলে যে কেচিঅ'ৰ দৰে এজন সুদক্ষ লোকে তেওঁৰ হেৰোৱা পদ পুনৰ ঘূৰাই পোৱাতো যদিও নিতান্ত বাঞ্ছনীয়, কিছুদিন তেওঁক আঁতৰাই ৰাখিলে তেওঁৰ গতিবিধি লক্ষ্য কৰাত অথেলোৰ সুবিধা হব ; আৰু আনহাতে যদিহে ডেচডিমোনাই কেচিঅ'ৰ পুনৰ অৱস্থানৰ কাৰণে সদায় এক ধৰণেই আবেদন কৰি যায়, সিয়েই বহুখিনি কথাৰ সন্ধেদ দিব। কিন্তু উপযুক্ত প্ৰমাণ নোপোৱালৈকে ইয়াগোৰ কথাত বিশেষ গুৰুত্ব নিদি ডেচডিমোনাক যেন চৰিত্ৰহীনা বুলি ভবা নহয় এই শেষ অনুৰোধ কৰি অথেলোৰ কাষৰপৰা ইয়াগোই বিদায় মাগিলে।

ইয়াগো আঁতৰি যোৱাৰ পিছত নানা চিন্তাই অথেলোক অস্থিৰ কৰি তুলিলে। ইয়াগো সঁচাকৈয়ে অতি সাধুলোক, আৰু মানুহৰ মনোবৃত্তি আৰু আচৰণৰ বিষয়ে তেওঁৰ জ্ঞান গভীৰ। বিষণ্ণমনা অথেলোই ভাবিলে যে ডেচডিমোনাক যদিও তেওঁ প্ৰাণভৰি ভাল পায়, দুঃচৰিত্ৰা বুলি প্ৰমাণ হৈ যোৱাৰ পিছত নিজৰ পথ বাছি লবলৈ তেওঁক এৰি দিয়াই অথেলোৰ উচিত হব। তেওঁ কৃষ্ণাঙ্গ, যৌৱন তেওঁৰ প্ৰায় শেষ হৈ আহিছে, আৰু ভেনিচৰ অভিজাত বংশৰ যুৱকসকলৰ সৌজন্যও তেওঁৰ অৱগত নহয় আৰু সেইবাবেই হয়তো ডেচডিমোনা তেওঁৰ জীৱনৰপৰা আঁতৰি পৰিছে। কিন্তু সঁচাকৈয়ে যদি তেওঁ প্ৰতাৰিত, ডেচডিমোনাক অন্তৰেৰে সৈতে ঘৃণা কৰিহে তেওঁ দুখৰ বোজা পাতলাব পাৰিব। আমি নিজৰ বুলি ভবা অপৰূপ দেহ সৌন্দৰ্যৰ গৰাকী এই নাৰীবিলাকৰ আৱেগ অনুভূতিবোৰ যে আমাৰ ইচ্ছাধীন নহয়— এয়ে বৈবাহিক জীৱনৰ নিষ্ঠুৰ অভিশাপ। ঠিক এনে সময়তে অথেলোই ডেচডিমোনা সেইফালেই অহা দেখা পালে আৰু তেওঁক দেখা পোৱাৰ লগে লগে খন্তেকৰ কাৰণে হলেও ইয়াগোৰ কথা বিশ্বাস কৰিবলৈ টান পালে। এনে স্বৰ্গীয় সৌন্দৰ্য আৰু সৰলতাৰ মাজত পাপ প্ৰবৃত্তি লুকাই থকাটো জানো সম্ভৱ হব পাৰে ?

ডেচডিমোনা আহিছিল অথেলোক সোঁৱৰাই দিবলৈ যে সেই দিনাৰ ভোজসভাত নিমন্ত্ৰিত অতিথিবৃন্দই তেওঁৰেই আগমন প্ৰতীক্ষা কৰি আছে। খুব দুৰ্বলভাৱে অথেলোই উত্তৰ দিলে যে তেওঁৰ পলম হোৱাৰ বাবে তেওঁ নিজেই দায়ী আৰু কলে যে তেওঁ কিছু সময়ৰপৰা মূৰৰ বিষত কষ্টভোগ

কৰিছে। অথেলোৰ অসুস্থতাই ডেচডিমোনাক উৎকণ্ঠিত কৰি তুলিলে আৰু তেওঁ হাতৰ ৰুমালখন অথেলোৰ মূৰত বান্ধি দিব খুজিলে। কিন্তু অথেলোই আপত্তি কৰি ৰুমালখন আঁতৰাই থলে, আৰু ৰুমালখন যে ইতিমধ্যে মাটিত পৰি গৈছিল, তাক ডেচডিমোনাই মন নকৰিলে। অথেলো-ডেচডিমোনা প্ৰাসাদৰ ভিতৰলৈ যোৱাৰ পিছত এমিলিয়াৰ ৰুমালখনত চকু পৰিল। এইদৰে অভাৱনীয়ভাৱে ৰুমালখন তেওঁৰ হাতত পৰাত এমিলিয়াই আনন্দ পালে, কাৰণ সেইখন ৰুমালকে আনি দিবলৈ ইয়াগোই তেওঁক বহুবাৰ অনুৰোধ কৰিছিল। কিন্তু অথেলোৰ প্ৰেমৰ প্ৰথম উপহাৰ সেই ৰুমালখনৰ অবিহনে ডেচডিমোনাৰ মনৰ অৱস্থা কেনে হব পাৰে সেইকথা এমিলিয়াই সহজে অনুমান কৰিব পাৰিলে। সেয়েহে সেই ৰুমালখনৰ ডিজাইন অনুসাৰে অন্য এখন ৰুমাল ইয়াগোক চিলাই কৰি দি প্ৰকৃত ৰুমালখন পুনৰ ঘূৰাই দিবলৈ সংকল্প কৰিলে। কিন্তু তেনে সময়তে হঠাৎ ইয়াগো আহি তাত উপস্থিত হ'ল। ইমান দিনে তেওঁ বিচাৰি অহা ৰুমালখন এমিলিয়াৰ হাতত দেখি একৰকম জোৰ কৰিয়ে সেইখন এমিলিয়াৰ হাতৰপৰা কাঢ়ি লৈ গ'ল আৰু এমিলিয়াক তেওঁৰ ওচৰৰপৰা আঁতৰি যাবলৈ নিৰ্দেশ দিলে। ইয়াগোই সেই ৰুমালখন সহজে কেচিঅ'ৰ হাতত পৰাকৈ তেওঁৰ ঘৰত থৈ আহিবলৈ স্থিৰ কৰিলে, কাৰণ ৰুমালখন কেচিঅ'ৰ হাতত পৰাৰ লগে লগে তেওঁৰ লৈতে ডেচডিমোনাৰ সম্বন্ধ কি সেই কথা প্ৰমাণ কৰা সহজ হৈ পৰিব। পৰিকল্পিত এই চক্ৰান্তৰ সফলতাৰ পিছত শান্তিময় টোপনিৰ মধুৰ আমেজ হেৰুৱাই যে অথেলো ঈৰ্ষাৰ জুইত জ্বলি পুৰি মৰিব সেই আশাই ইয়াগোৰ মনত অনিৰ্বচনীয় তৃপ্তিৰ ভাব জগাই তুলিলে।

ইতিমধ্যে অথেলো সেইফালে অহা দেখা পাই ইয়াগো সহজ হৈ পৰিল। তেওঁৰ চকুৰে মুখে ফুটি উঠা বিষাদৰ ৰেখাবোৰ স্পষ্টভাৱে প্ৰমাণ কৰিলে; ইয়াগোই তেওঁৰ মনত সিঁচি দিয়া বিহে ইতিমধ্যে প্ৰতিক্ৰিয়া আৰম্ভ কৰিছে। ইয়াগোক দেখা পাই খং আৰু বেজাৰত অথেলোই তেওঁক তুৰন্তে তেওঁৰ সম্মুখৰপৰা আঁতৰি যাবলৈ আদেশ দিলে। কাৰণ ইয়াগোই মনত সুমাই দিয়া সন্দেহৰ বীজেই তেওঁক তীব্ৰ মানসিক সংঘাতৰ মাজলৈ ঠেলি লৈ গৈছে। এইদৰে অনিশ্চয়তাৰ মাজত চটফটাই থকাতকৈ সম্পূৰ্ণভাৱে প্ৰতাৰিত হোৱা হলেই অথেলোই নিজকে ভাগ্যবান বুলি বিবেচনা কৰিলেহেঁতেন। তেওঁৰ জীৱনৰ মাধুৰ্য যেন হঠাৎ মৰহি যাবলৈ ধৰিলে। আকাশ বতাহ কঁপাই তোলা

ৰণশিঙাই তেওঁৰ গা মন হয়তো আৰু কাহানিও নচুৱাই তুলিব নোৱাৰে। বিপদৰ ৰোমাঞ্চকৰ আহ্বান গ্ৰহণ কৰা সাহস তেওঁ হয়তো চিৰদিনলৈ হেৰুৱাইছে। অতীতৰ সেই বীৰ, ৰোমান্টিক অথেলো আৰু নাই, তেওঁৰ মৃত্যু হৈছে। জোনৰ পোহৰৰ দৰে পবিত্ৰ নিৰ্মল ডেচডিমোনা যদি সঁচাকৈয়ে কুলক্ষিণী হয়, অথেলোই তেওঁক কাহানিও ক্ষমা নকৰে। কিন্তু তাৰ আগতে তেওঁক লাগে প্ৰমাণ। কঠোৰভাৱে তেওঁ ইয়াগোক শুনাই দিলে যে ডেচডিমোনাৰ আৰু কেচিঅ'ৰ অবৈধ সম্পৰ্কৰ প্ৰত্যক্ষ প্ৰমাণ তেওঁক দিব লাগিব। সেযে যদি নহয় ইয়াগোক তেওঁ ভীষণ শাস্তি দিব, এনে শাস্তি দিব যি শাস্তি হয়তো নৰকতো কোনেও কাহানিও ভোগ কৰা নাই।

অথেলোৰ কথাই ইয়াগোৰ মনত কোনো ভয়ৰ সঞ্চাৰ কৰিব নোৱাৰিলে। পুনৰ তেওঁ অভিনয় আৰম্ভ কৰিলে। তেওঁ কলে যে অথেলোৰ এই আচৰণত তেওঁ কেৱল আচৰিতেই হোৱা নাই, তেওঁ খুব দুখ পাইছে। এইখন পৃথিৱীৰ সততাক আদৰ্শ বুলি গ্ৰহণ কৰাটো হয়তো এটা বিৰাট ভুল, কাৰণ অথেলোৰ মঙ্গলৰ কাৰণে সঁচা কবলৈ গৈ তেওঁ অথেলোৰ অপ্ৰিয় হৈ উঠিব লগা হ'ল। জীৱনত হয়তো কোনো বন্ধুক কাহানিও ভাল নোপোৱাই শ্ৰেয়, কাৰণ বন্ধুৰ হিত চিন্তা কৰিলে যে নিজৰহে সংশয় সেইকথা অথেলোৰ আচৰণে ইয়াগোক বুজাই দিলে। কিন্তু অথেলোক তেওঁ কি প্ৰমাণ দিব? কেচিঅ' আৰু ডেচডিমোনাৰ প্ৰেমবিলাস দেখি জানো অথেলোই সহ্য কৰিব পাৰিব? ডেচডিমোনাৰ চৰিত্ৰহীনতা প্ৰমাণ কৰিবলৈ যোৱাৰ দৰে অপ্ৰিয় কাম কৰিবলৈ ইয়াগোক তেওঁৰ বিবেকে নকয়। কিন্তু অথেলোৰ মঙ্গলৰ কাৰণে, অথেলোৰ প্ৰতি তেওঁৰ ভালপোৱাৰ স্বাৰ্থত তেওঁ ইমানদূৰ আগবাঢ়ি যাবলৈ বাধ্য হ'ল। সেই ভালপোৱাৰ স্বাৰ্থতে তেওঁ অথেলোৰ আগত বাকী থকা কথাখিনিও ব্যক্ত কৰিব আৰু তেওঁৰ বিশ্বাস যে এইবাৰ অথেলো সন্তুষ্ট হব পাৰিব। ইয়াৰ পিছত কিছুদিনৰ আগতে কেচিঅ'ৰ সৈতে একেখন শয্যাতে শুই থকা অৱস্থাত ইয়াগোই কি জনাৰ সুযোগ পাইছিল তাক অথেলোৰ আগত বৰ্ণনা কৰিলে। দাঁতৰ বিষত তেওঁৰ টোপনি অহা নাছিল আৰু কাষত শুই থকা কেচিঅ'ই টোপনিতে কোৱা শুনিছিল—"মৰমৰ ডেচডিমোনা, আমি খুব সতৰ্ক হব লাগিব; আমাৰ প্ৰেমৰ কথা যেন কোনেও গম নাপায়।" তাৰ পিছত কৃষ্ণাঙ্গ অথেলোৰ লগত ডেচডিমোনা বিবাহ পাশত আবদ্ধ হব লগা

হোৱাৰ বাবে কেচিঅ'ই ভাগ্যক দোষাৰোপ কৰাও ইয়াগোই শুনিবলৈ পাইছিল। অথেলোই আৰু শুনিব নোৱাৰিলে; তেওঁ চিঞৰি উঠিল, "উস্! অসম্ভৱ, অসম্ভৱ।" ইয়াগোই কলে, "নহয়, নহয়; এইটো কেচিঅ'ৰ সপোন মাথোন।" কিন্তু অথেলোই জানে যে সপোন হলেও ই বাস্তৱ অভিজ্ঞতাৰেই প্ৰতিফলন। ইয়াকে শুনি ইয়াগোই কলে যে এই সপোনে হয়তো আনবিলাক প্ৰমাণৰ সত্যতাৰ নিদৰ্শন হিচাপে যথেষ্ট সহায় কৰিব। ইয়াৰ পিছত ইয়াগোই অথেলোক ডেচডিমোনাৰ হাতত ষ্ট্ৰবেৰী ফলৰ ডিজাইন অঙ্কিত এখন ৰুমাল দেখা পাইছিল নেকি সুধিলে। অথেলোই উত্তৰ দিলে যে তেনে এখন ৰুমাল তেওঁৰ প্ৰথম উপহাৰ হিচাপে তেৱেঁই ডেচডিমোনাক দিছিল। ইয়াগোই কলে যে ঠিক তেনে এখন ৰুমাল তেওঁ কেচিঅ'ৰ হাতত দেখা পাইছে আৰু সেই ৰুমালখন ডেচডিমোনাৰ বুলিয়ে তেওঁৰ বিশ্বাস। এই কথা শুনাৰ লগে লগে অথেলোৰ মনত উমি উমি জ্বলি থকা হিংসাৰ জুইদপদপকৈ জ্বলি উঠিল। প্ৰতিশোধ বিচাৰি উত্তেজিত হৈ অথেলোই চিঞৰি উঠিল, "আহ্! তেজ, তেজ, তেজ!" ডেচডিমোনাই কেৱল নিজৰ জীৱনলৈকে কলঙ্কৰ কালিমা নমাই অনা নাই, লগে লগে অথেলোৰ যশস্যা আৰু সন্মানতো পদাঘাত কৰিছে। তেওঁ তেতিয়াই প্ৰতিজ্ঞা কৰিলে যে এই অন্যায়ৰ চৰম প্ৰতিশোধ তেওঁ লব। অথেলোৰ লগে লগে আকাশ, বতাহ, গ্ৰহ, নক্ষত্ৰ সকলোকে সাক্ষী কৰি ইয়াগোয়ো প্ৰতিজ্ঞা কৰিলে যে তেওঁ তেওঁৰ মানসিক আৰু শাৰীৰিক সকলো শক্তি অথেলোৰ সেৱাত নিয়োগ কৰিবই আৰু অথেলোৰ আদেশ পালন কৰিবলৈ তেওঁ সদায়েই প্ৰস্তুত থাকিব। অথেলোই ইয়াগোৰ এই আন্তৰিকতা আৰু আনুগত্যৰ শলাগ ললে আৰু তেতিয়াই তেওঁক সহকাৰী সেনাধ্যক্ষৰ পদত অধিষ্ঠিত কৰিলে। ইয়াগোক তেওঁৰ প্ৰতিজ্ঞা সোঁৱৰাই দি অথেলোই কেচিঅ'ক হত্যা কৰিবলৈ আদেশ দিলে আৰু কলে যে সেইদিনাৰপৰা তিনিদিনৰ ভিতৰত যেন তেওঁ কেচিঅ'ৰ মৃত্যুসংবাদ পায়।

সৰলমনা ডেচডিমোনাই তেতিয়াও বুজি উঠা নাছিল তেওঁৰ ৰুমালখন হেৰোৱাৰ পৰিণাম যে কেনে ভীষণ হব পাৰে। ৰুমালখন হেৰোৱাত ডেচডিমোনাই যদিও মনে মনে খুব দুখ পালে, তেওঁৰ বিশ্বাস আছিল যে সেই কথা উদাৰমনা অথেলোই সহজভাৱেই গ্ৰহণ কৰিবলৈ সমৰ্থ হব। কিন্তু দুষ্ট ইয়াগোৰ প্ৰৰোচনাত যে অথেলোই তেওঁৰ বিচাৰ-শক্তি ইতিমধ্যে সম্পূৰ্ণৰূপে

হেৰুৱাই পেলাইছে সেই কথা ডেচডিমোনাৰ সপোনৰো অগোচৰ আছিল। সেয়েহে এদিন অথেলোই সেই ৰুমালখন বিচাৰি তেওঁক আচৰিত কৰি দিলে। ডেচডিমোনাৰ অন্তৰ কিবা অজানা আশঙ্কাত কঁপি উঠিল, কিন্তু খুব সহজভাৱে তেওঁ উত্তৰ দিলে যে ৰুমালখন বৰ্তমান তেওঁৰ হাতত নাই, অথেলোই ডেচডিমোনাক সোঁৱৰাই দিলে যে সেই ৰুমালখন লগত নাৰাখি তেওঁ খুব ডাঙৰ ভুল কৰিছে। ইজিপ্তৰ এজনী যাদুজনা তিৰোতাই সেই ৰুমালখন তেওঁৰ মাকক উপহাৰ দি কৈছিল যে মন্ত্ৰপূত সেই ৰুমালখন লগত ৰাখিলে স্ত্ৰী কাহানিও স্বামীৰ মৰমৰপৰা বঞ্চিত হব নোৱাৰে। অথেলোই সেইখন ৰুমাল সেইকাৰণে মাকৰ অনুৰোধক্ৰমে ডেচডিমোনাক উপহাৰ দিছিল। অথেলোৰ মুখত ৰুমালখনৰ এই আচৰিত শক্তিৰ কথা শুনি এফালে যেনেকৈ ডেচডিমোনা আচৰিত হ'ল, আনফালে সেই ৰুমালখন হেৰোৱাত তেওঁৰ মন ভয় আৰু শঙ্কাৰে ভৰি পৰিল। হঠাৎ তেওঁ কৈ পেলালে, "ঈশ্বৰৰ কি ইচ্ছা! সেইখন ৰুমাল মোৰ হাতত নপৰাহলেই ভাল আছিল।" "কি? কিন্তু কিয়?"—আচৰিত হৈ অথেলোই কৰ্কশ সুৰত সুধিলে। তেওঁৰ সন্দেহ হ'ল: ডেচডিমোনাই তেন্তে সঁচাকৈয়ে তেওঁৰ ভালপোৱা নিবিচাৰে নেকি! কৌতূহল দমাই ৰাখিব নোৱাৰি তেওঁ পুনৰ সুধিলে—

—ৰুমালখন হেৰাইছে নেকি? কোৱা ৰুমালখন সঁচাকৈয়ে হেৰাইছে নেকি?

—নাই হেৰোৱা। আৰু যদি হেৰাইছেও ভাতেনো কি হ'ল?

—হেৰাইছে? কিন্তু কেনেকৈ?

—মইতো কৈছোঁৱেই যে হেৰোৱা নাই।

—তেন্তে যোৱা, লৈ আহাঁ, মোক চাবলৈ দিয়া।

ডেচডিমানাই কলে যে ৰুমালখন আনি তেওঁ অথেলোক দেখুৱাব পাৰে যদিও এতিয়া তেওঁ নানে. কাৰণ হয়তো কেচিঅ'ৰ কথা ওলায় বুলিয়ে অথেলোই ডেচডিমোনাক এই অজুহাত দেখুৱাই আঁতৰাই পঠাব খুজিছে। ডেচডিমোনাই কেচিঅ'ৰ আবেদন পুনৰ বিবেচনা কৰিবলৈ অথেলোক অনুৰোধ জনালে। কিন্তু অথেলোই মাত্ৰ কলে—

—মোক ৰুমালখন আনি দিয়া, মোৰ শঙ্কা হৈছে।

—নহয়, নহয়, তুমি ভাবি চোৱা কেচিঅ'তকৈ যোগ্যতৰ ব্যক্তি আৰু কেইজন আছে?

—মোক ৰুমালখন দিয়া।

—মই অনুৰোধ কৰিছোঁ, মোক কেচিঅ'ৰ কথা কোৱা।

এই দৰে বাৰে বাৰে ডেচডিমোনাৰ মুখত কেচিঅ'ৰ নাম শুনি অথেলোই ধৈৰ্য হেৰুৱাই ক্ষোভ আৰু বিৰক্তিত তাৰপৰা আঁতৰি গুচি গ'ল। তেওঁৰ এই পৰিবৰ্তনে ডেচডিমোনাক আচৰিত কৰি দিলে, আৰু হেৰোৱা ৰুমালখনৰ সঁচাকৈয়ে কিবা মোহনী শক্তি থকা বুলি তেওঁৰ ধাৰণা হ'ল। তথাপি এনে এক সামান্য ঘটনাই অথেলোৰ দৰে এজন মহান ব্যক্তিৰ মনত ঈৰ্ষা বা সন্দেহৰ সৃষ্টি কৰিব পাৰে বুলি ডেচডিমোনাই বিশ্বাস কৰিবলৈ টান পালে। তেওঁৰ ভাব হ'ল যে অথেলো নিশ্চয় কিবা জটিল প্ৰশাসনীয় সমস্যাৰ চিন্তাত ক্লান্ত, আৰু ইয়ে হয়তো তেওঁ ইমান সোনকালে বিৰক্ত আৰু অধৈৰ্য হৈ পৰাৰ একমাত্ৰ কাৰণ।

আনহাতে ডেচডিমোনাৰ ৰুমালখন কেচিঅ'ৰ হাতত পৰাৰ পিছত তেওঁৰ শঙ্কা হ'ল যে সেই ৰুমালখনৰ প্ৰকৃত গৰাকীয়ে যি কোনো সময়তে সেইখন বিচাৰি দাবী জনাব পাৰে ; কাৰণ ৰুমালখন কাৰ বা কেনেকৈ তেওঁৰ কক্ষলৈ আহিল এইবোৰ তেওঁ একোৱেই নাজানে। কিন্তু ৰুমালখনৰ ডিজাইনটোৱে তেওঁক ইমানেই মুগ্ধ কৰিলে যে সেইখন ঘূৰাই নিয়াৰ আগেয়ে ঠিক তেনে এখন ৰুমাল তেওঁ তৈয়াৰ কৰিবলৈ স্থিৰ কৰিলে। এই উদ্দেশ্যে তেওঁ ৰুমালখন চাইপ্ৰাচ নগৰৰ গণিকা আৰু তেওঁৰ প্ৰেমিকা বিয়াঙ্কাক দি তাৰ অনুৰূপে এখন ৰুমাল তেওঁক চিলাই কৰি দিবলৈ অনুৰোধ জনালে।

ডেচডিমোনাৰ হাতত ৰুমালখন নোপোৱাৰপৰা অথেলোৰ বিশ্বাস দৃঢ় হ'ল যে ইয়াগোই ইমানদিনে কৈ অহা কথাবোৰ সম্পূৰ্ণ সত্য। এই ভাবৰ লগে লগে অথেলোৰ অন্তৰ্দাহো ক্ৰমাৎ বাঢ়ি আহিবলৈ ধৰিলে। যি ডেচডিমোনাৰ প্ৰেমৰ মাজত অথেলোই পাইছিল অনাবিল আনন্দ আৰু জীয়াই থকাৰ হেঁপাহ, যি ডেচডিমোনাৰ প্ৰাণত তেওঁ শুনিছিল নিজৰ প্ৰাণৰ স্পন্দন, সেই ডেচডিমোনা যেন হঠাৎ-হেৰাই গ'ল। তেওঁ আজি কেৱল অৱহেলিত আৰু প্ৰতাৰিতই নহয় ; তেওঁৰ পূৰ্বৰ মান-যশ আৰু মৰ্যাদাও যেন শেষ হৈ গৈছে। এইবিলাক চিন্তাৰ তাড়নাত অথেলোই সময়ে সময়ে মৃগীৰোগত ভোগা মানুহৰ দৰে মানসিক চেতনা হেৰুৱাই পেলাবলৈ ধৰিলে। অথেলোৰ এই মানসিক যাতনাই কপট ইয়াগোৰ মনলৈ আনি দিলে অনিৰ্বচনীয় তৃপ্তি। তেওঁ নিজৰ বুদ্ধিৰ শ্ৰেষ্ঠত্ব

গৌৰৱ বোধ কৰিলে—সঁচাকৈয়ে সৰল মনৰ মূৰ্খবোৰ এইদৰেই নিজৰ অজ্ঞাতে চক্ৰান্তৰ বেহুত বন্দী হৈ চটফটাই মৰে।

এদিনাথন প্ৰাসাদৰ সন্মুখত অথেলো ইয়াগোৰ সৈতে আলোচনাত ব্যস্ত। ধূৰ্ত ইয়াগোই আগৰ দৰে একে চতুৰালিৰেই তেওঁৰ কামত আগবাঢ়ি গ'ল। এফালে যেনেকৈ তেওঁ অথেলোক বুজালে ডেচডিমোনাৰ নিজৰ ৰুমাল তেওঁৰ ইচ্ছানুযায়ী আনক দিয়াৰ স্বাধীনতা যে আছে সেই কথা অস্বীকাৰ কৰিবলৈ যোৱাটো অথেলোৰ ভুল হব, ঠিক সেই দৰে আনফালে তেওঁ অথেলোক এইটোও কলে যে তেওঁ কেচিঅ'ৰ নিজৰ মুখৰপৰা তেওঁলোকৰ গুপ্তপ্ৰেমৰ যিখিনি কথা জনাৰ সুযোগ পাইছিল, সেই কথাকেই তেওঁ অথেলোৰ মঙ্গলৰ কাৰণে আৰু কৃতজ্ঞতাৰ হাত সাৰিবৰ কাৰণে অথেলোৰ আগত ব্যক্ত কৰিছে। সেই ৰুমাল-খনৰ কথা পুনৰ মনলৈ অহাৰ লগে লগে অথেলো অধৈৰ্য হৈ পৰিল—কাৰণ সেইকথা সম্পূৰ্ণ পাহৰি যোৱাটোকে তেওঁ কামনা কৰে॥ তাৰ উপৰি যেতিয়া তেওঁ কেচিঅ'ই তেওঁৰ ডেচডিমোনাৰ সৈতে থকা অবৈধ সম্পৰ্কৰ কথা নিজে স্বীকাৰ কৰা বুলি শুনিলে, তেওঁ আৰু বব নোৱাৰিলে। উন্মাদৰ দৰে তেওঁ প্ৰলাপ বকিবলৈ ধৰিলে, আৰু খন্তেক পিচতেই সংজ্ঞা হেৰুৱাই পেলালে।

এনে সময়তে অথেলোৰ সাক্ষাৎ বিচাৰি কেচিঅ আহি সেই ঠাইত উপস্থিত হ'ল। তেওঁক দেখি ইয়াগোই কলে যে কেচিঅৰ সৈতে তেওঁৰ এটা বিশেষ কথা আলোচনা কৰিব লগা আছে, আৰু অথেলো সুস্থ হৈ তাৰপৰা আঁতৰি নোযোৱালৈকে যেন কেচিঅই অলপ দূৰত থাকি অপেক্ষা কৰে। এই কথামতে কেচিঅ' তাৰপৰা আঁতৰি পৰিল। অথেলো সুস্থ হৈ উঠাৰ পিছত তেওঁৰ মনোকষ্ট দেখি দুখ প্ৰকাশ কৰি ইয়াগোই কলে যে সঁচাকৈয়ে দুশ্চৰিত্ৰা নাৰীক পবিত্ৰ বুলি ভাবি পত্নী হিচাপে গ্ৰহণ কৰিব লগা হোৱাটো ভাগ্যৰেই নিষ্ঠুৰ পৰিহাস। সংসাৰত এনেকুৱা দুৰ্ভগীয়া স্বামী বহুতেই আছে, কিন্তু অথেলোই তেওঁলোকতকৈ নিজকে ভাগ্যবান বুলি ভবা উচিত এই কাৰণেই যে তেওঁ ডেচডিমোনাৰ নৈতিক অধঃপতনৰ কথা জনাৰ সুযোগ পাইছে। প্ৰতাৰিত হৈয়ো যি তাক নজনাকৈ থাকে তাৰ সমান দুৰ্ভগীয়া আৰু কোনো হব নোৱাৰে। ইয়াৰ পিছত কেচিঅ'ৰ আগমনৰ কথা উল্লেখ কৰি ইয়াগোই কলে যে অথেলোই যদি কিছু সময় গোপনে থাকি, ধৈৰ্য ধৰি কেচিঅ'ৰ সৈতে তেওঁৰ কথা-বতৰা শুনে, তেন্তে কেচিঅ'ৰ মুখতে তেওঁৰ অবৈধ প্ৰেমৰ স্বীকাৰোক্তি শুনিবলৈ পাব,

আৰু ইয়েই সকলো কথাৰ সত্যাসত্য নিৰ্ণয় কৰাত সহায় কৰিব। ইয়াগোৰ কথামতে অথেলোই অলপ দূৰত নিজক লুকাই ৰাখি কেচিঅ'ৰ আগমনলৈ বাট চাই ৰ'ল।

কেচিঅ' আহি পোৱাৰ লগে লগে ইয়াগোই তেওঁক সহকাৰী সেনাধ্যক্ষ সম্বোধনেৰে স্বাগত জনালে। কিন্তু কেচিঅ'ই কলে সেই পুৰণি সম্বোধনেৰে ইয়াগোই তেওঁৰ মনত আঘাতহে দিলে। চতুৰ ইয়াগোই কেচিঅ'ক আশ্বাস দিলে যে ডেচডিমোনাৰ ওচৰত আবেদন কৰা সুফল তেওঁ নিশ্চয় পাব। ডেচডিমোনাৰ নাম শুনাৰ লগে লগে লুকাই থকা অথেলো সজাগ হৈ উঠিল, আৰু খুব মনোযোগেৰে কেচিঅ' ইয়াগোৰ কথা-বতৰা শুনিবলৈ চেষ্টা কৰিলে। কিন্তু ইয়াগোই খুব সৰুকৈ কেচিঅ'ক কলে, "এই ক্ষমতা বিয়াঙ্কাৰ হাতত থকা হলে তুমি নিশ্চয় খুব সোনকালে তোমাৰ হেৰোৱা পদ ঘূৰাই পালাহেঁতেন।" ইয়াগোই পুনৰ কলে—"মই আগেয়ে কল্পনাও কৰিব পৰা নাছিলোঁ যে তিৰোতাই কোনো পুৰুষক ইমান গভীৰভাৱে ভাল পাব পাৰে।" এই কথা শুনি কেচিঅ'ই কলে, "আহ! বেচেৰী! মোৰ তাইৰ প্ৰতি পুতৌ ওপজে। মোৰো বিশ্বাস যে তাই মোক ভাল পায়।" ইয়াগোই সুধিলে, "তুমি তাইক বিয়া কৰাবা বুলি তাই প্ৰচাৰ কৰি ফুৰা কথাষাৰ সঁচা নেকি?" ইয়াগোৰ এই প্ৰশ্ন শুনি কেচিঅ' সশব্দে হাঁহি উঠিল। কেচিঅ'ৰ এই হাঁহিয়ে আনহাতে লুকাই থকা অথেলোৰ ঈৰ্ষা দুগুণে জ্বলাই তুলিলে—সেই হাঁহিত যেন লুকাই আছে বিজয়ৰ গৌৰৱ। খং আৰু ঘৃণাত তেওঁ অস্থিৰ হৈ পৰিল। ইয়াগোৰ প্ৰশ্নৰ উত্তৰ স্বৰূপে কেচিঅ'ই অৱজ্ঞাৰ সুৰত কলে:

—বিয়া কৰাম? এজনী বেশ্যাক? মই তোমাক অনুৰোধ কৰিছো ইয়াগো, মোৰ ৰুচি ইমান হীন বুলি যেন তুমি নাভাবা।

—কিন্তু সেই কথা যে চাৰিওফালে প্ৰচাৰ হৈ গৈছে?

—তাই নিজেই এই কথা কৈ ফুৰিছে। মোৰ প্ৰতিশ্ৰুতি পাই তাই এনে কৰিছে বুলি তুমি নাভাবিবা। মোৰ প্ৰতি তাইৰ যি অনুৰাগ সিয়ে তাইক মই বিয়া কৰাম বুলি ভাবিবলৈ বাধ্য কৰিছে।"

কেচিঅ' আৰু ইয়াগোই এইদৰে কথা-বতৰা হৈ থাকোঁতেই হঠাৎ বিয়াঙ্কা আহি তাত উপস্থিত হ'ল। ডেচডিমোনাৰ যি ৰুমালখন ডিজাইন নকল কৰিবৰ কাৰণে কেচিঅ'ই বিয়াঙ্কাক দিছিল, সেই ৰুমালখন কেচিঅ'ৰ গালৈ দলি মাৰি

দি বিয়াঙ্কাই তিৰস্কাৰৰ সুৰত কৈ উঠিল যে সেইখন ৰুমাল নিশ্চয় কেচিঅ'ই অন্য কোনো প্ৰেমিকাৰপৰা উপহাৰ হিচাপে গ্ৰহণ কৰিছিল, আৰু তাৰ ডিজাইন অনুসাৰে অন্য এখন ৰুমাল তৈয়াৰ কৰি দিব'ল কেচিঅ'ই কৰা অনুৰোধ তেওঁ ৰক্ষা কৰিব নোৱাৰিব। তাৰ পিছত বিয়াঙ্কাই কেচিঅ'ক শুনাই দিলে যে সেই নিশা বিয়াঙ্কাৰ ঘৰত আহাৰ গ্ৰহণৰ নিমন্ত্ৰণ যদি কেচিঅ'ই গ্ৰহণ নকৰে, তেন্তে এয়ে তেওঁৰ সৈতে বিয়াঙ্কাৰ শেষ দেখা। ইয়াকে কৈ খং আৰু অভিমানত বিয়াঙ্কা তাৰপৰা গুচি গ'ল। বিয়াঙ্কা এইদৰে গুচি যোৱা দেখি কেচিঅ'য়ো লৰালৰিকৈ ইয়াগোৰপৰা বিদায় ললে, আৰু যোৱাৰ আগতে কৈ গ'ল যে ইয়াগোৰ যদি আৰু কিবা কব লগা আছে তেওঁ যেন সেই নিশা বিয়াঙ্কাৰ ঘৰত তেওঁক লগ ধৰে।

কেচিঅ' যোৱাৰ পিছত লুকাই থকা ঠাইৰপৰা অথেলো লাহে লাহে ওলাই আহিল, আৰু ইয়াগোক সুধিলে,

—মই কেচিঅ'ৰ ওপৰত কেনেকৈ প্ৰতিশোধ লম ইয়াগো ?

—আপুনি লক্ষ্য কৰিলে নে তাৰ কু-কাৰ্যৰ কথাত কেচিঅ'ই কেনেকৈ হাঁহিলে ?

—উস ! ইয়াগো !

—আপোনাৰ ৰুমালখন চিনি পালে নে ?

—সেইখন জানো মোৰ ৰুমাল ?

—নিশ্চয় আপোনাৰ। ডেচডিমোনাৰ প্ৰতি কেচিঅ'ৰ ভাব কেনে আপুনি বুজিছেই বোধকৰোঁ। তেওঁ ডেচডিমোনাৰপৰা ৰুমালখন এজনী বেশ্যাকহে দিয়াৰ উপযুক্ত বুলি বিবেচনা কৰিলে।

—সি বছৰৰ পিছত বছৰ ধৰি মৃত্যু যন্ত্ৰণাত চটফটাই মৰা দেখিলেহে মোৰ মনে শান্তি পাব ইয়াগো। ডেচডিমোনা—কি সুন্দৰ তেওঁৰ নাম, কিমান মনোমোহা তেওঁৰ ৰূপ আৰু আচৰণ!

—সেইটো আপুনি পাহৰি পেলাব লাগিব।

—সঁচা কথা। মই সেইটো পাহৰি পেলাব লাগিব। ডেচডিমোনা আৰু জীয়াই থাকিব নোৱাৰে। আজি নিশাই তেওঁ মৰিব লাগিব। মোৰ অন্তৰ, আজি পাষাণ হৈ গৈছে।

অথেলোই ভাবিলে ডেচডিমোনাৰ দৰে সুন্দৰী নাৰীৰ এই অধঃপতন অতিশয়

পৱিতাপৰ কথা। আৰু সেই পাপৰ ফল তেওঁ নিশ্চয় ভোগ কৰিব লাগিব। অথেলোই ঠিক কৰিলে ডেচডিমোনাক তেওঁ বিহ খুৱাই হত্যা কৰিব। কিন্তু ইয়াগোই সেই কথা সমৰ্থন নকৰিলে। তেওঁ কলে যে যিখন বিবাহ শয্যাৰ পবিত্ৰতা ডেচডিমোনাই ৰক্ষা কৰিব নোৱাৰিলে সেই শয্যাতে তেওঁক ডিঙি চেপি হত্যা কৰাহে অথেলোৰ পক্ষে উচিত হব। তেওঁ আৰু কলে যে কেচিঅ'ৰ বাবে যেন অথেলোই কোনো চিন্তা নকৰে, কাৰণ তেওঁক হত্যা কৰাৰ দায়িত্ব ইয়াগোই নিজে গ্ৰহণ কৰিছে।

ইতিমধ্যে ভেনিচৰ ডিউকে চাইপ্ৰাচৰ শাসনভাৰ কেচিঅ'ৰ হাতত অৰ্পণ কৰি অথেলোক অতি সোনকালে ভেনিচলৈ উভটি যাবলৈ নিৰ্দেশ দিলে, আৰু এই বাতৰি অথেলোক জনাবৰ কাৰণে তেওঁৰ অন্যতম বিষয়া লডোভিকোক চাইপ্ৰাচলৈ পঠালে। তেওঁৰ শত্ৰু হৈ উঠা কেচিঅ'ৰ এই পদোন্নতিয়ে অথেলোক অতিশয় বিৰক্ত কৰি তুলিলে। কিন্তু এই সংবাদ পাই ডেচডিমোনা আনন্দিত হ'ল। কেচিঅ'ৰ পদোন্নতিৰ কথা শুনি তেওঁ খুব সন্তোষ পালে। তেওঁৰ বাবে তাতোকৈ সুখৰ কথা হ'ল চাইপ্ৰাচ এৰি স্বদেশলৈ উলটি যোৱাটো, কাৰণ যি চাইপ্ৰাচে তেওঁৰ জীৱনৰ মাধুৰ্য আৰু সুখ শেষ কৰি দিছে, সেই চাইপ্ৰাচত আৰু থকাৰ ইচ্ছা তেওঁৰ নাই। ডেচডিমোনাৰ এই আনন্দ কিন্তু অথেলোই সহজভাৱে লব নোৱাৰিলে। তেওঁৰ বিশ্বাস হ'ল যে কেচিঅ'ৰ পদোন্নতিয়েই ডেচডিমোনাৰ এই আনন্দৰ একমাত্ৰ কাৰণ। তেওঁৰ মহাশত্ৰু হৈ উঠা কেচিঅ'ৰ উন্নতিত তেওঁৰ পত্নী হৈ ডেচডিমোনা এই দৰে আনন্দত বিহ্বল হৈ পৰা দেখি অথেলোৰ মন ডেচডিমোনাৰ প্ৰতি খং আৰু ঘৃণাৰে ভৰি পৰিল, আৰু ইয়াৰ পিছৰপৰা অথেলো ডেচডিমোনাৰ সম্বন্ধে আৰু বেয়াৰ ফালে ঢাল খালে। ডেচডিমোনা কেচিঅ'ৰ সম্পৰ্কৰ বিষয়ে তেওঁ আৰু জানিবলৈ বিচাৰিলে। এই উদ্দেশ্যে তেওঁ এমিলিয়াৰ কাষ চাপিল আৰু ডেচডিমোনাৰ বিষয়ে কি জানে কবলৈ আদেশ কৰিলে। এমিলিয়াই অথেলোৰ এই অভিযোগৰ প্ৰতিবাদ জনাই কলে যে ভগৱানৰ নামত শপত খাই কব পাৰে যে ডেচডিমোনা নিষ্পাপ; আৰু অথেলোৰ সন্দেহ সম্পূৰ্ণ ভিত্তিহীন। তেওঁ আৰু কলে যে ডেচডিমোনা যদি দুশ্চৰিত্ৰা হয়, পৃথিৱীত এনে কোনো নাৰী নাই যি নিজকে পৱিত্ৰ বুলি দাবী কৰিব পাৰে। যদিহে কোনোবাই নিজৰ কু-অভিপ্ৰায় পূৰণৰ কাৰণে অথেলোৰ মনত এই ভাব সুমাই দিছে, তাক পাহৰি পেলাবলৈ এমিলিয়াই অনুৰোধ জনালে।

এমিলিয়াৰ কথাই কিন্তু অথেলোৰ মনৰ সন্দেহ মাৰ নিয়াব নোৱাৰিলে। তেওঁ ডেচডিমোনাক তেওঁৰ কাষলৈ পঠাই দি এমিলিয়াক কক্ষৰ বাহিৰত অপেক্ষা কৰিবলৈ আদেশ দিলে।

ডেচডিমোনাই কক্ষত প্ৰৱেশ কৰাৰ লগে লগে অথেলোই তেওঁক ওচৰলৈ মাতি কলে—"মোৰ ফালে চোৱা। চাও, তোমাৰ চকু দুটা মোক চাবলৈ দিয়া।"

অথেলোৰ এই আচৰিত আচৰণ দেখি ডেচডিমোনাৰ অন্তৰ কিবা অজ্ঞান আশঙ্কাত কঁপি উঠিল। ভয়ে ভয়ে আঠুকাঢ়ি তেওঁ সুধিলে, "কিন্তু তোমাৰ এই কথাৰ অৰ্থ কি? তুমি ইমান উত্তেজিত হৈছা কিয়? মই যে একো বুজিব পৰা নাই।

—কিয়? কোৱা তুমি কোন?

—তোমাৰ বিবাহিতা স্ত্ৰী: তোমাৰ ধৰ্মপত্নী।

এই কথা শুনাৰ লগে লগে অথোলোৰ সংযমৰ বান্ধ হেৰাই গ'ল। বৈবাহিক জীৱনৰ মৰ্যাদা ভৰিৰে মোহাৰি পৰপুৰুষৰ সান্নিধ্য বিচাৰি যোৱা নাৰীয়েও কয় যে তেওঁ ধৰ্ম পত্নী! এই দৰে মিছা মাতি ধৰ্মৰ নামত কলঙ্ক সনাৰ বাবে তেওঁ ডেচডিমোনাক তীব্ৰ গৰিহণা দি কলে যে তেওঁৰ পাপ নৰকৰ ব্যভিচাৰতকৈও ঘৃণনীয়, কাৰণ তেওঁ দুশ্চৰিত্ৰা: তেওঁ পতিতা। ইয়াকে কৈ দুখ আৰু বেজাৰত অথেলোই কান্দি পেলালে। স্বামীৰ চকুত পানী দেখি ডেচডিমোনা অস্থিৰ হৈ পৰিল। আবেগ বিহ্বলা ডেচডিমোনাই কলে যে তেৱেঁই যদি অথেলোৰ দুখৰ কাৰণ তেন্তে তাতকৈ ডাঙৰ দুৰ্ভাগ্য তেওঁৰ বাবে একো হব নোৱাৰে। যদিহে অথেলোই ভাবিছে যে ব্ৰেবেনচিঅ'ৰ অভিসন্ধিত তেওঁ চাইপ্ৰাচ এৰি যাব লগা হৈছে, তাৰ বাবে যেন ডেচডিমোনাক তেওঁ দোষাৰোপ নকৰে। কাৰণ যি ব্ৰেবেনচিঅ'ৰ লগত অথেলোই সকলো সম্পৰ্ক ছেদ কৰিছে, সেই ব্ৰেবেনচি'অক পিতাক হলেও ডেচডিমোনাইও জানো ত্যাগ কৰা নাই? কিন্তু, অথেলোই তেওঁৰ মনৰ দুখ আৰু লুকাই ৰাখিব নোৱাৰিলে। ইমানদিনে তেওঁ প্ৰকাশৰ পথ বিচাৰি ফুৰা তেওঁৰ মনৰ পুঞ্জীভূত ৰোষ, শোক, তাপ তেওঁ অন্তৰ উজাৰি প্ৰকাশ কৰিলে। চৰম দুৰ্ভাগ্য, লাঞ্ছনা, অপমান, দৰিদ্ৰতাৰ অভিশাপ মূৰ পাতি লৈও, ভগ্ন আশাকো বুকুত সাৱটি লৈ, তেওঁ হয়তো তেওঁৰ অন্তৰত ধৈৰ্য্য আৰু শান্তিৰ অভাৱ অনুভৱ নকৰিলেহেঁতেন। কিন্তু যি ডেচডিমোনাৰ

প্ৰেমৰ মাজত তেওঁ পাইছিল জীৱন উপলব্ধিৰ ক্ষমতা, যি ডেচডিমোনাৰ সৌন্দৰ্যই তেওঁক শুনাইছিল জীৱন ছন্দৰ মূৰ্ছনা, সেই ডেচডিমোনাৰদ্বাৰা প্ৰত্যাখ্যাত হোৱাৰ মহাদুখ নীৰৱে সহ্য কৰি যোৱাৰ শক্তি তেওঁৰ নাই। ডেচডিমোনাৰ সান্নিধ্যত প্ৰেম আৰু ভাল পোৱাৰ স্ফটিক-স্বচ্ছ বাৰিধাৰাত সাতুৰি-নাদুৰি জীৱনৰ মহাগীতি গাই যোৱাৰ যি সপোন তেওঁ ৰচিছিল, সিয়ে চূৰমাৰ হৈ গ'ল, সেই প্ৰেম নিজৰাৰ উৎস শুকাই গ'ল। ডেচডিমোনা যেন এপাহি সুন্দৰ ফুল যাৰ সৌন্দৰ্যই মন-প্ৰাণ মুগ্ধ কৰে। যাৰ সৌৰভে মনত জগাই তোলে কিবা এক বেদনাসিক্ত আনন্দৰ অনুভূতি। কিন্তু সেই ডেচডিমোনা এই ধৰণীৰ বুকু'ল নহাটোৱেই হয়তো মঙ্গলকাৰক হ'লহেঁতেন। এয়ে জানো সেই ডেচডিমোনা যাৰ স্বৰ্গীয় সৌন্দৰ্যৰ মাজত লুকাই আছে ঘৃণনীয় পাপ আৰু বেশ্যাৰ ব্যভিচাৰ? এই পাপ সুঁৱৰি হয়তো আকাশেও ঘৃণাত নাক কোঁচাব, জোনটিয়ে লাজুক ভাবৰ মাজত লুকাই পৰিব, আৰু দূষিত হোৱাৰ ভয়ত বতাহেও কোনোবা অন্ধকাৰ গহ্বৰত আশ্ৰয় লবগৈ।

থং আৰু বেজাৰত জৰ্জৰিত অথেলো কঁপিছিল। তেওঁৰ এই নিষ্ঠুৰ অভিযোগ শুনি ডেচডিমোনা স্তব্ধ হৈ গ'ল। খুব প্ৰশান্তভাৱে তেওঁ কলে যে চৰিত্ৰৰ পৱিত্ৰতা ৰক্ষা কৰি স্বামীসেৱা কৰি যোৱা যদি ধৰ্ম হয়, তেন্তে ডেচডিমোনাক পতিতা বুলি গৰিহণা দি অথেলোই ঘোৰ অন্যায় কৰিছে।

—সঁচা কোৱা, তুমি পতিতা নোহোৱা?

—সেয়ে হলে মোৰ মুক্তিৰ পথ যেন চিৰকাললৈ বন্ধ হৈ যায়।

অথেলো আচৰিত হ'ল; ইমান ঘৃণনীয় পাপত লিপ্ত হৈও তাক এনে নিলজ্জভাৱে অস্বীকাৰ কৰিব পৰাটো মানুহৰ পক্ষে জানো সম্ভৱ? তেওঁ আৰু কোনো প্ৰশ্নৰ অৱতাৰণা নকৰি তৎক্ষণাৎ তাৰপৰা আঁতৰি গ'ল।

অব্যক্ত বেদনাত ডেচডিমোনা তন্দ্ৰামগ্ন মানুহৰ দৰে সেই ঠাইতে ঠৰ হৈ ৰ'ল। তেওঁৰ অন্তৰ যেন ভাগি পৰিছে তেওঁৰ ভাব হ'ল তেওঁৰ কোনো স্বামী নাই, তেওঁ কাৰো পত্নী নহয়। সেয়েহে অথেলো সেই দৰে ওলাই যোৱাৰ কাৰণ সোধাত তেওঁ এমিলিয়াক কলে যে চকুৰ পানীয়েই সেই প্ৰশ্নৰ প্ৰকৃত উত্তৰ হ'লহেঁতেন, কিন্তু তেওঁ যে কন্দাৰ শক্তিও হেৰুৱাই পেলাইছে, তাৰ পিছত কি ভাবি জানো ডেচডিমোনাই এমিলিয়াক অনুৰোধ কৰিলে ফুলশয্যাৰ নিশা পাৰি দিয়া কাপোৰকেইখন যেন সেই নিশা তেওঁৰ বিছনাত পাৰি দিয়া।

হয়। ইয়াকে কৈ ইয়াগোক মাতি আনিবলৈ তেওঁ এমিলিয়াক নির্দেশ দিলে।

ইয়াগো আহি পাই তেওঁক মাতি পঠোৱাৰ কাৰণ সুধিলে, কিন্তু ডেচডিমোনাৰ কবলৈ ভাষা নাই। তেওঁৰ মুৰত জাপি দিয়া সেই মিছা অপযশৰ কথা কোন সতেৰে তেওঁ ইয়াগোক কব? ডেচডিমোনাৰ হৈ এমিলিয়ায়ে ইয়াগোক সবিশেষ জনালে। ডেচডিমোনাই সুধিলে অথেলোই যি অকথ্য ভাষাৰে তেওঁক নিন্দা কৰি গ'ল সঁচাকৈয়ে সি জানো তেওঁৰ প্ৰাপ্য। অতুল ঐশ্বর্য আৰু অপাৰ্থিৱ সুখ-ভোগৰ প্ৰতিশ্ৰুতিয়ে কাহানিও তেওঁক এনে পাপত লিপ্ত কৰাব নোৱাৰে। অথেলোৰ ৰোষাগ্নিত তেওঁ শেষ হৈ যাব পাৰে, কিন্তু তেওঁৰ স্বামী ভক্তি আৰু প্ৰেমৰ পৱিত্ৰতা চিৰদিন তেওঁ অক্ষুণ্ণ ৰাখিব। ইয়াকে কৈ অদৃষ্টৰ নিষ্ঠুৰ পৰিহাসৰ কথা সুঁৱৰি ডেচডিমোনাই উচুপি উচুপি কান্দি উঠিল; এই কথা শুনি ইয়াগোই খুব আচৰিত হোৱা যেন দেখুৱাই অথেলোক এই নিষ্ঠুৰতাৰ কাৰণে নিন্দা কৰিলে, আৰু কলে যে এই আচৰিত ধাৰণাই কেনেকৈ তেওঁৰ মনত ঠাই ললে, সি সঁচাকৈয়ে চিন্তাৰ বিষয়। এই কথা শুনি এমিলিয়াই কলে যে তেওঁৰ দৃঢ়-বিশ্বাস নিজৰ স্বাৰ্থ পূৰণৰ কাৰণে কোনোবা দুষ্টলোকে এই দৰে ডেচডিমোনাৰ কুৎসা ৰটনা কৰি অথেলোৰ মন বিষাক্ত কৰি তুলিছে। এই কথাৰ প্ৰতিবাদ কৰি ইয়াগোই কলে যেই কেতিয়াও সম্ভৱ হব নোৱাৰে. সংসাৰত এনে নীচ মানুহ থাকিব পাৰে বুলি তেওঁ বিশ্বাস নকৰে। ইয়াগোই ডেচডিমোনাক সান্ত্বনা জনাই কলে যে অথেলোৰ এই নিষ্ঠুৰ ব্যৱহাৰ হয়তো প্ৰশাসনীয় সমস্যাই বিৰক্ত কৰি তোলা তেওঁৰ মনৰ সাময়িক দুৰ্বলতাৰ ফল; আৰু সময়ত নিশ্চয় তেওঁ নিজৰ ভুল বুজি উঠিব। ইমানকে কৈ ইয়াগোই ডেচডিমোনাৰপৰা বিদায় ললে।

ডেচডিমোনাৰ ওচৰৰপৰা উভটি অহাৰ পথত ইয়াগোৰ ৰডাৰিগোৰ লগত দেখা হ'ল। ইয়াগোক দেখা পাই ৰডাৰিগোই অভিযোগৰ সুৰত ক'লে যে তেওঁৰ ইচ্ছা পূৰণৰ কাৰণে ইয়াগোই কিবা কৰিছে বুলি ৰডাৰিগোৰ বিশ্বাস নহয়, আৰু তেওঁৰ ভাব হৈছে যে ইয়াগোই ইমান দিনে তেওঁক ভুৱা দি আহিছে। ৰডাৰিগোই ইয়াগোক সতৰ্ক কৰি দিলে যে ইমানদিনে তেওঁ ইয়াগোৰ কথামতে যি ধন ব্যয় কৰিলে, তাক ঘূৰাই নিদিলে তেওঁ ডেচডিমোনাক নিজৰ চিনাকি দি সকলো কথা খুলি কবলৈ বাধ্য হব। ৰডাৰিগোৰ এই ভাবুকিয়ে ইয়াগোক সামান্যভাৱেও টলাব নোৱাৰিলে, কাৰণ ৰডাৰিগোৰ দৰে

এটা মূৰ্খক কেনেকৈ হাতৰ মুঠিলৈ ঘূৰাই আনিব পাৰি ইয়াগোই জানে। তেওঁ কলে যে ৰডাৰিগোৰ অভিযোগ যে সম্পূৰ্ণ মিছা নহয় সেইকথা তেওঁ স্বীকাৰ কৰে। কিন্তু ইমানদিনে তেওঁ যি কৰিছে সকলো ৰডাৰিগোৰ স্বাৰ্থৰ কাৰণেই কৰিছে. আৰু ৰডাৰিগোৰ যদি সাহস আৰু মনোবল আছে তাৰ পৰিচয় দিয়াৰ সময় এতিয়া আহিছে। ইয়াৰ পিছতো যদি তেওঁ ডেচডিমোনাক লাভ কৰিব নোৱাৰে, তেন্তে তেওঁৰ সকলো শাস্তি মূৰ পাতি লবলৈ ইয়াগো সাজু আছে। অথেলোক ভেনিচলৈ উভটি যাবলৈ দিয়া আদেশৰ কথা উল্লেখ কৰি ইয়াগোই কলে যে ডেচডিমোনাক লৈ যদি অথেলো চাইপ্ৰাচৰপৰা গুচি যায়, তেন্তে ৰডাৰিগোৰ আশা পূৰণ হোৱাৰ কোনো সম্ভাৱনা নাই। এতেকে তেওঁক আৰু কিছুদিন চাইপ্ৰাচত ৰখাটো অতি প্ৰয়োজনীয়, আৰু ইয়াৰ উত্তম উপায় হৈছে কেচিঅ'ক চিৰদিনৰ বাবে আঁতৰোৱা. যাতে তেওঁ অথেলোৰ পদত নিযুক্তি পাব নোৱাৰে। ইয়াগোই আৰু কলে, যে সেইনিশা কেচিঅ'ই নগৰৰ এক গণিকাৰ ঘৰত আহাৰ গ্ৰহণ কৰিব, আৰু তাৰপৰা উভটি অহাৰ পথত ৰডাৰিগোই সহজেই তেওঁৰ কাম সমাধা কৰিব পাৰিব। ইয়াগোই ৰডাৰিগোক আশ্বাস দিলে যে তেওঁ আঁৰে আঁৰে থাকি ৰডাৰিগোৰ সাহাযাৰ কাৰণে সাজু হৈ ৰব। এইদৰে হত্যাকাণ্ডত লিপ্ত হোৱাৰ ইচ্ছা ৰডাৰিগোৰ নাছিল যদিও, তেওঁৰ ঈপ্সীত বস্তু লাভ কৰাৰ আশাত ইয়াগোৰ এই আঁচনি তেওঁ গ্ৰহণ কৰিলে।

সেই নিশা প্ৰাসাদত এক ভোজ সভাৰ আয়োজন কৰি অথেলোই তেওঁৰ সন্মানিত অতিথি লডোভিকোক আপ্যায়িত কৰে। লডোভিকোই বিদায় লোৱাৰ পিছত অথেলোই ডেচডিমোনাক শয়ন কক্ষলৈ যাবলৈ নিৰ্দেশ দিলে, আৰু কলে যে এমিলিয়াক যেন সোনকালে ঘৰলৈ পঠাই দিয়া হয়। সেই নিশা অথেলোই যি ভয়াবহ কাম কৰিবলৈ সাজু হৈছিল, হয়তো তাৰেই মানসিক প্ৰস্তুতিৰ কাৰণে কিছু সময় বাহিৰত ফুৰি অহাৰ উদ্দেশ্যে প্ৰাসাদৰ বাহিৰ ওলাল।

অথেলোৰ আদেশ ক্ৰমে ডেচডিমোনা তেওঁৰ শোৱনী কোঠাত সোমাল। এমিলিয়াই জনালে যে তেওঁৰ ইচ্ছানুসাৰে বিবাহৰ নিশা ব্যৱহাৰ কৰা কাপোৰ কেইখন ডেচডিমোনাৰ বিছনাত পাৰি দিয়া হৈছে। ডেচডিমোনাৰ মন বিষাদ-মলিন; চাৰিওফালে শিঁচৰিত হৈ থকা নিশাৰ এন্ধাৰবোৰৰ মাজত যেন কিবা ভীষণ বিপদৰ ইঙ্গিত লুকাই আছে। কিবা এক অবুজ আশঙ্কাত ডেচডি-

মোনা যেন থক্সেকৰ কাৰণে হতাশ হৈ পৰিল। হঠাৎ তেওঁ এমিলিয়াক কলে যে তেওঁৰ যদি এমিলিয়াতকৈ আগেয়ে মৃত্যু হয়, সেই নিশা তেওঁৰ বিছানত পাৰি দিয়া কাপোৰবোৰেৰে তেওঁৰ মৃতদেহটো মেৰিয়াই দিবলৈ যেন এমিলিয়াই নাপাহৰে। ইয়াকে কৈ এমিলিয়াক তেওঁ বিদায় দিলে।

ইয়াগো আৰু ৰডাৰিগোই সেই সময়ত জন-প্ৰাণীহীন ৰাজপথত কেচিঅ'ৰ বাবে বাট চাই আছিল। মাজনিশা বিয়াঙ্কাৰ ঘৰৰপৰা উভতি অহা কেচিঅ' ওচৰ-চপাৰ লগে লগে ৰডাৰিগোই আন্ধাৰৰ মাজৰপৰা জপিয়াই পৰি তেওঁক আক্ৰমণ কৰিলে। কিন্তু তেওঁৰ লক্ষ্যভ্ৰষ্ট হোৱাৰ সুযোগতে কেচিঅ'ইও আত্মৰক্ষাৰ কাৰণে তেওঁক আঘাত কৰিলে। ঠিক সেই সময়তে চোৰৰ দৰে পাছফালৰপৰা ইয়াগোই কেচিঅ'ৰ ভৰিত মাৰাত্মকভাৱে আঘাত কৰিলে। কেচিঅ'ৰ তীব্ৰ আৰ্তনাদ শুনি লডোভিকো তেওঁৰ সঙ্গী গ্ৰেচিয়ানোৰ সৈতে আহি সেই ঠাইত উপস্থিত হয়। থক্সেক পিছতে হাতত এডাল জোৰ লৈ ইয়াগোও আহে আৰু কেচিঅ'ক দেখি দুখ আৰু বেজাৰত চিঞৰি উঠে। এই নিষ্ঠুৰ কাৰ্যৰ বাবে কেচিঅ'ৰ কাষত পৰি থকা ৰডাৰিগোকে দোষী সাব্যস্ত কৰি তেওঁৰ বুকুত তৰোৱাল বহুৱাই দিয়ে। মাজনিশাৰ এই কোলাহল শুনি ডেচডিমোনাৰ ওচৰৰপৰা উভতি অহা এমিলিয়াও আহি তাত উপস্থিত হ'ল। কিন্তু ইয়াগোই অথেলোক সেই ঘটনাৰ সংবাদ দিবলৈ এমিলিয়াক পুনৰ প্ৰাসাদলৈ ঘূৰাই পঠালে।

কেচিঅ'ৰ আৰ্তনাদ অকলশৰে ৰাজপথত বিচৰণ কৰি থকা অথেলোৰ কাণতো পৰিছিলগৈ, আৰু সেই কণ্ঠস্বৰ কাৰ অথেলোই বুজিছিল। তেওঁ ভাবিলে ইয়াগোই তেন্তে তেওঁৰ প্ৰতিজ্ঞা পূৰণ কৰিলে। সঁচাকৈয়ে ইয়াগো তেওঁৰ যোগ্য অনুচৰ। অথেলোই ঠিক কৰি পেলালে যে কেচিঅ'ৰ জীৱন অৱসান ঘটাৰ লগে লগে তেওঁৰ পাপৰ লগত জড়িত আৰু এটি অভিশপ্ত জীৱন শেষ হৈ যাব লাগিব সেই নিশাৰ ভিতৰতে। তেওঁ হঠাৎ পাষাণতকৈও কঠোৰ হৈ পৰিল। তেওঁৰ অন্তৰ পশুৰ হিংস্ৰতা আৰু নিষ্ঠুৰতাৰে ভৰি পৰিল। লৰালৰিকৈ তেওঁ প্ৰাসাদৰ ভিতৰ সোমাল।

শয়ন কক্ষত সোমাই জ্বলি থকা চাকিটিৰ ক্ষীণ পোহৰত অথেলোই দেখিলে যে ডেচডিমোনা টোপনিত মগ্ন। ডেচডিমোনাৰ দেহ-লাৱণ্য আৰু মুখমণ্ডলৰ অনুপম সৌন্দৰ্য চাই চাই অথেলো অভিভূত হৈ পৰিল। তেওঁ আজি তীব্ৰ

মানসিক সংঘাতত জৰ্জৰিত হৈ পৰিছে। কি কাৰণে তেওঁ আজি এই নিষ্ঠুৰ সিদ্ধান্ত লব লগা হ'ল। সেই কথা প্ৰকাশ কৰিবলৈ তেওঁ কুণ্ঠাবোধ কৰে। হয়তো ডেচডিমোনাৰ পাপৰ কথা শুনি পবিত্ৰতাৰ প্ৰতীক তৰাবোৰৰ জেউতি নোহোৱা হৈ যাব। ডেচডিমোনাৰ স্নিগ্ধ কোমল শৰীৰ ক্ষতবিক্ষত কৰি তেওঁৰ তেজেৰে হাত ৰাঙলী কৰিবলৈ অথেলোই নিবিচাৰে। কিন্তু ডেচডিমোনা যে মৰিব লাগিব। নহলে যে তেওঁ আৰু বহুত পুৰুষক প্ৰবঞ্চনা কৰিব। জ্বলি থকা চাকিটিলৈ চাই অথেলোই ভাবিলে সেই চাকিটি নুমাই গ'লে তাক তেওঁ পুনৰ জ্বলাই তুলিব পাৰিব। কিন্তু হায়! সৌন্দৰ্যৰ অনুপম প্ৰকাশ; প্ৰকৃতিৰ অপূৰ্ব সৃষ্টি ডেচডিমোনাৰ জীৱন শলিতাগছি এবাৰ নুমাই গ'লে সেই জ্যোতি যে চিৰদিনলৈ হেৰাই যাব। ধুনীয়া গোলাপ পাহি চিঙি অনাৰ পিছত মৰহি যোৱাই স্বাভাৱিক, সেয়েহে তাৰ সৌন্দৰ্য গছতে উপভোগ কৰাই শ্ৰেয়। এই ভাবি, বিছনাৰ কাষত আঠুকাঢ়ি অথেলোই শুই থকা ডেচডিমোনাৰ গালেমুখে সানি দিলে বহুত চুমাৰ পৰশ। কি সুন্দৰ এই ডেচডিমোনা, যাৰ ওঁঠৰ পৰশত আছে অনিৰ্বচনীয় আনন্দৰ অনুভূতি। হয়তো এই পৰশে পাশৱিক নিষ্ঠুৰতাকো বশ কৰি পেলাব। কিন্তু নাই, অথেলোই সেইটো হবলৈ নিদিয়ে। ডেচডিমোনাক তেওঁ হত্যা কৰিব আৰু তাৰ পিছত ভাল পাব। অথেলোই কিন্তু এতিয়াও বুজিব পৰা নাই এই স্বৰ্গীয় সৌন্দৰ্যৰ মাজত ক'ত লোমাই আছে সেই কাল সৰ্পিনীৰ বিহ, যি বিহৰ জ্বালাত তেওঁৰ আজি সমগ্ৰ সত্তা জৰ্জৰিত হৈ পৰিছে। ওথেলো আৰু বৰ নোৱাৰিলে। দুই গালেদি তেওঁৰ চকুলো বাগৰি গ'ল। কিন্তু এই চকুৰ পানীয়ে জানো তেওঁৰ পাষাণ হৃদয় গলাব পাৰিব। তেওঁৰ এই চকুলো হয়তো ভগবানৰ অবোধ্য মহিমাৰেই লীলা; ভগবানে জানো তেওঁৰ অতি প্ৰিয়জনবো শাস্তিবিধান নকৰে।

এনেতে ডেচডিমোনাই লাহে লাহে চকু মেলা দেখি অথেলোৱে সংযত হবলৈ চেষ্টা কৰিলে। অথেলোক দেখা পাই ডেচডিমোনাই তেওঁক শয্যালৈ আমন্ত্ৰণ জনালে। কিন্তু অথেলোই ডেচডিমোনাক সুধিলে তেওঁৰ সেই নিশাৰ প্ৰাৰ্থনা কৰা হ'ল নে নাই।

: ওঁ, কৰিলোঁ।

: অতীতৰ কোনো কুকৰ্মৰ বাবে ভগবানৰ ক্ষমা বিচাৰি যদি তুমি এতিয়াও প্ৰাৰ্থনা কৰা নাই, আৰু পলম নকৰিবা, প্ৰাৰ্থনা কৰা।

: কিন্তু কিয় ! তুমি কি কব খুজিছা ?

: মই ঠিকেই কৈছোঁ। তুমি প্ৰাৰ্থনা কৰা, কিন্তু চমুকৈ, মই অপেক্ষা কৰিম। অনুশোচনাৰদ্বাৰা পবিত্ৰ হোৱাৰ আগেয়ে হত্যা কৰি তোমাৰ আত্মাক ভগৱানৰ কৃপাৰপৰা বঞ্চিত কৰাৰ অভিশাপ মই নিবিচাৰোঁ।

: মোক হত্যা কৰাৰ কথা কৈছা।

: ওঁ তাকেই কৈছোঁ।

: তেন্তে হে ভগৱান ! মোক কৃপা কৰা।

: সৰ্বান্তঃকৰণেময়ো কৈছোঁ—সেয়ে হওক।

: তুমিও যদি তাকেই কামনা কৰা, মোক হত্যা নকৰা নিশ্চয়।

: ওঁ ?

অথেলোৰ চেহেৰাই ভয়াবহৰূপ ধাৰণা কৰিলে, চকুৱে মুখে স্পষ্টভাৱে হিংস্ৰতাৰ চিন ফুটি উঠিল। তলৰ ওঁঠটো কামুৰি ধৰি উত্তেজনাত তেওঁ কঁপিবলৈ ধৰিলে, অথেলোৰ এই ভীষণ মূৰ্তি দেখি ডেচডিমোনাৰ অন্তৰ কঁপি উঠিল।

: মোৰ যে ভীষণ ভয় লাগিছে। নাজানো ইয়াৰ কাৰণ কি ? মইতো কোনো দোষ কৰা নাই। তথাপি মোৰ ভয় লাগিছে।

: তোমাৰ পাপ কাৰ্যৰ কথা মনত পেলোৱা।

: তোমাৰ প্ৰতি থকা ভালপোৱাই মোৰ একমাত্ৰ পাপ !

: আৰু আৰু সেই কাৰণেই তুমি মৰিব লাগিব।

অথেলোই পুনৰ কলে,

: মই তোমাক উপহাৰ দিয়া মোৰ সেই প্ৰিয় কমালখনি তুমি কেচিঅ'ক দিছিলা।

: মিছা কথা, মই শপত খাই কৈছোঁ, কেচিঅ'ক মাতি পঠিওৱা। তেওঁক সুধি চোৱা।

: আৰু মিছা নামাতিবা ডেচডিমোনা। তুমি তোমাৰ মৃত্যু শয্যাত।

: কিন্তু মই এতিয়াই নমৰোঁ নিশ্চয়।

: ওঁ, এতিয়াই, এই মুহূৰ্ততে। সেই কাৰণেই মই কৈছোঁ। স্ব-ইচ্ছাই তোমাৰ কুকাৰ্যৰ কথা স্বীকাৰ কৰা। নিৰ্দোষ প্ৰমাণ কৰিবলৈ বৃথা

চেষ্টা নকৰিবা। তোমাৰ কোনো কথাই, কোনো শপতেই মোৰ চকুত তোমাক দোষমুক্ত কৰিব নোৱাৰে।

: হে ভগৱান মোক দয়া কৰা।

: সেয়ে হওক।

: তেন্তে তুমিও মোক দয়া কৰা। সহানুভূতি আৰু সামান্য মৰমৰ বাহিৰে মই কেচিঅ'ৰ প্ৰতি কাহানিও কোনো অনুৰাগ দেখুওৱা নাই। তেওঁক মই কোনো উপহাৰ দিয়া নাই।

: মই কমালখন তেওঁৰ হাতত দেখা পাইছোঁ। মিছলীয়া নাৰী। তোমাৰ এই অস্বীকাৰে মোৰ মন পাষাণৰ দৰে কঠিন কৰি তুলিছে। সাধাৰণ হত্যাকাৰীৰ দৰে মোৰ অন্তৰ ঘৃণাৰে ভৰাই দিছে। কিন্তু মই যি কাৰ্যৰ বাবে প্ৰস্তুত হৈছোঁ সেয়া সাধাৰণ হত্যাকাণ্ড নহয়। সি হব ধৰ্মৰ বেদীত ন্যায়ৰ পূজাৰীৰ এক মহান উচৰ্গা। মই কেচিঅ'ৰ হাতত কমালখন দেখা পাইছোঁ।

: তেন্তে তেওঁ কেনেবাকৈ সেইখন পাইছে। মই কেতিয়াও তেওঁক দিয়া নাই। তেওঁক মাতি আনা। তেওঁ স্বীকাৰ কৰক।

: তেওঁ স্বীকাৰ কৰিছে।

: স্বীকাৰ কৰিছে! কি স্বীকাৰ কৰিছে?

: তোমাৰ সৈতে তেওঁৰ সম্পৰ্ক।

: অবৈধ সম্পৰ্ক?

: ঠিক সেয়েই।

: এই কথা কেতিয়াও তেওঁ কব নোৱাৰে।

: নিশ্চয় নোৱাৰে, তেওঁৰ মুখ চিৰদিনৰ বাবে বন্ধ হৈ গৈছে। ইয়াগোই ইতিমধ্যে মোৰ আদেশ পাইছে।

: উস্! মোৰ শঙ্কা তেন্তে সঁচা? কেচিঅ'ৰ তেন্তে সঁচাকৈয়ে মৃত্যু হৈছে?

: তাৰ প্ৰতিডাল চুলিবপৰাও যদি এটা এটা কেচিঅ'ৰ জন্ম হ'লহেঁতেন, সিহঁতো মোৰ কোপাগ্নিত পুৰি ছাই হৈ গ'লহেঁতেন।

: মিছা, মিছা এই অপবাদ। ই কেৱল কেচিঅ'কেই সৰ্বনাশ কৰা নাই, মোকো ধ্বংস কৰি দিছে।

: মনে মনে থাক ব্যভিচাৰিণী। মোৰ সম্মুখত কেচিঅ'ৰ কাৰণে চকুপানী টুকিবলৈ লাজ লগা নাই ?

: উস্! মোক নিৰ্বাসন দিয়া, কিন্তু হত্যা নকৰিবা ;

: আজি নিশাটোৰ বাবে মোক জীৱন দান দিয়া। মোক কালিলৈ হত্যা কৰিবা।

: অসম্ভৱ। যদি বাধা……।

: মাত্ৰ আৰু আধাঘণ্টা মোক জীয়াই থাকিবলৈ দিয়া।

: শেষ সিদ্ধান্ত লোৱা হৈ গৈছে ; তাৰ অন্যথা নহব।

: তেন্তে অলপ অপেক্ষা কৰা। মোক প্ৰাৰ্থনাৰ কাৰণে সময় দিয়া।

: আৰু সময় নাই।

অথেলোই আৰু পলম নকৰি ক্ষুব্ধ পশুৰ হিংস্ৰতাৰে ডেচডিমোনাৰ ডিঙিত সজোৰে চেপি ধৰিলে।

বাহিৰত এনেতে শুনা গ'ল এমিলিয়াৰ কণ্ঠস্বৰ। তেওঁ আহিছিল সেই নৈশ-সন্তৰ্ষৰ বাতৰি জনাবলৈ যাৰ ফলত ৰজাৰিগোৰ মৃত্যু হৈছে আৰু কেচিঅ' মাৰাত্মকভাৱে আহত হৈছে। ডেচডিমোনাৰ নিশ্চল দেহটো বিছনাতে এৰি অথেলোই দুৱাৰ খুলি দিলে, আৰু এমিলিয়াই ঘটনাৰ সবিশেষ অথেলোক জনালে। এনেতে হঠাৎ ডেচডিমোনাৰ যন্ত্ৰণাকাতৰ চিঞৰ শুনি এমিলিয়া উচপ খাই উঠিল। ডেচডিমোনাক দেখাৰ লগে লগে ভয় আৰু বিস্ময়ত এমিলিয়া বিবৰ্ণ হৈ গ'ল, আৰু মৃত্যুমুখী ডেচডিমোনাক সাৱটি ধৰি চিঞৰি উঠিল—"উস্! কথা কোৱা, তুমি কথা কোৱা। কোন ক'ত আছা আহা, মোক সহায় কৰা। চেনেহৰ ডেচডিমোনা, কোৱা, কথা কোৱা, কোনে এই কাম কৰিলে ?" সেহাই সেহাই ডেচডিমোনাই কলে—"মই নিজেই কৰিছোঁ। এমিলিয়া, বিদায়। স্বামীক মোৰ প্ৰেম সম্ভাষণ জনাবা। বিদায়।" ডেচডিমোনাৰ কণ্ঠস্বৰ বন্ধ হৈ গ'ল, তেওঁৰ নিষ্প্ৰাণ দেহটো বিছনাতে পৰি ৰ'ল। অথেলোই সুধিলে—"এইটো কেনেকৈ সম্ভৱ হ'ল ?"

: কোনে কব সেই কথা ?

: ডেচডিমোনাই স্বীকাৰ কৰিছে যে এই কাম তেওঁ নিজেই কৰিছে। মই দোষী নহয়।

: সেই কথাকে নিশ্চয় সঁচা বুলি গ্ৰহণ কৰিব লাগিব।

: মিছা, একেবাৰে মিছা, আৰু এই মিছা কোৱাৰ ফলত ডেচডিমোনা নৰকৰ জুইত চট্‌ফটাই মাৰিব। তেওঁক মই হত্যা কৰিছো।

: তুমি হত্যা কৰিছা? মৃত্যুশয্যাতো তেন্তে ডেচডিমোনাই তেওঁৰ মহত্ব প্ৰকাশ কৰি গ'ল; আৰু প্ৰমাণ কৰিলে এই দেৱবালাৰ দৰে পৱিত্ৰ নাৰীৰ স্বামী হোৱাৰ অযোগ্য তুমি এক নিষ্ঠুৰ নৰপিশাচ।

: ডেচডিমোনা ধৰ্মচ্যুতা, অসতী।

ইয়াৰ পিছত অথেলোই কলে যে পাপৱৰ্ত্তাৰাই ডেচডিমোনাই তেওঁৰ সৰ্বনাশ মাতি আনিলে। তেওঁ কৈ গ'ল কেচিঅ'ৰ সৈতে ডেচডিমোনাৰ অবৈধ সম্পৰ্কৰ কথা আৰু সেই ৰুমালখনৰ কাহিনী। এমিলিয়াৰ আৰু বুজিবলৈ বাকী নাথাকিল এই অমানুষিক হত্যাকাণ্ড কি ভীষণ ষড়যন্ত্ৰৰ ফল। মনৰ দুখত তেওঁ এই নিষ্ঠুৰ কাৰ্যৰ কাৰণে তীব্ৰ গৰিহণা দিবলৈ ধৰিলে। মাজনিশা অথেলোৰ কক্ষত এই কোলাহল শুনি মণ্টানো, গ্ৰেচিয়ানো আৰু ইয়াগো আহি তাত উপস্থিত হ'ল। তেওঁলোক আচৰিত হ'ল: এই বীভৎস দৃশ্য যে তেওঁলোকৰ কল্পনাৰো অতীত আছিল। এমিলিয়াৰ কাৰণে কিন্তু ই অমূলক বেজাৰৰ সময় নহয়। তেওঁ যি জানে আজি সকলো কব, তেওঁ কবই লাগিব। সমগ্ৰ জগতক তেওঁ আজি মুক্ত কণ্ঠে চিঞৰি চিঞৰি জনাই দিব মানুহৰ শঠতা কিমান নিষ্ঠুৰ কিমান ভয়াবহ, আৰু কিমান ঘৃণনীয় হব পাৰে। এমিলিয়াই সেই ৰুমালখনৰ কথা সবিশেষ বিবৰি কোৱাৰ লগে লগে ইয়াগোই চিঞৰি উঠিল "মিছা, সকলো মিছা।" কিন্তু এমিলিয়াই তীব্ৰ প্ৰতিবাদৰ সুৰত কলে যে তেওঁ এবাৰো মিছা কথা কোৱা নাই আৰু তেওঁ যি কৈছে সি সম্পূৰ্ণ সত্য। ইয়াগোৰ মুখা সুলকি পৰিল। তেওঁৰ প্ৰকৃত স্বৰূপ প্ৰকাশ হৈ গ'ল আৰু লগে লগে তেওঁৰ তৰোৱালৰ আঘাতত এমিলিয়া বাগৰি পৰিল। অকণো পলম নকৰি ইয়াগোই ভাবপৰা প্ৰস্থান কৰিলে। কিন্তু সেই দৰে পলাই যোৱা দেখা পাই মণ্টানোই তেওঁৰ পাছ ললে।

আনফালে অথেলোৰ অপৰাধ বোধে তেওঁৰ মনত তীব্ৰ সংঘাতৰ সৃষ্টি কৰিলে। জীৱন কিমান নিষ্ঠুৰ, সংসাৰ কিমান জটিল অথেলোই বুজিলে, কিন্তু তেওঁৰ বহুত পলম হৈ গ'ল। ইয়াগোৰ দৰে এটা পিশাচক বিশ্বাস কৰি মানসিক অন্ধতাৰ জাল হৈ তেওঁ যি মহাভুল কৰি পেলালে, তাক সুঁৱৰি তীব্ৰ অনুশোচনাত বিব্ৰত অথেলো এক বিকট চিঞৰ মাৰি ডেচডিমোনাৰ মৃতদেহৰ কাষত বাগৰি

পৰিল। ডেচডিমোনাৰ নিষ্প্ৰাণ হিমচেঁচা দেহাটোত হাত দি অথেলো জিকাৰ খাই উঠিল—কি কুক্ষণত যে এই পবিত্ৰমনা নাৰীৰ জন্ম হৈছিল! তেওঁ অনুভৱ কৰিলে চাৰিওফালৰপৰা এক ভয়াবহ শূন্যতাই যেন তেওঁক গ্ৰাস কৰিবলৈ খেদি আহিছে। তেওঁ কলৈ যাব, কাৰ ওচৰত তেওঁ আজি আশ্ৰয় লব? তেওঁৰ সকলো শক্তি, সকলো দম্ভ আজি শেষ হৈ গৈছে; তেৰেঁা যেন জীৱনৰ শেষ সীমাত আহি উপনীত হৈছে। সঁচাকৈয়ে ভাগ্যক নিয়ন্ত্ৰণ কৰা শক্তি কাৰ আছে? পগলাৰ দৰে চিঞৰি চিঞৰি অথেলোই কলে তেওঁৰ সেই অভিশপ্ত জীৱন যেন প্ৰকৃতিৰ দুৰ্যোগৰ মাজত নিঃশেষ হৈ যায়; অন্ধকাৰ প্ৰদেশৰ জলন্ত কুণ্ডত পৰি জীয়াই থাকিও যেন তেওঁ মৰণ জীয়াতু ভোগে।

এনেতে বন্দী ইয়াগোক লৈ লডোভিকো আৰু মণ্টানো আহি প্ৰবেশ কৰে, আৰু আহত কেচিঅ'কো তালৈকে অনা হয়। ইয়াগোক দেখা পাই অথেলো আৰু বৰ নোৱাৰিলে; শোক আৰু ঘৃণাত অস্থিৰ হৈ তেওঁক তৰোৱালেৰে আঘাত কৰিলে। কিন্তু নিৰ্বিকাৰভাৱে অৱজ্ঞাৰ সুৰত ইয়াগোই কলে, "মই আহত, কিন্তু এতিয়াও জীৱিত।" অথেলোই উত্তৰ দিলে, "সেইবাবে মোৰ কোনো আক্ষেপ নাই। এই জীয়াই থকাটোকে মই বিচাৰেঁা। কাৰণ মৃত্যু তোৰ বাবে হব শান্তি।" তাৰ পিছত অথেলোই মণ্টানো, লডোভিকো আদিৰ ফালে চাই কলে যে তেওঁলোকে তেওঁক যি ইচ্ছা তাকেই কব পাৰে, "মোক হয়তো হত্যাকাৰী বুলিব পাৰা। কিন্তু এই হত্যাকাণ্ডই মোৰ মৰ্যাদা ক্ষুণ্ণ কৰিলে বুলি যেন নাভাবা। মই কোনো ঘৃণা বা হিংসা ভাব পূৰণৰ কাৰণে এই কাম কৰা নাই, কৰিছোঁ মোৰ আত্মসম্মান অক্ষুণ্ণ ৰাখিবৰ কাৰণে।" তেওঁ স্বীকাৰ কৰিলে যে কেচিঅ'ক হত্যা কৰিবলৈ কৰা ষড়যন্ত্ৰত তেৰেঁা যোগ আছিল বুলি ইয়াগোই কোৱা কথা সঁচা আৰু কিয় তেওঁ এই কাম কৰিছিল তাৰ উত্তৰ ইয়াগোৰপৰা বিচৰাই শ্ৰেয়। কিন্তু ইয়াগোই অথেলোৰ এই কথা শুনি কলে, "মোক আৰু কোনো কথা নুসুধিবা। তোমালোকতকৈ বেছি মই একো নাজানো। এতিয়াৰপৰা মই আৰু কোনো কথাই নকওঁ।"

কিন্তু ইয়াগোই কোৱাৰ আৱশ্যক নহ'ল। ৰডাৰিগোৰ হাতত পোৱা দুখন চিঠিয়ে ইয়াগোৰ অপৰাধ সুন্দৰভাৱে প্ৰমাণ কৰিলে। চাইপ্ৰাচৰ নৱনিযুক্ত শাসক কেচিঅ'ক ইয়াগোৰ শাস্তি বিধানৰ ভাৰ দি অথেলোক ভেনিচলৈ নৈ যোৱাৰ সিদ্ধান্ত কৰা হ'ল। এই কথা শুনি অথেলোই কলে—"ধৰক অলপ

কথা। মোৰ কিছু কব লগা আছে। অথেলোই তেওঁলোকক কলে, তেওঁ তেনিচক কিমান ভাল পাইছিল, আৰু কেনে দৰে তেনিচৰ সেৱাত আত্মনিয়োগ কৰিছিল সেই বিষয়ে বহলাই কোৱাৰ প্ৰয়োজনবোধ তেওঁ নকৰে, কাৰণ সেই কথা সকলোৱে জানে; কিন্তু এই শোকাবহ কাহিনী যেতিয়া তেওঁলোকে তেওঁলোকৰ টোকাত বৰ্ণনা কৰিব, অথেলোৰ চৰিত্ৰৰ প্ৰকৃত ৰূপটো দাঙি ধৰিবলৈ যেন তেওঁলোকে চেষ্টা কৰে। তেওঁৰ দোষ আৰু গুণ একোৱেই যেন অতিৰঞ্জিত কৰি দেখুওৱা নহয়, আৰু ঘৃণাত যেন কোনো কথাই লিখা নহয়। অথেলোক তেওঁলোকে এনেদৰে সোঁৱৰাটো তেওঁ বিচাৰে যে তেওঁ স্বভাৱতে ঈৰ্ষা পৰায়ণ নাছিল, কিন্তু ঈৰ্ষাৰ জুই তেওঁৰ অন্তৰত জ্বলাই তুলিলে। মৃত্যুৰ চৰম সীমাত উপনীত হোৱা তেওঁ এনে এজন মানুহ যি জ্ঞানীৰ দৰে নহলেও পৰম আন্তৰিকতাৰে ভাল পাব জানিছিল, আৰু যি অজ্ঞতাৰ আন্ধাৰৰ মাজত বাস কৰা আদিবাসীৰ দৰে তেওঁৰ জাতিৰ গৌৰৱতকৈ শ্ৰেষ্ঠ এক বস্তু তাৰ প্ৰকৃত মূল্য নুবুজি দলিয়াই পেলালে। ইয়াকে কৈ সকলোৰেপৰা বিদায় লৈ নিজৰ বুকুত তৰোৱাল বহুৱাই দি অথেলো ডেচডিমোনাৰ মৃতদেহৰ কাষত বাগৰি পৰিল।



# মেকবেথ

নৈতিক দুৰ্বলতা আৰু সংযমহীনতাৰ প্ৰবল চাকনৈয়াত হেৰাই যোৱা এক অভিশপ্ত জীৱনৰ ৰহস্যময় সৌন্দৰ্য আৰু কাৰুণ্যৰ এক অনন্য কাব্যিক ৰূপান্তৰ চেক্সপীয়েৰৰ 'মেকবেথ' নাটকখনি। ঘনীভূত আন্ধাৰৰ ৰহস্যাবৃত পৰিবেশত আমি দেখা পাওঁ গ্লামিচৰ অধিপতি, স্কটলেণ্ডৰ ৰজা ডানকানৰ আত্মীয় আৰু বিশ্বাসভাজন সেনানায়ক মেকবেথৰ উদ্দাম বাসনা আৰু নাৰকীয় পাপৰ শোকাবহ পৰিণতি। কদৰ্য চেহেৰাৰ তিনিজনী ডাইনীৰ উপস্থিতিয়ে নাটকখনিৰ প্ৰথম দৃশ্যতে এই অদ্ভুত পৰিবেশ সৃষ্টি কৰিছে। সিহঁতৰ আৱিৰ্ভাব হৈছে এক মুকলি পথাৰত বিজুলীৰ চিকমিকনি আৰু মেঘৰ গাজনিৰ মাজত। জৰাজীৰ্ণ শৰীৰ, অদ্ভুত পৰিচ্ছেদ, নিস্তেজ আঙুলি আৰু শুকান ওঁঠৰ সেই ডাইনী কেইজনী দেখাত তিৰোতা যেন লাগিলেও সিহঁতৰ মুখত দাড়ি আছে। সিহঁত মানুহৰ চকুৰে নমনা অথচ এই ৰহস্যময় প্ৰকৃতিৰ বুকুৰে কোনোবা এন্ধাৰ দেশৰ অধিবাসী, পাপ আৰু ব্যভিচাৰৰ সহচৰী, দুৰ্যোগ আৰু অমঙ্গলৰ বাৰ্তাবাহী। কৰ্কশ স্বৰত সমবেত কণ্ঠেৰে সিহঁতে গাইছে—"সুন্দৰেই বীভৎস, বীভৎসই সুন্দৰ।" সিহঁতৰ এই উক্তিৰ মাজত লুকাই আছে আগন্তুক অমঙ্গলৰ গোপন ইঙ্গিত।

ৰজা ডানকানৰ বিৰুদ্ধে কাউদাৰৰ অধিপতিয়ে নৰওৱেৰ ৰজা চুৱেনোৰ সহযোগত কৰা বিদ্ৰোহ দমনৰ কঠোৰ দায়িত্ব মেকবেথে তেওঁৰ বন্ধু আৰু স্কটলেণ্ডত সৈন্যবাহিনীৰ অন্যতম অধিনায়ক বেঙ্কোৰ সাহায্যত সুখ্যাতিৰে সম্পাদন কৰে। মেকবেথৰ গুণমুগ্ধ ৰজা ডানকান তেওঁৰ বিশ্বস্ত সেনানায়কৰ বীৰত্ব আৰু ৰাজভক্তিৰ প্ৰশংসাত শতমুখ। বিদ্ৰোহী কাউদাৰৰ ঠাইত মেকবেথক কাউদাৰ অধিপতিৰ সন্মান প্ৰদান কৰিলে। ডানকানে ৰচ আৰু আঙ্গাচ নামৰ দুজন বিষয়াক এই সুসংবাদ মেকবেথক জনাবলৈ আদেশ দিলে আৰু নিজে আগ্ৰহেৰে মেকবেথৰ প্ৰত্যাবৰ্তনলৈ বাট চাই ৰ'ল।

তেওঁলোকৰ অপূৰ্ব সামৰিক সফলতাৰ পিছত মেকবেথ আৰু বেঙ্কো মৰুময় জনশূন্য পথাৰৰ মাজে মাজে ৰাজধানী অভিমুখে আগবাঢ়ে। পথাৰখনৰ চাৰিওকালে সিঁচৰিত হৈ পৰা অস্তগামী সূৰ্যৰ হেঙুলীয়া পোহৰত জিলিকি

উঠিছে সৰু সৰু দুই এটা গছৰ জোপা আৰু পাহাৰীয়া শিলাখণ্ড। বজ্ৰাহত ভাঁহি ফুৰা ধূলিকণাবোৰে সৃষ্টি কৰা কুহেলিকাময় পৰিৱেশত যেন কিবা এক অবুজ বিমৰ্ষতা আৰু ভয়ৰ ভাব ফুটি উঠিছে। মেকবেথে হঠাৎ কৈ পেলাইছে যে এনে সুন্দৰ অথচ ভয়াবহ দিন আগেয়ে পোৱা তেওঁৰ মনত নপৰে। আমাৰ আকৌ মনত পৰে সেই আমাৰ কথাষাৰ "সুন্দৰেই বীভৎস, বীভৎসই সুন্দৰ" : আৰু তাৰ হয় যেন মায়াবিনী ডাইনী কেইজনীৰ লগত মেকবেথৰ মনৰ মাজত জীণ লোৱা পাপ প্ৰবৃত্তিৰ এক আবেগিক সমন্বয় গঢ় লৈ উঠিছে। এই অভিশপ্ত পথাৰখনৰ মাজতেই মেকবেথ আৰু বেঙ্কোৰ সন্মুখত পুনৰ সেই ডাইনী কেইজনীৰ আবিৰ্ভাৱ হয়। সিহঁতে মেকবেথক ক্ৰমে গ্লামিচ আৰু কাউডাৰৰ অধিপতি বুলি অভিবাদন জনালে, আৰু তাৰ পিছত মেকবেথে শুনিলে, "স্কটলেণ্ডৰ ভাবী ৰজা মেকবেথ, তোমাৰ জয় হওক।" কিবা এক অবুজ অনুভূতিত মেকবেথৰ সৰ্বশৰীৰ কঁপি উঠিল। তেওঁৰ মনৰ গভীৰ প্ৰদেশত নিহিত হৈ থকা বাসনাই যেন এই ভবিষ্যত বাণীৰ মাজেৰে আত্মপ্ৰকাশ লাভ কৰিছে। মন্ত্ৰমুগ্ধ সাপৰ দৰে মেকবেথ থৰ হৈ ৰ'ল।

অন্ধকাৰময় ভবিষ্যতৰ গৰ্ভত আলোকপাত কৰা এই উক্তিয়ে বেঙ্কোক বিস্মিত কৰি তুলিলে। তেওঁ জানে যে তেওঁ অন্ততঃ সেই ডাইনীহঁতৰ অনুগ্ৰহপ্ৰাৰ্থী নহয়। সিহঁতৰ কোপ দৃষ্টিয়ে তেওঁৰ কাৰণে ভয়ৰ কাৰণ হব নোৱাৰে। তথাপি তেওঁ সিহঁতক, তেওঁৰ ভবিষ্যত জীৱনৰ বিষয়েও শুনাবলৈ আহ্বান জনালে। ডাইনীয়ে বেঙ্কোক প্ৰতিশ্ৰুতি দিলে—মেকবেথৰ সমান ভাগ্যবান নহলেও তেওঁ মেকবেথতকৈ অধিক সৌভাগ্যৰ গৰাকী হব ; জীৱনত খুব সুখী হব নোৱাৰিলেও তেওঁ পৰম সুখী হব : আৰু নিজে ৰজা হব নোৱাৰিলে তেওঁৰ সতি-সন্ততিয়েহে হব স্কটলেণ্ডৰ ভবিষ্যত ৰাজমুকুটৰ গৰাকী। ভবিষ্যতে সৌভাগ্যৰ এই দুৰূহ আৰু অস্পষ্ট ইঙ্গিতে মেকবেথৰ অতৃপ্ত মনক আৰু বহুত কিবাকিবি জানিবৰ কাৰণে ব্যাকুল কৰি তুলিলে। উত্তেজিত হৈ মেকবেথে সেই ডাইনী কেইজনীৰ ওচৰত সিহঁতৰ ভবিষ্যত বাণীৰ সম্পূৰ্ণ ব্যাখ্যা বিচাৰি দাবী জনালে, সিহঁত কিন্তু মৌন হৈ ৰ'ল আৰু নিশ্বাস প্ৰবাহৰ দৰেই হঠাতে বতাহত লীন হৈ গ'ল। বেঙ্কোই ভাৱ কলে যে এই ডাইনী কেইজনী পানীৰ বুদবুদৰ দৰেই অলীক, এনে ঘটনাও জানো বাস্তৱত সম্ভৱ হব পাৰে। ই দুৰ্বল আৰু অলস মনৰ দুঃস্বপ্ন নহয়তো!

এই আশ্চৰ্যকৰ ঘটনাৰ লগে লগে অদূৰত দেখা গ'ল দুজন অশ্বাৰোহী। এওঁলোক আন কোনো নহয়, ৰাজআজ্ঞাত মেকবেথক কাউদাৰৰ অধিপতিৰ সন্মান প্ৰদান কৰিবলৈ অহা ৰচ আৰু অঙ্গাচ। তেওঁলোকৰ সংবাদত থেনৰ কাৰণে হলেও বেঙ্কোক আচৰিত কৰি দিলে। ডাইনীয়েও জানো সঁচা কব পাৰে! মেকবেথৰ চকুয়ে মুখে বিৰিঙি উঠিল, তৃপ্তি আৰু বিস্ময়ৰ ভাব। সুবিবেচক স্থিৰ মনা বেঙ্কোৱে তেওঁৰ বন্ধুক সোঁৱৰাই দিলে যে সেই ডাইনী কেইজনীৰ দৰে অমঙ্গলৰ সহচৰবিলাকে মানুহৰ অনিষ্ট সাধনৰ প্ৰতিশ্ৰুতিসমূহে বহুসময়ত সঁচা কথা কৈ যায়, আৰু সিহঁতৰ এই সোৱাদ লগা প্ৰতিশ্ৰুতিসমূহে বহুসময়ত মোহান্ধ মানুহক চৰম দুৰ্যোগৰ মাজলৈ লৈ যায়। কিন্তু মেক্‌বেথৰ বাবে এনে সাৰগৰ্ভ কথাও এই সময়ত অমূলক আৰু অবান্তৰ! তেওঁৰ মনত সিংহাসন লাভৰ আশাই ঢৌ খেলি গ'ল। গ্লামিচৰ অধিপতি মেকবেথৰ জীৱনলৈ হঠাৎ আহি পৰিল কাউদাৰৰ গৰাকী হোৱাৰ অভাৱনীয় সন্মান। ৰাজকীয় সন্মান আৰু গৌৰৱ লাভৰ এয়া সুস্পষ্ট ইঙ্গিত। হয়তো তেওঁৰ জীৱনৰ চৰম সৌভাগ্যৰ মুহূৰ্ত নিচেই ওচৰত।

মেক্‌বেথৰ কৰ্তব্যনিষ্ঠা আৰু ৰাজভক্তিত বিমোহিত হৈ ৰজা ডান্‌কানে সেইদিনা তেওঁক ৰাজপ্ৰাসাদত হিয়া উজাৰি সম্ভাষণ জনালে, আৰু লগতে ঘোষণা কৰিলে যে মেকবেথৰ সন্মানাৰ্থে তেওঁ সেইদিনা মেকবেথৰ প্ৰাসাদত আতিথ্য গ্ৰহণ কৰিব। উদাৰ ৰজা ডানকানৰ এই মহানুভৱতাক পৰিহাস কৰি কোনোবা দিগন্তত হয়তো নিয়তিয়ে অট্টহাস্য কৰিছিল। মেকবেথৰ মনত উমি উমি জ্বলিছে কামনাৰ জুই, আকাশৰ তৰাবোৰৰ উজ্জ্বল জ্যোতি যেন তেওঁ শেষ কৰি দিব, যাতে সিহঁতে তেওঁৰ পঙ্কিলতাময় হিয়াৰ অন্ধকাৰ কোণত আলোকপাত কৰিব নোৱাৰে। তেওঁৰ মনত এনে ভয়াবহ কল্পনাই ঠাই লৈছে যাৰ বাস্তৱ ৰূপান্তৰৰ কথা ভাবি তেওঁ নিজেই শিয়ৰি উঠিছে; আৰু সেই ভয়াবহ মুহূৰ্তৰ বাবে নিজকে প্ৰস্তুত কৰিবলৈ চেষ্টা কৰিছে।

মেক্‌বেথৰ প্ৰাসাদ এক শান্ত, সৌম্য মনোৰম পৰিবেশত অৱস্থিত। সেই সুন্দৰ প্ৰাসাদৰ চাৰিওফালে বলি থকা মৃদু মলয়াই এক মধুৰ মাদকতা ঢালি ফুৰিছে। নানা ধৰণৰ চৰায়ে সৰু সৰু বাহ সাজিছে আৰু সিহঁতৰ কলগুঞ্জনিয়ে গোটেই পৰিবেশটো মুখৰিত কৰি তুলিছে। সঁচাকৈয়ে এনে মাধুৰ্যপূৰ্ণ পৰিৱেশ যেন সৃষ্টিৰ সৌন্দৰ্য আৰু প্ৰজননৰ গৌৰৱৰে প্ৰকাশ। কিন্তু অন্তৰালত কি দুৰ্যোগ:

যে এনে সুন্দৰ পৰিবেশৰ মাজতো মেক্‌বেথৰ পত্নী লেডী মেকবেথ নিশ্চিত হৈছে যেন ডাইনীৰ শেষ প্ৰতিশ্ৰুতিও নিশ্চয় ফলিয়াব; ৰাজ সম্মান লাভৰ সৌভাগ্য তেওঁলোকৰ জীৱনলৈ নিশ্চয় আহিব। কিন্তু লেডী মেকবেথে জানে যে এই সৌভাগ্য তেওঁলোকৰ জীৱনলৈ ডানকানৰ মৃত্যুৰ মাজেৰেই আহিব লাগিব। অপৰিসীম মনোবলৰ গৰাকী আৰু নিজ-সঙ্কল্পত অবিচলিত লেডী মেক্‌বেথৰ মনত ইতিমধ্যে ৰজাক হত্যা কৰাৰ কল্পনাই ঠাই লৈছে। সেই নিশা ডানকানে তেওঁলোকৰ প্ৰাসাদৰ আতিথ্য গ্ৰহণ কৰাৰ কথা জানিব পাৰি সেয়েহে তেওঁ কৈ উঠিছে যে ডানকানৰ আৰু সূৰ্যোদয় দেখাৰ সৌভাগ্য নহব। অদূৰত চিঞৰি থকা কাউৰীজনীৰ কৰ্কশ স্বৰত তেওঁ শুনিছে ডানকানৰ জীৱনলৈ নামি অহা আগন্তুক সৰ্বনাশৰ সঙ্কেত। প্ৰকৃতিৰ অন্ধকাৰ ঠাইবোৰত বিচৰণ কৰা অপদেৱতাসমূহক লেডী মেকবেথে তেওঁৰ অন্তৰৰ নাৰীসুলভ কোমলতা আৰু দুৰ্বলতাৰ ঠাইত পাশবিক নিষ্ঠুৰতাৰ শক্তি পাবলৈ অনুৰোধ কৰিছে। লেডী মেকবেথে জানে যে বহু আকাঙ্ক্ষিত সৌভাগ্য লাভৰ পথত তেৱেঁই তেওঁৰ স্বামীৰ পথ প্ৰদৰ্শক হব লাগিব, মেক্‌বেথক সাহসৰ প্ৰেৰণা তেৱেঁই যোগাব লাগিব, কাৰণ মেক্‌বেথৰ উচ্চাকাঙ্ক্ষা যদিও আছে সেই উচ্চাকাঙ্ক্ষাক কাৰ্যত চৰিতাৰ্থ কৰিবলৈ প্ৰয়োজনীয় শক্তিক তেওঁ নিঃসঙ্কোচে আদৰি লব নোৱাৰে। মানবীয় অনুকম্পাৰ সুবিমল ধাৰা তেওঁৰ শিৰাই শিৰাই প্ৰবাহিত। ঐশ্বৰ্য আৰু সৌভাগ্য তেওঁ বিচাৰে, কিন্তু অন্যায়ৰ সহায়ত নহয়। সেইকাৰণেই মেক্‌বেথক তেওঁৰ পত্নীয়ে শিকাব লগা হৈছে সময়ক ছলনা কৰাৰ কৌশল। অৰ্থাৎ তেওঁলোকৰ মনৰ নিষ্ঠুৰতা আৰু কপটতাক সুকোমল ফুলৰ পাহিয়ে ঢাকি ৰখা কালসৰ্পৰ দৰে মুখৰ হাঁহি আৰু বাহ্যিক আন্তৰিকতাৰে বুৰাই ৰাখিব লাগিব।

আনহাতে মেক্‌বেথে নিজৰ স্বাৰ্থৰ মাজত তেওঁৰ পত্নীৰ দৰে এতিয়াও নিজক সম্পূৰ্ণৰূপে বিলাই দিব পৰা নাই, তেওঁৰ মনৰ মাজত উঠিছে নানাভাৱৰ জোৱাৰ। পাৰ্থিব জীৱনত কৰা পাপৰ বিচাৰ যে বহুসময়ত এই মাটিৰ পৃথিৱীতেই হৈ যায়, আৰু আনৰ জীৱন বিপন্ন কৰিবলৈ তৈয়াৰ কৰা বিষপাত্ৰ যে বহুসময়ত আমি নিজেই পান কৰিব লগীয়া হয় এই কথা মেক্‌বেথে উপলব্ধি কৰিছে। এনিশাৰ এটা হত্যাকাণ্ড [ঘোৰাই যে তেওঁৰ বাবে চিৰদিনৰ কাৰণে সিংহাসন সুৰক্ষিত কৰি থব জানেই বা প্ৰতিশ্ৰুতি ক'ত?

বৰ্তমানৰ সম্মান আৰু মৰ্যাদাৰ বিনিময়ত মেক্‌বেথে ভৱিষ্যতৰ গৌৰৱ বিচাৰি থোৱাটো কোনো ৰকমেই মানি লব পৰা নাই। ডানকানক হত্যা কৰিবলৈ কৰা ষড়যন্ত্ৰৰ একমাত্ৰ কাৰণ যে তেওঁৰ আকাশলঙ্ঘা উচ্চাকাঙ্ক্ষা সেইকথা মেক্‌বেথে নিজে নিজেই মানি লৈছে। কিন্তু কেৱল ৰজা আৰু আত্মীয় বুলিয়েই নহয়, সেই নিশাৰ কাৰণে তেওঁৰ ঘৰৰ সম্মানীয় অতিথি হিচাপে ৰজা ডানকানৰ নিৰাপত্তাৰ ভাৰ তেওঁৰ ওপৰতেই। তাৰ উপৰি ডানকান এজন প্ৰজাবৎসল ৰজা। উদাৰ ৰজা ডানকানৰ হত্যাৰ বিৰুদ্ধে প্ৰজাসাধাৰণৰ ধৰ্মচেতনাই বিদ্ৰোহৰ দাবানল জ্বলাই চৌতুলিব জানো! আৰু বিদ্ৰোহৰ সেই জুইয়ে হয়তো তেওঁকো মুহূৰ্ত্ততে পুৰি ছাই কৰি পেলাব। এই ভীষণ পৰিণামৰ কথা সুঁৱৰি মেক্‌বেথে ঠিক কৰি পেলালে যে সেই নিশাই তেওঁক ঘৰত অতিথি হিচাপে থাকোঁতে ডানকানক হত্যা কৰাৰ দৰে ভয়াবহ আৰু অন্যায় পথত তেওঁ এক খোজো অগ্ৰসৰ নহব।

লেডী মেক্‌বেথৰ অন্তৰ কিন্তু অন্য ধাতুৰে গঢ়া। লৌহ কঠিন হৃদয়ৰ গৰাকী লেডী মেক্‌বেথ নিজ লক্ষ্যত উপনীত হোৱাৰ পথত অবিচল। মেকবেথক গৌৰৱ আৰু সম্মানৰ শ্ৰেষ্ঠ আসনত অধিষ্ঠিত কৰাৰ আশাই তেওঁক অস্থিৰ কৰি তুলিলে। স্বামীৰ মঙ্গলৰ কাৰণে নাৰীত্বৰ দুৰ্বলতা আৰু মাতৃত্বৰ মহত্বকো পৰিহাৰ কৰি নিঃসঙ্কোচে নিষ্ঠুৰতাক সাৱটি লবলৈ তেওঁ প্ৰস্তুত। মেক্‌বেথৰ সঙ্কল্পৰ শিথিলতাক তেওঁ তীব্ৰ গৰিহণা দিলে। কাৰণ ই তেওঁৰ ভিৰুতাৰ পৰিচায়ক মাথোন, ৰাজমুকুটৰ দৰে উজ্জ্বল বস্তু হাতৰ মুঠিতে পাৱো হেৰাই যাবলৈ লেডী মেক্‌বেথে অন্ততঃ কেতিয়াও দিব নোৱাৰে। তেওঁৰ দৰে নিঃসঙ্কোচ আৰু দৃঢ়তাৰে কৰ্তব্য পথত আগবাঢ়ি যাবলৈ লেডী মেক্‌বেথে তেওঁৰ স্বামীক ওজস্বিনী, আবেগপূৰ্ণ ভাষাৰে আহ্বান জনালে। এই দৃঢ়মনা নাৰীৰ সন্মুখত মেক্‌বেথৰ সংযমৰ বান্ধ লাহে লাহে শিথিল হৈ পৰিল, আৰু সকলো শক্তি সঞ্চয় কৰি তেওঁ সেই ভয়াবহ মুহূৰ্ত্তৰ কাৰণে অপেক্ষা কৰি ৰ'ল।

ভ্ৰমণৰ ভাগৰত ক্লান্ত ৰজা ডানকানে নিজ কক্ষত গভীৰ নিদ্ৰাত মগ্ন। লেডী মেক্‌বেথৰ চক্ৰান্তত অত্যাধিক সুৰাপান কৰি অলস হৈ পৰা ৰজাৰ পা-ৰ্ষীয়া সেনা দুটাও ৰাজশয্যাৰ কাষতে শুই পৰিছে। মেক্‌বেথ আৰু লেডী মেক্‌বেথৰ আদৰ অভ্যৰ্থনাত আপ্যায়িত ডানকানৰ চকুৱে মুখে ফুটি উঠা তৃপ্তিৰ চিন এতিয়াও মাৰ যোৱা নাই। বাহিৰত ৰাজনিশাৰ গভীৰ অন্ধকাৰ।

জোনটো ইতিমধ্যে নোহোৱা হৈ গৈছে, আৰু তৰাবোৰৰ পোহৰো যেন লাহে লাহে ক্ষীণ হৈ পৰিছে। গভীৰ নিস্তব্ধতাৰ মাজত সময়ে সময়ে শুনা গৈছে কুকুৰৰ ভুকভুকনি আৰু ফেঁচাৰ কৰ্কশ চিঞৰ। অন্ধকাৰ প্ৰাসাদৰ চাৰিওফালে যেন মৰণৰ বিভীষিকাই নাচি উঠিছে ; বতাহত যেন ভাঁহি ফুৰিছে কাৰোবাৰ করুণ বিননি। এই অন্ধকাৰ ভয়াল পৰিবেশৰ মাজত জীপ্‌ লোৱা নৃশংস হত্যাকাণ্ডৰ কথা ভাবি পৃথিৱীও যেন হঠাৎ কঁপি উঠি আকৌ নিশ্চল হৈ পৰিছে। ৰাজ্যৰ ধৰণী ৰজাৰ আগন্তুক মৃত্যুত ফটলেওঁলৈ নামি অহা ব্যভিচাৰ আৰু বিশৃঙ্খলাৰ এয়া যেন আগলি বতৰা।

প্ৰাসাদৰ মজিয়াত অকলশৰে ঘূৰি ফুৰা মেক্‌বেথে এই সময়ত, পাপ, পূণ্য, বিবেক সকলো পাহৰি পেলাইছে। তেওঁৰ বাসনাই পৰিতৃপ্তিৰ পথ বিচাৰি তেওঁক আকুল কৰি তুলিছে। কিন্তু হঠাৎ তেওঁ জিকাৰ খাই উঠিল—তেওঁৰ সন্মুখত চেকুৱা চেকুৰ তেজ লাগি থকা এই চুৰিখন শূন্যতে ওলমি আছে কেনেকৈ! শূন্যতে ওলমি থকা সেই চুৰিখনে যেন তেওঁক ডানকান শুই থকা কোঠাৰ ফালে বাট দেখুৱাই লৈ যাব ধৰিছে। মানসিক চেতনা তেওঁৰ হেৰাই গৈছে নেকি? এয়া তেওঁৰ সপোন নে বাস্তব! মনৰ সকলো শঙ্কা দমন কৰি তেওঁ নিশ্চিত হৈছে যে এনে কোনো বাস্তৱ বস্তু থাকিব নোৱাৰে। হত্যাকাণ্ডৰ ভয়াবহ চিন্তাত উদ্‌ভ্ৰান্ত তেওঁৰ মনৰ ই অলীক সৃষ্টি মাথোন। চাৰিওফালৰ পৰিবেশটোৰ প্ৰতি তেওঁ এইবাৰ সজাগ হৈ উঠিল। নিস্তব্ধ গহীন নিশাৰ এই ভয়াল পৰিবেশটো তেওঁৰ খুব আপোন আপোন লাগিব ধৰিলে। এনে নিশাতেইতো ভয়াবহ সপোনে নিদ্ৰামগ্ন মানুহৰ মনত ত্ৰাসৰ সৃষ্টি কৰে, ডাইনী যোগীনীৰ উপাসকবিলাক ব্যস্ত হৈ পৰে আৰু নিঃশব্দে নীৰৱে মৃত্যুৱে প্ৰেতাত্মাৰ ৰূপ লৈ নিজ পথত অগ্ৰসৰ হয়। মেক্‌বেথো ঠিক সেই দৰেই ডানকানৰ কক্ষৰ ফালে আগবাঢ়িল ; কিজানিবা তেওঁৰ ভৰিৰ শব্দত শুই থকা পৃথিৱীখনৰ ধূলি আৰু শিলবোৰে সাৰ পাই উঠি এই ভয়াবহ নিৰ্জনতা ভঙ্গ কৰি দিয়ে।

লাহে লাহে মেক্‌বেথে ৰজাৰ শয়নকক্ষত প্ৰৱেশ কৰিলে আৰু খন্তেক পিছতেই বৃদ্ধ ৰজা ডানকানৰ জীৱনজ্যোতি নিৰ্বাপিত হৈ গ'ল, কিন্তু এই হত্যাকাণ্ডৰ প্ৰায় লগে লগে মেক্‌বেথে যেন শুনিলে ৰজাৰ গা ৰখীয়াৰ এটাই টোপনিতে হাঁহিছে। আৰু আনটোৱে চিঞৰি উঠিছে, "হত্যা!" ইয়াৰ পিছত দুয়োটাই টোপনিৰপৰা উঠি ভগৱানৰ প্ৰতি যেন প্ৰাৰ্থনা জনাইছে।

এটাই কৈ উঠিছে, "আমাৰ প্ৰতি ভগৱান সদয় হওক ; লগে লগে আনটোৱে কৈছে, "সেয়ে হওক।"

কৃতঘ্নতা আৰু বিশ্বাস ঘাটকতাৰ জঘন্য পাপৰ বোকাত লুতুৰি-পুতুৰি হৈ মেক্‌বেথৰ অন্তৰআত্মাও যেন আশীৰ্বাদ বিচাৰি ব্যাকুল হৈ পৰিল। লগে লগে তেৱোঁ কব বিচাৰিলে, সেয়ে হওক। কিন্তু নোৱাৰিলে, কোনোবাই যেন তেওঁৰ ডিঙিত চেপি ধৰিছে আৰু তেওঁৰ কণ্ঠস্বৰ ডিঙিত লাগি ধৰিছে। পিছ মুহূৰ্তত মেক্‌বেথে শুনিলে কোনোবাই যেন চিঞৰিছে, "নিদ্ৰা পৰিহাৰ কৰা, টোপনিৰপৰা উঠা, গ্লামিচৰ অধিপতি মেক্‌বেথে টোপনিক হত্যা কৰিলে, কাউদাৰৰ অধিপতি মেক্‌বেথ আৰু কাহানিও শুব নোৱাৰিব।" এই শব্দ যেন প্ৰাসাদৰ বেৰবিলাকত প্ৰতিধ্বনিত হৈ উঠিছে। এয়া যেন নৃশংস পাপত অস্থিৰ হৈ পৰা তেওঁৰ আত্মাৰে কণ্ঠস্বৰ। এই ঘৃণনীয় হত্যাকাণ্ডৰদ্বাৰা মেক্‌বেথে সিংহাসন হয়তো পাব, কিন্তু মানুহৰ ভাৰাক্ৰান্ত হৃদয়ৰ শেষ আশ্ৰয়, মানসিক চিন্তা আৰু ক্লান্তিৰ উপশম আনি দিওঁতা শান্তিময় টোপনিৰ আশীষ যে তেওঁ চিৰদিনলৈ হেৰুৱাব। মেক্‌বেথৰ সৰ্বশৰীৰ কঁপি উঠিল, মুখ ডিঙি শুকাই গ'ল ; কিবা এক বিষাক্ত বিহে যেন তেওঁক শুহি শুহি নিঃশেষ কৰি দিব খুজিছে আৰু এক মুহূৰ্তও তেওঁ সেই কক্ষত ৰব নোৱাৰিলে।

বাহিৰত উৎকণ্ঠিত চিত্তে বাট চাই আছিল লেডী মেক্‌বেথ। সময়ৰ উত্তেজনাত নিজকে পাহৰি পেলোৱা মেক্‌বেথক তেওঁ পূৰ্ব পৰিকল্পনামতে হাতৰ চুৰিখন শুই থকা সেনাদ্বয়ৰ কাষত থৈ সিহঁতৰ হাতবোৰত তেজ সানি দি আহিবলৈ নিৰ্দেশ দিলে। কিন্তু ভয়ত কাতৰ হৈ পৰা মেক্‌বেথে সেই অভিশপ্ত কক্ষত পুণৰ প্ৰবেশ কৰাৰ সাহস হেৰুৱাই পেলাইছে। লেডী মেক্‌বেথে তেওঁৰ স্বামীৰ দায়িত্বৰ প্ৰতি পৰান্মুখতাক তীব্ৰ নিন্দা কৰি মেক্‌বেথৰ হাতৰপৰা চুৰিখন কাঢ়ি নি নিজেই সেই কাম সমাধা কৰিলে। কিন্তু মেক্‌বেথৰ মনৰ অৱস্থা লাহে লাহে আৰু বেছি অস্থিৰ হৈ পৰিল। এইমাত্ৰ ঘটিযোৱা হত্যাকাণ্ডৰ ভয়াবহতাৰ মাজত তেওঁ ক্ৰমাৎ হেৰাই যাব ধৰিলে। ডানকানৰ কেঁচা তেজেৰে ৰঙলী হৈ পৰা হাত দুখন চকুত পৰাত মেক্‌বেথে হঠাৎ নিজেকে খুব অসহায় যেন অনুভৱ কৰিলে। তেওঁৰ পাপৰ স্মৃতিমণ্ডিত সেই ৰঙা তেজ হয়তো মহাসাগৰৰ পানীয়েও ধুই নিকা কৰিব নোৱাৰে। সাগৰৰ নীলা জলৰাশিকো সেই তেজে হয়তো ৰঙা কৰিহে তুলিব।

কিন্তু লেডী মেকবেথে নিৰ্বিকাৰভাৱে স্বামীক সোঁৱৰাই দিলে যে তেওঁৰ হাত যদিও সেই তেজেৰেই ৰঞ্জিত, মেকবেথৰ দৰে ভীৰুতাক প্ৰশ্ৰয় দিবলৈ তেওঁ লজ্জাবোধ কৰিছে। তেওঁৰ মতে মাথোন অলপমান পানীয়েই সেই তেজৰ চেকা ধুই তেওঁলোকৰ কামৰ সকলো চিন্ নাইকিয়া কৰি দিব। মেকবেথে কিন্তু তথাপি ভাবিছে যে তেওঁৰ চেতনাশক্তি থাকে মানে সেই কদৰ্য হত্যাকাণ্ডক তেওঁ সহজভাৱে গ্ৰহণ কৰিব নোৱাৰিব।

এই ভয়ানক হত্যাকাণ্ডই সকলোৰে অন্তৰত গভীৰ শোক আৰু ভয়ৰ ভাব জগাই তুলিলে। মেকবেথ আৰু লেডী মেকবেথে সুন্দৰ অভিনয় কৰি গ'ল। ৰজাৰ শৰীৰৰক্ষী সেনা দুটাৰ ওপৰত স্বাভাৱিকতেই সকলোৰে সন্দেহ হ'ল; আৰু মেকবেথেও সিহঁতক অপৰাধী বুলি প্ৰাণদণ্ডেৰে দণ্ডিত কৰিলে। আনহাতে ডানকানৰ দুই পুত্ৰ মেলকম আৰু ডনালবেইনে এক ভয়াবহ ষড়যন্ত্ৰৰ কথা ভাবি ৰাজ্য এৰি পলাই গ'ল। ৰাজ্যৰ প্ৰকৃত উত্তৰাধিকাৰীৰ অনুপস্থিতিত মৃতৰজাৰ আত্মীয় আৰু স্কটলেণ্ডৰ সন্মানিত ব্যক্তি হিচাপে মেকবেথেই সৰ্বসম্মতিক্ৰমে ৰাজ্যৰ ৰজা নিৰ্বাচিত হ'ল। অৱশেষত ডাইনীৰ ভৱিষ্যতবাণী আখৰে আখৰে ফলিয়ালে।

মেকবেথ ৰজা হ'ল। কিন্তু তেওঁৰ মনত শংকা বাঢ়িল। অতীতৰ স্মৃতিবোৰ প্ৰেতাত্মাৰ দৰে যেন তেওঁৰ পাছে পাছে ঘূৰি ফুৰিবলৈ ধৰিলে। ভয়লগা সপোনে প্ৰতি নিশাই তেওঁৰ হৃদয় কঁপাই তোলে। তেওঁৰ মনৰ শান্তি এনেদৰে হেৰুৱাই পেলালে যে মৃত ৰজা ডানকানক এতিয়া তেওঁ ঈৰ্ষা কৰিব ধৰিলে। নিজৰ বাসনা পৰিপূৰ্ণ কৰিবলৈ গৈ তেওঁ ডানকানক হত্যা কৰি ডানকানক দিলে মৃত্যুৰ সিপাৰৰ শান্তিময় চিৰনিদ্ৰা আৰু সেই পাপ কাৰ্যদ্বাৰা তেওঁ নিজৰ জীৱনলৈ মাতি আনিলে অন্তহীন গ্লানি আৰু সন্ত্ৰাসৰ ঘোপমৰা অন্ধকাৰ। লাহে লাহে লেডী মেকবেথেও বুজিব ধৰিলে যি গৌৰৱ আৰু বৈভৱ এসময়ত তেওঁ অন্তৰেৰে বিচাৰিছিল, সি যেন এতিয়া মৰীচিকাৰ দৰেই অলীক। এনে গৌৰৱৰ বিনিময়ত যদি মানসিক সুখ শান্তি হেৰুৱাব লগা হয়, তেতিয়াতো জীৱনৰ সকলোৱেই হেৰাই যায়। সেয়েহে তেওঁ যেন আৰু একো নিবিচাৰিব। চিন্তাগ্ৰস্ত মেকবেথক তেওঁ মাথোন বুজাইছে পাপপূৰ্ণ অতীতটোক পাহৰি যাবলৈ, যাতে সেই স্মৃতিয়ে তেওঁলোকৰ জীৱন বিষময় কৰি তুলিব নোৱাৰে। মেকবেথে যদিও নিজ পাপৰ গুৰুত্ব উপলব্ধি কৰিব পাৰিছে, তথাপিতো

অনিশ্চয়তাৰ চিন্তাই তেওঁক আৰু অস্থিৰ কৰি তুলিছে। বেঙ্কোৰ প্ৰতি ডাইনীয়ে কৰা ভৱিষ্যত বাণীৰ কথা তেওঁ এতিয়াও পাহৰিব পৰা নাই। বেঙ্কো নিজে স্কটলেণ্ডৰ ৰজা হব নোৱাৰিলেও ভবিষ্যত স্কটলেণ্ডৰ ৰজাসকলৰ তেওঁৱেই হব উপৰিপুৰুষ। মেক্‌বেথে তেনেহলে আনৰ কাৰণেই এনে ঘৃণনীয় পাপত কিয় লিপ্ত হ'ল। যি সিংহাসনৰ কাৰণে উদাৰ ৰজা ডানকানক তেওঁ হত্যা কৰি নৰকৰ যন্ত্ৰণাকো মূৰ পাতি লবলৈ সাজু হৈছে, যি সিংহাসনৰ কাৰণে তেওঁ মনপ্ৰাণ সকলোকে পাপৰ বেদীত অৰ্পণ কৰিছে, সেই সিংহাসনৰ উত্তৰাধিকাৰী হব বেঙ্কোৰ সতি-সন্ততি! এই কথা মেক্‌বেথে কেতিয়াও মানি লব নোৱাৰে। প্ৰয়োজন হলে ইয়াৰ কাৰণে অদৃষ্টৰ লগত যুঁজ দিবলৈকো তেওঁ প্ৰস্তুত। সেয়েহে মেক্‌বেথে এক নৈশ ভোজসভাৰ আয়োজন কৰি স্কটলেণ্ডৰ অন্যান্য সম্ভ্ৰান্ত লোকসকলৰ লগতে বেঙ্কো আৰু বেঙ্কোৰ পুত্ৰ ফ্লিয়েন্সকো নিমন্ত্ৰণ জনালে। ভোজসভালৈ আহোঁতেই যাতে বেঙ্কো আৰু তেওঁৰ পুত্ৰ ফ্লিয়েন্সক বাটতে হত্যা কৰা হয়; সেই উদ্দেশ্যে দুজন হত্যাকাৰীক নিয়োগ কৰিলে।

ভোজসভা আৰম্ভ হ'ল। তেওঁলোকৰ মনৰ অশান্তি আৰু অস্থিৰতা যাতে উপস্থিত অতিথিসকলৰ আগত ধৰা নপৰে তাৰ বাবে মেক্‌বেথ আৰু লেডী মেক্‌বেথে যিমান পাৰে সিমান সহজ হবলৈ চেষ্টা কৰিলে। অতিথিসকলৰ আদৰ অভ্যৰ্থনাৰ যাতে কোনো ত্ৰুটি নহয় তাৰবাবে যিমান পাৰে সিমান যত্ন ললে। মেক্‌বেথে কিন্তু তেতিয়াও বুজিব পৰা নাছিল যে গোপন পাপ সদায় গোপনে ৰাখিব নোৱাৰি। মেক্‌বেথে তেওঁৰ অতিথিসকলৰ আগত দুখ প্ৰকাশ কৰি কৈছে যে তেওঁৰ পৰম বন্ধু বেঙ্কোৰ অনুপস্থিতিয়ে তেওঁৰ ভোজ সভাৰ মৰ্যাদা বহু পৰিমাণে লাঘৱ কৰিছে। সেই সময়ত কোনেও বুজি পোৱা নাছিল যে প্ৰাসাদৰ অদূৰত এক উদ্যানত বেঙ্কোৰ জীৱনৰ অৱসান ঘটোৱা হৈছে।

মেক্‌বেথে ভাবিছিল বেঙ্কোৰ মৃত্যুৱে তেওঁৰ ভৱিষ্যতক নিৰাপদ কৰি তুলিব। কিন্তু ভাগ্যৰ কি বিড়ম্বনা, ইয়াৰ ফল সম্পূৰ্ণ বিপৰীত হ'ল। মৃত্যুমুখী পিতাকৰ কাতৰ অনুৰোধ ৰক্ষা কৰি ফ্লীয়েন্স পলাই গ'ল। তাতোকৈও আচৰিত বেঙ্কোৰ প্ৰেতাত্মাই আহি ৰাজমতাত মেক্‌বেথে আয়োজন কৰা ভোজসভাত আসন গ্ৰহণ কৰিলে। সেই প্ৰেতাত্মাৰ ৰক্তাক্ত চুলি আৰু সেতা চকুযুৰ দেখাৰ লগে লগে মেক্‌বেথ ভয়ত বিবৰ্ণ হৈ পৰিল। এই দৃশ্য

যে তেওঁৰ সপোনৰো অগোচৰ আছিল। কাল, স্থান সকলো পাহৰি ভয় আৰু উত্তেজনাত মেক্‌বেথ কঁপি উঠিল। তেওঁ কবলৈ ধৰিলে, সুদূৰ অতীতৰ বুকুতো অনেক নৃশংস হত্যাকাণ্ড সংঘটিত হৈছিল, আৰু বহুতো জীৱন চিৰদিনৰ কাৰণে নিঃশেষ হৈ গৈছিল। কিন্তু এইদৰে মৃতবিলাকে মৃত্যুৰ গ্ৰাসৰপৰা উভতি আহি তেওঁলোকৰ হত্যাৰ প্ৰতিশোধ লবলৈ খেদি অহাৰ দৃষ্টান্ত জানো আছে! এয়া মেক্‌বেথৰ বাবে জগতৰ পৰম আশ্চৰ্য আৰু ভাগ্যৰ চৰম বিড়ম্বনা, যি ৰূপতেই নহওক প্ৰেতাত্মাৰ লগত সম্মুখ সমৰত প্ৰবৃত্ত হবলৈ মেকবেথ কেতিয়াও পিছ নোহঁহকে, কিন্তু যেকোৰ ৰূপত আহিলে সেই প্ৰেতাত্মাৰ শক্তি জানো তেওঁৰ আছে! নাই, কেতিয়াও নাই! মেক্‌বেথৰ এই আকস্মিক উত্তেজনাই তেওঁৰ অতিথিবৃন্দক উৎসুক আৰু আচৰিত কৰি তুলিলে, কিন্তু ঘটনাৰ গুৰুত্ব পাতলাবৰ কাৰণে লেডী মেক্‌বেথে তেওঁলোকক কোনো প্ৰশ্ন নকৰি নিজৰ নিজৰ আসনত ধৈৰ্য ধৰি বহি থাকিবলৈ অনুৰোধ জনালে, অতিথিসকলক তেওঁ বুজাই দিলে যে এয়া তেওঁৰ এক পুৰণা ব্যাধিৰ বাহিৰে অন্য একো নহয়। অতিথিসকল যোৱাৰ পিছত তেওঁ মেক্‌বেথক বুজালে যে তেওঁৰ মনত ত্ৰাসৰ সৃষ্টি কৰা সেই দৃশ্য ডানকানক হত্যা কৰা নিশা দেখা ছুৰিখনৰ দৰেই অৰ্থহীন। ইয়াৰদ্বাৰা আতঙ্কিত হৈ ভীৰুতাক প্ৰশ্ৰয় দি নিজক আনৰ সন্দেহৰ পাত্ৰ কৰি নতুলিবলৈ তেওঁ মেক্‌বেথক বাৰে বাৰে সকিয়াই দিলে।

গোপন পাপৰ কেনে ভীষণ পৰিণাম হব পাৰে সেই কথা বুজিব নোৱাৰা মেক্‌বেথে এতিয়া বুজি উঠিল যে মানুহে অসম্ভৱ বুলি ভবা বহু ঘটনাই কেতিয়াবা সত্যত পৰিণত হয়। শিলে খোজকঢ়া, গছে কথা কোৱা আৰু চৰাইৰ সহায়ত গোপন হত্যাকাণ্ডৰ ৰহস্য উদ্‌ঘাটন কৰা দৃষ্টান্তওতো নোহোৱা নহয়। নিজৰ স্বাৰ্থ আৰু নিৰাপত্তাৰ চিন্তাই তেওঁক অস্থিৰ কৰি তুলিলে। তেওঁৰ মনত ভৱিষ্যত জনাৰ হেঁপাহ পুনৰ জাগি উঠিল। ইমানখিনি তেজেৰে নিজৰ হাত ৰাঙলী কৰি তেওঁ যি পথ বাছি ললে, সেই পথেৰেই তেওঁ অগ্ৰসৰ হব। অন্য কোনো পথৰ সন্ধান তেওঁ এতিয়া আৰু বিচাৰি নাপায়। নিজৰ মঙ্গলতকৈ তেওঁৰ বাবে অন্য কোনো আদৰ্শই শ্ৰেষ্ঠ হব নোৱাৰে। যাথোন তেওঁক জানিবলৈ লাগে ভৱিষ্যতৰ ৰহস্য। তেওঁ তেওঁৰ শুভাকাঙ্ক্ষী সেই ডাইনী কেইজনীৰপৰা এই ৰহস্যৰ সন্ধেদ লোৱাৰ মনস্থ কৰিলে।

লাহে লাহে মেক্‌বেথ সকলোৰে সন্দেহৰ পাত্ৰ হৈ উঠিল। সকলোৱে যেন বুজি উঠিছে স্কটলেণ্ডত এটাৰ পিছত এটাকৈ ঘটি যোৱা হত্যাকাণ্ডবোৰৰ নায়ক কোন। ফাইফৰ অধিপতি মেকডাফে ডানকানৰ হত্যাৰ সময়তে বুজিছিল যে এই হত্যাকাণ্ড এক ভীষণ ষড়যন্ত্ৰৰ ফল, আৰু এই ষড়যন্ত্ৰৰ গোৰ্তা হয়তো স্বয়ং মেক্‌বেথ। সেয়েহে ৰাজ নিমন্ত্ৰণ উপেক্ষা কৰিও তেওঁ মেক্‌বেথৰ ভোজসভাত যোগ দিয়াৰপৰা বিৰত থাকে। অকল সেয়ে নহয় ৰাজকুমাৰ মেলকমৰ সাক্ষাৎ বিচাৰি তেওঁ ৰাজ্য এৰি ইংলণ্ডলৈ পলায় যায়। তেওঁৰ বিপক্ষে গঢ় লৈ উঠা এই বিৰোধ মেক্‌বেথে স্ববুজাকৈ থকা নাছিল আৰু বুজিছিল বাবেই তেওঁ পুনৰ সেই ডাইনী কেইজনীৰ ওচৰ চাপিল।

ডাইনী কেইজনীয়েও সিহঁতৰ অলৌকিক শক্তিৰ বলত মেক্‌বেথৰ আগন্তুক আগমনৰ সম্ভেদ পাই এক যাদুকৰী পৰিবেশ সৃষ্টি কৰাৰ উদ্দেশ্যে নিৰ্জন পাহাৰৰ এক গুহাত এক প্ৰকাণ্ড জকাত জেঠীৰ ঠেং, কুকুৰনেচীয়া বাঘৰ দাঁত, কুকুৰৰ জিভা, ফেঁচাৰ ডেউকা, সাপৰ মাংস, গুইৰ চকু, ছাগলীৰ পিত্তাশয়, বিষাক্ত হেমলক গছৰ শিপা, জাৰজ মৃত শিশুৰ আঙুলি আদি কিছুমান অদ্ভুত ধৰণৰ বস্তু সিজোৱাত ব্যস্ত হৈ পৰিল। সিহঁতৰ উদ্দেশ্য এয়ে যে যাদুৰ বলত সিহঁতে মেক্‌বেথৰ সন্মুখত এনে এক মায়াজালৰ সৃষ্টি কৰিব যাৰ প্ৰভাৱত মতিচ্ছন্ন হৈ মেক্‌বেথে বিবেক আৰু মানৱতাৰ সকলো আদৰ্শ ভৰিৰে মোহাৰি নিজ স্বাৰ্থ পূৰণৰ কাৰণে অদৃষ্ট আৰু মৃত্যুকো উপেক্ষা কৰিবলৈ কুণ্ঠিত নহব। সিহঁতৰ ছলনাত মোহান্ধ মেক্‌বেথৰ মনত জাগিব নিৰাপত্তাৰ এক ভ্ৰান্ত বিশ্বাস, আৰু এই বিশ্বাসেই তেওঁক চৰম বিপৰ্যয়ৰ মাজলৈ ঠেলি লৈ যাব।

মেক্‌বেথক এদিন এই ডাইনীয়ে অনাহুতভাৱে দেখা দিছিল, কিন্তু এইবাৰ মেক্‌বেথ সিহঁতৰ ওচৰ চাপিছে। এয়ে হ'ল নৈতিক অধঃপতনৰ ক্ষেত্ৰত মেক্‌বেথৰ মাৰাত্মক পদক্ষেপ। সিহঁতৰ ওচৰত মেক্‌বেথে নিজৰ প্ৰশ্নৰ উত্তৰ বিচাৰি দাবী জনালে, ডাইনী সন্মত হ'ল। যাদুৰ বলত এক অভিনৱ দৃশ্যৰ সৃষ্টি হ'ল। মেঘৰ ভয়ঙ্কৰ গাজনীয়ে পৃথিৱী কঁপাই তুলিলে আৰু লাহে লাহে মেক্‌বেথৰ সন্মুখেদি পাৰ হৈ গ'ল অস্ত্ৰ-শস্ত্ৰেৰে সজ্জিত এক মানৱ-শিৰৰ প্ৰতিকৃতি। ই মেক্‌বেথক ফাইফৰ অধিপতি মেকডাফৰপৰা সাৱধান হবলৈ সতৰ্ক কৰি দি শূন্যত লীন হৈ গ'ল, পুনৰ মেঘৰ গাজনী শুনা গ'ল, আৰু এইবাৰ আবিৰ্ভাব হ'ল এটি ৰক্তাক্ত শিশু। মেক্‌বেথে শুনিলে, "মেক্‌বেথ।

মেক্‌বেথ !! মেক্‌বেথ !!! নিষ্ঠুৰ হোৱা, নির্ভীক আৰু দৃঢ়মনা হোৱা, মানুহৰ শক্তিক উপহাস কৰা, কাৰণ নাৰী গৰ্ভজাত কোনেও মেক্‌বেথৰ অনিষ্ট কৰিব নোৱাৰে। সৰ্বশেষত আবিৰ্ভাৱ হ'ল হাতত এটা গছৰ ঠাল লৈ ৰাজমুকুট পৰিহিত এটি শিশু, আৰু বিৰনাম অৰণ্য মেকবেথৰ বিপক্ষে ডান্‌চিনাত পাহাৰ অভিমুখে যাত্ৰা নকৰা পৰ্যন্ত মেক্‌বেথ অপৰাজেয় হৈ ৰব, এই ভবিষ্যত বাণী ঘোষণা কৰি সেই ছায়া মূৰ্তিও অদৃশ্য হৈ গ'ল।

এই ভবিষ্যত বাণীয়ে মেক্‌বেথৰ দুশ্চিন্তা দূৰ কৰিলে। ইয়াতকৈ সুন্দৰ আৰু তেওঁ কি আশা কৰিব পাৰে। মেকডাফক যদিও তেওঁ ভয় কৰে, মেক্‌ডাফতো নাৰী গৰ্ভজাত এক সামান্য মানুহ মাথোন। তথাপিতো মেক্‌ডাফক আতৰাই তেওঁৰ জীৱন সুৰক্ষিত কৰিবলৈ তেওঁ দৃঢ় প্ৰতিজ্ঞ, আৰু অৱশ্যই জানো কাহানিবা খোজ কাঢ়িব পাৰে! সঁচাকৈয়ে ডাইনীৰ প্ৰহেলিকাময় ভবিষ্যত বাণীয়ে মেক্‌বেথৰ মনত নিৰাপত্তাৰ এক ভ্ৰান্ত বিশ্বাস জগাই তুলিলে। সিহঁতৰ ছলনাত বোধশক্তি হেৰুৱাই মেক্‌বেথে বেঙ্কোৰ প্ৰেতাত্মাৰ উপস্থিতিৰ সময়ত উপলব্ধি কৰা সত্যৰ কথা সম্পূৰ্ণ পাহৰি পেলালে। এইবাৰ মেক্‌বেথৰ নৈতিক পতন সম্পূৰ্ণ হ'ল।

কিন্তু ইমানখিনি জানিও মেক্‌বেথ সন্তুষ্ট হব পৰা নাই। যি প্ৰশ্নই তেওঁক আজি অতদিনে অস্থিৰ কৰি তুলিছে সেই প্ৰশ্নৰ উত্তৰ যে তেওঁ এতিয়াও পোৱা নাই। বেঙ্কোৰ বংশধৰসকল সঁচাকৈয়ে স্কটলেণ্ডৰ ভাৱী অধীশ্বৰ নে কি! মেক্‌বেথে এই প্ৰশ্নৰ উত্তৰ বিচাৰিলে। মায়াৱীনি ডাইনী কেইজনীৰ যাদুৰ প্ৰভাৱত আকৌ এক ভয়াবহ দৃশ্যৰ সৃষ্টি হ'ল, ডাইনী কেইজনীয়ে ব্যৱহাৰ কৰা সেই বিশাল কঁকাটো এক ভীষণ শব্দ কৰি মাটিৰ তললৈ সোমাই গ'ল, চাৰিওফালে ভীষণ কোলাহল আৰম্ভ হ'ল। এই কোলাহলৰ মাজত মেক্‌বেথৰ আগেদি পাৰ হৈ গ'ল একন এজনকৈ আঠজন ৰজাৰ ছায়ামূৰ্তি, অষ্টমজনৰ হাতত এখন আৰ্চী, আৰু সকলোৰে শেষত মুখত হাঁহিৰে বেঙ্কোৰ প্ৰেতাত্মা। মেক্‌বেথৰ আৰু বুজিবলৈ বাকী নাথাকিল যে স্কটলেণ্ডৰ সেই ভবিষ্যত ৰজা-সকল বেঙ্কোৰেই বংশধৰ। এই দৃশ্যৰ পিছতে ডাইনী কেইজনীও অদৃশ্য হৈ গ'ল।

মেক্‌বেথৰ মন নিৰাশাৰে ভৰি পৰিল। তেওঁ বুজিলে যে ডাইনীৰ কথাত বিশ্বাস কৰা সকলৰ জীৱন সঁচাকৈয়ে অভিশপ্ত। কিন্তু বুজিও ভবুৱাৰ দৰে

মেক্‌বেথে ইমানতো তেওঁ বাছি লোৱা পথৰপৰা পিছুলি নপৰিবলৈ মন বান্ধিলে। তেওঁৰ মনৰ ভাব যিমানেই নিষ্ঠুৰ নহওক, কাৰ্যত পৰিণত নকৰাকৈ তেওঁ কেতিয়াও ক্ষান্ত নহব। মেকডাফৰ পলায়নৰ বাতৰি পাই তেওঁ ঠিক কৰিলে যে মেক্‌ডাফৰ পত্নী আৰু সন্তানকো তেওঁ বাছি থাকিবলৈ নিদিয়ে। কাৰণ সিহঁতৰ মৃত্যুৱেই হব মেক্‌ডাফৰ পলায়নৰ শাস্তি।

ইয়াৰ পিছত মেক্‌বেথৰ পাপ কাৰ্যই কদৰ্যৰূপ ধাৰণ কৰিলে। স্কটলেণ্ডৰ বুকুলৈ এইবাৰ নামিল দুৰ্ভাগ্যৰ কলীয়া ডাৱৰ। ৰজা মেকবেথৰ স্বেচ্ছাচাৰিতা আৰু ব্যভিচাৰে ঘৰে ঘৰে ঘৃণা আৰু ভয়ৰ ভাব জগাই তুলিলে। লেডী মেক্‌ডাফ আৰু তেওঁৰ শিশু সন্তানৰ দৰে অনেক নিৰপৰাধী লোকৰ তেজেৰে স্কটলেণ্ডৰ ধূলি ৰাঙলী হৈ উঠিল। অনেক নাৰীৰ জীৱনলৈ নামিল বৈধব্যৰ দুঃসহ বেদনা। পিতৃহাৰা শিশুৰ কান্দোনে স্কটলেণ্ডৰ আকাশ বতাহ কঁপাই তুলিলে। সৎলোকৰ জীৱন অকালতে শেষ হৈ যোৱাটো নিয়মত পৰিণত হ'ল। অসতৰ অমানিশাই সৎ আৰু সুন্দৰৰ জেউতি নিষ্প্ৰভ কৰি পেলালে।

স্কটলেণ্ডৰ এই চৰম দুৰ্যোগৰ মুহূৰ্তত চুবুৰীয়া ৰাজ্য ইংলণ্ডত উমি উমি জ্বলি উঠিল বিদ্ৰোহৰ জুই. এই বিদ্ৰোহাগ্নিৰ পুৰোহিত হ'ল ৰাজ্য এৰি পলাই যোৱা মেক্‌ডাফ। ইংলণ্ডৰ ৰজাৰ আশ্ৰয়ত থকা ডানকানৰ জ্যেষ্ঠপুত্ৰ মেলকমক তেওঁ মাতৃভূমিৰ মুক্তি সংগ্ৰামৰ নেতৃত্ব গ্ৰহণ কৰিবলৈ আহ্বান জনালে। কিন্তু মেলকমৰ মনৰ ভয় আৰু সন্দেহ এতিয়াও আঁতৰ হোৱা নাই—কিজানিবা মেকডাফৰ এই আহ্বানৰ আঁৰত কিবা অভিসন্ধি লুকাই আছে। অৱশেষত তেওঁ প্ৰকৃত কথা বুজিব পাৰি মেকডাফৰ আহ্বান গ্ৰহণ কৰিলে আৰু ইংৰাজ সৈন্য বাহিনীৰ সহায়ত জন্মভূমিৰ মুক্তি সংগ্ৰামৰ দায়িত্ব শিৰ পাতি ললে। আমহাতে নিজৰ বাসনা চৰিতাৰ্থ কৰিবলৈ গৈ মেক্‌বেথে দেশত যি ব্যভিচাৰৰ সূচনা কৰিলে, সেই কাৰ্যই লাহে লাহে তেওঁক সকলোৰে ঘৃণাৰ পাত্ৰ কৰি তুলিলে। তেওঁৰ বন্ধুবৰ্গ আৰু বিশ্বাসকল একজন একজনকৈ আঁতৰি পৰিল। নিঃসঙ্গ মেক্‌বেথৰ ভাব হ'ল ৰজা হিচাপে আজি যেন তেওঁৰ সকলো থাকিও একো নাই। জীৱনৰ এই চৰম বিপৰ্যয়ৰ মুহূৰ্তত মেক্‌বেথে তেওঁৰ অন্যায় পথৰ সহচৰী আৰু তেওঁক সাহসৰ ইন্ধন যোগাওঁতা লেডী মেক্‌বেথৰ অভাব অনুভৱ কৰিলে। যিজুৰা জুইয়ে ডানকান, বেঙ্কো আৰু মেক্‌ডাফৰ পত্নী-পুত্ৰৰ দৰে অসংখ্যজনক শেষ কৰি দিলে। সেইজুৰা জুইয়েই লেডী মেক্‌বেথকো তেওঁৰ

জীৱনৰপৰা আঁতৰাই নিলে। অ'ক এই জুইৰ লেলিহান শিখাই হয়তো শেষ কৰি দিব। লেডি মেক্‌বেথে দিন বাগৰি যোৱাৰ লগে লগে বুজি উঠিল যে যিটো জীৱনে তেওঁলোকৰ বাবে ঐশ্বর্য, বৈভৱ আৰু গৌৰৱৰ সম্ভাৰ লৈ আহিব বুলি তেওঁ ভাবিছিল, সেয়া মাথোঁ এক অলীক কল্পনা, যেন আধানিশাৰ এটা ধুনীয়া সপোন। তেওঁৰ ভুল এতিয়া ভাগিছে। বাস্তৱৰ নিষ্ঠুৰতা তেওঁ এতিয়া ভাল দৰে উপলব্ধি কৰিছে। যি লেডি মেক্‌বেথে স্বামীৰ স্বাৰ্থৰ কাৰণে নাৰী-সুলভ কোমলতাৰ বিনিময়ত পাশৱিক নিষ্ঠুৰতাক সাৱটি লৈ অবিচল মনোবলৰ পৰিচয় দিছিল, সেই লেডি মেক্‌বেথৰ মন আজি সত্যৰ প্ৰকৃত ৰূপ দেখা পাই ভাগি পৰিছে। তেওঁ এতিয়া উন্মাদপ্ৰায়। যি লেডি মেক্‌বেথে এদিন কৈছিল যে অকণমান মাত্ৰ পানীয়ে তেওঁলোকৰ হাতৰপৰা ডানকানৰ তেজৰ শেষ বিন্দুটিও ধুই লৈ যাব, সেই লেডি মেকবেথ আজি শিয়ৰি উঠিছে, তেওঁৰ হাতত যেন এতিয়াও কেঁচা তেজৰ গোন্ধ। তেওঁ প্ৰলাপ বকিছে যে আৰবৰ সমস্ত সুগন্ধইও তেওঁৰ সেই হাত দুখন সৌৰভমণ্ডিত কৰিব নোৱাৰে। কেতিয়াবা তেওঁ হঠাতে কৈ উঠিছে, "বেঙ্কোক সমাধিস্থ কৰা হৈছে, তেওঁ পুনৰ ঘূৰি আহিব নোৱাৰে।" মাজনিশা শয্যা ত্যাগ কৰি হাতত চাকি লৈ প্ৰাসাদৰ মজিয়াত অকলসৰে বিচৰণ কৰি ফুৰা লেডি মেক্‌বেথৰ অতীতৰ স্মৃতি বিজড়িত এই কথাবোৰ তেওঁ দগ্ধ প্ৰাণৰ জ্বলন্ত প্ৰকাশ মাথোন। বাহ্যিক চেতনাহীন লেডি মেক্‌বেথে এইদৰে টোপনিতে খোজকাঢ়ি ফুৰা হৃদয়বিদাৰক দৃশ্যই তেওঁৰ চিকিৎসকজনৰ মন দুখ আৰু বিস্ময়ত অভিভূত কৰি পেলাইছে। তেওঁ বুজিছে যে অপ্ৰাকৃতিক কাৰ্য্যইহে এনে অস্বাভাৱিক যাতনাৰ সৃষ্টি কৰিব পাৰে। এয়া যেন যন্ত্ৰণাকাতৰ এক মানৱাত্মাৰ কৰুণ উচুপনিৰ বাহিৰে একো নহয়; আৰু এই যাতনাৰ নিবাৰণ কৰিব পৰা ঔষধ হয়তো তেওঁৰ হাতত নাই।

এই দৰে অনুশোচনাৰ তীব্ৰ যাতনাত লেডি মেক্‌বেথ যদিও তিলতিলকৈ মৰণৰ মুখলৈ আগবাঢ়ি গ'ল, মেক্‌বেথ কিন্তু এতিয়াও অবিচল। জীৱনত তেওঁ যি ভুল কৰিলে সেই ভুল শুদ্ধ কৰাৰ পথ চিৰদিনৰ কাৰণে বন্ধ হৈ গৈছে। আৰু মৃত্যুৱেই যদি ইয়াৰ শেষ পৰিণতি হয় মেক্‌বেথেও বজা হিচাপেই সেই মৃত্যুক সাৱটি লব। শিৰৰপৰা ৰাজমুকুট নমাই থৈ তেওঁ কেতিয়াও মেলকমৰ ওচৰত আত্মসমৰ্পণ নকৰে। অশৰীৰী ডাইনীৰ তত্ত্বিক্ত বাণী তেওঁৰ পুনৰ মনত পেলালে। তেওঁৰ পক্ষৰপৰা আঁতৰি গৈ মেলকমৰ দলত ভৰ্তি হোৱা তেওঁৰ

বিষয়াসকলৰ কথা ভাবি হাঁহি হাঁহি মেক্‌বেথে কবলৈ ধৰিলে যে বিৰনাম অৰণ্য তেওঁৰ বিপক্ষে নহালৈকে তেওঁ অপৰাজেয় হৈ ৰব, আৰু নাৰী গৰ্ভজাত কোনেও তেওঁক ধ্বংস কৰিব নোৱাৰে। মানসিক অন্ধতাৰ দাস মেক্‌বেথে নিজকে অপৰাজেয় বিবেচনা কৰিলে। কিন্তু ইমানখিনিৰ পিছতো পাপী, হত্যাকাৰী, গৰ্বিত ৰজা মেক্‌বেথৰ মনপ্ৰাণ অসতৰ আন্ধাৰে সম্পূৰ্ণৰূপে গ্ৰাস কৰি পেলাব পৰা নাই। নৃশংস নিষ্ঠুৰতাৰ মাজতো মেক্‌বেথৰ চিন্তাসুলভ মনটো মাজে মাজে সজাগ হৈ উঠিছে। পঙ্কিলতাৰ মাজত হেৰাই যাব ধৰা তেওঁৰ মনটো সময়ে সময়ে কিছুমান চৰম উপলব্ধিয়ে উজ্জলাই তুলিছে, আৰু তেওঁ বুজি উঠিছে বাহ্যিকতা আৰু বাস্তৱতাৰ প্ৰকৃত স্বৰূপ। জীৱনৰ এই চৰম দুৰ্ভাগ্যৰ মুহূৰ্ত্তত মেক্‌বেথে বুজিছে তেওঁৰ কৰ্মৰ মাজেৰে তেওঁ কেৱল মানসিক সুখ শান্তিকেই হেৰুওৱা নাই, আৰু হেৰুৱাইছে মানুহৰ শ্ৰদ্ধা, আনুগত্য ; সামাজিক জীৱনৰ মাধুৰ্য আৰু বন্ধুত্বৰ অনিৰ্বচনীয় তৃপ্তি। ভগা হিয়াৰ বিননি আৰু অভিশাপে তেওঁৰ জীৱনটো যেন দুৰ্বহ কৰি তুলিছে। ইমান দিনে সত্য বুলি ভাবি অহা জীৱনটোৰ প্ৰতি তেওঁৰ হঠাৎ বিতৃষ্ণা উপজিল। সেই জীৱনৰ মাধুৰ্য যেন শীতকালৰ বৃন্তচ্যুতা শুকান গছপাতখিলাৰ দৰেই মৰহি গৈছে। সেয়েহে তেওঁৰ চেনেহৰ সহচৰী লেডি মেক্‌বেথৰ মৃত্যুৰ সংবাদেও তেওঁক অভিভূত কৰিব পৰা নাই। তেওঁৰ বাবে সুদীৰ্ঘ, ক্লান্তিময়, নিৰৰ্থক জীৱনৰ যাত্ৰাপথৰ অনেক ঘটনাৰ লগৰে ইও এক ঘটনা মাথোন। আদিম যুগৰেপৰা মানুহে ভৱিষ্যতৰ সাতৰঙী সপোন দেখি আহিছে, আৰু সময়ৰ শেষলৈকে হয়তো সপোনকে ৰচি যাব, সেই ভৱিষ্যতৰ দিনবোৰ ক্ৰমে বিস্মৃতিৰ অতল গহ্বৰত লীন হৈ যায় ; আৰু পাৰ হৈ যোৱা দিনবোৰে ভৱিষ্যতৰ ৰূপৰেখা খেদি খেদি মৰণৰ ধূলিময় পথত লীন হৈ যোৱা কিছুমান মূৰ্খৰ ব্যৰ্থ জীৱনৰ কাহিনীকে আমাক বিড়িয়াই কয়। সেয়েহে মেকবেথৰ বাবে জীৱন অলীক, এক বিৰাট প্ৰবঞ্চনা। কন্তেকৰ বাবে পোহৰ বিলোৱা এটি মাথোঁ দীপশিখা বা বাতুলৰ তাৎপৰ্যবিহীন অবাস্তৱ অপলাপ মাথোন। এয়া মেক্‌বেথৰ কাৰণে জীৱনৰ চৰম সত্যৰ উপলব্ধি, পাপৰ সহায়ত গৌৰৱৰ বৰমালা অৰ্জন কৰিবলৈ যোৱা ভ্ৰষ্ট মেক্‌বেথৰ স্বীকাৰোক্তি। পাপী, হত্যাকাৰী মেক্‌বেথৰ এই উপলব্ধিৰ ক্ষমতা হেৰুৱাই পেলোৱা নাই। সেয়েহে মেক্‌বেথৰ ব্যক্তিত্বৰ মৰ্যাদা তেওঁৰ পাপ আৰু ব্যভিচাৰে ম্লান কৰিছে যদিও শেষ কৰি দিব পৰা নাই।

এই গভীৰ নিৰাশাবাদৰ পিছতো মেক্‌বেথৰ জীয়াই থকাৰ হেপাহ শেষ হৈ নগ'ল। সমুখ সমৰত তেওঁ মেলকম আৰু মেক্‌ডাফৰ সন্মুখীন হবলৈ প্ৰস্তুত হ'ল। আনহাতে শত্ৰু সৈন্য ক্ৰমাৎ ৰাজধানীৰ ওচৰ চাপি আহিল, আৰু তেওঁলোকৰ প্ৰকৃত সংখ্যা মেক্‌বেথৰ সৈন্যৰ দৃষ্টিৰপৰা লুকাই ৰাখিবৰ কাৰণে প্ৰত্যেকজন সৈন্যই মেলকমৰ নিৰ্দেশমতে একোটাকৈ গছৰ ঠাল হাতত লৈ ৰাজধানী অভিমুখে যাত্ৰা কৰিলে। মেক্‌বেথক দূতে আহি খবৰ দিলেহি যে বিৰণাম অৰণ্যখন ডানচিনান পাহাৰৰ ফালে যোৱা দেখা গৈছে। এই সংবাদে মেক্‌বেথৰ মন খং আৰু নিৰাশাৰে ভৰাই পেলালে। ছলনাময়ী ডাইনীৰ প্ৰৱঞ্চনা তেওঁৰ আৰু বুজিবলৈ বাকী নাথাকিল। মেক্‌বেথে এতিয়া অনুভৱ কৰিলে তেওঁ যেন পিঞ্জৰাবদ্ধ এক পশুৰ দৰেই অসহায়। মৃত্যুৰ মুখৰপৰা মুক্তি পোৱাৰ সকলো পথেই যেন ৰুদ্ধ হৈ গৈছে। তেওঁৰ এই অৱস্থাই জীৱনৰ প্ৰতি তেওঁৰ আদিম স্পৃহা জগাইহে তুলিলে। তেওঁ মনস্থ কৰিলে শৰীৰত শেষ টোপা তেজ থকালৈকে তেওঁ যুঁজিব আৰু উচ্চ শিৰেৰেই মৃত্যু বৰণ কৰিব। তেওঁৰ আশা এতিয়াও শেষ হৈ যোৱা নাই। নাৰী গৰ্ভজাত মানুহ মেলকম আৰু মেক্‌ডাফলৈ তেওঁ কিহৰ ভয় কৰিব! সেয়েহে যুদ্ধক্ষেত্ৰত তেওঁৰ সৈতে যুঁজি ক্লান্ত হৈ পৰা মেক্‌ডাফৰ চেষ্টাক বৃথা বুলি বিদ্ৰূপ কৰি তেওঁ কৈছিল যে তেওঁৰ জীৱন মায়াৰ বলেৰে সুৰক্ষিত আৰু নাৰীৰ গৰ্ভৰপৰা স্বাভাৱিক ধৰণে জন্মগ্ৰহণ কৰা কোনোৱে তেওঁৰ বিনাশ ঘটাব নোৱাৰে। মেক্‌বেথে বুজা নাছিল তেওঁৰ সেই আশাও যে সাগৰৰ ফেনৰ দৰেই অন্তসাৰশূন্য। মেক্‌ডাফৰ পৰা তেওঁ যি শুনিলে তেওঁৰ বুকু কঁপি উঠিল। মেক্‌ডাফ স্বাভাৱিকভাৱে নাৰী গৰ্ভজাত নহয়। অসৎ শক্তিৰদ্বাৰা প্ৰতাৰিত মেক্‌বেথে শেষবাৰৰ বাবে বুজিলে যে কুৎসিৎ ডাইনীৰ শ্ৰুতি মধুৰ দ্ব্যৰ্থবোধক প্ৰতিশ্ৰুতিবোৰে মানুহক আশাৰ বালিচৰত ঘৰ সাজিবলৈহে প্ৰেৰণা যোগায়। তথাপি মেক্‌বেথে শেষ চেষ্টা কৰি চোৱাৰ প্ৰয়াসেৰে পুনৰ যুদ্ধক্ষেত্ৰত জঁপিয়াই পৰিল। ডাইনীৰ কথা অৱশেষত ফলিয়ালে আৰু মেক্‌বেথৰ ছিন্নশিৰেৰে স্কটলেণ্ডৰ ন্যায়সঙ্গত ৰজা মেলকমক মেক্‌ডাফে অভিবাদন জনালে। ভবিষ্যতৰ সপোন ৰচি কালৰ বুকুত জাহ যোৱা অতীতৰ অনেকজন নিৰ্বোধৰ দৰে মেক্‌বেথো হেৰাই গ'ল ধূলিময় মৰণৰ পথত।



# এজ ইউ লাইক ইট্

আৰ্ডেন অৰণ্য—নামটো যেনে মনোমোহা হাবিখনো তেনে মনোৰম। কেৱল মনোৰমেই নহয় এই ধুনীয়া পৃথিৱীখনৰ দৰেই আৰ্ডেন অৰণ্যও যেন এখন বিচিত্ৰ আৰু অদ্ভুত অৰণ্য। এই অৰণ্যত একেলগে থাকে বিষাক্ত সাপ আৰু ভয়াবহ সিংহ। অৰণ্যবাসীসকলৰ পোহনীয়া ভেৰাবোৰ ইয়াত যেনেকৈ দলে দলে ঘূৰি ফুৰে, সেই দৰেই হাবিৰ কোমল ঘাঁহ খাই চৰি ফুৰে দলে দলে হৰিণাপহু। বনৰ কোমল ঘাঁহ খাই আপোনভোলা হৈ থকা এনেকুৱা হৰিণা-বিলাক কেতিয়াবা সচকিত হৈ উঠে অৰণ্যবাসীসকলৰ শিঙাৰ শব্দত। আৰ্ডেন অৰণ্যৰ হঠাতে আহে গ্ৰীষ্মৰ ৰ'দৰ প্ৰখৰ উত্তাপ আৰু হঠাতে আহে শীতৰ ঠেৰেঙা লগা বতাহৰ বুকুত উঠি ঠেটুৰৈ ধৰা জাৰ। ইয়াৰ কোনো কোনো অংশ যেনেকৈ অন্ধকাৰময় আৰু ভয়লগা সেই দৰেই কোনো কোনো ঠাই মনোমোহা পৰিবেশেৰে সজ্জিত। উজ্জ্বল শিলগুটিবোৰৰ ওপৰেদি নাচি নাচি বাগৰি যোৱা ঝৰণাৰ স্বচ্ছ বুকুৰ ওপৰত ওলমি থকা গছৰ ডা'ল জিলিকি থাকে।

আনন্দত উথাউল হৈ শিঙা বজাই থকা অৰণ্যবাসীসকলৰ জীৱনো একে দৰেই সুখ আৰু দুখৰ ৰঙ-বিৰঙেৰে বোলোৱা। ইয়াত যেনেকৈ আছে কোমল হাঁহি আৰু নিৰ্মল তৃপ্তিৰ স্বাচ্ছন্দ্য সেই দৰেই আছে দুখ আৰু হতাশাৰ ক'লা ক'লা ৰেখা। আৰ্ডেন অৰণ্য সঁচাকৈয়ে এক অদ্ভুত অৰণ্য, অথচ মনোৰম; ক'ত আছে কোনেও নাজানে অথচ ইংলণ্ডৰ বহুত নগৰৰপৰা এই নগৰলৈ মাথোন এদিনৰ পথ।

আৰ্ডেন অৰণ্যৰ দৰেই এই অৰণ্যৰ কাষতে থকা ডিউক ফ্ৰেডাৰিকৰ ৰাজ্যখনো অদ্ভুত গুণেৰে বিভূষিত। ৰাজ্যৰ প্ৰকৃত গৰাকী জ্যেষ্ঠ ডিউকক ৰাজ্যৰপৰা বহিষ্কৃত কৰি ভায়েক ফ্ৰেডাৰিকে সিংহাসন কাঢ়ি ললে, অথচ আনন্দত উথাউল ৰাজ্যৰ সভাসদসকলৰ ভিতৰত সেইবিষয়ে ভাবিবলৈ যেন কাৰো প্ৰয়োজন নাই, কাৰো আজৰি নাই। সঁচা কথা জ্যেষ্ঠ ডিউকক বহুতে ভাল পাইছিল। তেওঁলোকেও ফ্ৰেডাৰিকৰ এই অন্যায় কাৰ্যৰ কোনো প্ৰতিবাদ নকৰি বৃদ্ধ ডিউকৰ লগতে ৰাজ্যৰপৰা আঁতৰি গৈ আৰ্ডেন অৰণ্যৰ মাজত শান্তিৰে বসবাস কৰিবলৈ ধৰিলে। জ্যেষ্ঠ ডিউক আৰু তেওঁৰ লগত গুি

যোৱা এনিয়েনচ্ আৰু জেকুচৰ কাৰণে যেন এই কথা তেনেই সাধাৰণ, ঠিক যেয়া লাগিলে এযোৰ কাপোৰ সলাই অন্য এযোৰ পিন্ধাৰ দৰেই।

ফ্ৰেডাৰিকৰ ৰাজ অট্টালিকাৰ অন্যান্য বহু নাৰী পুৰুষৰ লগতে হাঁহি আৰু আনন্দেৰে জীৱনক ওপঙাই দিন অতিবাহিত কৰিছিল দুজনী ষোড়শী গাভৰুৱে— ৰজালিন্দ আৰু চিলিয়া। ৰজালিন্দ জ্যেষ্ঠ ডিউকৰ ছোৱালী আৰু চিলিয়া ফ্ৰেডাৰিকৰ। দেহ আৰু মনৰ সৌন্দৰ্যত ৰজালিন্দ আছিল শৰতৰ শেৱালিৰ দৰেই কোমল আৰু পৱিত্ৰ। উচ্চ বংশজাত কন্যাৰ গাত থাকিব লগা সকলো সদ্‌গুণেৰে তেওঁ আছিল বিভূষিতা। যৌৱনৰ সকলো উপচাৰক দেহৰ আৰু মনৰ সকলো উন্মাদনাৰে গ্ৰহণ কৰি লৈও তেওঁ আছিল সংযত আৰু ৰুচিসম্পন্ন। বয়সীয়াসকলক তেওঁ শ্ৰদ্ধা কৰিছিল আৰু সকলোকে নাৰীসুলভ কমণীয়তাৰে মুগ্ধ কৰিছিল। তথাপি সেই আনন্দ আৰু আহ্লাদৰ লগে লগে যেন তেওঁৰ মনৰ মাজত বৈ আছিল কিবা এক বেজাৰৰ সুৰ। সকলোৰে ওপৰত ৰজালিন্দৰ মনৰ ডাঙৰ গুণ আছিল প্ৰেম। হৃদয়ৰ সকলো সুবাস উজাৰ কৰি তেওঁ ভাল পাব পাৰিছিল যৌৱনৰ প্ৰথম অতিথিক। এবাৰ হৃদয়ৰ ৰুদ্ধ দ্বাৰ খুলি ওলাই অহা তেওঁৰ সেই প্ৰেমৰ বন্যাক ৰোধ কৰিব পাৰে এনে শক্তিক তেওঁ কেতিয়াও স্বীকাৰ কৰি লোৱা নাছিল, তেওঁৰ সেই প্ৰেম-বাসনা যেনেকৈ আছিল অদম্য, সেই দৰেই আছিল অপ্ৰতিহত। ৰজালিন্দৰ খুৰায়েকৰ ছোৱালী চিলিয়া আছিল ৰজালিন্দতকৈ কম সৌন্দৰ্যশালী, তথাপি দুয়োৰো স্বভাৱ আৰু প্ৰকৃতিৰ অপূৰ্ব মিল আছিল।

জ্যেষ্ঠ ডিউকৰ বন্ধু ৰওলাণ্ডৰ তিনিজন পুত্ৰ অলিভাৰ, জেকুচ আৰু অৰলেণ্ডক এৰি ইতিমধ্যে মৃত্যুবৰণ কৰিছে। কনিষ্ঠপুত্ৰ অৰলেণ্ডৰ শিক্ষাদীক্ষাৰ কাৰণে দেউতাকে অলিভাৰৰ হাতত বহুখিনি টকা-পইচা থৈ গৈছিল। কিন্তু স্বাৰ্থপৰ, নীচমনা অলিভাৰে সৰুভায়েকক শিক্ষিত কৰি তুলিবৰ কাৰণে মুঠেই চেষ্টা নকৰি তেওঁক ঘৰুৱা কামতহে লগাবলৈ ধৰিলে। ফলস্বৰূপে অৰলেণ্ডৰ মন ৰৰককায়েক অলিভাৰৰ বিপক্ষে বিদ্ৰোহী হৈ উঠিল। এদিন সেই বিদ্ৰোহৰ ভাবে প্ৰকাশ লাভ কৰিলে। নানা বাক্‌বিতণ্ডাৰ পিছত অৰলেণ্ডেই ককায়েক অলিভাৰৰ ডিঙিত খামোচা মাৰি ধৰি সৰ্বনাশ কৰিব খুজিছিল। তাগো তেওঁলোকৰ ঘৰৰ পুৰণি লগুৱা আদামে তেওঁলোকক সেই অপ্ৰীতিকৰ কাৰ্যৰপৰা বিৰত ৰাখিলে। অলিভাৰে সৰু ভায়েকৰ এনে নিঠুৰ ব্যৱহাৰৰ পোতক

তুলিবলৈ বুলি ৰাজকীয় যুঁজাৰু চাৰ্লচ'ক অৰলেণ্ডৰ বিৰুদ্ধে মুষ্টিযুদ্ধত প্ৰবৃত্ত হবলৈ উদগালে।

বয়সত নবীন হলেও অৰলেণ্ড আছিল সাহসী আৰু উদ্যমশীল। সেয়ে এদিন ডিউক ফ্ৰেডাৰিকৰদ্বাৰা আয়োজিত মুষ্টিযুদ্ধ প্ৰতিযোগিতাত চাৰ্লচক আহ্বান জনালে। সেই মুষ্টিযুদ্ধ চাবলৈ ৰজালিন্দ আৰু চিলিয়াও আহিছিল। খেল পথাৰত চাৰ্লচৰ দৰে প্ৰখ্যাত যুঁজাৰু এজনক প্ৰত্যাহ্বান জনোৱা কোমল বয়সৰ অৰলেণ্ডক দেখি প্ৰথম দৃষ্টিতেই ৰজালিণ্ড মুগ্ধ হ'ল। সেয়েহে মুষ্টিযুদ্ধ আৰম্ভ হোৱাৰ আগ মুহূৰ্ত্তত অৰলেণ্ডক তেওঁলোকৰ কাষলৈ মতাই আনি ৰজালিন্দে কৈছিল—

ৰজালিন্দ : যুৱক ! আপুনিয়েই মুষ্টিযোদ্ধা চাৰ্লচৰ প্ৰতিদ্বন্দ্বী।

অৰলেণ্ড : ওহো, নহয় ৰাজকুমাৰী। তেখেত সকলোৰে প্ৰতিদ্বন্দ্বী। মই মাথোঁ অন্য বহুতনৰ দৰেই তেওঁৰ কাষত মোৰ যৌৱনৰ শক্তিৰ পৰীক্ষা কৰিব আহিছোঁ।

এইবাৰ চিলিয়াই কলে,—বয়সতকৈ আপোনাৰ মনোবল বহুত বেছি।

এই দৰে কৈ চিলিয়াই অৰলেণ্ডক এই ভয়াবহ মুষ্টিযুদ্ধৰপৰা বিৰত থাকিবৰ কাৰণে অনুৰোধ জনালে। ৰজালিন্দেও ডিউকক কৈ এই মুষ্টিযুদ্ধ বন্ধ কৰি দিব বিচাৰিলে আৰু তাৰ কাৰণে অৰলেণ্ডৰপৰা অনুমতি বিচাৰিলে। ইয়াৰ উত্তৰত অৰলেণ্ডে ৰজালিন্দক সানুনয়ে অনুৰোধ জনালে যেন তেনে নিষ্ঠুৰ চিন্তাৰে তেওঁক ( অৰলেণ্ডক ) আৰু শাস্তি নিদিয়ে। লগতে অৰলেণ্ডেই এই আখাৰো কলে যে তেওঁৰ কাৰণে বেজাৰ কৰোঁতা কোনো নাই, তেওঁ মাথোঁ পৃথিৱীত অকণমান ঠাই আৱদ্ধ কৰি ৰাখিছে, যিখন ঠাই তেওঁৰ বিশ্বাস তেওঁ আঁতৰাই দিলে বেছি ভাল মানুহৰদ্বাৰা পূৰ হব।

অৰলেণ্ডৰ এই কথাত ৰজালিন্দে সবিনয়ে জনালে যে তেওঁৰ যি সামান্য শক্তি আছে পৰাহেঁতেন তেওঁ সেয়াও যেন অৰলেণ্ডৰ হাতত সমৰ্পণ কৰিলেহেঁতেন।

মুষ্টিযুদ্ধ আৰম্ভ হ'ল, ৰজালিন্দ আৰু চিলিয়াই উৎকণ্ঠ চিত্তে যুদ্ধ চাব ধৰিলে। প্ৰতিমুহূৰ্ত্তে তেওঁলোকে আশা কৰিলে—অৰলেণ্ডৰ জয় হওক। সঁচাকৈয়ে অৰলেণ্ডৰ লগত তিষ্ঠিব নোৱাৰি প্ৰখ্যাত যুঁজাৰু চাৰ্লচ মাটিত বাগৰি পৰিল।

সকলোৱে আনন্দ পালে, কিন্তু সেই আনন্দ ম্লান কৰি দিলে এটা ঘটনাই।

অৰলেণ্ডক নিৰ্বাসিত জ্যেষ্ঠ ডিউকৰ বন্ধু বাওলেণ্ডৰ পুত্ৰ বুলি জানিব পাৰি ফ্ৰেডাৰিক মুঠেই সন্তুষ্ট হব নোৱাৰিলে। আনকি ফ্ৰেডাৰিকে অৰলেণ্ডক বেয়া ব্যৱহাৰেই কৰিলেহেঁতেন যদিহে চিলিয়া উপস্থিত নাথাকিলহেঁতেন। আনন্দত অধীৰ হৈ ৰজালিন্দে নিজৰ ডিডিৰপৰা সোণৰ চেইন এডাল খুলি অৰলেণ্ডক উপহাৰ হিচাপে বাচিলে আৰু তেওঁৰ কাৰণে সেই চেইনডাল পিন্ধিবলৈ অনুৰোধ জনালে। "মুষ্টিযুদ্ধ আপুনি বেচ দক্ষতাৰে সম্পাদন কৰিলে আৰু শত্ৰুক পৰাজয় কৰাৰ উপৰিও আৰু বহুতক পৰাজয় কৰিছে।" এই বুলি কৈ অৰ্থপূৰ্ণ হাঁহি মাৰি ৰজালিন্দ চিলিয়াৰ লগত ৰাজ অট্টালিকাৰ ফাললৈ আগবাঢ়িল। ৰজালিন্দ যোৱাৰ ফালে মন্ত্ৰমুগ্ধৰ দৰে চাই থাকিল অৰলেণ্ডে। অৰলেণ্ডে ৰজালিন্দলৈ চায়ে থাকিল যি মুহূৰ্তলৈকে ৰজালিন্দ ৰাজ অট্টালিকাৰ ভিতৰত নেদেখা নহ'ল।

জীৱনলৈ যৌৱন আহে, যৌৱনৰ লগে লগে আহে প্ৰেম। কিন্তু সেই প্ৰেমৰ ক্ষেত্ৰত কত যে বাধা। চাৰ্লচক মুষ্টিযুদ্ধত পৰাজয় কৰি অৰলেণ্ডে বিপদহে চপাই ললে। ডিউক ফ্ৰেডাৰিকেতো তেওঁক দেখিব নোৱাৰা হলেই ককায়েক অলিভাৰেও অৰলেণ্ডক দেখিব নোৱাৰা হ'ল। এদিন অৰলেণ্ডক তেওঁলোকৰ ঘৰৰ পুৰণি বিশ্বাসী লগুৱা আদামে পৰামৰ্শ দিলে তেওঁ যেন অতি সোনকালে ঘৰ এৰি গুচি যায়। "এইখন ঘৰ নহয়, কচাইখানা। তুমি সোনকালে এই ঘৰ ত্যাগ কৰা।" কিন্তু অৰলেণ্ড যায় ক'লৈ! তেওঁৰ হাতততো ফুটা কড়ি এটাও নাই। বৃদ্ধ আদামে তেওঁৰ সঞ্চিত সমুদায় টকা অৰলেণ্ডক দি দিলে আৰু নিজেও অৰলেণ্ডৰ লগতে যাবলৈ ওলাল। তেওঁলোক দুয়ো আৰ্ডেন অৰণ্যলৈ গুচি গ'ল।

অৰলেণ্ডৰ প্ৰতি থকা ডিউক ফ্ৰেডাৰিকৰ প্ৰতিহিংসাৰ ভাব অপূৰ্ণ হৈ ৰ'ল। কিন্তু এইবাৰ ডিউকৰ ৰোষৰ বলি হ'ল তেওঁৰ ভতিজা ৰজালিন্দ। ফ্ৰেডাৰিকে ৰজালিন্দক বিশ্বাসঘাটক বুলি দোষী সাব্যস্ত কৰি ৰাজ্যৰপৰা বহিষ্কাৰ কৰিলে। নিজৰ নম্ৰতা আৰু অমায়িকতাৰ কাৰণে ৰজালিন্দ সকলোৰে খুব প্ৰিয়। সেই কাৰণে ফ্ৰেডাৰিকৰ মনে মনে ভয় হ'ল কিজানি কোনোবাদিনা সকলো প্ৰজাই ৰজালিন্দৰ প্ৰতি দয়া পৰৱশ হৈ জ্যেষ্ঠ ডিউকক ঘূৰাই আনি ৰাজ্যৰ দাবী পাতে। কিন্তু ফ্ৰেডাৰিকে বিশ্বাসঘাটক বুলি দোষী সাব্যস্ত কৰিলেও চিলিয়াই ৰজালিন্দক কেতিয়াও ত্যাগ কৰিব নোৱাৰে। তেওঁ দেউতাকৰ কাষত

প্ৰতিবাদ কৰিলে ৰজালিন্দ যদি বিশ্বাসঘাটক হয়, তেৱোঁ বিশ্বাসঘাটক, কাৰণ তেওঁলোক দুয়োজনী সদায় একেলগে ফুৰে, একেলগে থাকে, একেলগে খায়। কোনো মুহূৰ্ততে তেওঁলোকৰ এৰাএৰি নহয়। কিন্তু ডিউক ফ্ৰেডাৰিকে জীয়েকৰ কোনো কথা শুনিবলৈ মান্তি নহ'ল।

অভাবনীয়ভাৱে জীৱনলৈ নামি অহা এই দুৰ্দিনৰ কথা ৰজালিন্দ আৰু চিলিয়া দুয়ো আলোচনা কৰিলে। তেওঁলোকৰ পক্ষে এৰাএৰি হৈ থকাতো কেতিয়াও সম্ভৱ নহয়। সেয়ে চিলিয়াই পৰামৰ্শ দিলে তেওঁলোক দুয়ো আৰ্ডেন অৰণ্যলৈ পলাই যাব। কিন্তু যাব কেনেকৈ। হৰিণাৰ মাংসই বৈৰী, তেওঁলোকৰ দৰে দুইজনী গাভৰু ছোৱালী আৰ্ডেন অৰণ্যত কেনেকৈ থাকিব। ৰজালিন্দে এটা বুদ্ধি উলিয়ালে। তেওঁলোকৰ সেই ৰজাঘৰীয়া পোছাক এৰি সাধাৰণ পোছাক পিন্ধিব যাতে সকলোৱে তেওঁলোকক সাধাৰণ অৰণ্যবাসী মানুহ বুলিয়েই ভাবে। ছদ্মবেশত ৰজালিন্দৰ নাম হব জিনেমিদ্ আৰু চিলিয়াৰ নাম হব এলিয়ানা। ৰজালিন্দে এইটোও ঠিক কৰিলে যে জিনেমিদ নাম লৈ তেওঁ এনে ধৰণে পোছাক পিন্ধিব যাতে তেওঁক এজন অৰণ্যবাসী যুৱক বুলিহে সকলোৱে ভাবে : আৰু চিলিয়াই নিজকে চিনাকি দিব এজনী সামান্য অৰণ্যবাসী ছোৱালী বুলি।

সৌভাগ্যৰ কথা, ৰজালিন্দ আৰু চিলিয়া অকলে আৰ্ডেন অৰণ্যলৈ যাব লগা নহ'ল। ৰাজসভাৰ চতুৰ মন্ত্ৰী টাচষ্টন্ তেওঁলোকৰ লগত যাবলৈ ওলাল। নিজৰ কৌতুকপূৰ্ণ কথাৰে আনক আনন্দ দিব পৰা এবিধ চৰিত্ৰ আমি চেক্সপীয়েৰৰ নাটকত পাওঁ। টাচ্‌ষ্টন সেইসকলৰ লগৰে এজন। টাচ্‌ষ্টনৰ এক বিশেষ ক্ষমতা আছে যে একে দৃষ্টিতে তেওঁ এজন মানুহক চিনি পেলাব পাৰে। ৰজালিন্দ আৰু চিলিয়াই এনে এজন বুধিয়ক বিষয়াক লগত পাই অতিশয় আনন্দিত হ'ল। ৰাতিৰ অন্ধকাৰৰ মাজত তিনিও ৰাজ অট্টালিকাৰ-পৰা আৰ্ডেন অৰণ্যলৈ বুলি যাত্ৰা কৰিলে। কাহানিও খোজ নকঢ়া চিলিয়া আৰু ৰজালিন্দ খোজকাঢ়ি ভাগৰি পৰিছিল। ইতিমধ্যে তেওঁলোক আহি আৰ্ডেন অৰণ্যৰ কাষ পাইছেহি, পুৱাৰ সূৰ্য্যৰ ৰশ্মিয়েৰাই পূবৰ আকাশ আলোকিত কৰি তুলিছে। অশেষ কষ্ট কৰি তেওঁলোক আগবাঢ়িলা। এবাৰ ৰজালিন্দে আনন্দত চিঞৰি দিলে—আহা, এয়াই আৰ্ডেন অৰণ্য। আৰ্ডেন অৰণ্যত সোমাই পৰাৰ লগে লগে তেওঁলোকৰ মনক নতুন আৰু আনন্দৰ ভাবে

সজীৱ কৰি তুলিলে। আৰ্ডেন অৰণ্যৰ মাজত ৰাজসভাৰ নিষ্প্ৰাণ নিয়মতন্ত্ৰ আৰু কৃত্ৰিমতা নাই। অৰণ্যৰ শীতল আৰু মুকলি বতাহে তেওঁলোকৰ তাগৰুৱা কপালত যেন শান্তি আৰু আনন্দৰ কোমল অঞ্জন সানি দিলে। গছৰ সেউজীয়া কোমল পাতৰ ওপৰত সোণবৰণীয়া ৰ'দৰ মনোমোহা খেলা আৰু শিলৰ লগত হাঁহি খিলখিলাই কথা পাতি পাতি বাগৰি যোৱা ঝৰণাৰ আনন্দ উৎসৱৰ মাজত যেন তেওঁলোকে তিনিও মিলি গ'ল। গছৰ তলত পৰম শান্তিত শুই থকা হৰিণাৰ দল আৰু কোমল ঘাঁহ খাই খাই চৰি ফুৰা ভেৰাছাগলীৰ দলবোৰৰ মুক্তজীৱন তেওঁলোকে প্ৰাণভৰি উপভোগ কৰিলে। আৰ্ডেন অৰণ্য সঁচাকৈয়ে যেন এক মনোমোহা আনন্দৰ সপোন ৰাজ্য। সপোন আৰু বাস্তৱৰ অপূৰ্ব পৰশেৰে যেন প্ৰাণৱন্ত হৈ উঠিছে আৰ্ডেন অৰণ্য। আৰ্ডেন অৰণ্য যেন প্ৰেম আৰু আনন্দৰ প্ৰাণভূমি।

ধুনীয়া ঠাই এডোখৰ বাছি লৈ তেওঁলোক তিনিও এখন্তেক জিৰাইছে মাথোন, দুজন মানুহ তেওঁলোকৰ কালে আহি থকা দেখা পালে। এজন আলৰ বুঢ়া আৰু আনজন ডেকা। পোছাক পৰিচ্ছদৰপৰা বুজা যায় তেওঁলোক দুয়োজন অৰণ্যবাসী ভেৰাৰখীয়া। দুয়োজন কিবা এক গভীৰ কথোপকথনত ব্যস্ত। লাহে লাহে তেওঁলোকৰ কথাবাৰ্তা ৰজালিন্দ, চিলিয়া আৰু টাচ্‌ষ্টনৰ কাণত স্পষ্ট হৈ উঠিল। যুৱকজনৰ নাম চিলভিয়াচ। তেওঁ বৃদ্ধৰ আগত তেওঁৰ ব্যৰ্থ প্ৰেমৰ কথা কৈ বেজাৰৰ হুমুনিয়াহ কাঢ়িছে। বৃদ্ধ ভেৰাৰখীয়াজনৰ নাম কৰিণ। তেওঁ যিমান পাৰে সিমান নিজৰ অতীত জীৱনৰ প্ৰেমৰ কাহিনী কৈ চিল্‌ভিয়াচৰ শোক পাতলাবৰ চেষ্টা কৰিছে। বৃদ্ধই কৈছে যে যৌৱনৰ প্ৰেমৰ হেজাৰ স্মৃতিও পাহৰণিৰ গৰ্ভত লয় পায়। চিলভিয়াচে কৰিণৰ এনে মন্তব্যক নিন্দা কৰি তেওঁক নিৰ্দয় আৰু অনুভূতিহীন বুলি দোষাৰোপ কৰিছে। গছ এজোপাৰ কাষত বহি লৈ চিলভিয়াচে টান সুৰত কৰবাৈ আৰম্ভ কৰিছে—প্ৰেমে সৃষ্টি কৰা এক সামান্য ভুলৰ বাবত সোমাই পৰাৰ অকণমান স্মৃতিও যদি তোমাৰ মনত নাই তেন্তে তুমি অন্তৰেৰে সৈতে নিশ্চয় তোমাৰ প্ৰেমিকাক ভাল পোৱা নাছিলা। যই এতিয়া তোমাক কোৱাৰ দৰে তোমাৰ প্ৰেমিকাৰ প্ৰশংসাৰে যদি তোমাৰ প্ৰেমৰ কাহিনী শুনোতাক তুমি ভাগৰাই পেলাব পৰা নাছিলা, অথবা, যেনেকৈ এতিয়া মোৰ তোমাৰ কাষৰপৰা হঠাতে গুচি যাবলৈ ইচ্ছা কৈছে, সেই দৰে যদি তুমি হঠাতে তোমাৰ লগৰীয়াৰ কাষৰপৰা গুচি যোৱা নাছিলা, তেতিয়াহলে তুমি

তোমাৰ প্ৰেমিকাক সঁচাকৈয়ে ভালপোৱা নাছিলা। এইদৰে কৈয়ে হঠাতে চিলভিয়াচে সেই ঠাইৰপৰা উঠি হাবিৰ মাজে মাজে তেওঁৰ প্ৰেমিকাৰ নাম কাঢ়ি চিঞৰি চিঞৰি গুচি গ'ল।

চিলভিয়াচৰ অৱস্থা দেখি টাচষ্টনে কৌতুক কৰিলে। কিন্তু ৰজালিন্দৰ মনক চিলভিয়াচৰ কথাই শেলে বিন্ধাদি বিন্ধিলে। মুষ্টিযুদ্ধৰ দিনাৰপৰা অৰ্লেণ্ডৰ স্মৃতি তেওঁৰ মনৰ মাজত লাগি আছে। চিলভিয়াচৰ কথাই সেই স্মৃতিক আৰু প্ৰকট কৰি তুলিলে।

চিলভিয়াচ গুচি যোৱাৰ পিছত ৰজালিন্দ আৰু চিলিয়াৰ লগত কৰিণৰ কথাবাৰ্তা হ'ল। কৰিণক তেওঁলোকৰ খুব ভাল লাগিল। আৰ্ডেন অৰণ্যৰ মাজত কৰিণে এক খুব সুখী জীৱন যাপন কৰিছে। কৰিণৰ লগত কথাবাৰ্তা হৈ ৰজালিন্দ আৰু চিলিয়াৰ আৰ্ডেন অৰণ্যৰ মনোমোহা বতাহ সেৱন কৰাৰ দৰে লাগিল। আৰ্ডেন অৰণ্যৰ প্ৰাকৃতিক পৰিবেশ যেনে সুন্দৰ আৰু আহ্লাদদায়ক, কৰিণৰ দৰে মানুহৰ লগত আলাপ কৰিবলৈ পোৱাটোও যেন একে দৰেই আনন্দদায়ক। কৰিণে কথা প্ৰসঙ্গতে কলে যে আৰ্ডেন অৰণ্যৰ কাষতে থকা সৰু ঘৰ এটা কিনি দিয়া কথা আছিল। কিন্তু ফিৰিৰ কাৰণে চিলভিয়াচ এনে দৰে উদ্‌বাউল হৈ পৰিছে যে তেওঁৰ কাৰণে সেই কাম এতিয়া আৰু সম্ভৱ নহয়। ৰজালিন্দ আৰু চিলিয়াই সেই ঘৰটো এজাক ছাগলীৰে সৈতে কৰিণক কিনি দিলে। ইতিমধ্যে ৰজালিন্দহঁত থকা ঠাইৰ অলপ আঁতৰতে আৰ্ডেন অৰণ্যৰ অন্য এক ঠাইত ৰজালিন্দৰ দেউতাক জ্যেষ্ঠ ডিউক তেওঁৰ লগৰীয়া-সকলৰ সৈতে বাস কৰিছে।

জেকুচ আছিল জ্যেষ্ঠ ডিউকৰ দাৰ্শনিক বন্ধু। কথা-বাৰ্তাত জেকুচ খুব পাকৈত আছিল। কাব্যিক ভাষাত তেওঁ মনৰ কথা প্ৰকাশ কৰিছিল। দীঘলীয়া জীৱন পথৰ বহুত শীত আৰু বসন্ত পছকি অহা জেকুচৰ কাৰণে জীৱনটো দুখৰ এক অভিব্যক্তি মাথোন। মনোমোহা আৰ্ডেন অৰণ্যত অকলে ঘূৰি তেওঁ বেছি ভাল পায়। সেয়ে এদিন জ্যেষ্ঠ ডিউকক এবি প্ৰকাণ্ড অ'ক গছ এজোপাৰ তলত এটা ঝৰণাৰ কাষত তেওঁ অকলে বহি আছে। লেঙেৰা হৰিণা এটাই ঝৰণাৰ পানী খাবৰ কাৰণে আহিছে। বেচেৰা পহুটোৱে পানী খাবলৈ ধৰোঁতে তাৰ এধাৰী চকুলো পৈ পানীত পৰিছে। অলপ পিছত এজাল হৰিণা আহি আনন্দ মনেৰে পানী খাই গুচি গ'ল, কিন্তু সেই ঠেং ভগা

দুৰ্ভাগীয়া পহুটোৰ ফালে চাবলৈ সময়কে নহ'ল। তাকে দেখি জেকুচে চিঞৰি উঠিল :

······এইয়ে জগতৰ নিয়ম।
কি কাৰণে তোমালোকে সেই ঠেঙ ভগা
দুৰ্ভগীয়া পহুটোৰ কাৰণে চাবা······

অলপ দূৰতে আৰ্ডেনৰ এখন ধুনীয়া ঠাইত নিৰ্বাসিত ডিউকে তেওঁৰ লগৰীয়া-সকলৰ লগত নানা ধৰণৰ আলাপ আলোচনা কৰিছে। ৰাজমুকুট হেৰুৱাই আহিব লগা হৈছে যদিও ডিউকে ভাগ্যৰ সেই চলনাক সহজভাৱেই গ্ৰহণ কৰিছে। আৰ্ডেনৰ হাড়কঁপোৱা শীতৰ আঘাতত যেন তেওঁ নিজক বেছি ভালকৈ চিনি পাব পাৰে। আৰ্ডেনৰ গছবিলাকেও যেন কথা কয়। আৰ্ডেনৰ ঝৰণাবোৰ যেন তেওঁৰ কাৰণে মূল্যবান শাস্ত্ৰ, আৰ্ডেনৰ শিলবোৰেও যেন তেওঁক প্ৰাৰ্থনাগীত শিকায়। মুঠতে আৰ্ডেনৰ কেউফালে যেন শান্তি আৰু মঙ্গলৰ ধ্বনি ঘোষিত হব ধৰিছে। অৰণ্যবাসীৰ দৰে পোছাক পিন্ধা লগৰীয়াসকলৰ সৈতে সকলোৱে এক ভোজৰ আয়োজন কৰিছে। অন্য এজন আনন্দমুখৰ সঙ্গীতপ্ৰিয় নিৰ্বাসিত মন্ত্ৰী এমিয়ানচে ধুনীয়া গীও এটাৰে ভোজমেল মুখৰিত কৰি তুলিছে। হঠাতে তেওঁলোকৰ ভোজৰ আয়োজন যেন কাৰোবাৰ প্ৰাণখোলা হাঁহিৰ শব্দই মুখৰিত কৰি তুলিলে। সেই হাঁহি আন কাৰো নহয় জেকুচৰ। অৰণ্যত ঘূৰি ফুৰা টাচ্‌ষ্টনক এইমাত্ৰ তেওঁ লগ পাই আহিছে। কেৱল লগ পোৱাই নহয় দুয়োবো মাজত যথেষ্ট কথোপকথন হৈছিল। টাচষ্টনৰ গধুৰ কথাত হাঁহি, সেই হাঁহি সামৰিব নোৱাৰি হাঁহি হাঁহিয়েই জেকুচ আহি ভোজমেলত সোমালহি।

সকলোৱে আনন্দমনেৰে ভোজ খাবলৈ লৈছেহে মাথোন, হাতত খোলা তৰোৱাল লৈ এজন যুৱক আহি সেই ভোজমেলত উপস্থিত হ'ল। কোনো পাততনি নেমেলাকৈ যুৱকে কবলৈ আৰম্ভ কৰিলে, "ক্ষান্ত হোৱা, কোনেও খোৱা বস্তু হাতেৰে নুচুবা।' অপৰিচিত যুৱকৰ তেনে ভীতি প্ৰদৰ্শন কথালৈ অকণো ভ্ৰূক্ষেপ নকৰি জ্যেষ্ঠ ডিউকে তেওঁকো ভোজ খাবৰ কাৰণে আমন্ত্ৰণ জনালে। ডিউকৰ এনে নম্ৰতা আৰু উদাৰতাত যুৱক মুগ্ধ হ'ল আৰু নিজৰ হিংস্ৰ মনোভাৱৰ কাৰণে অতিশয় লজ্জিত হ'ল। এই যুৱকজন অন্য কোনো নহয়, অৰলেণ্ড। কৰায়েকৰ প্ৰতিহিংসাপৰা ৰক্ষা পাবৰ কাৰণে আদামৰ সৈতে আৰ্ডেন অৰণ্যত ঘূৰি ফুৰা অৰলেণ্ডে ভোকাতুৰ আদামক দিবৰ কাৰণে আহাৰ

বিচাৰি আহি অৰণ্যবাসীসকলৰ আগত এই দৰে যুঁজাৰুৰ বেশেৰে ভীতি প্ৰদৰ্শন কৰিছে। ডিউকৰপৰা আমন্ত্ৰণ পাই তেওঁ আদামক আনিবৰ কাৰণে আঁতৰি গ'ল।

অৰলেণ্ড আঁতৰি যোৱাৰ লগে লগে ডিউকে তেওঁৰ লগৰীয়াসকলক কৈছে, "আপোনালোকে দেখিছে এই বিশাল বিশ্বৰ মঞ্চত আমিয়েই কেৱল অসুখী নহয়।" ডিউকে এইষাৰ কথা কবলৈহে পালে জীৱনক লৈ সদায় নীতিবাক্য উচ্চাৰণ কৰিবলৈ সাজু হৈ থকা জেকুচে ভোকৰ কথা পাহৰি গৈ কবলৈ আৰম্ভ কৰিলে, "এই বিশ্বখনেই এক ৰঙ্গমঞ্চ, য'ত সকলো নাৰী পুৰুষেই মাথোন অভিনেতা অভিনেত্ৰী ; প্ৰত্যেকৰে নিজৰ নিজৰ প্ৰবেশ আৰু প্ৰস্থান আছে।" এইদৰে কৈ জেকুচে মানুহৰ জীৱনৰ সাতোটা অৱস্থাৰ কথা কৈছে। জেকুচৰ তথ্যসৰ্বস্ব উক্তিৰ পিছত এজিয়েনচে আকৌ এটা গান গাবলৈ আৰম্ভ কৰিলে। গান শেষ হোৱাৰ লগে লগে অৰলেণ্ডে আদামৰ সৈতে সোমাই আহি নিজৰ প্ৰকৃত পৰিচয় দিয়াৰ লগে লগে তেওঁ জানিব পাৰিলে যে সেই অৰণ্যবাসীসকল অন্য কোনো নহয় জ্যেষ্ঠ ডিউক আৰু তেওঁৰ লগৰীয়াসকল।

এই অৰণ্যবাসীসকলেই এতিয়া অৰলেণ্ডৰ লগৰীয়া হ'ল। কিন্তু অৰলেণ্ডে যে মুষ্টিযুদ্ধৰ দিনা দেখি অহা ৰজালিন্দক কোনোমতেই পাহৰিব পৰা নাই। ৰজালিন্দৰ চিন্তাত দিনে নিশাই উত্বাউল হবলৈ ধৰিলে। ৰজালিন্দৰ স্মৃতি সুঁৱৰি সুঁৱৰি তেওঁ কবিতা লিখিবলৈ ধৰিলে আৰু সেই টুকুৰা টুকুৰ কবিতাবোৰ গছৰ গাত, অৰণ্যৰ য'তে ত'তে আঁৰি থবলৈ ধৰিলে। সেই একে অৰণ্যতে থাকিবলৈ লোৱা ৰজালিন্দ আৰু চিলিয়াই সেই কবিতাৰ টুকুৰাবোৰ পাইছে। বিশেষকৈ ৰজালিন্দৰ সৌন্দৰ্যৰ গুণ গৰিমাৰ কথা এই টুকুৰা টুকুৰ কৰিতাবোৰত প্ৰকাশ পোৱাত তেওঁলোক আচৰিত হৈছে। কোনে লিখে এই কবিতা! এই আৰ্ডেন অৰণ্যত কোনে ৰজালিন্দক চিনি পায়। টাচষ্টনে এই প্ৰেমৰ কবিতাৰ টুকুৰাবোৰত অতিশয় আমোদ পায় আৰু ৰহইচ কৰি কয় যে এনে ধৰণৰ কবিতা তেওঁ একেবাহে আঠ বছৰ কাল ধৰি বহি বহি লিখি থাকিব পাৰিব। কিন্তু ৰজালিন্দ আৰু চিলিয়াৰ কাল ধৰি বহি বহি লিখি থাকিব পাৰিব। কিন্তু ৰজালিন্দ আৰু চিলিয়াৰ কাৰণে এই কথা আৰু বেছিদিন ৰহস্য হৈ নাথাকিল। এদিন চিলিয়াই এজন সুন্দৰ যুৱকে এজোপা গছৰ বাকলিত ৰজালিন্দ নামটো লিখি থকা অৱস্থাত দেখা পালে। ভেকাজনে ডিঙিত পিন্ধি থকা সোণৰ চেইনডালৰপৰা সেই যুৱকজনক

মুখিখনব দিনা দেখা পোৱা অবলেও বুলিও জানিব পাৰিলে। এই কথা যেতিয়া চিলিয়াই বজালিন্দক কলে, এক অভাবনীয় অনুভূতিত বজালিন্দৰ গা মন উৎফুল্লিত হৈ উঠিল। ক'বপৰা আহিল, কেনেকৈ আহিল, ক'ত আছে, তোমাক কি কলে, আকৌ কেতিয়া আহিব, মোৰ কথা কিবা কলে নে, ইস্ বাপ! মই এতিয়া মোৰ গাত থকা এই অৰণ্যবাসী পুৰুষৰ পোছাকযোৰ কি কৰিম, তোমাক আকৌ কেতিয়া লগ ধৰিব আদি এশ এবুৰি প্ৰশ্ন সুধি চিলিয়াক বজালিন্দে ব্যতিব্যস্ত কৰি তুলিলে।

চিলিয়া আৰু বজালিন্দে সেই দৰে কথা পাতি থাকোঁতেই হঠাৎ আহি জেকুচ আৰু অৰলেণ্ড সেইখিনিতে ওলালহি। বজালিন্দ আৰু চিলিয়াক অৰলেণ্ডে দেখাৰ আগতেই জেকুচ অন্তকালে আঁতৰি গ'ল।

অৰলেণ্ডে এতিয়া লগ পালে বজালিন্দ আৰু চিলিয়াক। অৰণ্যবাসী যুৱকৰ পোছাকত থকা বজালিন্দক অৰলেণ্ডে কোনোমতেই চিনিব নোৱাৰিলে। চিলিয়াকো চিনিব নোৱাৰিলে। বজালিন্দে প্ৰথমেই অৰলেণ্ডক 'এতিয়া কিমান বাজিছে' বুলি সোধাত অৰলেণ্ডে তেওঁৰ উত্তৰত কৈছে যে এজন অৰণ্যবাসীয়ে কিমান বাজিছে বুলি নোসোধে; অৰণ্যততো ঘড়ী নাই, বেলা কিমান হ'ল বুলিহে সুধিব লাগে। এই দৰে উভয়ৰ মাজত কথাবাৰ্তা চলিব ধৰিলে। প্ৰসঙ্গক্ৰমে বজালিন্দে কলে যে অৰণ্যৰ য'তে ত'তে কোনোবা যুৱক এজনে 'বজালিন্দ' নামটো লিখি ফুৰিছে আৰু বজালিন্দলৈ লিখা টুকুৰা টুকুৰ কবিতা গছৰ ডালে পাতে য'তে ত'তে আঁৰি ফুৰিছে। সেই মানুহজনক তেওঁ লগ পাব বিচাৰে। অৰলেণ্ডেই বিনীতভাৱে জনালে যে সেইজন তেৱেঁই। লগতে এই কথাও কলে যে সঁচাকৈয়ে তেওঁ বজালিন্দৰ প্ৰেমৰ কাৰণে ব্যাকুল। অৰলেণ্ডৰ কথা শুনি চকুৰে মুখে হাঁহি সানি বজালিন্দে কবলৈ ধৰিলে তেওঁৰ গাত প্ৰেমিকৰ কোনো লক্ষণ ফুটি উঠা নাই। তেওঁৰতো গাল কীণাই যোৱা নাই, নীলা চকুযোৰ সোমাই পৰা নাই, তেওঁৰ বনৰ অদম্য উৎসাহৰ চিন বাহিৰত একো ফুটি উঠা নাই। ক'তা তেওঁৰ ডাঢ়ি-চুলিত যত্নহীনতাৰ চিন্ ফুটি উঠা নাই, তেওঁৰ চোলা বুটামহীন হৈ পৰা নাই, জোতা ফিটাহীন নহয়। মুঠতে নিঃসঙ্গতাৰ শোকত ডুবি থকাৰ কোনো চিন তেওঁৰ গাত নাই। হাঁহি হাঁহি বজালিন্দে আকৌ কলে, "বুইছে, আপুনি যে নিজৰ বাহিৰে আন কাৰোবাক ভাল পায় মোৰ বিশ্বাসেই হোৱা নাই। বাৰু, যেই হওক, সদায়

যদি আপুনি মোৰ ঘৰলৈ আহে আৰু মোকে ৰজালিন্দ বুলি মাতি মোকে প্ৰেম নিবেদন কৰে তেন্তে সেই অচিনা ৰজালিন্দৰ প্ৰতি থকা আপোনাৰ প্ৰেম ভাৱৰপৰা আপুনি মুক্তি পাব পাৰিব।” অৰলেণ্ডোই সন্মতি প্ৰকাশ কৰিলে। তেতিয়াৰপৰা তেওঁ সেই অৰণ্যবাসী যুৱকজনকে ৰজালিন্দ বুলি মাতিবলৈ ললে আৰু চিলিয়াৰ পৌৰহিত্যত প্ৰেম নিবেদন কৰিবলৈ আৰম্ভ কৰিলে।

আৰ্ডেন অৰণ্যত বসন্তৰ ৰঙীয়া বতাহে কেৱল অৰলেণ্ডো আৰু ৰজালিন্দকে ৰঙীয়া কৰি এৰা নাই, আৰু বহুতৰ হৃদয়ক এই বতাহৰ চৌৱেই কোবাইছে। ৰজালিন্দ আৰু চিলিয়াৰ লগতে ৰাজপ্ৰাসাদ এৰি অৰণ্যলৈ গুচি অহা কৌতুকপ্ৰিয় টাচষ্টনকো প্ৰেমৰ বতাহে কোবাইছে। আড্ৰেই নামৰ এগৰাকী নিচেই কমবুদ্ধি সম্পন্না, দেখিবলৈ কুৰূপা, গধুৰ মনৰ, অমজিৰণ স্বভাৱৰ চাকৰণী ছোৱালী এজনীক টাচষ্টনে ভাল পাবলৈ ধৰিলে। টাচষ্টনৰ নিজৰ কথাৰে, “এটি একেবাৰেই এলাগী কুমাৰী ছোৱালী ডাঙৰীয়া, প্ৰকৃতিৰ কুৰূপা তুলিকাৰে সজ্জিত, কিন্তু মোৰ একেবাৰে মনৰ, ডাঙৰীয়া।” আৰু টাচষ্টনৰ মতে অড্ৰেইৰ লগত তেওঁৰ এই প্ৰেম ‘প্ৰথম দৃষ্টিত প্ৰেম’ কথাষাৰৰ বঢ়িয়া উদাহৰণ। আৰ্ডেন অৰণ্যত নতুনকৈ চিনাকি হোৱা সকলে ৰজালিন্দক জিনেমিদ নামৰ এজন অৰণ্যবাসী ডেকা বুলিয়েই জানে। তেওঁৰ এই নতুন পৰিচয়ৰে ৰজালিন্দ এক নতুন বিপদৰ সন্মুখীন হ’ল। চিলভিয়াচৰ প্ৰেমিকা ফিবি জিনেমিদৰ প্ৰেমত পৰিল। জিনেমিদ যে অৰণ্যবাসী যুৱক নহয়, ৰাজকাৰেঙৰ যুৱতীহে ফিবিয়ে সেই কথা নাজানে, জনাতো সম্ভৱো নহয়। ফিবিৰ এই প্ৰেম নিবেদনত ৰজালিন্দে কেতিয়াবা সামান্যভাৱে ভদ্ৰতা প্ৰদৰ্শন কৰে, কিন্তু সিয়েই ফিবিৰ প্ৰেমক আৰু গভীৰকৰি তুলিলে। মনৰ দুখত চিলভিয়াচে কয় জিনেমিদে থাই এৰা চোবাটোকে যদি ফিবিয়ে তেওঁক চুপিবলৈ দিয়ে আৰু কেতিয়াবা যদি ফিবিয়ে অন্ততঃ তেওঁলৈ চাই মিচিকীয়া হাঁহি এটা মাৰে তাতে তেওঁ সন্তুষ্ট হব।

আৰ্ডেন অৰণ্যত প্ৰেমঘটিত ঘটনাৰ ইমানতে শেষ হোৱা নাই। ভায়েক অৰলেণ্ডৰ প্ৰতি জ্বলি উঠা দুইকুৰা অতৃপ্ত হৈ বোৱাত অলিভাৰে ভায়েকক বিচাৰি আহি আৰ্ডেন অৰণ্য ওলালহি। বহুদূৰ আহি এজোপা প্ৰকাণ্ড ওক গছৰ তলত জিৰণি লওঁতে অলিভাৰৰ টোপনি গ’ল। নিজাকলা অলিভাৰৰ ডিঙিৰ ওপৰত এডাল বিষাক্ত সৰ্পই মেৰপাতি বৈ আছে। কাষৰে এটা দ গাতত এজনী সিংহিনীয়ে অপেক্ষা কৰিছে, কেতিয়া অলিভাৰে সাৰ পায়েই

সিংহিনীয়ে তেওঁৰ গাত জঁপিয়াই পৰিব। হঠাৎ আহি সেইখিনিতে থিয় দিলেহি অৰলেণ্ডো। অৰলেণ্ডোক দেখা পাই সাপটো লাহে লাহে আঁতৰি গ'ল। কিন্তু সিংহিনী বৈয়ে থাকিল। এবাৰ নহয় দুবাৰ অৰলেণ্ডোৱে সেইখিনিৰপৰা আঁতৰি যোৱাৰ কথা ভাবিলে। তেওঁক ইমান অন্যায় কৰা অসৎ স্বভাৱৰ স্বাৰ্থপৰ ককায়েক সিংহিনীৰ খাদ্য হওক। কিন্তু ককায়েকক এই দৰে চকুৰ আগতে মৃত্যুৰ মুখলৈ ঠেলি দিবলৈ তেওঁৰ অন্তৰে নকলে। মানুহৰ অন্তৰত প্ৰতিহিংসাৰ ভাৱ যিমানেই প্ৰবল নহওক, তাতোকৈও প্ৰবল প্ৰেম আৰু দয়া। খোলা তৰোৱাল লৈ মুহূৰ্ততে তেওঁ সিংহিনীৰ ওপৰত জঁপিয়াই পৰিল। সিংহিনী মৰিল। কিন্তু মৰাৰ আগতে সিংহিনীয়ে তেওঁৰ বাহুত বাঘকৈয়ে আঘাত দিলে। অলিভাৰ ৰক্ষা পৰিল কিন্তু অৰলেণ্ডো অচেতন হৈ পৰি গ'ল। অৰলেণ্ডোৱে চেতনা পাই দেখে কাষত তেওঁৰ ককায়েক অলিভাৰ। অৰলেণ্ডোৱে ককায়েকক অনুৰোধ কৰিলে যাতে তেওঁৰ কথা অলপ আঁতৰতে পজা এটাত থকা জিনেমিদক কয়। অৰলেণ্ডোৰ বাহুৰ তেজেৰে লুতুৰি পুতুৰি হোৱা ৰুমালখন লৈ অলিভাৰে জিনেমিদক বিচাৰি গ'ল। চিলিয়া আৰু ৰজালিন্দক এই খবৰ দিবলৈহে পালে ৰজালিন্দ মূৰ্চ্ছা গ'ল। অলিভাৰে চিলিয়াক চিনিব পৰা নাই কাৰণ তেতিয়ালৈকে চিলিয়াই নিজৰ পৰিচয় দিছিল এলিয়ানা বুলিহে। আৰ্ডেন অৰণ্যত 'প্ৰথম দৃষ্টিত প্ৰেম' বোলা কথাষাৰৰ আৰু এক দৃষ্টান্ত সংঘটিত হ'ল। অলিভাৰে চিলিয়াৰ ৰূপত মুগ্ধ হৈ তেওঁলৈ বিয়াৰ প্ৰস্তাৱ আগবঢ়ালে। লগতে তেওঁ এই কথাও কলে যে অৰলেণ্ডোক কৰা অন্যায়ৰ কাৰণে তেওঁ অতিশয় দুখ পাইছে সেয়ে ভৱিষ্যতে অৰলেণ্ডোক তেওঁৰ সকলো সা-সম্পত্তি দি তেওঁ আৰ্ডেন অৰণ্যতে ভেৰাৰখীয়া জীৱন অতিবাহিত কৰিব।

চেতনা লাভ কৰি ৰজালিন্দ অৰলেণ্ডোক বিচাৰি পালেগৈ। অৰলেণ্ডোৱে এটা বাহুত বৰ বেছিকৈ আঘাত পাইছে। কাতৰ কণ্ঠে তেওঁ ৰজালিন্দক চিঞৰি উঠিল। মৰম কোমল কথাৰে ৰজালিন্দে কবলৈ ধৰিলে, "মই ভাবিছিলোঁ। সিংহিনীৰ আঘাতত তোমাৰ বুকু আহত হৈছে।" তাৰ উত্তৰত অৰলেণ্ডোৱে কলে যে এগৰাকী নাৰীৰ চকুৰ কোমল চাৱনিৰ আঘাতত তেওঁৰ বুকু কাহানিবাই ভাগি গৈছে। লাহে লাহে ৰজালিন্দে কবলৈ ধৰিলে যে তেওঁ সৰুতেই যাদুবিদ্যা শিকিছিল। সেই যাদুবিদ্যাৰদ্বাৰা তেওঁ ইচ্ছা কৰিলে অৰলেণ্ডোৰ প্ৰেমিকা ৰজালিন্দক আৰ্ডেন অৰণ্যলৈ লৈ আহিব পাৰে। আৰু যদি ইচ্ছা

কৰে অৰলেণ্ডেই সেই ৰজালিন্দক বিয়া কৰাব পাৰে। ৰজালিন্দে অৰলেণ্ডৰ পত্নী হোৱাত নিশ্চয় আনন্দ পাব। ইয়াতকৈ ডাঙৰ গৌৰৱৰ কথা অৰলেণ্ডৰ কাৰণে আৰু কি হব পাৰে। তেওঁ ৰজালিন্দৰ সেই প্ৰস্তাৱত সম্মতি জনালে। ঠিক সেই সময়তে চিলভিয়াচ আৰু ফিৰিও আহি সেইখিনিতে উপস্থিত হ'ল। চিলভিয়াচে ফিৰিক বিয়া কৰাব খোজ। কিন্তু ফিৰিয়ে বিয়া কৰাব বিচাৰে জিনেমিডক। ৰজালিন্দে ফিৰিক কলে, "ঠিক আছে, কালিলৈ মোক লগ ধৰিবা। মই তোমাক বিয়া কৰাম।" একে দৰেই অৰলেণ্ড আৰু চিলভিয়াচকো কলে যে পিছদিনা তেওঁলোকৰ বিয়া হব।

ইতিমধ্যে পুৰোহিত চাৰ অলিভাৰ মাৰটেক্টৰ সহায়ত টাচ্‌ষ্টান আৰু আড্ৰেইৰ মাজত বিবাহ সম্পাদিত হৈ গৈছে। কিন্তু তাৰ আগতে উইলিয়ম নামৰ অন্য এজন পঁচিশ বছৰীয়া ডেকাক আঁতৰ কৰি লবলগীয়া হৈছিল। কাৰণ উইলিয়ামে বহুত দিনৰ আগৰেপৰা আড্ৰেইক বিয়া কৰাবলৈ আশা কৰি আছিল। উইলিয়ামেও বেছি প্ৰতিবাদ নকৰি, 'আপোনালোকক ঈশ্বৰে সুখী কৰক, ডাঙৰীয়া' বুলি কৈ নিজেই আঁতৰি গ'ল।

নিৰ্দিষ্ট দিনা আৰ্ডেন অৰণ্যৰ এক মনোমোহা ঠাইত জ্যেষ্ঠ ডিউক, জেকুচ, এমিয়েনচ্‌ আদি সকলো একেলগ হ'ল। সোণোবালী ৰ'দৰ কিৰণে ঠাই ডোখৰ জমক জমক কৰি তুলিছে। দুজন ল'ৰাই আনন্দেৰ গান গাবলৈ আৰম্ভ কৰিছিল। আড্ৰেইৰ সৈতে টাচ্‌ষ্টন্ আহি সেই ঠাইত উপস্থিত হ'ল। পিছত আহিল ৰাজালিন্দ্‌ ফিৰি আৰু চিলভিয়াচ। ডিউকক ৰজালিন্দে সুধিলে, "আপুনি কওক, মই যদি আপোনাৰ ৰজালিন্দক আনি দিও আপুনি তেওঁক এই ঠাইতে অৰলেণ্ডৰ হাতত সমৰ্পণ কৰিব নে?"

"নিশ্চয়, আনকি থকা হলে মই ৰজালিন্দৰ লগতে অৰলেণ্ডক মোৰ ৰাজ্যও দি দিলোহেঁতেন।"

এইবাৰ ৰজালিন্দে অৰলেণ্ডক সুধিলে, "আৰু আপুনি, আপুনি তেওঁক গ্ৰহণ কৰিব মই যদি ইয়ালৈ লৈ আহোঁ?"

"নিশ্চয় মই যদি পৃথিৱীৰ ৰজা হওঁ, তেতিয়াও।"

তাৰ পিছত ৰজালিন্দে ফিৰিকো চিলভিয়াচক বিয়া কৰাবলৈ সন্মত কৰালে।

কথা শেষ কৰি ৰজালিন্দ আৰু চিলিয়া সেই ঠাইৰপৰা আঁতৰি গ'ল।

অলপ সময়ৰ পিছতে তেওঁলোক আকৌ ঘুৰি আহিল। কিন্তু এইবাৰ ৰজালিন্দ জিনেমিড্ নামৰ সেই অৰণ্যবাসী ডেকাজনৰ বেশত নাই। মনমোহা যুৱতী ৰজালিন্দৰ বেশতহে। আৰু চিলিয়াও আৰু এমিয়ানচ হৈ নাই, বৰং সুন্দৰী যুৱতী চিলিয়া। আৰ্ডেন অৰণ্যত অভাৱনীয়ভাৱে এই সকলোৰে জীৱনলৈ আনন্দ আৰু মিলন নামি আহিল। জ্যেষ্ঠ ডিউকে তেওঁৰ নিজৰ কন্যা ৰজালিন্দক লগ পালে। ৰজালিন্দ আৰু অৰলেণ্ডৰ মিলন হ'ল। অলিভাৰ আৰু চিলিয়াৰ মিলন হ'ল। চিলভিয়াচ আৰু ফিবিৰ মাজত বিবাহ হ'ল।

আৰ্ডেন অৰণ্যত এইখিনি ঘটি থাকোতেই ডিউক ফ্ৰেডাৰিকৰ জীৱনলৈকো এক ডাঙৰ পৰিবৰ্তন আহিল। তেওঁ দেখিলে যে তেওঁৰ সভাৰ বহু সভাসদে মন গ'লেই আহি নিৰ্বাসিত ডিউকৰ লগ লাগেহি। এবাৰ সেইকাৰণে তেওঁ এদল সৈন্য লৈ আৰ্ডেন অৰণ্যৰ মাজতে নিৰ্বাসিত ডিউকক আক্ৰমণ কৰিবলৈ আগবাঢ়ি আহিছিল। কিন্তু অৰণ্যৰ সমীপৰ এজন বুঢ়া মানুহৰ কথাত পতিয়ন গৈ তেওঁ নিৰ্বাসিত ডিউকক আক্ৰমণ কৰাৰ পৰিকল্পনা বাদ দিলে, বৰং নিজেই সকলো ৰাজ্য ত্যাগ কৰি আৰ্ডেন অৰণ্যলৈ গুচি আহিল।

সেইকাৰণে জ্যেষ্ঠ ডিউকেই পুনৰ ৰাজ্যৰ গৰাকী হ'ল। আৰ্ডেন অৰণ্যত তেওঁৰ লগত থকা সভাসদসকলক নানাভাৱে পুৰস্কৃত কৰি তেওঁ পৰম সুখেৰে দিন যাপন কৰিবলৈ ধৰিলে।



# মিড্ ছামাৰছ নাইটছ ড্ৰিম

এথেন্সৰ ৰজা থেচাচৰ লগত ৰাণী হিপলিটাৰ বিয়াৰ আয়োজন হৈছে। হিপলিটাক থেচাচে লাভ কৰিছে তেওঁৰ বীৰত্বৰ যোগেদি। হিপলিটাৰ পিতৃৰাজ্য আমাজানৰ ৰজাক যুদ্ধত পৰাস্ত কৰি থেচাচে হিপলিটাক লাভ কৰিছে। তৰোৱালৰ যোগেদি এনে এক সুন্দৰী ৰমণী লাভ কৰিছে কাৰণেই ৰজাই গোটেই ৰাজ্যতে উৎসৱৰ ব্যৱস্থা কৰিছে। বিবাহ উৎসৱৰ সকলো আয়োজনৰ দায়িত্ব অৰ্পিত হৈছে ৰজাৰ মুখ্য অনুচৰ ফিলষ্ট্ৰেটৰ ওপৰত।

কিন্তু এনেতে ৰজাৰ সন্মুখলৈ এটা গোচৰ আহিল। এথেন্সৰ এটা প্ৰাচীন ৰীতি, ছোৱালীৰ বিবাহ সম্পৰ্কত দেউতাকৰ মতেই চূড়ান্ত মত। কোনো গাভৰুৱে যদি বিবাহৰ ক্ষেত্ৰত দেউতাকে বাছি দিয়া বৰ গ্ৰহণ কৰিবলৈ অসন্মত হয়, সেই কন্যাৰ শাস্তি হব মৃত্যু। অৱশ্যে তেনে কন্যাক মৃত্যুদণ্ডৰপৰা ৰেহাই দিয়াৰ ক্ষমতা ৰজাৰ হাতত আছে।

এজিয়াছ নামেৰে সম্ভ্ৰান্ত বংশৰ এজন লোকৰ হাৰমিয়া নামেৰে এজনী সুন্দৰী ছোৱালী আছিল। ডেমেট্ৰিয়াচ নামে এজন ডেকাক দেউতাকে হাৰমিয়াৰ কাৰণে বৰ নিৰ্বাচন কৰি দিছে। কিন্তু সুন্দৰী হাৰমিয়াই দেউতাকে নিৰ্বাচন কৰি দিয়া ডেকাক বিয়া কৰাবলৈ সন্মত নহয়। কাৰণ লাইছেন্দাৰ নামে এজন ডেকাৰ লগত তেওঁ ইতিমধ্যে প্ৰণয়াসক্ত। সেই কাৰণে এজিয়াছে ৰজাৰ ওচৰত গোচৰ তৰিছেহি যে লাইছেন্দাৰ নামে ডেকা এজনে তেওঁৰ ছোৱালী হাৰমিয়াক খাৰু মণি আঙঠি আদি উপহাৰ দি আৰু জোনাক নিশা তাইৰ কাণত মধুৰ ভাষাৰে গান গাই বলিয়া কৰিছে। ফলস্বৰূপে হাৰমিয়াই দেউতাকৰ প্ৰতি থকা তাইৰ সকলো শ্ৰদ্ধা ভক্তি হেৰুৱাই পেলাইছে। গতিকে ৰজাই ছোৱালীজনীক ডেমেট্ৰিয়াচক বিয়া কৰাবৰ কাৰণে বাধ্য কৰাব লাগে, নহলে এথেন্সৰ প্ৰাচীন ৰীতিমতে হাৰমিয়াৰ শাস্তি হব লাগে। ডিউকে হাৰমিয়াক কথাটো ভাবি চাবলৈ কলে। কাৰণ দেউতাকৰ কথা অমান্য কৰিলে মৃত্যুদণ্ড গ্ৰহণ কৰিব লাগিব বা বাধ্যতামূলকভাৱে সন্ন্যাসীনীৰ জীৱন যাপন কৰিব লাগিব। ডিউকৰ কথাত হাৰমিয়াই স্পষ্টভাৱে উত্তৰ দিলে যে প্ৰেমবিহীন

বিবাহপাশত তেওঁ কেতিয়াও আবদ্ধ হ'ব নোৱাৰে। লাগিলে মৃত্যুদণ্ড বা সন্ন্যাসিনীৰ জীৱনকে গ্ৰহণ কৰিব। লাইছেণ্ডাৰেও কলে যে জন্মস্বত্ব বা ধন-সম্পদৰ ফালৰপৰাও ডেমেট্ৰিয়াচতকৈ তেওঁ কোনো গুণেই কম নহয়।" উপৰি হেলেনা নামৰ একনী ছোৱালী ডেমেট্ৰিয়াচৰ প্ৰণয়াসক্ত। গোটেইখিনি কথা শুনাৰ পিছত ডিউকে প্ৰেমিক-প্ৰেমিকাসকলক সকলো কথা পুনৰ ভাবি চাবৰ কাৰণে সময় দিলে।

অকলশৰীয়াকৈ লগ ধৰি লাইছেণ্ডাৰে হাৰমিয়াক প্ৰকৃত প্ৰেমৰ পথ যে কিমান বিপদসঙ্কুল সেই কথা কলে। লগতে এই কথাও কলে যে পৃথিৱীৰ সকলো সুন্দৰ বস্তুৰ দৰে প্ৰেমো খুব ক্ষণস্থায়ী। সেই বুলি যে তেওঁ হাৰমিয়াক ত্যাগ কৰাৰ কথা ভাবিছে সেই কথা নহয়। এথেন্সৰপৰা বহুত দূৰত লাইছেণ্ডাৰৰ এগৰাকী বিধৱা পেহীয়েক আছিল। তাইলৈকে দুয়ো গোপনে গুচি যোৱাৰ প্ৰস্তাৱ হাৰমিয়াৰ আগত লাইছেণ্ডাৰে দাঙি ধৰিলে। হাৰমিয়াই আনন্দৰে সন্মতি জনালে। লগে লগে ঠিক হ'ল যে পিছদিনা নিশা হাৰমিয়া ঘৰৰপৰা মনে মনে ওলাই আহিব আৰু লাইছেণ্ডাৰো ওলাই গৈ ওচৰৰ এখন অৰণ্যত দুয়ো লগ হ'ব। তাৰপিছত হাৰমিয়াক লাইছেণ্ডাৰে নিৰাপদে এথেন্সৰ সীমাৰ বাহিৰ কৰি লৈ যাব পাৰিব, য'ত এথেন্সৰ প্ৰাচীন আইনকানুনে তেওঁলোকৰ প্ৰেমৰ পথত বাধাৰ কাঁইট পুতিব নোৱাৰে। ঠিক সেই সময়তে ওলালহি হেলেনা, যাৰ আন্তৰিক ভালপোৱাক লৈ ডেমেট্ৰিয়াচে ধেমালি খেলিব বিচাৰিছে। লাইছেণ্ডাৰ আৰু হাৰমিয়াই হেলেনাৰ আগত তেওঁলোকৰ এই গোপন যাত্ৰাৰ সঙ্কল্পৰ কথা বিবৰি কলে। হেলেনাই ভাবিবলৈ ললে নিজৰ দুৰ্ভাগ্যৰ কথা। অৱশ্যে লাইছেণ্ডাৰৰ লগত হাৰমিয়া গুচি গ'লে ডেমেট্ৰিয়াচক লাভ কৰাটো তেওঁৰ কাৰণে সহজ হ'ব বুলি ভাবি তেওঁ আনন্দ নোপোৱাকৈ নাথাকিল। সেই উদ্দেশ্যেই তেওঁ লৰালৰিকৈ গৈ ডেমেট্ৰিয়াচৰ আগত লাইছেণ্ডাৰ আৰু হাৰমিয়াৰ এই গোপন যাত্ৰাৰ কথা সকলো কৈ দিলে। এটা ৰাতি এটা দিন পাৰ হৈ গ'ল। সেই গুৰুত্বপূৰ্ণ মুহূৰ্তটো আহিল। হাৰমিয়াই ঘৰৰপৰা ওলাই যোৱাৰ মুহূৰ্তটোৰ কাৰণে অপেক্ষা কৰিছে। চন্দ্ৰৰ কোমল পোহৰত মহাৰণ্যত আই লাহে লাহে খোজ দিলে আৰু অৰণ্যৰ অন্ধকাৰৰ মাজত সোমাই পৰিল। লাইছেণ্ডাৰ ইতিমধ্যে আগতেই টৈ সেই বাঞ্ছিত হাৰমিয়াৰ কাৰণে অপেক্ষা কৰিছিলহি। আনফালে ডেমেট্ৰিয়াচো বহি থকা নাই।

মাজৰাতি হাৰমিয়াৰ অন্বেষণত তেবেঁা সেই হাবিলৈ বুলি ওলাল। ডেমেট্ৰিয়াচৰ লগতে হেলেনাও ওলাল। কিন্তু হাৰমিয়াৰ কাৰণে উদ্‌বাউল হৈ পৰা ডেমেট্ৰিয়াচে হেলেনা তেওঁৰ লগত যোৱাটো কোনো পধোই সহ্য কৰিব নোৱাৰে। হেলেনাইও লগ নেৰে। শেষত ভয় প্ৰদৰ্শন কৰিও কৈ চালে যাতে হেলেনা তেওঁৰ লগত নাযায়। কিন্তু ডেমেট্ৰিয়াচৰ প্ৰতি হেলেনা এনেধৰণে আসক্ত যে তেওঁ ডেমেট্ৰিয়াচৰ কোনো ধৰণৰ ভ্ৰুকুটিলৈকে ভ্ৰূক্ষেপ নকৰি তেওঁক অনুসৰণ কৰিলে। ডেমেট্ৰিয়াচে যেতিয়া কলে যে তেওঁ তাইক ভাল নাপায় আৰু কোনোমতেই ভাল পাব নোৱাৰে, তাৰ উত্তৰত হেলেনাই কৈছিল—

তথাপিও মই তোমাক ভাও পাওঁ
ধৰা মই যেনিবা তোমাৰ পোহনীয়া
কুকুৰ পোৱালি।
তুমি যিমানে মোক আঘাত কৰিবা
মই সিমানেই তোমাক বেছিকৈ ভাল পাবলৈ লম।
ঠিক আছে, মোক তোমাৰ পোহনীয়া কুকুৰৰ দৰেই ৰাখা,
মোক ঘিণ কৰা, আঘাট কৰা অবজ্ঞা কৰা, মই
নাই বুলি ভাবা, তথাপিও মোক অনুমতি দিয়া
মই তোমাৰ পাছে পাছে যাও।
মোৰ নিজৰ সন্মানৰ খাতিৰত, আৰু তোমাৰ প্ৰতি
থকা মোৰ আন্তৰিক ভাল পোৱাৰ খাতিৰত
মোক তোমাৰ কুকুৰৰ দৰে ব্যৱহাৰ কৰা।
ইয়াতকৈ বেয়ানো আৰু তোমাৰপৰা মই
কি বিচাৰিব পাৰোঁ, কোৱা ডেমেট্ৰিয়াচ !

হেলেনাৰ এনে আন্তৰিকতাপূৰ্ণ কথায়ো ডেমেট্ৰিয়াচৰ মন কোমলাব নোৱাৰিলে আৰু হেলেনাক এৰি থৈ তেওঁ অৰণ্যৰ মাজত সোমাই পৰিল। জোনৰ পোহৰেৰে বিতোপন হৈ থকা সেই অৰণ্যখন কিন্তু এক ৰহস্যময় অৰণ্য। এই প্ৰকাণ্ড অৰণ্যখনত মইনা, কুলি, ভাটৌ, কোৰা, বনৰীয়া হাঁহ, ডাউক আদি সকলো ধৰণৰ চৰাই বাস কৰিছে। অনৱৰতে সেই চৰাইবিলাকৰ নানাধৰণৰ চিঞৰ আৰু মাতত গোটেই অৰণ্য মুখৰিত হৈ থাকে। তদুপৰি জোনাকী পৰুৱা, তাৰ-গুণাই থকা মৌমাখি, গছৰ ডালত আনন্দমনেৰে জপিয়াই ফুৰা

কেঁকেটুৱা আৰু নানা ধৰণৰ সাপৰ এই অৰণ্য আবাসস্থল। সিংহকে আদি কৰি আনা প্ৰকাৰ বনৰীয়া জন্তুও এই অৰণ্যত পোৱা যায়।

কিন্তু সকলো সম্পদতকৈ এই অৰণ্যৰ আটাইতকৈ মনমোহা সম্পদ হৈছে ঘাহ বনেৰে আবৃত ইয়াৰ ধুনীয়া ধুনীয়া সুৰঙ্গ আৰু গাঁতবোৰ। এই গাঁতবোৰৰ নানা ধৰণৰ বিবিধ ফুল অনবৰতে ফুলি জকমকাই থাকে। এই মনমোহা অৰণ্যতে থাকে পৰীৰ ৰজা অবেৰণ আৰু তেওঁৰ ৰাণী টিটানিয়া। জোনাক নিশা অৰণ্যৰ এই সৰু সৰু ফুলৰ জোপাৰ কাষে কাষে পৰীবিলাকে বিভিন্ন লাস্য আৰু নানা ভঙ্গীৰে নাচে। সেই নাচোনৰ লগে লগে পোৱা তেওঁলোকৰ গীতৰ সুৰ বতাহত ভাহি আহে। বনৰ মাজে মাজে বলা বতাহৰ মৃদুমন্দ গতিৰ লগে লগে পৰীৰ কণ্ঠৰ আমেজসনা সঙ্গীতৰ সুৰ কেউফালে বিয়পি পৰে। টিটানিয়া যেতিয়া অৰণ্যৰ ৰম্যস্থানত ফুলৰ শয্যাত শুই থাকে তেতিয়া পৰীবিলাকে তেওঁক বেৰি গীত গাই আৰু নাচে যাতে কোনো ধৰণৰ বেয়া প্ৰভাৱ তেওঁৰ কাষলৈ আহিব নোৱাৰে।

এই পৰীবিলাক যেন গ্ৰীষ্ম নিশাৰ জোনাকৰ সন্তান। এওঁলোকৰ ৰূপ সপোনৰ দৰে ক্ষণিক আৰু ছায়াময়। কেতিয়াবা কেতিয়াবা এওঁলোক যেনেকৈ ভয়াবহ হব পাৰে সেইদৰে মনমোহা আৰু ৰহস্যময়ী কিন্তু মধুৰ। এই পৰী-বিলাকক যেয়ে সেয়ে দেখা পাব নোৱাৰে ; এওঁলোকক দেখা পাবলৈ হলে কবিৰ দৃষ্টি আৰু কবিৰ কল্পনাশক্তি থাকিব লাগিব।

এক দিব্য উন্মাদনাৰ সোঁতত, কবিৰ দৃষ্টিয়ে
স্বৰ্গৰপৰা মৰ্ত্য আৰু মৰ্ত্যৰপৰা স্বৰ্গলৈকে
সকলো দেখে ; কবিৰ কল্পনাত নানা ধৰণৰ
ন ন কথাই ধৰা দিয়ে আৰু কবিৰ বৰ্ণনাত
কেই অমূৰ্ত কল্পনাই শব্দৰ মাজেদি ৰূপলাভ কৰে,
এক বায়ৱীয় শূন্যতা আমাৰ কাৰণে হৈ পৰে অতিকৈ
চিনাকি আৰু অতিকৈ আপোন।

পৰীৰ ৰজা অবেৰণ আৰু ৰাণী টিটানিয়াৰ মাজত ইণ্ডিয়ান ল'ৰা এটা লৈ কাজিয়া লাগে। অবেৰণক ল'ৰাটো লাগে, টিটানিয়াই নিদিয়ে। এই ল'ৰাটোৰ মাক টিটানিয়াৰ বান্ধবী আৰু তেওঁৰে সমৰ্থকৰ এগৰাকী পৰী। কাজিয়াৰ ফলত টিটানিয়াই অবেৰণক ছিগিলিটাৰ লগত তেওঁক আৰু প্ৰনয় থকাৰ

কথা কৈ তিৰস্কাৰ কৰে। অবেৰণেও ডিউক থেচাচৰ লগত টিটানিয়াৰ একেধৰণৰ প্ৰণয় আছে বুলি কৈ ৰাণীক অভিযুক্ত কৰে। কেতিয়াবা নিজৰাৰ পাৰৰ সেউজীয়া বননিৰ ওপৰত অথবা তৰালি নিশা জোনপোহৰে বনেৰে আবৃত মুকলি ঠাইত ৰজা-ৰাণী পৰস্পৰ লগালগি হলে কাজিয়া আৰম্ভ কৰি দিয়ে। তেওঁলোকৰ তেনে ধৰণৰ কাজিয়া শুনিলে অৰণ্যৰ অন্যান্য অপসৰাসকল ভয়ত ত্ৰস্তমান হৈ পৰে আৰু লতাবনৰ মাজত আত্মগোপন কৰে। কাৰণ দন্দ কাজিয়াই আনকি পৰীৰ ৰাজ্যতো ভয় আৰু উদ্বেগৰ সৃষ্টি কৰে। অবেৰণৰ পাক নামে এজন চতুৰ সহচৰ আছিল। জোনাক নিশা পাক ৰজাৰ লগে লগে ফুৰে আৰু ছল পালেই যি কোনো ধৰণৰ ৰং তামাচাত লাগি যায়। পাকৰ কিছুমান অদ্ভুত ক্ষমতা আছে। তেওঁ ইচ্ছা কৰিলে যিকোনো আকাৰ ধাৰণ কৰিব পাৰে, তেওঁ বৰ বেগৱান। মুহূৰ্ত্ততে তেওঁ বহুত পথ অতিক্ৰম কৰিব পাৰে। আনকি গোটেই পৃথিবীখনৰ চাৰিওমেৰে এপাক ঘূৰি আহিবলৈ পাকক মুঠেই ছকুৰি মিনিট সময়হে লাগে। ইচ্ছা কৰিলে পাকে যিকোনো ধৰণৰ মাত মাতিব পাৰে। কেতিয়াবা সি মাইকী ঘোঁৰাৰ দৰে এনে দৰে হেক হেকনি মাৰে যে মতা ঘোঁৰাবোৰৰ মাজত লাঠিয়ালাঠি লাগে। শকত আবত বয়সীয়া গাভৰু দেখিলে পাক তৎক্ষণাত তিনিঠেঙীয়া টুল এখন হৈ পৰে আৰু ঠিক বহিব খোজোতেই আঁতৰি আহে, ফলস্বৰূপে টুলত বহিব খোজা আলহী মাটিত ঠেকেচা খাই পৰে আৰু সকলোৰে মাজত হাঁহিৰ খলকনি উঠে। পাকৰ আৰু এটা ডাঙৰ গুণ আছিল যে তেওঁ যেতিয়াই তেতিয়াই এটা লেমৰ দৰে জ্বলি উঠিব পাৰে। সেই পৰীৰ অৰণ্যত পাকৰ সেই পোহৰ দেখি আগবাঢ়ি যাওঁতে যাওঁতে বহুতে হাবিৰ মাজত কাঁইটৰ আচোৰ খায়, খাল-ডোঙত সোমাই পৰে। সদায়েই যিকোনো ধৰণৰ ৰং তামাচা কৰি ভাল পোৱা আৰু সদা জাগ্ৰত এই পাকেই আছিল সেই অৰণ্যৰ প্ৰাণস্বৰূপ। পাকৰ গাত এতিয়ালৈকে কাহানিও মদনৰ ফুলশৰৰ আঘাত লগা নাই। পাকৰ বাহিৰে সেই পৰীৰ ৰাজ্যৰ সকলোৱেই প্ৰেমত পৰি এবাৰলৈ হলেও হাবুডুবু খাইছে।

এদিন ৰজা অবেৰণে পাকক মাতি আনি এজোপা বনৰ কথা কলে, যি জোপা বনৰ ফুলক গাভৰুবিলাকে "আলস্ত প্ৰেম" নামে জানে। এই বনৰ অৱস্থাত কোনোবা নাৰী বা পুৰুষৰ চকুৰ পতাত যদি সেই ফুলৰ ৰস সানি দিব পৰা যায় টোপনিৰ পৰা সাৰ পাই উঠি সেই পুৰুষ বা নাৰীয়ে প্ৰথমে যাকে

দেখে তাৰে প্ৰেমত পৰিব। ৰজাৰ আদেশ, পাকে তেনে ফুল এপাহ আনি দিব লাগে। যেনে আদেশ তেনে কাম, অতি কম সময়ৰ ভিতৰতে পাকে সেই ফুল আনি ৰজাক দিলে।

পাকৰ চতুৰাই এই ফুল পাহ অনোৱাৰ অন্তৰালত অবেৰণৰ এক বিশেষ উদ্দেশ্য আছিল। হেলেনাক কঠোৰ ভাষাৰে নিন্দা কৰি ডেমেট্ৰিয়াচ যেতিয়া অৰণ্যলৈ সোমাই যায়, সেই সময়ত অবেৰণ সেই ঠাইত উপস্থিত হৈছিল আৰু ডেমেট্ৰিয়াচ আৰু হেলেনাৰ মাজত হোৱা সকলো কথা গোপনে শুনি আছিল। ডেমেট্ৰিয়াচৰদ্বাৰা নিষ্ঠুৰভাৱে প্ৰত্যাক্ষিত হোৱা বেচেৰী হেলেনাৰ প্ৰতি অবেৰণৰ খুব দয়া উপজিল। সেই কাৰণেই তেওঁ এতিয়া পাকক নিৰ্দেশ দিছে যে অৰণ্যত এজন এথেনিয়ান যুৱক আছে, টোপনি অৱস্থাত থাকোতে সেই যুৱকৰ চকুৰ পতাত যেন এই ফুলৰ ৰস সানি দিয়া হয়। অবেৰণৰ নিৰ্দেশ ক্ৰমে পাকে সেই অৰণ্যত এথেনিয়ান যুৱকক বিচাৰি ওলাল। অবেৰণৰ ধাৰণা এইবাৰ আৰু ডেমেট্ৰিয়াচে বেচেৰী হেলেনাক অৱজ্ঞা কৰিব নোৱাৰে। কিন্তু কি দুৰ্বিপাক, পাকে ভুল কৰি অৰণ্যৰ মাজত শুই থকা অৱস্থাত লাইছেণ্ডাৰক লগ পাই তেওঁকে তেওঁ (পাকে) বিচাৰি ফুৰা যুৱক বুলি ভাবি লাইছেণ্ডাৰৰ চকুৰ পতাতে সেই যাদুৰস সানি দিলে। বাকী থকা যাদুৰস লৈ অবেৰণ এইবাৰ ফুলৰ শয্যাত শুই থকা তেওঁৰ ৰাণী টিটানিয়াৰ কাষলৈ গ'ল। টিটানিয়াৰ প্ৰতি থকা তেওঁৰ আক্ৰোশ পূৰাবলৈ গৈ টিটানিয়াৰ চকুৰ পতাতে সেই যাদুৰস সানি দি অবৰণে কবলৈ ধৰিলে—

সাৰ পাই উঠি প্ৰথমে তুমি যাকে দেখিবা
তাকে তোমাৰ প্ৰকৃত প্ৰেমিক বুলি ভাবিবা,
প্ৰেমৰ ভাবেই হওক বা বিৰাগৰ ভাবেই হওক, তেওঁৰ প্ৰতিয়েই হব।
তেহেলৈ সেইটো হেপা, মেকুৰী নাইবা ভালুক,
কুকুৰনেচীয়া বাঘ বা নোমাল ভালুকেই হওক,
তুমি যেতিয়া সাৰ পাবা তোমাৰ কাৰণে সেইটোৱেই
হব অতি মৰমৰ।
তেতিয়াই যেন সাৰ পোৱা যেতিয়া তোমাৰ কাষত
তেনে এটা কুৎসিত জন্তু থাকে।

ইতিমধ্যে সেই অৰণ্যৰ মাজেদিয়েই এটা শিল্পীদল পাৰ হৈ আহিছে। তেওঁলোকৰ মাজত আছে কাপোৰ বোৱা নিক্‌বটম্।

ফ্ৰেন্সিস্‌ফ্লুট, কাঠমিস্ত্ৰী পেটাৰ কুইন্স, দৰ্জি ৰবীন ষ্টাৰভেলিং আৰু তেনেধৰণৰ খাচখুচ কাম কৰোতা টম স্নাউট আৰু প্ৰাগ। এওঁলোক আহিছে ডিউক আৰু হিপলিটাৰ বিবাহ উৎসৱত সহযোগ কৰিবলৈ। তেওঁলোকে "পাইৰামাচ আৰু ঠিচ্‌বিৰ শোকাবহ পৰিণতিৰ কাহিনী" নামৰ নাটক এখনৰ অভিনয় কৰিবৰ কাৰণে ঠিক কৰি আহিছে। এই দলটোৰ আটাইকেইজনেই হাতুৰি বটালিৰে কাম কৰি জীৱিকা উপাৰ্জন কৰা মানুহ। গতিকে তেওঁলোকৰ মনত কোমল ভাব অনুভূতিৰ তেনেকুৱা কোনো স্ফুৰণ নাই। তথাপিও ডিউকৰ বিবাহ উৎসৱত তেওঁলোকেও সাধ্যানুসাৰে যোগদান দিয়াটো উচিত বুলি ভাবি তেওঁলোক আহিছে। দলটোৰ ভিতৰত আটাইতকৈ পাকৈত আৰু খুহুতীয়া অভিনেতা নিক বটম। ষ্টেইজ মেনেজাৰ কুইন্স আৰু নিক বটমৰ মাজত কোনে কি ভাও লব সেই বিষয়ে আলোচনা হৈছে। নিক বটমৰ এনেহে মনোভাব যদি তাক দিয়ে সিয়েই যেন নাটকৰ আটাইবোৰ ভাও লব। নাটকত সিংহৰ ভাও এটাও আছে। বটমৰ সেই ভাওটিৰ প্ৰতি খুব আগ্ৰহ, যিহেতু তাৰ মাতটোও খুব ডাঙৰ। সেই কাৰণে সি কৈছে, "মোক সিংহৰ ভাওটোও দিয়া, মই এনেদৰে গৰ্জিবলৈ লম দৰ্শকে শুনি তেনেই একেবাৰে অম্লান মানিব নহয়। আৰু ডিউকে শুনি কবলৈ ধৰিব, "তেওঁক আকৌ গৰ্জিবলৈ কোৱা, আকৌ গৰ্জিবলৈ কোৱা।" কিন্তু কুইন্সে কলে যে তাৰ মাত শুনি ৰাণীয়ে আৰু মহিলাসকলে ভয়তে চিঞৰিবলৈ ধৰিব, ফলস্বৰূপে ডিউকে তাক ফাঁচী শালত তুলিব। তেতিয়া নিক বটমে কলে যে সি ইমান সৰুকৈ গৰ্জন কৰিব, যেন কপোৱে কণহে দিছে বা কুলি চৰাইয়েহে মাতিছে। অৱশেষত নিকৰ ভাগত নাটকৰ নায়ক পাইৰামাচৰ ভাওটো পৰিলগৈ, নিকে তাকে লৈ সন্তুষ্ট হ'ল। অৰণ্যৰ মাজত ভাল ঠাই এটুকুৱা বাছি লৈ তেওঁলোকে ৰিহাৰ্চেল কৰিবলৈ লাগি গ'ল। ৰিহাৰ্চেল আৰম্ভ হ'ল। নিকে তেওঁৰ বচন মাতিলে। তাৰ পিছত ৰাণী ঠিচ্‌বি সোমাই আহিব লাগে। সেই কাৰণে বটম অলপ আঁতৰি ৰৈছে, ঠিক সেই সময়তে ঘটিল এটা কাণ্ড। পাকে ইতিমধ্যে তেওঁলোকৰ এই সকলো বিলাক লক্ষ্য কৰি আছিল। তেওঁৰ স্বভাৱসুলভ কৌতুকভাৱে তেওঁ আগবাঢ়ি আহিল আৰু বটমৰ মূৰটো আঁতৰাই থৈ তাত গাধৰ মূৰ এটা বহুৱাই দিলে।

এসোপা নোম, দুখন দীঘল দীঘল কাণেৰে সৈতে অথলা গাধৰ মূৰেৰে সৈতে বটমক দেখি নগৰ সকলোৱে হাঁহিবলৈ ধৰিলে। পাছে নিক বটমক তেনে কৰিয়েই ক্ষান্ত নাথাকিল। নিক বটমৰ দলৰ অন্যান্যসকলৰ মাজতো তাৰ খেলা আৰম্ভ কৰিলে। ফলস্বৰূপে ভয় পাই সকলোৱে লৰালৰিকৈ সেই ঠাই ত্যাগ কৰি যেনিতেনি গুচি গ'ল। অকলশৰীয়া নিক বটমে দীঘল মূৰটো জোকাৰি জোকাৰি ঘাঁহনিৰ ওপৰতে বহি পৰিল আৰু গান গাবলৈ ধৰিলে। যি ঠাইত বহি নিক বটমে এইদৰে গান গাই আছিল, ঠিক সেই ঠাইতে শুই আছিল পৰীৰ ৰাণী টিটানিয়া। টোপনিৰপৰা সাৰ পাই নিক বটমৰ গান শুনি টিটানিয়াই কবলৈ ধৰিলে, "পৃথিৱীৰ মৰণশীল প্ৰাণী হৈয়ো তুমি ইমান সুৰদি কণ্ঠে গান গাইছা। তোমাৰ কণ্ঠৰ মাধুৰ্যই মোক মুগ্ধ কৰিছে।" নিক বটমৰ মনোৰম দেহ লাৱণ্যই টিটানিয়াক মুগ্ধ কৰিলে আৰু যেতিয়া বটমৰ মুখৰ কথা শুনিলে তেতিয়া ৰাণী আনন্দত আত্মহাৰা হৈ পৰিল আৰু কবলৈ ধৰিলে তেওঁ (বটম) যিমান ধুনীয়া সিমান জ্ঞানীও।

প্ৰেমৰ বাগীত কৰ নোৱাৰা হোৱা ৰাণীয়ে নিক বটমৰ ওচৰত দম্ভৰমত প্ৰেম নিবেদন কৰাত লাগি গ'ল। তেওঁ নিক বটমক সদাই তেওঁৰ কাষতে থাকিবলৈ অনুৰোধ কৰিলে আৰু তেওঁৰ প্ৰেম গ্ৰহণ কৰিলে নিক বটম কেনে সুখত থাকিবলৈ পাব তাৰো বৰ্ণনা দিলে। নিক বটম যদি ৰাণীৰ কাষত থাকে তেওঁ সকলো সময়তে অপ্সৰাসকলৰ পৰিচৰ্যা লাভ কৰিবলৈ পাব, তেওঁ যেতিয়া কোমল ফুলৰ বিছনাত শুই থাকিব অপ্সৰাসকলে তেওঁলৈ সাগৰৰ তলৰপৰা মুকুতা আনি দিব, ধুনীয়া গীত গাই তেওঁক শুৱাব। সিমানেই তেওঁক সিঁহতে আঙুৰ, মধুৰী আদি সুস্বাদু ফলমূল আনি খাবলৈ দিব, মৌ বাহৰপৰা মৌ কোহ আনি খাবলৈ দিব আৰু জোনাকী পৰুৱাৰ পাখীৰপৰা ৰশ্মি কণা আনি পোহৰ যোগাব। এইদৰে নানা কথা কৈ ৰাণী টিটানিয়াই নিক বটমক লৈ গৈ ফুলৰ বিছনাত শুৱালে আৰু মৰম মিহলি দৃষ্টিৰে তেওঁক উটাই বুৰাই নিকৰ ধুনীয়া গাল দুখনত আঙুলি বুলাব ধৰিলে আৰু দীঘল দীঘল মনোৰম কাণ দুখনত চুমা আঁকি দিলে। এক গভীৰ আনন্দত নিক বটম ডুবি পৰিল আৰু এগৰাকী অপ্সৰাক মৌ জোল আনিবৰ কাৰণে পঠাই দিলে। নিক বটমৰ ভোক লগা যেন দেখি টিটানিয়াই কেৰেকটুৱাই লুকাই থোৱা ঠাইৰপৰা নতুন কোমল বাদাম আনি দিব বিচাৰিলে কিন্তু বটমে কলে যে তেওঁক একোছা

গুকান শেৰ বা দুমুঠিমান গুকান মটৰচক্ৰ লাগে। লাহে লাহে বটমৰ টোপনি আহিল আৰু গাধৰ দীঘল মুৰটো জোকাৰি জপক জপক টোপনিয়াব ধৰিলে। প্ৰেমিকৰ দীঘল চুলিকোছাৰ মাজত মুকুতাৰ দৰে নিয়ম পৰি থকা নানাবিধ ফুল চটিয়াই থাকোতেই ৰাণীৰো টোপনি আহিল। ইতিমধ্যে অৰণ্যৰ অন্যান্য ঠাইতো কিছুমান নতুন নতুন ঘটনা ঘটিবলৈ ধৰিলে। শুই থকা অৱস্থাত লাইচেণ্ডাৰৰ চকুতো পাকে সেই যাদুকৰী ফুলৰ ৰস সানি দিলে। সাৰ পাই লাইচেণ্ডাৰে তেওঁৰ কাষতে দেখা পালে হেলেনাক। লগে লগে তেওঁ হেলেনাক ভাল পাবলৈ ধৰিলে। হেলেনাৰ প্ৰেমত পৰি লাইচেণ্ডাৰে তেওঁৰ প্ৰেমিকা হাৰমিয়াক ঘিণ কৰিবলৈ আৰম্ভ কৰিলে। হঠাৎ লাইচেণ্ডাৰৰ এনে নতুন ব্যৱহাৰত হেলেনা অবাক হ'ল। হেলেনাই ভাবিলে লাইচেণ্ডাৰে তেওঁক ঠাট্টা কৰিছে। কিন্তু, হাৰমিয়াক শুই থকা অৱস্থাতে এৰি লাইচেণ্ডাৰে হেলেনাৰ লগে লগে যাব ধৰিলে।

পৰী ৰাজ্যৰ ৰজা অবেৰণে অৰণ্যৰ মাজত ঘূৰি ফুৰোতে অকস্মাতে লগ পাই গ'ল টোপনিত লাল কাল হৈ থকা ডেমেট্ৰিয়াচক। ৰজাৰ বুজিবলৈ বাকী নাথাকিল যে পাকে নিশ্চয় অন্য কাৰোবাকে ডেমেট্ৰিয়াচ বুলি ভুল কৰিলে, লৰালৰিকৈ তেওঁ ডেমেট্ৰিয়াচৰ চকুৰ পটাত সেই যাদুকৰী ফুলৰ ৰস সানি দিলে। টোপনিৰপৰা সাৰ পাই ডেমেট্ৰিয়াচৰ চকু যাৰ ওপৰত পৰিল সেই গৰাকী হৈছে হেলেনা। লগে লগে ডেমেট্ৰিয়াচৰ হেলেনাৰ প্ৰতি গভীৰ প্ৰেম উপজিল। এসময়ত অনাদৃত গাভৰু হেলেনাক এতিয়া একেসময়তে লাইচেণ্ডাৰ আৰু ডেমেট্ৰিয়াচ দুয়োজন পুৰুষে ভাল পাবলৈ ললে। লাইচেণ্ডাৰৰ সাক্ষাততে ডেমেট্ৰিয়াচে হেলেনাৰ ৰূপ সৌন্দৰ্যৰ প্ৰশংসা কৰিবলৈ ধৰিলে। ডেমেট্ৰিয়াচৰ এনে ব্যৱহাৰত হেলেনা বিস্ময়ত অভিভূত হৈ পৰিল। সেই মুহূৰ্ততে সেইখিনিত উপস্থিত হ'লহি হাৰমিয়া। কিন্তু হাৰমিয়াক লাইচেণ্ডাৰে কলে যে তেওঁৰ (হাৰমিয়া) প্ৰতি থকা লাইচেণ্ডাৰ ভালপোৱা ঘৃণালৈ পৰিবৰ্তিত হৈছে। তেওঁৰ (লাইচেণ্ডাৰৰ) সকলো ভালপোৱা এতিয়া হেলেনাৰ ওপৰতহে প্ৰতিষ্ঠাপিত হৈছে। দুয়ো গাভৰুৰ মন সন্দেহ, বিশ্বাসঘাটকতা আৰু অবিশ্বাসৰ ক'লা ডাৱৰে ঢাকি পেলালে। এই সকলোবিলাকৰ মূলতে হাৰমিয়াৰ কূট ষড়যন্ত্ৰ আছে বুলি ভাবি হেলেনা অতিশয় ক্ৰুদ্ধ হ'ল।

হাৰমিয়াই প্ৰতিবাদৰ সুৰত কৈ উঠিল যে তেওঁ লাইচেণ্ডাৰক প্ৰাণ ভৰি

ভাল পায়। আৰু তেওঁৰ কাষতে নিজক সম্পূৰ্ণৰূপে অৰ্পণ কৰি দিছিল। কিন্তু মনৰ সকলো সৌন্দৰ্য হেৰুৱাই পেলাই লাইছেন্দাৰে তেওঁক বিৰক্তি সঙ্গিনী বুলি ভিৰকাৰ কৰিছে। লাইচেন্দাৰৰ তেওঁৰ প্ৰতি থকা প্ৰগাঢ় কাঢ়ি নিয়াৰ কাৰণে হাৰমিয়াই হেলেনাক পাৰেমানে নিন্দা কৰিলে। সকলোৰে মীমাংসা কৰিবৰ কাৰণে ডেমেট্ৰিয়াচে লাইছেন্দাৰক মুখামুখি আহ্বান কৰিলে।

অদূৰত থাকি অবেৰণে এই সকলোবিলাক লক্ষ্য কৰি আছিল। তৎক্ষণাত তেওঁ পাকক আদেশ দিলে যাতে গোটেই অৰণ্যতে গভীৰ কুঁৱলীৰ সৃষ্টি কৰি দিয়া হয়। যেনে আদেশ তেনে কাম। গোটেই অৰণ্য কুঁৱলীয়ে ঢাকি পেলোৱাৰ কাৰণে কোনেও কাকো বিচাৰি নোপোৱা হ'ল। কোনেও কাকো বিচাৰি নাপাই অৱশেষত ভাগৰে যোগৰে সকলো ৰ'তে ত'তে আগৰত শুই পৰিল। পাকক এইবাৰ অবেৰণ লাইছেন্দাৰৰ চকুত অন্য এবিধ ৰস সানি দিবলৈ নিৰ্দেশ দিলে, যিহৰ ফলত লাইছেন্দাৰে হাৰমিয়াক ভাল পাবলৈ লয়। লাইছেন্দাৰৰ চকুত সেইমতেই ফুলৰ ৰস সানি দি পাকে গালে, "বেভিয়া তুমি সাৰ পাবা তোমাৰ আগৰ প্ৰেমিকাৰ চকুৰ দীপ্তিত তুমি তোমাৰ প্ৰেমৰ প্ৰকৃত পোহৰ বিচাৰি পাবা।"

এইবাৰ অবেৰণ পাক সেই ফুলৰ শয্যাৰ কাষ পালেগৈ ৰ'ত শুই আছে টিটানিয়া আৰু গাধৰ মূৰৰ নিক্ বটম, বজাই ৰাণীৰ মূৰৰ ওপৰত তেওঁৰ যাদু লগা মাৰি জাল ঘূৰাই দিলে যাতে ৰাণীয়ে পূৰ্বৰ মানসিক অৱস্থা ঘূৰাই পায়। টোপনিৰপৰা থকমককৈ সাৰ পাই সন্মুখত অবেৰণক দেখি তেওঁ কৈ উঠিল, "হেৰ্চ ৰাম, কিবোৰ যে মই দেখিছিলোঁ। গাধ এটাই যেন মোক মুগ্ধ কৰি পেলাইছিল।"

ইতিমধ্যে নিশাৰ অৱসান ঘটিল আৰু পূব আকাশত ৰঙা ৰঙৰ পোহৰৰ শিখা বিচোৰক হৈ উঠিল। সুললিত কণ্ঠৰ গীত গাই জাকত পক্ষীয়ে আকাশলৈ উৰা মাৰিলে। গ্ৰীষ্মকালৰ নতুন পুৱাৰ উজ্জ্বলতাত গোটেই অৰণ্যখন যেন প্ৰাণ চঞ্চল হৈ উঠিল। লগে লগে শুনা গ'ল চিকাৰীবিলাকৰ শিঙাৰ শব্দে গোটেই অৰণ্য নিনাদিত হৈ উঠিল। বাঁহ বনৰে আবৃত অঞ্চলবোৰ পক্ষীৰ মাতেৰে মুখৰিত হৈ পৰিল। ফেৰাৰ ফেৰাৰ অপ্সৰা আৰু পৰীয়ে ৰজা অবেৰণ আৰু ৰাণী টিটানিয়াক আগুৰি নৃত্য কৰিবলৈ ধৰিলে, এই নতুন উন্মাদনাৰ মাজতে টোপনিত থকা বটমৰ মূৰৰ গাধৰ মূৰটো পাকৰ কৌশলত

নাইকিয়া হৈ গ'ল। ঠিক তেনে সময়ত সেই অৰণ্যত প্ৰৱেশ কৰিছে ডিউক থেচাচ আৰু ৰাণী হিপলিটা। তেওঁলোকৰ লগত আহিছে বহু চিকাৰী, কেইবাজনো লগৰীয়া পৰিষদ, টোপনিত লালকাল দি থকা ডেমেট্ৰিয়াচ, লাইছেন্দাৰ, হেলেনা আৰু হাৰমিয়া ডিউকৰ লগত অহা চিকাৰীৰ শিঙাৰ ধ্বনিত সাৰপাই উঠিল। চাৰিওজনকে একে ঠাইতে দেখি ডিউক অতিশয় আনন্দিত হ'ল আৰু তেওঁলোক কেনেকৈ একত্ৰিত হ'ল সেই কথা সুধিলে।

লাইছেন্দাৰ বিনয় আৰু নম্ৰতাৰে কেনেকৈ তেওঁ হাৰমিয়াৰ সৈতে পলাই আহি এই অৰণ্যতে সোমাইছে সেই কথা কব'লহে পালে, ডিউকৰ লগতে অহা হাৰমিয়াৰ দেউতাক খঙত জ্বলিপকি উঠিল। তেওঁৰ ডিউকৰ কাযত নিবেদন জনালে লাইছেন্দাৰৰ এই দুষ্কৃতি যাতে সুবিচাৰ কৰা হয়। লগে লগে ডেমেট্ৰিয়াচে তেওঁৰ বক্তব্য আগবঢ়ালে। তেওঁ কলে যে কি শক্তিৰ বলত তেওঁ নিজেই নাজানে হাৰমিয়াৰ প্ৰতি তেওঁৰ আৰু এতিয়া অলপো অনুৰাগ নাই, তেওঁ এতিয়া সম্পূৰ্ণৰূপে ভাল পায় হেলেনাক। ডেকা গাভৰু দুযোৰাৰ চকুৰ চাৱনিত যেন তেওঁলোকৰ হৃদয়ৰ ভাৱ অনুভূতি বট়িয়া'কৈ ফুটি উঠিল। এনে মুহূৰ্তত থেচাচ আৰু কোনোপধ্যেই কঠোৰ হব নোৱাৰিলে। এজিয়াচকো তেওঁ ডেকা গাভৰুসকলৰ গভীৰ ভালপোৱাৰ পথেদি হোৱা মিলনত কোনোধৰণৰ প্ৰতিবন্ধকতাৰ সৃষ্টি নকৰিবৰ কাৰণে অনুৰোধ জনালে। লগতে ডিউকে এই কথাও ঘোষণা কৰি দিলে যে ৰাজধানীত তেওঁৰ আৰু হিপলিটাৰ বিবাহ উৎসৱৰ লগতে এই ডেকা গাভৰু দুযোৰাৰো বিবাহ উৎসৱ সম্পাদিত হব। আনন্দত উৰুলিপুঙা হোৱা চিকাৰীসকলৰ নাচ গান আৰু হাঁহি আনন্দৰ মাজেৰে গোটেই দলটো এথেন্স অভিমুখে ৰাওনা হ'ল।

গভীৰ টোপনিৰপৰা নিক 'বটম সাৰ পাই উঠিল, কিন্তু কাষত তেওঁৰ লগৰীয়া পেটাৰ কুইন্সইতক নাপাই বিমূৰ্তি খালে। চকু মুখ মোহাৰি তেওঁ কেউফালে চায়; নাই কোনো নাই। বটমে মনে মনে ভাবিলে তেওঁ যেন এটা বৰ অদ্ভুত সপোন দেখিলে। ইচ ৰাম, কি যে সপোন দেখিলোঁ! মানুহেতো ভাবিব নোৱাৰে এনে সপোনৰ কথা! মানুহৰ ভাবনাৰো বাহিৰৰ এই সপোন। ঠিক আছে পেটাৰ কুইন্সক এই সপোনৰ কথাৰে এটা কাহিনী গীত লিখিবলৈ কম, আৰু সেই কাহিনী গীতৰ নাম হব বটমৰ সপোন, কাৰণ এই সপোনৰ কোনো বটম (তলি) নাই।

শোৱাৰপৰা উঠি নিক বটমে লাহে লাহে খোজ দিলে, কিন্তু অ'ত ত'ত দুই এটা চৰায়ে জপিয়াই থকাৰ বাহিৰে আৰু কৰবাত একোটা কেৰ্কেটুৱাই জপিওৱাৰ বাহিৰে তেওঁ আৰু একো দেখা নাপালে, নিজৰ মনতে নিজেই নানা কথা গুণি গাঠি তেওঁ আহি আহি অৰণ্যৰ কাষ পালেহি। লগে লগে দেখিলে ডিউকৰ বিবাহ উৎসৱৰ কাৰণে মানুহ ধুমধাম যাব লাগিছে। লৰালৰিকৈ তেওঁও আগবাঢ়িল। ভাগ্যক্ৰমে সেই উৎসৱত তেওঁলোকৰ দলে অভিনয় কৰিবলৈ অনা নাটকত তেওঁ অংশ গ্ৰহণ কৰিবলৈ পালে।

দিনমণিয়ে বিদায় ললে। নিশাৰ অন্ধকাৰ নামি আহিল। ডিউকৰ বাসভৱনত পূৰ্ণ উদ্যমেৰে তিনি যোৰা প্ৰেমিক প্ৰেমিকাৰ বিবাহ উৎসৱ সম্পাদিত হ'ল। বিবাহ উৎসৱৰ নানা আনন্দ আহ্লাদৰ মাজতে পেটাৰ কুইন্সৰ দলটোৰ অভিনয় খুব উপাদেয় হৈছিল। "পাইৰামাছ আৰু থিছবি" নামৰ নাটকৰ অভিনয় চাই সকলো আনন্দত অধীৰ হৈ পৰিছিল। নাটকখনৰ বিসদৃশ কথা আৰু ঘটনাই দৰ্শকৰ মাজত হাঁহিৰ খলকণি তুলিছিল।

নিশা গভীৰ হৈ আহিল, ডিউকে অতিথিসকলক বিদায় দিলে। কেউফালে নিজম পৰি গ'ল। কিন্তু সেই পৰিবেশ বেছি সময় ধৰি নাথাকিল। পাক আহি সেই ঠাইত উপস্থিত হ'ল। পাকৰ লগতে আহিল পৰী ৰাজ্যৰ ৰজা অবেৰণ আৰু ৰাণী টিটানিয়া। ৰজা ৰাণীৰ লগে লগে কাৰেঙৰ খোলা খিৰিকিয়েদি সোমোৱা জোনৰ পোহৰৰ শিখাৰ লগে লগে নামি আহিল অসংখ্য পৰী আৰু পৰী ৰাজ্যৰ অপ্সৰা। নৱ দম্পতীসকলৰ মিলন উৎসৱত অংশ গ্ৰহণ কৰিবলৈ এওঁলোক আনন্দত উদ্বেলিত হৈ আহিছে। কেউফালে মধুৰ সঙ্গীতৰ গুঞ্জন আৰম্ভ হ'ল। ৰজা অবেৰণেও এটা গীত আৰম্ভ কৰিলে। লগে লগে ডিউকৰ সেই অট্টালিকা পৰীৰ নৃত্য গীতেৰে উপচি পৰি এক সপোন পুৰীলৈ পৰিৱৰ্তিত হ'ল। এই পুৰণি পৃথিৱীখন যিমানেই পুৰণি নহওক যেতিয়া ইয়ালৈ প্ৰেমৰ ঢল নামে ই এক মোহময়ী ৰাজ্যলৈ পৰিৱৰ্তিত হৈ পৰে। সাধাৰণ দৃষ্টিভঙ্গীত এই পৃথিৱীখন হয়তো তুচ্ছ আৰু নীৰস কিন্তু প্ৰেমৰ অনুৰাগেৰে বোলোৱা সুন্দৰ আৰু বিতোপন।



# টেম্‌পেষ্ট

মিলান নগৰৰ শাসনকৰ্তা ডিউক প্ৰচপাৰো আছিল এজন উচ্চমনৰ সাধু লোক। নিৰলে অকলশৰে তেওঁৰ পঢ়া কোঠাত বহি জীৱন আৰু জগতৰ গোপন তত্ত্ব আৰু তথ্য জানিবৰ কাৰণে কিতাপৰ মাজত আত্মনিয়োগ কৰাই আছিল তেওঁৰ জীৱনৰ লক্ষ্য আৰু সাধনা। জগতৰ গোপন ৰহস্য জানিবৰ কাৰণে তেওঁ ইমান ব্যাকুল যে পুথিৰ জ্ঞানক বাস্তৱ জীৱনত খটুৱাই সাংসাৰিক অৰ্থত এটা সাৰ্থক জীৱন যাপন কৰিবলৈ তেওঁ যেন আহৰি নাপাইছিল। ফল স্বৰূপে শাসনকাৰ্যত চকু দিবলৈ প্ৰচপাৰোই মুঠেই সময় পোৱা নাছিল। শাসনৰ দায়িত্বক তেওঁ পোনপটীয়াভাবেই আওকাণ কৰিছিল। অৱশ্যে, প্ৰচপাৰোৰ এটা সুবিধাও আছিল। তেওঁৰ ভায়েক এনটনিয়ক তেওঁ খুব বিশ্বাস কৰিছিল। সেইকাৰণে তেওঁ ৰাজ্যৰ সকলো দায়িত্ব অৰ্পণ কৰিছিল এনটনিয়ৰ ওপৰতে। মিলানৰ ডিউক যদিও প্ৰচপাৰো; প্ৰকৃততে শাসনকাৰ্য চলাইছিল এন্‌টনিয়ইহে। এন্‌টনিয় কিন্তু সিমানতে ক্ষান্ত নাথাকিল। তেওঁৰ উচ্চাকাঙ্ক্ষাই সীমা চেৰাই গ'ল। তেওঁক ইমান আন্তৰিকভাৱে বিশ্বাস কৰা ককায়েক প্ৰচপাৰোৰ বিৰুদ্ধে তেওঁ নিজে ষড়যন্ত্ৰৰ জাল তৰিলে।

ডিউক প্ৰচপাৰোৰ একটিমাত্ৰ সন্তান, এজনী ছোৱালী, সেই ছোৱালীজনীৰ আনন্দমুখৰ হাঁহিৰ জেউতিয়েই পণ্ডিত পিতাৰ অকলশৰীয়া জীৱনৰ একমাত্ৰ পাৰ্থিৱ সম্পদ। অৱশ্যে প্ৰচপাৰোই মানুহৰ মৰমৰ অভাব কাহানিও অনুভৱ কৰা নাছিল। যদিও ৰাজকাৰ্যত তেওঁৰ মুঠেই ৰাপ নাছিল, মিলানৰ প্ৰজা সাধাৰণে প্ৰচপাৰোক খুব ভাল পাইছিল আৰু প্ৰচপাৰোৰ পাণ্ডিত্যৰ কাৰণে তেওঁলোকে গৌৰৱ বোধ কৰিছিল। সেই কাৰণে প্ৰচপাৰোৰ বিপক্ষে ষড়যন্ত্ৰ কৰোতে এন্‌টনিয়ই খুব সাৱধান হবলগীয়া হৈছিল। কিন্তু এই কাৰ্যত এন্‌টনিঅ'ক সহায় কৰিবলৈ আগবাঢ়ি আহিল নেপোল্‌চৰ ৰজা। নেপোল্‌চৰ ৰজাৰ প্ৰচপাৰোৰ বিপক্ষে অভিযোগ হ'ল—যিজন মানুহে অধ্যয়নক ৰাজ্য শাসনতকৈ যেতিয়া শ্ৰেষ্ঠ স্থান দিয়ে সেইজন মানুহক শাসনৰ গাদীৰপৰা যি কোনো উপায়ে নমাবই লাগিব।

এন্‌টনিয় আৰু নেপোনচৰ ৰজাৰ এই গোপন ষড়যন্ত্ৰ সম্পাদন কৰিবৰ কাৰণে দায়িত্ব পৰিল বুঢ়া মন্ত্ৰী গনজালৰ গাত। এখন পুৰণা ভগা জাহাজ আনি নেপোল্‌চৰ বন্দৰত সাজু কৰি থোৱা হ'ল। ব'ঠা পাল আদি একো নথকা এই জাহাজখনত কোনো ধৰণৰ খোৱা বস্তুৰে একো ব্যৱস্থা ৰখা নহৈছিল। কিন্তু

বৃদ্ধ গনজালই গোপনে জাহাজৰ তলিত কাৰো চকুত নপৰাকৈ বহুখিনি খোৱা বস্তু, পিন্ধা কাপোৰ; সাগৰীয় যাত্ৰাত প্ৰয়োজনীয় নিত্য ব্যৱহাৰ্য অন্যান্য বস্তু আৰু প্ৰচপাৰোৰ প্ৰিয় কিছুমান অতিশয় মূল্যবান কিতাপ জমা কৰি থলেহি।

হঠাৎ অন্ধকাৰ নিশা মিলানৰ ৰাজ অট্টালিকাৰ ৰখীয়াসকলক আক্ৰমণ কৰা হ'ল আৰু বিশ্বাসঘাটক এন্‌টনিঅ'ৰ নেতৃত্বত নেপোলচৰ সৈন্যবাহিনী মিলানৰ ৰাজ অট্টালিকাত প্ৰবেশ কৰিলে। বিশ্বাসঘাটকহঁতে প্ৰচপাৰোক বন্দী কৰিলে। কেৱল বন্দী কৰাই নহয়, প্ৰচপাৰোক তেওঁৰ বুকুতে শুই থকা শিশু কন্যাটিৰ সৈতে লৈ গ'ল আৰু বন্দৰত সাজু কৰি ৰখা ভগা জাহাজখনত উঠাই দিলেগৈ। কোনোবা এটা মুহূৰ্তত ভগা জাহাজখনক সাগৰৰ ঢৌৱে মাজসাগৰৰ বুকুলৈ লৈ গ'ল। উত্তাল সমুদ্ৰৰ বুকুত কোনোবা এটা সময়ত সেই অসহায় ভগা জাহাজখনক এটা ভয়াবহ সাগৰীয় ধুমুহাই বেৰি ধৰিবৰ উপক্ৰম কৰিলে। কাহানিও ভাবিব নোৱাৰা এনে এক দূৰ্ভাগ্যৰ মাজত সোমাই পৰিব লগা হ'লত প্ৰচপাৰোৰ দুই গালেদি চকুপানী বাগৰি আহিল। বিশেষকৈ তেওঁৰ কোলাত তেতিয়া শুই আছিল মানুহৰ জীৱনৰ এই ভয়াবহ কঢ়তা আৰু হৃদয়হীনতাৰ লগত পৰিচিত নোহোৱা তেওঁৰ শিশুকন্যা মিৰান্দা। কেৱল শুই থকাই নহয় দদায়েক এন্‌টনিঅ'ৰ বিশ্বাসঘাটকতা আৰু কপটতাৰ মেৰপাকত পৰি গভীৰ ৰাতি উত্তাল সমুদ্ৰৰ মাজত এখন ভগা জাহাজত তেওঁলোকৰ জীৱনলৈ আহি পৰা এই ভয়ঙ্কৰ অৱস্থাৰ কথা বুজিব নোৱাৰা শিশু মিৰান্দাৰ মুখত তেতিয়া ফুটি উঠিছিল এটি স্বৰ্গীয় হাঁহি। দেউতাকৰ চকুৰ পানী দেখিও চকুপানী আৰু হাঁহিৰ পাৰ্থক্য নুবুজা শিশুটিয়ে মাথোন হাঁহিছিল। অকণমানি মিৰান্দাৰ ওঁঠত হাঁহিৰ বিজুলী দেখি হয়তো প্ৰচপাৰোৰ বুকুলৈ সাহস আহিছিল। সেইয়ে অসীম দৃঢ়তাৰে সৈতে তেওঁ মানুহৰ অন্যায় আৰু নিষ্ঠুৰতাৰ বিপক্ষে মনৰ সকলো শক্তি লৈ সাজু হৈছিল। ৰাতিৰ অন্ধকাৰ লাহে লাহে শেষ হৈ আহিল, বতাহৰ গতি কমি আহিল। কিন্তু ঢৌৰ উত্তাৰল গতিৰ তেতিয়াও উপশম ঘটা নাছিল।

প্ৰচপাৰোই সীমাহীন দিগন্তৰ ফালে চাই থাকি থাকি এবাৰ যেন হঠাৎ তেওঁৰ চকুত এটা দ্বীপ ধৰা পৰিল। লাহে লাহে সাগৰৰ ঢৌৱে প্ৰচপাৰো উঠি থোৱা ভগা জাহাজখন নি সেই দ্বীপৰ কাষ চপাই দিলে। সেই দ্বীপৰ শিলাখণ্ডত যুগ যুগ ধৰি সাগৰৰ ঢৌৱে কোবাব লাগিছে, কিন্তু সেই শিলাখণ্ড যেন মানুহৰ খোজ পৰিব প্ৰথমবাৰৰ কাৰণে আৰু সেই খোজ হব মিলানৰ ডিউক প্ৰচপাৰোৰ আৰু তেওঁৰ কন্যা মিৰান্দাৰ।

ইতিমধ্যে মিলানৰ প্ৰজাসাধাৰণৰ কাৰণে ডিউকৰ এই আকস্মিক অন্তৰ্ধান ৰহস্যজনক হৈ পৰিল। কিন্তু ষড়যন্ত্ৰ ইমান গোপনে চলোৱা হৈছিল যে মিলানৰ মানুহে প্ৰচপাৰোৰ অনুগত ভ্ৰাতৃ এন্‌টনিঅ'ক কোনো মতেই সন্দেহ নকৰিলে।

গতিকে মিলানৰ একমাত্ৰ গৰাকী এতিয়া এন্‌টনিঅ'। তথাপিও মাজৰাতিৰ নীৰৱতাৰ মাজত কেতিয়াবা কেতিয়াবা এনটনিঅ'ই যেন সাগৰৰ মাজত খুন্দা বতাহত মৃত্যুমুখী হোৱা তেওঁৰ কন্যায়েক আৰু ভতিজাকৰ কৰুণ ধ্বনি শুনে।

আনহাতে প্ৰচপাৰো আৰু মিৰান্দাই অকলে আনন্দমনেৰে সেই নিজান দ্বীপত বসবাস কৰিবলৈ ধৰিলে। মানুহৰ সমাজৰপৰা আঁতৰত থাকি তেওঁলোকে সেই দ্বীপত এনে কিছুমান কথা শিকিবলৈ পাইছিল, যিবোৰ কথা তেওঁ মিলানৰ মানুহৰ মাজত থাকিও শিকিবলৈ নাপাইছিল! এই দ্বীপটো আছিল এক মনোময় যাদুকৰী দ্বীপ। সূৰ্যৰ কিৰণেৰে উদ্‌ভাষিত নীলা সাগৰৰ মাজত এই দ্বীপটোক এটুকুৰা হীৰাৰ দৰেহে দেখি। চাৰিওফালে টান শিলাখণ্ডেৰে দ্বীপটো আবৃত। সেই শিলাখণ্ডসমূহৰ মাজে মাজে সাগৰৰ পানীভাগ দ্বীপৰ মাজলৈ সোমাই গৈ ক্ষুদ্ৰ ক্ষুদ্ৰ উপসাগৰৰ সৃষ্টি কৰিছে। সেই উপসাগৰীয় অঞ্চলবোৰেই দ্বীপটোৰ আটাইতকৈ মনমোহা ঠাই। সেই ঠাইবিলাক সোণাৱালী বালি স্তূপেৰে আবৃত আৰু সেই বালিময় ঠাইবিলাকত সাগৰীয় পৰীবিলাকে নৃত্য কৰে আৰু গীত গায়। দ্বীপটোৰ মাজে মাজে ধুনীয়া ধুনীয়া পৰ্বতীয়া ঝৰণা বিলাকে উধাতু খাই নাচি নাচি যেন সাগৰলৈ জাপ দিছে। ভূখণ্ডৰ মাজে মাজে ওক, পাইন আদি নানা ধৰণৰ প্ৰকাণ্ড প্ৰকাণ্ড গছ, ধুনীয়া ধুনীয়া বাঁহনি আৰু নানা ধৰণৰ ফলমূলৰ গছ। সেই দ্বীপত নানা তৰহৰ ধুনীয়া ধুনীয়া ফুলৰ মাজেদি সকলো সময়তে সুবদি বতাহ বয়। গোটেই দিন ধৰি তাত মৌমাখিৰ মৃদু গুঞ্জন শুনিবলৈ পোৱা যায়। দ্বীপৰ ভিতৰৰ ভূমি অঞ্চল ডাঠ হাবি আৰু গভীৰ খাল দোঙোৰে পৰিপূৰ্ণ। এই অঞ্চল বসবাসৰ অনুপযুক্ত। মাথোন ইয়াৰ কাষৰীয়া অঞ্চলত কুকুৰনেচীয়া বাঘ আৰু ভালুকে চিকাৰ ধৰিবলৈ আহে। এই দ্বীপৰ বায়ুমণ্ডল কেতিয়াবা কিবা অদ্ভুত সঙ্গীতৰ মূৰ্চ্ছনাৰে পৰিপূৰ্ণ হৈ উঠে, বতাহে কেতিয়াবা কঢ়িয়াই আনে পৰীবিলাকৰ সঙ্গীতৰ সুষমা, কেতিয়াবা কিবাকিবি ভয়লগা শব্দ, কাৰোবাৰ কেঁকনি গেঁঠনি বতাহৰ লগত ভাহি আহে।

এদিন প্ৰকাণ্ড ওক গছ এজোপাৰ ধোন্দ এটাৰ মাজৰপৰা এটা অদ্ভুত চিঞৰ ভাহি অহা প্ৰচপাৰোৱে শুনিলে। নিজৰ যাদুবিদ্যাৰপৰা তেওঁ জানিব পাৰিলে যে তাত এটা অপ্সৰা বন্দী হৈ আছে। সুদীৰ্ঘ বাৰ বছৰ ধৰি সেই অপ্সৰাটো তাত বন্দী হৈ আছে। ওক গছৰ মাজৰ সেই বন্দীশালৰপৰা ভাহি অহা তাৰ তৰুৰ আৰ্তনাদ আৰু গোঙোৰণিয়ে আনকি অৰণ্যৰ মাজত আশ্ৰয় লৈ থকা হিংস্ৰক জন্তুকো জগাই তোলে। প্ৰচপাৰোৱে তেওঁৰ যাদু বিদ্যাৰ দ্বাৰা সেই অপ্সৰাটোক বন্দীত্বৰপৰা মুক্তি দিলে কিন্তু নিজৰ বশ কৰি ললে। তাৰ নাম আছিল এৰিয়েল। এৰিয়েলে বন্দীত্বৰপৰা মুক্তি লাভ কৰি প্ৰচপাৰোৰ একান্ত অনুগত হৈ পৰিল। সুগন্ধি লাইম গছৰ কাষৰ এটা গুহাম গুহাত প্ৰচপাৰোৱে তেওঁৰ থকা ঘৰ তৈয়াৰ কৰি ললে। বুঢ়া বৰ্ষী গজালোৱে আহাৰৰ তলিত গোপনে ভৰাই

দিয়া বস্তু বাহানিথিনিবে তেওঁৰ ঘৰখন এখন পূৰ্ণ পৰ্যায়ৰ ঘৰ হৈ উঠিল। গুহাৰ তলত প্ৰচপাৰোই সযতনে সংৰক্ষণ কৰিলে যাদুবিদ্যা সম্পৰ্কীয় তেওঁৰ পুথি-সমূহ। বাৰটা বছৰ সেই দৰেই পাৰ হৈ গ'ল। এসময়ৰ অকণমানি মিৰান্দাজনী এতিয়া ধীপলিপ গাভৰু হ'ল। যৌৱনৰ পদূলিমুখত থিয় দিয়া এই ষোড়শী গাভৰু গৰাকীয়ে ইতিমধ্যে এতিয়ালৈকে তেওঁৰ বৃদ্ধ পিতাকৰ বাহিৰে কোনো পুৰুষ দেখি পোৱা নাই। তথাপিও প্ৰকৃতিৰ শিক্ষালয় আৰু নিজৰ মনৰ ভিতৰে দিয়েই তেওঁ জীৱনৰ সকলোবোৰ প্ৰয়োজনীয় কথা আৰু সভ্য মানুহৰ সৌভাগ্যজ্ঞান লাভ কৰিব পাৰিছে।

কেলিবান নামেৰে প্ৰচপাৰৰ আৰু এজন ভৃত্য আছিল। কেলিবানৰ পিতৃ আছিল আৰ্ঘমেন আৰু মাতৃ আছিল ভয়াবহ ডাইনী চাইক'ৰেক্স। আধা মানুহ আৰু আধা জন্তু কেলিবান দেখিবলৈ খুব কুৎসিৎ আছিল। তাৰ স্বভাৱো আছিল একে দৰেই খুব নিষ্ঠুৰ আৰু ভয়াবহ। প্ৰচপাৰোই লগ পাওঁতে সি কথা কব নাজানে। কিন্তু প্ৰচপাৰোই শিকাই বুজাই তাক কথা কব পৰা কৰিলে। তথাপিও তাৰ মুখত ভাল কথা ওলোৱাতকৈ গাও শপনিহে ওলায় বেছিকৈ। প্ৰচপাৰোৰ নিৰ্দেশ মানিবলৈ সি বাধ্য। কাৰণ যাদুৰ বলেৰে প্ৰচপাৰোই তাক নিজৰ অনুগত কৰি লৈছে। তথাপি কাম কৰোঁতে সি অনবৰতে গেঁ গেঁ কৰি অদ্ভুত শব্দ এটা কৰি থাকে। তথাপি সৌন্দৰ্য চেতনাই মাজে মাজে যে তাৰ চিত্ততো তোলপাৰ লগাইছিল এনে নহয়। সপোনত সি কেতিয়াবা কিছুমান সৎ বস্তুৰ সাক্ষাত পায় আৰু তেনে সপোনৰ পিছত যেতিয়া টোপনিৰপৰা সি সাৰ পায়, তাৰ আকৌ তেনে নিদ্ৰাত মগ্ন হবলৈ মন যায়। যেই হওক, দেখিবলৈ কুৎসিৎ হলেও আকৃতিত আধা মানুহ আৰু আধা পশু হলেও, স্বভাৱত নীচ হলেও. কেলিবানক বৰ বেয়া বুলিব নোৱাৰি। কাৰণ, সপোনত ভাল বস্তুৰ লগত সাক্ষাত হোৱা জনে অন্ততঃ জাগ্ৰত অৱস্থাত তেনে সতৰ লগত সাক্ষাৎ হবলৈ আশা কৰিব নিশ্চয় পাৰে। প্ৰচপাৰৰ প্ৰতি কেলিবানৰ ঘৃণাৰ ভাৱহে আছিল। তথাপি প্ৰচপাৰৰ যাদুশক্তিৰ কাৰণে সি খুব ভয় কৰিছিল। সেয়ে প্ৰচপাৰৰ কাষতে সি সদায় বশ হৈ আছিল। কেলিবানে জানিছিল যে প্ৰচপাৰৰ মূলশক্তি নিহিত আছিল তেওঁৰ কিতাপবোৰত। সেই কিতাপবোৰৰ অবিহনে যে প্ৰচপাৰই তেওঁৰ দৰে শিৰিটিক বশ কৰিব নোৱাৰিলেহেঁতেন, .সেই কথা কেলিবানে বুজিছিল. মিচৌ কথা প্ৰচপাৰৰ ভায়েক এণ্টনিয়ই নুবুজিছিল।

নেপোলচৰ বন্দৰৰপৰা এদিন এখন জাহাজ সাগৰৰ বুকুলৈ এৰি দিয়া হ'ল। সেইখন আছিল নেপোলচৰ ৰজাৰ জাহাজ। সেইখন জাহাজত আহিছিল নেপোলচৰ ৰজা আলন্সো, ৰাজভ্ৰাতৃ চেবাষ্টিয়ান, মিলানৰ ডিউক ৰজাৰ বন্ধু এণ্টনিয় আৰু নেপোলচৰ ৰজাৰ পুতেক ফাৰ্ডিনেন্দ। তেওঁলোকৰ এই যাত্ৰা আছিল সাগৰীয় বিহাৰ। জাহাজে লাহে লাহে উপসাগৰীয় অঞ্চল ত্যাগ কৰি

মাজ সাগৰত প্ৰৱেশ কৰিলে। ইতিমধ্যে ৰাতিৰ অন্ধকাৰ নামি আহিল। উত্তাল সাগৰৰ মাজেদি আলোন্স ফাৰ্ডিনেন্দইঁতৰ জাহাজ আগবাঢ়িল।

সেই যাদুকৰী দ্বীপৰ সেই নিৰ্জন গুহাত বহি বহি নিজৰ যাদুশক্তিৰদ্বাৰাই সেই জাহাজৰ গতি বিধি লক্ষ্য কৰি আছিল। লাহে লাহে জাহাজ যেতিয়া সেই দ্বীপৰ কাষ পালেগৈ সাগৰৰ বুকুত এক প্ৰবল বতাহ ধুমুহাৰ তেওঁ সৃষ্টি কৰি দিলে। ক্ৰমান্বয়ে বতাহৰ গতি তীব্ৰ হৈ আহিল। ডাৱৰৰ বুকুফালি ওলোৱা বতাহৰ গাজনি আৰু বতাহৰ ভয়ঙ্কৰ হেন্দোলনিত সাগৰৰ বক্ষ উদ্বেলিত হৈ উঠিল। অন্ধকাৰ নিশা সেই উত্তাল সমুদ্ৰৰ বুকুত নাচি নাচি সেই জাহাজখন এক অচিনাকি দ্বীপৰ উপকূলত লাগি ধৰিলেগৈ। আসন্ন বিপদৰ ভয়ত নাবিক-সকল আত্মৰক্ষাৰ কাৰণে ব্যাকুল হৈ পৰিল। সকলোৰে প্ৰাণৰ মমতা, কোনেও কালৈকো চাবলৈ সময় নাই। তথাপি নাবিকসকলে যিমান পাৰে যাত্ৰী-সকলক ৰক্ষা কৰিবৰ কাৰণে চেষ্টা কৰিলে। কিন্তু তেওঁলোকৰ সকলো চেষ্টা ব্যৰ্থ কৰি জাহাজখনক এবাৰ সমুদ্ৰৰ উত্তাল ঢৌৱে এটা শিলৰ মাজত পেলাই দিলে। "সকলো শেষ, সকলো শেষ" কেউফালৰপৰা চিঞৰ বাখৰ লাগিল। জাহাজৰ যাত্ৰী কোন ক'ত উফৰি পৰিল একো ইয়ত্তা নাই। কোনোবা এটা মুহূৰ্তত আকৌ ঢৌৰ বোকোচাত খণ্ড বিখণ্ড হোৱা জাহাজখন মাজ সাগৰলৈ গুচি গ'ল। লাহে লাহে ধুমুহা কমি আহিল। নাবিকসকলে দেখে ৰজা আৰু ৰজাৰ লগৰ কোনোৱেই জাহাজত নাই। পিছদিনা নেপোলচলৈ গৈ তেওঁলোকে খবৰ দিলে যে ৰজা আলন্সোকে আদি কৰি সকলোৱেই সাগৰৰ গৰ্ভত লীন গ'ল।

কিন্তু আচৰিত কথা ৰজা আৰু তেওঁৰ দলৰ এজনো প্ৰকৃততে মৃত্যু মুখত পৰা নাছিল। সাগৰৰ ঢৌৱে তেওঁলোকক সেই অচিনাকি দ্বীপটোৰ বিভিন্ন অঞ্চলত পেলাই দিছিল। গতিকে কোনেও কাৰো কথা নজনাকৈ তেওঁলোক আটাইকেইজনেই জীয়াই আছিল। জীয়াই আছিল প্ৰচপাৰৰ শাসন কৰা সেই দ্বীপটোত। গতিকে এসময়ত তেওঁক ৰাজ্যৰপৰা ষড়যন্ত্ৰ কৰি খেদি পঠিওৱা ভায়েক এণ্টনিয়ে, সেই ষড়যন্ত্ৰত সাহায্য আগবঢ়োৱা নেপোলচৰ ৰজা আলন্সো আৰু ৰজাৰ পুত্ৰ ফাৰ্ডিনেন্দ সকলোৱে এতিয়া প্ৰচপাৰৰ হাতত। প্ৰতিশোধৰ পথ তেওঁৰ কাৰণে এতিয়া প্ৰশস্ত হৈ পৰিল। সেই দ্বীপৰ সেই নিৰ্জন গুহাত সুদীৰ্ঘ বাৰবছৰ ধৰি অধ্যয়ন কৰা যাদুবিদ্যাৰ বলত তেওঁৰ এসময়ৰ শত্ৰু এতিয়া তেওঁৰ হাতৰ মুঠিত। সেই দ্বীপটোৰ সকলো ঠাইতে এতিয়া তেওঁৰ শক্তিৰ অকুৰন্ত প্ৰকাশ। কেলিবান আৰু এৰিয়েলৰ নিচিনা স্পিৰিটে যি কোনো মুহূৰ্ততেই তেওঁৰ আদেশ পালন কৰিবলৈ সাজু আছে। প্ৰতিশোধৰ কাৰণে ইয়াতকৈ উপযুক্ত মুহূৰ্ত হয়তো আৰু নাই। সেই কাৰ্যৰ কাৰণেই প্ৰচপাৰো এতিয়া সাজু হৈছে।

সমুদ্ৰৰ সেই উত্তাল বুকুত যেতিয়া আলন্সো আৰু এণ্টনিয়ৰ জাহাজখ ন

বিপদাপন্ন হৈছিল সেই সময়ত প্রচপাৰৰ কাষতে বহি তেওঁৰ জীয়েক মিৰান্দাইও সেই দৃশ্য চাই আছিল। ধুমুহাত বিধ্বস্ত হব ধৰা জাহাজখনৰপৰা উদ্ধাৰ পাবৰ কাৰণে চিঞৰ বাথৰ কৰা সেই মানুহবোৰৰ করুণ আৰ্তনাদ তাই শুনিছিল আৰু উৎকণ্ঠিত চিত্তেৰে আত্মৰক্ষাৰ কাৰণে জাহাজৰ মাজৰপৰা সাগৰত জঁপিয়াইপৰা মানুহবোৰৰ দৃশ্য চাই আছিল। মিৰান্দাৰ কোমল নাৰী প্ৰাণে সেই ভয়াবহ দৃশ্য কোনোমতেই সহ্য কৰিব নোৱাৰিছিল। হেয়েহে চিঞৰি উঠিছিল—

উস্, সেই দুৰ্ভাগীয়াসকলৰ লগতে যেন ময়ো সাগৰীয় ধুমুহাৰ কবলত পৰিছোঁ। সেই সাহসী জাহাজখনত নিশ্চয় বহুত সৎ মানুহ আছে। সকলো-বিলাক এতিয়া ধ্বংসৰ বুকুত নিশ্চিহ্ন হৈ যাব। যাত্ৰীসকলৰ সেই করুণ আৰ্তনাদে যেন মোৰো বুকুত খুন্দা মাৰিছেহি। সেই যাত্ৰীবিলাক কিমান দুৰ্ভগীয়া। তেওঁলোকতো নিঃশেষ হৈ গৈছে। মোৰ যদি কিবা মহৎ শক্তি থাকিলহেঁতেন মই সাগৰখনকে পৃথিবীৰ বুকুলৈ লৈ আহিলোহেঁতেন।

মিৰান্দাই চাই থাকোঁতেই জাহাজখন সাগৰৰ ঢৌৱে তাইৰ চকুৰ আঁতৰ কৰি লৈ গৈছে আৰু তাই ভাবিছে ধুমুহাৰ প্ৰকোপত জাহাজখন নিশ্চয় সাগৰৰ বুকুত লীন হৈ গৈছে। কিন্তু এই সকলোখিনি সংঘটিত হৈছিল প্ৰচপাৰৰ যাদুশক্তিৰ যোগেদি এৰিয়েলৰ সাহায্যত। সেয়ে প্ৰচপাৰেই জীয়েকক এইদৰে সান্ত্বনাৰ বাণী শুনাইছে—

চকুপানী মচি পেলোৱা, স্থিৰ হোৱা,
তোমাৰ হৃদয়ৰ অনুকম্পাৰ ভাবক অস্থিৰ কৰি তোলা
সাগৰৰ মাজৰ এই ভয়ঙ্কৰ ধ্বংসকাণ্ড মোৰ যাদুশক্তিৰদ্বাৰাই নিয়ন্ত্ৰিত হৈছে।
এই ধ্বংস কাণ্ড তুমি দেখাত যিমান ভয়ঙ্কৰ হৈছে,
ই সিমান ভয়লগা মুঠেই নহয়,
এই জাহাজৰ মানুহে ভয়ত চিঞৰা তুমি যদিও শুনিছা,
যদিও জাহাজখন ডুবি যোৱা দেখিছা, ইয়াৰ এজন যাত্ৰীৰো চুলিযানো ক্ষতি হোৱা নাই।

লগে লগে প্ৰচপাৰেই মিৰান্দাক মিলানত থকা সময়ৰ তেওঁলোকৰ সেই সুখৰ দিনবোৰৰ কথা কলে। লগতে তেওঁক (প্ৰচপাৰক) শাসনৰপৰা বহিস্কৃত কৰিবৰ কাৰণে এণ্টনিয় আৰু এলোন্সোৱে ষড়যন্ত্ৰ কৰিছিল, সেই গোটেই কথা কলে। এতিয়া যাদুশক্তিৰ বলত সেই সকল লোকক প্ৰচপাৰেই নিজৰ হাতৰ মুঠিলৈ আনিছে।

এক বিশেষ শক্তিৰ প্ৰভাৱত মই এতিয়া এই ক্ষমতা লাভ কৰিছোঁ। সেই শক্তিক যদি মই এতিয়া সদব্যৱহাৰত নলগাওঁ, বাদ দিওঁ, মোৰ ভাগ্যৰবি চিৰদিনৰ কাৰণে ডুব যাব।

যাদুবিদ্যা অধ্যয়নৰদ্বাৰা প্ৰচপৰাই এতিয়া এনে শক্তি লাভ কৰিছে, যি শক্তিৰদ্বাৰা তেওঁ ইচ্ছা কৰিলেই তেওঁ মানুহক টোপনি নিয়াব পাৰিছিল। আৰু ঠিক এই কথাখিনি কোৱাৰ পিছতে মিৰান্দাৰ টোপনি আহিল। সেই মুহূৰ্ত্ততে এৰিয়েলে আহি প্ৰচপাৰক জনালে যে গৰাকীৰ নিৰ্দেশ আখৰে আখৰে পালন কৰা হৈছে। সেয়ে, তেওঁ প্ৰচপাৰৰ হাতৰপৰা নিজৰ মুক্তিৰ প্ৰাৰ্থনা জনালে। কিন্তু প্ৰচপৰাই তেওঁক আৰু নতুন আদেশ শুনালে। সেই আদেশ অনুযায়ী এৰিয়েলে এগৰাকী জল-অপ্সৰাৰ ৰূপ লব লাগে আৰু সেই ৰূপ প্ৰচপাৰৰ বাহিৰে যাতে কোনেও নেদেখে। লগতে এৰিয়েলক এই কথাও কলে যে দুদিনৰ পিছতে তেওঁৰ মুক্তি লাভ হব। তাৰ মানে, তেতিয়াও এৰিয়েলে প্ৰচপাৰক কৰি দিব লগা কাম আৰু বহুত আছে। আৰু সেইখিনি কৰি নিদিয়াকৈ প্ৰচপাৰৰ হাতৰপৰা এৰিয়েলে মুক্তি পাব নোৱাৰে। এৰিয়েল আছিল মুক্ত অকনৰ (শূন্যৰ) দেৱতা। সি নানা তৰহৰ ভেল্কিবাজী আৰু মায়া জানিছিল। বিশেষকৈ কষ্টত জৰ্জৰিত কেলিবানৰ লগত যেতিয়া যুক্ত হয় তেতিয়া এৰিয়েলৰ মায়াৰ শক্তি আৰু বাঢ়ে। কিন্তু অপ্সৰা হিচাপে এৰিয়েলৰ বহুতবোৰ ভাল গুণো আছে। এৰিয়েলৰ মৃদু সঙ্গীতে মাজে মাজে সেই দ্বীপৰ অৰণ্যৰ মাজত সুৰৰ মধুৰ মূৰ্চ্ছনাৰ সৃষ্টি কৰে। তদুপৰি, জোনালী নিশা যেতিয়া জোনবাইৰ পোহৰে নীৰৱ সাগৰৰ বুকুত মধুৰ প্ৰশান্তিৰ চাদৰ পাৰি থয় তেতিয়া এৰিয়েলৰ নৃত্যৰ ৰুনুজুনু শব্দত সেই সাগৰৰ বুকু পৰিবৰ্তিত হয় নৃত্যময় এক ৰঙ্গমঞ্চলৈ। এৰিয়েলৰ সুৰদি পাখীয়ে সেই দ্বীপৰ নানাবিধ ফুলৰ পাহি আৰু গছৰ কুমলীয়া কুঁহিপাতক সাদৰেৰে চুমা যাচে। তাৰ গীতে বতাহৰ স্থিৰ কোলাত আলোড়নৰ সৃষ্টি কৰে আৰু এৰিয়েলৰ এনে সঙ্গীতে আনন্দ চিত্ৰাবল হৈ থকা অন্যান্য অপ্সৰাসকলক বশ কৰি ৰাখে। জলদেৱতা হিচাপে এৰিয়েল এতিয়া সেই ঠাইত ওলালগৈ য'ত পিতৃ আৰু বন্ধুবৰ্গক হেৰুৱাই বিষাদগ্ৰস্ত ৰাজকোঁৱৰে অকলে সেই অজান দ্বীপত নিজৰ অনিশ্চিত ভৱিষ্যতৰ কথা চিন্তা কৰিছে। হঠাৎ ৰাজকোঁৱৰৰ অন্তৰত মৃদু সঙ্গীতৰ সুৰৰ পৰশ লাগিল।

> কোনে যেন বাট চাই আছে,
> বাট চাই আছে তোমালৈকে
> হালধীয়া বালুকাৰ কাষে কাষে
> চুমা আৰু মৰমৰ পৰশ চাকি
> কৰি লোৱা হৃদয় বৰণ·· ····
>
> .. ... ...

হাবি বন বাদ্দি আৰু শিলেৰে ভৰা এই নিজান দ্বীপত বতাহত হঠাতে এই দৰে সঙ্গীতৰ মূৰ্চ্ছনা শুনি ৰাজপুত্ৰ ফাৰ্ডিনেন্দ আচৰিত হৈ উঠিল। ইফালে সিফালে ঘূৰি চালে। গীত গাওঁতাক কেনিও ক'তো দেখা নাপালে। কিন্তু গীতৰ

সুৰ যে অনবৰত আহিবই লাগিছে। এইবাৰ ফাৰ্ডিনেণ্ডে সেই ^এ অনুসৰণ কৰি যাবলৈ ধৰিলে।

ক'ৰপৰা ভাঁহি আহে সঙ্গীতৰ এই মৃদু মূৰ্চ্ছনা
এই গীত বতাহত নে পৃথিৱীতে।
সেয়া হঠাতে যেন ইয়াৰ স্বৰ নাইকিয়া হৈ গৈছে,
নাই সেয়া সেয়া আহিয়েই আছে।
এই দ্বীপৰ ৰজাৰ কাৰত নিশ্চয় কোনোবা সুৰ শিল্পীয়ে
সেই সঙ্গীতৰ মূৰ্চ্ছনা তুলিছে
যাওঁ, ময়ো যাওঁ।
আহ, এই সুৰৰ শবদে মোক টানি নিছে
নে এই সুৰ মই অনুসৰণ কৰিছো।
... ... ...

এৰিয়েলে এইদৰে তেওঁৰ সুৰৰ মাদকতাৰে ফাৰ্ডিনেণ্ডক প্ৰচপাৰ আৰু মিৰান্দা থকা সেই গুহাৰ কাষলৈ লৈ আহিল। দূৰৰপৰাই তেওঁলোকে ফাৰ্ডিনেণ্ডক খুব আগ্ৰহেৰে লক্ষ্য কৰিবলৈ ধৰিলে। নিজৰ বৃদ্ধ দেউতাকৰ বাহিৰে কোনো পুৰুষক নেদেখা মিৰান্দাই প্ৰথম দেখিয়েই ফাৰ্ডিনেণ্ডক দেৱতা বুলিয়েই ভাবিছিল। ফাৰ্ডিনেণ্ডেও ভাবিছিল যে এই গৰাকী নিশ্চয় এই দ্বীপৰ অধিশ্বৰী দেৱী। তেওঁ শুনা সেই সুৰ আৰু সেই গীত নিশ্চয় এই দেৱীৰ সন্তুষ্টিৰ কাৰণে জলদেৱীসকলে গোৱা গীত। ফাৰ্ডিনেণ্ড আৰু মিৰান্দাৰ এইদৰে প্ৰথম সাক্ষাততেই উভয়ে উভয়ৰে দৃষ্টিত মুগ্ধ হোৱা দেখি প্ৰচপাৰ অতিশয় আনন্দিত হ'ল। কিন্তু আনন্দৰ ভাব লুকাই ৰাখি খঙৰ ভাওজুৰি তেওঁ ফাৰ্ডিনেণ্ডক গৰ্জি উঠিল। গোপনে এইদৰে তেওঁৰ গুহাৰ কাষলৈ অহাৰ কাৰণে তেওঁ ফাৰ্ডিনেণ্ডক গুপ্তচৰ, ষড়যন্ত্ৰকাৰী আৰু বিশ্বাসঘাটক বুলি নিন্দা কৰিলে আৰু কলে যে এনে অপৰাধৰ শাস্তিস্বৰূপে তেওঁ বন্দীশালত থাকিব লাগিব আৰু খাবলৈ শুকান ঘাঁহ ভুঁহ আৰু সাগৰীয় পানীৰ বাহিৰে একো নাপাব। প্ৰচপাৰৰ এনে কথা শুনি খঙত ফাৰ্ডিনেণ্ডে তৰোৱাল দাঙি ললে। কিন্তু হঠাতে যেন তেওঁৰ সকলো শক্তি নাইকিয়া হৈ গ'ল। প্ৰচপাৰৰ যাদুশক্তিৰ প্ৰভাৱত তেওঁৰ সৰ্বশক্তি নিষ্ক্ৰিয় হৈ পৰিল। লাহে লাহে তেওঁ মিৰান্দাৰ পাছ ললে; কিন্তু অনিচ্ছা সত্বেও মিৰান্দাই তেওঁক পোতাশাললৈহে লৈ যাব লগা হ'ল। সেই অজানা দ্বীপত এইদৰে পোতাশালত বন্দী হৈ থাকিও ফাৰ্ডিনেণ্ডৰ মন কিবা এক আকুল হেপাহ আৰু আনন্দত ডুবি পৰিল। সেই আনন্দ তেওঁ লাভ কৰিছিল মিৰান্দাৰ চকুৰ কোমল আৰু মিঠা চাৱনিত। মিৰান্দাৰ সান্নিধ্যই তেওঁক আনকি পিতৃ বিচ্ছেদ আৰু বন্ধু বিচ্ছেদৰ শোকৰ কথাও পাহৰাই ৰাখিলে। প্ৰচপাৰৰ খং আৰু বিপদ সঙ্কেতলৈকো তেওঁৰ

ভয় নলগা হ'ল। তেওঁৰ এনে ধাৰণা হ'ল, পৃথিৱীৰ চৌপাশে যি ঘটে ঘটি থাকক, তেওঁৰ কাৰণে পোতাশালৰ সেই বন্ধনো স্বৰ্গ, যদিহে দিনে অন্ততঃ এবাৰো তেওঁ সেই লাৱণ্যময়ী কন্যাক দেখা পায়।

প্ৰচপাৰৰ গুহাৰ কাষতে ফাৰ্ডিনেন্দৰ বন্দীশাল। পোতাশালত কেৱল অবৰুদ্ধ হৈ থকাই নহয়, ফাৰ্ডিনেন্দক সশ্ৰম কাৰাদণ্ড বিহা হৈছিল। এঠাইত দ'ম হৈ থকা কিছুমান গধুৰ গধুৰ কাঠৰ টুকুৰা অন্য এঠাইত জমা কৰিবলৈ তেওঁক নিৰ্দেশ দিয়া হৈছিল। ফাৰ্ডিনেন্দৰ কাৰণে এনে নীৰস আৰু নিৰৰ্থক কাম কৰাটো মৃঠেই সম্ভৱ নহ'লহেঁতেন যদিহে মিৰান্দাৰ ওঁঠ বাগৰি অহা মধুৰ হাঁহিয়ে তেওঁৰ হৃদয়ত প্ৰেমৰ বিজুলী ৰেখা আঁকি নগ'লহেঁতেন। এখোজ-দুখোজকৈ আগবাঢ়ি আহি মিৰান্দাই ফাৰ্ডিনেন্দে কাঠ কটিওৱা চাই আছেহি। ফাৰ্ডিনেন্দৰ কষ্ট দেখি মিৰান্দাৰ প্ৰাণে নসহা হৈছে। সেয়ে তেওঁ নিজে কটিয়াই হলেও ফাৰ্ডিনেন্দক সেই কষ্টৰপৰা অলপ সকাহ দিবলৈ ওলাইছে। কিন্তু ফাৰ্ডিনেন্দে নিজৰ পিঠিৰ কামীহাড় ভাগি গ'লেও যে মিৰান্দাক সেই কাম কৰিবলৈ নিদিয়ে। মিৰান্দাই জীৱনত দেউতাকৰ বাহিৰে কোনো পুৰুষৰ মুখ দেখা নাছিল আৰু আইনাত নিজৰ মুখৰ প্ৰতিবিম্বৰ বাহিৰে অন্য কোনো নাৰীৰ মুখো দেখা নাই। তথাপিও স্বাভাৱিক স্ত্ৰীসুলভ সৌজন্যৰে সৈতে তেওঁ কেইআষাৰমান এনে মউসনা কথা কলে যি কেইআষাৰ কথাই ফাৰ্ডিনেন্দৰ অন্তৰ-মানস আনন্দেৰে ঢৌৱাই পেলালে। ফাৰ্ডিনেন্দে মুক্তকণ্ঠে স্বীকাৰ কৰিলে যে প্ৰথম দেখিয়েই তেওঁ মিৰান্দাৰ প্ৰতি আকৃষ্ট হৈছে। বন্দীশালত যে তেওঁ নীৰৱে বিনা প্ৰতিবাদে প্ৰচপাৰৰ দাসত্ব মানি লৈছে একমাত্ৰ মিৰান্দাৰ কাৰণেই। ফাৰ্ডিনেন্দৰ এনে কথাত মিৰান্দাও আৰু স্থিৰ হৈ থাকিব নোৱাৰিলে। কাৰণ সেই নিৰ্মল আৰু কোমল পবিত্ৰ অন্তৰত ইতিমধ্যে প্ৰেমৰ হিল্লোল নামিছেই। সেয়ে মিৰান্দাই অন্তৰৰ সেই প্ৰেমময় ভাব তৰঙ্গক বাধা দি ৰাখিব নোৱাৰিলে। গোনপটিয়াভাৱেই মিৰান্দাই ফাৰ্ডিনেন্দক ভালপোৱাৰ কথা শুনি দিলে। লগে লগে ফাৰ্ডিনেন্দেও স্বীকাৰ কৰিলে যে জীৱনত অসংখ্যবাৰ বহু নাৰীক তেওঁ শ্ৰদ্ধা সহকাৰে লক্ষ্য কৰিছে আৰু ফল স্বৰূপে তেওঁলোকৰ মনহৰণকাৰী কথাৰ পাকচক্ৰত পৰি মুগ্ধ হৈছে। কিন্তু এতিয়া স্বৰ্গ আৰু পৃথিৱীক সাক্ষী কৰি তেওঁ স্বীকাৰ কৰিছে যে সেই সকলো নাৰীতকৈ ওপৰত মিৰান্দাক তেওঁ নিজ অন্তৰত প্ৰতিষ্ঠা কৰিছে। ইতিমধ্যে দুয়ো প্ৰেমিক প্ৰেমিকাৰ এই গোপন আলাপ প্ৰচপাৰই আঁৰৰপৰা শুনি আছিল। প্ৰচপাৰই জানিব পাৰি নথৈ সুখী হ'ল যে উভয়ে উভয়ক জীৱন সঙ্গী হিচাপে পাবলৈ প্ৰতিজ্ঞাবদ্ধ হৈছে।

ইতিমধ্যে নেপোলচৰ ৰজা আলন্সো, ৰাজকুমাৰ চেবাষ্টিয়ান, মিলানৰ ডিউক এণ্টনিয় তেওঁৰ মন্ত্ৰী গঞ্জালো এই সকলোৱেই সাগৰীয় ধুমুহাৰপৰা

কোনোমতে মুক্তি লাভ কৰি সেই দ্বীপৰে অন্য এঠাইত ফিৰুৱা লৈছে। গঞ্জালোৰে ৰজাক তেওঁলোকে সাগৰীয় ধুমুহাৰপৰা ৰক্ষা পোৱা এই আশ্চৰ্যজনক ঘটনাৰ কথাকে কৈ আছে। এনে প্ৰবল ধুমুহা বতাহৰপৰা তেওঁলোকক চৌৰে আনি কেনেকৈ এই দৰে এটা অচিনাকি দ্বীপত পেলাই দিলেহি সেই কথা সঁচাকৈয়ে ৰহস্য—এটা বিবাকল। গতিকে গঞ্জালোৰ মতে; এই দুৰ্ভাগ্যৰ কাৰণে তেওঁলোক দুখী হোৱাতকৈ আনন্দিত হোৱাৰহে কাৰণ অধিক; কিন্তু গঞ্জালোৰ এনে কথাই ৰজা আলন্সোক মুঠেই সন্তুষ্ট কৰিব পৰা নাই। কাৰণ ৰজাই যে ৰাজপুত্ৰ ফাৰ্ডিনেন্দক হেৰুৱাইছে। আলন্সোৰ দৃঢ় বিশ্বাস ফাৰ্ডিনেন্দক সাগৰৰ চৌৱে মাজ সাগৰলৈ লৈ গ'ল। কিন্তু তেওঁলোকৰ দলৰে এজন বিষয়াই তেওঁক কৈছে যে তেওঁ ফাৰ্ডিনেন্দক সাগৰৰ চৌৰ মাজেদি দুৰ উলিয়াই সাগৰৰ তীৰৰ ফালে যোৱা দেখিছিল। গতিকে তেওঁৰ ধাৰণামতে ফাৰ্ডিনেন্দ এই দ্বীপৰে ক'ৰবাত জীয়াই আছে। কিন্তু আলন্সোৰ দ্বিতীয়পুত্ৰ চেবাষ্টিয়ানে ককায়েক ফাৰ্ডিনেন্দ জীয়াই থকাটো কোনো মতেই বিশ্বাস কৰিব নোৱাৰে। আচৰিত হব লগীয়া কথা একো নাই, চেবাষ্টিয়ানে আনকি ফাৰ্ডিনেন্দৰ মৃত্যু হোৱাটোকে কামনা কৰে। সেয়ে হলে, তেওঁৰ কাৰণে ৰাজমুকুট লাভ সহজ হৈ পৰিব। অৱশ্যে ফাৰ্ডিনেন্দৰ বায়েক এগৰাকীক টিউনিচৰ ৰজাই বিয়া কৰাইছিল। গতিকে ফাৰ্ডিনেন্দ নাথাকিলেও ৰাজসিংহাসন ককায়েকৰ হাতলৈহে যাব। সেয়ে যাতে নহয় তাৰ কাৰণে চেবাষ্টিয়ান সচেষ্ট হৈ পৰিছিল। তেওঁ ইতিমধ্যে এণ্টনিয়ৰ লগ লাগি নেপোলচৰ ৰাজ্য নিজৰ হাতলৈ আনিবৰ কাৰণে আয়োজন কৰিছিল।

এইদৰে আটাই কেইজন মিলি কথা পাতি থাকোতেই হঠাতে চেবাষ্টিয়ান আৰু এণ্টনিয়ৰ বাহিৰে আটাইকেইজনৰে টোপনি আহিল। তেওঁলোকৰ অন্তৰত উদ্‌গিৰীত হোৱা অসৎ অভিপ্ৰায়ৰ চিন্তাই তেওঁলোকৰ চকুৰপৰা টোপনি নাইকিয়া কৰিলে। ৰজাৰ টোপনি যোৱা দেখি এণ্টনিয়ই চেবাষ্টিয়ানৰ এই অসৎ অভিপ্ৰায়ক তেওঁৰ বিবাক্ত উপদেশেৰে জ্বলাই তুলিলে। তেওঁলোকৰ মনৰ নিষ্ঠুৰতাই চৰম সীমা চুলেগৈ। তৰোৱাল উলিয়াই লৈ নিদ্ৰিত অৱস্থাতে আলন্সো আৰু গঞ্জালোক হত্যা কৰিবৰ কাৰণে তেওঁলোক দুজন উদ্যত হ'ল। কিন্তু হঠাত যেন গঞ্জালোৰ কাণে কাণে কোনোবাই ফুচফুচাই কব ধৰিলে—

তোমালোক যেতিয়া এই দৰে নিদ্ৰা দেবীৰ বুকুত—ষড়যন্ত্ৰৰ ফেঁটিগোমে ফণা তুলি উঠিছে। জীৱনৰ কাৰণে যদি তোমালোকৰ মমতা আছে টোপনি ত্যাগ কৰা, আৰু সাৱধান হোৱা।

জাগা জাগা জাগা!

গঞ্জালো তৎক্ষণাত উঠি বহিল আৰু লগে লগে ৰজাকো জগাই দিলে। সাৰ পাই উঠি ৰজাই দেখে চেবাষ্টিয়ান আৰু এণ্টনিয়ই হাতত তৰোৱাল খোলাভাৱেই

লৈ বৈ গৈছে। তেওঁলোক দুজনৰ মুখাৱয়ব শেঁতা পৰি গ'ল। বজাই তেওঁলোক দুজনৰ তেনে ব্যৱহাৰৰ কাৰণ সোধাত তেওঁলোকে কলে যে নিদ্ৰিত-সকলৰ ৰখীয়া হিচাপে সাৰ পাই থকা অৱস্থাত তেওঁলোকে সিংহৰ গৰ্জনৰ দৰে কিবা এটা শব্দ শুনিহে সেইদৰে তৰোৱাল খুলি লৈছিল। যেই হওক, গঞ্জালোৱে তেওঁলোকক সিমানতো সন্দেহ নকৰিলে আৰু ৰাজকুমাৰ ফাৰ্ডিনেন্দৰ অনুসন্ধানৰ যাত্ৰাত তেওঁলোককো ওলাবলৈ কলে। বিশ্বাসঘাটক দুজনেও এইবাৰলৈ তেওঁলোকৰ এই কু-অভিপ্ৰায় ত্যাগ কৰিব লগা হ'ল। অৱশেষত তেওঁলোক সকলোৱে পাহাৰৰ মাজৰ এটুকুৰা ধুনীয়া সমান ঠাইত হঠাতে মধুৰ সঙ্গীতৰ সুৰ শুনিবলৈ পালে। সঙ্গীতৰ লগে লগে কিছুমান অদ্ভুত আকৃতিৰ ছায়ামূৰ্তিয়ে উপাদেয় খাদ্যবস্তুৰ কাঁহী কেইবাখনো তেওঁলোকৰ আগত থলে। লগে লগে পৰীসকলৰ নৃত্য আৰম্ভ হ'ল। সকলোৱে অদৃশ্য হৈ প্ৰচপৰাই এই সকলোবোৰ লক্ষ্য কৰি আছিল। হঠাতে পৰীবিলাক নাইকিয়া হ'ল। ভোকত কাতৰ হৈ থকা আলন্সোৱে তেওঁৰ মন্ত্ৰীসকলৰ আদেশ নিৰ্দেশলৈ কাণসাৰ নিদি সেই ভোজ খাবৰ কাৰণে লগৰ সকলোকে নিৰ্দেশ দিলে, আৰু নিজেও সাজু হ'ল। ঠিক সেই সময়তে এটা ভয়ঙ্কৰ মূৰ্তি ধৰি পাখী কোবাই কোবাই এৰিয়েল আহি টেবুলতে বহিল। লগে লগে মেঘৰ গাজনিৰ সৃষ্টি হ'ল। বিজুলী মাৰিবলৈ ধৰিলে। খোৱা সামগ্ৰীবোৰ হঠাতে অন্তৰ্ধান হ'ল। তেতিয়া এৰিয়েল আলন্সোক কলে যে তেওঁলোক জীয়াই থাকিবৰ কাৰণে সম্পূৰ্ণ অনুপযুক্ত। লগে লগে আলন্সোৱে তৰোৱাল উলিয়াই ললে। কিন্তু এৰিয়েলে কবলৈ ধৰিলে।

মনত ৰাখিবা—

এৰা, তোমালোকৰ লগত মোৰ কব লগীয়াও এইখিনিয়েই। এদিন তোমালোক তিনিজনে মিলানৰপৰা নিৰ্দোষী প্ৰচপাৰক গাদীচ্যুত কৰিছিলা, তেওঁক তোমালোকে সাগৰৰ বুকুলৈ এৰি দিছিলা, কিন্তু এই দ্বীপটোৱে তেওঁলোকক আশ্ৰয় দিলে, তেওঁক আৰু তেওঁৰ অকণমানি শিশু কন্যাক।

তোমালোকৰ সেই অসৎ কাৰ্য্যৰ কথা পাহৰিব নোৱাৰি, দেৰিকৈ হলেও, প্ৰকৃতিৰ শক্তিসমূহক, সাগৰৰ হাবিবন সকলোকে, এই দ্বীপৰ সকলো প্ৰাণীকে তোমালোকৰ শান্তিৰ বিপক্ষে থিয় কৰাইছে।

সেই কাৰণেই আলন্সো তোমাৰপৰা তোমাৰ পুত্ৰক কাঢ়ি নিয়া হৈছে, আৰু মই কওঁ শুনা, তাৰ কাৰণে তোমালোকৰ মৃত্যু একেবাৰতে নহয়, তিল তিলকৈ জ্বালা-যন্ত্ৰণা আৰু নাৰকীয় নিকাৰ ভোগ কৰিব লাগিব।

এৰিয়েলৰ কথা শেষ হোৱাৰ লগে লগে আকৌ বিজুলী বজ্ৰপাতৰ শব্দ হ'ল। তাৰ পিছত মৃদু সঙ্গীতৰ শব্দৰ লগে লগে খালী হৈ থকা টেবুলখনো পৰীসকলৰ বিদ্ৰূপাত্মক নৃত্যৰ লগে লগে অদৃশ্য হৈ গ'ল। এৰিয়েলৰ কথা শুনি এণ্টনিয় আৰু চেবাষ্টিয়নৰ অন্তৰত প্ৰতিহিংসাৰ ভাব বেছিকৈহে জাগি

উঠিল। কিন্তু বজা আলন্সোৰ অন্তঃকৰণ অনুশোচনাৰে ভৰি উঠিল। তেওঁৰ সন্মুখত আহি পৰা এই দুৰ্ভাগ্য যেন সঁচাকৈয়ে তেওঁ এদিন প্ৰচপাৰক কৰা অন্যায়ৰ ফলস্বৰূপেইহে সংঘটিত হৈছে। আনকি সাগৰৰ মাজত তেওঁলোকৰ জাহাজ বেৰিয়া ধুমুহাৰ কোবত গৈ পাহাৰত খুন্দা খায় তেতিয়াই তেওঁৰ অন্তঃকৰণে প্ৰচপাৰক কৰা সেই অন্যায়ৰ কথা সুঁৱৰিছিল।

ইতিমধ্যে কেলিবানে ষ্টেফানো আৰু ট্ৰিংকুল নামে সেই জাহাজতে অহা আৰু দুজন মানুহক সেই দ্বীপৰে অন্য এঠাইত লগ পালে। তেওঁলোক দুজনে অদ্ভুত আকৃতিৰ কেলিবানক একো বুজিব নোৱাৰিছিল আৰু সেই কাৰণে তাক যি কোনো ঘৃণাসূচক নামেৰে মাতিছিল। ষ্টেফানোই তেওঁৰ লগত থকা মদ এবটল উলিয়ালে আৰু তিনিও হেপাহ পলাই খালে। মদৰ নিচাই কেলিবানক যেন কিবা নতুন শক্তি যোগালে। কথাৰ মাচতে তেওঁ কৈয়ে পেলালে যে তেওঁ আৰু প্ৰচপাৰৰ ভৃত্য হৈ নাথাকে। তাৰ পৰিবৰ্তে এনে ধুনীয়া বস্তু খাবলৈ দিয়া মানুহজনৰ কামকে কৰিব। মনৰ আনন্দত চিঞৰি চিঞৰি আজিৰপৰা মোৰ মুক্তি বুলি কেলিবানে গানকে এটা গালে।

মদৰ জালত তিনিওজন ঢং পলংকৈ গৈ আছে। হঠাতে এৰিয়েল আহি তেওঁলোকৰ মাজত অদৃশ্য হৈ সোমাই পৰিল। কেৱল সোমাই পৰাই নহয় তেওঁ এটা বগৰো কৰিলে। এওঁলোক তিনিওজনৰ কথাৰ মাজত এৰিয়েলে খেলিমেলি লগাই দিলে। কোনোবা এজনে কিবা এষাৰ কলেই তৎক্ষণাত এৰিয়েলে উত্তৰ দিয়ে "তুমি মিছা কথা কৈছা।" এই আষাৰ কয় এৰিয়েলে, কিন্তু তেওঁলোকে ভাবে তেওঁলোকৰ মাজৰে কোনোবা এজনে কৈছে। শেষত তেওঁলোকৰ তিনিওজনৰ মাজত ভুকুৱা ভুকি লাগে। তাৰ মাজতে লগৰ বন্ধু দুজনৰ আগত এটা প্ৰস্তাৱ আগবঢ়ালে যে তেওঁলোকে যদি প্ৰচপাৰক হত্যা কৰিব পাৰে তেতিয়াহলে প্ৰচপাৰৰ সুন্দৰী কন্যা মিৰান্দাক লাভ কৰিব পাৰিব আৰু সেই দ্বীপটোৰ অধীশ্বৰ হব পাৰিব। এৰিয়েলৰ প্ৰভাৱতে লাহে লাহে তেওঁলোক এখন কাঁইটনী আৰু শিলাময় ঠাইৰ মাজেদি পাৰ হব লগীয়া হ'ল। তাৰ পিছত তেওঁলোকক এটা কৃত্ৰিম হ্ৰদত পেলাই দি এৰিয়েলে নগুৰ নাস্তি কৰিলে। যেই হওক, অৱশেষত তেওঁলোক আহি প্ৰচপাৰৰ থকা ঠাই পালেহি। চকুৰ আগতে নাবিক দুজনে দেখিলে অসংখ্য হীৰামুক্তা। তেওঁলোক প্ৰলোভিত হ'ল আৰু কেলিবানৰ কথা মতেই প্ৰচপাৰক হত্যা কৰাৰ পৰিবৰ্তে সেই হীৰামুক্তা আহৰণ কৰিবলৈহে মন মেলিলে। কিন্তু কি হব! হঠাতে এদল ভয়াবহ ঘোঁৰে বিকট চিঞৰ মাৰি দাঁত নিকটাই তেওঁলোকৰ ওপৰত জঁপিয়াই পৰিল। উপায় নাপাই তিনিও আত্মৰক্ষাৰ কাৰণে লৰ মাৰিলে। পাছে পাছে ঘোঁৰে খেদি মাৰিলে। এৰিয়েল আৰু প্ৰচপাৰেই পাছৰপৰা ঘোঁৰবোৰক লগাই দিলে।

এইবাৰ ফাৰ্ডিনেন্দে প্ৰচপাৰক এক নতুন ৰূপত লগ পালে। ফাৰ্ডিনেন্দক যে প্ৰচপাৰই বন্দী কৰি থৈছিল সেয়া মাথোঁ ফাৰ্ডিনেন্দৰ চৰিত্ৰৰ পৰীক্ষা। সেই পৰীক্ষাত ফাৰ্ডিনেন্দ উত্তীৰ্ণ হৈছে। সেয়ে তেওঁ মিৰান্দাক এতিয়া ফাৰ্ডিনেন্দৰ হাতত অৰ্পণ কৰিব খোজে। ফাৰ্ডিনেন্দৰ কাৰণে ইয়াতকৈ আৰু আনন্দৰ কথা কি হব পাৰে। তেওঁ তেতিয়াই শপত খালে যে গোটেই জীৱনজুৰি তেওঁ মিৰান্দাক ভাল পাব আৰু সুখী কৰিবলৈ চেষ্টা কৰিব। লগে লগে প্ৰচপাৰৰ নিৰ্দেশক্ৰমে সৃষ্টি আৰু প্ৰাচুৰ্যৰ দেৱীসকলে এই নৱদম্পতীৰ বিবাহ উৎসৱ উপলক্ষে নৃত্য কৰিবলৈ আৰম্ভ কৰিলে। লগতে কেইগৰাকীমান দাৱনী আহি সেই নৃত্যত যোগদান দিলেহি। এই মনোৰম নৃত্য উপভোগ কৰি ফাৰ্ডিনেন্দ আৰু মিৰান্দা নথৈ সুখী হ'ল। হঠাৎ প্ৰচপাৰৰ মনত পৰিল কেলিবানৰ বিশ্বাসঘাতকতালৈ। লগে লগে বজ্ৰ গম্ভীৰ স্বৰে তেওঁ কথা কবলৈ আৰম্ভ কৰিলে। সেই দেৱী কেইগৰাকী আৰু দাৱনীকেইজনী শূন্যত বিলীন হৈ পৰিল। প্ৰচপাৰৰ মনত অলপ অসন্তুষ্টিৰ ভাব পৰিলক্ষিত হ'ল। কাৰণ তেওঁ যি নৃত্য উপভোগ কৰিছিল তাৰ তুলনাত কেলিবান আৰু সেই মদপী কেইটাৰ অন্যায় কাৰ্য এক বিসদৃশ ঘটনা। তথাপি মনৰ ক্ষোভ মনতে সামৰি মুখত মিচিকীয়া হাঁহি লৈ তেওঁ ফাৰ্ডিনেন্দক কবলৈ ধৰিলে—

বাচা, তোমাৰ মনত এনে ভাব ফুটি উঠিছে যেন তুমি কিবা কথাত অলপ বিচলিত হৈছা। একো নাভাবিবা, মোৰ যাদুকাৰ্যৰ ইমানতে শেষ হৈছে। এই যে নৃত্য কৰা ভাবৰীয়াবোৰ দেখিলা মই তোমাক কৈছিলোঁৱেই, এওঁলোক সকলোৱেই ছায়ামূৰ্তি মাথোন, আৰু সেয়ে তেওঁলোক শূন্যত বিলীন হৈ গ'ল। এই দৃশ্যৰ এটা ভিত্তিহীন গাঁঠনিৰ দৰেই জাকজমকতাৰে ভৰপূৰ ৰাজভৱন, গগনচুম্বী অট্টালিকা, বিশাল মন্দিৰ আনকি পৃথিৱী নামৰ এই গ্ৰহটোও, পৃথিৱীয়ে ধাৰণ কৰা সকলো বস্তুৱেই এদিন শূন্যত বিলীন হব, আৰু শূন্যত বিলীন হোৱাৰ পিছত এই অদেহী ছায়ামূৰ্তিৰ দৰেই এইবোৰ বস্তুৱেও পিছত একো এৰি নাযায়। সপোন তৈয়াৰী হোৱা বস্তুৰে নিৰ্মিত আমাৰ জীৱন। আমাৰ এই ক্ষুদ্ৰ জীৱন সদায় এক নিদ্ৰাৰে পৰিবৃত্ত।

মোৰ আৰু আমনি লাগিছে। মোৰ দুখ-দৈন্যৰ তুমি অংশীদাৰী হোৱা। মই বুঢ়া হৈছোঁ। মোৰ মগজু অশান্ত। কিন্তু তুমি মোৰ দুৰ্বলতাৰে পৰ্যবেষ্টিত হব নোৱাৰা। যদি বেয়া নোপোৱা মোৰ ঘৰলৈ যোৱা আৰু অলপ জিৰণি লোৱাগৈ। মোৰ ক্ষুণ্ণ মনক শান্ত কৰিবৰ কাৰণে মই অলপ ফুৰি আহোঁ।

অলপ আঁতৰি গৈয়ে তেওঁ এৰিয়েলক লগ পালে, আৰু এৰিয়েলৰপৰা জানিব পাৰিলে যে সেই গুহাৰপৰা অলপ আঁতৰতে আলন্সো, চেবাষ্টিয়ান, এণ্টনিয়, গঞ্জালো আটাইকেইজন আছে। গঞ্জালোৱে মনৰ দুখতে কান্দিছে আৰু অন্যান্য কেইজনৰ অন্তৰ অজানা ভয়ত ডুবি আছে। যাদুশক্তিৰ বলত প্ৰচপাৰই

তেওঁলোকক এতিয়া চকুৰ পলকতে যেনি তেনি নিব পাৰে। সেই দ্বীপৰ তেৱেঁই এতিয়া সৰ্বেসৰ্বা। তেওঁলোকৰ জীৱন এতিয়া প্ৰচপাৰৰ হাতৰ মুঠিত। ইচ্ছা কৰিলে, যি কোনো পৰিমাণৰ শাস্তি তেওঁ শত্ৰুৰ ওপৰত জাপি দিব পাৰে। কিন্তু এৰিয়েলৰ এবাৰ কথাই প্ৰচপাৰৰ সন্দিগ্ধ মনক পথ দেখুৱাই দিলে। এৰিয়েলে কলে যে তেওঁলোকৰ (এণ্টনিয়ইত্তৰ) অন্তৰত শোক ইমান গভীৰ যে অশৰীৰী নহৈ যদি তেওঁ মানুহ হ'লহেঁতেন, তেওঁ নিশ্চয় তেওঁলোকৰ প্ৰতি সদয় হ'লহেঁতেন। তেতিয়া প্ৰচপাৰই ক'বলৈ ধৰিলে:

এতিয়াও সেয়ে হব।

এজন স্পিৰিট হৈও যদি তুমি তেওঁলোকৰ দুখ অনুভৱ কৰিব পাৰিছা, মই তেওঁলোকৰ এজন হৈও, সুখ-দুখৰ সকলো অনুভূতি থাকিও, তেনে কাৰ্য কৰিব কিয় নোৱাৰিম। মানৱ মনৰ অনুৰাগ হিচাপে তোমাতকৈ মোৰ অন্তৰে সেইবোৰ বেছি তীব্ৰভাৱে অনুভৱ কৰিব পাৰে। যদিও তেওঁলোকৰ দুষ্কৃতিৰ-দ্বাৰা মোৰ জীৱন নিঃশেষ কৰিব বিচাৰিছিল, তথাপি সেই খং মই ত্যাগ কৰিছো। প্ৰতিহিংসাৰ কাৰ্যতকৈ ক্ষমাৰ গুণ বেছি মহৎ। তেওঁলোক যেতিয়া অনুতপ্ত, সেয়ে যথেষ্ট। যোৱা এৰিয়েল, তেওঁলোকক মুক্ত কৰি দিয়া। তেওঁলোকৰ ওপৰত থকা মোৰ যাদুৰ প্ৰভাৱ মই উঠাই লৈছো। তেওঁলোকে মনৰ সকলো শক্তি আকৌ ঘুৰাই পাব।

প্ৰচপাৰৰ ফালৰপৰা এয়া সঁচাকৈ মহৎ উদাৰতা। প্ৰেমৰ পৰিবেশে প্ৰচপাৰৰ হৃদয় কোমল কৰি তুলিলে। সুদীৰ্ঘ দিন ধৰি অকলশৰীয়া হৈ থকাৰ কাৰণে তেওঁৰ অন্তৰত প্ৰকৃত ক্ষমা গুণৰ উদয় হ'ল। অতীতৰ সৌৰৱণীৰ-দ্বাৰা তেওঁ এতিয়া আৰু নিজৰ মনক ভাৰাক্ৰান্ত নকৰে। শত্ৰু সকলো হিংসা আৰু অন্যায়ৰ কথা তেওঁ পাহৰি গৈছে আৰু তেওঁলোকক ক্ষমা কৰিছে। তেওঁৰ হৃদয় এতিয়া পোৱা সোণৰ দৰে পৱিত্ৰ আৰু নিজৰ মহত্বৰে সুন্দৰ হৈ উঠিছে। অনুতাপত জৰ্জৰিত তেওঁৰ শত্ৰুসকলক তেওঁৰ কাৰণে অনা হ'ল। তেওঁলোকৰ আগত প্ৰচপাৰই যাদু আৱৰণ ছেদ কৰি প্ৰকৃত ৰূপত ধৰা দিলে আৰু মৰম মিহলি অন্তৰৰ কথা পাতিলে। তথাপি চেবাষ্টিয়ান আৰু এণ্টনিয়ক অলপ কঠোৰ কথা কলে। অৱশেষত তেওঁলোককো ক্ষমা কৰিলে। তাৰ পিছত এই নিৰ্জন দ্বীপলৈ কেনেকৈ আহিল সেই কথা বিৱৰি কলে আৰু লগে লগে অলপ আঁতৰতে তেওঁৰ ঘৰৰ ভিতৰত মিৰান্দা আৰু ফাৰ্ডিনেণ্ডে দাবা খেলি থকা দৃশ্যলৈ তেওঁলোকৰ দৃষ্টি আকৰ্ষণ কৰিলে। খেলি থকাৰ পৰা মুৰ দাঙি চাই ফাৰ্ডিনেণ্ডে দেউতাকক দেখি আনন্দত কব নোৱাৰা হ'ল আৰু লৰি গৈ দেউতাকৰ ভৰিত পৰি সেৱা জনালে। লগে লগে মিৰান্দাও বহি থকাৰপৰা উঠি আহিল আৰু ইমান কেইজন মানুহক একে লগে দেখি আনন্দত চিঞৰি উঠিল।

কি আচৰিত ! ইমান ধুনীয়া মানুহ আছিছে ইয়ালৈ।

মানুহ সঁচাকৈয়ে কিমান সুন্দৰ।

অ' স্বপ্নগৰ্ভা সুন্দৰ পৃথিৱী ! তোমাৰ বুকুত যে এনে বিত্তোপন মানুহ আছে।

মিৰান্দাৰ শাৰীৰিক সৌন্দৰ্য দেখি ৰজা আলন্সোৰ ধাৰণা হ'ল যে তেওঁ নিশ্চয় কোনোবা দেৱী হব। কিন্তু যেতিয়া তেওঁ বুজিব পাৰিলে মিৰান্দা তেওঁৰ পুত্ৰৰ বাগদত্তা কন্যা, তেতিয়া ৰজাৰ মনত আনন্দৰ সীমা নাইকিয়া হ'ল।

ঠিক সেই সময়তে সেই ঘৰৰ বাহিৰত মানুহৰ ভৰিৰ শব্দ শুনা গ'ল। তেওঁলোক অন্য কোনো নহয়, আলন্সোৰ জাহাজৰ নাবিকসকল। ৰজা আৰু ৰাজপুত্ৰ জীয়াই থকাৰ বাতৰি পাই শক্তিশালী জাহাজ লৈ তেওঁলোক আহিছে সকলোকে নেপোলচলৈ ঘূৰাই নিবৰ কাৰণে। এই সকলো কাৰ্য সংঘটিত হৈছিল প্ৰচপাৰৰ বিশ্বাসী অদেহী এৰিয়েলৰদ্বাৰা, আৰু এইখিনি গধুৰ দায়িত্ব পালন কৰি তেওঁ প্ৰচপাৰেই সেইৰাতিৰ কাৰণে ৰজা আলন্সো আৰু তেওঁৰ লগৰীয়াসকলক তেওঁৰ লগতে থাকিবৰ কাৰণে অনুৰোধ জনালে আৰু পিছদিনাই তেওঁলোকক জাহাজেৰে নিৰ্বিঘ্নে নেপোলচত থোৱাই দিয়াৰ প্ৰতিশ্ৰুতি দিলে। লগতে তেওঁ এই কথাও জনালে যে নেপোলচত যাতে এই নতুন প্ৰেমিক প্ৰেমিকাৰ বিবাহ উৎসৱ সম্পাদিত হোৱা তেওঁ দেখে তাকে আশা কৰিলে। তাৰ পিছত তেওঁ নিচিন্ত মনে মিলানলৈ যাব আৰু তাতে শেষ বয়সৰ সময়ছোৱা কটাব। তেওঁ ইতিমধ্যে সকলো দায়বদ্ধতাৰ পৰা মুক্ত হৈছে, আৰু তেওঁ সকলোকে মুক্তি দিছে। সকলোকে নিৰ্বিঘ্নে নেপোলচলৈ নিবলৈ তেওঁ এৰিয়েলক নিৰ্দেশ দিলে আৰু সেই কাৰ্য সম্পাদন কৰাৰ পিছতেই এৰিয়েলে মুক্তি পাব বুলিও ঘোষনা কৰিলে।

পিছদিনা নীলা আকাশৰ তলে তলে এখন শান্ত সাগৰৰ বুকুৱেদি নেপোলচলৈ বুলি সকলোৱে যাত্ৰা কৰিলে। তেওঁলোকৰ যাত্ৰাৰ লগে লগে সেই মোহময়ী দ্বীপটো লাহে লাহে তেওঁলোকৰ দৃষ্টিৰ পৰা আঁতৰ হৈ পৰিল আৰু সোণবৰণী ৰঙৰ মাজত লুকাই পৰিল।

কিন্তু ফুল আৰু ৰঙৰ মাজত গান গাই আনন্দ লাভ কৰা সেই বঢ়িয়াল মনৰ এৰিয়েল সেই দ্বীপটোতে থাকিল। তেওঁ এতিয়া সকলোৰ পৰা মুক্ত। এৰিয়েলৰ মুক্ত মনৰ সঙ্গীতৰ প্ৰভাৱৰ পৰা সেই দ্বীপৰ তৰুবনৰাজি কেতিয়াও বঞ্চিত নহৈছিল।